UG HT S3-01
(DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এছ; এন ই পি ২০২০ অনুসৰি)

তৃতীয় ষান্মাসিক

ইউৰোপৰ ইতিহাস (১৭৮৯-১৮৭৮)

ইতিহাস



সূৰ্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

পাৰমিতা দাস, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়
ৰাজীৱ সন্দিকৈ, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বর্ণালী শর্মা, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ ড° সুকমায়া লামা, সহকাৰী অধ্যাপিকা (ইতিহাস), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১ আৰু ১২	বিৰাজ জ্যোতি কলিতা (চি.কে.বি. মহাবিদ্যালয়)	মৃদুস্মিতা কলিতা
২	সৌৰভ কুমাৰ ৰায়(গৱেষক, দিল্লী বিশ্ববিদ্যালয়), ইব্রাহিম হুছেইন স্বেখ (হালাকুৰা মহাবিদ্যালয়)	গীতাঞ্জলি মেধি
৩	ড° প্রীতি সলিলা ৰাজখোৱা (KKHSOU), সৌৰভ কুমাৰ ৰায়(গৱেষক, দি বিশ্ববিদ্যালয়), বদন চন্দ্র মহন্ত (প্রাগজ্যোতিষ মহাবিদ্যালয়), ইব্রাহিম হুছেইন স্বেখ (হালাকুৰা মহাবিদ্যালয়)	চেলিম মহম্মদ শইকীয়া মেঘনা চৌধুৰী
৪ আৰু ৫	ড° সুকমায়া লামা (KKHSOU)	
৬	ৰুংকনা ৰৰা (সন্দিকৈ ছোৱালী মহাবিদ্যালয়)	
৭	জয়শ্রী দাস (ৰৱনগৰ মহাবিদ্যালয়)	
৮	সন্দীপন পাঠক (দুধনৈ মহাবিদ্যালয়)	আবুল হুছেইন
৯ আৰু ১০	সংঘমিত্রা শর্মা, গৱেষিকা/গুৱাহাটী বিশ্ববিদ্যালয়	সংঘমিত্রা শর্মা
১১	ড° সুকমায়া লামা	চেলিম মহম্মদ শইকীয়া
১৩	ড° সুকমায়া লামা, ভৱানী দলে	ৰীতা দাস
১৪	ড° সুকমায়া লামা, চেলিম মহম্মদ শইকীয়া	চেলিম মহম্মদ শইকীয়া
১৫	সৌৰভ কুমাৰ ৰায়(গৱেষক, দিল্লী বিশ্ববিদ্যালয়)	দীপশিখা বর্মন

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° বিশ্বজ্যোতি দেৱ মহন্ত, প্রাগজ্যোতিষ মহাবিদ্যালয়
ড° মামণি শর্মা, ললিত চন্দ্র ভৱালী মহাবিদ্যালয়

ভাষা সম্পাদনা ঃ ড° ৰুণমণি ৰৰা ফুকন, চন্দ্রপুৰ মহাবিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ড° সুকমায়া লামা, সহকাৰী অধ্যাপিকা (ইতিহাস), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।

ছেপ্টেম্বৰ, ২০২৪

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মূখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **প্ৰবুদ্ধিৰ যুগ** ৭-১৮

ধাৰণা আৰু অৰ্থ, অৱদান, প্ৰভাৱ।

অধ্যায় ২ ঃ **ইউৰোপ আৰু ফৰাচী বিপ্লৱ** ১৯-৩২

ফৰাচী বিপ্লৱৰ প্ৰাকমূহুৰ্তত ইউৰোপ, ফৰাচী বিপ্লৱ; কাৰণঃ প্ৰকৃতি, অৱদান, ফৰাচী বিপ্লৱলৈ সঁহাৰি আৰু প্ৰতিক্ৰিয়া।

অধ্যায় ৩ ঃ **ফ্ৰান্সঃ প্ৰজাতন্ত্ৰৰ পৰা একনায়কত্ববাদী শাসনলৈ** ৩৩-৪৩

সাংবিধানিক ৰাজতন্ত্ৰৰ প্ৰতি সঁহাৰি, ফ্ৰান্সত নৈৰাজ্য, জাতীয় সন্মিলন, সন্ত্ৰাসৰ ৰাজত্ব, ডাই�ৰেক্ট'ৰী।

অধ্যায় ৪ ঃ **নেপোলিয়নৰ যুগ** ৪৪-৫৮

১৭৯৯ চনৰ ৰাজ কু-দে-তা, মুখ্য কনচালৰূপে নেপোলিয়নৰ সংস্কাৰ, আঞ্চলিক সম্প্ৰসাৰণ, মহাদেশীয় ব্যৱস্থা, নেপোলিয়নৰ পতন।

অধ্যায় ৫ ঃ **ইউৰোপীয় মহাসংঘ আৰু ভিয়েনা প্ৰতিনিধি সন্মিলন** ৫৯-৭১

ইউৰোপীয় মহাসংঘ, পবিত্ৰ চৰ্তু দেশীয় মৈত্ৰী, এই-লা-ছেপেল্‌ৰ কংগ্ৰেছ, ভিয়েনাৰ প্ৰতিনিধি সন্মিলন ঃ চৰ্তসমূহ, তাৎপৰ্য।

অধ্যায় ৬ ঃ **জাৰ্মানী আৰু ইটালীৰ একত্ৰিকৰণ** ৭২-৯০

মেটাৰনিক্ আৰু তেওঁৰ নীতি, জাৰ্মান মহাসংঘ, ১৮৪৮ চনৰ ফ্ৰেংকফৰ্ট অধিৱেশন, বিচমাৰ্ক আৰু আধুনিক জাৰ্মানী, ভিয়েনাৰ কংগ্ৰেছ আৰু ইটালী, কাৰ্ব'নেৰী, মাজ্জিনী কেভ'ৰ, গেৰিবল্ডী।

অধ্যায় ৭ ঃ **ৰাছিয়াৰ সংস্কাৰ আন্দোলন (১৮১৫)** ৯১-১০১

১৮১৫ চনত ৰাছিয়া, আলেকজেণ্ডাৰ দ্বিতীয় আৰু তেওঁৰ সংস্কাৰসমূহ।

অধ্যায় ৮ ঃ **অষ্ট্ৰো'-হাংগেৰীয়া সমস্যা** ১০২-১১১

অসন্তুষ্টিৰ আৰম্ভণি, মাৰ্চ আইন, অক্টোবৰ ডিপ্ল'মা, আউচগ্ৰেইচ্।

অধ্যায় ৯ ঃ **১৮৩০ চনৰ জুলাই বিপ্লৱ** ১১২-১২১

কাৰণসমূহ, প্ৰকৃতি, তাৎপৰ্য, পৰিণাম।

অধ্যায় ১০ ঃ **১৮৪৮ চনৰ ফ্ৰেব্ৰুৰাৰী বিপ্লৱ** ১২২-১২৯

পটভূমি, অৰ্থ, পৰিণাম।

অধ্যায় ১১ ঃ **দ্বিতীয় নেপোলিয়নীয় সাম্ৰাজ্য** ১৩০-১৪০

দ্বিতীয় ফৰাচী গণৰাজ্য (১৮৪৮-১৮৫২), তৃতীয় নেপোলিয়ন আৰু তেওঁৰ সংস্কাৰসমূহ, দ্বিতীয় নেপোলিয়নীয় সাম্ৰাজ্যৰ পৰিসমাপ্ত।

অধ্যায় ১২ ঃ ইউৰোপত অষ্ট্ৰিয়াৰ আধিপত্য **১৪১-১৫২**

মেট্টাৰনিচ্চ ঃ তেওঁৰ ব্যৱস্থা আৰু ইয়াৰ বিফলতা, পৰিণাম।

অধ্যায় ১৩ ঃ প্ৰাচ্যৰ প্ৰশ্ন **১৫৩-১৬৫**

বল্কান সমস্যাৰ ইৎস, মধ্য প্ৰাচ্যৰ প্ৰতি ইউৰোপীয় দৃষ্টিভঙ্গী, চান ষ্টিফেন'ৰ সন্ধি, বাৰ্লিন কংগ্ৰেছ।

অধ্যায় ১৪ ঃ স্পেইনৰ বিপ্লৱ **১৬৬-১৭৮**

কাৰণ, সংবিধান, অসফলতা।

অধ্যায় ১৫ ঃ ইউৰোপত উদাৰবাদ **১৭৯-১৯০**

স্পেইন, পৰ্তুগাল, ৰাছিয়া, বৃটেইন, ফ্ৰান্স, বেলজিয়াম।

প্ৰসংগ পুথি **১৯১**

পাঠ্যবিষয় পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ সংশোধিত ষান্মাসিক ব্যৱস্থাৰ অধীনৰ স্নাতক কলা শাখাৰ ইতিহাস বিষয়ৰ এইটো হ'ল চতুর্থ ষান্মাসিকৰ পাঠ্যবিষয়। পাঠ্যবিষয়টোৰ শিৰোনাম হ'ল **'ইউৰোপৰ ইতিহাস (১৭৮৯-১৮৭৮)**। এই কাকতখনত সন্নিৱিষ্ট অধ্যায়বোৰত প্রবুদ্ধি যুগৰ পৰা আৰম্ভ কৰি উদাৰবাদৰ অভ্যুত্থানলৈকে আধুনিক ইউৰোপৰ ইতিহাস সম্পর্কে আলোচনা কৰা হ'ব। পাঠ্যবিষয়টোত ১৫ টা অধ্যায় আছে।

প্রথম অধ্যায় **'প্রবুদ্ধিৰ যুগ'**ত প্রবুদ্ধিৰ ধাৰণাটো আলোচনা কৰা হৈছে। ইউৰোপ আৰু বিশ্বৰ অন্য অংশত প্রবুদ্ধিৰ প্রভাৱ হ'ল অধ্যায়টিত আলোকপাত কৰা আন গুৰুত্বপূর্ণ বিষয়। দ্বিতীয় অধ্যায় **'ইউৰোপ আৰু ফৰাচী বিপ্লৱ'**ৰ বিশদভাৱে ফৰাচী বিপ্লৱৰ কথা আলোচনা কৰা হৈছে। সমগ্র বিশ্বতে ই সৃষ্টি কৰা প্রতিক্রিয়া আৰু সঁহাৰিৰ বিষয়েও অধ্যায়টিত উল্লেখ কৰা হৈছে। **'ফ্রান্সঃ প্রজাতন্ত্রৰ পৰা একনায়কত্ববাদী শাসনলৈ'** শীর্ষক তৃতীয় অধ্যায়ত ফৰাছী বিপ্লৱৰ পাচত ফ্রান্সত উদ্ভৱ হোৱা ৰাজনৈতিক অৱাজকতাৰ বিশদ আলোচনা আগবঢ়োৱা হৈছে। চতুর্থ অধ্যায় **'নেপোলিয়নৰ যুগ'**ত নেপোলিয়নৰ হাতলৈ ক্ষমতা অহাৰ কাহিনী আৰু পতন সম্পর্কে বহলাই আলোচনা কৰা হৈছে। পঞ্চম অধ্যায়ৰ শিৰোনাম হ'ল **'ইউৰোপীয় মহাসংঘ আৰু ভিয়েনা প্রতিনিধি সন্মিলন**। এই অধ্যায়টিত নেপোলিয়নৰ পতনৰ পাচত বিভিন্ন ইউৰোপীয় ব্যক্তিৰ মাজত স্থাপন হোৱা শান্তি চুক্তিবোৰৰ অধ্যয়নত গুৰুত্ব আৰোপ কৰা হৈছিল। **'জার্মানী আৰু ইটালীৰ একত্রিকৰণ'** শীর্ষক ষষ্ঠ অধ্যায়টিত জার্মানী আৰু ইটালীৰ বিভিন্ন নেতাৰ অধীনত কেনেকৈ দুয়োখন দেশতে একত্রকৰণৰ আন্দোলন গা কৰি উঠিছিল সেয়া আলোচনা কৰা হৈছে। সপ্তম অধ্যায় **'ৰাছিয়াৰ সংস্কাৰ আন্দোলন (১৮১৫)'**ত দ্বিতীয় আলেকজেণ্ডাৰৰ শাসন কালত ৰাছিয়াত আৰম্ভ হোৱা সংস্কাৰ আন্দোলনৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। অষ্টম অধ্যায় **'অষ্ট্রো'-হাংগেৰীয় সমস্যা'**ত অষ্ট্রিয়া আৰু হাংগেৰীৰ মাজত সংকটৰ সৃষ্টিকাৰী ক্রমৱর্দ্ধিত জাতীয়তাবাদী মনোভাৱৰ ওপৰত আলোকপাত কৰা হৈছে। নৱম অধ্যায় **'১৮৩০ চনৰ জুলাই বিপ্লৱ'**ত ফ্রান্সত হোৱা বিপ্লৱৰ কাৰণ আৰু ফলাফলবোৰ আলোচনা কৰা হৈছে। দশম অধ্যায় **'১৮৪৮ চনৰ ফ্রেব্রুৱাৰী বিপ্লৱ'**ত ফ্রান্সত ফেব্রুৱাৰী মাহত আৰম্ভ হোৱা আন এটা বিপ্লৱৰ কাৰকসমূহৰ লগতে ইয়াৰ প্রভাৱ আলোচনা কৰা হৈছে। **'দ্বিতীয় নেপোলিয়নীয় সাম্রাজ্য'** শীর্ষক একাদশ অধ্যায়ত দ্বিতীয় ফৰাচী সাম্রাজ্যৰ গঠন আৰু তৃতীয় নেপোলিয়নৰ ৰাজত্বকাল সম্পর্কে বহলাই আলোচনা কৰা হৈছে। দ্বাদশ অধ্যায় **'ইউৰোপত অষ্ট্রিয়াৰ আধিপত্য'**ত মেটাৰনিক্ আৰু অষ্ট্রিয়াক ক্ষমতাশালী কৰি তোলাত তেওঁৰ অৱদানৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। **'প্রাচ্যৰ প্রশ্ন'** শীর্ষক ত্রয়োদশ অধ্যায়ত বল্কান সমস্যা আৰু ইউৰোপীয় ক্ষমতাবোৰৰ স্বার্থ সংঘাতৰ ফলত উদ্ভৱ হোৱা পৰৱর্তী ঘটনাৰাজিৰ বিষয়ে আলোচনা কৰা হৈছে। চতুর্দশ অধ্যায় **'স্পেইনৰ বিপ্লৱ'**ত এখন আধুনিক ৰাষ্ট্রৰূপে নিজকে গঢ়ি তুলিবলৈ স্পেইনে চলোৱা প্রয়াসবোৰৰ বিষয়ে আলোচনা কৰা হৈছে। **'ইউৰোপত উদাৰবাদ'** শীর্ষক পঞ্চদশ অধ্যায়ত আলোকপাত কৰা প্রধান বিষয় দুটা হ'ল উদাৰবাদৰ বিভিন্ন দিশ আৰু ইউৰোপত ইয়াৰ প্রভাৱৰ বিষয়ে আলোচনা কৰা হৈছে।

এই খণ্ডটি অধ্যয়ন কৰোঁতে আপুনি প্রত্যেকটো অধ্যায়তে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবাকচবোৰ কিছুমান হৈছে 'জানি থোৱা ভাল' শব্দকেইটাৰ উল্লেখ থকা বাকচ। এই বাকচসমূহত মূল পাঠৰ সৈতে জড়িত কিছুমান গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। কোনো কোনো অধ্যায়ত 'চিন্তা-চর্চা কৰক' শীর্ষক বাকচত নির্দিষ্ট পাঠ্যবিষয় অধ্যয়নৰ কিছুমান ব্যৱহাৰিক দিশ উত্থাপিত হৈছে যাতে সেই দিশসমূহৰ অনুশীলনীৰ মাধ্যমেদি শিক্ষার্থীয়ে সেই সম্পর্কীয় বিশ্লেষণাত্মক আলোচনা আগবঢ়াব পাৰে। আকৌ 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতিৰ সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অৱশ্যে 'অগ্রগতিৰ ক্ষতিয়ান' শীর্ষক শাখাটোত 'অগ্রগতি নিৰীক্ষণ'ৰ প্রশ্নাৱলীৰ উত্তৰ নিদি কেৱল উত্তৰসমূহৰ ৰূপ ৰেখা দিয়া হৈছে। তাৰ আধাৰত শিক্ষার্থীয়ে উত্তৰসমূহ লিখি উলিয়াব লাগিব। অধ্যায়ত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শাখাত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। অধ্যায়বোৰৰ শেষত 'আর্হি প্রশ্ন' হিচাপে কেইটামান প্রশ্নৰ আর্হিও তুলি দিয়া হৈছে। খণ্ডটোৰ শেষত 'প্রসংগ পুথি' সমূহৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। শিক্ষার্থীয়ে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ প্রবুদ্ধিৰ যুগ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ ধাৰণা আৰু অর্থ

১.৪ প্রবুদ্ধি যুগৰ অৱদান

১.৫ প্রভাৱ

- প্রবুদ্ধিৰ যুগ আৰু ইউৰোপীয় দেশসমূহ

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- প্রবুদ্ধিৰ সংজ্ঞা আগবঢ়াব পাৰিব
- ইতিহাসৰ পটভূমিত প্রবুদ্ধি আৰু ইয়াৰ মৌলিক ধাৰণাবোৰৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- প্রবুদ্ধিবাদী দার্শনিকসকলৰ অৰিহণাৰ বিষয়ে আলোচনা কৰিব পাৰিব, আৰু
- ইউৰোপত প্রবুদ্ধি যুগৰ প্রভাৱ বিশ্লেষণ কৰিব পাৰিব।

১.২ পৰিচয়

এইটো হ'ল পাঠ্যখণ্ডৰ প্রথম অধ্যায়। এই অধ্যায়টিত আমি প্রবুদ্ধি যুগ (The Enlightenment Period) ৰ বিষয়ে বহলাই আলোচনা কৰিম।

প্রবুদ্ধি (The Enlightenment) আছিল অষ্টাদশ শতিকাত ইউৰোপৰ বুদ্ধিজীৱীসকলে আৰম্ভ কৰা এক দার্শনিক আৰু অভিজাত সাংস্কৃতিক আন্দোলন। ই সমাজৰ সংস্কাৰ সাধন কৰিবলৈ আৰু জ্ঞানৰ প্রসাৰ ঘটাবলৈ যুক্তিৰ শক্তি (The power of reason) ক সংগঠিত কৰিবলৈ বিচাৰিছিল। প্রবুদ্ধি যুগৰ সেয়েহে 'যুক্তিৰ যুগ' (The Age of Reason) বুলিও কোৱা হয়। সপ্তমশ শতিকাত বহুতো লেখক আৰু চিন্তাবিদে ৰজাৰ কর্তৃত্ব নাইবা খৃষ্টান গীর্জাবোৰৰ কর্তৃত্বৰ দৰে প্রতিষ্ঠিত বিশ্বাসবোৰক প্রশ্ন কৰিবলৈ আৰম্ভ কৰাৰ লগতে বিজ্ঞানসম্মত জ্ঞান আৰু যুক্তিৰ প্রতি সমর্থন প্রদর্শন কৰিছিল। এই নতুন ধাৰণাবোৰৰ পৰা আন এক ধাৰণাৰ বিকাশ

ঘটিছিল। ধাৰণাটো হ'ল- সকলো মানুহ সমান আৰু সকলোৰে সমান অধিকাৰ আছে। প্রবুদ্ধি আন্দোলনে লাহে লহে মানুহৰ বিজ্ঞানসন্মত আৰু বৌদ্ধিক ক্ষমতাৰ দ্বাৰা ইউৰোপৰ ৰাষ্ট্র তথা সমাজবোৰৰ সাংস্কৃতিক, ধর্মীয়, ৰাজনৈতিক আৰু পৰম্পৰাগত ভেটিবোৰ সলনি কৰাৰ কাম আৰম্ভ কৰিছিল। প্রবুদ্ধি আন্দোলনে যুক্তিবাদ (Rationalism)আৰু পৰীক্ষণবাদ (Empiricism) ক যথেষ্ট গুৰুত্ব প্রদান কৰিছিল। বহুতো প্রবুদ্ধিবাদী চিন্তাবিদে ভাৰ প্রকাশৰ স্বাধীনতা আৰু ব্যক্তিগত স্বতন্ত্রতাৰ বিকাশৰ সমর্থনত বৈজ্ঞানিক প্রগতিৰ আৱশ্যকতা আৰু ধর্মীয় অন্ধবিশ্বাস বর্জনৰ পোষকতা কৰিছিল।

১.৩ ধাৰণা আৰু অর্থ

দার্শনিক তথা পণ্ডিতসকলে প্রবুদ্ধি যুগ সম্পর্কে ভিন ভিন মতামত আগবঢ়াইছে। বহল অর্থত ই হ'ল সপ্তদশ আৰু অষ্টাদশ শতিকাত ইউৰোপতচলা এক দার্শনিক, সামাজিক আৰু বৌদ্ধিক আন্দোলন। ই কুসংস্কাৰ, আঁকোৱগোজ ধর্মমত আৰু অন্ধ ধর্মীয় বিশ্বাসৰ সলনি যুক্তি, ন্যায্যতা, সমালোচনা, চিন্তাৰ স্বাধীনতা আৰু সমতা মানি চলাৰ ওপৰত জোৰ দিছিল। নিঃসন্দেহে তর্কশাস্ত্র (Logic) আধুনিক যুগৰ ইউৰোপীয় উদ্ভাৱন হয়। প্রাচীন গ্রীক পণ্ডিতসকলে তর্কশাস্ত্রৰ বহুল প্রয়োগ কৰি থৈ গৈছে। কিন্তু প্রবুদ্ধি যুগৰ কোনো নির্দিষ্ট আৰম্ভণি আৰু সামৰণি কাল নাই। বহুতো ইতিহাসবিদৰ মতে প্রবুদ্ধি' অভিধাটোৰ প্রচলন অষ্টাদশ শতিকাৰ মাজভাগত ইংলেণ্ডত আৰম্ভ হৈছিল। কিন্তু ই দৰাচলতে সপ্তদশ আৰু অষ্টাদশ শতিকাত সংঘটিত হোৱা এক বৌদ্ধিক, সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিঘটনা। এই বৈজ্ঞানিক বিপ্লৱে সপ্তদশ শতিকাৰ পুৰণি চিন্তা প্রণালীটো সলনি কৰি এক নতুন চিন্তা প্রক্রিয়াৰ উত্থান সম্ভৱপৰ কৰি তুলিছিল। মধ্যযুগৰ ৰহস্যবাদ (Mysticism) আৰু সাম্রাজ্যবাদী (Imperial) ধাৰণাবোৰক এই বৈজ্ঞানিক বিপ্লৱে আঁতৰ কৰিছিল। এই ধাৰণাটোৱে এক নতুন দিগন্ত উদ্ভাসিত কৰিছিল। মানুহ ব্যক্তিগত স্বতন্ত্রতা অনুধাৱন কৰিব পৰাকৈ মুক্ত হৈছিল। কিছুমান ইতিহাসবিদে আকৌ অষ্টাদশ শতিকাৰ আৰম্ভণি (১৭০১ চন) আৰু সপ্তদশ শতিকাৰ মাজভাগ (১৬৫১ চন) ক প্রবুদ্ধি যুগৰ আনুমানিক আৰম্ভণি বিন্দু বুলি ক'ব খোজে। বহুতো পণ্ডিতে ডেকার্টিজৰ গ্রন্থ 'Discourse on Method' (১৬৩৭)ক প্রবুদ্ধি আন্দোলনৰ উৎস বুলি মত পোষণ কৰে। আন এচাম পণ্ডিতৰ মতে ইংলেণ্ডৰ গৌৰৱময় বিপ্লৱ (১৬৮৮ চন) ৰ লগে লগে নাইবা নিউটনৰ গ্রন্থ Principia Mathematica (১৬৮৭ চন) প্রকাশৰ লগে লগে প্রবুদ্ধি যুগৰ সূচনা হৈছিল। অৱশ্যে বহুতো পণ্ডিত এই কথাত একমত যে ১৭৮৯ চনত ফৰাছী বিপ্লৱ আৰম্ভ হোৱাৰ লগে লগে নাইবা নেপোলিয়নে কৰা যুদ্ধবোৰৰ সময়তে (১৮০৪-১৮০১৫) প্রবুদ্ধি যুগৰ অৱসান ঘটিছিল।

- **প্রবুদ্ধিৰ সংজ্ঞা ঃ**

পণ্ডিত আৰু দার্শনিকসকলে ভিন ভিন ধৰণে প্রবুদ্ধি সম্পর্কে মত দাঙি ধৰিছে। ইয়াৰ মাজৰে দুটা মতক প্রবুদ্ধিৰ মৌলিক সংজ্ঞা বুলি বিবেচনা কৰা হয়। এটা হ'ল বৌদ্ধধর্মৰ সৈতে জড়িত 'প্রবুদ্ধি'ৰ সাধাৰণ সংজ্ঞা আৰু আনটো হ'ল যুক্তিৰ সৈতে জড়িত সংজ্ঞা। আমি প্রবুদ্ধিৰ

যুক্তিৰ সৈতে জড়িত সংজ্ঞাটোৰ অর্থহে আলোচনা কৰিম। আগতেই কৈ অহা হৈছে যে প্রবুদ্ধি হ'ল সপ্তদশ আৰু অষ্টাদশ শতিকাত আৰম্ভ হোৱা এক ইউৰোপীয় বৌদ্ধিক তথা দার্শনিক আন্দোলন। ই আঁকোৱগোজ ধর্মীয় বিশ্বাস আৰু পৰম্পৰাৰ সলনি যুক্তি তথা ব্যক্তিগত স্বতন্ত্রতাৰ ওপৰত অধিক জোৰ দিয়ে।

প্রবুদ্ধি যুগৰ এগৰাকী মহান দার্শনিক ইমানুৱেল কাণ্টৰ মতে, "সত্যতাই স্ব-গতিৰোধক নাবালক কাল পাৰ হৈ বিকশিত হ'বলৈ ধৰা সময়ছোৱাকে প্রবুদ্ধি যুগ বোলা হয়।" ইতিহাসবিদ ৰয় পোর্টাৰে দর্শোৱা যুক্তি অনুসৰি 'এসময়ত প্রচলিত বুলি যুক্তি দর্শোৱা অজ্ঞতাৰ আঁকোৱগোজ বিশ্বাসৰ স্থিতিৰ পৰা মানৱ মনৰ মুক্তিৰ প্রমেয়ই হ'ল প্রবুদ্ধিৰ যুগে ধৰি ৰাখিব খোজা শ্রেষ্ঠ আর্হি। " বাট্র্যাণ্ড ৰাছেলৰ মতে, 'প্রবুদ্ধিৰ যুগ আছিল প্রগতিশীল বিকাশৰ এক পর্যায়। প্রাচীন কালতেই ইয়াৰ আৰম্ভণি। যুক্তি আৰু প্রতিষ্ঠিত আদর্শক প্রত্যাহ্বান জনোৱাটো হ'ল এই যুগৰ ধ্রুৱক আদর্শ।" ৰাছেলে এইবুলিও যুক্তি দর্শইছিল যে অষ্টাদশ শতিকাৰ প্রবুদ্ধি আন্দোলন আছিল মার্টিন লুথাৰৰ সৈতে আৰম্ভ হোৱা ধর্মবিভেদ (Schism)ৰ প্রধান মূর্তৰূপ।

চার্টিয়াৰ (Chartier) ৰ দৃষ্টিভংগী অনুসৰি ফৰাছী বিপ্লৱৰ পাচত এক ৰাজনৈতিক লক্ষ্যৰ ৰূপেহে প্রবুদ্ধি উদ্ভাৱন কৰা হৈছিল। ফৰাছী বিপ্লৱৰ নেতাসকলে কেইগৰাকীমান নির্দিষ্ট লেখকৰ হতুৱাই মৌলিক গ্রন্থবোৰৰ এক প্রবুদ্ধ সংহিতা সৃষ্টি কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল বিপ্লৱৰ গণৰাজ্যকেন্দ্রিক ৰাজনৈতিক লক্ষ্যক ন্যায্যতা প্রদান কৰা। জোনাথন ইজৰাইলৰ মতে, "ধাৰণাবোৰে নিজেই পৰিৱর্তনৰ সূচনা কৰিছিল আৰু কালক্রমত অষ্টাদশ শতিকাৰ শেষৰ ফালে তথা ঊনবিংশ শতিকাত বিপ্লৱৰ ৰূপ লৈছিল।" পিটাৰ গ্রে'ৰ মতে, 'লকৰ পৰা সম্প্রসাৰিত হৈ কণ্ড'ৰকেটৰ সময় গৈ পোৱা প্রবুদ্ধিৰ যুগটো আছিল ৰাজনৈতিক তত্ত্বৰ ইতিহাসৰ সবাতোকৈ সৃজনাত্মক যুগ'।

জাফিৰভস্কীৰ মতে, "প্রবুদ্ধি হ'ল গণতন্ত্র, যুক্তি আৰু স্বাধীনতাৰ দৰে গম্ভীৰ ধাৰণাবোৰক সমাজৰ প্রমূল্যৰূপে বিচাৰ কৰি চোৱাৰ উৎস আৰু ই ৰজাৰ ঐশ্বৰিক অধিকাৰ নাইবা পৰম্পৰাহ শাসন আধিপত্যৰ ধাৰণাৰ বিৰোধিতা কৰে।"

১.৪ প্রবুদ্ধি যুগৰ অৱদান

প্রবুদ্ধি যুগৰ প্রধান ধাৰণাবোৰ তলত আলোচনা কৰা হ'ল-

যুক্তি (Reason) ঃ প্রবুদ্ধি যুগৰ সবাতোকৈ গুৰুত্বপূর্ণ ধাৰণাটো হ'ল যুক্তি। এইখিনিতে এটা কথা উল্লেখ কৰাটো ভাল হ'ব যে প্রায় ১৭০০ বছৰ ধৰি পোপ আৰু বাইবেলৰ ধাৰণাক মানুহৰ বাবে পৰম সত্যৰ উৎস বুলি গণ্য কৰা হৈছিল। এই উৎসই আছিল ঈশ্বৰৰ সৈতে সংযোগ স্থাপন কৰাৰ একমাত্র পথ। কিন্তু প্রবুদ্ধিৰ যুগত এই ধাৰণাটোক সত্য বুলি ধৰা নহৈছিল। মানুহে নিজৰ বুদ্ধিমত্তা নাইবা যুক্তিৰ দ্বাৰা ওপজা জ্ঞান অনুসৰণ কৰাৰ প্রৱণতা অনুভৱ কৰিছিল। ইয়াক আবেগৰহিত ভাৱে ধাৰণাবোৰৰ সাৰমর্ম বাহিৰ কৰাৰ সামর্থ বুলি সংজ্ঞাৱদ্ধ কৰা হৈছিল। যুক্তিয়ে মানুহক অজ্ঞতাৰ মেৰপাশৰ পৰা মুক্ত হোৱাত সহায় কৰিব পাৰে।

বাস্তৱবাদ (Rationalism) ঃ বাস্তৱবাদ আছিল প্রবুদ্ধি যুগৰ আন এক মৌলিক ধাৰণা। মানৱতাৰ প্রকৃতি সম্পর্কে জ্ঞান আহৰণ কৰাত প্রবুদ্ধিবাদী সকলে যুক্তি আৰু বিজ্ঞান দুয়োটাকে প্রয়োগ কৰি চাব খুজিছিল। প্রবুদ্ধ চিন্তাবিদসকলে বিশ্বাস কৰিছিল যে বাস্তৱবাদী ভেটিতহে সমাজ সংগঠিত হোৱা উচিত।

সংস্কাৰবাদী (Reformist) ঃ প্রবুদ্ধ দার্শনিকসকলে গঢ়া আন এটা মৌলিক ধাৰণা আছিল সংস্কাৰবাদ। তেওঁলোকৰ মাজত ধর্মগুৰু বিৰোধী প্রৱণতা এটা বিৰাজমান আছিল আৰু তেওঁলোকে গীর্জাৰ বিষয়ববীয়াসকলৰ বিৰোধিতা কৰিছিল। প্রবুদ্ধ চিন্তাবিদসকল ৰাজতন্ত্র আৰু অভিজাতন্ত্র বিৰোধীও আছিল। এই আন্দোলনে চৰকাৰৰ সাংবিধানিক ৰূপেৰোৰৰ পোষকতা কৰিছিল। এই ৰূপবোৰৰ আধাৰ আছিল লকৰ সামাজিক চুক্তিৰ ধাৰণাটো। প্রবুদ্ধ দার্শনিকসকলে আগবঢ়োৱা যুক্তি অনুসৰি চৰকাৰে কার্যবাহী, বিধান পৰিষদ আৰু ন্যায়পালিকা-এই তিনিভাগত ক্ষমতাৰ বিভাজন ঘটাব আৰু ক্ষমতাৰ মাজৰ সমতা বর্তাই ৰাখিব লাগে।

ধর্মীয় সহিষ্ণুতা (Religious Tolerance) ঃ প্রবুদ্ধি যুগৰ এটা বৈশিষ্ট্য হ'ল ই পোষকতা কৰা ধর্মী সহিষ্ণুতাৰ ধাৰণাটো। প্রবুদ্ধি দার্শনিকসকলে বিশ্বাস কৰিছিল যে মানুহ নিজ ইচ্ছা মতে উপাসনা কৰিব পৰাকৈ মুক্ত হোৱা উচিত। ধর্মীয় সহিষ্ণুতাৰ ধাৰণাটোৱে পোষকতা কৰা কথাটো হ'ল ঈশ্বৰে সকলোকে সমান অধিকাৰ আৰু সমান স্বাধীনতা প্রদান কৰিছে। সেয়েহে মানুহে সকলো ধৰণৰ দমনৰ পৰা মুক্ত হোৱা উচিত।

- **প্রবুদ্ধি যুগৰ কেইগৰাকীমান প্রখ্যাত ব্যক্তি ঃ**

প্রবুদ্ধি যুগে ইউৰোপৰ বৌদ্ধিক ইতিহাসৰ এক গুৰুত্বপূর্ণ পর্যাৰ প্রতিনিধিত্ব কৰে। তলত প্রবুদ্ধি যুগলৈ উল্লেখনীয় অৱদান আগবঢ়োৱা কেইগৰাকীমান দার্শনিক আৰু চিন্তাবিদৰ বিষয়ে আলোচনা কৰা হ'ল।

হুগ' গ্র'টিয়াচ (১৫৮৩-১৬৪৫) ঃ হুগ' গ্রটিয়াচ আছিল নেদাৰলেণ্ডৰ এগৰাকী অসাধাৰণ ব্যুৎপত্তি থকা বুদ্ধিজীৰী আৰু মানৱতাবাদী। তেওঁ প্রাকৃতিক আইনৰ ধাৰণাটোৰ আধাৰত আন্তঃৰাষ্ট্রীয় আইনৰ ভেটিটো নির্মণ কৰিছিল। তেওঁৰ প্রাকৃতিক আইনৰ দর্শনে সপ্তদশ শতিকাৰ শেষার্দ্ধৰ ৰাজনৈতিক চিন্তাবোৰৰ বিকাশত এক গুৰুত্বপূর্ণ প্রভাৱ পেলাইছিল। এটা কথা জানি থোৱা ভাল হ'ব যে হুগ' গ্র'টিয়াছ এৰিষ্ট'টল আৰু ষ্ট'ইকচ্ৰ ধ্রুপদী দর্শনৰ দ্বাৰা গভীৰভাৱে প্রভাৱিত হৈছিল। গ্র'টিয়াছে ধর্মী সহিষ্ণুতাৰ ধাৰণাটো সমর্থন কৰিছিল।

ট'মাচ হ'বচ্ (১৫৮৮-১৬৭৯) ঃ ট'মাচ হ'বচ্ আছিল প্রবুদ্ধি যুগৰ এগৰাকী মহান দার্শনিক, বিজ্ঞানী আৰু ইতিহাসবিদ। তেওঁ প্রবুদ্ধিৰ ধাৰণাটোৰ বিকাশত এক প্রধান ভূমিকা গ্রহণ কৰিছিল। তেওঁৰ সবাতোকৈ উল্লেখযোগ্য গ্রন্থবোৰৰ ভিতৰত আছে The Leviathan (১৬৩১) The Behemoth (১৬৬৮)আৰু The Elements Compromising (১৬৫০)। ইয়াৰে ভিতৰত বহুল পঠিত গ্রন্থখন হ'ল The Leviathan. ইয়াত হবচ্ সমাজৰ সংৰচনাৰ বিষয়ে লিখিছিল আৰু চৰকাৰক ন্যায্যতা প্রদান কৰিছিল। তেওঁৰ মতে পুৰণি ৰাজনৈতিক ব্যৱস্থাই সমাজত গৃহযুদ্ধ আৰু বিপ্লৱৰ সূচনা কৰিছিল। সেয়েহে তেওঁ চৰকাৰৰ এক নতুন আর্হিৰ অনুসন্ধান

কৰিছিল। এটা কথা মনত ৰাখি থোৱা ভাল হ'ব যে তেওঁৰ দৰ্শন আৰু চিন্তাচৰ্চাক প্ৰবুদ্ধিৰ ধাৰণাটোৰ খচৰা বুলিও অভিহিত কৰা হয়।

ছাৰ আইজাক নিউটন (১৬৪২-১৭২৭) ঃ ছাৰ আইজাক নিউটন আছিল ইংলেণ্ডৰ এগৰাকী মহান বিজ্ঞানী গণিতজ্ঞ আৰু দাৰ্শনিক। নিউটনে প্ৰবুদ্ধিৰ ধাৰণাটোৰ বিকাশত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। তেওঁ গতিসূত্ৰৰ বিকাশ ঘটাইছিল আৰু বিশ্বজনীন মাধ্যাকৰ্ষণ আৱিষ্কাৰ কৰিছিল। দুয়োটা ধাৰণাই সমাজ অভূতপূৰ্ব অগ্ৰগতি প্ৰদান কৰিছিল। নিউটনে যুক্তিসংগত জ্ঞানৰ এক বৃহৎ সশ্লেষণ সাধন কৰিছিল। তেওঁৰ বৈজ্ঞানিক সূত্ৰবোৰে এক নতুন সত্য প্ৰতিষ্ঠা কৰিছিল। মানুহে ধৰ্ম আৰু ঈশ্বৰৰ অস্তিত্ব সম্পৰ্কে প্ৰশ্ন সোধা আৰম্ভ কৰিছিল। বৈজ্ঞানিক উদ্ভাৱন বিষয়ক নিউটনৰ ধাৰণাই এক মৌলিক বৌদ্ধিক পৰিৱৰ্তনৰ সূচনা কৰিছিল।

জ'ন লক (১৬৩২-১৭০৪) ঃ জ'ন লক আছিল এগৰাকী প্ৰখ্যাত ইংৰাজ দাৰ্শনিক আৰু ৰাজনৈতিকতত্ত্ববিদ। তেওঁ প্ৰবুদ্ধিৰ ধাৰণাটো বিকশিত হ'ব পৰাকৈ ভেটি তৈয়াৰ কৰি দিছিল আৰু লগতে লকে উদাৰতাবাদী (Liberalism) ধাৰণাটোলৈও গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। লকৰ তত্ত্ব আগবঢ়াব পৰা দক্ষতাটোৱে প্ৰবুদ্ধিৰ যুগক যথেষ্ট সহায় কৰিছিল। ইয়াৰ উপৰি তেওঁ মানুহে কেনেদৰে এক মানসিক দৃষ্টিভংগীৰ পৰা বিকাশপ্ৰাপ্ত হয় সেই সম্পৰ্কেও নানা অত্যাধুনিক চিন্তাৰ বৰঙণি আগবঢ়াইছিল। ১৬৭৫-১৬৮৯ চনৰ ভিতৰত লকে তেওঁৰ প্ৰখ্যাত গ্ৰন্থ Essay on Toleration (১৬৮৯ চনপ্ৰকাশিত) লিখি উলিয়াইছিল। গ্ৰন্থখনৰ জৰিয়তে তেওঁ এই ধাৰণাটো জনপ্ৰিয় কৰি তুলিছিল যে সকলো মানুহেই তেওঁলোকৰ প্ৰাপ্য সম অধিকাৰ লাভ কৰা উচিত আৰু সকলোবোৰ চৰকাৰেই আটাইবোৰ নাগৰিক অধিকাৰকে সু�ৰক্ষা প্ৰদান কৰা উচিত। লকৰ আন দুখন লেখত ল'বলগীয়া গ্ৰন্থ হ'ল Second Treatise of Civil Government (১৬৯০) আৰু Essay Concerning Human Understanding (১৬৯০). জন লকে অকলেই এক চুক্তি ৰাজতন্ত্ৰ (Contractual monarchy)ৰ সপক্ষে তাত্ত্বিক যুক্তি আগবঢ়াইছিল। এনে ৰাজতন্ত্ৰৰ ভেটি হ'ব শাসক আৰু শাসিতৰ মাজত সম্পাদিত হোৱা চুক্তি। প্ৰবুদ্ধি যুগৰ ৰাজনৈতিক চিন্তা-চৰ্চাক লকৰ দৰ্শনে গভীৰভাৱে কৰিছিল।

বেৰ'ণ দি মণ্টেস্কু (১৬৮৯-১৭৫৫) ঃ বেৰ'ণ দি মণ্টেস্কু আছিল প্ৰবুদ্ধি যুগৰ সবাতোকৈ গুৰুত্বপূৰ্ণ ৰাজনৈতিক দাৰ্শনিক। তেওঁৰ দুখন লেখত ল'বলগীয়া গ্ৰন্থ হ'ল The Persian Letters(১৭২১) আৰু The Spirit of Laws (১৭৪৮) তেওঁৰ চিন্তা-চৰ্চাই প্ৰবুদ্ধি যুগৰ দৰ্শনক গভীৰভাৱে প্ৰভাৱিত কৰিছিল। মণ্টেস্কুৰ গ্ৰন্থ The Spirit of Laws 'মানৱ সমাজৰ বৈচিত্ৰ্যতা, মানৱ সমাজৰ শ্ৰেণীবিভাজন, মানৱ সমাজৰ তুলনা আৰু অন্তৰ্কাৰ্যসম্পাদনকাৰী অনুষ্ঠানবোৰৰ অধ্যয়ন কৰা প্ৰথমটো সমীক্ষা' বুলি অভিহিত কৰা হয়।

ভ'ল্টেয়াৰ (১৬৯৪-১৭৭৮) ঃ ফ্ৰেংকোৱা মাৰি এৰোট (Francois Marie Arouet) জনপ্ৰিয় জনপ্ৰিয় নাম আছিল ভ'ল্টেয়াৰ। তেওঁক দাৰ্শনিক চিন্তাৰ বিশ্বপ্ৰাসিদ্ধ আৰু অবিসম্বাদী যুৱৰাজ বুলি কোৱা হয়। ভ'ল্টেয়াৰক শাসক পক্ষই দুবাৰ কাৰাবাস দিছিল। ১৭২৬ চনৰ পৰা ১৭২৯ চনলৈ তেওঁ ইংলেণ্ডত নিৰ্বাসিত জীৱন কটাইছিল। ইংলেণ্ডত থকা সময়ছোৱাত তেওঁ

দেশখনৰ ৰাজনৈতিক ব্যৱস্থাটোৰ দ্বাৰা প্ৰভাৱিত হৈছিল। মণ্টেস্কুৰ দৰে ভ'ল্টেয়াৰেও বৃটিছ অনুষ্ঠানৰ প্ৰশংসক হৈ পৰিছিল। তেওঁ বিশেষকৈ ১৬৮৯ চনৰ 'সহিষ্ণুতা আইন' খনৰ উচ্চ প্ৰশংসক আছিল। ভ'ল্টেয়াৰে কৰা দাবী অনুসৰি ইংলেণ্ড আছিল এখন সুখী দেশ। তেওঁৰ মতে ইংলেণ্ডতেই প্ৰাচীন গ্ৰীছৰ আত্মাই বাস কৰিছিল। ইয়াৰ উপৰি নিউটন জন লকৰ প্ৰবুদ্ধি যুগৰ ধাৰণাবোৰেও ভ'ল্টেয়াৰৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁ যদিও সহিষ্ণুতাক বিশ্বাস কৰিছিল তথাপিও ৰোমান কেথ'লিক গীৰ্জাক সমালোচনা কৰিছিল। ভ'ল্টেয়াৰে প্ৰবুদ্ধিৰ এক নতুন বিজ্ঞানসন্মত দৃষ্টিভংগীক আদৰণি জনাইছিল। তেওঁ অসহিষ্ণুতা আৰু অন্যায়ৰ বিৰুদ্ধে মানুহে অনুভৱ কৰা খণ্ডৰ বিষয়ে সদৰি কৰিছিল। তেওঁ খৃষ্টান গীৰ্জাবোৰ মানুহৰ অজ্ঞতাৰ বাবে দায়ী বুলি যুক্তি প্ৰদৰ্শন কৰিছিল। ভ'ল্টেয়াৰে নব্য প্ৰবুদ্ধি যুগৰ মনোযোগ প্ৰতিষ্ঠিত কৰ্তৃত্বৰ পৰা আঁতৰাই লৈ গৈ কৰ্ষিত ৰাজহুৱা পন্থাত নিৰিষ্ট কৰাইছিল।

জ্যা-জেক-ৰুছোঁ (১৭১২-১৭৭৮) ঃ জ্যাঁ-জেক-ৰুছোঁ আছিল প্ৰবুদ্ধি যুগৰ এগৰাকী মহান ফৰাছী দাৰ্শনিক। তেওঁ ফৰাছী বিপ্লৱীসকলৰ ওপৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। আচলতে ৰুছোঁৰ ৰাজনৈতিক ধাৰণাবোৰেই ফ্ৰান্স আৰু সমগ্ৰ ইউৰোপত প্ৰবুদ্ধি আন্দোলন গঢ়ি উঠা কাৰ্যত উদৃগনি যোগাইছিল। ৰুছোঁই অষ্টাদশ শতিকাৰ সভ্যতাক সমালোচনা কৰিছিল। তেওঁৰ মতে এই সভ্যতা আছিল কৃত্ৰিম। প্ৰখ্যাত গ্ৰন্থ The Discourse on the Art and Science-ত ৰুছোই যুক্তি দৰ্শাইছিল যে কলা আৰু বিজ্ঞানে মানৱ জাতিৰ উপকাৰ সাধিব পৰা নাই। ৰুছোঁই মানৱ সভ্যতাৰ সংস্কাৰ সাধনৰ সম্ভাব্য উপায় ব্যাখ্যা কৰাৰ কামত নিজৰ লেখনীবোৰ উৎসৰ্গা কৰিছিল। তেওঁৰ মতে এনে এক সভ্যতাতহে মানুহ নিজৰ মতে জীয়াই থাকিব পৰাকৈ মুক্ত হ'ব। ৰুছোঁই কৈছিল, "মানুহ স্বাধীন হৈ জন্মে। পৰৱৰ্তী সময়ত সমাজে স্ব-প্ৰত্যায় আহৰণৰ বাবে মানুহক নিজৰ সম্পূৰ্ণ সক্ষমতা অনুধাৱন কৰাত সহায় কৰে।" ৰুছোঁৰ এই দৰ্শন আছিল প্ৰবুদ্ধি যুগলৈ এক মহান অৱদান। Social Contract (১৭৬২) হ'ল ৰুছোঁই লিখা এখন প্ৰখ্যাত গ্ৰন্থ। গ্ৰন্থখনত তেওঁ এইবুলি যুক্তি আগবঢ়াইছে যে "সাৰ্বভৌম শক্তি জনসাধাৰণৰ হাতত থকা উচিত। সাৰ্বভৌমত্ব বোলা শক্তিটো মানুহৰ গৰাকী নহয়। মানুহে যেনেদৰে বিচাৰে তেনেদৰে ইয়াক প্ৰতিষ্ঠা কৰিব নাইবা আঁতৰাব পাৰে।" সভ্যতাৰ প্ৰশ্ন উত্থাপন কৰা প্ৰবুদ্ধি যুগৰ চিন্তাবিদ আৰু দাৰ্শনিকসকলৰ ভিতৰত ৰুছোঁ আছিল সবাতোকৈ নিখুঁত চিন্তাবিদ আৰু দাৰ্শনিক।

ডেনিচ ডাইদ্ৰ'ট ঃ ডেনিচ ডাইদ্ৰ'ট অষ্টাদশ শতিকাৰ এগৰাকী মহান ফৰাছী দাৰ্শনিক আৰু লেখক আছিল। তেওঁ প্ৰবুদ্ধি যুগৰ এক বিশিষ্ট ব্যক্তি আছিল। ডাইদ্ৰ'টে লিখা গ্ৰন্থবোৰৰ ভিতৰত সবাতোকৈ অধিক চৰ্চিত গ্ৰন্থখন হ'ল The Philosophical Thoughts (১৭৪৬)। তেওঁ ১৭টা খণ্ডৰ The Encyclopedia খন সম্পাদনা কৰিছিল। ডাইদ্ৰ'টৰ দৰ্শনত প্ৰকৃতি, বস্তুবাদ, বিৱৰ্তন আৰু পৰীক্ষামূলক বিজ্ঞান সম্পৰ্কে তেওঁৰ দৃষ্টিভংগী প্ৰতিফলিত হৈছিল। প্ৰবুদ্ধি যুগৰ ধাৰণাবোৰৰ বাহক ৰূপে The Encyclopedia ই পৰীক্ষণলব্ধ সত্যতাৰ ওপৰত নিশ্বাস প্ৰদৰ্শন কৰিছিল।

ইমানুৱেল কাণ্ট (১৭২৪-১৮০৪) ঃ প্ৰবুদ্ধি যুগৰ এক কেন্দ্ৰীয় ব্যক্তিত্ব ইমানুৱেল

কাণ্ট আছিল এগৰাকী খ্যাতনামা জার্মান দার্শনিক। তেওঁ যুক্তিবাদ আৰু পৰীক্ষণবাদক সমর্থন কৰিছিল। কাণ্টে সকলো ধৰণৰ সামাজিক সংস্কাৰৰ দৃঢ় পোষকতা কৰিছিল। ইমানুৱেল কাণ্টৰ মতে 'প্ৰবুদ্ধি' বোলা অভিধাটোৰ অর্থ হ'ল 'জনাৰ সাহস কৰা'। ইয়াৰ মানে হ'ল অজ্ঞতাৰ চেকা আঁতৰ কৰা। তেওঁ যুক্তিবাদ আৰু ব্যক্তিগত স্বাধীনতাৰ মাজত সমন্বয় সাধনৰ প্ৰয়াস কৰিছিল। 'Critique of Pure Reason' (১৭৮১) নামৰ গ্ৰন্থখনত কাণ্টে জার্মান চিন্তা-চর্চাবোৰক গঢ় দিয়াৰ কাম অব্যহত ৰাখিছিল। তেওঁৰ মতে, "মানুহ তেতিয়াই প্ৰবুদ্ধ হয় যেতিয়াই তেওঁ অইনৰ দিক্ নির্দেশন অবিহনে কাম কৰাৰ সাহস আহৰণ কৰে।" কাণ্টাৰ ধাৰণাবোৰ আছিল অতি স্পষ্ট। তেওঁৰ দৃষ্টিভংগী অনুসৰি যদি মানুহ প্ৰবুদ্ধ হ'ব লাগে তেন্তে সমাজৰ কোনো ধৰণৰ দমন আৰু আধিপত্য থাকিব নোৱাৰিব।

১.৫ প্ৰভাৱ

প্ৰবুদ্ধি যুগে ইউৰোপৰ ৰাজনৈতিক , সামাজিক ধর্মীয় আৰু অর্থনৈতিক জীৱন সলনি কৰাত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। প্ৰবুদ্ধি যুগে ইউৰোপীয় সমাজৰ ৰূপান্তৰ ঘটাত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল। তলত ইউৰোপত প্ৰবুদ্ধি যুগে পেলোৱা প্ৰভাৱ কেইটামান বিশ্লেষণ কৰা হয়ঃ

ৰাজনীতিত প্ৰবুদ্ধি যুগৰ প্ৰভাৱ ঃ

প্ৰবুদ্ধি যুগৰ ৰাজনৈতিক প্ৰভাৱৰ গণতন্ত্ৰৰ সৈতে জড়িত। ক্ষমতা লাভৰ ইচ্ছা হ'ল এটা জটিল বিষয়। ভ'ল্টেয়াব, ডেনিচ ডাইদৰ'ট, ৰুছোঁ, জন লক আৰু জেৰেমি বেনথামৰ দৰে চিন্তাবিদসকলে নিজ নিজ ৰচনাৰাজিৰ এটা সমষ্টি আগবঢ়াইছিল। তেওঁলোকৰ লেখনীবোৰৰ বিষয় আছিল ৰাজনৈতিক চিন্তা, নাগৰিকৰ স্বাধীনতা, ভাৱ প্ৰকাশৰ স্বাধীনতা আৰু গণতন্ত্ৰ সম্পর্কীয় ধাৰণা। 'জনগণৰ ইচ্ছা' (the will of the people) অথবা সার্বভৌমত্ব হ'ল প্ৰবুদ্ধি যুগত বিকাশ ঘটা এক দর্শন। ৰুছোঁই এই দর্শনৰ পৃষ্ঠপোষকতা কৰিছিল। ফৰাছী বিপ্লৱৰ আগত আৰু পাচত ফ্ৰান্সত গমতন্ত্ৰ আৰু সামাজিক চুক্তিৰ ধাৰণা দুটাই যথেষ্ট গুৰুত্ব লাভ কৰিছিল। প্ৰবুদ্ধি যুগৰ ধাৰণাবোৰৰ প্ৰভাৱতে ইংলেণ্ড আৰু চুইজাৰলেণ্ডৰ দৰে দেশত কিছু পৰিমাণে বিভিন্ন ধৰণৰ গণতান্ত্ৰিক সংগঠনে গা কৰি উঠিছিল। প্ৰবুদ্ধিবাদী চিন্তাবিদসকলে বিশ্বাস কৰিছিল যে চৰকাৰ আৰু ইয়াক সমর্থন কৰা আইনবোৰে 'জনগণৰ সাধাৰণ ইচ্ছা'ক প্ৰতিফলিত কৰা উচিত। প্ৰবুদ্ধিবাদী দার্শনিক মণ্টেস্কুই তেওঁৰ গ্ৰন্থ The Spirit of Laws ত চৰকাৰী ক্ষমতাক বিধান পৰিষদ, কার্য পালিকা আৰু ন্যায় পালিকাত বিভক্ত কৰাৰ কথা কৈছিল। সমসাময়িক ক্ষমতাবোৰত এই আর্হিটোৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়।

প্ৰবুদ্ধি যুগৰ বহুতো চিন্তাবিদৰ মতে 'প্ৰবুদ্ধ স্বৈৰতন্ত্ৰ' (Enlightened Despotism) হ'ল মানুহক শাসন কৰাৰ সর্বোত্তম উপায়। অষ্টাদশ শতিকাত বহুতো ইউৰোপীয় দেশত এনেধৰণৰ শাসন ব্যৱস্থা জনপ্ৰিয় হৈ পৰিছিল। অষ্ট্ৰিয়াৰ জোচেফ (১৭৮০-৯০) হ'ল প্ৰবুদ্ধি স্বৈৰতন্ত্ৰ চলোৱা শাসকৰ এক লেখত ল'বলগীয়া উদাহৰণ।

অৰ্থনৈতিক ব্যৱস্থাত প্ৰবুদ্ধি যুগৰ প্ৰভাৱ ঃ

প্ৰবুদ্ধি যুগৰ দাৰ্শনিক আৰু চিন্তাবিদসকলে এক নতুন অৰ্থনৈতিক ব্যৱস্থাৰ ধাৰণা বিকশাই তুলিছিল। ইয়াক 'লেইজেই ফ্যোয়াৰ' (Laissez-Faire) অথবা মুক্ত অৰ্থনীতিৰ ব্যৱস্থা বোলা হয়। 'দ্য ফিজিঅ'ক্রেটচ্' হ'ল ফ্রান্সত 'লেইজেট ফেয়াৰ'ৰ বিষয়ে আলোচনা কৰা চিন্তাবিদসকলৰ দ্বাৰা সৃষ্ট সবাতোকৈ বিখ্যাত চিন্তাধাৰা । ১৭৭৬ চনত আদাম স্মিথে তেওঁৰ গ্ৰন্থ The Wealth of Nation যুক্তি দৰ্শাইছে যে শ্ৰমিক আৰু বজাৰ হ'ল সম্পদৰ দুটা মখ্য স্ৰজক। যুক্ত বাণিজ্য নাইবা লেইজেই ফ্যোয়াৰৰ ধাৰণাটোৱে বহুতো মানুহক গাঁৱৰ পৰা নগৰ অঞ্চললৈ গুছি আহিবলৈ উৎসাহিত কৰিছিল। ই লগতে কৃষিখণ্ডৰ ওপৰত থকা নিৰ্ভৰশীলতা আঁতৰাই অ-কৃষিজাত উৎপাদনত নিৰ্ভৰশীলতা বৃদ্ধি কৰিলে। প্ৰবুদ্ধি যুগত হোৱা অৰ্থনৈতিক ব্যৱস্থাটোৰ ৰূপান্তৰে ইউৰোপত অৰ্থনৈতিক বিশ্বজনীনতাৰ সৃষ্টি কৰিলে।

সামাজিক আৰু ধৰ্মীয় ব্যৱস্থাত প্ৰবুদ্ধি যুগৰ প্ৰভাৱ ঃ

প্ৰবুদ্ধি যুগ ইউৰোপীয় সমাজৰ সামাজিক আৰু ধৰ্মীয় গাঁথনিকো প্ৰভাৱিত কৰিছিল। প্ৰবুদ্ধিবাদী দাৰ্শনিকসকল মৌলিক লক্ষ্য আছিল সামাজিক সংস্কাৰ। তেওঁলোকে প্ৰতিষ্ঠিত কৰ্তৃত্ব আৰু ধৰ্মীয় প্ৰশাসনক প্ৰথম বাস্তৱ প্ৰত্যাহ্বান জনাইছিল। প্ৰবুদ্ধি যুগৰ এক বৈশিষ্ট্য হ'ল আশাবাদ। আশাবাদৰ সহায়ত মানৱতাই পৃথিৱীখন সলনি কৰিব আৰু অতীতৰ সকলো ধৰণৰ ভুল-ত্ৰুটিৰ শুধৰণি কৰিব বুলি ভবা হৈছিল। মানুহৰ জীৱন শৈলীলৈ পৰিৱৰ্তন আহিছিল। প্ৰবুদ্ধিবাদী চিন্তাবিদসকলে বিশ্বাস কৰিছিল যে সমাজবোৰৰ সংস্কাৰ সাধন কৰিবলৈ যুক্তিৰ প্ৰয়োগেই যথেষ্ট। ফৰাছী বিপ্লৱক ধৰ্মীয় সহিষ্ণুতা, স্বাধীনতা আৰু সমতাৰ দৰে প্ৰবুদ্ধি যুগৰ ধাৰণাবোৰে যথেষ্ট অনুপ্ৰাণিত কৰিছিল।

গণতন্ত্ৰত ধৰ্মীয় স্বাধীনতাৰ সৃষ্টি হয় । সেয়েহে প্ৰবুদ্ধিবাদী সকলে গীৰ্জা আৰু ৰাষ্ট্ৰক পৃথক কৰা নীতিৰ সপক্ষে মাত মাতিছিল। এই যুগৰ চিন্তাবিদসকলে পৰম্পৰাগত বিশ্বাসভিত্তিক আদৰ্শবোৰক প্ৰত্যাহ্বান জনাইছিল। বহুতো ইউৰোপীয় দেশে একোটা ৰাষ্ট্ৰীয় ধৰ্ম স্থাপনৰ আগ্ৰ প্ৰকাশ কৰিছিল। প্ৰবুদ্ধিৰ ধাৰণাটোৱে যুক্তি আৰু ধৰ্মীয় সহিষ্ণুতাক আঁকোৱগোজ ধৰ্মমত, অন্ধ বিশ্বাস আৰু কুপ্ৰধাতকৈ অধিক গুৰুত্ব দিছিল। প্ৰবুদ্ধি যুগৰ বহুতো চিন্তাবিদে এক ঈশ্বৰত বিশ্বাস কৰিছিল। তেওঁলোকে আঁকোৱগোজ ধৰ্মীয় ৰীতি-নীতি, আশ্চৰ্যকৰ ঘটনা আৰু ভৱিষ্যৎবাণী আদি মানি ল'বলৈ অস্বীকাৰ কৰিছিল। প্ৰবুদ্ধি যুগৰ আন এচাম চিন্তাবিদে চৰমবাদী পন্থাৰে ঈশ্বৰৰ অস্তিত্বক নস্যাৎ কৰিছিল। অষ্টাদশ শতিকাৰ দাৰ্শনিকসকলে ব্যৱহাৰিক জ্ঞানক অধিক গুৰুত্ব দিছিল। তেওঁলোকে দাস প্ৰথা বিলোপ হোৱাটো বিচাৰিছিল। সমতাৰ মৌলিক নীতিত বিশ্বাস আছিল প্ৰবুদ্ধি যুগৰ আন এক বৈশিষ্ট্য । এই যুগটোৱে ধৰ্মীয় বহুত্ববাদৰ পোষকতা কৰিছিল।

বিজ্ঞানৰ ক্ষেত্ৰখনত প্ৰবুদ্ধি যুগৰ প্ৰভাৱ ঃ

বিজ্ঞান লাহে লাহে মানৱ জীৱনৰ এক গুৰুত্বপূৰ্ণ অংশত পৰিণত হৈছে- এই বোধৰ পৰাই প্ৰবুদ্ধি যুগৰ সূত্ৰপাত হৈছিল। প্ৰবুদ্ধিবাদী চিন্তাত বিজ্ঞানৰ অৱদান যথেষ্ট তাৎপৰ্যপূৰ্ণ।

প্ৰবুদ্ধি যুগৰ ফলস্বৰূপে বৈজ্ঞানিক অগ্ৰগতিৰ সূচনা হৈছিল. জেমছ ৱাটে ভাপ ইঞ্জিন উদ্ভাৱন কৰাটোও আছিল বৈজ্ঞানিক অগ্ৰগতিৰ এক প্ৰমাণ। আন কেইবাটাও উল্লেখযোগ্য উদ্ভাৱন-আৱিষ্কাৰে প্ৰবুদ্ধি যুগৰ গৰিমা বৃদ্ধি কৰিছিল। প্ৰবুদ্ধি যুগৰ বৈজ্ঞানিক অগ্ৰগতিক অৱশ্যে শৈক্ষিক প্ৰতিষ্ঠানবোৰে নিয়ন্ত্ৰণ কৰিছিল। পাচত উপলব্ধি কৰা হৈছিল যে বিজ্ঞানৰ পৰিপক্কতা লাভত শৈক্ষিক প্ৰতিষ্ঠানবোৰে মেৰুদণ্ডৰ ভূমিকা পালন কৰিছিল। ১৭০০ খৃষ্টাব্দৰ পাচত ইউৰোপত বহুতো শৈক্ষিক প্ৰতিষ্ঠান গঢ়ি তোলা হৈছিল। প্ৰবুদ্ধি যুগৰ পণ্ডিতসকলে বিশ্ব-ব্ৰহ্মাণ্ডৰ বিষয়ে প্ৰশ্ন কৰিবলৈ নাইবা কিবা কথা প্ৰতিপন্ন কৰিবলৈ বিজ্ঞানৰ জ্ঞান প্ৰয়োগ কৰিছিল। প্ৰবুদ্ধি যুগৰ সাহিত্যতো সাধাৰণ ভাৱে বিজ্ঞানৰ প্ৰভাৱ দেখা যায়। কিছুমান লেখনিৰ পোনপটীয়াভাৱে কোনো বৈজ্ঞানিক বিষয় আছিল। জেমচ্ থ'মচ'নে 'প'য়েম টু দ্য মেম'ৰী অৱ নিউটন' (Poem to the Memory of Newton) নামৰ কবিতাটোৰ দ্বাৰা নিউটনৰ বিজ্ঞান আৰু পৰম্পৰাৰ প্ৰশংসা কৰিছিল। প্ৰবুদ্ধি যুগত বহুকেইখন বৈজ্ঞানিক আৰু সাহিত্যিক জার্ণেল প্ৰকাশিত হৈছিল। জ'নাথন ইজৰাইলৰ ভাষাত, "আন সকলো সাংস্কৃতিক উদ্ভাৱনতকৈ জ্ঞানগৰ্ভ আলোচনীবোৰে ইউৰোপৰ বৌদ্ধিক সংস্কৃতিক অধিক পৰিমাণে প্ৰভাৱিত কৰিছিল।"

● প্ৰবুদ্ধি যুগৰ ইউৰোপীয় দেশসমূহ ঃ

প্ৰবুদ্ধি আন্দোলন লাহে লাহে ইউৰোপৰ বিভিন্ন দেশত বিয়পি পৰিছিল। আন্দোলনটোৱে মধ্য ইউৰোপীয় দেশবোৰক সবাতোকৈ অধিক প্ৰভাৱিত কৰিছিল। ই ফ্ৰান্স, ইংলেণ্ড, জাৰ্মানী, ৰাছিয়া, স্পেইন আৰু পোলেণ্ডকে ধৰি আন কেইবাখনো দেশত প্ৰভাৱ বিস্তাৰ কৰিছিল।

ফ্ৰান্স ঃ ফ্ৰন্স প্ৰবুদ্ধিবাদী দৰ্শনৰ দ্বাৰা যথেষ্ট প্ৰভাৱিত হৈছিল। ফৰাছী প্ৰবুদ্ধিবাদী দাৰ্শনিকসকলে নিজা ধাৰণা আৰু চিন্তা গঢ় দিবলৈ আৰু বিকশিত কৰিবলৈ শিকিছিল। প্ৰবুদ্ধিবাদী ধাৰণাবোৰৰ মাজত সবাতোকৈ উল্লেখনীয় ধাৰণা দুটা হ'ল প্ৰাকৃতিক আইনত বিশ্বাস আৰু ধৰ্মীয় সহিষ্ণুতা। এই ধাৰণা দুটাই প্ৰবুদ্ধিবাদীসকলক প্ৰতিষ্ঠিত কৰ্তৃত্বৰ বিৰোধিতা কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। ষোড়শ শতিকাৰ শেষাৰ্দ্ধ আৰু সপ্তদশ শতিকাৰ প্ৰথমাৰ্দ্ধত ফ্ৰান্সত বংশানুক্ৰমিক ৰাজতন্ত্ৰ আৰু আঁকোৱগোজ ধৰ্মমতৰ প্ৰচাৰক গীৰ্জাবোৰৰ আধিপত্য চলিছিল। প্ৰবুদ্ধিবাদী দাৰ্শনিকসকলে দেশৰ প্ৰতিষ্ঠিত কৰ্তৃত্বৰ বিৰুদ্ধে অস্ত্ৰ হিচাপে প্ৰাকৃতিক আইনৰ জ্ঞান আৰু যুক্তি প্ৰয়োগৰ চেষ্টা চলাইছিল। ভ'ল্টোৰ আৰু ৰুছোঁৰ দৰে বহুতো দাৰ্শনিকে ফৰাচী প্ৰবুদ্ধি আন্দোলনৰ উত্থানত অৰিহণা যোগাইছিল। প্ৰবুদ্ধি আন্দোলনৰ নতুন ধাৰণাবোৰে ১৭৮৯ চনৰ পৰা ১৭৯৯ চনলৈ চলা ফৰাছী বিপ্লৱৰ নীতিবোৰ গঢ় দিছিল। এই বিপ্লৱৰ ফলস্বৰূপে ধৰ্মনিৰপেক্ষতাৰ নতুন ধাৰণাৰ উত্থান ঘটিছিল।

জাৰ্মানী ঃ প্ৰবুদ্ধিবাদী আন্দোলনে অষ্টাদশ শতিকাৰ মাজভাগৰ পৰা জাৰ্মানীক প্ৰভাৱিত কৰা আৰম্ভ কৰিছিল। দৰ্শন, বিজ্ঞান আৰু সংস্কৃতি ক্ষেত্ৰখনত আৰম্ভ হোৱা জাৰ্মান প্ৰবুদ্ধি আন্দোলনে ফৰাছী প্ৰভাৱৰ পৰা মুক্ত এক বৌদ্ধিক শক্তিৰূপে মূল দাঙি উঠিছিল। জাৰ্মানীৰ উচ্চ আৰু মধ্যবিত্ত দুয়োটা শ্ৰেণীয়েই ফৰাছীসকলৰ বৌদ্ধিক বিকাশৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছিল। প্ৰুচিয়াৰ ৰজা মহান ফ্ৰেদেৰিক (১৭১২-৮৬) এ বার্লিনৰ ৰাজসভাত দার্শনিক আৰু

বিজ্ঞানীসকললৈ পৃষ্ঠপোষকতা আগবঢ়াইছিল। জার্মান প্রবুদ্ধি আন্দোলনৰ এগৰাকী নামজ্বলা ব্যক্তি ভ'ল্টেয়াৰে ফ্রেদৰিকৰ ৰাজসভাত স্থান লোৱাৰ আমন্ত্রণ ৰক্ষা কৰিবলৈ আগ্রহী আছিল। লেখক খৃষ্টিয়ান ওল্ফ (১৬৭৬-১৭৫৪) এ জার্মানীৰ প্রবুদ্ধি আন্দোলনক এক দার্শনিক ভাষা বুলি প্রচাৰ চলাইছিল। জোহান গটফ্রাইদ ভ'ন হের্ডাৰেও প্রবুদ্ধি আন্দোলনলৈ গুৰুত্বপূর্ণ অৱদান আগবঢ়াইছিল। তেওঁৰ মতে প্রত্যেক ব্যক্তিৰে নিজস্ব পৰিচয় আছে। এই পৰিচয় ভাষা আৰু সংস্কৃতিৰ মাজেৰে প্রকাশিত হয়। জার্মানীৰ ৰাজপৰিয়াল, অভিজাত শ্রেণী আৰু মধ্যবিত্ত শ্রেণীটোৱে প্রবুদ্ধি আন্দোলনলৈ পূর্ণ সমর্থন আগবঢ়াইছিল।

ৰাছিয়া ঃ অষ্টাদশ শতিকাত আৰম্ভ হোৱা ৰাছিয়ান প্রবুদ্ধি আন্দোলনৰ ফলত কলা আৰু বিজ্ঞানৰ বিকাশ ঘটিছিল। এই সময়ছোৱাত ৰাছিয়ান বিশ্ববিদ্যালয়, পুথিভঁৰাল আৰু স্বতন্ত্র ছপাশাল স্থাপন কৰা হৈছিল। ৰাছিয়াৰ প্রবুদ্ধিবাদী আন্দোলনৰ এগৰাকী অন্যতম কর্ণধাৰ মহান কেথৰিনে বিজ্ঞান আৰু শিক্ষাৰ পোষকতা কার্যলৈ উল্লেখনীয় অৱদান আগবঢ়াইছিল। তেওঁৰ লগতে ৰাছিয়াৰ আন্দোলনলৈ অৰিহণা যোগোৱা আন কেইগৰাকীমন প্রখ্যাত প্রবুদ্ধিবাদী হ'ল লিওনার্ড ইউলেৰ আৰু এড্রেছ লেক্সেল।

স্পেইন ঃ অষ্টাদশ শতিকাৰ মাজভাগৰ পৰা প্রবুদ্ধি আন্দোলনে স্পেইনক প্রভাৱিত কৰিবলৈ লৈছিল বুলি গম পোৱা গৈছে। স্পেইনৰ ৰজা তৃতীয় চার্লছে মধ্যযুগৰ আঁকোৱগোজ ধর্মনীতি আৰু কুসংস্কাৰৰ প্রভাৱৰ পৰা নিজ সামহাজ্য বচোৱাৰ বাবে নানাধাৰণৰ প্রয়াস চলাইছিল।

স্কটলেণ্ড ঃ প্রবুদ্ধি আন্দোলনে স্কটলেণ্ডকো প্রভাৱিত কৰিছিল। অষ্টাদশ শতিকাৰ স্কটলেণ্ডৰ আধুনিকীকৰণ প্রক্রিয়াটোলৈ আদাম স্মিথ, হাট্চিচন আৰু ডেভিদ হিউমৰ দৰে স্কটিচ প্রবুদ্ধিবাদী চিন্তাবিদসকলে উল্লেখখীয় অৱদান আগবঢ়াই থৈ গৈছে। আদাম স্মিথে তেওঁৰ মহান গ্রন্থ Wealth of Nation ত বিশ্বজনীন অর্থনীতিৰ পটভূমিত স্কতন্ত্রতাৰ পোষকতা কৰি থৈ গৈছে। প্রবুদ্ধিবাদী জেমছ হাট'ন আৰু ৰিলিয়াম থমচনেও স্কটলেণ্ডৰ বৈজ্ঞানিক অগ্রগতিলৈ লেখত ল'বলীয়া অৱদান আগবঢ়াইছিল।

পোলেণ্ড ঃ প্রবুদ্ধি যুগে পোলেণ্ডত প্রৱেশ কৰাৰ পাচত দেশৰ নাগৰিকৰ জীৱন যাপন পন্থা সলনি হৈছিল। (১৭৩০-৪০)ৰ দশকত পোলেণ্ডত প্রবুদ্ধি যুগৰ আৰম্ভণি হৈছিল। ইয়াৰ ফলত দেশখনে সাংস্কৃতিক আৰু শৈক্ষিক দিশত অগ্রগতি লাভ কৰিছিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমুহৰ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ১ ঃ গৌৰৱময় বিপ্লৱ কেতিয়া আৰম্ভ হৈছিল?

.....

প্রশ্ন নং ২ ঃ Principia Mathematica নামৰ গ্রন্থখন কোনে লিখিছিল?

.....

প্রশ্ন নং ৩ ঃ হুগ' গ্র'টিয়াচ কোন আছিল?

.....

প্রশ্ন নং ৪ ঃ The Leviathan গ্রন্থখন কোনে লিখিছিল?

.....

প্রশ্ন নং ৫ ঃ ভ'ল্টেয়াৰৰ কোন চনত জন্ম হৈছিল?

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যায়ন কৰি আমি জানিব পাৰিলো যে—

- অষ্টাদশ শতিকাৰ বহুতো ইউৰোপীয়, বিশেষকৈ ফ্ৰান্সৰ, লেখক আৰু চিনাতবিদে এক নতুন ধাৰণা আৰু চিন্তাধাৰাৰ বিকাশ ঘটোৱাৰ চেষ্ট চলাইছিল। ইয়াকেই প্রবুদ্ধি আন্দোলন বুলি জনা যায়। এই ধাৰণাতথা চিন্তাধাৰাৰ ভেটি আছিল মানুহৰ সমাজৰ সৈতে থকা সম্পর্কক এক যুক্তিবাদী দৃষ্টিভংগীৰে বিচাৰ কৰি চোৱাৰ আগ্রহ।
- প্রবুদ্ধিবাদী ধাৰণাবোৰে দ্রুত গতিত মানুহৰ সমাজ-ৰাজনৈতিক সাংস্কৃতিক আৰুধর্মীয় জীৱন সলনি কৰিছিল। নতুন ধাৰণা আৰু চিন্তাধাৰাই মানুহক ধর্মতাত্ত্বিকতা সলনি ধর্মনিৰ পেক্ষতাত মনোযোগ দিবলৈ শিকাইছিল।



১.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Gay, Peter. (1996). The *Enlightenment: An Interpretation* (Vol. 2).W.W. Norton and Company.
2) Sen, S.N. (2013). *Europe and the World-From Renaissance to the Second World War.* London *:* NCBA.
3) Titmuss, Christopher (2014). *Light on Enlightenment.* Ebury Publishing.
4) Wokler, Robert. (2012). *Rousseau : The Age of Enlightenment and their Legacies*. Princeton University Press.

১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৬৮৮ চনত।

২ নং প্রশ্নৰ উত্তৰ ঃ ছাৰ আইজাক নিউটন।

৩ নং প্রশ্নৰ উত্তৰ ঃ নেদাৰলেণ্ডৰ এগৰাকী অসাধাৰণ ব্যুৎপত্তিসম্পন্ন বুদ্ধিজীৱী আৰু মানৱতাবাদী।

৪ নং প্রশ্নৰ উত্তৰ ঃ ট'মাছ হবচ্।

৫ নং প্রশ্নৰ উত্তৰ ঃ ১৬৯৪ চনত।

১.৯ আৰ্হি প্রশ্ন

১) **বস্তুধর্মী প্রশ্ন**

(ক) 'প্রবুদ্ধি যুগ' বুলিলে কি বুজায়?

(খ) জন লক কোন আছিল?

(গ) কোন চনত "Social Contract" নামৰ গ্রন্থখন প্রকাশিত হৈছিল?

(ঘ) 'Essay On Toleration' নামৰ গ্রন্থখন কোনে লিখিছিল?

(ঙ) ইমানুৱেল কাণ্ট কোন আছিল?

২। **চুটি প্রশ্ন** (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

(ক) ৰুছোঁ সম্পর্কে এটি চমুটোকা লিখক।

(খ) জার্মানীত কেনেদৰে প্রবুদ্ধিবাদী ধাৰণাবোৰ বিয়পি পৰিছিল আৰু দেশখনক এই ধাৰণাবোৰে কেনেদ্র প্রভাৱিত কৰিছিল?

(গ) কেনেদৰে প্রবুদ্ধি আন্দোলনে গণতান্ত্রিক ধাৰণাবোৰৰ বিকাশত সহায় কৰিছিল?

৩। **ৰচনাধর্মী প্রশ্ন** (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

(ক) ইউৰোপৰ বিভিন্ন দেশত চলা প্রবুদ্ধি আন্দোলনৰ ভিন্নতাবোৰ বর্ণনা কৰক।

(খ) প্রবুদ্ধি যুগলৈ দার্শনিক আৰু চিন্তাবিদসকলে আগবঢ়োৱা অৱদানৰ সমালোচনাত্মক আঁকলন আগবঢ়াওক।

(গ) ইউৰোপৰ বিজ্ঞান আৰু ৰাজনীতি জগতত প্রবুদ্ধি আন্দোলনৰ প্রভাৱ আলোচনা কৰক।

*** ***** ***

অধ্যায় ২ ঃ ইউৰোপ আৰু ফৰাচী বিপ্লৱ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ফৰাচী বিপ্লৱৰ প্ৰাকমুহূর্ত্তত ইউৰোপ
২.৪ ফৰাচী বিপ্লৱ
- কাৰণসমূহ
- প্ৰকৃতি অৱদান

২.৫ ফৰাচী বিপ্লৱলৈ সঁহাৰি আৰু প্ৰতিক্ৰিয়া
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্ৰগতিৰ খতিয়ান
২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ফৰাচী বিপ্লৱৰ সূত্ৰপাত ঘটাৰ প্ৰাকমুহূর্তত ইউৰোপৰ অৱস্থাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- ফৰাচী বিপ্লৱৰ কাৰণসমূহ আৰু এই বিপ্লৱৰ প্ৰকৃতিৰ বিষয়ে আলোচনা কৰিব পাৰিব আৰু
- ফৰাচী বিপ্লৱৰ পটভূমিত উৎপন্ন হোৱা প্ৰতিক্ৰিয়াসমূহক আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যয়ত, আমি প্ৰবুদ্ধিবাদ (Enlightenment)ৰ ধাৰণা আৰু ইউৰোপীয় প্ৰেক্ষাপটত ইয়াৰ আবিৰ্ভাৱৰ কথা আলোচনা কৰি আহিলো। প্ৰবুদ্ধিবাদৰ প্ৰভাৱ সকলো দিশতে- ৰাজনীতি, কলা, সাহিত্য, সংগীত, ধৰ্ম ইত্যাদিত অনুভূত হৈছিল, যাৰ বাবে ই অধ্যয়ণৰ এক আকৰ্ষণীয় বিষয়বস্তু হৈ উঠিছিল। প্ৰবুদ্ধিবাদৰ এই সময়ছোৱা মানৱৰ আত্মসন্মানবোধত যুক্তিৰ ক্ষমতা, ব্যক্তি স্বাধীনতা ইত্যাদিত বিশ্বাসৰ উত্থানৰ দ্বাৰা চিহ্নিত কৰিব পাৰি। এই প্ৰসংগতেই, ফৰাচী বিপ্লৱৰ সূত্ৰপাতৰ বিষয়ক অধ্যয়ণ আকৰ্ষণীয় হৈ উঠে, যি বিপ্লৱে আধুনিক জাতীয়তাবাদৰ উত্থানৰ হেতু ভেঁটি নিৰ্মাণ কৰিছিল। কোৱা হয় যে, "ফৰাচী বিপ্লৱ ইতিহাসৰ সৰাতোকৈ অপজাননীপূৰ্ণ ঘটনা আছিল"।

ফৰাচী বিপ্লৱক ভালকৈ বুজিবলৈ হ'ল, ফৰাচী বিপ্লৱৰ প্ৰাকমুহূর্ত্তৰ ইউৰোপৰ ৰাজনৈতিক আৰু আর্থ-সামাজিক অৱস্থাৰ বিষয়ে জনাতো গুৰুত্বপূর্ণ। আৰু এই অধ্যায়টিৰে আপোনাক প্ৰাক-বিপ্লৱৰ আৰু বিপ্লৱৰ পিছৰ ফ্ৰান্সত সংঘটিত পৰিবর্তনসমূহ বিষয়ে বুজিব পাৰিব।

২.৩ ফৰাচী বিপ্লৱৰ প্ৰাকমূহুর্ত্তত ইউৰোপ

এইটো শাখাত, আমি ফৰাচী বিপ্লৱৰ সূত্ৰপাত ঘটাৰ প্ৰাকমুহূর্ত্তৰ ইউৰোপত বিৰাজ কৰা অৱস্থাৰ বিষয়ে আলোচনা কৰিমঃ

- **ৰাজনৈতিক অৱস্থা ঃ**

১৮ শ শতিকাৰ ইউৰোপত একনায়কত্ববাদী ৰাজতন্ত্ৰই আছিল প্ৰচলিত চৰকাৰ/ শাসন ব্যৱস্থাৰ প্ৰচলিত আৰ্হি। কিন্তু ১৮ শ শতিকাত ই আগতৈকে অধিক কেন্দ্ৰীভূত হৈ উঠিছিল। ৰজাই শাসন কৰা বাবে দৈৱপ্ৰদত্ত অধিকাৰৰ দাবী কৰিছিল। ১৮ শ শতিকাৰ ইউৰোপত ৰজাই বংশানুক্ৰমিকভাৱে লাভ কৰা অধিকাৰসূত্ৰে শাসন কৰিছিল। ১৮ শ শতিকাৰ ইউৰোপৰ আগশাৰীৰ ৰাজপৰিয়ালসমূহৰ ভিতৰত আছিলঃ ফ্ৰান্সৰ বুঁৰ্বনসকল, অষ্ট্ৰিয়াৰ হেপছবার্গৰাজপৰিয়াল, প্ৰুছিয়াৰ হ'হেনজলার্ন, ইংলেণ্ডৰ হেন'ভাৰিয়ানছ আৰু ৰাছিয়াৰ ৰোমানভ ৰাজবংশ। ৰজা সকলোৰে উর্ধত আছিল।

ৰজাসকলে তেওঁলোকৰ স্বৈৰাচ্চাৰিতাক প্ৰবুদ্ধবাদৰ আৱৰণেৰে ঢাকি থব বিচাৰিছিল। যদিও, উঠৰ শ শতিকাত প্ৰবুদ্ধিবাদৰ ধাৰণাই একচত্ৰী সম্ৰাটৰ ধাৰণাক ক্ষতিগ্ৰস্ত কৰিছিল; তথাপি ৰজাসকলে চতুৰতাৰে নিজৰ স্বার্থপৰতাক প্ৰবুদ্ধবাদী আদর্শৰে লুকুৱাব বিচাৰিছিল। "প্ৰবুদ্ধবাদী একনায়কত্ববাদ" (Enlightened Despotism) প্ৰকৃতার্থত ৰজাৰ একনায়কত্ববাদ বজাই ৰখাৰ এক চতুৰ প্ৰচেষ্টা আছিল। যদিও অন্য ইউৰোপীয় শাসকবর্গই প্ৰবুদ্ধবাদী সংস্কাৰৰ পোষকতা কৰিছিল, ফ্ৰান্সৰ বুঁৰ্বন ৰাজতন্ত্ৰ এই প্ৰবুদ্ধবাদী আদর্শৰ দ্বাৰা প্ৰভাৱিত হোৱা নাছিল।

- **অর্থনৈতিক অৱস্থা ঃ**

১৮ শ শতিকাত, ইউৰোপৰ অর্থনীতিৰ মুখ্য উৎস আছিল কৃষি। ভূ-সম্পত্তি আহৰণ গৰাকী হোৱাটো আছিল এই সময়ছোৱাত সামাজিক মর্যাদা আৰু সন্মান আহৰণৰ পাৰপত্ৰ। কৃষি খণ্ডই সন্মুখীন হোৱা বাধাসমূহৰ ভিতৰত কিছুসংখ্যক আছিলঃ বৈজ্ঞানিক কৃষিকার্যৰ অভাৱ, জমিদাৰীয় সামন্তবাদীয় উৎপীড়ন আৰু চার্ফ প্ৰথা ইত্যাদি। শস্য আৰু খাদ্য সামগ্ৰীৰ ৰপ্তানি কঠোৰ ভাৱে বাৰণ কৰা হৈছিল। ইয়াৰ ফলত খাদ্য সমাগ্ৰীৰ মূল্য হ্ৰাস পাইছিল। কৃষকসকলে তেওঁলোকৰ উৎপাদন বিক্ৰী কৰি কোনো লাভ অর্জন কৰিবপৰা নাছিল আৰু সেয়েহে বৈজ্ঞানিক কৃষিকর্মৰ প্ৰতি কোনো উদ্যম নাছিল। এই উদাসীন নীতিয়ে গ্ৰাম্য জনসাধাৰণক দৰিদ্ৰতালৈ ঠেলি দিছিল।

সামন্তীয় শোষণ আৰু প্ৰাসাদৰ (Manorial System) ব্যৱস্থাৰ ফলতো কৃষিৰ বিকাশ বাধাগ্ৰস্ত হৈছিল। কৃষকসকলৰ বেছিভাগেই চার্ফ (Serf) আছিল, যিসকল মাটিৰ গৰাকীৰ ওপৰত নির্ভশীল আছিল আৰু ৰাজনৈতিক আৰু সামাজিক অধিকাৰৰ পৰা বঞ্চিত আছিল। তেওঁলোকৰ

ওপৰত ক্ৰমে ৰাষ্ট্ৰই গৰাকীয়ে আৰু গীৰ্জাই বিভিন্ন ধৰণৰ কৰ আৰোপ কৰিছিল।

ব্যৱসায়-বাণিজ্যৰ অৱস্থা তুলনামূলকভাৱে কৃষিতকৈ উন্নত আছিল। এই সময়ছোৱাত ইউৰোপৰ অৰ্থনীতি বাণিজ্যিবাদৰ মতবাদৰ দ্বাৰা পৰিচালিত হৈছিল। এই অৰ্থনীতিয়ে ৰপ্তনিৰ বৃদ্ধি আৰু আমদানি হ্ৰাসৰ ওপৰত জোৰ দিছিল। বিদেশৰ পৰা আমদানিকৃত সামগ্ৰীত উচ্চ হাৰত কৰ আৰোপৰ ফলত এনে সামগ্ৰীৰ মূল্য এক অভাৱনীয় পৰ্যায়লৈ বৃদ্ধি ঘটিছিল। এই ব্যৱস্থাই আন্তৰ্জাতিক বাণিজ্য গঢ় লৈ উঠাত বাধাপ্ৰদান কৰিছিল। বাণিজ্যবাদৰ লগে লগে উদ্যোগ আৰু বণিজ্যাৰ ক্ষেত্ৰত পৃষ্ঠ পোষকতাৰ নীতি (Paternalism Policy) বা ৰাষ্ট্ৰৰ হস্তক্ষেপৰ প্ৰথাও আছিল। ১৮শ শতিকাত বাণিজ্য আৰু উদ্যোগকে ধৰি জাতীয় জীৱনৰ প্ৰত্যেকটো দিশ ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰ অৰ্ন্তগত আছিল।

১৮শ শতিকাৰ ইউৰোপত প্ৰকৃতিবাদ (ফিজিয়ক্ৰেটিজম / Physio Cratism) ৰ নামেৰে এক নতুন অৰ্থনৈতিক আৰ্হিয়ে বিকাশ লাভ কৰিছিল। অৰ্থনীতিৰ এই শাখাই মুক্ত বাণিজ্যৰ মতবাদৰ পোষকতা কৰিছিল। বৰ্ত্তি থকা বাণিজ্যবাদৰ নীতি আৰু ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰ হেতু উদ্যোগৰ বিকাশ ৰুদ্ধ হৈ পৰিছিল। এই সেইবাবে, প্ৰকৃতিবাদ সকলে। নৈসৰ্গবাদী সকলে উদ্যোগত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণৰ সমাপ্তি আৰু সুৰক্ষা নীতিৰ অৱসানৰ দাবী কৰিছিল।

ঔপনিবেশিক বাণিজ্য আৰু ইউৰোপিয় বজাৰত মেক্সিক'ৰ সোণৰ অনুপ্ৰৱেশৰ ফলস্বৰূপে বুৰ্জোৱা শ্ৰেণীটোৰ হাতত যথেষ্ট পৰিমাণৰ পুজি জমা হৈছিল। চহৰ আৰু কল-কাৰাখানাৰ সংখ্যাৰ বৃদ্ধি ঘটিব লৈছিল আৰু ইয়াৰ সমানভাৱে বুৰ্জোৱা শ্ৰেণীটোৱে সমাজত বৰ্তি থকা সামন্তবাদী ব্যৱস্থাটোৰ বিৰুদ্ধাচৰণ কৰিছিল। এওঁলোক আছিল আসন্ন বিপ্লৱৰ বাৰ্তাবাহক।

- **সামাজিক অৱস্থা ঃ**

১৮ শ শতিকাৰ, ইউৰোপত মধ্যযুগীয়া ইউৰোপৰ সমাজৰ স্বকীয়তা বৰ্ত্তি আছিল। জনসাধাৰণক তিনিটা ভাগত বিভক্ত কৰা হৈছিল- পুৰোনি /ৰাজক অভিজাত শ্ৰেণী আৰু সাধাৰণ ৰাইজ। সাধাৰণশ্ৰেণীৰ অৰ্ন্তগত আছিল কৃষক, শ্ৰমিক ইত্যাদি যাৰ কোনো উচ্চ বংশত জন্মাসূত্ৰে লাভ কৰা অৰ্হতা নাছিল। এই সকলক, দ্বাৰা 'তৃতীয় ইষ্টেট' গঠিত হৈছিল। আইনবিদ, চিকিৎসক, শিক্ষক, চহকী আৰু সাধাৰণ ব্যৱসায়ী, কৃষক, চাৰ্ফ, শ্ৰমিক ইত্যাদি সকলো এই 'তৃতীয় ইষ্টেট'ৰ অৰ্ন্তভূক্ত আছিল। চাৰ্ফসকলৰ কোনো ৰাজনৈতিক আৰু সমাজিক অধিকাৰ নাছিল। চাৰ্ফসকলে তেওঁলোকৰ গৰাকীৰ মাটিত মজুৰীবিহিন বাধ্যতামূলক শ্ৰমদান কৰিবলগীয়া হৈছিল। তেওঁলোকে ৰাষ্ট্ৰ, ভূ-স্বামী আৰু গীৰ্জাক বিভিন্ন ধৰণৰ কৰ পৰিশোধ কৰিবলগীয়া হৈছিল। অন্য কৃষকসকল হোনে স্বাধীন কৃষক, আধিখোৱা কৃষক আদিৰ অৱস্থাও চাৰ্ফসকলতকৈ কোনো গুণে উন্নত নাছিল। কৃষকসকলক সমাজত সামাজিক আৰু ৰাজনৈতিক স্থানৰ পৰা বঞ্চিত কৰা হৈছিল। 'তৃতীয়ই ইষ্টেটৰ' (Third Estate) অৰ্ন্তভুক্ত অন্য এক দৰিদ্ৰ আৰু পীড়িত শ্ৰেণী আছিল 'ছানস্কুলটিছ (sansculottes) এওঁলোক অৰ্ন্তভুক্ত আছিল কুলি, দৈনিক হাজিৰাকৰ্ত্তা বণুৱা, ভিক্ষাৰী, পেৰিছ আৰু অন্য চহৰৰ ফুটপাথ নিবাসীসকল। এই ''তৃতীয় ইষ্টেট'ৰ উৰ্ধত অৱস্থান কৰিছিল 'বুৰ্জোৱা শ্ৰেণী। তেওঁলোক অন্য শ্ৰেণীসমূহতকৈ অধিক চহকী আছিল। ইংলেণ্ড আৰু

ফ্ৰান্সত অধিকসংখ্যক বুৰ্জোৱা আছিল. এওঁলোক সামাজিকভাৱে এক অসুখী শ্ৰেণী আছিল কাৰণ যি স্থলত তেওঁলোকে নিজকে সমাজৰ সবাতোকৈ সম্ভ্ৰান্ত আৰু সক্ৰিয় অংশ ৰূপে গণ্য কৰিছিল, সেইক্ষেত্ৰত কিন্তু তেওঁলোকক উচ্চবংশীয় অভিজাত শ্ৰেণীতকৈ নিম্নখাপৰ বুলি গণ্য কৰা হৈছিল।

উচ্চবংশীয় অভিজাত শ্ৰেণীটো আছিল সমাজৰ সুবিধাভোগী শ্ৰেণী আৰু বিশাল ভূ-সম্পত্তিৰ গৰাকী আছিল। শ্ৰেণী হিচাপে অভিজাতসকলক উপৰুৱাকৈ দুটা উপ-ভাগত ভগোৱা হৈছিল অভিজাতশ্ৰেণী এওঁলোক আছিল উচ্চ বংশত জন্মগ্ৰহণ কৰা আৰু মন্ত্ৰী, পৰিষদিক, আইন ব্যাখ্যাকাৰী আদিৰূপে কাৰ্য্য সম্পাদন কৰিছিল। তেওঁলোকে ভূমি সম্পত্তি আৰু দৰমহাৰ পৰা বৃহৎ পৰিমাণত আয় কৰিছিল। গ্ৰামীণ অভিজাতশ্ৰেণীটোৰে তেওঁলোকৰ গাওঁৰ মাটি ঘাতত বসবাস কৰিছিস। তেঁওলোকৰ ক্ষমতা বা সম্পত্তি, কোনোটোৱে নথকা স্বত্ত্বেও তেওঁলোকৰ জন্মসূত্ৰে লভা উচ্চ স্থানক লৈ গৌৰৱ কৰিছিল। মাটিৰ গৰাকী হোৱাটো আটাইতকৈ সন্মানীয় বৃত্তি বুলি গণ্য কৰা হৈছিল। তৃতীয় শ্ৰেণীগত অভিজাতসকল আছিল চাকৰিকৰ্ত্তা অভিজাতসকল, যিসকলে উচ্চ বিষয়বাবত অধিষ্ঠিত হোৱাসূত্ৰে অভিজাত শ্ৰেণীত অৰ্ন্তভুক্ত হৈছিল।

যাজক পুৰোহিতসকলৰ দ্বাৰা 'প্ৰথম ইষ্টেট'ৰ এটা ভাগ গঠিত হৈছিল। মঠ সমূহৰ বিশালপৰিমাণৰ ভূ-সম্পত্তি আছিল যাৰ পৰা তেওঁলোকে বৃহৎ পৰিমাণৰ আয় হৈছিল। ইয়াৰোপৰি, গীৰ্জাই 'তিথেছ' (Tithes) নামৰ ধৰ্মীয় কৰ সংগ্ৰহ কৰিছিল। ইয়াৰ পৰিমান আছিল মাটিত হোৱা উৎপাদনৰ দহ ভাগৰ এক অংশ ($^{১}/_{১০}$) । তলৰ খাপৰ পুৰোহিতসকল আপেক্ষিকভাৱে দৰিদ্ৰ আছিল আৰু এক পৱিত্ৰ আৰু শান্ত জীৱন নিৰ্বাহ কৰিছিল। পুৰোহিতসকলে সমাজক গভীৰভাৱে প্ৰভাৱন্বিত কৰিছিল। পুৰোহিতসকল অন্য সুবিধা লাভৰ উপৰিও সকলো কৰৰ পৰা মুক্ত আছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়কঃ

প্ৰশ্ন নং ১ ঃ শাসনৰ "দৈৱিক অধিকাৰ তত্ত্ব" বুলিলে কি বুজে ?

.....

প্ৰশ্ন নং ২ ঃপশ্চিম ইউৰোপত চার্ফ প্ৰথাৰ কিহৰ বাবে অপসাৰণ ঘটিছিল ?

.....

প্ৰশ্ন নং ৩ ঃবাণিজ্যৰ বিকাশত বাধাপ্ৰদান কৰা কাৰণসমূহ লিখক ?

.....

প্ৰশ্ন নং ৪ ঃ'তৃতীয় ইষ্টেট' কাৰ দ্বাৰা গঠিত হৈছিল ?

.....

প্ৰশ্ন নং ৫ ঃ"ছানস্কুলটিছ" সকল কোন আছিল ?

.....

২.৪ ফৰাচী বিপ্লৱ

- **ফৰাচী বিপ্লৱৰ কাৰণসমূহ ঃ**

ফৰাছী বিপ্লৱৰ সূত্রপাত ঘটীৰ এক প্রধান কাৰক আছিল আগৰ পূর্ব শাসন ব্যৱস্থাৰ চৰিত্র। পূর্বৰ শাসন ব্যৱস্থা বোলোতে ইয়াত ইউৰোপৰ শাসন ব্যৱস্থাক আৰু বিশেষকৈ ফ্রান্সৰ ব্যৱস্থা বুজোৱা হৈছে। ইউৰোপৰ বেছিভাগ দেশেই স্বৈৰাচ্চাৰী চূড়ান্ত একনায়কত্ববাদী সম্রাটৰ দ্বাৰা শাসিত হৈছিল। দেশসমূহ চুবুৰীয়া দেশৰ প্রতি চূড়ন্ত সন্দেহবাদী আছিল। শক্তি শালী ৰাষ্ট্রসমূহৰ উদ্দেশ্য আছিল দুর্বলসমূহক অধিকাৰ কৰি সম্পদসমূহ লুণ্ঠন কৰাতো। ইউৰোপৰ সামাজিক দৃশ্যপট এক দুখজনক অৱস্থাত আছিল। সামন্তবাদ তেতিয়াও ইউৰোপৰ দেশসমূহত বর্তি আছিল। কৰ নীতি আছিল অন্যায়ী আৰু অসমানুপতিক। সাধাৰণ প্রজা যিসকল প্রকৃতার্থত পৰিশোধ কৰিব সক্ষম নাছিল, তেওঁলোকক অধিক কৰৰ বোজা জাপি দিয়া হৈছিল। অন্যহাতে সুবিধাভোগী শ্রেণীটোক সকলো ধৰণৰ কৰৰ পৰা ৰেহাই দিয়া হৈছিল। সামন্ত প্রভুসকলে চার্ফসকলৰ ওপৰত বিভিন্ন ধৰণৰ উৎপীড়ন চলাইছিল আৰু চার্ফসকলক এক প্রকাৰ যেন অত্যাচাৰ সহিবৰ বাবেই জন্ম হৈছিল।

- ৰাজনৈতিকভাৱে, বিপ্লৱৰ প্রাকমুহুর্তত ফ্রান্স পুৰণি ব্যৱস্থাৰ স্বেচ্চাচাৰী শাসনৰ অধীনত আছিল। ইয়াৰ শীর্ষত আছিল এক অত্যাধিক কেন্দ্রীভূত সম্রাট, যাক ঘেৰি আছিল দুর্নীতিগ্রস্ত বিষয়াবৃন্দ। এক ভগ্নপ্রায় প্রশাসন আৰু প্রতিনিধিত্বমূলক অনুষ্ঠানৰ অনুপস্থিতিয়ে ফ্রান্সৰ ৰাজনৈতিক ব্যৱস্থাক সূচীত কৰিছিল। ল্যুই ১৫তম তেওঁৰ ককাদেউতা ল্যুই চতুর্থবিংশতমৰ দৰে সক্ষম নাছিল। সকলো ক্ষমতা শাসকৰ হাতত কেন্দ্রীভূত হৈছিল। বহু পূর্বেই ল্যুই ১৪তমে ঘোষণা কৰিছিল যে "মই যে ৰাষ্ট্র" আৰু এই ধাৰা /নীতি তেওঁৰ উত্তৰসুৰী সকলে কঢ়িয়াই নিছিল। ৰজাই ৰাষ্ট্রৰ সকলো দিশতে যেনে আইন, বাণিজ্য আদি ক্ষমতা বিস্তাৰ কৰিছিল। ৰাজপৰিষদ সকল আছিল লুভীয়া আৰু স্বার্থপৰ।
- 'প্রথম ইষ্টেট' বা ফ্রান্সৰ অভিজাত শ্রেণীটো আছিল সকলো শ্রেণীসমূহতকৈ অধিক সুবিধাভোগী / বিশেষধিকাৰ লাভ কৰোতা। তেওঁলোকে সকলো কৰৰ পৰা ৰেহাই লাভ কৰিছিল। পূর্বতে তেওঁলোকে ৰজাক আগবঢ়োৱা সেৱাৰ বাবদ সুবিধা লাভ কৰাৰ সুযোগ পাইছিল। কিন্তু, কেন্দ্রীভূত ৰাজশাসনব্যৱস্থাৰ প্রৱর্তনৰ পিছত পূর্বতে তেওঁলোকে সম্পাদন কৰা কার্য্যসমূহ বর্তমান কেন্দ্রীয় চৰকাৰৰ দ্বাৰা সম্পাদিত হবলৈ লোৱাৰ ফলত এই শ্রেণীলৈ কর্মহীন হৈ পৰিছিল। কিন্তু, তৎস্বত্ত্বেও তেওঁলোকে পুৰণি বিশেষধিকাৰ আৰু সুবিধাসমূহ লাভ কৰি আছিল।
- পৰৱর্ত্তী বিশেষাধিকাৰ লাভ কৰা শ্রেণীটো আছিল পুৰোহিতসকল বা 'দ্বিতীয় ইষ্টেট'। পুৰোহিতসকলৰ অধিকাংশই আছিল অভিজাতশ্রেণীভূত। এওঁলোকৰ

অধিকাংশই গীর্জাৰ ভিতৰত অমিতাচাৰ আৰু ষড়যন্ত্ৰত লিপ্ত আছিল। উচ্চ পুৰোহিতসকলে কোনো কর্তব্য সমাপন কৰিবলগীয়া নহৈছিল, যিস্থলত নিম্ন খোপৰ পুৰোহিতসকলে সকলোকার্য্য কৰাস্বত্ত্বেও চৰম দাৰিদ্ৰতাত জীৱন নির্বাহ কৰিছিল। ফলত এই নিম্ন খাপৰ পুৰোহিতসকল ক্রোধান্বিত হৈছিল আৰু এক উমৈহতীয়া স্বার্থৰ হেতু কৃষকসকল সৈতে একলগ হৈছিল।

- গৰিষ্ঠসংখ্যক জনসংখ্যাৰ দ্বাৰা "তৃতীয় ইষ্টেট" গঠিত হৈছিল । য'ত অর্ন্তভুক্ত আছিল উচ্চ মাধ্যবিত্তীয় বা বুর্জোৱাসকল, কাৰিকৰ আৰু কৃষকসকল। ফৰাচী সমাজত বুজোৱা শ্রেণীটো আছিল বুদ্ধিজীৰি শ্রেণী যাৰ সমাজত ভাল অৱস্থান আৰু হাতত অর্থ আছিল। তেওঁলোক সামাজিক-ৰাজনৈতিক সংস্কাৰৰ পোষকতা কৰিছিল। কাৰিকৰ আৰু কৃষকসকল উদ্যোগ নাইবা মাটিৰ গৰাকী ৰ অর্থবান মধ্যবিত্ত শ্রেণীৰ অনুগ্রহত বর্ত্তি আছিল। কৃষকসকলৰ অৱস্থা অতি দুঃখজনক আছিল। তেওঁলোকে ৰাষ্ট্রক কৰ, গীর্জাক তিথেছ আৰু জমিদাৰ / সামন্তপ্র ভূক ভাড়া পৰিশোধ কৰিবলগীয়া হৈছিল। এই সকলোবোৰ পৰিশোধ কৰাৰ পিছত তেওঁৰ হাতত নিজৰ বাবে প্রয়োজনীয়ক পর্য্যাপ্ত ধন নাথাকিছিলগৈ আৰু ফলত কৃষকসকলক ভোকাতুৰ হৈ মৃত্যুৰ বাবে এৰি দিয়া হৈছিল। কৃষকসকলে তেওঁলোকৰ গৰাকীৰ বাবে সকলোধৰণৰ শ্রমযুক্ত কর্ম কৰিবলগীয়া হৈছিল, নিজৰ শস্যভূমি জমিদাৰৰ চিকাৰী বাহিনীৰ দ্বাৰা ধ্বংস হোৱা বিনাপ্রতিবাদে চাই থাকিব লগীয়া হৈছিল। কৃষকসকলৰ অৱস্থাক ফৰাচী ডাকবচন "The nobles fight, the Clergy pray, the people pay" অর্থাৎ "অভিজাতসকলে যুদ্ধ কৰে, পুৰোহিতে প্রার্থনা কৰে আৰু জনসাধাৰণে পৰিশোধ কৰে"- এই বাক্যশাৰীৰ দ্বাৰা সুন্দৰকৈ ফুটাই তোলা হৈছিল।

চতুর্দশ ল্যুইৰ অধীনত ফ্রান্স এক গভীৰ বিত্তীয় দুর্যোগৰ মাজেৰে গতি কৰিছিল। পৰিকল্পনাবিহীন ভাবে ল্যুই চতুর্দশ এ লিপ্ত হোৱা যুদ্ধসমূহে দেশক এক গধুৰ ঋণৰ বোজা জাপি দিছিল, অন্যহাতে ল্যুই চতুর্দশ ৰ আৰু তেওঁৰ ৰাজপৰিষদৰ বিলাসী জীৱন যাত্রাই দেশক দেৱলীয় কৰি তুলিছিল। অর্থনৈতিক ভাৱে, ফ্রান্সৰ কোষাগাৰ শূণ্য হৈ পৰিছিল। ফ্রান্স আছিল এখন দেৱলীয়া সাম্রাজ্য যাৰ অর্থনৈতিক পুর্নজীৱিতকৰণৰ কোনো আশা নাছিল। ইয়াৰ কাৰণ আছিল যে সুবিধাভোগী শ্রেণীটোৰ ওপৰত কৰ আৰোপ কৰিবপৰা নগৈছিল আৰু অন্যহাতে কৃষকসকলে আৰু অধিক কৰ পৰিশোধ কৰিবপৰা অৱস্থাত নাছিল। কিন্তু মন্ত্রী টাৰগত আৰু নেকাৰে, সংস্কাৰ আনিবলৈ কৰা প্রয়াস সুবিধাভোগী অভিজাত শ্রেণীটোৰ ভাবুকিৰ দ্বাৰা বাধাগ্রস্ত হৈছিল। ১৭৮৮ ৰ জুলাই মাহত সংঘটিত এক ধুমুহা-শিলাবর্ষণত সকলো কৃষি ধ্বংস হোৱাৰ ফলত দেশখন দুর্ভিক্ষৰ পিনে গতি কৰিছিল। এই দুর্যোগৰ পিছতে আগমণ ঘটিছিল ভয়াবহ শীতৰ। ১৭৮৮ ৰ পূর্বতে এলানি বেয়া-কৃষি উৎপাদনে দৰিদ্র শ্রেণীটোক দৰিদ্রতা আৰু দুর্ভিক্ষতাৰ মাজতে

এৰি দিছিল। খাদ্যদ্রব্যৰ মূল্য বৃদ্ধি আৰু ভাড়া বৃদ্ধিয়ে দৰিদ্র শ্রেণীৰ অৱস্থা আৰু অধিক শোচনীয় কৰি তুলিছিল।

ফৰাচী বিপ্লৱৰ সূত্রপাত ঘটাৰ এক মুখ্য কাৰণ আছিল বিত্তীয় সংকট। এক শতিকাতকৈও অধিক সময় ফ্রান্স ইংলেণ্ডৰ সৈতে যুদ্ধত লিপ্ত আছিল। ইয়াৰোপৰি বিশাল পৰিকল্পনাসমূহত ৰাজ সভাই কৰা অত্যাধিক খৰছে বিষয়টো গভীৰ কৰি তুলিছিল। ফ্রান্সৰ প্রতি চৰম আঘাতটো আহিছিল যেতিয়া ই ইংলেণ্ডৰ সৈতে যুদ্ধত লিপ্ত হৈছিল। ৰজাই 'ইষ্টেট জেনেৰেল (সাধাৰণ সভা) আহ্বান কৰিবলৈ বাধ্য হৈছিল। ই আছিল পৰিবর্তনৰ এক সংকেত।

পেৰিছৰ সংসদে 'ইষ্টেট জেনেৰেল' আহ্বান কৰাৰ দাবী জনাইছিল. ফলত, ১৭৮৯ৰ ৫ মে'ত ৰজাই ইষ্টেট' জেনেৰেল আহ্বান কৰিছিল। ১৭৬ ই বছৰৰ ব্যৱধানত ষ্টেট জেনেৰেল আহ্বান কৰা হৈছিল।

ইষ্টেট জেনেৰেল যেতিয়া লগ হৈছিল, প্রত্যেক সমস্তিৰ পৰা একোজন সদস্যৰ হাতত কাহিয়েৰ, এখন সংবিধান আৰু কৰ আৰোপৰ ক্ষেত্রত সংস্কাৰৰ দাবী জনাইছিল। তৃতীয় ইষ্টেটে সমন্তীয় অধিকাৰৰ অৱসানৰ দাবী তুলিছিল, যাৰ প্রতি যথেষ্ট বিৰোধিতা দেখা দিছিল। তেঁওলোকে লগতে 'ইষ্টেট জেনেৰেল'ক এক বিধান মণ্ডলী ৰূপে কৰাৰ আৰু প্রত্যেক ব্যক্তিৰ একক হিচাপত ভোট গণনা কৰাৰ দাবী তুলিছিল। ষ্টেট জেনেৰেল বা সাধাৰণ সভা তিনিটা শ্রেণীৰ পৰা নির্বাচিত প্রতিনিধিৰ দ্বাৰা গঠিত তিনিখন বিধানমণ্ডলীৰ দ্বাৰা গঠিত আছিল। এই তিনি বিধানমণ্ডলী ক্রমে অভিজাত পুৰোহিত আৰু সাধাৰণলোকৰ বাবে আছিল। ভোট প্রদানৰ ব্যৱস্থাও উক্ত তিনি বিধানমণ্ডলীৰ ক্রম অনুযায়ী আছিল আৰু সেয়েহে সিদ্ধান্তসমূহ সদায় সুবিধাভোগী শ্রেণীটোৰ পক্ষে লোৱা হৈছিল। যেতিয়া সাধাৰণ সভা (Estate General) আহ্বান কৰা হৈছিল, নেকাৰে অন্য দুটা শ্রেণীতকৈ "তৃতীয় ইষ্টেটৰ" দুগুণ সদস্যক অনুমতি প্রদান কৰে। কিন্তু, ভোটদান প্রথাৰ একোপৰিবর্তন কৰা হোৱা নাছিল, য'ত তৃতীয় ষ্টেটে শ্রেণী বা ক্রমৰ বিপৰীতে ব্যক্তি /সংখ্যাৰ ভিত্তিত ভোট গণনাৰ দাবী জনাইছিল। ১৭৮৯ ৰ ১৭ জুনত তৃতীয় ইষ্টেটে, নিজকে 'জাতীয় সভা (National Assembly) বুলি ঘোষণা কৰে আৰু সমগ্র দেশৰ হকে কাম কৰিব বুলি ঘোষণা কৰে।



কাহিয়েৰ ঃ অভিয়োগৰ তালিকা

ৰজাই 'জাতীয় সভা'ৰ কামত বাধা প্রদানৰ উদ্দেশ্য সভাকক্ষৰ দুৱাৰ বন্ধ কৰিবলৈ আদেশ দিয়ে। কিন্তু সভাৰ (National Assembly) সদস্যসকলে ওচৰৰে টেনিচ কর্টলৈ গৈ সমবেত হয় য'ত তেওঁলোকে এখন সংবিধান ৰচনা নকৰা পর্য্যপ্ত ক্ষান্ত নহয় বুলি শপত গ্রহণ কৰে। ইয়াক 'টেনিচ কর্টৰ শপত' (Oath of the Tennis Court) বুলিও জনা যায়। ৰজাই এক কঠোৰ পদক্ষেপ গ্রহণ কৰি তৃতীয় ইষ্টেটৰ সকলো কার্য্যকলাপক বে-আইনী বুলি ঘোষণা কৰে আৰু লগতে সাধাৰণ সভাক পুর্বৰ দৰেই তিনিখন বিধানমণ্ডলীত অনুযায়ী অনুষ্ঠিত কৰাৰ বাবে আদেশ জাৰী কৰে। কিন্তু, সোনকালেই

তেওঁ নিজৰ সিদ্ধান্ত সলাবলগীয়াত পৰে আৰু তিনিওখন বিধানমণ্ডলীক একত্রিত ভাৱে অনুষ্ঠিত কৰাৰ অনুমতি প্রদান কৰে আৰু সুবিধাভোগী / বিশেষাধিকাৰ ভোগী দুয়োটা শ্রেণীকে বিধানসভা গঠনৰ উদ্দেশ্য তৃতীয় ইষ্টেটৰ সৈতে লগ হোৱাৰ আদেশ জাৰী কৰে। ইয়ে ৰাজতন্ত্রৰ পতনৰ পথ প্রশস্ত কৰি তোলে। কিন্তু ৰজা ইমান সহজে বশ মনা নাছিল। তেওঁ জাতীয় সভাক দমনৰ উদ্দেশ্য আস্ত্রধাৰী সৈন্যবাহিনী প্রেৰণ কৰে। নেকাৰ-ৰ স্থানত তেঁও ব্রেট্উল, মন্ত্রী ৰূপে নিযুক্তি দিয়ে। ইয়ে পেৰিছবাসীক ক্রোধান্বিত কৰি তোলে আৰু তেওঁলোক প্রতিবাদৰ বাবে ৰাজপথলৈ ওলাই আহে। ৰাজকীয় সৈন্য বাহিনী আৰু জনসাধাৰণৰ মাজত কিছু সংঘর্ষও হৈছিল. পেৰিছৰ জনসাধাৰণে বিদ্রোহ ঘোষণা কৰে আৰু বাষ্টিল দূর্গ তথা কাৰাগাৰ আক্রমণ কৰে। বাষ্টিল দূর্গক কৃতৃত্ব আৰু একনায়কত্ববাদী ক্ষমতাৰ প্রতীক বুলি গণ্য কৰা হৈছিল। ১৭৮৯ ৰ ১৪ জুলাইত, বাষ্টিল ধ্বংস কৰি ধূলিস্যাৎ কৰি দিয়া হয়। উন্মত্ত পেৰিছৰ জনসাধাৰণে চহৰৰ নিয়ন্ত্রণ নিজৰ হাতলৈ নিয়ে।

এক নতুন ৰূপৰ পৌৰ প্রশাসন চৰকাৰ গঠন কৰা হয়, পেৰিছত এক জাতীয় ৰক্ষাদল গঠন কৰা হয় আৰু লেফয়েতিক (Lafayette) ক ইয়াৰ অধিনায়ক পতা হৈছিল। এই দলৰ দ্বাৰা পুৰণি ৰজাৰ সৈন্যবাহিনীক সলনি কৰা হয়। আকাশলংঘী খাদ্যমূল্যৰ দ্বাৰা আক্রান্ত কৃষকসকলে এতিয়া অভিজাত শ্রেণী আৰু অর্থবান কৃষকসকলক আক্রমণ কৰিব আৰম্ভ কৰে। কৃষকসকলে মাটিৰ নথি-পত্রসমূহ জ্বলাই দিয়ে আৰু গুপ্তভাৰে হোৱা শস্যৰ ভঁৰালৰ সন্ধান কৰিবলৈ লয়। ক্রোধান্বিত কৃষকৰ দলৰ দ্বাৰা বহুতো অভিজাতক হত্যা কৰা হৈছিল।

এই বিদ্রোহ অতি সোনকালেই সমগ্র পেৰিছত বিয়পি পৰিছিল। বহুসংখ্যক অন্য চহৰে ইয়াক এক উদাহৰণ স্বৰূপে লৈ পেৰিছৰ আর্হিত চৰকাৰ গঠন কৰে। কৃষকসকলে বিদ্রোহ ঘোষণা কৰে আৰু তেওঁলোকৰ সামন্ত -প্রভুসকলৰ দূর্গসমূহ আক্রমণ কৰে। জনসাধাৰণৰ এই বিশাল প্রতিবাদৰ ওচৰত ৰজাই শিৰনত কৰিবলৈ বাধ্য হয় আৰু জাতীয় ৰক্ষাদলক স্বীকৃতি প্রদান কৰে, নেকাৰক (Necker) বিত্তমন্ত্রীৰূপে ওভটাই আনে আৰু সশস্ত্র বাহিনীক ওভটাই পঠায়। এই পৰিঘটনাৰ এক আচৰিত প্রভাৱ আছিল। জাতীয় সভাৰ এক ঐতিহাসিক অধিবেশনত অভিজাত শ্রেণীটোৱে তেওঁলোকৰ সকলো সামন্তীয় অধিকাৰ আৰু সুবিধা পৰিত্যাগ কৰে। ১৭৮৯ ৰ ৪ আগষ্টত অভিজাত শ্রেণীটোৱে তেওঁলোকৰ ভোগ কৰি অহা চিকাৰৰ সুবিধা পৰিহাৰ কৰে। (Cornvce) প্রচলিত সেৱা আৰু 'তিথেছ'- অভিজাত শ্রেণীয়ে লাভ কৰা এই সকলোবোৰ সুবিধাৰ অৱসান ঘটোৱা হয়। ১৭৮৯ ৰ ২৭ চেপ্তেম্বৰত সভাই- 'জনসাধাৰণ আৰু নাগৰিকৰ অধিকাৰ সমূহৰ ঘোষনাপত্র' (Declaration of the Rights of Man and Citizens) জাৰী কৰিছিল। সমানতা আছিল মুখ্য শব্দ। ভেদাভেদ পৰিহাৰ কৰাৰ কথা কোৱা হৈছিল আৰু মানুহৰ অধিকাৰৰ ওপৰত জোৰ দিয়া হৈছিল। কিন্তু সোনকালেই মানুহ ৰাজ সভাৰ উদ্দেশ্যৰ



কর্ত্তী ঃ ফৰাচী ভূ-স্বামীসকলে উপভোগ কৰা সামন্তবাদী প্রথা যাৰ দ্বাৰা সাধাৰণ লোকৰ পৰা বলপূর্বক ভাৱে শ্রম আদায় কৰা ৰূপত লোৱা সুবিধা।

প্ৰতি সন্দিহান হৈ উঠিছিল। দুৰ্ভিক্ষৰ লগতে খাদ্যৰ নাটনিৰ আশংকাই গা কৰি উঠিছিল। পেৰিছৰ মহিলাসকলে ভাৰ্ছাইত অৱস্থিত ৰাজপ্ৰাসাদলৈ এক 'লং মাৰ্চ' উলিয়াই। এইদৰেই ৰাজতন্ত্ৰৰ অৱসান ঘটে আৰু ৰজা নিজেই প্ৰজাৰ হাতত বন্দী হবলগীয়াত পৰে।

- **ফৰাচী বিপ্লৱ প্ৰকৃতি আৰু অৱদানঃ**

ওপৰত উল্লেখ কৰা বৈপ্লৱিক চিন্তাধাৰা সমূহ একমাত্ৰ ফ্ৰান্সতেই সীমাবদ্ধ নাছিল আৰু ই ফ্ৰান্সৰ বহিৰতো বিয়পি পৰিছিল। এইবাবেই, প্ৰাৰম্ভিক অৱস্থাৰে পৰাই ফ্ৰান্সৰ বাহিৰৰ দাৰ্শনিকসকলে ফৰাচী বিপ্লৱৰ আদৰ্শ আৰু ই আগবঢ়োৱা পৰিবৰ্তনৰ প্ৰপঞ্চক উদ্দেশ্য কৰি এক প্ৰতি বাগধাৰাৰ বিকাশৰ সূচনা কৰিছিল। ফৰাচী বিপ্লৱ সংঘটিত হোৱাৰ পিছ মুহুৰ্ততে প্ৰখ্যাত ইংৰাজ দাৰ্শনিক এডমাণ্ড বাৰ্কে ইয়াক নস্যাৎ কৰি এক "অমঙ্গল প্ৰতীক" আৰু "অপ্ৰয়োজনীয় পৰিঘটনা" যাক এক কুচক্ৰই সংঘটিত কৰিছিল বুলি অবিহিত কৰে। বাৰ্কে ফৰাছী বিপ্লৱক শিক্ষিত শ্ৰেণীটোৰ শাসক গোষ্ঠীৰ বিৰুদ্ধে এক 'ষড়যন্ত্ৰ' বুলি অভিহিত কৰিছিল। ইয়াৰ সমৰ্থনত বাৰ্কে কয় যে তেওঁ পৰিবৰ্তনৰ বিৰুদ্ধ বিপক্ষে নহয়, কিন্তু তেওঁ অনুভৱ কৰে যে পৰিবৰ্তন প্ৰাচীন পৰম্পৰা আৰু ৰীতি-নীতি অনুযায়ী হোৱা উচিত। একেদৰেই, স্কটলেণ্ডৰ দাৰ্শনিক থমাছ কাৰ্লাইলে বিপ্লৱৰ এক ভয়াবহ চিত্ৰ অংকণ কৰিছিল আৰু বিদ্ৰোহী জনগণক অনিয়ন্ত্ৰিত, ৰক্ত, পিপালু আৰু জিঘাংসু দলৰ ৰূপত চাইছিল। ফ্ৰান্সৰ অভ্যন্তৰতো কিসম্বাদে দেখা দিছিল। ১৮৭৬ ত ফৰাচী পণ্ডিত এইচ্ তেইনে (H. Taine) বিপ্লৱক "বান্দৰৰ আচৰনৰ তলত ভাটৌৰ কণ্ঠ লৈ মানুহৰ বিৰুদ্ধে খচ্চৰ আৰু ঘোঁৰাৰ অভুৎত্থান বুলি" অভিহিত কৰিছিল।

বিপ্লৱৰ সময়চোৱাত ফ্ৰান্সৰ বৌদ্ধিক ধাৰাটোক মণ্টেচক্যু, ভল্টেয়াৰ আৰু ৰুছ'ৰ লিখনী দিক প্ৰদান কৰিছিল। তেওঁলোকে ফ্ৰান্স আৰু সমগ্ৰ ইউৰোপক জোকাৰি যোৱা এই ঘটনাৰ বাবে জনসাধাৰণক নেতৃত্ব প্ৰদান কৰিছিল। তেওঁলোকৰ অভিযোগসমূহক এক কণ্ঠ প্ৰদান কৰিছিল আৰু ৰাজনীতিবিদৰ দৰে কাৰ্য্য কৰিছিল। তেওঁলোকৰ লিখনীসমূহে ফ্ৰান্সৰ পতনমুখী দিশসমূহলৈও দৃষ্টি নিক্ষেপ কৰিছিল আৰু এই ক্ষেত্ৰত তেওঁলোক সৰৰ আছিল। মণ্টেছক্যু সাংবিধানিক ৰাজতন্ত্ৰৰ সমৰ্থক আছিল আৰু ইংলেণ্ডৰ চৰকাৰ প্ৰশাসন ব্যৱস্থাক প্ৰশংসা কৰিছিল। তেওঁ দৈৱপ্ৰদত্ত ৰাজতন্ত্ৰ শাসন তত্ত্বৰ বিৰোধী আছিল যদিও উদাৰৰাজতন্ত্ৰৰ বিৰুদ্ধচৰণ কৰা নাছিল। তেওঁ গীৰ্জা আৰু ৰাষ্ট্ৰৰ একনায়কত্ব বাদৰ বিৰোধী আছিল। তেওঁৰ ৰচিত গ্ৰন্থ "L Espirit Des Lois" শাসন ব্যৱস্থাৰ নীতিৰ এক বিশ্লেষণ আছিল। ভল্টায়াৰে উদাৰ একনায়কত্ববাদৰ সমৰ্থক আছিল। তেওঁৰ সকলো ক্ৰোধ ৰাষ্ট্ৰ আৰু গীৰ্জা লগতে তাত চলি থকা অসাধু নীতি-নিয়মসমূহৰ বিপক্ষে আছিল। তেওঁৰ লিখনীয়ে ৰাষ্ট্ৰ সংগঠন আৰু গীৰ্জাৰ ওপৰত থকা সাধাৰণ মানুহৰ বিশ্বাসক ভেটিক কপাই তুলিছিল। তেওঁ যুক্তিৰ শ্ৰেষ্ঠতাৰ পক্ষে থিয় দিছিল। ৰুছো সামাজিক পুৰ্ণগঠনৰ পক্ষে আছিল। তেওঁ ব্যক্তি সমানতাৰ ওপৰত ভিত্তি কৰা এক চৰকাৰৰ পোষকতা কৰিছিল। তেওঁৰ দ্বাৰা ৰচিত গ্ৰন্থ (Social Contract) ত তেওঁ গণতন্ত্ৰৰ তত্ত্বৰ উত্থাপন কৰে য'ত

জনসাধাৰণ সার্বভৌম ক্ষমতাৰ অধিকাৰী হ'ব। তেওঁ মানুহক মুক্তি আৰু সুখৰ দৰে প্রাকৃতিক অধিকাৰৰ পৰা বঞ্চিত কৰাৰ বাবে ৰাষ্ট্রৰ অনুষ্ঠান আৰু ৰাজনৈতিক যন্ত্রৰ দুর্নীতিক জগৰীয়া কৰিছিল। তেঁওৰ 'সামাজিক চুক্তি তত্ত্বৰ'ৰ অনুসৰি ৰাজতন্ত্র হৈছে জনসাধাৰণে নিজৰ উৎকর্ষৰ বাবে তৈয়াৰ কৰা এক চুক্তি। ইয়াৰ দ্বাৰা তেওঁ ৰজাৰ জনসাধাৰণৰ প্রতি থকা দায়িত্বক স্বীকৃত চিহ্নিত কৰিছিল। এই মহান চিন্তাবিদসকলৰ উপৰিও ডিডেৰ'ট, দ্য এলেমবার্ট, টাৰগত, (Beaumarchais), বিউমাৰাকেছ, কুয়েস্নে (Quesnay) ইত্যাদি অন্যান্য লিখকো আছিল। যদিও বহুপণ্ডিতে ফৰাচী বিপ্লৱত বুদ্ধিজীৱিসকলৰ প্রভাৰক অস্বীকাৰ কৰে তথাপি এই কথা অস্বীকাৰ কৰিব পৰা নাযায় যে বুদ্ধিজীৱিসকলে জনসাধাৰণক প্রতি নতুন ধাৰণা আৰু চিন্তাৰ উন্মেষ ঘটাইছিল যিয়ে তেঁওলোকক বিপ্লৱৰ বাবে সাজু কৰি তুলিছিল।



জানি থোৱা ভাল

জ্যা-জ্যেকছ ৰুছো (Jean Jacques Rqusseam) এ 'Social Contract' নামৰ গ্রন্থত উল্লেখ কৰিছিল যে "মানুহ জন্মসূত্রে স্বাধীন, তথাপি তেওঁ সকলোদিশতে শিকলিৰে আৱদ্ধ থাকে"।

(Man is born free, and yet everywhere he is in chains)

ফৰাচী বিপ্লৱত সমাজৰ সকলো শ্রেণীৰে অংশগ্রহণ দেখা পোৱা গৈছিল, বিশেষকৈ বুর্জোৱাসকলৰ। বুর্জোৱা, কৃষক, আৰু কাৰিকৰ সকলৰ দ্বাৰা গঠিত "তৃতীয় ষ্টেটেই" সৰাতোকৈ দুর্ভোগ ভুগীব লগীয়া হৈছিল। ফ্রান্সৰ মধ্যবিত্ত শ্রেণীটোৱে এই বিপ্লৱত আগভাগ লৈছিল। যেতিয়া 'সাধাৰণ সভা' অনুষ্ঠিত হৈছিল, 'তৃতীয় ইষ্টেটে'ই ইয়াত প্রভাৱশালী ভুমিকা গ্রহণ কৰিছিল আৰু তেওঁলোকৰ প্রতি নিম্নবর্গৰ পুৰোহিতসকলে/ যাজক সহযোগিতা আগবঢ়াইছিল। বুদ্ধিজীৱিসকলৰ তত্ত্বাবধনত / নির্দেশনাত, প্রধানত সাধাৰণ জনসাধাৰণে, ৰাষ্ট্র সন্ত্রাসৰ প্রতীক, বাষ্টিল দূর্গক চূর্ণ কৰিছিল। জমিদাৰসকলৰ বিৰুদ্ধে কৃষকসকলে অস্ত্রও তুলি লৈছিল। নাৰীসকলে পেৰিছৰ পৰা ভার্ছাইলৈকে সমদল উলিয়াইছিল। যেতিয়া ৰজাই তিনিওখন বিধান মণ্ডলক পৃথককৈ অনুষ্ঠিত কৰাৰ আদেশ দিছিল, সাধাৰণ ৰাইজে ইয়াক প্রত্যাখান কৰি ধৈর্য্যৰে বুজোবুডিলৈ অপেক্ষা কৰিছিল। এই ক্ষেত্রত নেতৃত্ব দিছিল জ্যোর্তিবিদ বেইলী (যিয়ে পিছলৈ পেৰিছৰ মেয়ৰৰূপে নির্বাচিত হৈছিল) । তৃতীয় ইষ্টেটে নিজকে 'জাতীয়' (National Assembly) বুলি ঘোষণা কৰি বিপ্লৱৰ আৰম্ভণী কৰে, নিম্নবর্গৰ যাজক / পুৰোহিতসকলে ইয়াত অংশগ্রহণ কৰিছিল। যেতিয়া ষোড়শ ল্যুইয়ে তিনিখন বিধানমণ্ডলীক গোপনে অনুষ্ঠিত কৰাৰ বাবে আদেশ প্রদান কৰে, মিৰৰিউ (Mirabeau) নামৰ এজন সাংবাদিক আৰু বক্তাই ইয়াক উলংঘা কৰে। বিপ্লৱৰ আৰম্ভণীৰ সময়চোৱাত

বুর্জোৱা নেতৃত্ববৃন্দই বিপ্লটোক নেতৃত্ব প্রদান কৰিছিল। কিন্তু, অগ্রগতিৰ লগে লগে ই সাধাৰণ ৰাইজৰ হাতলৈ গুছি যায়।

২.৫ ফৰাচী বিপ্লৱৰলৈ সহাঁৰি আৰু প্রতিক্রিয়া

ফৰাচী বিপ্লৱে ফৰাচী জনসাধাৰণৰ পৰা শক্তি শালী সঁহাৰি লভিব সক্ষম হৈছিল। সাম্য, মুক্তি আৰু ভ্রাতৃত্ববোধৰ আদর্শই বিশ্বজুৰি এক নতুন যুগৰ সূচনা কৰিছিল। তৎস্বত্ত্বেও, ফৰাচী বিপ্লৱ এক প্রকৃতার্থত ৰাজনৈতিক ঘটনা আছিল যাৰ সূদূৰপ্রসাৰী প্রভাৱ ফ্রান্সৰ ভিতৰ তথা বাহিৰত পৰিছিল। সেই অৱস্থাত, ইউৰোপীয় শক্তিসমূহে সজোৰে ফৰাচী বিপ্লৱৰ বিৰোধিতা কৰিছিল। উল্লেখনীয় ভাৱে , ইউৰোপৰ "প্রবুদ্ধবাদী শাসক" সকলে ফৰাচী বিপ্লৱক দমন কৰিবৰ উদ্দেশ্য একে লগ হৈছিল; যিস্থলত ফৰাচী বিপ্লৱ নিজেই 'প্রবুদ্ধবাদী দর্শন'ৰ সর্বোচ্চ প্রকাশ আছিল।

পিছৰ পর্য্যায়ত, জেকবিনসকলৰ আৰু নেপলিয়া বনাপার্টৰ অধীনত ফ্রান্সত সংঘটিত বৈপ্লৱিক আদর্শৰ নামত হোৱা মাত্রাধিকত্যাই বাকী ইউৰোপীয় শাসকসকলৰ মাজত এক আশংকাৰ পৰিবেশ সৃষ্টি কৰে, বিশেষকৈ ল্যুই ১৬তমৰ হত্যাৰ পিছত। ফ্রান্সক পৰাজিত আৰু ফ্রান্সৰ বাহিৰত বৈপ্লৱিক আদর্শৰ প্রসাৰ ৰোধৰ উদ্দেশ্য ইউৰোপীয় শক্তিসমূহে চাৰিটাকৈ মিত্রজোঁটৰ গঠন কৰিছিল। ইউৰোপীয় শক্তিসমূহে ফ্রান্সৰ বিপ্লৱী চৰকাৰক পৰাভূত কৰাৰ উদ্দেশ্য নিজৰ মাজত মিত্র জোট গঠন কৰিছিল।

ফ্রান্সৰ বিৰুদ্ধে প্রথম মর্চা ইংলেণ্ড, প্রুছিয়া, ৰাছিয়া, স্পেইন, হলেণ্ড আৰু ছাৱদিনিয়াৰ দ্বাৰা গঠিত হৈছিল। প্রথম অৱস্থাত তেওঁলোকে ফ্রান্সৰ বিৰুদ্ধে জয় সাব্যস্ত কৰিবলৈ সক্ষম হৈছিল যদিও, সোনকালে এই মিত্রজোঁটত ভাঙোন আহিব ধৰে আৰু নেপলিয়ই ফৰাছী বিপ্লৱৰ ৰক্ষকৰূপে উত্থান ঘটে। কিন্তু, ১৭৯৮ ৰা নাইলৰ যুদ্ধত (Battle of Nile) নেপলিয় পৰাস্ত হোৱাৰ পিছত ইংলেণ্ড, ৰাছিয়া, অষ্ট্রিয়া, তুর্কী আৰু নেপলৰ দ্বাৰা দ্বিতীয় মর্চা গঠিত হৈছিল। এইসময়তে, নেপ'লিয় বনাপার্টে ফ্রান্সৰ ক্ষমতা দখল কৰিব সক্ষম হয় যাক বহুতো ইউৰোপীয় শাসকে বিপদ বুলি গণ্য কৰিছিল। ফ্রান্সৰ বিপক্ষে দ্বিতীয় মর্চাৰ যুদ্ধত, অন্য সদস্যসকলে মর্চা ত্যাগ কৰাৰ ফলত ইংলেণ্ড অকলশৰীয় হৈ পৰে। সাময়িক ভাৱে শান্তি প্রতিষ্ঠিত হয়। ছুইজাৰলেণ্ডৰ আভ্যন্তৰীণ বিষয়ত নেপলিয়নে কৰা অহেতুক হস্তক্ষেপৰ বিৰুদ্ধাচৰণ কৰি ৰাছিয়া, অষ্ট্রিয়া, ছুইডেন আৰু ইংলেণ্ডৰ দ্বাৰা তৃতীয় মর্চাৰ গঠন কৰা হৈছিল। তৃতীয় মর্চাৰ লক্ষ্য আছিল উত্তৰদিশৰ জার্মানভাষী অঞ্চলৰ পৰা ফৰাছী সৈন্যক অপসাৰিত কৰা, হলেণ্ড আৰু ছুইজাৰলেণ্ডক স্বাধীনতা প্রদান আৰু ছার্দিনিয়াৰ ৰজাৰ হাতলৈ পিতমণ্টৰ ক্ষমতা হস্তান্তৰ। ইউৰোপীয় শক্তিসমূহৰ মাজত বুজাপৰা হৈছিল যে,ফ্রান্সৰ পৰাজিত হোৱাৰ পিছত পূর্বৰ চাৰিসীমা অনুযায়ী ইউৰোপৰ মানচিত্রৰ পুর্নঃ অংকন হ 'ব। কিন্তু, তৃতীয় মর্চাৰো দশা আগৰ সমূহৰ দৰেই হৈছিল। স্ব-যোষিত "প্রবুদ্ধবাদী একনায়ক'ৰ দ্বাৰা শাসিত ৰাছিয়া, প্রুছিয়া, অষ্ট্রিয়া আৰু ইংলেণ্ডৰ দ্বাৰা ১৮১৩ চনত চতুর্থ মর্চা গঠিত হৈছিল। সেই সময়ত ইতিমধ্যে নেপলিয়নে স্ব-ভূমি আৰু বিদেশতো উভয়ৰ

যুদ্ধক্ষেত্রতো পৰাজয় বৰণ কৰিব আৰম্ভ কৰিছিল। ইয়াৰ ফলাফলৰূপে, ফ্রান্সত বুৰ্বন ৰাজতন্ত্রৰ পুৰ্ণপ্রতিষ্ঠ ঘটে আৰু ইউৰোপৰ জাতীয় চাৰিসীমা পুৰ্বৰ ৰূপত প্রতিষ্ঠা কৰা হয়। এইদৰেই, কিছু সময়চোৱাৰ বাবে ইউৰোপীয় শক্তিসমূহে ফৰাচী বিপ্লৱৰ উত্থানক বাধাগ্রস্ত কৰাত সক্ষম হৈছিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ দিয়কঃ

প্রশ্ন নং ৬ ঃ L' etat c'est moi -কোনে কৈছিল, লিখক ?

.....

প্রশ্ন নং ৭ ঃ লেট্র্যাৰ ডি ক্যাশ্বেই (Letters de cachet)' - বুলিলে কি বুজে ?

.....

প্রশ্ন নং ৮ ঃ কাৰ দ্বাৰা পেৰিছৰ পৰা ভাৰ্ছইলৈকে সমদল উলিওৱা হৈছিল ?

.....



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ণ কৰি আপুনি জানিব পাৰিলে যে-

- ইউৰোপৰ ৰাজনৈতিক ব্যৱস্থাৰ ক্রমবিকাশ আৰু ইউৰোপত ৰাজতান্ত্রিক প্রশাসনৰ শাসনৰ বিষয়ে, সামাজিক গাঁথনিৰ বিষয়ে, বাণিজ্য আৰু কৃষিৰ অৱস্থা, কৃষকৰ বিভিন্ন শ্রেণী তথা ইউৰোপীয় ব্যৱসায়ী সকলৰ দ্বাৰা সংঘটিত উপনিবেশিক বজাৰৰ ক্রমবিকাশৰ বিষয়ে
- ফৰাচী বিপ্লৱ আছিল ফ্রান্সত প্রচলিত একনায়কত্ববাদী ৰাজতান্ত্রিক শাসনৰ বিৰুদ্ধে এক প্রতিক্রিয়া। সমাজৰ প্রতিটো স্তৰৰে ফৰাছী জনসাধাৰণৰ ব্যাপক অংশগ্রহণে বিপ্লৱক এক উল্লেখযোগ্য শক্তি প্রদান কৰিছিল।
- ১৭৪৯ চনৰ ফৰাচী বিপ্লৱে প্রচলিত ৰাজনৈতিক মান, আদর্শ আৰু ইউৰোপীয় শাসনব্যৱস্থাক ভাগি পেলাইছিল। বিপ্লৱে ফ্রান্সৰ প্রতিটো দিশতে সাংঘাটিক পৰিবর্তন সাধিছিল।
- বিপ্লৱৰ ফলাফলৰূপে, ইউৰোপত বৈপ্লৱিক আদর্শৰ প্রসাৰত বাধা দিয়াৰ উদ্দেশ্য এক আদর্শগত আৰু সশস্ত্র প্রতিক্রিয়া ঘটিছিল। ফৰাচী বিপ্লৱে কঢ়িয়াই অনা আদর্শসমূহক বহুতো ইউৰোপীয় দেশসমূহত বিপদ বুলি গণ্য কৰা হৈছিল আৰু ফলত এই বিপ্লৱে কঢ়িয়াই অনা শক্তিসমূহৰ বিপক্ষে যুজিবলৈ বহু মৰ্চাৰ গঠন হৈছিল।



২.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Maiti, Provatansu. (1970). A History of Europe (1789-1919). Kolkata, India : Shreedhar Prakashani

2) Hayes, C.J.H. (1963). *Modern Europe to 1870. New York, USA* : Mac Millan

3) Ketelbey. C.D.M. (2000). *A Short History of Modern Europe*. New Delhi, India: Surjeet Publication.



২.৮ অগ্ৰগতিৰ খতিয়ান

১ নং **প্ৰশ্ন উত্তৰ ঃ** 'দৈৱপ্ৰদত্ত অধিকাৰ' তত্ত্ব অনুসৰি, ৰজা সকলোধৰণৰ পাৰ্থিৱ নিয়ন্ত্ৰণৰ পৰা মুক্ত। তেওঁলোক দৈৱিক অধিকাৰসূত্ৰে শাসনৰ বাবে পূৰ্বনিৰ্দিষ্ট হৈ থাকে আৰু শাসনৰ বাবে একমাত্ৰ ভগৱানৰ ওচৰত দায়বদ্ধ।

২ নং **প্ৰশ্ন উত্তৰ ঃ** পশ্চিম ইউৰোপত চাৰ্ফ প্ৰথাৰ অৱনতি ঘটিছিল কাৰণ জমিদাৰসকলে চাৰ্ফ-শ্ৰমিকক অনুউৎপাদলশীল বুলি গণ্য কৰিছিল। ইয়াৰ তুলনাত ভাড়াতীয়া বনুৱাৰ দ্বাৰা কৃষিকাৰ্য্য অধিক উৎপাদনমুখী আৰু কমখৰচী বুলি গণ্য হৈছিল।

৩ নং **প্ৰশ্ন উত্তৰ ঃ** বাণিজ্যৰ বিকাশক বাধাগ্ৰস্ত কৰা কাৰণসমূহৰ ভিতৰত অন্যতম আছিল ৰাষ্ট্ৰৰ হস্তক্ষেপ আৰু কঠোৰ নিয়ন্ত্ৰণ ব্যৱস্থা।

৪ নং **প্ৰশ্ন উত্তৰ ঃ** 'তৃতীয় ইষ্টেট' প্ৰধানকৈ সাধাৰণলোক অৰ্থাৎ চাৰ্ফ, কৃষক, বৃত্তিধাৰী, বনুৱা, শ্ৰমিক আদিৰে গঠিত হৈছিল।

৫ নং **প্ৰশ্ন উত্তৰ ঃ** 'তৃতীয় ইষ্টেট'ৰ সৰাতোকৈ দৰিদ্ৰ আৰু বঞ্চিত সদস্যসমূহক 'ছানস্কুলটিছ' (Sansculottes) বুলি জনা গৈছিল।

৬ নং **প্ৰশ্ন উত্তৰ ঃ** ল্যুই ষষ্ঠদশ।

৭ নং **প্ৰশ্ন উত্তৰ ঃ** ই আছিল এক প্ৰকাৰৰ গ্ৰেপ্তাৰীপৰোৱানা যাৰ দ্বাৰা একমাত্ৰ সন্দেহৰ ওপৰত ভিত্তি কৰি কাৰোবাক গ্ৰেপ্তাৰ কৰিব পাৰি।

৮ নং **প্ৰশ্ন উত্তৰ ঃ** মহিলা কৃষকসকলে।



২.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ বস্তুধৰ্মী প্ৰশ্ন

(i) ইউৰোপীয় সমাজত তৃতীয় ইষ্টেটৰ সদস্যসকল কোন আছিল?

(ii) ফৰাচী বিপ্লৱৰ প্ৰাকমুহূর্তত ফৰাছী অৰ্থনীতিত সংস্কাৰ কৰিব বিচৰা ফৰাছী বিত্তমন্ত্ৰী দুগৰাকীৰ নাম লিখক?

(iii) বিপ্লৱীসকলৰ হাতত নিহত হোৱা ফৰাচী সম্ৰাটজনৰ নাম কি আছিল?

(iv) কোনটো ঐতিহাসিক দিনত জাতীয় সভাৰ দ্বাৰা "জনসাধাৰন আৰু নাগৰিকৰ অধিকাৰ সমূহৰ ঘোষণাপত্ৰ" জাৰী কৰা হৈছিল?

প্ৰশ্ন ২ ঃ চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

(i) উঠৰ শ শতিকাৰ ইউৰোপৰ সামাজিক গাঁথনিক বৰ্ণনা কৰক।

(ii) ইউৰোপৰ বেপাৰ আৰু বাণিজ্যৰ ক্ষেত্ৰত "বাণিজ্যিক ব্যৱস্থা" (mercantile system) বুলিলে কি বুজে?

(iii) উঠৰ শ শতিকাৰ ইউৰোপত গীৰ্জাৰ ভূমিকা কি আছিল?

(iv) "টেনিছ কৰ্টৰ প্ৰতিজ্ঞা"ৰ বিষয়ে লিখক?

(v) গিৰ্ড'নিষ্ট আৰু জেকবিনৰ বিষয়ে চমু টোকা লিখক?

প্ৰশ্ন ৩ ঃ ৰচনা ধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

(ক) ইউৰোপিয়ান সমাজত বুৰ্জোৱা শ্ৰেণীৰ বিষয়ে আলোচনা কৰক।

(খ) ফৰাচী বিপ্লৱৰ প্ৰাকমুহূর্তত ইউৰোপীয় অৰ্থনীতিৰ সামন্তবাদী চৰিত্ৰৰ বিষয়ে বিশ্লেষণ কৰক।

(গ) ফ্ৰান্সত ৰাজতন্ত্ৰ পতনৰ দিশলৈ লৈ যোৱা ঘটনাৱলীৰ বিষয়ে বৰ্ণনা কৰক।

(ঘ) ফৰাচী বিপ্লৱত বুদ্ধিজীৱি শ্ৰেণীটোৰ অংশগ্ৰহণৰ বিষয়ে আলোচনা কৰক।

(ঙ) ফৰাচী বিপ্লৱৰ বিৰুদ্ধে হোৱা প্ৰতিক্ৰিয়াসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ ফ্রান্স ঃ প্রজাতন্ত্রৰ পৰা একনায়কত্ববাদী শাসনলৈ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ সাংবিধানিক ৰাজতন্ত্রৰ প্রতি সহাঁৰি

৩.৪ ফ্রান্সত নৈৰাজ্য- জাতীয় সন্মিলন

- সন্ত্রাসৰ ৰাজত্ব

৩.৫ ডাইৰেক্টৰী

৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৭ অধিক জানিবলৈ

৩.৮ অগ্রগতিৰ খতিয়ান

৩.৯ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সাংবিধানিক ৰাজতন্ত্রৰ অধীনত ঘটা বিকাশসমূহ আৰু জনসাধাৰণৰ প্রতিক্রিয়াৰ বিষয়ে জানিব পাৰিব
- জাতীয় অধিবেশনৰ অধীনত নতুন প্রজাতন্ত্রৰ কর্মৰাজিৰ বিষয়ে বর্ণনা কৰিব পাৰিব আৰু
- ডাইৰেক্টৰীৰ কার্য্যৰ বিষয়ে আৰু ফ্রান্সক এক সামৰিক একনায়কত্ববাদলৈ পৰিবর্তনৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত, আমি ১৭৮৯ চনত ফ্রান্সত সংঘটিত ফৰাচী বিপ্লৱৰ বিষয়ে কিছু আলোচনা কৰিলো। এই অধ্যায়টিয়ে বিপ্লৱৰ কাৰকসমূহ, ইয়াৰ প্রকৃতি আৰু বিপ্লৱৰ প্রতিক্রিয়াসমূহৰ দিশত আলোকপাত কৰিব।

এই অধ্যায়ত আমি বেষ্টাইল (Bastille) দূর্গৰ জ্বলাই ধ্বংস হোৱাৰ সৈতে আৰম্ভ হোৱা ফৰাচী বিপ্লৱৰ পিছৰ ফলাফলসমূহৰ বিষয়ে আলোচনা কৰিম। এই অধ্যায়টিয়ে বিপ্লৱৰ পিছৰ আভ্যন্তৰীণ বিকাশসমূহ ঘাইকৈ ৰাজনৈতিক অস্থিৰতাৰ বিষয়ত আলোকপাত কৰিব। ৰাজনৈতিক স্থিৰতাৰ অভাৰ আছিল এই সময়ছোৱাত ফ্রান্সৰ গুৰুত্বপূর্ণ দিশ। ইয়াৰ ফলত এই সময়চোৱা সন্ত্রাসৰ ৰাজত্ব ৰূপে শাসনৰ দ্বাৰা চিহ্নিত হৈছিল আৰু সমগ্র ফ্রান্সত নৈৰাজ্যই দেখা

দিছিল।

সবাতোকৈ গুৰুত্বপূর্ণভাৱে, প্রশাসনৰ/ চৰকাৰৰ পৰিবর্তনৰ সৈতে ফ্রান্সে পৰীক্ষামূলক পর্য্যায়ৰ মাজেৰে গতি কৰিছিল। ৰাজতন্ত্রক প্রত্যাহ্বান জনোৱা হৈছিল আৰু প্রজাতন্ত্র প্রতিষ্ঠাৰ দ্বাৰা উৎখাত কৰা হৈছিল।

৩.৩ সাংবিধানিক ৰাজতন্ত্রৰ প্রতি সহাঁৰি

জাতীয় সভাই নতুন সংবিধান ৰচনা কৰিব আৰম্ভ কৰিছিল আৰু ই নিজকে সাংবিধানিক সভা বুলি ঘোষণা কৰিছিল। অধিকাৰৰ ঘোষণাপত্র প্রস্তুত কৰা হয় আৰু ইয়াৰ ওপৰত ভিত্তি কৰি নতুন সংবিধান ৰচিত কৰিবলগীয়া হৈছিল। সাংবিধানিক সভাৰূপে কার্য্যনির্বাহ কৰা জাতীয়সভাই ফ্রান্সৰ প্রাচীন শাসনপদ্ধতিৰ অৱসান ঘটাইছিল। দুবছৰজুৰি কঠোৰ পৰিশ্রমৰ আন্ততঃ জাতীয় সভাই এখন সংবিধানৰ ৰচনা কৰে আৰু ১৭৮৯ ৰ ২৭ আগষ্টত "মানুহৰ নাগৰিকৰ অধিকাৰৰ ঘোষণাপত্রৰ জাৰী কৰে। ই ৰুছোৰ বিখ্যাত কর্ম "সামাজিক চুক্তি" (The Social Contract) আলোচিত ধাৰণাৰ ওপৰত ভিত্তি কৰি প্রস্তুত হৈ কৰা হৈছিল। এই ঘোষণাপত্রত তেনে অধিকাৰসমূহ সন্নিবিষ্ট আছিল যিসমূহ জনসাধাৰণে উত্তৰাধিকাৰসূত্রে উপভোগ কৰিব পাৰিছিল। ইয়াৰ সন্নিবিষ্ট নীতিসমূহ সার্বজনীন আছিল আৰু সেয়েহে এইসমূহে সমগ্র ইউৰোপৰ জনসাধাৰণৰ অন্তত স্পর্শ কৰিবলৈ সক্ষম হৈছিল। তলত উল্লেখিত মৌলিক অধিকাৰসমূহ নাগৰিকক প্রদান কৰা হৈছিল ঃ

- মানুহ জন্ম গতভাৱে স্বাধীনত আৰু অধিকাৰৰ ক্ষেত্রত সমান।
- ২ নং দফাত মানুহৰ প্রাকৃতিক অধিকাৰৰ বিষয়ে উল্লেখ কৰা হৈছে, যাক কোনোধৰণে কাঢ়ি লব পৰা নাযায়। এইসমূহ হৈছে স্বাধীনতা, সম্পত্তি, নিৰাপত্তা আৰু মতপ্রকাশৰ অধিকাৰ।
- স্বাধীনতাৰ সংজ্ঞা নিৰূপিত কৰা হৈছিল আইনক কোনো ক্ষতি নকৰাকৈ কৰিবপৰা যিকোনো ধৰণৰ কার্য সম্পাদন কৰাৰ ক্ষমতাকে।
- সার্বভৌমত্ব একমাত্র ৰাষ্ট্রতহে নিহিত হৈ থাকে।
- আইনৰ সন্মুখত সকলো নাগৰিক সমান। তেওঁলোকৰ সমাজত সমান সুবিধা ভোগৰ অধিকাৰ আছে।
- সম্পতিৰ অধিকাৰ পবিত্র আৰু অলংঘনীয়। নিজৰ সম্পত্তিৰ পৰা উচিত ক্ষতিপূৰণ নিদিয়াকৈ কাকোৰে নিজৰ সম্পত্তিৰ পৰা বঞ্চিত কৰিব পৰা নাযায়।
- দফা ৭ আৰু ৯ ত উল্লেখ আছিল যে আইনৰ কৃতৃত্ব নোহোৱাকৈ কোনো মানুহকে অভিযুক্ত কৰিব পৰা নাযায়। প্রত্যেকৰে নিজকে প্রকাশ কৰা বাক স্বাধীনতাৰ অধিকাৰ আছে। প্রত্যেকজন চৰকাৰী কর্মচাৰী জনগণৰ প্রতি দায়বদ্ধ।

এই ঘোষণাপত্রই ইউৰোপত এক নতুন যুগৰ সূচনা কৰিছিল। মানুহৰ মনত ই মুক্তিৰ চনদৰূপে উচ্চ আশাবাদৰ জন্ম দিছিল। ই ৰুছো লগতে আমেৰিকা আৰু বৃটিছ সংবিধানৰ পৰা

ধাৰণা আহৰণ কৰিছিল। ইয়াৰ বহুসংখ্যক উল্লেখনীয় দফাত প্রাচীন শাসনকালচোৱাত ফৰাছী জনসাধাৰণে যাতনা ভুগিবলগীয়া হোৱা কাৰকসমূহক গৰিহণা দিয়া হৈছে। সেই গতিকে এই ঘোষণা আছিল। কিছু সম্পূর্ণ বিমুর্ত নীতিৰ এক বাস্তৱবিত ৰূপ যাৰ ঐতিহাসিক প্রেক্ষাপটৰ সৈতে কোনো সম্পর্ক নাছিল।

কিন্তু, এই ঘোষণাপত্রত আছিল এটা দিশৰ পৰা অনিচ্ছাকৃতভাৱে ৰূপায়ন কৰা দলিল। ই মানুহৰ বাবে সমান অধিকাৰৰ কথা ঘোষণা কৰিছিল যদিও ৰাজনৈতিক আৰু সামাজিক সমতা ঘোষণা কৰা নাছিল। ই কেৱল মানুহৰ অধিকাৰকহে ঘোষণা কৰিছিল। তেওঁলোকৰ কর্তব্যক নহয়। ই বুর্জোৱা শ্রেণীৰ সম্পত্তিৰ প্রতি থকা মোহৰ পৰা মুক্ত হ'ব পৰা নাছিল। ই লগতে সকলো নাগৰিকৰ ভোটদানৰ সমান অধিকাৰৰ বিষয়ে উল্লেখ কৰা নাছিল। ই লগতে দাসসকলৰ অবর্ণনীয় অৱস্থাৰ উন্নতিৰ বিষয়ে একো উল্লেখ কৰা নাছিল। কিন্তু এই ত্রুটিসমূহ স্বত্ত্বেও ,এই ঘোষণাপত্র এক উল্লেখযোগ্য ঘটনা আছিল।

সাংবিধানিক সভাই ফ্রান্সত এক ধর্মীয় বুজাবুজিৰ প্রয়োজনীয়তা অনুভৱ কৰিছিল। সাংবিধানিক সভাৰ বিষয়াসকলে Camusএ আগবঢ়োৱা চার্চক ৰাষ্ট্রৰ অধীনলৈ অনাৰ প্রস্তাৱৰ প্রতি সন্মতি আগবঢ়াইছিল। ১৭৯০ ৰ ১৯ ফ্রেব্রুৱাৰীৰ এক আদেশৰ দ্বাৰা ফ্রান্সৰ চার্চৰ/ গীর্জাৰ জাতীয়কৰণ কৰা হয়। মঠ সমূহ আৰু ভিক্ষু /সন্যাসীসকলৰ বাসগৃহসমূহৰ বিলুপ্তি ঘটোৱা হয়। মঠ /ভিক্ষু সম্বন্ধীয় প্রথা, গীর্জাৰ বিষয় ববীয়াসকলক পোপে নিযুক্ত কৰা অধিকাৰ, গীর্জাই সংগ্রহ কৰা তির্থে আৰু অন্য কৰসমূহৰ বিলুপ্তি সাধন কৰা হয়। ফ্রান্সত গীর্জাৰ এক নতুন ব্যৱস্থাৰ সূচনা কৰা হয়। যাজকসকলৰ বাবে এক অসামৰিক সংবিধানৰ দ্বাৰা আইন প্রণয়ণ কৰা হৈছিল। গীর্জা ৰাষ্ট্রৰ অধীনৰ এক বিভাগলৈ পৰিবর্তিত হয়। বিশ্বপসকলৰ পুৰণি কর্মক্ষেত্র জনিত সীমাবদ্ধতাৰ অৱসান ঘটোৱা হয়। প্রত্যেক প্রশাসনীয় বিভাগৰে এজন নির্বাচিত যাজক (Bishop)ৰখাৰ ব্যৱস্থা কৰা হৈছিল। প্রত্যেক সম্প্রদায় বা কম্যুন-ত একোজন নির্বাচিত স্থানীয় পুৰোহিত ৰখাৰ ব্যৱস্থা কৰা হৈছিল। ৰাষ্ট্রই গীর্জাৰ বিষয়ববীয়াসকলক দৰমহাৰ ব্যৱস্থা কৰিছিল। ইয়াৰ পিছত পোপে ফ্রান্সৰ গীর্জাৰ পৰা ধন লোৱা প্রথাৰ বন্ধ হৈছিল। সকলো ধর্মৰ প্রতি সহনশীলতা নীতিৰ প্রয়োগ কৰা হৈছিল। ফ্রান্সৰ অসামৰিক সংবিধানৰ প্রতি পুৰোহিতসকলক শপত লবলৈ নির্দেশ দিয়া হৈছিল।

ঘোষণাপত্রত সকলো মানুহৰ সমান অধিকাৰ আৰু তেওঁলোকৰ স্বাধীনতাৰ ঘোষণা কৰা হৈছিল। অৱশেষত ১৭৯১ চনত সংবিধান গৃহীত কৰা হয়। ৰজাক কার্য্যপালিকাৰ মূৰব্বী হিচাপে লৈ এক সাংবিধানিক ৰাজতন্ত্রৰ প্রতিষ্ঠা কৰা হয়। অৱশ্যে মন্ত্রীবর্গক নির্বাচিত কৰাৰ উদ্দেশ্য ৰজাক সীমিত ৰূপত ভেটে' ক্ষমতা প্রদান কৰা হৈছিল। বিধানপৰিষদ ৭৪৫ জনীয়া সদস্যৰে গঠিত আৰু সীমিত ভোটাধিকাৰৰে ২ বছৰৰ বাবে নির্বাচিত এখলপীয়া পৰিষদ আছিল। ন্যায়পালিকাও কিছু সংস্কাৰৰ মাজেৰে আগবাঢ়িছিল। সমগ্র প্রশাসনকে বিকেন্দ্রীভূত কৰা হৈছিল। সমগ্র ফ্রান্সকে জিলা, কেণ্টন,কম্যুন আৰু স্থানীয় পৰিষদত ভাগ কৰা হৈছিল। অর্থনৈতিক সমস্যা দূৰ কৰাৰ উদ্দেশ্যে বিধানপৰিষদে গীর্জাৰ ভূমি জব্দ কৰিছিল। কাগজৰ নোটৰ প্রচলন ঘটোৱা

হৈছিল। গীর্জাও পৰিবর্তনৰ মাজেৰে গতি কৰিছিল। যাজকসকলক অসামৰিক সংবিধানৰ আঁওতালৈ আনি প্রাচীন (ডাইয়চ্যেচ) প্রথাৰ বিলুপ্তি ঘটোৱা হৈছিল। বিশ্বপ আৰু পুৰোহিতসকলক সাধাৰণ ভোটৰ দ্বাৰা নির্বাচিত কৰাৰ ব্যৱস্থা কৰা হৈছিল। ফ্রান্সৰ আভ্যন্তৰীণ কৰ ব্যৱস্থাৰ লগতে ব্যৱসায়িক গোষ্ঠী আৰু বৃহৎ ব্যৱসায়িক প্রতিষ্ঠানসমূহৰো বিলুপ্তি ঘটোৱা হয়। কিন্তু এইবোৰ স্বত্ত্বেও, সংবিধানে ফ্রান্সক অসন্তুষ্টিৰ পিনে লৈ গৈছিল। সংবিধানত যথেষ্ট সংখ্যক সুৰঙা থাকি গৈছিল।

ফলত, মিৰবিউয়ে মন্তব্য কৰিছিল যে "দেশৰ বিশৃংখলতাৰ উদ্দেশ্য ইয়াতকৈ ভাল পৰিকল্পনা কৰা অসম্ভৱ" ল্যুই ষোড়শ নিজৰ দেশৰ পৰা পলাবলৈ কৰা প্রচেষ্ঠাই জ্বলা জুইত ঘিউ ধৰি দিয়াৰ দৰে কাম কৰিছিল। জনসাধাৰণ প্রতীয়মান গৈছিল যে ৰজা তেওঁৰ প্রজাৰ প্রতি দায়বদ্ধ নহয় আৰু ৰাজতন্ত্রৰ সমর্থনৰ প্রতি কোনো কাৰণতে প্রস্তুত নাছিল। চৰমপন্থী গোটসকলে এক প্রজাতান্ত্রিক চৰকাৰৰ দাবী কৰিছিল যদিও সাংবিধানিক ৰাজতন্ত্রৰ সমর্থকসকলে তেতিয়াও সংখ্যাগৰিষ্ঠ আছিল বাবে ৰজাক পুনৰ তেওঁৰ আগৰ স্থানত অধিষ্ঠিত কৰা হয়।

১৭৯১ চনৰ ১১ অক্টোৱৰত বিধান সভা অনুষ্ঠিত হৈছিল। বিধানসভাৰ সদস্যসকল গোটত বিভক্ত আছিল। সংবিধানবাদীসকল এখন নতুন সংবিধানৰ সপক্ষত আছিল যাৰ দ্বাৰা চৰকাৰৰ মূৰব্বীৰূপে ৰজা নির্বাচিত হোৱাৰ সুবিধা আছিল। ৰিপাব্লিকান বা প্রজাতন্ত্রবাদীসকল গিৰোণ্ডিষ্ট আৰু জেকবিন- এই দুভাগত বিভক্ত আছিল। এওঁলোক ঘাইকৈ গিৰন্দ' (Gironde) জিলাৰ পৰা আহিছিল আৰু যদিও এক প্রজাতান্ত্রিক চৰকাৰৰ প্রতি উৎসুক আছিল কিন্তু ব্যৱহাৰিক ক্ষেত্রত তেওঁলোক ইয়াৰবাবে সাজু নাছিল। জেকবিনসকল চৰমপন্থী গোট আছিল। তেওঁলোকে প্রজাতান্ত্রৰ সুৰক্ষাৰ বাবে যিকোনো উপায়কে ন্যায়যুক্ত বুলি গণ্য কৰিছিল।

সোনকালেই ফ্রান্স এক যুদ্ধত সাঙোৰ খাই পৰিছিল। ইয়াৰ মুখ্য কাৰণ আছিল এক নির্দেশাজ্ঞা যাৰ দ্বাৰা (Emigre), ৰাজনৈতিক প্রবাসীসকলক, এক নির্দিষ্ট সময়ৰ ভিতৰত ফ্রান্সলৈ ওভটিবলৈ কোৱা হৈছিল অন্যথা মৃত্যুদণ্ড বা সম্পত্তি বাজেয়াপ্তৰ দৰে ফল ভুগাৰ ভয় প্রদর্শন কৰা হৈছিল। ৰজা এই নির্দেশাজ্ঞাত অনুমতি প্রদান কৰিছিল আৰু ইয়ে মানুহৰ মনত সন্দেহৰ ভাৰ জগাই তুলিছিল। তদুপৰি, ইউৰোপীয় দেশসমূহ ফ্রান্সত ঘটনাৱলীক লৈ শংকিত আছিল। তেওঁলোকে বিপ্লৱীসকল আৰু ফ্রান্সৰ বাহিৰত প্রসাৰতা লাভ কৰা তেওঁলোকৰ আদর্শসমূহক প্রতি শংকিত আছিল। জমিদাৰীয় কৰ আৰু তিথেছৰ (tithes) অৱসান ঘটোৱা বাবে জার্মান যুৱৰাজসকল সুখী নাছিল। অষ্ট্রিয়াই ফ্রান্সৰ ৰাজনৈতিক প্রবাসীসকলক আশ্রয়প্রদান কৰিছিল, যাৰফলত অষ্ট্রিয়া আৰু ফ্রান্সৰ মাজৰ সম্পর্কৰ অৱনতি ঘটিছিল। ৰাজনৈতিক প্রবাসীসকলে এইসময়তে সৈন্যবাহিনী গোটাব আৰম্ভ কৰিছিল আৰু বিপ্লৱীসকলৰ হাতৰ পৰা ফ্রান্সক ৰক্ষাকৰাৰ বাবে বিদেশী শক্তিক অনুৰোধ কৰিছিল। ফৰাচী জনসাধাৰণ সজাগ হৈ উঠিছিল। একে সময়তে অষ্ট্রিয়া আৰু প্রুছিয়াই পিলিনট্জৰ বিখ্যাত ঘোষণাপত্র জাৰী কৰিছিল যাৰ দ্বাৰা তেওঁলোকে ফ্রান্সত প্রতি-বৈপ্লৱিক কার্যৰ বাবে একগোট হৈছিল আৰু এক সশস্ত্র হস্তক্ষেপৰ বাবে সাজু হৈছিল। ইয়ে ফৰাছী জনসাধাৰণক পতিয়ন নিয়াইছিল যে ৰজা বিদেশী শক্তিসমূহৰ সৈতে এক

গোপন চুক্তিত উপনীত হৈছিল। ৰাজতন্ত্রক ওফৰোৱাৰ উদ্দেশ্যে গিৰোণ্ডিষ্ট সকলে এক যুদ্ধৰ পোষকতা কৰিছিল। তেওঁলোক তেওঁলোকৰ প্রচেষ্টাত সফল হৈছিল যেতিয়া ১৭৯২ চনৰ ২০ এপ্রিলত ফ্রান্সে অষ্ট্রিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। কিন্তু, ৰবছপিয়েৰে নেতৃত্ব প্রদান কৰা জেকবিনসকল যুদ্ধৰ পক্ষত নাছিল। যুদ্ধত ফৰাচী সৈন্যবাহিনী পৰাজয়ৰ সন্মুখীন হৈছিল আৰু ৰিপাব্লিকানসকলে ৰজাক বিশ্বাসঘাতক ৰূপে ঘোষণা কৰিছিল।

এই সময়ছোৱাতে ব্রান্সৰিকৰ ডিউকে এখন ইস্তাহাৰ জাৰী কৰিছিল যাৰ দ্বাৰা তেওঁ ৰাজপৰিয়ালক আঘাত দিলে ফ্রান্সৰ ৰাজধানী ধ্বংসৰ কথা ঘোষণা কৰিছিল। ইয়াৰ ফলত ফ্রান্সৰ জনসাধাৰণ ক্রোধান্বিত হৈ উঠিছিল যিহেতু ই তেওঁলোকৰ শাসকৰ দুমুখীয়া শাসনৰ প্রতি থকা ভয়াবহ শংকাক সত্য প্রতিপন্ন কৰিছিল। ক্রোধান্বিত জনসাধাৰণে ৰজাৰ প্রাসাদত আক্রমণ কৰিছিল। বিধানসভাই ৰজাৰ নিলম্বনৰ বাবে ভোটগ্রহণ কৰে আৰু জাতীয় সন্মিলনৰ বাবে নির্বাচন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে। পেৰিছৰ ক্রোধান্বিত জনতাক নেতৃত্ব দিছিল জেকবিন সকলে, যিয়ে পেৰিছৰ মিউনিছিপাল চৰকাৰৰ স্থানত এক নতুন কম্যুন বা নগৰ পৰিষদ স্থাপন কৰে। ফ্রান্সক শত্রুৰ মুখামুখি হ'বলৈ জেকবিনসকল দৃঢ়প্রতিজ্ঞ আছিল। তেওঁলোকে প্রথমে সেই ৰাজতন্ত্রৰ সমর্থকসকলক এশিকনি দিবলৈ মন স্থিৰ কৰে যিসকলে বিদেশী শক্তিক সহায় কৰা বুলি তেওঁলোকে সন্দেহ কৰিছিল। একমাত্র সন্দেহৰ ভিত্তিতেই বহুতো ৰাজতন্ত্রৰ সমর্থকক হত্যা কৰা হৈছিল আৰু সহস্রাধিক পুৰুষ আৰু মহিলাক গিলটিনত দিয়া হৈছিল। এই ঘটনাক ১৭৯২ চনৰ চেপ্তেম্বৰৰ নৰসংহাৰ বুলি জনা যায়। জেকবিনসকলে ভেলেমী নামৰ স্থানত অষ্ট্র প্রুছিয়ান সৈন্যবাহিনীক বাধা প্রদান কৰে য'ত ফ্রান্সে যুদ্ধ জয় কৰিছিল। ইয়ে ফৰাছী সৈন্যবাহিনীৰ মাজত সাহস আৰু বিশ্বাস প্রতিষ্ঠা কৰে আৰু ফলত অধিক যুদ্ধত জয়লাভ কৰিব ধৰে। ১৯৭৩ ত ফ্রাসৰ প্রজাতান্ত্রিক সৈন্যবাহিনীয়ে বেলজিয়াম, ছেভয় আৰু নিছ' দখল কৰে আৰু ৰাইন অঞ্চলৰ মধ্যভাগৰ অৱস্থান শক্তিশালী কৰে। বিপ্লৱে ফ্রান্সক এক বিভক্ত দেশ ৰূপে চিহ্নিত কৰি থৈ যায়।

৩.৪ ফ্রান্সত নৈৰাজ্য

● **জাতীয় সন্মিলন আৰু সন্ত্রাসৰ ৰাজত্ব ঃ** ১৭৯২ চনৰ ২১ ছেপ্তেম্বৰত মিলিত হোৱা জাতীয় সন্মিলন ফ্রান্সক এখন প্রজাতন্ত্র বুলি ঘোষণা কৰে। ৰাজতন্ত্রৰ বিলুপ্তি ঘটোৱা হয়। এখন নতুন সংবিধান ৰচনাৰ বাবে এখন নতুন কমিটি নিয়োগ কৰা হয়। কিন্তু গিৰোণ্ডিষ্ট আৰু জেকবিনসকলৰ মাজৰ শত্রুতাৰ সমর্থক আছিল কিন্তু তেওঁলোকৰ দৃষ্টিভংগীত মতানৈক্য আছিল। গিৰোণ্ডিষ্ট সকলে পেৰিছৰ উন্মত্ত জনতাক সমর্থন কৰা নাছিল। তেওঁলোকে অভিবর্তনৰ আধিপত্যতা বিচাৰিছিল। তেওঁলোকে কম্যুনক কাঠগড়াত থিয় কৰাব বিচাৰিছিল আৰু চলি থকা ৰক্তক্ষয়ী হত্যা কার্য্যৰ সমাপ্তি বিচাৰিছিল। কিন্তু, বিপৰীতভাৱে জেকবিনসকলে ফ্রান্সক ৰক্ষা কৰিব বিচাৰিছিল আৰু অন্য সকলো কার্য্যালয়তকৈ পেৰিছ কম্যুনক উর্ধত ৰাখিব বিচাৰিছিল। এই দুই দলৰ মাজত সৰহসংখ্যক লোকৰ অৱস্থান আছিল যিসকলে কেতিয়াও এক সুনির্দিষ্ট পক্ষ

বাছি লব পৰা নাছিল।

সন্মিলনৰ ইচ্ছা অনুসৰি ১৭৯৩ চনৰ জানুৱাৰীৰ ২১ তাৰিখে ল্যুই ষোড়শক মৃত্যুদণ্ড দিয়া হয়। সন্মিলমনে প্রপাগাণ্ডাৰ দ্বাৰা ইউৰোপৰ জনসাধাৰণক তেওঁলোকৰ শাসকসকলৰ বিপক্ষে থিয় হ'বলৈ আহ্বান জনাই আৰু লগতে এই দিশত ফৰাচী বিপ্লৱীসকলৰ সমর্থনৰ আশ্বাস প্রদান কৰে। সন্মিলনে এক আক্রমণাত্মক ভূমিকা গ্রহণ কৰিছিল, যি ইউৰোপিয় শক্তিসমূহৰ বাবে এক সাংঘাতিক বিপদ হৈ উঠিছিল। প্রজাতন্ত্রৰ সমর্থকসকলেও মুক্তি আৰু সাম্যক ৰাষ্ট্রৰ প্রধান নীতি বুলি গণ্য নকৰা সকলোকে শত্রু বুলি ঘোষণা কৰে। ফ্রান্স যুদ্ধৰ বাবে সাজু হৈ উঠে। প্রকৃতার্থত প্রাকৃতিক অধিকাৰৰ অজুহাতত ফ্রান্সে নিজৰ পৰম্পৰাগত বিজয়ৰ নীতিক অনুসৰণ কৰিব বিচাৰিছিল। ফ্রান্সৰ ঘটনাৱলীৰ মোৰ লোৱা কার্য্যক ইউৰোপে নিৰাপত্তাৰ প্রতি ভাবুকি বুলি গণ্য কৰে। ল্যুই ষোড়শৰ মৃত্যুদণ্ডই সমগ্র ইউৰোপীয় সম্প্রদায়কে জোকাৰি যায় আৰু তেওঁলোকে এইদিশত কার্যব্যৱস্থাৰ দাবী কৰে। এইদৰেই ইউৰোপে এক মিত্রজোট গঠন কৰে।

ফ্রান্সৰ বিৰুদ্ধে প্রথম মিত্রজোঁটত ইংলেণ্ড, হলেণ্ড, ছার্বিজনিয়া, স্পেইন, অষ্ট্রিয়া আৰু প্রুছিয়া আছিল। ইংলেণ্ডত থকা ফৰাচী ৰাজদূত শ্বউভেলিনক ফ্রান্সলৈ ওভটি আহিব আদেশ দিয়া হয়। যদিও সামূহিকভাৱে ইউৰোপীয় দেশসমূহে ৰাজতন্ত্রৰ ৰক্ষাৰ বাবে যুদ্ধ কৰিছিল, তেওঁলোক প্রত্যেকৰে কিন্তু নিজা গোপন কার্যসূচী আছিল। অষ্ট্রিয়া ফ্রান্সক বেলজিয়ামৰ পৰা বাহিৰ কৰিবলৈ ইচছুক আছিল, ছাডিনিয়াই ছেভয়ক ৰক্ষা কৰিব বিচাৰিছিল আৰু ইংলেণ্ডে নিজৰ ক্ষতিৰ সন্মুখীন হোৱা ব্যৱসায়িক স্বার্থৰ ৰক্ষাৰ অর্থে চিন্তিত আছিল। প্রাৰম্ভিক সময়ত ফ্রান্স পৰাজয়ৰ সন্মুখীন হ'ব লগা হৈছিল। ইয়াৰ ফলত গৃহযুদ্ধৰ সূচনা হৈছিল, আৰু বহুতো কৃষক বিদ্রোহত থিয় হৈছিল। আভ্যান্তৰীণ আৰু বাহ্যিক বিপদৰ পৰা ফ্রান্সক ৰক্ষা কৰাৰ অর্থে অসামৰিক সুৰক্ষা কমিটি (Committee of Public Safety) গঠন কৰা হৈছিল। গিৰোণ্ডিষ্ট সকলৰ অর্ন্তভুক্ত ডুম'ৰিয়েজৰ অধীনত ফ্রান্সৰ পৰাজয়ে, গিৰোণ্ডিষ্ট আৰু জেকবিনসকলৰ মাজত নতুন সংঘাতৰ বাট মুকলি কৰিছিল। ইয়াৰ পৰিণতিত **৩১** জন গিৰোণ্ডিষ্ট নেতাক গ্রেপ্তাৰ কৰা হয়। ৰবছপিয়েৰ, ডাণ্টন, আৰু মাৰাটৰ নেতৃত্বত জেকবিন সকলে এক সন্ত্রাসৰ ৰাজত্বৰ সূচনা কৰিছিল।

গিৰোণ্ডীয়াসকলৰ বহিষ্কাৰৰ লগে লগে জেকবিনসকলৰ কর্তৃত্ব স্থাপন হৈছিল। আভ্যন্তৰীণ আৰু বাহিৰ দুই দিশতে ফ্রান্স শত্রুৰ চিকাৰৰ বলি হৈছিল। ফ্রান্সৰ ভিতৰত এক বিপ্লৱীসকলৰ বিৰোধিতা কৰি এক অসন্তুষ্ট গোট গঢ় লৈ উঠিছিল। তেওঁলোকে অন্যবিভাগসমূহৰ তুলনাত পেৰিছ কম্যুন সংঘৰ শ্রেষ্ঠতাক মানি লোৱা নাছিল, বৰঞ্চ তেওঁলোকে সকলো বিভাগৰ সমানতা দাবী কৰিছিল। এইসময়তে, পুৰোহিতসকলৰ উচটনিত লা ভেনড়ে (La Vendee) ৰ কৃষকসকলে বিদ্রোহত লিপ্ত হৈছিল আৰু যাজক /পুৰোহিতসকলৰ বাবে ৰছিত অসামৰিক সংবিধানৰ বিলুপ্তিৰ পোষকতা কৰিছিল। তেওঁলোকে বাধ্যতামূলক সামৰিক সেৱাৰ বিৰুদ্ধে প্রতিবাদ কৰিছিল। এনে এক পৰিস্থিতিৰ সন্মুখীন হৈ জেকবিন সকলে ৰবছপিযেৰৰ অধীনত ১২ জনীয়া সদস্যৰে গঠিত এখন নতুন ৰাজহুৱা সুৰক্ষা কমিটিৰ গঠন কৰিছিল; যি কমিটিৰ হাতত অপৰিসীম কার্যকৰী ক্ষমতা আছিল।

এই সুৰক্ষা কমিটি, আতংক সন্ত্রাস বিয়পোৱাৰ এক আহিলাৰ বাহিৰে একো নাছিল। ইয়াৰ কার্যৱলীৰ উদ্দেশ্য আছিল ৰাজতন্ত্রৰ সমর্থক আৰু প্রতিবিপ্লৱীসকলৰ মনত ভয়ৰ সঞ্চাৰ কৰা। সন্দেহযুক্ত সকলোকেই সন্দেহৰ আইনৰ আধাৰত গ্রেপ্তাৰ কৰা হৈছিল আৰু বিপ্লৱিক আদালতত দ্রুতগতিত বিচাৰ সম্পন্ন কৰি ৰাজহুৱাভাৱে গিলটিনত মৃত্যুদণ্ড দিয়া হৈছিল। কমিটিয়ে আভ্যন্তৰিণ বিপ্লৱ আৰু বাহিৰা শত্রুক প্রতিহত কৰাৰ উদ্দেশ্যে প্রচেষ্টা চলাইছিল। ফ্রান্সে ইউৰোপীয় মিত্রজোঁটৰ বিৰুদ্ধে জয়লাভ কৰিবলৈ সক্ষম হৈছিল। ইংলেণ্ডক হণ্ডস্কুটে (Hondschoote) ত, অষ্ট্রিয়া ৰাটিজনিছ (Wattignies) ক পৰাস্ত হয়। বেলজিয়ামক পুনৰুদ্ধাৰ কৰা হয়। টউলনক পুর্নদখল কৰা হয়। হলেণ্ড অধিকাৰ কৰা হয় আৰু ১৭৯৫ চনৰ বাছলে সন্ধিৰ দ্বাৰা প্রুছিয়া আৰু স্পেইনৰ সৈতে শান্তি প্রতিষ্ঠা কৰা হয়। আভ্যন্তৰীণ আৰু বর্হি, দুই দিশতে বিপদৰ সমাপ্তিৰ পিছত, সন্ত্রাসৰ ৰাজত্বক লৈ প্রশ্ন উত্থাপিত হ'বলৈ ধৰে।জেকবিনসকলৰ সৰাতোকৈ চূড়ান্ত চৰমপন্থী গোট হেবার্টিষ্টসকল কেথলিক বিশ্বাসতকৈ যুক্তিৰ উপাসনাৰ দৰে চৰম বৈপ্লৱিক কার্য্যপন্থাৰ সপক্ষে আছিল আৰু পেৰিছৰ সকলো কার্য উপাসনাস্থল বন্ধ কৰাৰ দাবী কৰিছিল। কিন্তু হেবার্টিষ্টসকলক ৰবছপিয়েৰে গিলটিনত দিছিল আৰু তাৰ পিচত ডাণ্টনিষ্টসকলকো তেওঁলোকৰ নীতিৰ বাবে বিপদজনক বুলি গণ্য কৰি ৰবছপিয়েৰে গিলটিনত দিছিল। ৰবছপিয়েৰ ইয়াৰ পিছত নেতা হৈ উঠে আৰু অধিক শক্তিৰে আতংকৰ সূচনা কৰে। ইয়াৰ দ্বাৰা তেওঁ আৰু অধিক শত্রুৰ সৃষ্টি কৰে আৰু অৱশেষত ৰবছপিয়েৰ আৰু তেওঁৰ সংগীসকলক গ্রেপ্তাৰ কৰা হয়। ২৮ জুলাইত ৰবছপিয়েৰক গিলটিনত দিয়া হয়।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ১ ঃ বিধান পৰিষদ কেতিয়া মিলিত হৈছিল?

.....

প্রশ্ন নং ২ ঃ (Emigre) ৰাজনৈতিক প্রবাসীসকল, কোন আছিল?

.....

প্রশ্ন নং ৩ ঃ বিধান সভাৰ দুটা প্রজাতন্ত্রবাদী গোটৰ নাম লিখা?

.....

প্রশ্ন নং ৪ ঃ ল্যুই ১৬ তম কেতিয়া মৃত্যুদণ্ড বিহা হৈছিল?

.....

৩.৫ ডাইৰেক্টৰী

১৭৯৫ চনত ৰচিত সংবিধানখন বৈপ্লৱিক সময়চোৱাত ৰচিত তৃতীয় সংবিধান আছিল। ইয়াক তৃতীয় বর্ষৰ সংবিধান বুলিও জনা যায়। ১৭৯৫ চনৰ ২৬ অক্টোবৰত এই সংবিধান ৰচনাৰ পিছত জাতীয় সম্মিলন ভংগ কৰি দিয়া হৈছিল। গণতন্ত্রৰ নীতিক লক্ষ্য ৰাখি ইয়াক প্রস্তুত কৰা

হৈছিল। অধিকাৰ আৰু কর্তব্যৰ দিশত অধিক গুৰুত্ব আৰোপ কৰা হৈছিল। ১৭৯৫ চনৰ এই পৰিকল্পনাৰ মুখ্য দিশ আছিল প্রাপ্তবয়স্ক ভোটাধিকাৰ ব্যৱস্থাক নাকচ কৰাতো। সম্পত্তিৰ গৰাকী বুর্জোৱাসকলক ই ৰাজনৈতিক ক্ষমতা প্রদান কৰিছিল। সংবিধানৰ মুখ্য বৈশিষ্ট্যসমূহৰ ভিতৰত আছিল।

কার্য্যপালিকা ঃ

কার্য্যপালিকাৰ ক্ষমতা এক পাঁচ জনীয় কমিটিৰ হাতত ন্যস্ত কৰা হৈছিল যাক ডাইৰেক্টৰ বুলি জনা গৈছিল। তেওঁলোকৰ এজনে ডাইৰেক্টৰীক নেতৃত্ব প্রদান কৰিছিল। তেওঁ ফ্রান্সৰ নিবাসী হোৱাটো বাঞ্ছনীয় আছিল। ডাইৰেক্টৰীৰ কার্যালয় লাক্সেমবার্গত প্রতিষ্ঠা কৰা হৈছিল। ডাইৰেক্টৰীয়ে মন্ত্রীবর্গক নিযুক্তি দিছিল আৰু এইদৰে কেবিনেটৰ গঠন কৰা হৈছিল। ডাইৰেক্টৰসকলে দেশৰ আইন আৰু শৃংখলাজনিত পৰিবেশত নজৰ ৰাখিছিল।

বিধানপালিকা ঃ

বিধানপালিকা দুখন পৰিষদেৰে গঠিত আছিল। প্রথমখন পৰিষদ "পাচশজনীয়া পৰিষদ" আৰু দ্বিতীয়খনক "প্রাচীন সকলৰ পৰিষদ" নামেৰে জনাজাত আছিল। ইয়াৰে প্রথমখন ৫০০ জনীয়া সদস্যৰে আৰু ২য় খন ২৫০ জনীয়া আছিল। 'পাচশজনীয় পৰিষদৰ' সদস্য হ'বলৈ নুন্যতম ৩০ বছৰীয়া আৰু 'প্রাচীন পৰিষদৰ' সদস্য হবলৈ নুন্যতম ৪০ বছৰ হোৱাতো বাঞ্চনীয় আছিল। প্রথমখন পৰিষদে নতুন আইন আৰু বিধি বিধানক প্রস্তাৱ দিছিল। দ্বিতীয় পৰিষদে সেই প্রস্তাৱক অনুমোদন জনাইছিল।

নির্বাচনৰ নীতি ঃ

নির্বাচনৰ ভিত্তি আছিল সম্পত্তি। যিসকল লোকে সম্পত্তিত কৰ আদায় দিছিল তেওঁলোকৰহে নির্বাচনত ভোটদানৰ অধিকাৰ আছিল। সংবিধানত ব্যৱস্থা আছিল যে ইয়াৰ $^{১}/_{৩}$ অংশ সদস্যই প্রত্যেক বছৰে অৱসৰ গ্রহণ কৰিব আৰু $^{২}/_{৩}$ অংশ সদস্যক জাতীয় সন্মিলনৰ বিদায়ী সদস্যৰ পৰা নির্বাচিত কৰাৰ ব্যৱস্থা আছিল। এই ব্যৱস্থাৰ প্রৱর্তন কৰা হৈছিল। এই উদ্দেশ্য যে ৰাজতন্ত্রৰ সমর্থকসকল যাতে আধিক সংখ্যাক বিধানসবালৈ নির্বাচিত হ'ব নোৱাৰে। এই ব্যৱস্থাই একমাত্র ৰাজতন্ত্রৰ সমর্থক সকলকেই নহয় অন্য মধ্যবিত্ত শ্রেণীকো অসন্তুষ্ট কৰি তুলিছিল। এওঁলোকে গভীৰভাৰে এই ব্যৱস্থাৰ প্রতি উদ্বেগিত হৈছিল আৰু ১৭৯৫ চনৰ ৫ অক্টোবৰত জাতীয় সন্মিলনৰ বিৰুদ্ধে বিদ্রোহ ঘোষণা কৰিছিল। নেপলিয় বোনাপার্টৰ সহযোগত বাৰাছে এই বিদ্রোহ দমন কৰে।

সংবিধানৰ ত্রুটিসমূহ ঃ

- ভোটদানৰ অধিকাৰ সম্পত্তিৰ ভিত্তিত প্রদান কৰা হৈছিল, যিয়ে অধিকসংখ্যক লোককে ভোটদানৰ অধিকাৰৰ পৰা বঞ্চিত কৰিছিল। এই বেমেজালিৰ বাবেই গণতান্ত্রিক সকলে সংবিধানৰ বিৰোধিতা কৰিছিল।
- ৰজাক গুৰুত্বপ্রদান নকৰা হেতু ৰাজতন্ত্রৰ সমর্থক সকল সন্তুষ্ট নাছিল।
- কার্যপালিকা আৰু বিধানপালিকাৰ মাজৰ পার্থক্য আতৰাবলৈ কোনো ব্যৱস্থা নাছিল।

- কার্যপালিকাৰ সদস্যসকল বিধায়নী অথবা সাধাৰণ নাগৰিকৰ প্রতি দায়বদ্ধ নাছিল। তেওঁলোকক কেৱল মহাভিযোগৰ দ্বাৰাহে গদবীৰ পৰা অপসাৰণ কৰিব পৰা গৈছিল।

ডাইৰেক্টৰীৰ পতনৰ কাৰণ ঃ

ৰবছপিয়েৰৰ মৃত্যুৰ লগতেই, এক নৰম ৰাজত্বৰ সূচনা হৈছিল। সন্ত্রাসৰ ৰাজত্বৰ অন্তিম অৱশিষ্টৰ সমাপ্তি ঘটিছিল। "তৃতীয় বর্ষৰ সংবিধান"ৰ নামেৰে এক নতুন সংবিধান ৰচনা কৰা হৈছিল। কার্যপালিকাৰ ক্ষমতা পাচজনীয়া ডাইৰেক্টৰৰ হাতত অর্পন কৰা হৈছিল আৰু আইনগত কর্তব্য সমাপণ কৰাৰ উদ্দেশ্যে দুখন পৰিষদ আছিল- "পাচশজনীয়া পৰিষদ" আৰু "পুৰণিসকলৰ পৰিষদ"। অভিবর্তনে লগতে ব্যৱস্থা কৰিছিল যে নতুন বিধানপৰিষদৰ $^{২}/_{৩}$ অংশ সদস্যক বর্তমানৰ অভিবর্তনৰ সহ প্রতিনিধিৰ পৰা নির্বাচিত কৰাৰ, আৰু যাৰ দ্বাৰা বিধান পৰিষদত ৰাজতন্ত্র সমর্থকসকল বাৰণ কৰা হৈছিল। অভিৱর্তনৰ প্রতি ৰাজতন্ত্র সমর্থকে গোটসকলৰ অসন্তুষ্টি হেতু সোনকালেই এক অভ্যুত্থানে দেখা দিছিল। ডাইৰেক্টৰ সকলৰ অন্যতম নেপলিয়ন ব'নাপার্টে আগভাগ লৈছিল আৰু অভিবর্তনক ৰক্ষা কৰিছিল। যি অৱশেষত অক্টোবৰৰ ২৬ তাৰিখে ভংগ কৰা হৈছিল। ডাইৰেক্টৰীয়ে ইয়াৰ মনোযোগ বৈদেশিক নীতিৰ প্রতি নিক্ষেপ কৰে আৰু এই দিশত বহু ভুল কৰিছিল। ইয়াৰ আভ্যন্তৰীণ নীতিও একে ধৰণে সমানে অপ্রিয় আছিল। এইসকলোৰোৰৰ পৰিণতিত ১৭৯৯ ৰ ৯ নৱেম্বৰত ছিয়েছ আৰু নেপলিয়নৰ' দ্বাৰা এক অভ্যুৎত্থান সংঘটিত হয়। ডাইৰেক্টৰীক ওফৰাই পেলোৱা হয় আৰু ইয়াৰ স্থানত এক কু-র্ছে-তা) কনচালৰাজ কার্যালয় স্থাপন কৰা হৈছিল। নেপলিয়নক মুখ্য ক্নচাল ৰূপে নির্বাচন কৰা হয়।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ৫ ঃ ডাইৰেক্টৰীক এক অভ্যুত্থানৰ দ্বাৰা ক্ষমতাচ্যুত কৰা হৈছিল। এই অভ্যুত্থানৰ নেতৃত্ব কোনে বহন কৰিছিল?

.....

প্রশ্ন নং ৬ ঃ প্রথম ক্নচাল / বাণিজ্যদূত ৰূপে কাক নির্বাচিত কৰা হৈছিল?

.....

প্রশ্ন নং ৭ ঃ জেকবিনসকলৰ অন্য জনপ্রিয় নাম কি আছিল?

.....

প্রশ্ন নং ৮ ঃ ৰাজতন্ত্রবাদীসকল ডাইৰেক্টৰী / সঞ্চালকমণ্ডলীৰ সপক্ষে কিয় নাছিল?

.....



৩.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে-

- বিপ্লৱে ফ্রান্সত সাংবিধানিক ৰাজতন্ত্র প্রতিষ্ঠাৰ বাটৰ সূচনা কৰিছিল। সংবিধান সভাই মানুহৰ অধিকাৰৰ ঘোষণা কৰিছিল যাৰ দ্বাৰা ফৰাছী নাগৰিকক মৌলিক অধিকাৰ প্রদান কৰা হৈছিল।
- এই ঘোষণাৰ পিছতো কিন্তু শান্তি দীর্ঘদিনীয়া নেথাকিল। অসন্তুষ্টি বিয়পিবলৈ লয় আৰু সোনকালেই ফ্রান্স এক গৃহযুদ্ধৰ আৱেষ্টনীত বন্দী হৈ পৰে। এই সংঘাত ঘাইকৈ সংবিধান সমর্থনকাৰী আৰু প্রজাতন্ত্রৰ সমর্থনকাৰীৰ মাজত আছিল।
- এবাৰ প্রজাতান্ত্রিক চৰকাৰ গঠন হোৱাৰ পিছত, ফ্রান্সে এক উত্তেজনাময় পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। ফ্রান্সত শৃংখলতা আৰু অৰাজকতাই বিৰাজ কৰিছিল।
- ডাইৰেক্টৰী ইয়াক আৰু অধিক বেয়াৰ পিনলৈ লৈ গৈছিল। নেপলিয়নৰ নেতৃত্বত এক অভ্যুত্থান সংঘটিত হৈছিল, যিয়ে ফ্রান্সত একনায়কত্ববাদ প্রতিষ্ঠা কৰাৰ প্রচেষ্টত সফল হৈছিল।



৩.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

১) Ketelby. C.D.M. (2000): *A Short History of Modern Europe*. New Delhi, India: Sujeet Publication.

২) Hayes, C.J.H (1963): *Modern Europe to 1870. New York, USA*: MacMillian.



৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ ১৭৯১ চনৰ ১১ অক্টোবৰ

২ নং প্রশ্ন উত্তৰ ঃ সেইসকলক বুজোৱা হৈছিল যিয়ে ফ্রান্সৰ পৰা প্রবজন কৰিছিল আৰু বিদেশী দেশক সহায় কৰি ফ্রান্সত বিপ্লৱক দমন কৰিব চেষ্টা চলাইছিল।

৩ নং প্রশ্ন উত্তৰ ঃ গিৰন্দিষ্ট আৰু জেকবিনসকল।

৪ নং প্রশ্ন উত্তৰ ঃ ১৭৯২

৫ নং প্রশ্ন উত্তৰ ঃ ১৭৯৩

৬ নং প্রশ্ন উত্তৰ ঃ নেপলিয়ন বনাপার্ট

৭ নং প্রশ্ন উত্তৰ ঃ মাউণ্টটেইন

৮ নং প্রশ্ন উত্তৰ ঃ সেইসময়ৰ ৰজাক ই গুৰুত্বপ্রদান নকৰাহেতু ৰাজতন্ত্রৰ সমর্থকসকল অসন্তুষ্ট আছিল।



৩.৯ আৰ্হি প্রশ্ন

১) **বস্তুধর্মী প্রশ্ন** ঃ

(i) ডাণ্টলিষ্ট সকল কোন আছিল?

(i i) পিলিনটজ ঘোষণাৰ ব্যৱস্থাসমূহ কি আছিল?

(iii) ফ্রান্সে অষ্ট্রিয়াৰ বিৰুদ্ধে কেতিয়া যুদ্ধ ঘোষণা কৰিছিল?

২) **চুটি প্রশ্ন** (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

(i) গিৰন্দিষ্ট আৰু জেকবিনসকলৰ বিষয়ে চমু টোকা লিখক?

(i i) চমু টোকা লিখকঃ (ক) জাতীয় অধিবেশন সভা (National Assembly)

(খ) ডাইৰেক্টৰী/ সঞ্চালকমণ্ডলী।

৩) **ৰচনাধর্মী প্রশ্ন** (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

(ক) ফ্রান্সত ৰাজতন্ত্রৰ অৱসান ঘটোৱা ঘটনাৱলীৰ বর্ণনা কৰক।

(খ) ফৰাছী বিপ্লৱত বৌদ্ধিক শ্রেণীৰ অংশগ্রহণৰ বিষয়ে আলোচনা কৰক?

(গ) কিদৰে ফৰাছী প্রজাতন্ত্র এখন সামৰিক একনাকত্ববাদলৈ পৰিবর্তিত হৈছিল- বর্ণনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ নেপোলিয়নৰ যুগ

অধ্যায়টিৰ গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ ১৭৯৯ চনৰ কু- দে'- তা
- নেপোলিয়নৰ উত্থান
৪.৪ মুখ্য ক্‌নচাল ৰূপে নেপোলিয়নৰ সংস্কাৰ
৪.৫ আঞ্চলিক সম্প্রসাৰণ ঃ মহাদেশীয় ব্যৱস্থা
৪.৬ নেপোলিয়নৰ পতন
৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ণ কৰি আপুনি —

- নেপোলিয়ন বোনাপার্ট কেনেদৰে ক্ষমতাত অধিস্থিত হৈছিল সেয়া আলোচনা কৰিব পাৰিব আৰু তেওঁৰ আঞ্চলিক সম্প্রসাৰণ নীতিৰ অধীনত কেনেদৰে নিজ সাম্রাজ্য বহন কৰিছিল সেয়া বর্ণনা কৰিব পাৰিব
- নেপোলিয়ন বোনাপার্টে আৰম্ভ কৰা আভ্যন্তৰীণ সংস্কাৰমূলক কার্যৰ বিষয়ে আলোচনা কৰিব পাৰিব
- নেপোলিয়ন বোনাপার্টৰ মহাদেশীয় ব্যৱস্থা আৰু তেওঁৰ গৰিমামণ্ডিত অৱস্থাৰ পৰা ক্রমে হোৱা পতন, ব্যাখ্যা কৰিব পাৰিব।

৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত ১৭৮৯ চনৰ বিপ্লৱৰ পাচত ফ্রান্সত সূচনা হোৱা পৰিৱর্তনৰ যুগ সম্পর্কে আলোচনা কৰা হৈছিল। ফ্রান্সত বুর্বন ৰাজতন্ত্রৰ পতন ঘটিছিল আৰু এক নতুন গণৰাজ্য প্রতিষ্ঠাৰ কথা ঘোষণা কৰা হৈছিল। কিন্তু নেপোলিয়ন বোনাপার্টে দেশখনত পুনৰ ৰাজতন্ত্র ওভটাই আনি নিজকে সম্রাটৰূপে প্রতিষ্ঠা কৰিছিল।

এই অধ্যায়ত আমি নেপোলিয়ন বোনাপার্টৰ উত্থান আৰু পতন বহলাই আলোচনা কৰিম। অধ্যায়টি পঢ়ি বিদেশ নীতিবোৰৰ জৰিয়তে নেপালিয়নে কেনেদৰে নিজকে এখন নেতাৰূপে

গঢ়ি তুলিছিল আৰু তেওঁৰ সংস্কাৰমূলক কাম-কাজবোৰে কেনেদৰে এজন শাসকৰূপে তেওঁক সফল কৰি তুলিছিল সেয়া বুজাৰো প্ৰয়াস কৰিম।

৪.৩ ১৭৯৯ চনৰ কু-দে'-তা (Coup D' etat)

১৭৬৯ চনৰ ১৫ আগষ্টত ক'ৰ্চিকাৰ আয়াক্চিঅ' (Ajaccio)ত নেপোলিয়ন বোনাপার্টৰ জন্ম হৈছিল। ১৭৮৬ চনত মাত্ৰ সোতৰ বছৰ বয়সতে নেপোলিয়নে এজন গোলান্দাজ বাহিনীৰ বিষয়াৰূপে সেনাবাহিনীত যোগ দিছিল। অতি কম সময়ৰ ভিতৰতে তেওঁ এজন দক্ষ সামৰিক বিষয়াৰ পৰিচয় দিছিল।

১৭৯৫ ৰ পৰা ১৭৯৯ চনলৈ ফ্ৰান্সৰ কার্যবাহী ক্ষমতা 'ডাইৰেক্ট'ৰী (Directory) ৰ হাতত ন্যস্ত আছিল। 'ডাইৰেক্ট'ৰী'ৰ সন্মুখত আহি পৰা প্ৰথম সমস্যাটো আছিল ফৰাছী গণৰাজ্যৰ শত্ৰুবোৰৰ বিপক্ষে চলাই থকা যুদ্ধবোৰ অব্যাহত ৰখা হ'বনে ওৰ পেলোৱা হ'ব তাৰ সিদ্ধান্ত লোৱা। 'ডাইৰেক্ট'ৰী'য়ে অষ্ট্ৰিয়াক দুটা দিশেৰে আক্ৰমণ কৰাৰ পৰিকল্পনা কৰিছিল। ইয়াৰে এটা দিশ হ'ল জার্মানীৰ মাজেৰে আৰু আনটো আছিল ইটালীৰ মাজেৰে। ইটালীৰ মাজেৰে চলিবলগীয়া অভিযানৰ দায়িত্ব নেপোলিয়ন বোনাপার্টক দিয়া হৈছিল।

নেপোলিয়ন আৰু তেওঁৰ সৈন্যবাহিনী অনতিপলমে গৈ তুৰিনৰ প্ৰৱেশদ্বাৰত উপস্থিত হৈছিল। তাৰ পাচতেই তেওঁ চেভ'য় আৰু নাইচ নামৰ অঞ্চল দুটাৰ নিজৰ নিয়ন্ত্ৰণাধীন কৰি চার্দিনিয়ানসকলক শান্তি ভিক্ষাৰ বাবে বাধ্য কৰি পেলাইছিল। ইয়াৰ পাচত নেপোলিয়নে অষ্ট্ৰিয়ান সকলৰ বিৰুদ্ধে ৰণ আৰম্ভ কৰিছিল। তেওঁ বিজয় গৌৰৱেৰে মিলানত প্ৰৱেশ কৰিছিল। অষ্ট্ৰিয়ানসকলক ল'ম্বার্ডিৰ পৰাও পঠিওৱা হৈছিল। নেপোলিয়নৰ পৰৱর্তী লক্ষ্য আছিল মানটুৱা দখল কৰা। অষ্ট্ৰিয়ানসকলে কেইবাবাৰো মানটুৱা ৰক্ষাৰ চেষ্টা কৰিছিল। কিন্তু বাচ্চানাঅ', আর্কোলা আৰু ৰিভ্লোলিৰ ৰণত তেওঁলোক পৰাজিত হৈছিল। ফ্ৰান্সৰ সেনাই ভেনিছো দখল কৰিছিল। নেৰোসিনক ইটালী আক্ৰমণ কার্যসূচীত 'পোপৰ নিয়ন্ত্ৰণাধীন অঞ্চল' (Papacy) বোৰ আক্ৰমণ কৰাটোত অন্তর্ভুক্ত আছিল। তেওঁ এই অঞ্চলবোৰ আক্ৰমণ কৰি পোপক তোলেণ্টিন' সন্ধিত চহী কৰিবলৈ বাধ্য কৰাইছিল। এই সন্ধিৰ চর্ত অনুসৰি পোপে নিজ নিয়ন্ত্ৰণাধীন অঞ্চলবোৰ নেপোলিয়নক অর্পন কৰিবলৈ আৰু ইটালীত স্থাপন হোৱা নতুন গণৰাজ্যবোৰক স্বীকৃতি দিবলৈ মান্তি হৈছিল। ইয়াৰ পাচত নেপোলিয়ানে আল্পচ্ পর্বত দ্ৰুত গতিৰে পাৰ হৈ ভিয়েনাৰ পৰা মাত্ৰ কিছুদূৰ আঁতৰত অৱস্থান গ্ৰহণ কৰিছিল। নেপোলিয়নৰ এই দ্ৰুত অগ্ৰগতিত অষ্ট্ৰিয়াৰ সম্ৰাট দ্বিতীয় ফ্ৰান্সিছ শংকিত হৈ পৰিছিল। তেওঁ ১৭৯৭ চনত কেম্প' ফ'র্মিঅ' সন্ধিত চহী কৰি নেপোলিয়নৰ সৈতে শান্তি স্থাপন কৰিছিল। এই সন্ধিৰ চর্ত অনুসৰি অষ্ট্ৰিয়াই ফ্ৰান্সক বেলজিয়ামৰ নিয়ন্ত্ৰণ সঁপি দিছিল, লোনিয়ান দ্বীপত ফ্ৰান্সৰ দখল মানি লৈছিল আৰু ৰাইন নদীৰ পাৰলৈকে ফ্ৰান্সৰ সীমা সম্প্ৰসাৰণক স্বীকৃতি দিছিল। নেপোলিয়নে ইটানীত স্থাপন কৰা লিগুৰিয়ান গণৰাজ্য গণৰাজ্য আৰু কিচাল্পাইন গণৰাজ্যৰ অস্তিত্বকো অষ্ট্ৰিয়াই স্বীকৃতি দিছিল। ইয়াৰ প্ৰতিদানস্বৰূপে ফ্ৰান্সে ভিয়েনা চহৰখন অষ্ট্ৰিয়াক প্ৰদান কৰিছিল।

ইটালীত চলোৱা সফল অভিযানৰ বাবে নেপোলিয়নক স্বদেশত উষ্ম আদৰণি জনোৱা হৈছিল। 'ডাইৰেক্ট'ৰী য়ে তেওঁক আসন্ন ইংলেণ্ড আক্রমণৰ বাবে সেনাবাহিনীৰ কমাণ্ডাৰৰ পদত নিয়োগ কৰিছিল। কিন্তু এক শক্তিশালী নৌবহৰ অবিহনে ইংলেণ্ডৰ ওপৰত প্রত্যক্ষ আক্রমণ চলোৱাটো অসম্ভৱ আছিল। সেয়েহে নেপোলিয়নে প্রাচ্যৰ কেন্দ্র ইজিপ্ত জয় কৰিবলৈ এক অভিযান চলাবলৈ 'ডাইৰেক্ট'ৰী'ক পৰামর্শ দিছিল। নেপোলিয়নৰ পৰিকল্পনা অনুসৰি এই আক্রমণ আছিল ইংলেণ্ডৰ ওপৰত এক পৰোক্ষ আঘাত। ডাইৰেক্ট'ৰীয়ে তেওঁৰ পৰামর্শ মানি লৈছিল। সেই মর্মে ১৭৯৮ চনৰ মে' মাহত তেওঁ ইজিপ্ত আক্রমণৰ উদ্দেশ্যৰে জাহাজ এৰিছিল। নেপোলিয়নে মাল্টা দখল কৰাৰ লগতে বিখ্যাত পিৰামিডৰ ৰণ জয় কৰিছিল। এই জয়ে তেওঁক সমগ্র নাইল অৱবাহিকা অঞ্চলৰ গৰাকীত পৰিণত কৰিছিল। কিন্তু ইংৰাজ এডমিৰেল নেলচনে নেপোলিয়নৰ গতিবিধিৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছিল। ইয়াৰ সুফলস্বৰূপে তেওঁ নাইলৰ যুদ্ধত ফৰাছী নৌবহৰক সম্পূর্ণ বিধ্বস্ত কৰিবলৈ সক্ষম হৈছিল। একেখিনি সময়তে 'চেকেণ্ড কোৱালিশ্যন' (দ্বিতীয় মিত্রজোঁট) নামেৰে এটা নতুন ইউৰোপীয় মিত্রজোঁটৰ গঠন হৈছিল। এই মিত্রজোঁটে সফলতাৰে জার্মানী আৰু ইটালীৰ ওপৰত থকা নেপোলিয়নৰ নিয়ন্ত্রণ ওফৰাই পেলাইছিল।

এই বিপৰীত দৃশ্যপটৰ বাবে 'ডাইৰেক্ট'ৰী'ক জগৰীয়া কৰা হৈছিল। ইয়াৰ সদস্যসকলে নাগৰিকৰ সমর্থন হেৰুৱাইছিল 'ডাইৰেক্ট'ৰী'য়ে গ্রহণ কৰা ঘৰুৱা নীতিবোৰো দুর্বল আৰু অজনপ্রিয় আছিল। 'ডাইৰেক্ট'ৰী'ৰ ক্রমে হ্রাস পোৱা জনপ্রিয়তাৰ সুযোগ লৈ চীয়েছ (ডাইৰেক্ট'ৰীৰ এজন সদস্য) আৰু নেপোলিয়ন একেলগ হৈছিল। তেওঁলোকে দুজনে সংগঠিত কৰা ৰাজবিপ্লৱৰ ফলত ১৭৯৯ চনৰ ৯ নৱেম্বৰত 'ডাইৰেক্ট'ৰী' ক্ষমতাৰ পৰা অপসাৰিত হৈছিল। এই ঘটনাটোক 'অষ্টাদশ ব্রুমেয়াৰৰ কু-দে'-তা (Coup d'etat of 18th Brumaire) নামেৰে জনা যায়।

- **নেপোলিয়নৰ উত্থান**

১৭৯৯ চনত 'ডাইৰেক্ট'ৰী'ক ক্ষমতাৰ পৰা আঁতৰোৱাৰ পাচত ফ্রান্সত এখন নতুন সংবিধান ৰচনা কৰা হৈছিল। নতুন সংবিধানৰ জৰিয়তে তিনিজন 'প্রশাসক' (কনচাল /Consuls)ৰ দ্বাৰা গঠিত 'কনচুলেট'ৰ হাতত দেশখনৰ কার্যবাহী ক্ষমতা ন্যস্ত কৰা হৈছিল। ফ্রান্সৰ 'চিনটে'এ দহ বছৰৰ বাবে এই প্রশাসক কেইজনক নির্বাচিত কৰিছিল। প্রথম কনচুলেটৰ প্রশাসক তিনিজন আছিল চীয়েছ (Sieyes), ডুকোচ (Ducos) আৰু নেপোলিয়ন বোনাপার্ট। তেওঁলোকৰ ভিতৰত নেপোলিয়নক মুখ্য কন্চাল (First Consul) ৰ স্থান দিয়া হৈছিল। অতি সোনকালে নেপোলিয়নে নিজৰ প্রশাসনিক স্থিতিৰ সুযোগ গ্রহণ কৰি চীয়েছ আৰু ডুকোচক প্রশাসক পদৰ পৰা আঁতৰাই তেওঁৰ বিৰোধিতা কৰিব নোৱাৰা ধৰণৰ দুর্বল ব্যক্তি দুজনক নতুন প্রশাসক ৰূপে নিযুক্তি দিছিল।

কনচুলেটৰ সন্মুখত আহি পৰা প্রথম সমস্যাটো আছিল ফ্রান্সৰ বিৰুদ্ধে গঠন কৰা 'ছেকেণ্ড কোৱালিশ্যন'ক আক্রমণ কৰা আৰু ইজিপ্তত নেপোলিয়নৰ অনুপস্থিতিৰ

সুযোগ লৈ দুর্বল হৈ পৰা ফৰাছী নিয়ন্ত্রণ পুনৰ সবল কৰি তোলা। এই সময়ছোৱাতে ৰাছিয়া কোৱালিশ্যনৰ পৰা আঁতৰি গৈছিল. ফলত অষ্ট্রিয়া আৰু ইংলেণ্ডেজ ফ্রান্সৰ আক্রমণৰ সন্মুখীন হ'বলগীয়া হৈছিল. নেপোলিয়নে জার্মানীৰ মাজেৰে গৈ অষ্ট্রিয়াক আক্রমণ কৰাৰ দায়িত্ব মোৰিউক অর্পণ কৰিছিল। তেওঁ নিজে ইটালীত অষ্ট্রিয়ানসকলক আক্রমণ কৰাৰ উদ্দেশ্যৰে ৰাওনা হৈছিল। চেইণ্ট বার্নার্ড গিৰিপথ পাৰ হৈ নেপোলিয়নে অচম্বিতে অষ্ট্রিয়ানসকলক আক্রমণ কৰিছিল। মাৰেংগো যুদ্ধত অষ্ট্রিয়া সম্পূর্ণৰূপে পৰাজিত হৈছিল। নেপোলিয়নে একেটা আক্রমণতেই (১৮০০) চন সমগ্র ইটালীৰ নিয়ন্ত্রণ পুনৰ নিজৰ হাতলৈ নিছিল। ইয়াৰ কেইমাহমান পাচতেই মোৰিউই হ'হেনলিন্দেনৰ যুদ্ধত অষ্ট্রিয়াক পৰাস্ত কৰি ভিয়েনা দখলৰ পথ প্রশস্ত কৰিছিল। এই বিষম পৰিণতিৰ ফলত অষ্ট্রিয়াৰ সম্রাট দ্বিতীয় ফ্রান্সিছে শান্তি স্থাপনৰ আহ্বান জনাবলৈ বাধ্য হৈ পৰিছিল। লুনভিলে শান্তি চুক্তিৰ দ্বাৰা অষ্ট্রিয়াই কেম্প' ফ'র্মিঅ' সন্ধিৰ সকলো চর্ত পুনৰবাৰ মানি লৈ পূর্বৰ সকলো ফ্রান্স নিয়ন্ত্রণাধীন অঞ্চল পুনৰ ঘূৰাই দিছিল। চুক্তি অনুসৰি অষ্ট্রিয়াই ৰাইন নদী ফ্রান্সৰ পূব সীমা হৈ ৰ'ব বুলি মানি লৈছিল।

লুনভিলে শান্তি চুক্তি স্থাপন হোৱাৰ পাচত ফ্রান্সৰ শত্রু হৈ ৰোৱা কোৱালিশ্যনৰ শেষ সদস্য ৰাষ্ট্রখন আছিল ইংলেণ্ড। নেপোলিয়নে এইবাৰ কূটনীতিৰ আশ্রয় লৈ নিৰপেক্ষ ৰাজনৈতিক শক্তিবোৰৰ ইংলেণ্ডৰ বিপক্ষে জমা হোৱা ওজৰ-আপত্তিবোৰ প্রয়োগ কৰা আৰম্ভ কৰিছিল। বৃটিছ জাহাজবোৰে নিৰপেক্ষ দেশবোৰৰ জাহাজবোৰত ফৰাছী সামগ্রী বিচাৰি তালচী চলাইছিল। নেপোলিয়নে ৰাছিয়াৰ জাৰক ইংলেণ্ডৰ বিৰুদ্ধে সশস্ত্র নিৰপেক্ষতা (Armed Neutrality) অৱলম্বন কৰিবলৈ প্রৰোচিত কৰিছিল। ৰাছিয়াৰ উপৰি প্রুছিয়া, ছুইডেন আৰু ডেনমার্কে সশস্ত্র নিৰপেক্ষতা নীতি মানি চলিছিল। নেপোলিয়নে এই আটাইকেইখন দেশেই নিৰপেক্ষ জাহাজবোৰত ফৰাছী সামগ্রী বিচাৰি তালাচী চলোৱাত ইংলেণ্ডক বাধা দিয়াটো বিচাৰিছিল। কিন্তু দেশকেইখনৰ 'লীগ'টোৱে ইংলেণ্ডৰ কার্যত বাধা দিয়াত ব্যর্থ হৈছিল। ফলত বাধ্য হৈ নেপোলিয়নে ইংলেণ্ডৰ সৈতে শান্তি স্থাপ কৰিছিল। এমিয়েন্স শান্তি চুক্তি (১৮০২) ৰ অধীনত ফ্রান্সে ইংলেণ্ডৰ পৰা কাঢ়ি লোৱা সকলো অঞ্চল ঘূৰাই দিছিল। ইয়াৰ বিনিময়ত ইংলেণ্ডে ফ্রান্সৰ সাম্রাজ্যত হোৱা সকলোবোৰ ইউৰোপীয় অঞ্চলক স্বীকৃতি দিছিল আৰু মহাদেশীয় কাম-কাজত কোনোৱে ধৰণৰ হস্তক্ষেপ কৰাৰ পৰা বিৰত আছিল।

১৮০২ চনত নেপোলিয়নে কনচুলেটৰ সময়সীমা ১০ বছৰৰ সলনি আজীৱন কৰাত সফল হৈছিল। তেওঁ আনকি নিজৰ উত্তৰাধিকাৰ বাছনি কৰাৰ অধিকাৰো হস্তগত কৰিছিল। এই কার্যই তেওঁক সমগ্র ফ্রান্সৰ সর্বময় শাসকত পৰিণত কৰিছিল। তেওঁ সম্রাটৰ আসনৰ পৰা বেছি দূৰত নাছিল। এইখিনি সময়তে নেপোলিয়নক হত্যা কৰিবলৈ এক ৰাজ-ষড়যন্ত্র চলিছিল। এই কথাই তেওঁৰ সম্রাট হোৱাৰ পূর্বাভাস দিছিল। ফৰাছী জনসাধাৰণৰ স্বার্থত এই পৰিৱর্তন দাবী কৰা হৈছে বুলি কৈ ১৮০৪ চনৰ মে' মাহত

নেপোলিয়নে নিজকে ফ্ৰান্সৰ সম্ৰাট বুলি ঘোষণা কৰিছিল। প্ৰায় চাৰে তিনি মিলিয়নতকৈও অধিক ভোটাৰে এক গণভোটৰ জৰিয়তে সংবিধানৰ এই পৰিৱৰ্তনক স্বীকৃতি প্ৰদান কৰিছিল।

৪.৪ মুখ্য (ক্নচাল) ৰূপে নেপোলিয়নৰ সংস্কাৰ

লুনভিলে আৰু এমিয়েন্স শান্তি সন্ধি স্থাপন হোৱাৰ আগৰ চমু বিৰতিৰ কালছোৱাত নেপোলিয়নে ফ্ৰান্সৰ চৰকাৰখন পুনসংগঠিত কৰাৰ কামত ব্যস্ত হৈ পৰিছিল। তেওঁ লগতে দেশখনৰ সামাজিক শৃংখলাৰ বিন্যাসটোকো নৱজীৱন দিয়াৰ প্ৰয়াস কৰিছিল। তেওঁৰ লক্ষ্য আছিল জাতিটোৰে পোৱা আঘাতবোৰৰ যন্ত্ৰণা প্ৰশামিত কৰা, প্ৰশাসনৰ কৰ্মদক্ষতা সুনিশ্চিত কৰা আৰু বৃহৎ পৰিমাণৰ সামাজিক তথা বিত্তীয় 'সমতা' প্ৰতিষ্ঠা কৰা। অৱশ্যে নেপোলিয়ন 'স্বতন্ত্ৰতা'ৰ নীতিৰ পৰিপন্থী আছিল। তলত নেপোলিয়নৰ শাসনকালত হোৱা প্ৰধান সংস্কাৰবোৰৰ কেইটামান উল্লেখ কৰা হ'ল-

- নেপোলিয়নে নিৰ্বাচিত পৰিষদ (elected councils) বোৰৰ ক্ষমতা বিলোপ কৰিছিল. তাৰ স্থানত তেওঁ 'কমিউনচ্' (commune) ৰ দৰে বিভাগ আৰু ক্ষুদ্ৰকায় প্ৰশাসনিক এককবোৰক 'প্ৰিফেক্ট' (prefect), উপ প্ৰিফেক্ট (sub-prefect) আৰু মেয়'ৰ (may-ors) ৰ দৰে বিষয়াৰ হাতত ন্যস্ত কৰিছিল। এই বিষয়াবোৰক তেওঁ নিজেই দায়িত্ব অৰ্পনৰ হাতত ন্যস্ত কৰিছিল। এই বিষয়াবোৰক তেওঁ নিজেই দায়িত্ব অৰ্পনৰ আগতে প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে নিযুক্তি দিছিল। এই ব্যৱস্থাটোৱে প্ৰশাসনিক কাম-কাজক শৃংখলা প্ৰদান কৰিছিল যদিও স্ব-নিয়ন্ত্ৰিত চৰকাৰ (self-government)ৰ ধাৰণাটোক আওকাণ কৰিছিল।
- সম্প্ৰদায়ৰ সকলো শ্ৰেণীৰ সদস্যৰ সহানুভূতি আদায় কৰাৰ স্বাৰ্থত নেপোলিয়নে সকলো ধৰণৰ দলীয় বিষয়বাব বিলোপ কৰিছিল। দেশান্তৰী লোক (e migres) আৰু ন্যায় পৰিষদৰ সদস্য নোহোৱা যাজক (non-juring clergy) সকলৰ প্ৰতি সহানুভূতিপূৰ্ণ আচৰণ প্ৰদৰ্শন কৰা হৈছিল। ৰাজতন্ত্ৰৰ সমৰ্থক (Royalists) আৰু জিৰ'ন্দিষ্ট (Girondists ফৰাছী বিপ্লৱৰ সময়ত শিথিলভাৱে সংগঠিত হোৱা সমমনোভাৱপন্ন ৰাজনৈতিক গোট) উভয় পক্ষকে সামৰি দেশৰ সকলো কাৰ্যালয় সকলোৰে বাবে খুলি দিয়া হৈছিল। যাজকৰ নাগৰিক সংবিধান (The Civil Constitution of the Clergy) খনে দেশৰ বৃহৎ সংখ্যক নাগৰিকক বিভিন্ন সা-সুবিধা উপভোগৰ অধিকাৰৰ পৰা আঁতৰত ৰাখিছিল। নেপোলিয়নে দেশত ৰোমান কেথ'লিক গীৰ্জাৰ কৰ্তৃত্ব পুনস্থাপন কৰি ইমানদিনে বিচ্ছিন্ন হৈ থকা নাগৰিকসকলৰ কৃতজ্ঞতাৰ পাত্ৰ হ'ব খুজিছিল। ১৮০১ চনত নেপোলিয়নে পোপৰ সৈতে এক চুক্তিত উপনীত হৈছিল। এই চুক্তিৰ 'কনৰ্কডা' (the Concordat) নামেৰে জনা যায়। এই চুক্তিৰ জৰিয়তে কেথ'লিক ধৰ্মীয় মতবাদক 'অধিকাংশ ফৰাছী নাগৰিকৰ উমৈহতীয়া ধৰ্ম' বুলি স্বীকৃতি দিয়া হৈছিল। কেথ'লিক গীৰ্জাবোৰক ৰাষ্ট্ৰৰ

ওপৰত নির্ভৰশীল কৰি তোলা হৈছিল। এই ব্যৱস্থাই গীর্জাবোৰত প্রচলিত 'ধর্ম বিভেদবাদ' (schism) নাইকিয়া কৰাৰ ফলত সাধাৰণ জনগণ যথেষ্ট সন্তুষ্ট হৈছিল।

- ফ্রান্সৰ আভ্যন্তৰীণ পুনর্গঠনত নেপোলিয়নৰ সর্ববৃহৎ সফলতাটো আছিল নেপোলিয়নৰ সংহিতা ' (the Code of Napoleon) নামেৰে জনাজাত নাগৰিক সংহিতাখন। এই সংহিতাখনে ফ্রান্সক এক স্পষ্ট, শৃংখলাৱদ্ধ আৰু প্রণালীৱদ্ধ উমৈহতীয়া আইন ব্যৱস্থাৰ গৰাকী কৰিছিল। ইয়াৰ ফলত ন্যায়লাভৰ প্রক্রিয়াটো সকলোৰে বাবে দ্রুত, কমখৰছী তথা ভাৰসাযোগ্য হৈ পৰিছিল। ই আইনৰ দৃষ্টিৰে সামাজিক সমতা স্থাপনত সহায় কৰিছিল, সকলোৰে ক্ষেত্রত ধর্মীয় সহিষ্ণুতা সুনিশ্চিত কৰিছিল আৰু ফৰাছী বিপ্লৱৰ দ্বাৰা জয় কৰা অধিকাংশ সামাজিক লাভালাভ দীর্ঘস্থায়ী কৰি ৰাখিছিল।
- অর্থনৈতিক সংস্কাৰৰ অংশৰূপে নেপোলিয়নে 'বেংক অৱ ফ্রান্স' স্থাপন কৰিছিল। তেওঁ ব্যৱসায়-বাণিজ্য আৰু উদ্যোগক উৎসাহিত কৰিছিল। শিক্ষা ব্যৱস্থাৰ বিকাশৰ বাবে নেপোলিয়নে উচ্চ তথা প্রাথমিক দুয়োটা পর্যায়তে এক ৰাষ্ট্রীয় শিক্ষা ব্যৱস্থাৰ প্রয়োজনীয়তাক মানি লৈছিল আৰু এই ব্যৱস্থাৰ মান উন্নত কৰাৰ দিহা কৰিছিল। নেপোলিয়নে 'লীয়্যান অৱ অ'নাৰ' (Legion of Honour) নামৰ এক বিশেষ মর্যাদা প্রদানৰ ব্যৱস্থা কৰি মেধাৰ ভিত্তিত এটা নতুন অভিজাত শ্রেণীৰ সৃষ্টি কৰিছিল। ই ফৰাছীসকলৰ মহিমামণ্ডিত হোৱাৰ ইচ্ছা পূৰণ কৰিছিল। এই ব্যৱস্থাৰে সৃষ্ট অভিজাত শ্রেণীটোৰ সদস্যসকল সদায়েই নেপোলিয়নৰ বিশ্বস্ত হৈ ৰৈছিল।



অগ্রগতি নিৰীক্ষণ

তলত প্রশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ১ ঃ কেতিয়া আৰু ক'ত নেপোলিয়ন বোনাপার্টৰ জন্ম হৈছিল?

.....

প্রশ্ন নং ২ ঃ কেম্পো ফ'র্মিঅ' সন্ধিত কোনে কোনে চহী কৰিছিল?

.....

প্রশ্ন নং ৩ ঃ ফ্রান্স কন্চুলেটৰ কনচাল তিনিজনৰ নাম লিখক।

.....

প্রশ্ন নং ৪ ঃ কেতিয়া নেপোলিয়নে নিজকে ফ্রান্সৰ সম্রাট বুলি দাবী কৰিছিল?

.....

৪.৫ আঞ্চলিক সম্প্রসাৰণ ঃ মহাদেশীয় ব্যৱস্থা

১৮০৪ চনৰ পৰা ১৮১৪ চনলৈ দহ বছৰ নেপোলিয়ন ফ্রান্সৰ সম্রাট হৈ আছিল। স্বদেশত নিজৰ স্থিতি সুদৃঢ় কৰি লোৱাৰ পাচত তেওঁ চাৰিসীমা সম্প্রসাৰণৰ আগ্রাসী নীতি গ্রহণ

কৰিছিল। তেওঁ পুনৰবাৰ ব'ৰব'নচ্ৰ ঔপনিৱেশিক নীতিটো পুনৰুজ্জীৱিতকৰণৰ কাম আৰম্ভ কৰিছিল।

এমিয়েন্স সন্ধিৰ জৰিয়তে ইংলেণ্ডৰ সৈতে স্থাপন কৰা শান্তিৰ ম্যাদ সোনকালেই উকলি গৈছিল। ইংলেণ্ডে মাল্টাৰ পৰা নিজৰ লোক আৰু প্ৰভাৱ প্ৰত্যাহাৰ কৰিবলৈ অমান্তি হৈছিল বুলি নেপোলিয়নে আপত্তি দৰ্শইছিল। ইয়াৰ বিপৰীতে ফ্ৰান্সে হ'লেণ্ড আৰু চুইজাৰলেণ্ডৰ পৰা নিজৰ লোক আৰু প্ৰভাৱ প্ৰত্যাহাৰ কৰিব লাগে বুলি ইংৰাজসকলে দাবী কৰিছিল। কিন্তু এই কথা স্পষ্ট হৈ পৰিছিল যে ফ্ৰান্স আৰু ইংলেণ্ড, দুয়োখন দেশেই নিজ নিজ অধ্যুষিত অঞ্চলবোৰ এৰি দিয়াৰ পক্ষপাতী নাছিল। নেপোলিয়নে হেনোভাৰ নামৰ ইংৰাজ ৰজাই বংশানুক্ৰমিক ভাৱে লাভ কৰা জাৰ্মানীৰ অন্তৰ্গত অঞ্চলটো দখল কৰিছিল আৰু ইয়াৰ বন্দৰবোৰত বৃটিছ জাহাজৰ প্ৰৱেশ বন্ধ কৰি দিছিল। তাৰপাচত তেওঁ ইংলেণ্ড আক্ৰমণ কৰিবলৈ নৌসেনা বাহিনী সাজু কৰিছিল। কিন্তু ট্ৰাফল্গাৰৰ যুদ্ধত (১৮০৫) বৃটিছ এডমিৰেল নেলছনে ফ্ৰান্স আৰু স্পেইনৰ যুটীয়া নৌবহৰক পৰাজিত কৰিছিল। এই পৰাজয়ে ফ্ৰান্সৰ নৌ শক্তিক সম্পূৰ্ণৰূপে বিধ্বস্ত কৰাৰ ফলত নেপোলিয়নৰ ইংলেণ্ড আক্ৰমণৰ সকলো সম্ভাৱনা লোপ পাইছিল।

এইখিনি সময়ত নেপোলিয়নৰ উত্থানে ৰাছিয়া আৰু অষ্ট্ৰিয়াক শংকিত কৰি তুলিছিল। অষ্ট্ৰিয়া ইটালীত চলা নেপোলিয়নৰ আগ্ৰাসনক লৈ অসন্তুষ্ট আছিল। কাৰণ পূৰ্বে ইটালীত অষ্ট্ৰিয়াই আধিপত্য বিস্তাৰ কৰি আছিল। এই পৰিস্থিতিৰ সুযোগ লৈ বৃটিছ প্ৰধানমন্ত্ৰী পিট দ্য ইয়ংগাৰ'এ ফ্ৰান্সৰ বিৰুদ্ধে 'থাৰ্ড কোৱালিশ্যন' (Third Coalition / তৃতীয় মিত্ৰ জোঁট) গঠন কৰিছিল।

কোৱালিশ্যন গঠনৰ খবৰ নেপোলিয়নৰ কাণত পৰাৰ লগে লগে তেওঁ ত্বৰিত গতিৰে ইয়াক প্ৰতিহত কৰাৰ কাম আৰম্ভ কৰিছিল। তেওঁ অষ্ট্ৰিয়া অভিমুখে ৰাওনা হৈছিল আৰু ১৮০৫ চনৰ ২০অক্টোৱৰত ডানিউবৰ পাৰত অষ্ট্ৰিয়ান সৈন্যই আৱৰি থকা উল্ম নামৰ অঞ্চলটোত অঞ্চলটোৰ উপস্থিত হৈছিল। তাৰপাছত তেওঁ ভিয়েনাত প্ৰৱেশ কৰিছিল। ১৮০৫ চনৰ ২ ডিচেম্বৰত অষ্টাৰলিঝ নামৰ ঠাইডোখৰত নেপোলিয়ন আৰু অষ্ট্ৰিয়ান সেনাবাহিনীৰ যুদ্ধ আৰম্ভ হৈছিল। এই যুদ্ধত ফ্ৰান্স বিজয়ী হোৱাৰ লগে লগে অষ্ট্ৰিয়াই 'থাৰ্ড কোয়ালিশ্যন'ৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছিল। ইয়াৰ পাচত অষ্ট্ৰিয়া অঞ্চলটোৰ এক দ্বিতীয় শ্ৰেণীৰ শক্তি পৰিণত হৈছিল।

অষ্ট্ৰিয়া জয় কৰাৰ পাচত নেপোলিয়নে জাৰ্মানীৰ প্ৰদেশবোৰ জয় কৰাত মনোনিৱেশ কৰিছিল। তেওঁ জাৰ্মান ৰাজনৈতিক ব্যৱস্থাৰ পুৰ্নগঠনৰ কাম আৰম্ভ কৰিছিল। ১৮০৬ চনৰ ১৯ জুলাইত ফ্ৰান্সৰ পৃষ্ঠপোষকতাত 'ৰাইন সংহতি, (The Confederation of the Rhine) এ নিজৰ অনুষ্ঠানিক স্থিতি ঘোষণা কৰিছিল। এই সংহতিয়ে পবিত্ৰ ৰোমাণ সাম্ৰাজ্য ধ্বংস কৰিছিল।

বহু দিনলৈকে নিৰপেক্ষ স্থিতি গ্ৰহণ কৰা প্ৰুছিয়াই অৱশেষত 'থাৰ্ড কোৱালিশ্যন'ত যোগ দিছিল। ইয়াৰ আগতে নেপোলিয়নে প্ৰুছিয়াক হেনোভাৰ অঞ্চলটো উপহাৰ স্বৰূপে আগবঢ়াইছিল। কিন্তু শান্তি আলোচনা চলি থকাৰ সময়ত ইংলেণ্ডে এই কথাটো গম পাইছিল। সেয়েহে নেপোলিয়নে হেনোভাৰক পুনৰ ইংৰাজসকলৰ হাতত গটাই দিয়াৰ সিদ্ধান্ত লৈছিল।

এই কথাত প্ৰুছিয়া ৰুষ্ট হৈ পৰিছিল। ইয়াৰ ফলস্বৰূপে ৰাছিয়াৰ সৈতে মিত্ৰতা কৰি প্ৰুছিয়াই ফ্ৰান্সৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। কিন্তু জেনা আৰু আউৰষ্টেড্‌টত লগা দুয়োখন যুদ্ধতে প্ৰুছিয়া পৰাস্ত হৈছিল। বিজয়ী নেপোলিয়নে ১৮০৬ চনত বার্লিনত প্ৰৱেশ কৰিছিল।

নেপোলিয়নে সকলো যুদ্ধতে জয়লাভ কৰিছিল যদিও তেওঁৰ স্থলসেনা বাহিনীটোহে বেছি শক্তিশালী আছিল। নৌসেনাৰ দিশেৰে ফ্ৰান্স দুৰ্বল আছিল। সেয়েহে ইংলেণ্ডৰ ওপৰত প্ৰত্যক্ষ আক্ৰমণ চলোৱাটো নেপোলিয়নৰ বাবে অসম্ভৱ হৈ পৰিছিল। সেয়েহে, ১৮০৬ চনত তেওঁ 'মহাদেশীয় ব্যৱস্থা' (The Continental system) গঢ়ি তুলিছিল। নিজৰ দুৰ্বলতা বুজি নেপোলিয়নে পৰোক্ষভাৱে ইংলেণ্ডক পৰাজিত কৰাৰ পৰিকল্পনা ৰচিছিল। তেওঁ ইংলেণ্ডৰ ক্ষমতা প্ৰধান উৎস বেহা-বেপাৰ আৰু বাণিজ্যিক দিশটো বিধ্বস্ত কৰি পেলাব খুজিছিল। তেওঁ বৃটিছ সামগ্ৰী কিনা প্ৰতিখন মহাদেশীয় বজাৰ বন্ধ কৰি দিব খুজিছিল। ইয়াৰ ফলত ইংলেণ্ডৰ অৱস্থা শোচনীয় হৈ পৰাৰ সম্ভাৱনা আছিল। ১৮০৬ চনত সেইমর্মে নেপোলিয়নে বার্লিনৰ পৰা এলানি ৰাজ আজ্ঞা (ফৰমান/decree) জাৰি কৰি বৃটিছ মালবাহী জাহাজৰ ওপৰত প্ৰতিবন্ধক আৰোপ কৰিছিল আৰু ইংলেণ্ডৰ সৈতে সকলো ব্যৱসায় বাণিজ্য নিষিদ্ধ বুলি ঘোষণা কৰিছিল। সকলোবোৰ বৃটিছ বাণিজ্যিক দ্ৰব্য বাজেয়াপ্ত কৰাৰ নিৰ্দেশ দিয়া হৈছিল। ইংলেণ্ডে 'পৰিষদৰ নিৰ্দেশ' (orders in Council) জাৰি কৰি ব্যৱসায়ীসকলক ফ্ৰান্স আৰু ইয়াৰ বন্ধুৰাষ্ট্ৰৰ অধীন বন্দৰবোৰত ব্যৱসায় কৰিবলৈ মানা কৰি দিছিল। ১৮০৭ চনত নেপোলিয়নে মিলান ৰাজ আজ্ঞা (The Milan Decree) জাৰি কৰি ঘোষণা কৰিছিল যে যিকোনো বৃটিছ বন্দৰত লংগৰ পেলোৱা যিকোনো দেশৰে যিকোনো জাহাজ বাজেয়াপ্ত কৰা আৰু তেনে জাহাজক যুদ্ধত জয় কৰা পুনৰস্কাৰ বুলি ধৰা হ'ব। বার্লিন আৰু মিলানৰ ৰাজ আজ্ঞা দুটাকে একেলগে নেপোলিয়নৰ মহাদেশীয় ব্যৱস্থা বোলা হয়। নেপোলিয়নে ইংলেণ্ডৰ ব্যৱসায়-বাণিজ্য ধ্বংস কৰাৰ ষড়যন্ত্ৰত হাত উজান দিবলৈ তিলচিট্‌ নামৰ ঠাইডোখৰত ৰাছিয়াৰ সৈতে এক চুক্তিত মিলিত হৈছিল।

কিন্তু নেপোলিয়নৰ এই পৰিকল্পনা বিফল হৈছিল। বৃটিছ নৌবহৰে সাগৰত সম্পূৰ্ণ একক নিয়ন্ত্ৰণ বৰ্তাই ৰাখিছিল। বৃটিছ জাহাজত বাদে আন কোনো জাহাজৰ পৰাই-ঔপনিৱেশিক সা-সামগ্ৰী আহৰণ কৰিব পৰা নগৈছিল। কিছু সময়ৰ বাবে ইংৰাজ বাণিজ্য অসুবিধাৰ সন্মুখীন হৈছিল যদিও ই বন্ধ হৈ পৰা নাছিল। কিন্তু মহাদেশীয় ৰাষ্ট্ৰবোৰৰ ব্যৱসায়-বাণিজ্য সম্পূৰ্ণৰূপে ধ্বংস হৈ গৈছিল। ইয়াৰ ফলত নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্য আকাশলংঘী হৈছিল আৰু ইউৰোপ মহাদেশৰ বাসিন্দাই নানা দুৰ্ভোগ ভূগিছিল। ফ্ৰান্সৰ বন্ধুৰাষ্ট্ৰবোৰৰ নাগৰিকসকল নেপোলিয়নৰ কৰ্মকাণ্ড আৰু নীতি-নিয়মত অসন্তুষ্ট হৈ পৰিছিল। অধিকাংশ জনগণে তেওঁৰ কাম-কাজত বিৰক্ত হৈ পৰিছিল।

কিন্তু ইমানৰ পাচতো ৰাচিয়া ফ্ৰান্সৰ ঘোৰ শত্ৰু হৈয়েই ৰ'ল বাবে নেপোলিয়নৰ ইউৰোপ জয় কৰাৰ আশা পূৰণ নহ'ল। ১৮০৭ চনত ইলিউ (Eyleau) ত ফৰাছী আৰু ৰাছিয়ান সৈন্যৰ মাজত এখন তয়াময়া ৰণ লাগিছিল। ১৮০৭ চনৰ ১৪ জুনত ফ্ৰিড্‌লেণ্ডত নেপোলিয়নে ৰাছিয়ানসকলক পৰাস্ত কৰিছিল। জাৰ প্ৰথম আলেকজেণ্ডাৰে তাৎক্ষণিকভাৱে শান্তি স্থাপনৰ

আগ্রহ প্রকাশ কৰিছিল। সেইমর্মে তিল্‌চিট সন্ধি স্বাক্ষৰিত হৈছিল। এই সন্ধিৰ সহায়ত নেপোলিয়নে প্রুছিয়াৰ চাৰিসীমাৰ ভিতৰত নতুন ৰাজ্য সৃষ্টি কৰিছিল। ৰাছিয়াৰ লোকচানৰ বিনিময়ত ক্ষতিপূৰণ দিয়া হৈছিল। এই সন্ধিৰ সবাতোকৈ গুৰুত্বপূর্ণ বৈশিষ্ট্যটো আছিল সন্ধিখন ৰাছিয়া আৰু ফ্রান্স উভয়েই মানি চলিছিল।

৪.৬ নেপোলিয়নৰ পতন

১৮০৭ চনত নেপোলিয়ন ক্ষমতাৰ শীর্ষত আছিল। তেওঁ সেই বর্ষটোত নিজৰ মহাদেশীয় ব্যৱস্থাত পর্তুগালক অন্তর্ভুক্ত কৰিছিল। ১৮০৮ চনত নেপোলিয়নে স্পেইন দখল কৰি ভ্রাতৃ জোচেফ বোনাপার্টক ৰাজপাটত বহুৱাইছিল। ১৮১০ চনত নেপোলিয়নৰ আন এজন ভ্রাতৃ লুইচ বোনাপার্টে মহাদেশীয় ব্যৱস্থা মানি তেওঁ শাসন কৰি থকা ফ্রান্সৰ উত্তৰ-পশ্চিম দিশৰ হ'লেণ্ডৰ প্রজাসকলৰ স্বার্থ জলাঞ্জলি দিবলৈ অমান্তি হোৱাত নেপোলিয়নে হ'লেও আক্রমণ কৰি দেশখনৰ নিজ সাম্রাজ্যৰ অধীন কৰিছিল। ইউৰোপৰ উত্তৰ দিশৰ উপকূলৰেখাৰ পৰা বৃটিছ জাহাজক আঁতৰাই ৰখাৰ উদ্দেশ্যেৰ তেওঁ বাল্টিক সাগৰৰ পৰলৈকে বিয়পি থকা উত্তৰ জার্মানীৰ এক বৃহৎ অংশ নিজ সাম্রাজ্যত চামিল কৰিছিল। তেওঁ ইটালিৰ জেনোৱা আৰু টাচকেনী অঞ্চল দখল কৰাৰ পাচত পোপৰ কর্তৃত্বৰ অধীন অঞ্চলবোৰ নিজ নিয়ন্ত্রণাধীন কৰিছিল। তেওঁ ইংলেণ্ডৰ বিৰুদ্ধে গঠন কৰা মহাদেশীয় লীগত ডেনমার্ক আৰু ছুইডেনকো অন্তর্ভুক্ত কৰিব খুজিছিল। অৱশ্যে তেওঁ এই কামত বিফল হৈছিল। স্পেইনৰ ভিতৰতো বে'লিন আৰু ভিমীৰ'ত নেপোলিয়নৰ শাসনৰ বিৰুদ্ধে প্রতিবাদৰ জোঁৱাৰ উঠিছিল। চিন্ত্রা সন্ধিৰ চর্ত অনুসৰি ফৰাছী কমাণ্ডাৰ জুনোঁই পর্তুগাল ত্যাগ কৰিবলৈ বাধ্য হৈছিল।

বে'লিন আৰু ভিমীৰ'ৰ ঘটনাই নেপোলিয়নক স্পেইনত অধিক কঠোৰ ব্যৱস্থা গ্রহণ কৰিবলৈ বাধ্য কৰিছিল। কিন্তু ইতিমধ্যে পর্তুগাল আৰু স্পেইনে ইংলেণ্ডৰ পৰা সহায় লাভ কৰিবলৈ সমর্থ হৈছিল। স্পেইনত আৰম্ভ হোৱা জাতীয়তাবাদে অষ্ট্রিয়াকো প্রভাৰিত কৰিছিল। অষ্ট্রিয়াৰ হিংসাত্মক মনোভাৱৰ মুখামুখি হ'বলৈ নেপোলিয়নে এৰফার্ট সন্ধিৰ জৰিয়তে ৰাছিয়াৰ সৈতে থকা মিত্রতা পুনৰুজ্জীৱিত কৰিছিল। মধ্য ইউৰোপত নিজৰ স্থিতি সবল কৰি লৈ এদল বৃহৎ সৈনিকেৰে নেপোলিয়নে স্পেইন আক্রমণ কৰিছিল। তেওঁ বহুকেইটা মুখামুখি আক্রমণত বিভিন্ন স্থানত স্পেইনক পৰাজিত কৰি মাদ্রিদত প্রৱেশ কৰিছিল। নেপোলিয়নে পুনর্বাৰ ভ্রাতৃ জোচেফ বোনাপার্টক দেশখনৰ ৰাজপাটত বহুৱাইছিল। তাৰপাচত তেওঁ স্পেইনৰ দক্ষিণ দিশত এক প্রতিৰোধী শক্তি সংগঠিত কৰাৰ বাবে দক্ষিণ স্পেইন অভিমুখে আগবাঢ়ি থকা ছাৰ জনমুৰৰ নেতৃত্বাধীন বৃটিছ সেনাক পৰাজিত কৰাৰ উদ্দেশ্যেৰে ৰাওনা হৈছিল। কিন্তু সেইখিনি সময়তে অষ্ট্রিয়াই যুদ্ধ ঘোষণা কৰাৰ ভাবুকি দি থকা বাবে নেপোলিয়নে স্পেইনৰ দায়িত্ব মার্শ্বাল চ'ল্টক অর্পন কৰি ফ্রান্সলৈ উভতি

গৈছিল। নেপোলিয়নৰ অনুপস্থিতি ছাৰ জন মূৰে সহজে ফৰাছী সেনাক পৰাস্ত কৰিছিল যদিও যুদ্ধত পোৱা আঘাতৰ ফলত তেওঁ মৃত্যুবৰণ কৰিছিল। ইয়াৰ ফলত নেপোলিয়নৰ প্রতিৰোধী

শক্তিক দমন কৰি দক্ষিণ স্পেইনক ফৰাছী শাসনৰ অধীন কৰাৰ পৰিকল্পনা ব্যর্থ হৈছিল।

জন মুৰৰ মৃত্যুৰ পাচত ৰেলচ্লীক বৃটিছ সেনাৰ অধিনায়কৰূপে নিযুক্তি দিয়া হৈছিল। ৰেলচ্লীয়ে পর্তুগালৰ পৰা চউল্টৰ অধীনস্থ ফৰাচী সেনাবাহিনীক বিতাড়িত কৰি নিজৰ ইটালীয় অভিযান আৰম্ভ কৰিছিল। ১৮০৯ চনত তেওঁ পুনৰ তালাভেৰাৰ যুদ্ধত ফৰাচীসকলক পৰাস্ত কৰি মাদ্রিদলৈ ৰাওনা হোৱাৰ প্রস্তুতি চলাইছিল। কিন্তু চ'ল্টৰ অধীনত ফৰাচী সেনা পুনৰ এবাৰ শক্তিশালী ৰূপত থিয় দিয়া বাবে ৰেলচ্লীয়ে পর্তুগাললৈ পিছ হুঁহকি যাবলৈ বাধা হৈছিল। সেইখিনি সময়তে নেপোলিয়নে ৰাগ্রামৰ ৰণত অষ্ট্রিয়াক পৰাস্ত কৰিছিল আৰু তেওঁৰ সেনাবাহিনীৰ সর্বোত্তম জেনেৰেল মাচেলাৰ সৈতে এদল বৃহৎ সৈন্যদল পঠিয়াই পর্তুগালৰ পৰা ইংৰাজক খেদি পঠিওৱাৰ চেষ্টা কৰিছিল। অৱশ্যে নেপোলিয়নৰ এই প্রচেষ্টা ব্যর্থ হৈছিল। এনে পৰিস্থিতিৰ মাজতে ১৮১২ চনত ৰাছিয়াই ফ্রান্স আক্রমণ কৰাৰ চেষ্টা কৰিছিল। এই কথাত ফ্রান্সৰ মনোযোগ বিঘ্নিত হৈছিল। এই অৱস্থাৰ সুযোগ লৈ ৰেলচ্লীয়ে চিউডাদ, ৰ'ডৰিগ' আৰু বাদায'জ দূর্গ দখল কৰিছিল। তেওঁ লগতে চালামাংকাত ফৰাচী সৈন্যক পৰাস্ত কৰিছিল। তাৰপাচত তেওঁ কম সময়ৰ বাবে হ'লেও মাদ্রিদ দখল কৰিছিল। কিন্তু যেতিয়া চ'ল্টৰ অধীনত থকা ফৰাছী সৈন্যবাহিনীক জার্মানীলৈ মাতি পঠিওৱা হৈছিল ৰেলচ্লীয়ে তেতিয়া পুনৰ স্পেইনৰ দিশে গতি কৰিছিল। এইবাৰ তেওঁ ভিক্টৰ'ৰিয়াত জোচেফ বোনাপার্টক শোচনীয়ভাৱে পৰাজিত কৰিছিল। নেপোলিয়নে পুনৰ স্পেইন জয় কৰাৰ চেষ্টা চলাইছিল যদিও বিফল হৈছিল আৰু ইয়াৰ পৰাই তেওঁৰ পতনৰ সূচনা হৈছিল।

ৰাগ্রামত অষ্ট্রিয়াক পৰাস্ত কৰি নেপোলিয়নে দেশখনক শ্ব'নব্রান সন্ধিত চহী কৰিবলৈ বাধ্য কৰাইছিল। সন্ধিৰ চর্ত অনুসৰি অষ্ট্রিয়াই ফ্রান্সক যুদ্ধৰ ক্ষতিপূৰণ ৰূপে এক বিপুল পৰিমাণৰ ধনৰাশি প্রদান কৰাৰ লগতে পোলেণ্ড, আল্পাইন অঞ্চল আৰু এড্রিয়েটিক অঞ্চলৰ সীমান্তৰর্তী এলেকাবোৰৰ নিয়ন্ত্রণ এৰি দিৱলগীয়া হৈছিল। অষ্ট্রিয়াৰ সম্রাটে আনকি নিজৰ জীয়ৰী মাৰিয়া লুচিয়াক নেপোলিয়নলৈ বিয়া দিছিল। অষ্ট্রিয়া আৰু নেপোলিয়নৰ মাজত স্থাপন হোৱা বৈবাহিক সম্পর্কই ৰাছিয়াৰ জাৰক ক্ষুণ্ণ কৰিছিল। দুয়োটা শক্তিৰ মাজৰ সম্বন্ধত মেলা ফাঁট অধিক বহল হৈ পৰিছিল যেতিয়া ৰাছিয়াৰ জাৰে ইংলেণ্ডৰ ওপৰত অর্থনৈতিক প্রতিবন্ধক আগতকৈ অধিক বঢ়াবলৈ নেপোলিয়নে ল'ব খোজা ব্যৱস্থাবোৰ মানিবলৈ অস্বীকাৰ কৰিছিল। ইয়াৰ উপৰি ৰাছিয়ান পক্ষই বিস্তৰ আর্থিক লোকচান ভৰিবলগীয়া হৈছিল বাবে জাৰে মহাদেশীয় ব্যৱস্থাটোৰ সংস্কাৰ সাধন কৰিব খুজিছিল। এইবোৰ কাৰণতে নেপোলিয়নে ৰাছিয়াৰ জাৰক ফ্রীডলেণ্ড কৰাৰ দৰে পৰাস্ত কৰি চুক্তিৰে বান্ধিব খুজিছিল। নেপোলিয়নে সর্বশক্তি প্রয়োগ কৰি ৰাছিয়ানসকলক অনুসৰণ কৰিছিল, বোর্ডিন'ৰ যুদ্ধত পৰাজিত কৰিছিল আৰু মস্কো দখল কৰিছিল (ৰজ্জ্বৰচ)। ৰাছিয়ানসকলে প্রাচীন ৰাজধানী চহৰখন এৰি যোৱাৰ আগতে চহৰখনত অগ্নিসংযোগ কৰিছিল। ফলত নেপোলিয়ন পিছহুঁহকিবলৈ বাধ্য হৈ পৰিছিল। ওভটাৰ পৰত ফৰাছী সৈন্য বাহিনীয়ে অপৰিসীম দুর্ভোগ ভূগিছিল। ভোক আৰু ভাগৰত সৈন্যবাহিনীৰ মনোবল ভাগি পাৰিছিল। ৰাছিয়াৰ শীতকাল আৰু ক'চাক আত্মগোপনকাৰী আততায়ী দলবোৰৰ বিৰক্তিদায়ক আক্রমণে ফৰাছী সৈন্য বাহিনীক

আৰু অধিক জুৰুলা কৰিছিল। নেপোলিয়নে অৱশেষত নিজ সৈন্যদলক আদবাটতে এৰি পেৰিছলৈ ততাতৈয়াকৈ উভতি গৈছিল। এই দূর্ভাগ্যজনক অভিযানে নেপোলিয়নৰ সামৰিক শক্তি বিধ্বস্ত কৰি পেলাইছিল। এই কথাই মধ্য ইউৰোপৰ শক্তিবোৰক নেপোলিয়নৰ আধিপত্য আঁতৰাই পেলাবলৈ অনুপ্রাণিত কৰিছিল।

ৰাছিয়া আক্রমণৰ বিফলতাই নেপোলিয়নৰ শত্রুপক্ষৰ মন আশাৰ সঞ্চাৰ কৰিছিল। এই সময়ছোৱাত শক্তিশালী ৰূপত উত্থান ঘটা প্রথমখন দেশ আছিল প্রুছিয়া। দেশখনৰ প্রজাৰ বিপুল উৎসাহে ৰজা তৃতীয় ফ্রেডেৰিক্ ৰিলিয়ামৰ দুর্বল সিদ্ধান্তহীন মনোভাৱ আঁতৰ হোৱাত সহায় কৰিছিল। তেওঁ ৰাছিয়াৰ জাৰৰ সৈতে কালিশ্বত এখন মৈত্রী চুক্তিত চহী কৰিবলৈ বাধ্য হৈছিল। তাৰ পাচতেই তেওঁ নেপোলিয়নৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। বার্লিনৰ ওপৰত থকা ফ্রান্সৰ নিয়ন্ত্রণ ওফৰাবলৈ তেওঁ সক্ষম হৈছিল। এনেকৈয়ে স্বতন্ত্রতাৰ যুদ্ধ (War of Liberation) ই ১৮১৩ চনৰ পৰা এক সবল স্থিতি লাভ কৰিছিল। অষ্ট্রিয়ান চেন্সেলৰ মেটাৰনিক আৰু চুইডেনৰ ৰজা বার্নাড'টে প্রস্তাৱ কৰা শান্তিৰ চর্তবোৰ মানিবলৈ নেপোলিয়ন অমান্তি হোৱাত অষ্ট্রিয়াও ইউৰোপীয় কোৱালিশ্যনত যোগ দিছিল। ছুইডেনৰ ৰজা এসময়ত নেপোলিয়নৰ মাশ্বালসকলৰ এজন আছিল যদিও পাচত তেওঁ নেপোলিয়নৰ বিৰুদ্ধে গঠিত হোৱা মিত্রজোঁটত যোগদান কৰিছিল আৰু ইংলেণ্ডে তেওঁক সহায় কৰিবলৈ মান্তি হৈছিল। এনেকৈয়ে ইউৰোপত ফ্রান্সৰ বিৰুদ্ধে ফ'র্থ কোৱালিশ্যন (Fourth Coalition) ৰ গঠন হৈছিল। নেপোলিয়নৰ জেনেৰেলসকল বহুকেইখন ৰণত পৰাজিত হৈছিল যদিও তেওঁ নিজে অষ্ট্রিয়াক ড্রেচডেনৰ যুদ্ধত পৰাস্ত কৰিছিল। এই যুদ্ধখনক নেপোলিয়নৰ সর্বশেষ বৃহৎ যুদ্ধজয় বুলি কোৱা হয়। কিন্তু তেওঁৰ বিৰুদ্ধে চলা কার্য কলাপে অতি গুৰুত্বৰ ৰূপ ধাৰণ কৰিছিল। মিত্র শক্তিবোৰে নেপোলিয়নক লেইপ্জিগ্ত আগুৰি ধৰিছিল। ইয়াতে তিনিদিন ধৰি চলা যুদ্ধখনক ৰাষ্ট্রবোৰৰ যুদ্ধ (The Battle of the Nation) বুলি জনা যায়। ১৮১৩ চনত লগা এই যুদ্ধখনত মিত্রশক্তিয়ে নেপোলিয়নক শোচনীয়ভাৱে পৰাস্ত কৰিছিল। লেইপ্জিগ্ব পৰাজয়ৰ পাচত জার্মানীত নেপোলিয়নৰ ৰাজনৈতিক গাঁথনিটো ভাগি পৰিছিল। ৰাইন সংহতি (The Confederation of the Rhine) নামৰ মিত্রশক্তিটো লোপ পাইছিল। হ'লেণ্ডে স্বাধীন ৰাষ্ট্রৰ মর্যাদা লাভ কৰিছিল।

মিত্রশক্তিয়ে ৰাইন নদী, আল্পচ্ পর্বতমালা আৰু পাইৰেণীচক সামৰি ফ্রান্সৰ বাবে 'প্রাকৃতিক পৰিসীমা' নির্ধাৰণ কৰি তাৰ আধাৰত নেপোলিয়নলৈ শান্তিৰ প্রস্তাৱ প্রেৰণ কৰিছিল। নেপোলিয়নে এই প্রস্তাৱ অগ্রাহ্য কৰিছিল। ইয়াৰ প্রত্যুত্তৰত মিত্রশক্তিয়ে চাৰিওদিশেৰে ফ্রান্সক আক্রমণ কৰিছিল। লা ৰ'থিয়েৰত প্রুছিয়াৰ জেনেৰেল ব্লাছেৰে নেপোলিয়ন পৰাস্ত কৰিছিল। তেওঁ ১৭৯১ চনত ফ্রান্সৰ চাৰিসীমা যেনেদৰে আছিল ঠিক তেনেদৰে ৰখাৰ প্রস্তাৱ দি ছাটিলোঁ নামৰ স্থানত নেপোলিয়নলৈ পুনৰ শান্তি স্থাপনৰ বার্তা প্রেৰণ কৰিছিল। নেপোলিয়নে পুনৰবাৰ এই প্রস্তাৱ প্রত্যাখ্যান কৰিছিল আৰু পৰৱর্তী চাৰিখন ৰণত ব্লাছেৰক পৰাজিত কৰিছিল। নেপোলিয়নে ম'ণ্টেৰিউত আন এক আক্রমণ প্রতিহত কৰিছিল আৰু অষ্ট্রিয়াক যিকোনো প্রকাৰে মিত্রশক্তিৰ পৰা আঁতৰোৱাৰ চেষ্টা চলাইছিল। কিন্তু ইংলেণ্ড, ৰাছিয়া, প্রুছিয়া আৰু অষ্ট্রিয়াই

সেই সময়ৰ চাৰিটা প্ৰধান শক্তিৰূপে গা কৰি উঠিছিল আৰু এই শক্তিশালী মিত্ৰজোঁটটোৱে পৰৱৰ্তী ২০ বছৰৰ বাবে মৈত্ৰী বৰ্তাই ৰখাৰ উদ্দেশ্যেৰে ছাউম'ণ্টৰ সন্ধিত চহী কৰিছিল। খুব লাহে লাহে আৰু পৰ্যায়ক্ৰমে মিত্ৰশক্তিয়ে ১৭১৪ চনত ৩০ মাৰ্চত আহি পেৰিচত প্ৰৱেশ কৰিছিল। মাৰ্শ্বালসকলে তেওঁৰ সংগ ত্যাগ কৰা বুলি জানিব পাৰি নেপোলিয়ন পলায়ন কৰিবলৈ বাধ্য হৈছিল। ফ'ণ্টেইনব্লিউ সন্ধিত চহী কৰি নেপোলিয়নে ইউৰোপত থকা তেওঁৰ প্ৰস্থিতি ত্যাগ কৰিবলৈ বাধ্য হৈছিল। তেওঁক এল্‌বা দ্বীপত অৱসৰৰ জীৱন কটাবলৈ বাধ্য কৰা হৈছিল। অৱশ্যে এল্‌বা দ্বীপত তেওঁক নিজ সাৰ্বভৌমত্ব বাহাল ৰখাৰ অনুমতি দিয়া হৈছিল।

ইউৰোপৰ সমস্যাসমূহ নিষ্পত্তি কৰিবলৈ ভিয়েনাত এখন কংগ্ৰেছ (সন্মিলন)ৰ আয়োজন কৰা হৈছিল। কিন্তু যুদ্ধত জয় কৰা সম্পদবোৰক লৈ ৰাষ্ট্ৰশক্তিবোৰৰ মাজত সংঘাট সূত্ৰপাত হৈছিল। ১৮১৫ চনৰ ফেব্ৰুৱাৰী মাহত নেপোলিয়নে হঠাতে এলবাৰ পৰা পলায়ন সংঘাট আৰু ফ্ৰান্সৰ কাঁ চহৰৰ পাৰ্শ্বৱৰ্তী এলেকা এটাত গৈ উপস্থিত হ'ল। পুনৰ্বাৰ ৰাজপাটত বহাৰ সুযোগ পোৱা ফ্ৰান্সৰ ৰজা অষ্টাদশ লুই এই কথাত ভীতিগ্ৰস্ত হৈ দেশৰ সীমা পাৰ হৈ পলায়ন কৰিলে। নেপোলিয়নে এনেদৰে অপ্ৰত্যাশিতভাৱে পুনৰ পেৰিচত প্ৰৱেশ কৰিলে আৰু এশ দিনৰ বাবে পুনৰ দেশৰ ক্ষমতা নিজ হাতলৈ আনিলে। এই ঘটনাটোক 'দ্য হাণ্ড্ৰেড ডে'জ' (the Hundred Days) নামেৰে জনা যায়। কিন্তু ইউৰোপীয় মিত্ৰশক্তিয়ে নেপোলিয়নৰ পলায়নৰ বতৰা পোৱাৰ লগে লগে পুনৰ তেওঁৰ বিৰুদ্ধে একত্ৰিত হৈছিল। অৱশেষত ১৮১৫ চনৰ ৰাটাৰলু যুদ্ধত নেপোলিয়নে অন্তিমবাৰৰ বাবে পৰাজয় বৰণ কৰি এখন বৃটিছ জাহাজৰ কেপ্তেইনৰ হাতত আত্মসমৰ্পন কৰিছিল। ইংৰাজসকলে তেওঁক চেইণ্ট হেলেনা দ্বীপত নিৰ্বাস দিছিল আৰু তাতেই ১৮২১ চনত ছবছৰ পাচত নেপোলিয়নৰ মৃত্যু হৈছিল।

এক কথাত নেপোলিয়নে কৰা সবাতোকৈ গুৰুতৰ ভুলবোৰৰ এটা আছিল মহাদেশীয় ব্যৱস্থাৰ প্ৰচলন। এই ব্যৱস্থা বলবৎ কৰিবলৈ নেপোলিয়নে অন্য ইউৰোপীয় দেশবোৰৰ ক্ষেত্ৰত এক প্ৰণালীৱদ্ধ আগ্ৰাসনৰ নীতি গ্ৰহণ কৰিছিল। এই নীতিৰ পৰিণামস্বৰূপে তেওঁ বহুকেইখন ব্যয়বহুল ৰণৰ এক শৃংখলা যুঁজিবলগীয়া হৈছিল। এই ৰণবোৰে তেওঁৰ ধন আৰু মানৱ সম্পদ প্ৰচুৰভাৱে লোকচান কৰিছিল। ইংলেণ্ডৰ শক্তি শালী অৰ্থনীতি ধ্বংসৰ জৰিয়তে দেশখন জয় কৰিব খোজা নেপোলিয়নৰ প্ৰচেষ্টাই ওলোটাই তেওঁৰহে ক্ষতি কৰিছিল। এই প্ৰচেষ্টাক নেপোলিয়নৰ পতনৰ এটা প্ৰধান কাৰণ বুলি ধৰা হয়।

নেপোলিয়নৰ পতন ঘটাৰ আন এটা প্ৰধান কাৰণ হ'ল পোপৰ প্ৰতি তেওঁ প্ৰদৰ্শন কৰা আচৰণ। তেওঁ পোপৰ নিয়ন্ত্ৰণাধীন বন্দৰবোৰত বৃটিছ জাহাজৰ প্ৰৱেশ নিষিদ্ধ কৰাৰ দাবী জনাইছিল। কিন্তু পোপে এই ক্ষেত্ৰত নিৰপেক্ষতা অৱলম্বন কৰিব বুলি প্ৰত্যুত্তৰ দিছিল। ইয়াৰ বাবে নেপোলিয়নে পোপক কাৰাগাৰলৈ নিক্ষেপ কৰি পোপ নিয়ন্ত্ৰণাধীন অঞ্চলবোৰ নিজ সাম্ৰাজ্যত চামিল কৰিছিল। নেপোলিয়নৰ এই কাৰ্যই ইউৰোপৰ কেথ'লিক মতাৱলম্বী দেশবোৰক হতচকিত কৰিছিল। তেওঁলোকে তেতিয়াৰ পৰাই নেপোলিয়নৰ ক্ষমতাৰ বিন্যাসটো ধ্বংস কৰাৰ প্ৰচেষ্টা আৰম্ভ কৰিছিল।

স্পেইন অভিযানৰ কালছোৱাতেই নেপোলিয়নৰ পতনৰ সূচনা হৈছিল। 'স্পেনিচ ঘা' (Spanish Ulcer) নামেৰে জনাজাত ঘটনাৱলীয়ে নেপোলিয়নৰ পতনৰ আঁৰত এক শক্তিশালী ভূমিকা লৈছিল। স্পেইনত নেপোলিয়নৰ হস্তক্ষেপ আৰু ভ্ৰাতৃ যোচেফ বোনাপার্টক স্পেইনৰ ৰজা বুলি ঘোষণা কৰাটোৱে পৰৱৰ্তী সময়ত নেপোলিয়নৰ পতনত অৰিহণা যোগাইছিল। ইংলেণ্ডে স্পেইনক সমর্থন কৰিছিল আৰু পৰিণামস্বৰূপে নেপোলিয়ন এলানি দীঘলীয়া যুদ্ধত লিপ্ত হৈ পৰিছিল। নেপোলিয়নৰ সামৰিক বিষয়া আৰু জেনেৰেলসকল আছিল প্ৰতাৰক তথা ষড়যন্ত্ৰকাৰী।

নেপোলিয়নৰ আন এটা ভুল আছিল অষ্ট্ৰিয়াৰ বিৰুদ্ধে চলোৱা অভিযান। এই অভিযানৰ ফলত ফ্ৰান্সক ইয়াৰ শক্তিশালী মিত্ৰদেশবোৰে এঘৰীয়া কৰিছিল। বিশ্বাসভংগকাৰী বন্ধুৰ বাবে ফ্ৰান্স দুৰ্বল হৈ পৰিছিল। ৰাছিয়া আৰু ফ্ৰান্স বন্ধুৰাষ্ট্ৰ আছিল যদিও এই বন্ধুত্ব ঠুনুকা আছিল। নিকট প্ৰাচ্যৰ দেশবোৰৰ ওপৰত নিয়ন্ত্ৰণৰ বিষয় হৈ পৰিছিল ৰাছিয়া আৰু ফ্ৰান্সৰ মাজত প্ৰত্যক্ষ সংঘাতৰ কাৰণ। নেপোলিয়নে মস্কো আক্ৰমণ কৰিবলৈ ফৰাচী সৈন্য প্ৰেৰণ কৰিছিল। ফৰাচী সেনাবাহিনীৰ অগ্ৰগামীতাক অসংখ্য প্ৰতিবন্ধকে বাধাগ্ৰস্ত কৰিছিল আৰু বাহিনীটোৰ প্ৰচুৰ লোকচান হৈছিল। শত্ৰুপক্ষৰ জেনেৰেলসকলৰ সবল নেতৃত্ব আৰু অত্যন্ত প্ৰতিকূল বতৰে নেপোলিয়নৰ সৈন্যৰ সংখ্যা তথা সমলৰ পৰিমাণ তেনেই তাকৰীয়া কৰি পেলাইছিল। তথাপিও অৱশ্যে নেপোলিয়নে বহুকেইখন ৰণত জয়লাভ কৰি নিজৰ স্থিতি ধৰি ৰাখিছিল। ১৮১৪ চনৰ এপ্ৰিলৰ ৭ তাৰিখে লগা যুদ্ধত নেপোলিয়ন শত্ৰুপক্ষৰ হাতত পৰাজিত হৈছিল আৰু তেওঁক ফ্ৰান্সৰ সম্ৰাটৰ পদৰ পৰা অপসাৰিত কৰা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ৫ ঃ নেপালিয়ন কেতিয়ালৈ ফ্ৰান্সৰ সম্ৰাট হৈ আছিল ?

.....

প্ৰশ্ন নং ৬ ঃ ফ্ৰান্স আৰু স্পেইনৰ যুটীয়া নৌবাহিনীক এডমিৰেল নেলচনে পৰাস্ত কৰা যুদ্ধখনৰ নাম কি ?

.....

প্ৰশ্ন নং ৭ ঃ নেপোলিয়নে কাৰ বিৰুদ্ধে অষ্টাৰলিট্‌জৰ যুদ্ধত জয়লাভ কৰিছিল ?

.....

প্ৰশ্ন নং ৮ ঃ মিলান ৰাজআজ্ঞাৰ তাৎপৰ্য কি আছিল ?

.....

প্ৰশ্ন নং ৯ ঃ ইউৰোপত মহাদেশীয় ব্যৱস্থাই ইউৰোপত কেনে প্ৰভাৱ পেলাইছিল ?

.....



৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি পঢ়ি আমি জানিব পাৰিলো যে-

- নেপোলিয়ন বোনাপার্ট এজন অতি পৰাক্রমী সম্ৰাট আছিল। তেওঁ তৰোৱালৰ শক্তি আৰু বিশাল সৈন্যদলৰ সহায়ত প্ৰায় সমগ্ৰ ইউৰোপতে আধিপত্য বিস্তাৰ কৰিছিল।
- ইংলেণ্ডৰ গতি-বিধিত নজৰ ৰাখিবলৈ আৰু দেশখনৰ বেপাৰ বাণিজ্যত আঘাত হানিবলৈ নেপোলিয়নে মহাদেশীয় ব্যৱস্থা গঢ়ি তুলিছিল। তেওঁ ফ্ৰান্সৰ আভ্যন্তৰীণ পুনৰ্গঠনৰ বাবে এলানি সংস্কাৰ সাধনমূলক ব্যৱস্থাও হাতত লৈছিল; আৰু
- নেপোলিয়নৰ সাম্ৰাজ্য সম্প্ৰসাৰণ নীতিবোৰ আগ্ৰাসী আছিল। এই কথাক অন্য ৰাষ্ট্ৰই ভাবুকিৰূপে গ্ৰহণ কৰিছিল। সেয়েহে তেওঁৰ বিৰুদ্ধে মিত্ৰজোঁট গঠিত হৈছিল। ইয়েই এসময়ত তেওঁ নিজ হাতে গঢ়া বিশাল সাম্ৰাজ্যখনৰ পতনৰ কাৰণ হৈ পৰিছিল।



৪.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Hayes, C.J.H. (1963). *Modern Europe to 1870*. New York, USA: MacMillian

2) Phukan, Meenaxi. (2000). *Rise of Modern West*. New Delhi, India: MacMillan

3) Thomas, D.(1962). *Europe Since Napoleon* (2nd Edition). London, UK: Longman .



৪.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ ১৭৬৯ চনৰ ১৫ আগষ্টত ক'র্চিকাৰ আয়াক্চিঅ'ত।

২ নং প্ৰশ্ন উত্তৰ ঃ নেপোলিয়ন বোনাপার্ট আৰু অষ্ট্ৰিয়াৰ সম্ৰাট দ্বিতীয় ফ্ৰান্সিছে।

৩ নং প্ৰশ্ন উত্তৰ ঃ চীয়েছ, ডুকোচ আৰু নেপোলিয়ন বোনাপার্ট।

৪ নং প্ৰশ্ন উত্তৰ ঃ ১৮০৪ চনৰ মে' মাহত।

৫ নং প্ৰশ্ন উত্তৰ ঃ ১৮১৪ চনলৈ।

৬ নং **প্ৰশ্ন উত্তৰ ঃ** ট্ৰাফল্‌গাৰৰ যুদ্ধ।

৭ নং **প্ৰশ্ন উত্তৰ ঃ** অষ্ট্ৰিয়াৰ বিৰুদ্ধে

৮ নং **প্ৰশ্ন উত্তৰ ঃ** মিলান ৰাজআজ্ঞাৰ জৰিয়তে নেপোলিয়নে ঘোষণা কৰিছিল যে যিকোনো বৃটিছ বন্দৰত লংগৰ পেলোৱা যিকোনো দেশৰে যিকোনো জাহাজ বাজেয়াপ্ত কৰা হ'ব আৰু তেনে জাহাজক যুদ্ধত জয় কৰা পুৰস্কাৰ বুলি ধৰা হ'ব।

৯ নং **প্ৰশ্ন উত্তৰ ঃ** মহাদেশীয় ব্যৱস্থাৰ প্ৰচলন ঘটাৰ পাচত সমগ্ৰ ইউৰোপতে জীৱনৰ নিত্য প্ৰয়োজনীয় সামগ্ৰীবোৰৰ দাম আকাশলংঘী হৈছিল। ইউৰোপৰ বাসিন্দাসকলে এই ব্যৱস্থাটোৰ ফলত যথেষ্ট দুৰ্ভোগ ভূগিছিল।



৪.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ ফ্ৰান্সৰ বিৰুদ্ধে চেকেণ্ড কোৱালিশ্যন গঠন কৰা ৰাষ্ট্ৰশক্তিকেইটাৰ নাম লিখক।

প্ৰশ্ন ২ ঃ ফ্ৰান্সৰ বিৰুদ্ধে থাৰ্ড কোৱালিশ্যন গঠন কৰা ৰাষ্ট্ৰশক্তিকেইটাৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ কোন চনত সৰ্বশেষ পবিত্ৰ ৰোমান সম্ৰাট দ্বিতীয় ফ্ৰান্সিছে আনুষ্ঠানিকভাৱে পদত্যাগ কৰিছিল।

প্ৰশ্ন ৪ ঃ নেপোলিয়ানে প্ৰচলন কৰা 'লীয়্যান অৱ অ'নাৰ' কি আছিল?

প্ৰশ্ন ৫ ঃ ফ্ৰান্সৰ বিৰুদ্ধে ফ'র্থ কোৱালিশ্যন গঠন কৰা ইউৰোপীয় শক্তিবোৰৰ নাম লিখক।

প্ৰশ্ন ৬ ঃ নেপোলিয়নে কেতিয়া আৰু কোনখন যুদ্ধত শেষবাৰৰ বাবে পৰাজয় বৰণ কৰিছিল?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অষ্টাদশ ব্ৰুমেইৰৰ ৰাজবিপ্ৰৱ মানে কি?

প্ৰশ্ন ২ ঃ নেপোলিয়নৰ সংহিতা সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ৩ ঃ ৰাটাৰলু যুদ্ধ সম্পৰ্কে এটি চমুটোকা লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ নেপোলিয়ন বোনাপার্ট কেনেদৰে ফ্ৰান্সৰ সম্ৰাট হৈছিল?

প্ৰশ্ন ২ ঃ নেপোলিয়নীয় সাম্ৰাজ্যৰ উত্থানৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ নেপোলিয়ন বোনাপার্টৰ মহাদেশীয় ব্যৱস্থাটো আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ নেপোলিয়ন বোনাপার্টে ফ্ৰান্সত সাধন কৰা সংস্কাৰবোৰৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৫ ঃ ইউৰোপীয় মহাসংঘ আৰু ভিয়েনা প্ৰতিনিধি সন্মিলন

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ ইউৰৌপীয় মহাসংঘ

- ইউৰোপীয় সংহতি
- চতুৰ্দেশীয় মৈত্ৰী
- এই স-লা-চেপেলৰ প্ৰতিনিধি

৫.৪ পৱিত্ৰ মৈত্ৰী

৫.৫ ভিয়েনা প্ৰতিনিধি সন্মিলন

- চৰ্তসমুহ
- তাৎপৰ্য

৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৭ প্ৰস্তাৱিত গ্ৰন্থসূচী

৫.৮ অগ্ৰগতিৰ খতিয়ান

৫.৯ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আমি —

- নেপোলিয়নৰ পতনৰ পাচত ইউৰোপত সৃষ্টি হোৱা ৰাজনৈতিক বিশৃংখলাৰ আৰু ক্ষমতাৰ ভাৰসাম্য স্থাপনৰ বাবে চলা ৰাজনৈতিক প্ৰয়োসবোৰৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- ভিয়েনা প্ৰতিনিধি সন্মিলন আৰু ইউৰোপীয় সংহতিৰ মাধ্যমেৰে বিভিন্ন ইউৰোপীয়ান শক্তিৰ মাজত গঢ় লৈ উঠা বিভিন্ন মিত্ৰতাৰ বিষয়ে আলোচনা কৰিব পাৰিব আৰু
- শান্তি স্থাপনৰ বাবে প্ৰধান ইউৰোপীয় শক্তিবোৰে পালন কৰা ভূমিকাবোৰ ব্যাখ্যা কৰিব পাৰিব ।

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি সমগ্ৰ ফ্ৰান্সত নেপোলিয়নে কেনেদৰে নিজৰ কৰ্তৃত্ব স্থাপন কৰি কালক্ৰমত ইউৰোপ মহাদেশৰ একছত্ৰী শাসক হৈ পৰিছিল সেয়া অধ্যয়ন কৰিছো। একেটা অধ্যায়তে আমি নেপোলিয়নে কেনেদৰে নিজৰ আগ্ৰাসী সাম্ৰাজ্য বিস্তাৰ নীতিৰে ইউৰোপৰ মানচিত্ৰ সলনি কৰিছিল আৰু সমগ্ৰ মহাদেশ বাবে এক ভাবুকিস্বৰূপ হৈ পৰিছিল সেই সম্পৰ্কে

পঢ়াৰ উপৰি নেপোলিয়নক প্ৰতিহত কৰাৰ বাবে অষ্ট্ৰিয়া, প্ৰুছিয়া, ৰাছিয়া আৰু ইংলেণ্ডে একগোট হোৱাৰ কথাও অধ্যয়ন কৰিছো। এই দেশকেইখনৰ মিত্ৰজোঁটে ১৮১৫ চনত নেপোলিয়নৰ শক্তিৰ পতন ঘটাইছিল।

এই অধ্যায়টিত আমি শান্তি সুনিশ্চিত কৰিবলৈ ইউৰোপ মহাদেশৰ বিজয়ী শক্তিবোৰে কেনে পৰিৱৰ্তন সাধন কৰিছিল সেই সম্পৰ্কে আলোচনা কৰিম। ইউৰোপত ক্ষমতাৰ ভাৰসাম্য বৰ্তাই ৰাখিবলৈ দেশবোৰৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক স্থাপন কৰিবলৈ ইউৰোপীয় শক্তিবোৰে স্থাপন কৰা কেইটামান গুৰুত্বপূৰ্ণ মিত্ৰতা আছিল ক্ৰমে পবিত্ৰ মৈত্ৰী (the Holy Alliance), ইৰোপীয় সংহতি (the Concert of Europe) আৰু ভিয়েনা প্ৰতিনিধি সন্মিলন (the Congress of Vienna)।

৫.৩ ইউৰোপীয় মহাসংঘ

ভিয়েনা কংগ্ৰেছে প্ৰতিক্ৰিয়াৰ বিজয়ৰ পথ ৰুদ্ধ কৰিছিল। ই ইউৰোপত যিমানদূৰ সম্ভৱ প্ৰাক্ বৈপ্লৱিক পৰিস্থিতি ঘূৰাই আনিছিল। কিন্তু বিপ্লৱ ভীতি ইমানেই গভীৰ আছিল যে ইউৰোপীয় শক্তিবোৰে ভিয়েনা চুক্তিৰ স্থায়িত্ব সুনিশ্চিত কৰাৰ পৰিকল্পনা কিছু মান কৰিয়েই সন্তুষ্ট হৈ বহি থাকিব নোৱাৰিলে। নিঃসন্দেহে ভিয়েনা চুক্তি ইউৰোপীয় শক্তিবোৰৰ সমূহীয়া নিশ্চিতিৰ ওপৰত নিৰ্ভৰশীল আছিল। কিন্তু অতীতৰ অভিজ্ঞতাৰ ভিত্তিত সকলোৱে উপলব্ধি কৰিছিল যে ইউৰোপীয় শান্তি বৰ্তাই ৰখাৰ দিশত ঘনিষ্ঠ আন্তৰ্জাতিক সহযোগিতা সম্ভৱ কৰি তোলাৰ বাবে এক ধৰণৰ বিশেষ ব্যৱস্থা গঢ়ি তোলাটো প্ৰয়োজনীয়। এই উদ্দেশ্যক বাস্তৱ ৰূপ দিবলৈ দুখন মতবিৰোধপূৰ্ণ আঁচনি দাঙি ধৰা হৈছিল। এখন আছিল ৰাছিয়াৰ জাৰ আলেকজেণ্ডাৰে পোষকতা কৰা পবিত্ৰ মৈত্ৰী (Holy Alliance) আঁচনি আৰু আনখন আছিল ইউৰোপৰ বৃহৎ ৰাজনৈতিক শক্তিবোৰে স্থাপন কৰা চতুৰ্দেশীয় মৈত্ৰী (Quadruple Alliance)ৰ আধাৰত প্ৰস্তুত কৰা ইউৰোপীয় সংহতি (Concert of Europe) । ই ইউৰোপত শান্তি আৰু সমৃদ্ধি সুনিশ্চিত কৰাৰ বাবে দেশবোৰৰ উমৈহতীয়া স্বাৰ্থ তথা প্ৰয়োজনীয়তাবোৰ আলোচনা কৰিবলৈ মিত্ৰ শক্তিবোৰক সময়ে সময়ে বৈঠকত মিলিত হোৱাৰ সুযোগ দিছিল। কিন্তু পবিত্ৰ মৈত্ৰী আৰু ইউৰোপীয় সংহতিয়ে প্ৰায়েই পৰস্পৰে পৰস্পৰক বিভ্ৰান্ত কৰিছিল। কাৰণ, দুয়োটা মিত্ৰজোঁটেই তদানীন্তন অষ্ট্ৰিয়ান মন্ত্ৰী মেটাৰনিক্ৰ সুচতুৰ পৰিকল্পনা অনুসৰি প্ৰতিক্ৰিয়াশীল নীতি প্ৰয়োগকাৰী আহিলাত পৰিণত হৈছিল।

- **চৰ্তুদেশীয় মৈত্ৰী ঃ** অৱশেষত ১৮১৫ খ্ৰীষ্টাব্দৰ ২০ নৱেম্বৰ তাৰিখে স্বাক্ষৰিত চৰ্তুৰাষ্ট্ৰীয় মৈত্ৰীত এই ধাৰণাই স্থান পালে য'ত ৰাছিয়া, প্ৰুছিয়া, অষ্ট্ৰিয়া আৰু ইংলেণ্ডে ফ্ৰান্সৰ সৈতে হোৱা চুক্তিবোৰ অব্যাহত ৰাখিবলৈ, ইউৰোপত ৰাজনৈতিক সুস্থিৰতা বৰ্তাই ৰাখিবলৈ তথা বিশ্বৰ মংগলৰ বাবে এই চাৰি সাৰ্বভৌম ৰজাৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্ক সুদৃঢ় কৰি ৰখাৰ উদ্দেশ্য লৈ চুক্তিত চহী কৰিছিল। এই চৰ্তুৰাষ্ট্ৰীয় মৈত্ৰীয়ে ইউৰোপীয় সংহতিৰ ভিত্তি গঢ়ি তুলিছিল।

চতুৰ্দেশীয় মৈত্ৰীৰ ষষ্ঠ দফা অনুসৰি মৈত্ৰীচুক্তিত চহী কৰা শক্তিবোৰে যিকোনো সমস্যা সম্পৰ্কে আলোচনা কৰিবলৈ সময়ে সময়ে কূটনৈতিক সন্মিলনত ভাগ ল'ব আৰু এনে আলোচনাত 'শান্তিৰ বাবে আৰু শান্তি বৃদ্ধিৰ বাবে সৰ্বাধিক হিতকৰ' সিদ্ধান্ত গ্ৰহণ কৰিব। 'চতুৰ্দেশীয় মৈত্ৰী'ৰ পাচৰ বছৰ কেইটামানক 'কংগ্ৰেছৰ কাল, (সন্মিলনৰ কাল) বোলা হয়। স্বাভাৱিকতে ইউৰোপীয় সংহতিৰ সদস্যসকলৰ দ্বাৰা বহুবাৰ সভা অনুষ্ঠিত হৈছিল আৰু এনেদৰে 'প্ৰতিনিধি সন্মিলনৰ যুগ'ৰ সূচনা ঘটিছিল।

- **এইলা-ছেপেলৰ প্ৰতিনিধি সন্মিলন (১৮১৮) ঃ** ইউৰোপীয় সংহতিৰ প্ৰথম প্ৰতিনিধি সন্মিলন ১৮১৮ খ্ৰীষ্টাব্দত এই-লা-চাপেলত অনুষ্ঠিত হৈছিল। তাত শক্তিবোৰে ফ্ৰান্সৰ অৱস্থান সম্পৰ্কত স্থায়ী সিদ্ধান্ত লৈছিল। যিহেতু ফ্ৰান্সে মিত্ৰ শক্তিক তৎপৰতাৰে ক্ষতিপূৰণ আদায় দি আহিছিল। সেয়েহে ফ্ৰান্সৰ মাটিৰ পৰা মিত্ৰ বাহিনীৰ সৈন্যদলক প্ৰত্যাহাৰ কৰা হ'ল আৰু ফ্ৰান্সক চৰ্তুৰাষ্ট্ৰীয় মৈত্ৰী পঞ্চম বৃহৎ শক্তি হিচাপে মানি লৈ এই মৰ্চা বা জোঁটক পঞ্চ ৰাষ্ট্ৰীয় মৈত্ৰী লৈ ৰূপান্তৰিত কৰা হ'ল। ইয়াৰ পাচত পঞ্চশক্তিয়ে ইয়াৰ নতুন অভিযান আৰম্ভ কৰিলে। তেওঁলোকে পোনপ্ৰথমে ম'নাকোৰ ৰজাক উপযুক্ত ধৰণে দেশ শাসন কৰিবলৈ আৰু বাভাৰিয়াৰ সীমা সম্প্ৰসাৰণৰ উচ্চাকাংক্ষাৰ ওপৰত নজৰ ৰাখিবলৈ আহ্বান জনালে। ছুইডেনৰ ৰজাক সন্ধিৰ অধিকাৰবোৰক আওকাণ কৰি নৰৱে' আৰু ডেনমাৰ্কৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা আচৰণৰ কাৰণ দৰ্শাবলৈ কোৱা হৈছিল। 'হেছ'ৰ (Hesse) ভোটাধিকাৰ সম্পন্ন সদস্যগৰাকীক পঞ্চশক্তিয়ে 'ৰজা'ৰ উপাধি প্ৰদান কৰিবলৈ অমান্তি হৈছিল; পঞ্চশক্তিয়ে গৃহিত কৰা এটা ৰায়দানৰ আধাৰত বাভাৰিয়াক 'ৰীনিশ্ব পেলেটি নেট' (Rhenish Palatinate) ৰ পৰা বঞ্চিত কৰা হৈছিল। কিন্তু পঞ্চশক্তিয়ে নিজৰ স্বাৰ্থজড়িত বিষয়বোৰত সৃষ্টি হোৱা সংঘাত মীমাংসা কৰাত অসমৰ্থ হৈছিল। তেওঁলোকৰ মাজত থকা পাৰস্পৰিক ঈৰ্ষাৰ বাবে তেওঁলোকে এনে বিষয়ত কোনো গঠনমূলক কাৰ্য কৰিব পৰা নাছিল। ইংলেণ্ডে নিজৰ বাণিজ্যিক স্বাৰ্থত স্পেইনৰ উপনিৱেশবোৰত চলি থকা বিদ্ৰোহী কাৰ্যকলাপৰ বিৰুদ্ধে কোনো ব্যৱস্থা লোৱা নাছিল। একেদৰে ৰাছিয়াই ভূমধ্য সাগৰত জলদস্যুৰ সংখ্যা কম কৰাৰ বাবে সৃষ্টি কৰিব খেজা জলপথবোৰৰ কামত বিধি-পথালি দিয়া হৈছিল।
- **ট্ৰোপাওৰ প্ৰতিনিধি সন্মিলন (১৮২০) ঃ** ১৮২০ খ্ৰীষ্টাব্দত ট্ৰোপাওত পৰৱৰ্তী প্ৰতিনিধি সন্মিলনৰ অনুষ্ঠিত হৈছিল য'ত প্ৰথম প্ৰতিনিধি সন্মিলনত আৰম্ভ হোৱা মতভেদবোৰ অধিক বাঢ়ি গৈছিল। ইউৰোপীয় সংহতিৰ সকলো সদস্যই নেপলছ্, স্পেইন আৰু পৰ্টুগালত সেই বৰ্ষত সংঘটিত বিপ্লৱক নিন্দা কৰিছিল। মেট্টাৰনিচ্চে সকলো শক্তিকে বিপ্লৱক উমৈহতীয়া এক সমস্যাৰূপে গণ্য কৰিবলৈ আহ্বান জনাইছিল কিয়নো ইয়াৰ দ্বাৰা তেওঁলোকো আক্ৰান্ত হ'ব পাৰে। সেয়েহে তেওঁ সকলোতে বিপ্লৱ অৱদমন কৰাৰ বাবে হস্তক্ষেপ কৰা নীতিৰ পোষকতা কৰিছিল। কিন্তু ব্ৰিটিছ বৈদেশিক মন্ত্ৰী লৰ্ড কেষ্টলাৰীয়ে হস্তক্ষেপৰ নীতি অগ্ৰাহ্য কৰিছিল আৰু বিপ্লৱৰ বিষয়টোক এক অভ্যন্তৰীণ সমস্যা বুলি

গণ্য কৰিছিল। তেওঁৰ এই দৃষ্টিভংগীক ফ্ৰান্সে সমৰ্থন কৰিছিল। তৎস্বত্বেও মেট্টাৰনিচ্চৰ তৎপৰতাত প্ৰুছিয়া, ৰাছিয়া আৰু অষ্ট্ৰিয়াই 'ট্ৰোপাও খচৰাপত্ৰ' নামৰ এক ঘোষণাপত্ৰত চহী কৰিছিল যাৰ দ্বাৰা তেওঁলোকে কোনো এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ অভ্যন্তৰীণ সমস্যাত হস্তক্ষেপ কৰি হ'লেও বিপ্লৱ বিনাশ কৰাৰ দায়িত্ব গ্ৰহণ কৰিছিল।

- **লেইবাকৰ প্ৰতিনিধি সম্মিলন (১৮২১) ঃ** ১৮২১ খ্ৰীষ্টাব্দত লেইবাকত তৃতীয় প্ৰতিনিধি সম্মিলন অনুষ্ঠিত হৈছিল। এই সম্মিলনত ইটালীত অষ্ট্ৰিয়াৰ প্ৰভুত্ববাদী স্বাৰ্থক স্বীকৃতি দিয়া হৈছিল আৰু নেপলছ্ৰ বিদ্ৰোহ দমন কৰিবৰ বাবে অষ্ট্ৰিয়াক এক সেনাবাহিনী প্ৰেৰণ কৰাৰ অনুমতি দিয়া হৈছিল। এই সেনাবাহিনীয়ে নেপলছ্ৰ বিদ্ৰোহ সফলতাৰে দমন কৰিছিল আৰু পিডমণ্টৰ এক উদাৰতাবাদী আন্দোলনক দমাব পাৰিছিল।
- **ভেৰোনাৰ প্ৰতিনিধি সম্মিলন (১৮২২) ঃ** ১৮২২ খ্ৰীষ্টাব্দত ভেৰোনাত প্ৰতিনিধি সম্মিলন আহ্বান কৰা হৈছিল। সেই সময়ত স্পেইনত বিপ্লৱ সংঘটিত হৈছিল আৰু তুৰস্কৰ বিৰুদ্ধে গ্ৰীচে বিদ্ৰোহ ঘোষণা কৰিছিল। ইউৰোপীয় সংহতিৰ এই দুই সমস্যাই মনোযোগ আকৰ্ষণ কৰিছিল। গ্ৰীচৰ বিদ্ৰোহৰ ক্ষেত্ৰত ৰাছিয়াই গ্ৰীচৰ পক্ষত হস্তক্ষেপ কৰিব বিচাৰিছিল কিন্তু বলকান অঞ্চলত ৰাছিয়াৰ বৈৰী অষ্ট্ৰিয়া আৰু ইংলেণ্ডে গ্ৰীচৰ বিষয়ত হস্তক্ষেপ কৰাত ৰাছিয়াক বাধা প্ৰদান কৰিছিল। তেতিয়া

  স্পেইনৰ বোৰ্বন শাসকে বিদ্ৰোহ দমন কৰিবলৈ ফ্ৰান্সৰ বোৰ্বন শাসকৰ সহায় বিচাৰিছিল। ৰাছিয়াৰ, অষ্ট্ৰিয়া আৰু প্ৰুছিয়াই স্পেইনৰ বিদ্ৰোহ দমন কৰাত সহায় কৰিবলৈ ফ্ৰান্সক অনুমতি প্ৰদান কৰিলে। কিন্তু ইংলেণ্ডে স্পেইনত হস্তক্ষেপ কৰাত বিৰোধিতা কৰিলে আৰু যেতিয়াই আন শক্তিবোৰে স্পেইনত ফ্ৰান্সৰ হস্তক্ষেপক আজ্ঞা প্ৰদান কৰিলে তেতিয়াই ইংলেণ্ডে প্ৰতিনিধি সম্মিলনৰ পৰা ওলাই আহিল। এনেদৰে ইংলেণ্ড ওলাই অহাত ইউৰোপীয় সংহতি ভংগ হ'ল।

  এক আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ মাধ্যম ৰূপে ইউৰোপীয় সংহতি আছিল এক মহান প্ৰয়াস। কিন্তু দুৰ্ভাগ্যবশতঃ শক্তিবোৰৰ পৰস্পৰৰ মাজত থকা ঈৰ্ষাপৰায়ণতাৰ বাবে ই স্থায়ী নহ'ল। শক্তিবোৰৰ মাজত থকা পাৰস্পৰিক ঈৰ্ষা আৰু স্বাৰ্থজনিত সংঘাতৰ বাবে তেওঁলোকৰ মাজত উদ্দেশ্য আৰু দৃষ্টিভংগীৰ ক্ষেত্ৰত কোনো একতা নাছিল।

  নেপোলিয়নৰ যুদ্ধবোৰে সৃষ্টি কৰিব পৰা বিপদৰ আশংকা প্ৰতিহতকাৰী প্ৰতিক্ৰিয়া স্বৰূপে সম্মিলন অনুষ্ঠিত কৰাৰ পৰীক্ষা নিৰীক্ষা চলোৱাৰ ধাৰণাটোৱে গা কৰি উঠিছিল। এই সম্মিলনবোৰ আন্তৰ্জাতিক শান্তি স্থাপনৰ বাবে ইউৰোপীয় শক্তিবোৰৰ মাজত গা কৰি উঠা ইচ্ছাত বাদে অন্য একো নাছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমুহৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ১ ঃ ভিয়েনা শক্তি বুলি কাৰ কাৰ কথা বুজোৱা হৈছিল ?

.....

প্ৰশ্ন নং ২ ঃ ইউৰোপীয় সংহতিৰ ধাৰণাটোৰ জনক কোন ?

.....

প্ৰশ্ন নং ৩ ঃ পবিত্ৰ মৈত্ৰীত চহী কৰিবলৈ আমন্ত্ৰণ নজনোৱা চুলতানজনৰ নাম কি ?

.....

প্ৰশ্ন নং ৪ ঃ পবিত্ৰ মৈত্ৰীৰ কেতিয়া অন্ত পৰিছিল ?

.....

৫.৪ পৰিত্ৰ মৈত্ৰী (HOLY ALLIANCE)

নেপোলিয়নোত্তৰ কালছোৱাত ইউৰোপৰ ৰাষ্ট্ৰবোৰৰ মূল কাম আছিল ইউৰোপত শান্তি-শৃংখলা ৰক্ষা কৰা। ভিয়েনা প্ৰতিনিধি সন্মিলনে কম-বেছি পৰিমাণে শক্তি ভাৰসাম্যতা ৰক্ষা কৰি ইউৰোপ মহাদেশৰ পুনৰ গঠন কৰিছিল। এই ক্ষেত্ৰত ৰাছিয়াৰ জাৰ প্ৰথম আলেকজেণ্ডাৰে আগবঢ়োৱা পৰিত্ৰ মৈত্ৰী এক গুৰুত্বপূৰ্ণ প্ৰয়াস আছিল। ৰাছিয়াৰ এগৰাকী স্বৈৰাচাৰী শাসক হোৱা স্বত্বেও ভিয়েনা প্ৰতিনিধি সন্মিলনত সমৱেত হোৱা কূটনীতিবিদসকলৰ ভিতৰত জাৰ প্ৰথম আলেকজেণ্ডাৰ আটাইতকৈ উদাৰমনা আছিল। আচলতে তেওঁ এগৰাকী উদাৰ আৰু ৰহস্যবাদী ভাবধাৰাৰ লোক আছিল। তেওঁ বিশ্বাস কৰিছিল যে ফৰাচী বিপ্লৱটো সম্পূৰ্ণ অধাৰ্মিক আছিল আৰু ভৱিষ্যতলৈ এনে ধৰণৰ বিপ্লৱ সংঘটিত নহ'বৰ বাবে ইউৰোপৰ সকলো সাৰ্বভৌম ৰাষ্ট্ৰই ভগৱানৰ প্ৰতি থকা দায়বদ্ধতাক স্বীকাৰ কৰি ল'ব লাগে। ইউৰোপৰ দেশসমূহৰ শাসনকৰ্তাসকলে এজনে আনজনৰ লগত সম্বন্ধ স্থাপন কৰাৰ ক্ষেত্ৰত খ্ৰীষ্টিয় নীতি মানি চলিব লাগে। পৰিত্ৰ খ্ৰীষ্টিয় নীতিসমূহ অৰ্থাৎ ন্যায়, খ্ৰীষ্টিয় বদান্যতা (পৰোপকাৰ) আৰু শান্তিৰ আধাৰত ইউৰোপৰ খ্ৰীষ্টিয় ৰাজ্যসমূহৰ মাজত এক আধ্যাত্মিক খ্ৰীষ্টিয় জোঁট বা মৰ্চা, যাক পৰিত্ৰ মৈত্ৰী বুলি জনা যাব, স্থাপন হ'ব লাগে। খ্ৰীষ্টিয় নীতি-নিয়মৰ আধাৰত সাৰ্বভৌম ৰাষ্ট্ৰবোৰৰ মাজত গঢ় ল'ব পৰা ভাতৃত্ববোধৰ দৃষ্টিভংগীক তেওঁ নথিভুক্ত কৰিছিল। এই লিখিত নথিত ঘোষণা কৰা হৈছিল যে তেতিয়াৰে পৰা নাগৰিকক শাসন তথা আন দেশৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ ক্ষেত্ৰত ইউৰোপৰ সাৰ্বভৌম ৰাষ্ট্ৰবোৰে পৰিত্ৰ ধৰ্মটিৰ ভাৰবোধবোৰ আনুষ্ঠানিকভাৱে মানি ল'বলৈ অংগীকাৰবদ্ধ হ'ব।

১৮১৫ৰ ছেপ্টেম্বৰ মাহত জাৰ প্ৰথম আলেকজেণ্ডাৰে প্ৰুছিয়াৰ ৰজা আৰু অষ্ট্ৰিয়াৰ সম্ৰাটক পৰিত্ৰ মৈত্ৰীত যোগদান কৰাত পতিয়ন নিয়াবলৈ সফল হৈছিল। এই তিনি ৰাষ্ট্ৰই সন্মিলিতভাৱে পৰিত্ৰ মৈত্ৰীত স্বাক্ষৰ কৰি ঘোষণা আগবঢ়াইছিল যে তেওঁলোকৰ নিজ নিজ

দেশ পৰিচালনা তথা আন ৰাষ্ট্ৰৰ সৈতে ৰাজনৈতিক সম্পৰ্ক স্থাপন কৰাৰ

ক্ষেত্ৰত তেওঁলোকে খ্ৰীষ্টিয় ধৰ্মৰ পৱিত্ৰ নীতিসমূহ মানি চলিব। পোপ আৰু তু�ৰস্কৰ চুলটানক বাদ দি ইউৰোপৰ বাকী সকলো সাৰ্বভৌম ৰাষ্ট্ৰক এই পৱিত্ৰ মৈত্ৰীত চহী কৰিবলৈ আমন্ত্ৰণ জনোৱা হৈছিল আৰু ইংলণ্ডৰ ৰজাৰ ৰাজ প্ৰতিনিধিৰ বাদে বাকী সকলোৱে ইয়াত স্বাক্ষৰ কৰিছিল। এনেদৰে ইউৰোপত পৱিত্ৰ মৈত্ৰী গঢ়ি উঠিছিল।

কিন্তু বাস্তৱত পৱিত্ৰ মৈত্ৰী ব্যৰ্থ হৈছিল আৰু ১৮২৫ খ্ৰীষ্টাব্দত জাৰ প্ৰথম আলেকজেণ্ডাৰৰ মৃত্যুৰ সৈতে ইয়াৰ পৰিসমাপ্তি ঘটিছিল। আচলতে পৱিত্ৰ মৈত্ৰীত চহী কৰা সকলো সাৰ্বভৌম ৰাষ্ট্ৰৰ ভিতৰত একমাত্ৰ জাৰ প্ৰথম আলেকজেণ্ডাৰেহে ইয়াক গভীৰভাৱে লৈছিল। এইটো উল্লেখ কৰা উচিত হ'ব যে পৱিত্ৰ মৈত্ৰীৰ নিয়মাৱলীক মনাতকৈ ইয়াক বেছিকৈ ভংগ কৰা হৈছিল। বেছিভাগ ইউৰোপীয় শাসকে পৱিত্ৰ মৈত্ৰীত এই কাৰণে চহী কৰিছিল যে তেওঁলোকে জাৰ প্ৰথম আলেকজেণ্ডাৰৰ বিৰোধিতা কৰিব খোজা নাছিল। মেট্টাৰনিচ্চ ইয়াক 'শব্দৰহলতা' বুলি আখ্যা দিছিল আৰু অষ্ট্ৰিয়াৰ সম্ৰাট ফ্ৰান্সিছে চহী কৰাৰ সময়ত কৈছিল যে এই পৱিত্ৰ মৈত্ৰীৰ অৰ্থ কি তেওঁ নাজানে। তেওঁ কৈছিল 'যদি ই এক ৰাজনৈতিক বিষয় হয় তেন্তে তেওঁ ইয়াক তেওঁৰ প্ৰধান মন্ত্ৰীলৈ প্ৰেৰণ কৰিব, অথবা ই যদি ধৰ্মীয় বিষয় হয় তেন্তে তেওঁ ইয়াক তেওঁৰ পুৰোহিতলৈ পঠাব।' ব্ৰিটিছ বৈদেশিক মন্ত্ৰী লৰ্ড কেষ্টলাৰীয়ে ইয়াক 'এক চমৎকাৰ ঐন্দ্ৰজালিক আৰু অসঙ্গত ৰচনা' বুলি ঘোষণা কৰিছিল। আনকি পোপ সপ্তম পিউছে পৱিত্ৰ মৈত্ৰীক খ্ৰীষ্টিয় ধৰ্মৰ 'ধৰ্মনিষ্ঠতা'ক লঘু কৰা এক প্ৰয়াস বুলি গণ্য কৰিছিল। সেয়েহে পৱিত্ৰ মৈত্ৰীক খ্ৰীষ্টিয় ধৰ্মৰ পৱিত্ৰ নীতিৰ আলমত ইউৰোপীয় ৰাষ্ট্ৰবোৰক পৰস্পৰৰ মাজত ওচৰ চপাই অনাৰ এক অকপট প্ৰয়াস বুলি ক'ব পাৰি। কিন্তু ৰাজনীতিত ধৰ্মীয় নীতিৰ প্ৰয়োগ এক প্ৰকাৰ অসম্ভৱ। তাৰোপৰি পৱিত্ৰ মৈত্ৰী মাথো এক ঘোষণাহে আছিল, ই এখন চুক্তি নাছিল। ইয়াত মানি চলাৰ বাধ্যবাধকতামূলক উপাদান মজুত নাছিল। পৱিত্ৰ মৈত্ৰী আছিল জাৰ প্ৰথম আলেকডেণজাৰৰ বাবে এক অভিৰুচি স্বৰূপ। ইয়েই এসময়ত তেওঁৰ মৃত্যুৰ কাৰণ হৈ পৰিছিল।

৫.৫ ভিয়েনা প্ৰতিনিধি সম্মিলন

নেপোলিয়ন বোনাপার্টে ইউৰোপৰ ৰাজনৈতিক মানচিত্ৰখনৰ ৰূপ বৰ বেয়া ধৰণে সলাই পেলাইছিল। পৰিচিত দেশীয় সীমাৰেখাবোৰ নোহোৱা হৈ গৈছিল আৰু প্ৰায় আটাইবোৰ সীমান্তৰে পুনৰ গঠন কৰিব লগা হৈছিল। নেপোলিয়নে কিছুমান ৰাষ্ট্ৰৰ পৰা অঞ্চলবোৰ ফালি আনিছিল আৰু সেইবোৰক আন ৰাষ্ট্ৰৰ সৈতে জোৰা লগাই দিছিল। আনকি বহু শাসনাধিষ্ঠিত ৰাজবংশক ওফৰাই পেলোৱা হৈছিল।

সেই সময়ছোৱাত ইউৰোপৰ মানচিত্ৰখন নতুনকৈ অংকন কৰাৰ আৰু ফ্ৰান্সৰ ওপৰত এখন শান্তি চুক্তিৰ চর্ত আৰোপ কৰাৰ বিষয় দুটা সৰ্বাধিক গুৰুত্বপূৰ্ণ হৈ পৰিছিল। শান্তিস্থাপন প্ৰক্ৰিয়াটো অতি জটিল আছিল। এই সময়ছোৱাত নেপোলিয়নে তেওঁৰ একছত্ৰী সম্ৰাটৰ স্থিতি

পুনৰ প্ৰতিষ্ঠা কৰিবলৈ দ্বিতীয়বাৰ প্ৰয়াস কৰাৰ ফলত শান্তি স্থাপন প্ৰক্ৰিয়াটো স্থবিৰ হৈ পৰিছিল। নেপোলিয়নৰ দ্বিতীয় প্ৰয়াসটোক ১০০ দিন (One Hundred Days) বুলি জনা যায়।



জানি থোৱা ভাল

১০০ দিন (One Hundred Days) ঃ ক্ষমতাৰ পৰা অপসাৰিত হোৱাৰ পাচত নেপোলিয়নক এলবা দ্বীপত অৱসৰৰ জীৱন কটাবলৈ বাধ্য কৰোৱা হৈছিল। কিন্তু তেওঁ পুনৰ অস্ত্ৰ তুলি লৈছিল আৰু মানুহৰ মন তথা মিত্ৰদলবোৰক জয় কৰিব খুজিছিল। অৱশ্যে তেওঁৰ এই প্ৰচেষ্টা বিফল হৈছিল। ৱাটাৰলু (১৮ জুন, ১৮১৫) যুদ্ধত তেওঁ পৰাজিত হৈছিল।

নিৰ্বাসনৰ পৰা নেপোলিয়ন উভতি অহাৰ ঘটনাটোক এশ দিন 'ৱান হাণ্ড্রেড ডেজ' বোলা হয় (২০ মাৰ্চৰ পৰা ২২ জুন, ১৮১৫)

নেপোলিয়ন বোনাপার্টৰ পৰাজয় তথা এলবা দ্বীপলৈ তেওঁৰ প্ৰস্থানৰ পিছত বিজয়ী শক্তি অষ্ট্ৰিয়া, প্ৰুছিয়া, ৰাছিয়া আৰু ইংলেণ্ডে স্পেইন, পৰ্টুগাল আৰু ছুইডেনৰ সৈতে লগ হৈ ফ্ৰান্সৰ সৈতে ১৮১৪ খ্ৰীষ্টাব্দৰ মে' মাহত পেৰিছত এক আনুষ্ঠানিক শান্তি চুক্তি সম্পাদন কৰে। এই চুক্তিৰ দ্বাৰা যুদ্ধৰ আগৰ ফ্ৰান্সৰ সীমা পুনঃ প্ৰতিষ্ঠা কৰা হয় আৰু এক সাধাৰণ শান্তি ব্যৱস্থাপনাৰ বাবে সকলো ইউৰোপীয় শক্তিবোৰৰ এক প্ৰতিনিধি সন্মিলনৰ ব্যৱস্থা কৰা হৈছিল। আলাপ-আলোচনাৰ ৰূপ জটিলতৰ হৈ পৰা বাবে মিত্ৰশক্তিবোৰে ভিয়েনাত আন এখন সন্মিলনৰ আয়োজন কৰিছিল।

যিহেতু নেপোলিয়ন বোনাপার্টৰ পৰাজয়ৰ ক্ষেত্ৰত অষ্ট্ৰিয়াই এক নিৰ্ণায়কাৰী ভূমিকা লৈছিল সেয়েহে অষ্ট্ৰিয়াৰ ৰাজধানী ভিয়েনাক এই সন্মিলনৰ স্থলী হিচাপে ঠিক কৰা হয়। অশান্তজৰ্জৰ ইউৰোপক পুনৰ গঠন কৰিবলৈ তুৰ্কীক বাদ দি ইউৰোপৰ প্ৰায় সকলো ৰাষ্ট্ৰই ১৮১৪ খ্ৰীষ্টাব্দৰ শৰৎকালত অষ্ট্ৰিয়াৰ ৰাজধানী ভিয়েনাত মিলিত হয়। অষ্ট্ৰিয়াৰ প্ৰধান মন্ত্ৰী মেট্টাৰনিচ্চৰ সভাপতিত্বত এখন সভাত তেওঁলোক মিলিত হৈছিল। সন্মিলনত সমৰেত হোৱা কূটনীতিবিদসকলৰ ভিতৰত এক কৰ্তৃত্বশালী ব্যক্তিত্বৰে মেট্টাৰনিচ্চ সকলোতকৈ জাকত-জিলিকা লোক আছিল।

কংগ্ৰেছৰ কাম সহজ নাছিল। মিত্ৰশক্তিবোৰৰ সন্মুখত দেখা দিয়া তাৎক্ষণিক সমস্যাটো আছিল ফ্ৰান্সৰ সৈতে এক মীমাংসাত উপনীত হোৱা নেপোলিয়নে সলাই পেলোৱা ইউৰোপ মহাদেশৰ মানচিত্ৰ পুনৰ সলনি কৰি অঞ্চলভিত্তিক পুনৰ্গঠন প্ৰক্ৰিয়াটো অত্যন্ত জটিল আছিল। কংগ্ৰেছক সেই সময়ত ব্যতিব্যস্ত কৰা আন কেইটা সমস্যা আছিল জাৰ্মান জাতীয়তাবাদীসকলৰ কাৰ্যকলাপ আৰু প্ৰুছিয়া-ৰাছিয়া সমস্যা।

ইউৰোপত ভিয়েনা প্ৰতিনিধি সন্মিলনৰ পূৰ্বে কেতিয়াও ৰজা তথা খিতাপধাৰী সম্ভ্ৰান্ত লোকসকলৰ এনে সমাৱেশ অনুষ্ঠিত হোৱা নাছিল। এই প্ৰখ্যাত লোকসকলৰ ভিতৰত আছিল অষ্ট্ৰিয়াৰ ৰজা প্ৰথম ফ্ৰান্সিছ, ৰাছিয়াৰ জাৰ প্ৰথম আলেকজেণ্ডাৰ, প্ৰুছিয়াৰ ৰজা তৃতীয় ফ্ৰেডেৰিক

উইলিয়াম, ইংলেণ্ডৰ বৈদেশিক মন্ত্ৰী লৰ্ড কেষ্টলাৰীয়, অষ্ট্ৰিয়াৰ প্ৰধান মন্ত্ৰী মেট্টাৰনিচ্চ আদি। প্ৰথম অলেকজেণ্ডাৰৰ অধীনস্থ ৰাছিয়াই ইয়াৰ ওপৰত নিৰ্ভৰশীল এখন বৃহত্তৰ পোলেণ্ড ৰাষ্ট্ৰ গঠনৰ প্ৰতি আগ্ৰহী আছিল। ভৱিষ্যতে হ'ব পৰা যিকোনো বিপ্লৱৰ পৰা ইউৰোপক সুৰক্ষিত ৰখাৰ ৰক্ষণশীল আদৰ্শত বিশ্বাসী মেট্টাৰনিচ্চ আৰু কেচল্‌ৰে'ই (Metternich and Castlereagh) ৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক আছিল। প্ৰুছিয়াই চুবুৰীয়া চেক্সনী অঞ্চল নিজ দেশৰ অন্তৰ্গত কৰাৰ প্ৰতি আগ্ৰহ দেখুৱাইছিল। প্ৰথম অৱস্থাত টেলীৰাণ্ডে ফ্ৰান্সৰ প্ৰতিনিধিত্ব ক�ৰিছিল যদিও নেপোলিয়নে এল্‌বাৰ পৰা উভতি অহাৰ পাচত ১৮১৫ চনৰ ছেপ্টেম্বৰ মাহৰ পৰা টেলীৰাণ্ডৰ স্থানত দাক দা ৰিশ্বলিউক ফ্ৰান্সৰ প্ৰতিনিধিত্ব কৰাৰ দায়িত্ব অৰ্পন কৰা হৈছিল।

প্ৰতিনিধি সম্মিলনৰ মূল কামৰ দায়িত্ব নেপোলিয়নক পৰাস্ত কৰা চাৰি মহাশক্তি ক্ৰমে ইংলেণ্ড, ৰাছিয়া, অষ্ট্ৰিয়া আৰু প্ৰুছিয়াই লৈছিল। ওপৰত উল্লেখ কৰাৰ দৰে প্ৰতিনিধি সম্মিলনৰ মূল কাম আছিল নেপোলিয়ন বোনাপার্টে ধ্বংস কৰি যোৱা ইউৰোপীয় ৰাষ্ট্ৰ ব্যৱস্থাৰ পুনৰ গঠন কৰা। কূটনীতিবিদসকলে ইউৰোপৰ ৰাজনৈতিক বিষয়বোৰক এনে এক শৃংখলিত প্ৰক্ৰিয়াৰে গঢ়িব খুজিছিল যাতে ভৱিষ্যতলৈ কোনো বিপ্লৱ সংঘটিত নহয়। তাৰ বাবে ভিয়েনা প্ৰতিনিধি সম্মিলনৰ কূটনীতিবিদসকলে ইউৰোপৰ ক্ষেত্ৰ পুনৰ গঠন কৰোতে তিনিটা নীতি মানি চলিছিল।

১) **শক্তিৰ ভাৰসাম্য ঃ** শক্তিৰ ভাৰসাম্য নীতি আছিল, ইউৰোপৰ ভৱিষ্যত শান্তিৰ বাবে যথাযথ নিৰাপত্তা গঢ়ি তোলা যাতে ইয়াক নিশ্চিত কৰিব পাৰি যে ভৱিষ্যতলৈ কোনো ইউৰোপীয় ৰাষ্ট্ৰই ফ্ৰান্সৰ দৰে শক্তিশালী হৈ নুঠে তথা ইউৰোপত আধিপত্য চলাব নোৱাৰে। সকলো ৰাজ্যই সমভাৱে শক্তিবন্ত হ'ব লাগিব।

২) **বৈধ্যতা ঃ** বৈধ্যতাৰ নীতি মতে বিপ্লৱ সংঘটিত হোৱাৰ পূৰ্বৱৰ্তী অৱস্থা যিমান দূৰ সম্ভৱ পুনৰ প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰা হৈছিল। এই নীতি বিখ্যাত ফৰাচী কূটনীতিবিদ টেলিৰেণ্ডে আগবঢ়াইছিল। এই নীতি অনুসৰি ১৭৮৯ খ্ৰীষ্টাব্দৰ ফৰাচী বিপ্লৱৰ আগৰ বা নেপোলিয়নৰ উত্থানৰ সময়ৰ শাসনত থকা ৰাজবংশবোৰক বৈধ বুলি ধৰা হৈছিল। সেয়েহে এই ৰাজবংশবোৰক তেওঁলোকৰ নিজ নিজ ৰাজ্যত পুনৰ প্ৰতিষ্ঠা কৰিব লাগে।

৩) **ক্ষতিপূৰণ ঃ** এই নীতি জৰিয়তে বিজয়ী শক্তিয়ে পৰাজিত শক্তিৰ পৰা প্ৰতিফল আদায় কৰি লৈছিল। এই নীতি প্ৰয়োগেৰে বিজয়ী শক্তিয়ে তেওঁলোকৰ নিজ নিজ স্বাৰ্থৰ বৃদ্ধি ঘটাইছিল।

- **ভিয়েনা প্ৰতিনিধি সম্মীলনৰ চৰ্ত সমুহ**

উল্লিখিত তিনিটা নীতিৰ ওপৰত ভিত্তি কৰি ভিয়েনাত মিলিত হোৱা কূটনীতিবিদ-সকলে আলোচনামৰ্মে এক সিদ্ধান্তত উপনীত হৈছিল। ১৮১৫ খ্ৰীষ্টাব্দৰ ১৫ জুনত স্বাক্ষৰিত 'চূড়ান্ত বিধি'ক ভিয়েনাৰ শান্তি মীমাংসা বুলিও জনা যায়। ইয়াত সন্নিৱিষ্ট উপবন্ধবোৰ আছিল এনে ধৰণৰ—

১) অষ্টাদশ লুই ক ৰজা হিচাপে লৈ ফ্ৰান্সত বোৰ্বন ৰাজবংশ পুনৰ প্ৰতিষ্ঠা কৰা হৈছিল। অৱশ্যে ফ্ৰান্সে ইয়াৰ ঔপনিৱেশিক সাম্ৰাজৰে এক বৃহৎ অংশ হেৰুৱাব লগা হৈছিল।

ফ্ৰান্সক বৃহৎ পৰিমাণত যুদ্ধৰ ক্ষতিপূৰণ দিয়াবলৈ বাধ্য কৰোৱা হৈছিল। বোৰ্বনসকলক স্পেইন, নেপলছ্ আৰু ছিচিলিতো পুনৰ প্ৰতিষ্ঠা কৰা হৈছিল।

২) ছাৱডিনিয়া আৰু পিডমণ্টত ছেভয় ৰাজবংশক পুনৰ প্ৰতিষ্ঠা কৰা হৈছিল। ছাৱডিনিয়া ৰাজ্যক চেভয় আৰু পিডমণ্ট ঘূৰাই দিয়া হৈছিল আৰু জেনোৱা ইয়াৰ লগত সন্নিৱিষ্ট হৈছিল। ফ্ৰান্সৰ দক্ষিণ-পূব প্ৰান্তত এখন শক্তিশালী ৰাজ্য স্থাপনৰ মানসেৰেই এনে কৰা হৈছিল।

৩) ৰোমত পাৰ্থিৱ অধিকাৰসহ পোপক পুনঃ সংস্থাপিত কৰা হৈছিল।

৪) নেপোলিয়ন বোনাপার্টৰ দ্বাৰা প্ৰতিষ্ঠিত ৰাইনৰ ৰাজ্যমণ্ডল ভাঙি দিয়া হৈছিল। অষ্ট্ৰিয়াৰ নেতৃত্বত ৩৮খন জার্মান ৰাজ্যৰ দ্বাৰা এখন শিথিল জার্মান ৰাজ্যমণ্ডল (German Confederation) গঢ়া হৈছিল। জার্মান ৰাজ্যবোৰক অভ্যন্তৰীণ স্বায়ত্ত শাসন প্ৰদান কৰা হৈছিল যদিও বহিঃ পৰিক্ৰমা নিয়ন্ত্ৰণ কৰিছিল অষ্ট্ৰিয়াৰ প্ৰধান মন্ত্ৰী (Chancellor)ৰ অধীনত থকা ৰাষ্ট্ৰমণ্ডলৰ যুক্তৰাষ্ট্ৰীয় বিধান মণ্ডলী (Federal Diet of the Confederation)।

৫) নেপোলিয়ন বোনাপার্টৰ দ্বাৰা প্ৰতিষ্ঠিত ছুইছ ৰাজ্যমণ্ডলখন ৰখা হৈছিল আৰু ছুইজাৰলেণ্ডৰ নিৰপক্ষতাক ভিয়েনাৰ শক্তিয়ে নিশ্চিয়তা দিছিল।

৬) অৰেঞ্জ ৰাজবংশৰ পুনৰ প্ৰতিষ্ঠিত ডাচ্চ ৰজাৰ অধীনত বেলজিয়ামক (অষ্ট্ৰিয়ান নেদাৰলেণ্ড) এখন ৰাজ্য ৰূপে নেদাৰলেণ্ডৰ সৈতে যোগ দিয়া হৈছিল আৰু এই ৰজাক তেতিয়া সংযুক্ত নেদাৰলেণ্ডৰ ৰজা বুলি জনা গৈছিল। ডাচ্চসকলক যুদ্ধৰ ক্ষতিপূৰণ দিয়াবলৈ আৰু ফ্ৰান্সৰ উত্তৰ প্ৰান্তত এক শক্তিশালী ৰাষ্ট্ৰ গঠনৰ মানসেৰে এনে কৰা হৈছিল।

৭) নেদাৰলেণ্ডৰ হাতত বেলজিয়াম সমর্পণ কৰিব লগা হোৱা হেতুকে ভেনেচিয়া আৰু লোমবার্ডিক অষ্ট্ৰিয়াক দি দিয়া হৈছিল। হেবছ্বার্গ পৰিয়ালৰ সদস্যসকলক পার্মা, মোডেনা আৰু টুস্কানিৰ শাসনত অধিষ্ঠিত কৰা হৈছিল আৰু সেয়েহে ইটালীত অষ্ট্ৰিয়াই এক কর্তৃত্বমূলক অৱস্থান লাভ কৰিছিল। অষ্ট্ৰিয়াই লগতে বেভেৰিয়াৰ পৰা টাইৰল আৰু এড্ৰিয়াটিকৰ পূর্বৱর্তী উপকূল সহিত ইলিৰিয়ানৰ প্ৰদেশবোৰ পুনৰুদ্ধাৰ কৰিছিল।

৮) নেপোলিয়নে কাঢ়ি নিয়া সকলো জার্মান অঞ্চলকে প্ৰুছিয়াই ঘূৰাই পাইছিল। ইয়াৰ লগতে প্ৰুছিয়াই ছুইডিছ পোমাৰেনিয়া, ছেকসনিৰ দুই পঞ্চমাংশ, ৱেষ্টফেলিয়াৰ সমগ্ৰ অংশ তথা ৰাইনলেণ্ডৰ বেছিভাগ ঠাই পাইছিল। সত্ত্ব এৰি দিয়া এই মাটিবোৰ প্ৰুছিয়াক এই কাৰণেই এৰি দিয়া হৈছিল যাতে ফ্ৰান্সৰ উত্তৰ-পূব সীমান্তত দেশখনৰ বিৰুদ্ধে প্ৰুছিয়াই এক দুর্গৰ নিচিনা ভূমিকা লয়।

৯) ছুইডেনৰ পৰা অধিকাৰ কৰা ফিনলেণ্ডখনক ৰাখিবলৈ ৰাছিয়াক অনুমতি দিয়া হৈছিল। তদুপৰি তুৰ্কীৰ পৰা দখল কৰা বেছাৰবিয়াকো ৰাছিয়াক দি দিয়া হৈছিল।

তাৰ লগতে ৰাৰ্ছাৰ (পোলাণ্ডৰ) ডিউক শাসিত বৃহৎ ডাচীৰ (Grand Duchy) বেছিভাগ ৰাছিয়াই পাইছিল।

১০) ফিনলেণ্ডক ৰাছিয়ালৈ তথা পোমাৰেনিয়াক প্ৰুছিয়ালৈ এৰি দিব লগা হোৱাৰ ক্ষতিপূৰণ হিচাপে ছুইডেনে ডেনমার্কৰ পৰা নৰৱে লাভ কৰিছিল। নেপোলিয়ন বোনাপার্টক সমর্থন কৰাৰ বাবে ডেনমার্কৰ প্ৰতি ই এক শাস্তি আছিল।

১১) ইউৰোপত ইংলেণ্ডে হেলিগোলাণ্ড আৰু মাল্টা দখল কৰিছিল তথা আইয়োনিয়ান দ্বীপপুঞ্জৰ আশ্রিত ৰাষ্ট্ৰ হৈ পৰিছিল। ট্রিনিডাদ (স্পেইনৰ পৰা), মৰিচাছ আৰু টোবাগো (ফ্রান্সৰ পৰা) আৰু চিলন আৰু কেপ অব গুড হোপ (হলেণ্ডৰ পৰা) ৰাখি লৈ ইংলণ্ডৰ ঔপনিৱেশিক সাম্রাজ্য যথেষ্ট প্ৰসাৰ হৈছিল আৰু এনেদৰে দেশখনে ইউৰোপৰ ভিতৰত সর্ববৃহৎ ঔপনিৱেশিক ৰাষ্ট্ৰ হৈ পৰিছিল।

১২) ক্ষেত্ৰীয় পুনর্বিন্যস্তেকৰণৰ লগতে ভিয়েনা প্ৰতিনিধি সম্মিলনত দাস প্ৰথাৰ অৱলুপ্তিৰ ঘোষণা কৰিছিল। ফ্রান্স, হ'লেণ্ড আৰু ছুইডেনে ১৮১৫ চনতেই দাস ক্ৰয়- বিক্ৰয়ৰ প্ৰথা বিলোপ কৰিছিল যদিও স্পেইনত ১৮২০ চনলৈকে এই প্ৰথা প্ৰচলিত আছিল।

১৩) কংগ্ৰেছে নেপোলিয়নৰ প্ৰভাৱৰ অধীনত জার্মান ৰাষ্ট্ৰই ইহুদীসকলক প্ৰদান কৰা নাগৰিক অধিকাৰবোৰ বর্তি থকাটোও সুনিশ্চিত কৰিছিল।

১৪) ভিয়েনা প্ৰতিনিধি সম্মিলনে আন্তঃৰাষ্ট্ৰীয় নদীবোৰত জাহাজ চলাচলৰ মুক্ত ব্যৱস্থা গঢ়ি তোলাৰ ঘোষণা আগবঢ়াইছিল।

- **তাৎপর্য**

সমবেত কূটনীতিবিদসকলৰ বাবে ১৮১৪-১৫ৰ ভিয়েনা প্ৰতিনিধি সম্মিলন এক গুৰুত্বপূর্ণ সাফল্য আছিল। ইয়ে প্ৰথম আন্তর্জাতিক সভা আছিল যিয়ে ইউৰোপলৈ শান্তি ঘূৰাই আনিবলৈ প্ৰয়াস কৰিছিল। বিজয়ীসকলৰ মাজত যুদ্ধৰ পুৰস্কাৰসমূহ বিতৰণ কৰাৰ উপৰি এই প্ৰতিনিধি সম্মিলনে অশান্তজর্জৰ ইউৰোপ মহাদেশত শান্তি প্ৰতিষ্ঠাৰ বাবে স্থায়ী মীমাংসা এটা কৰিবলৈ প্ৰয়াস কৰিছিল। এনে মীমাংসা লৈ অহাৰ ক্ষেত্ৰত যিমান সম্ভৰ আপোচকামী উপাদানৰ প্ৰয়োগ ঘটোৱা হৈছিল আৰু ফ্রান্স তথা অন্যান্য বিজিত দেশৰ ওপৰত কঠিন চর্তাৱলী প্ৰয়োগ কৰা হোৱা নাছিল। তদুপৰি ক্ষেত্ৰীয় পুনর্বিন্যস্তকৰণ ক্ষেত্ৰত ভিয়েনা প্ৰতিনিধি সম্মিলনে জাতীয়তাৰ ভাৱধাৰাক অৱজ্ঞা কৰিছিল। তৎস্বত্বেও ভিয়েনাৰ শান্তি মীমাংসাই ১৮১৫-১৯১৪ৰ চনলৈ ৯৯ বছৰ ধৰি ইউৰোপত শান্তি অনাত সফল হৈছিল।

ভিয়েনা চুক্তিৰ সমালোচকসকলে ফৰাচী বিপ্লৱৰ ফলত উত্থান ঘটা উদাৰবাদী আৰু জাতীয়তাবাদী শক্তিবোৰক আওকাণ কৰা বুলি ভিয়েনা কংগ্ৰেছৰ সদস্য ৰাজনীতিকসলক জগৰীয়া কৰিছিল। ভিয়েনা কংগ্ৰেছে অঞ্চবোৰৰ পুনউপযোজনৰ সময়ত জাতীয়তাবাদী আৱেগক আওকাণ কৰাৰ বাবে ফ্রান্সত হিংসাত্মক কার্যকলাপ বৃদ্ধি পাইছিল। পৰৱর্তী সময়ত তৃতীয় নেপোলিয়নে ভিয়েনা চুক্তি ভংগ কৰাটোক তেওঁৰ বিদেশ নীতিৰ

এক প্ৰধান উদ্দেশ্য কৰি লৈছিল।

ভিয়েনা চুক্তিৰ সবাতোকৈ প্ৰভাৱশালী সমালোচক গৰাকী হ'ল ছাৰ ছাৰ্লচ ৰেবষ্টাৰ। তেওঁৰ সমালোচনা কৰা প্ৰধান কথা দুটা হ'ল- কংগ্ৰেছে স্বনিয়ন্ত্ৰিত চৰকাৰৰ ধাৰণাটোক হতোৎসাহিত কৰিছিল আৰু নিৰস্ত্ৰীকৰণৰ দৰে সমস্যা সমাধানত ব্যৰ্থতা প্ৰ দৰ্শন কৰিছিল। তেওঁৰ মতে কংগ্ৰেছৰ সদস্য ৰাজনীতিকসকলৰ নিজৰ ওপৰত বিশ্বাস আৰু সাহস কম আছিল। তেওঁলোকে নিজৰ সংকীৰ্ণ দৃষ্টিভংগী আৰু অন্য দুৰ্বলতাবোৰ বাবে আপোচ কৰিবলৈ তথা সোনকালে চুক্তি সম্পাদন কৰিবলৈ তৎপৰ আছিল।

এডাম ঝাম'অস্কিৰ মতে কংগ্ৰেছত গোট খোৱা ৰাজনীতিকসকলে জাতীয়তাবাদী আবেগ সম্পৰ্কে সম্পূৰ্ণ সচেতন আছিল। কিন্তু তেওঁলোকে ইয়াক আওকান কৰাটোকে শ্ৰেয় বুলি ধৰি লৈছিল। ফলত তেওঁলোকে গণতান্ত্ৰিক ধাৰণাৰ নতুন শক্তিবোৰক স্বীকৃতি দিয়াত ব্যৰ্থ হৈছিল। এই কথাই জাৰ্মান আৰু ইটালিয়ানসকলক অসন্তুষ্ট কৰিছিল। কংগ্ৰেছৰ সদস্যসকলে শান্ত-সমাহিত মনোভাৱেৰে সকলোবোৰ জাতীয় আবেগজড়িত স্বাৰ্থ একাষৰীয়া কৰি থৈ ক্ষমতাৰ ভাৰসাম্য আৰু ৰাজবংশীয় স্বাৰ্থবোৰ সুনিশ্চিত কৰাত গুৰুত্ব দিছিল। 'প্ৰাচীন ৰাজ্যশাসক পদ্ধতি' (Old Regime) ৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি তেওঁলোকে ৰাজবংশ আৰু ৰাষ্ট্ৰৰ স্বাৰ্থত চিন্তা কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমুহৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ৫ ঃ পেৰিছ চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল?

.....

প্ৰশ্ন নং ৬ ঃ ভিয়েনা কংগ্ৰেছ কাৰ সভাপতিত্বৰ অধীনত বহিছিল?

.....

প্ৰশ্ন নং ৭ ঃ ভিয়েনা কংগ্ৰেছৰ বাবে ভিয়েনাক নিৰ্ধাৰিত স্থান হিচাপে কিয় বাছি লোৱা হৈছিল?

.....



৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা আমি জানিব পাৰিলো যে —

- ইউৰোপৰ ভৱিষ্যৎ শান্তি বৰ্তাই ৰখাৰ দুটা মহৎ প্ৰচেষ্টাৰ নাম হ'ল ভিয়েনা কংগ্ৰেছ আৰু ইউৰোপীয় সংহতি।
- এই মিত্ৰশক্তিবোৰৰ পতন ঘটাৰ কাৰণ আছিল পাৰস্পৰিক ঈৰ্ষা আৰু স্বাৰ্থজড়িত বিষয়ৰ

সৃষ্টি হোৱা সংঘাত। এনে মিত্রশক্তিয়ে আয়োজন কৰা সম্মিলনত ভাগ লোৱা সৰ্বাধিক প্ৰভাৱশালী ৰাজনৈতিক শক্তি (প্ৰধানতঃ অষ্ট্ৰিয়া, ৰাছিয়া, প্ৰুছিয়া আৰু বৃটেইন) বোৰে নিজ নিজ স্বাৰ্থ পূৰণৰ চেষ্টা কৰিছিল।

- ভিয়েনা কংগ্ৰেছৰ তাৎপৰ্য শান্তি স্থাপনৰ ক্ষেত্ৰত ইয়াৰ ভূমিকাত নিহিত আছিল। কিন্তু একে সময়তে কংগ্ৰেছৰ সদস্য ৰাজনীতিকসকলে সেই সময়ছোৱাৰ জাতীয়তাবাদী আবেগৰ প্ৰতি মনোযোগ দিয়াত ব্যৰ্থ হোৱা বাবে সমালোচনাৰো মুখামুখি হৈছিল।



৫.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Hayes, C.J.H. (1963). *Modern Europe to 1870*. New York, USA : Macmillan

2) Phukan, Meenaxi (2000). *Rise of Modern West*. New Delhi, India: Macmillan

3) Thomas, D. (1962). *Europe Since Napoleon*. London, UK: Longman



৫.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ ১৮১৪ চন

২ নং প্ৰশ্ন উত্তৰ ঃ মেটাৰনিক্

৩ নং প্ৰশ্ন উত্তৰ ঃ কাৰণ নেপোলিয়ন বোনাপার্টক ক্ষমতাৰ পৰা ওফৰোৱাত অষ্ট্ৰিয়াই নিৰ্ণায়ক ভূমিকা পালন কৰিছিল।

৪ নং প্ৰশ্ন উত্তৰ ঃ ইংলেণ্ড, অষ্ট্ৰিয়া, প্ৰুছিয়া আৰু ৰাছিয়া

৫ নং প্ৰশ্ন উত্তৰ ঃ অষ্ট্ৰিয়াৰ চেন্সেলৰ কৌন্‌টিজ্।

৬ নং প্ৰশ্ন উত্তৰ ঃ তুৰস্কৰ চুলতানক।

৭ নং প্ৰশ্ন উত্তৰ ঃ ১৮২৫ চন



৫.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

(i) ইউৰোপৰ ৰাজনৈতিক মানচিত্ৰ পুনৰ্গঠনত ভিয়েনা কংগ্ৰেছৰ সদস্য কূট নীতিবিদসকলক দিক্‌নিৰ্দেশনা প্ৰদান কৰা নীতি তিনিটা কি আছিল ?

(ii) ইউৰোপীয় সংহতিয়ে অনুষ্ঠিত কৰা সন্মিলন চাৰিখনৰ নাম লিখক।

(iii) এ-লা-ছেপল্‌ কেতিয়া স্বাক্ষৰিত হৈছিল ?

(iv) ভিয়েনা কংগ্ৰেছৰ সদস্য ইউৰোপীয় শক্তিবোৰে ফ্ৰান্সৰ প্ৰতি কেনে আচৰণ প্ৰদৰ্শন কৰিছিল ?

(v) দ্বিতীয় পেৰিছ চুক্তিৰ (১৮১৫) চৰ্তবোৰ কি আছিল ?

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

(i) 'ৰাষ্ট্ৰবোৰৰ মাজৰ যুদ্ধ' বুলিলে কি বুজে চমুকৈ বৰ্ণনা কৰক।

(ii) ইউৰোপীয় সংহতিৰ গুৰুত্ব কি আছিল।

(iii) ভিয়েনা কংগ্ৰেছত চুইছ মহাসংঘৰ কি ঘটিছিল।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

(i) পবিত্ৰ মৈত্ৰীৰ তাৎপৰ্য ব্যাখ্যা কৰক।

(ii) ইউৰোপীয় সংহতিৰ বিফলতাৰ কাৰণবোৰ লিখক।

(iii) ভিয়েনা কংগ্ৰেছৰ চৰ্তসমূহ আলোচনা কৰক। এই ব্যৱস্থাক লৈ ইউৰোপীয় শক্তিবোৰ কিমানখিনি সন্তুষ্ট আছিল ?

*** ***** ***

অধ্যায় ৬ ঃ জার্মানী আৰু ইটালীৰ একত্রিতকৰণ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ জার্মানীৰ একত্রিতকৰণ
৬.৩.১ মেট্টাৰনিচ্চ আৰু তেওঁৰ নীতি
৬.৩.২ জার্মান মহাসংঘ
৬.৩.৩ ১৮৪৮ চনৰ ফ্রেংকফর্ট অধিৱেশন
৬.৩.৪ বিচমার্ক আৰু আধুনিক জার্মানী
৬.৪ ইটালীৰ একত্রিতকৰণ
৬.৪.১ ভিয়েনা কংগ্রেছ আৰু ইটালী
৬.৪.২ কার্বেনেৰী, মাঝিনী, গেৰিবল্ডী আৰু কেভ'ৰ
৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৬.৬ অধিক জানিবলৈ
৬.৭ অগ্রগতিৰ খতিয়ান
৬.৮ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাচত আপুনি —

- ইটালী একত্রিতকৰণ আন্দোলনৰ পৃষ্ঠভূমি আলোচনা কৰিব পাৰিব
- ইটালী একত্রিতকৰণত জড়িত প্রখ্যাত ব্যক্তিসকলৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব
- জার্মানীৰ একত্রিতকৰণত মেট্টাৰনিচ্চ আৰু বিচমার্কৰ ভূমিকা বর্ণনা কৰিব পাৰিব।

৬.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি ভিয়েনাত বহা সন্মিলনত গঢ় লোৱা শান্তি চুক্তি আৰু ভিয়েনা কংগ্রেছৰ পৰৱর্তী কালত গঠিত বিভিন্ন মিত্রজোঁট সম্পর্কে আলোচনা কৰিলো। অধ্যায়টিত ভিয়েনা কংগ্রেছৰ চর্তসমূহৰ লগতে ইউৰোপীয় দেশবোৰত ইয়াৰ তাৎপর্যৰ বিষয়েও বহলাই আলোচনা কৰা হৈছি।

এই অধ্যায়ত ইটালী আৰু জার্মানীৰ একত্রিতকৰণৰ প্রক্রিয়া দুটা আলোচনা কৰা হ'ল। জাতীয়তাবাদী মনোভাৱৰ উত্থানৰ লগে লগে মানুহৰ মনত গঢ় লোৱা প্রত্যাশা আৰু দুয়োটখন দেশ একত্রিত কৰাত সংশ্লিষ্ট নেতাসকলৰ ভূমিকাৰ ওপৰতো অধ্যয়টিত আলোকপাত কৰা হৈছে।

৬.৩ জার্মানীৰ একত্রিকৰণ

বহুকেইখন ৰাজকীয় প্রদেশেৰে জার্মানী ৰাষ্ট্রখন গঠিত আছিল। এই প্রদেশবোৰৰ শাসকসকলে নিজৰ মাজত প্রভূত্ব স্থাপনৰ বাবে যুঁজ-বাগৰ কৰিছিল। ফৰাচী বিপ্লৱৰ ধাৰণাই জার্মানসকলৰ মনতো জাতীয়তাবাদী প্রত্যাশাৰ জন্ম দিছিল। কিন্তু ভিয়েনা কংগ্রেছৰ চুক্তিয়ে জার্মানীৰ একত্রিতকৰণৰ সকলো সুযোগত বিধি-পথালি দিছিল। ক্ষমতাৰ পৰা অপসাৰিত হোৱা যুৱৰাজসকলক পুনৰ ক্ষমতা ওভটাই দিয়া হৈছিল আৰু সকলোবোৰ জাতীয়তাবাদী কার্যকলাপকে শক্তিশালী প্রতিক্রিয়াশীল ব্যৱস্থাৰ জৰিয়তে দমন কৰা হৈছিল। এনেকৈয়ে দেশখনত আগৰেপৰা চলি থকা স্থানীয় বিভাজন ব্যৱস্থা পুনৰবাৰ প্রচলিত হৈছিল আৰু অষ্ট্রিয়াই জার্মানীৰ প্রদেশবোৰ নিয়ন্ত্রণ কৰাৰ অধিকাৰ লাভ কৰিছিল।

৬.৩.১ মেট্টাৰনিচ্চ আৰু তেওঁৰ নীতি

১৮১৫ চনত ভিয়েনাত মেট্টাৰনিচ্চে এটা গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। তেওঁ ইউৰোপক ফ্রান্স আৰু ৰাছিয়াৰ আক্রমণৰ পৰা ৰক্ষা কৰাৰ কিছুমান প্রয়োজনীয় ব্যৱস্থা গ্রহণৰ পৰামর্শ দিছিল মেট্টাৰনিচ্চ (Metternich) বিপ্লৱৰ প্রতি মুঠেও সহনশীল নাছিল। তেওঁ যিকোনো প্রকাৰৰ সংস্কাৰ আন্দোলনৰ ঘোৰ বিৰোধী আছিল। তেওঁ যিকোনো স্ব-নির্ধাৰণ অধিকাৰ বিষয়ক সংগ্রাম নাইবা আন্দোলন মষিমূৰ কৰিবলৈ সকলো ধৰণৰ প্রচেষ্টা চলাইছিল। তেওঁ প্রাচীন শাসন ব্যৱস্থা পুনঃপ্রৱর্তনৰ পোষকতা কৰিছিল। মেটাৰনিকে যুদ্ধৰ পাচত ইউৰোপীয় শক্তিবোৰৰ পুনৰ সংস্থাপনৰ বাবে এটা নতুন ৰাজনৈতিক ধাৰণা সৃষ্টি কৰিছিল।

১৮১৪-৪৮ চনলৈ ক্লীম'ণ্ট ভন মেট্টাৰনিচ্চ আছিল ইউৰোপৰ সবাতোকৈ প্রভাৱশালী সংৰক্ষণবাদী ৰাজনীতিক। তেওঁ অষ্ট্রিয়ান সাম্রাজ্যৰ কাম-কাজবোৰত আধিপত্য বিস্তাৰ কৰিছিল, তেঁও প্রায়েই জার্মান মহাসংঘ (সংহতি) আৰু ইটালীয়ান প্রদেশবোৰৰ নীতি নির্ধাৰণ কৰিছিল আৰু ইউৰোপীয় সংহতি (The Concert of Europe) ৰ মাধ্যমেৰে আন্তর্জাতিক সম্পর্কেবোৰৰ আর্হিক প্রত্যক্ষভাৱে প্রভাৱিত কৰিছিল। কিছুমান ইতিহাসবিদে ক'ব খোজে যে তেওঁ 'মেট্টাৰনিচ্চ প্রণালী' (the Metternich System) নামেৰে জনাজাত হোৱা এটা কার্য সম্পাদন পদ্ধতি উদ্ভাৱন কৰিছিল। এই প্রণালীটোৱে ইউৰোপীয় ৰাজতন্ত্রবোৰৰ মাজত মিত্রতা স্থাপন কৰি ১৮১৫ চনৰ সন্ধিখন বর্তাই ৰাখিবলৈ মেট্টাৰনিচ্চ চলোৱা প্রয়াসবোৰৰ প্রতিনিধিত্ব কৰিছিল। তেওঁৰ প্রণালীটোৱে প্রদেশ এখনৰ ভিতৰত গঢ় লৈ উঠা জাতীয়তাবাদী আৰু উদাৰবাদী কার্যকলাপবোৰৰ সর্বতোপ্রকাৰে দমন কৰাৰ কৌশলো আবঢ়াইছিল। মেট্টাৰনিচ্চ প্রণালীয়ে সমসাময়িক ইউৰোপত মেট্টাৰনিচ্চ পালন কৰা তাৎপর্যপূর্ণ ভূমিকাটো প্রতিফলিত কৰিছিল।

৬.৩.২ জার্মান মহাসংঘ

মধ্য ইউৰোপৰ ক্ষমতাত অধিস্থিত শক্তিবোৰে মিলি ১৮১৫ চনৰ ভিয়েনা সন্মিলনতে জার্মান মহাসংঘ (the German Confederation) গঠন কৰিছিল। মহাসংঘই ১৮০৬ চনত বিলুপ্তি ঘটা পবিত্র ৰোমান সাম্রাজ্যৰ স্থান দখল কৰিব বুলি ভবা হৈছিল। মহাসংঘ গঠনৰ সময়তেই সিদ্ধান্ত লোৱা হৈছিল যে হাবচ্বার্গ ৰাজতন্ত্রৰ অনুকূলে যোৱাকৈ 'জার্মানীৰ প্রশ্ন'টো বিচাৰ-বিবেচনা কৰি চোৱা হ'ব। জার্মান ৰাষ্ট্রৰ প্রশ্নটো বিবেচনা কৰি চোৱাৰ দুটা সম্ভাব্য উপায় বিচাৰি উলিওৱা হৈছিল। প্রথম উপায়টো আছিল হেবচ্বার্গ ৰাজতন্ত্রৰ যিবোৰ অংশ অতীজৰ পবিত্র- ৰোমান সাম্রাজ্যৰ অধীন আছিল নাইবা যিবোৰ অঞ্চলত জার্মান বাসিন্দা আছে সেই অংশবোৰৰ লগতে সমগ্র জার্মান প্রদেশবোৰ একত্রিত কৰা আৰু দ্বিতীয় উপায়টো আছিল হাবচ্বার্গ নিয়ন্ত্রণাধীন অঞ্চলবোৰ বাদ দি এক সংঘৰাষ্ট্র গঠন কৰা। ইয়াৰে প্রথম উপায়টোক 'বৃহত্তৰ জার্মান সমাধান' (the greater German solution) বুলি মাজে সময়ে উল্লেখ কৰা হৈছিল। ইয়াক কেথ'লিক ধর্মাৱলম্বী হাবচ্বার্গৰ আধিপত্য অক্ষুণ্ণ ৰখাৰ স্বার্থত জন্ম দিয়া হৈছিল। দ্বিতীয় উপায়টোক 'ক্ষুদ্র জার্মান সমাধান' (the Smaller German solution) বোলা হৈছিল। ই প্রটেষ্টাণ্ট ধর্মাৱলম্বী প্রুছিয়ান হোহেনজোলার্ন সকলৰ অনুকূল আছিল। ঊনবিংশ শতিকাৰ দ্বিতীয়ার্দ্ধত আৰম্ভ হোৱা জার্মানীৰ একত্রিতকৰণ প্রক্রিয়াত দ্বিতীয় আর্হিটোৱে অগ্রাধিকাৰ পোৱা নাছিল। ভিয়েনা কংগ্রেছে বৃহত্তৰ জার্মান সমাধানৰ ধাৰণাটোক বাস্তৱ ৰূপ দিয়াৰ পোষকতা কৰিছিল।

জার্মান মহাসংঘই পুৰণি ৰাজতন্ত্র (the Old Reich) অধীনস্থ অঞ্চলবোৰৰ লগতে অন্য অঞ্চলকো সামৰি লৈছিল। ই আছিল সার্বভৌম ৰাজ্যবোৰৰ এটা মাহজোঁট। অষ্ট্রিয়াৰ প্রতিনিধিবর্গৰ নেতৃত্বত এই মহাসংঘৰ সংসদ খন (the Federal Assembly Bundestag) বহিছিল ফ্রেংকফর্ট এম মেইনত। মহাসংঘৰ ভেটিটো স্থাপনৰ সময়তে 'জার্মান প্রশ্ন' (জার্মানী গঠনৰ সমস্যা) টোৰ সমাধান অন্বেষণৰ কামটো প্রায় দুটা প্রজন্ম পিচুৱাই দিয়া হৈছিল। ১৮৬৬ চনত কোনিগ্রাটঝ্ৰ ৰণত অষ্ট্রিয়া পজাজিত নোহোৱা পর্যন্ত এই বিষয়ত কোনো নির্ণায়ক দিশ পৰিৱর্তন ঘটা নাছিল।

৬.৩.৩ ১৮৪৮ চনৰ ফ্রেংকফর্ট অধিৱেশন

১৮৬৬ চনতফ্রান্সত হোৱা ফ্রেব্রুৱাৰী বিপ্লৱৰ পাচত জার্মানীৰ বিভিন্ন অঞ্চলত বিক্ষিপ্ত বিদ্রোহাত্মক কার্যকলাপ আৰম্ভ হৈছিল। ১৮৪৮ আৰু ১৮৪৯ চনত জার্মানীৰ উদাৱবাদী সকলে ৰাষ্ট্রীয় একতা স্থাপনৰ বাবে ঐকান্তিক প্রচেষ্টা চলাইছিল। তেওঁলোকে ফ্রেংকফুর্টত এখন ৰাষ্ট্রী সংসদৰ অনুস্থিত কৰাৰ আহ্বান জনাইছিল। কিন্তু সার্বভৌম শক্তিবোৰৰ মাজত অগ্রণী শক্তি অষ্ট্রিয়া আৰু প্রছিয়াই এই আহ্বান অগ্রাহ্য কৰিছিল।

পুৰণি মহাসংঘ পুনৰ সক্রিয় হৈ পৰিছিল আৰু ১৮৫১ চনৰ মে' মাহত মহাসংঘৰ অধিৱেশন বহিছিল। এই কার্যই জার্মানীৰ একত্রিতকৰণৰ আশা ধূলিস্যাৎ কৰিছিল যদিও ইয়াৰ কিছু সুফলো দেখিবলৈ পোৱা গৈছিল।

- এইখিনি সময়তে সকলোৱে বুজি উঠিছিল যে অষ্ট্রিয়া জার্মানীৰ চৰম কর্তৃত্ব হৈ থকালৈকে আৰু ই ফেডাৰেল ডায়েট ব্যৱস্থাৰ জৰিয়তে জার্মানীক নিয়ন্ত্রণ কৰি থকালৈকে জার্মানীৰ একত্রিতকৰণৰ ধাৰণাটোৱে বাস্তৱ ৰূপ ল'ব নোৱাৰে।
- সকলোৱে এয়াও বুজি উঠিছিল যে জার্মানীৰ একতাৰ ধাৰণাটোক কেন্দ্র কৰি জার্মান যুৱৰাজসকলক একেলগ কৰিব নোৱাৰিলে দেশখনৰ সংস্কাৰ সাধন কৰিব খোজা সকলোবোৰ প্রচেষ্টা ব্যর্থ হ'ব।
- ১৮৪৮ চনৰ একত্রিতকৰণৰ প্রয়াস বিফল হোৱাৰ পাচত স্পষ্ট হৈ পৰা আন এটা কথা আছিল যুৱৰাজসকলৰ নির্দেশবিহীন এক জনপ্রিয় আন্দোলনৰ সূচনা নকৰিলে জার্মানীৰ একত্রিতকৰণৰ ধাৰণাটো কেতিয়াও বাস্তৱ নহ'ব।



জানি থোৱা ভাল

জার্মানীৰ একত্রিতকৰণৰ বাবে তিনিটা প্রধান কাম কৰাটো আৱশ্যকীয় হৈ পৰিছিল। ইয়াৰে প্রথমটো আছিল জার্মান মহাসংঘৰ বিলোপ সাধন; দ্বিতীয় কামটো আছিল জার্মানীৰ ওপৰত থকা অষ্ট্রিয়াৰ আধিপত্য নাইকিয়া কৰা আৰু তৃতীয় কামটো আছিল এখন ৰাজনৈতিকভাৱে অখণ্ড জার্মানীৰ ধাৰণাটো গ্রহণ কৰিব পৰাকৈ যুৱৰাজসকলৰ পতিয়ন নিয়াবলৈ তেওঁলোকৰ মাজৰ সম্পর্কবোৰত নতুন সমাযোজন স্থাপন কৰা।

কিন্তু অষ্ট্রিয়াক জার্মানীৰ পৰা খেদি পঠিয়াবলৈ অষ্ট্রিয়াৰ স্থানত গ্রহণ কৰি দেশখনক শাসন কৰিব পৰা এজন নতুন নেতাৰ প্রয়োজন হৈছিল। এই নেতাজনে জাতীয়তাবাদী সকলৰ প্রত্যাশা পূৰণ কৰিব পাৰিব লাগিব। প্রুছিয়াক এই নেতৃত্ব বহন কৰিব পৰা উত্তম বিকল্প বুলি গণ্য কৰা হৈছিল। দুবাৰকৈ বিশ্বাসঘাতকতা কৰা সত্বেও প্রুছিয়াকেই জার্মান একতা অক্ষুণ্ণ ৰাখিব পৰা স্বাভাৱিক নেতা বুলি বিবেচনা কৰা হৈছিল। প্রুছিয়াৰ ওপৰত থকা বিশ্বাস স্বাভাৱিক হোৱাৰ কাৰণ আছিল ঐতিহাসিকভাৱে ই নেপোলিয়ন বোনাপার্টৰ বিৰুদ্ধে থিয় দিছিল আৰু প্রুছিয়াৰ সৈন্যদলে সমগ্র জার্মানীৰ বাবে সাহসেৰে যুঁজিছিল। প্রুছিয়াৰ অর্থনৈতিকভাৱে নেতৃত্ব দিবপৰা গুণটোৱেও দেশখনক ৰাজনৈতিক নেতৃত্ব দিয়াৰ বাবে যোগ্য কৰি তুলিছিল। প্রুছিয়াৰ আনকি এখন সংবিধানো আছিল আৰু তেওঁলোকে এখন সংসদো গঠন কৰিছিল। সেয়েহে জার্মানীৰ দেশপ্রেমিক আৰু জাতীয়তাবাদীসকলে দেশখনৰ একত্রিতকৰণত প্রুছিয়াৰ নেতৃত্বক লৈ আশাবাদী হৈ পৰিছিল।

আন্তর্জাতিক পৰিস্থিতিও সেই সময়ত প্রুছিয়াৰঅনুকূল আছিল। ক্রিমিয়ান যুদ্ধই ৰাছিয়াক অষ্ট্রিয়াৰ পৰা পৃথক কৰি প্রুছিয়াৰ বন্ধু কৰি তুলিছিল। আকৌ ১৮৬১ চনত চতুর্থ ফ্রেডেৰিক

ৱিলিয়ামৰ পাচত ৰাজপাটত বহা প্রথম ৱিলিয়াম (১৭৯৭-১৮৮৮)ৰ বাবেও প্রুছিয়ালৈ আন কে পৰিৱর্তন আহিছিল। ৰাজ পাটত বহাৰ সময়ত প্রথম ৱিলিয়ামৰ বয়স আছিল ৬৪ বছৰ। তেওঁ প্রুছিয়াক সমগ্র জার্মানীৰ নেতাৰূপে চাবলৈ বিচাৰিছিল। তেওঁৰ জীৱনকালৰ অধিকাংশ সময়েই সেনাবাহিনীৰ দায়িত্ব পালনত শেষ হৈছিল। তেওঁ সৈনিকৰ কামটো অত্যন্ত ভাল পাইছিল। প্রথম ৱিলিয়ামে বিশ্বাস কৰিছিল যে সেনাবাহিনীৰ শৌর্য-বীর্যৰ ওপৰতে প্রুছিয়াৰ ভাগ্য নির্ভৰশীল। তেওঁ সেইবাবে দেশখনৰ সেনাধিনায়কৰূপে ভন ম'ল্টকি, সমৰ মন্ত্রীৰূপে ভন ৰুন আৰু মন্ত্রী-সভাপতিৰূপে বিচমার্কৰ দৰে দক্ষ লোকক নিযুক্তি দিছিল। প্রথম ৱিলিয়ামে অধিগ্রহম অধিকাৰ দাবী কৰিছিল যদিও দেশৰ সংসদে তেওঁৰ দাবী অগ্রাহ্য কৰিছিল। ৰজাক সংসদ বিলোপ কৰিবলৈ আহ্বান জনোৱা হৈছিল যদিও সংবিধানক সমর্থন কৰিব বুলি প্রতিজ্ঞা কৰা বাবে তেওঁ এই কার্যত সন্মতি জনোৱা নাছিল। প্রথম ৱিলিয়ামে প্রুছিয়াক ইউৰোপৰ সবাতোকৈ শক্তিশালী ৰাষ্ট্র গঢ়ি তুলিব খুজিছিল।

৬.৩.৪ বিচমার্ক আৰু আধুনিক জার্মানী

প্রুচিয়াৰ ইতিহাসৰ এছোৱা জটিল সময়ত ১৮৬২ চনৰ ২৩ ছেপ্টেম্বৰত অট্ট'ভন বিচমার্কে মন্ত্রী-সভাপতিৰূপ কার্যভাৰ গ্রহণ কৰিছিল। বিচমার্কৰ কাম আছিল প্রুছিয়াৰ সংসদক নিয়ন্ত্রণ কৰা। কাৰণ সংসদে প্রুছিয়ান সেনাবাহিনীক অধিক শক্তিশালী কৰি তুলিবলৈ ৰজাই অনুমোদন কৰিব খোজা বাজেট প্রস্তাৰ এটা নাকচ কৰিছিল। বিচমার্কে বিশ্বাস কৰিছিল যে এখন যুদ্ধৰ জৰিয়তেহে জার্মানীৰ একত্রিতকৰণৰ ধাৰণাটো বাস্তৱ কৰিব পৰা যাব। সেয়েহে দেশখনৰ সেনাবাহিনীৰ সংস্কাৰ সাধন কৰাৰ ক্ষেত্রত তেওঁ ৰজাৰ সৈতে একমত আছিল। তেওঁ উপলব্ধি কৰিছিল যে জার্মানীৰ একত্রিতকৰণ প্রক্রিয়াত নেতৃত্ব দিবলৈ হ'ল প্রুছিয়াৰ সৈন্যবাহিনী শত্রুপক্ষৰ সৈন্যবাহিনীতকৈ অধিক শক্তিশালী আৰু ক্ষমতাশালী হ'ব লাগিব। ইয়াৰ বাবে কূটনৈতিক প্রস্তুতিৰো প্রয়োজন হ'ব। বিচমার্কে ৰজা প্রথম ৱিলিয়ামক জার্মান যুৱৰাজসকলৰ অধিৱেশনত উপস্থিত থকাৰ পৰা বিৰত ৰাখিবলৈ সফল হৈছিল। ফলত কিছুমান সংঘৰাষ্ট্রীয় সংস্কাৰ সাধনৰ জৰিয়তে পুনৰ জার্মানীৰ নেতাহ'বলৈ অষ্ট্রিয়াই চলোৱা চেষ্টা ব্যর্থ হৈছিল।

বিচমার্কৰ মহান সপোন 'প্রুছিয়াৰ নেতৃত্বৰ অধীনত জার্মানীৰ একত্রিতকৰণ'ক বাস্তৱ ৰূপ দিবলৈ অষ্ট্রিয়াৰ সৈতে যুদ্ধত লিপ্ত হোৱাটো আৱশ্যকীয় হৈ পৰিছিল। ১৮৬৩ চনত শ্বলেচ্ৱিগ- হোলষ্টেইন সমস্যাটো পুনৰ গা কৰি উঠাৰ লগে লগে বিচমার্কে বিচাৰি ফুৰা সুযোগ আহি পৰিল। শ্বলেচ্ৱিগ আৰু হোলষ্টেইন আছিল জার্মানীৰ উত্তৰ দিশত থকা ডেনিচ অৱবাহিকা অঞ্চলৰ দুখন ডিউক শাসিত প্রদেশ। ডেনমার্কৰ ৰজা আছিল দুয়োখন প্রদেশৰে ডিউক। কিন্তু দুয়োখন প্রদেশৰে নিজা নিজা আইন-কানুন আৰু প্রাদেশিক অনুষ্ঠান আছিল। ডেনমার্কৰ ৰজা এই আইন আৰু অনুষ্ঠানবোৰ মানি চলিবলৈ বাধ্য আছিল। শ্বলেচ্ৱিগ আছিল ডেনমার্কৰ এখন জায়গীৰ (fief)। আনহাতে

হোলষ্টেইন আছিল জার্মান মহাসংঘৰ সদস্য। দুয়োখন প্রদেশৰে বাসিন্দাসকল আছিল আংশিকৰূপে ভেনিচ আৰু আংশিকৰূপে জার্মান। ডেনিচসকলে দুয়োখন প্রদেশ ডেনমার্কৰ সৈতে আৰু জার্মানসকলে জার্মান মহাসংঘৰ সৈতে চামিল হোৱাটো বিচাৰিছিল।



জানি থোৱা ভাল

ডিউক শাসিত প্রদেশ দুখনত ডেনিচ আৰু জার্মান দুয়োধৰণৰ বাসিন্দা আছিল। ডেনমার্ক আৰু জার্মানী দুয়োখন দেশতে ক্রমে বৃদ্ধি পোৱা জাতীয়তাবাদী ভাৱধাৰাৰ বাবে প্রদেশ দুখনৰ পৰিস্থিতি ক্রমে জটিল হৈ পৰিছিল। আনহাতে আগষ্টেনবার্গৰ ডিউকে দুয়োখন প্রদেশকে নিজৰ অধীন বুলি দাবী কৰি পৰিস্থিতি অধিক জটিল কৰি তুলিছিল।

১৮৪৮ চনৰ প্রথমভাগত ডেনমার্কৰ ৰজাই দুয়োখন প্রদেশকে নিজ ৰাজ্যৰ ভিতৰুৱা কৰাৰ চেষ্টা চলাইছিল। কিন্তু প্রুছিয়া আৰু আগষ্টেনবার্গৰ ডিউকে ইয়াৰ বিৰোধিতা কৰাত তেওঁৰ চেষ্টা ব্যর্থ হৈছিল। ১৮৫২ চনৰ লণ্ডন সন্ধিৰ জৰিয়তে প্রদেশ দুখনত ডেনমার্কৰ ৰজাৰ আধিপত্য সুনিশ্চিত কৰা হৈছিল। কিন্তু প্রদেশ দুখনৰ ডেনমার্কৰ সৈতে চূড়ান্ত চামিলকৰণক নিষিদ্ধ কৰা হৈছিল। ১৮৬৩ চনত ডেনমার্কৰ ৰজাই এক সাংবিধানিক দাবী উত্থাপনৰ জৰিয়তে লণ্ডন সন্ধি উলংঘা কৰিছিল। বিচমার্কে তৎক্ষণাত এই কার্যত হস্তক্ষেপ কৰিছিল।

বিচমার্কৰ অষ্ট্রিয়াৰ সৈতে থকা সম্পর্কত যথেষ্ট তিক্ততা আছিল। তেওঁ সেয়েহে ডেনমার্কৰ বিৰুদ্ধে যুঁজিবলৈ প্রুছিয়াৰ সৈতে সফলতাৰে মিত্রতা স্থাপন কৰিছিল। এই মিত্রতাক বিচমার্কৰ এটা গুৰুত্বপূর্ণ কূটনৈতিক সফলতা বুলি গণ্য কৰা হয়। কাৰণ, ডেনমার্কৰ সৈতে অকলে যুদ্ধ কৰিবলৈ প্রুছিয়া অপাৰগ আছিল। দুয়োটা শক্তিয়ে মিলি ডেনমার্কলৈ এক চৰম সঁকিয়নী প্রেৰণ কৰিছিল। কিন্তু ডেনমার্কৰ ৰজাই এই সঁকিয়নী অগ্রাহ্য কৰাত যুদ্ধৰ সূচনা হৈছিল। ১৮৬৪ চনত মিত্রবাহিনীয়ে ডেনমার্ক আক্রমণ কৰিছিল।১৮৬৪ চনৰ অক্টোৱৰ মাহত ভিয়েনাত সম্পন্ন হোৱা এখন সুন্ধিৰ চর্ত অনুসৰি ডেনমার্কৰ ৰজাই দুয়োখন প্রদেশৰ নিয়ন্ত্রণত অষ্ট্রিয়া আৰু প্রুছিয়াৰ যুটীয়া অংশীদাৰত্ব মানি লৈছিল। কিন্তু অতি সোনকালেই দুয়োটা শক্তিৰ মাজত শ্বলেচ্ৱিগ আৰু হোলষ্টেইনক লৈ বিবাদৰ সূত্রপাত হৈছিল। প্রুছিয়াই দুয়োখন প্রদেশৰ প্রতি আগ্রহ প্রদর্শন কৰিছিল। অষ্ট্রিয়া দুয়োখন প্রদেশতে প্রুছিয়াৰ স্থায়ী আধিপত্য স্থাপনৰ বিৰোধী আছিল। ইয়াৰ বিপৰীতে প্রদেশ দুখন নিয়ন্ত্রণ কৰাৰ অধিকাৰ আগষ্টেনবার্গৰ ডিউকক অর্পন কৰিব লাগে বুলি অষ্ট্রিয়াই মত প্রকাশ কৰিছিল। এই জন ডিউকক আকৌ প্রুছিয়াই বেয়া পাইছিল। এই পৰিস্থিতিটোলৈকে বিচমার্কে অপেক্ষা কৰি আছিল। তেওঁ চূড়ান্ত নিষ্পত্তিৰ বিষয়টো পাচলৈ ৰাখি ১৮৬৫ চনৰ গাষ্টেইন সন্ধিৰ জৰিয়তে

সমস্যাটোৰ এটা অস্থায়ী সমাধান বাহিৰ কৰিছিল।

সন্ধিৰ চর্ত অনুসৰি ডেনিচ বাসিন্দাৰ সংখ্যাগৰিষ্ঠতা থকা হোলষ্টেইন প্রদেশখন অষ্ট্রিয়াৰ দখল আৰু প্রশাসনিক কর্তৃত্বৰ অধীনত থাকিব। আনহাতে জার্মান বাসিন্দাৰ সংখ্যাগৰিষ্ঠতা থকা শ্বনেচ্ৰিগ নিয়ন্ত্রণৰ ভাৰ প্রুছিয়াক দিয়া হৈছিল। একেখন সন্ধিতে সকলো পক্ষই এই কথাত সন্মত হৈছিল যে ডিউক শাসিত প্রদেশ দুখনৰ সমস্যাটো কোনেও ডায়েট (সংসদ)ত উত্থাপন নকৰিব। এই সন্ধিখনক বিচমর্কৰ বিচক্ষণ কূটনীতিৰ এক উজ্বল নিদর্শন বুলি ধৰা হয়। হোলষ্টেইনৰ চাৰিওটা সীমা প্রুছিয়াই গেৰি ৰখাৰ সুযোগ গ্রহণ কৰি তেওঁ প্রদেশখনত অষ্ট্রিয়াৰ বিৰুদ্ধে ষড়যন্ত্র ৰচা আৰম্ভ কৰিছিল। ডেনিচসকলে প্রায়েই সমস্যাৰ সৃষ্টি কৰিছিল বাবে হোলষ্টেইন নিয়ন্ত্রণ কৰাত অষ্ট্রিয়াই যথেষ্ট অসুবিধা পাইছিল। সেয়েহে অতীষ্ঠ হৈ তেওঁলোকে সংঘৰাষ্ট্রীয় ডায়েটত আগষ্টেনবার্গৰ ডিউকে দুয়োখন প্রদেশৰ নিয়ন্ত্রণ বিচাৰি কৰা দাবীটো উত্থাপন কৰিছিল। কিন্তু এয়া আছিল গেষ্টেইন সন্ধিৰ উলংঘা। বিচমার্কে পৰিস্থিতিৰ সুযোগ গ্রহণ কৰি অষ্ট্রিয়াক বিশ্বাস ভংগকাৰী বুলি জগৰীয়া কৰি যুদ্ধৰ পটভূমি সৃষ্টি হোৱাৰ ইংগিত দিছিল। কিন্তু অষ্ট্রিয়াৰ সৈতে যুদ্ধত লিপ্ত হোৱাৰ আগতে বিচমার্কে কূটনৈতিকভাৱে প্রুছিয়াক বিদেশী শত্রুৰ আক্রমণৰ পৰা সুৰক্ষিত ৰখাৰ ব্যৱস্থা কৰিছিল। প্রুছিয়াই ৰাছিয়াৰ জাৰক পোলেণ্ডৰ গণ অভ্যুত্থান (১৮৬৩) দমনত সহায় কৰিছিল বাবে দুয়োদেশৰ মাজৰ সৌহর্দপূর্ণ সম্পর্ক দৃঢ় হৈছিল। কিন্তু পোলেণ্ডক সমর্থন কৰি অষ্ট্রিয়াই ৰাছিয়াৰ জাৰৰ সদিচ্ছা হেৰুৱাইছিল। বিচমাকে সম্রাট তৃতীয় নেপোলিয়নৰ পৰা জাতীয়তাবাদী প্রত্যাশাবোৰৰ ক্ষেত্রত সহানুভূতি আদায় কৰি আৰু ৰাইনৰ পাৰ নাইবা বেলজিয়ামৰ অন্তর্গত অঞ্চবোৰৰ নিয়ন্ত্রণ কর্তৃত্ব অর্পন কৰাৰ অস্পষ্ট আশা দেখুৱাই ফ্রান্সক এক নিৰপেক্ষ শক্তিৰ ৰূপ দিছিল। তাৰপাচত তেওঁ ইটালীৰ সৈতে এখন মৈত্রীচুক্তি সম্পাদনৰ বাবে প্রয়োজনীয় আলাপ-আলোচনা আৰম্ভ কৰিছিল। চুক্তিৰ চর্ত মতে যদি তিনি মাহৰ ভিতৰত প্রুছিয়াই অষ্ট্রিয়াৰ বিৰুদ্ধে যুদ্ধৰ সূত্রপাত কৰে তেন্তে ইটালীয়ে প্রুছিয়াক সহায় কৰিব। কিন্তু ইয়াৰ বিনিময়ত বিজয় বঁটাৰূপে ইটালীয়ে ভেনোচিয়া নিয়ন্ত্রণৰ অধিকাৰ লাভ কৰিব।

অষ্ট্রিয়াক এনেদৰে কূটনৈতিকভাৱে এঘৰীয়া কৰি বিচমার্কে প্রুছিয়াৰ ৰজা প্রথম ৱিলিয়ামক অষ্ট্রিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিবলৈ সৈমান কৰাইছিল। সামৰিক আৰু কূটনৈতিক দুয়ো দিশেৰে প্রস্তুত হৈ বিচমার্কে অষ্ট্রিয়াক যুদ্ধৰ বাবে প্রৰোচিত কৰাৰ উদ্দেশ্যেৰে আগবাঢ়িছিল। ডিউকশাসিত প্রদেশ দুখনৰ সমস্যাৰ বিষয়ে অষ্ট্রিয়াই সংঘৰাষ্ট্রীয় ডায়েটক জনোৱাৰ প্রত্যুত্তৰ ৰূপে বিচমার্কে গাষ্টেইন সন্ধিৰ বিলোপ ঘটা বুলি ঘোষণা কৰিছিল। তেওঁ হোলষ্টেইনলৈ সৈন্য পঠিয়াই অষ্টিয়ানসকলক বিতাড়িত কৰিছিল। প্রুছিয়াৰ এই হিংসাত্মক কার্যকলাপত ক্ষুব্ধ হৈ অষ্ট্রিয়াই নিজৰ সৈন্যবাহিনী সংগঠিত কৰাৰ কাম আৰম্ভ কৰিছিল। এই সময়খিনিতে প্রুছিয়াই অষ্ট্রিয়াক বাদ দি

সার্বজনীন গণভোটৰ জৰিয়তে জার্মান মহাসংঘৰ সংস্কাৰ সাধনৰ প্রস্তাৱ দিছিল। অষ্ট্রিয়াই এই সংস্কাৰ প্রস্তাৱ নাকচ কৰিছিল আৰু হোলষ্টেইনত অষ্ট্রিয়াৰ অধিকাৰ খর্ব কৰাৰ দোষত প্রুছিয়াক শাস্তি বিহাৰ উদ্দেশ্যেৰে ডায়েটক সংঘৰাষ্ট্রীয় শক্তিবোৰক সংগঠিত কৰাৰ গোহাৰি জনাইছিল।

১৮৬৬ চনৰ অষ্ট্রি'-প্রুছিয়ান যুদ্ধ ঃ

প্রুছিয়াই মহাসংঘৰ পৰা নিজৰ নাম প্রত্যাহাৰ কৰি আত্মৰক্ষাৰ বাবে প্রয়োজনীয় বুলি ঘোষণা কৰি অষ্ট্রিয়াৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰিলে। ১৮৬৬ চনৰ জুন মাহত যুদ্ধ আৰম্ভ হ'ল। এইখন আছিল ইতিহাসত লিপিৱদ্ধ নিচেই কমদিনীয়া যুদ্ধবোৰৰ এখন। ১৮৬৬ চনৰ ১৬ জুনত আৰম্ভ হোৱা যুদ্ধখনৰ ৩ জুলাইত সামৰণি পৰিছিল। প্রুছিয়াৰ সৈতে কোনো গুৰুত্বপূর্ণ জার্মান মিত্রপ্রদেশ নাছিল। আনহাতে অষ্ট্রিয়ালৈ হেচে-কাচেন, বাভাৰিয়া, চেক্স'নী আৰু প্রায় আটাইবোৰ জার্মান প্রদেশে সমর্থন আগবঢ়াইছিল। এই প্রদেশবোৰৰ শাসকসকল প্রুছিয়াৰ কাম-কাজৰ আর্হিত শংকিত হৈ পৰিছিল। কিন্তু প্রুছিয়াৰ সামৰিক সংগঠন অতি উচ্চমানৰ আছিল আৰু তেওঁলোকে অতি ক্ষিপ্রতাৰে আক্রমণ কৰিছিল। সহজেট প্রুছিয়ান সৈন্যবাহিনীয়ে দহ দিনৰ ভিতৰত হেচে-কাচেল, বাভাৰিয়া আৰু চেক্স'নী নিজৰ দখললৈ নিছিল। দুসপ্তাহৰ ভিতৰতে তেওঁলোকে আটাইবোৰ জার্মান প্রদেশৰ প্রতিৰোধ ব্যৱস্থা নষ্ট কৰিছিল। তাৰপাচত প্রুছিয়াৰ সৈন্যই অষ্ট্রিয়াক প্রত্যক্ষ আক্রমণ কৰিছিল আৰু চেদ'ৱাত অষ্ট্রিয়ান সৈন্যক সম্পূর্ণৰূপে পৰাজিত কৰিছিল।

অষ্ট্রিয়াৰ বন্ধু বিদেশী ৰাষ্ট্রবোৰে প্রুছিয়াক আক্রমণ কৰিব পাৰে বুলি সন্দেহ কৰি বিচমার্কে তাৎক্ষণিক ভাৱে অষ্ট্রিয়াৰ সৈতে আলাপ- আলোচনা আৰম্ভ কৰি প্রাগ্ সন্ধিৰ জৰিয়তে যুদ্ধৰ ওৰ পেলাইছিল। এই সন্ধিৰ চর্ত অনুসৰি অষ্ট্রিয়াই জার্মানীৰ পৰা নিজকে আঁতৰ কৰিছিল, জার্মান মহাসংঘ বিলুপ্ত কৰাত সন্মতি প্রদান কৰিছিল, ইটালীৰ হাতত ভেনেচিয়াৰ কর্তৃত্ব অর্পন কৰিছিল, প্রুছিয়াক শ্বলেচ্ৱিগ-হোলষ্টেইনৰ নিয়ন্ত্রণ অর্পন কৰিছিল আৰু জার্মানী পুনৰগঠনৰ বাবে প্রুছিয়াই হাতত লোৱা সকলো কামকে স্বীকৃতি প্রদান কৰিবলৈ সন্মত হৈছিল।

জার্মানীৰ পুনর্নির্মাণ ঃ

অষ্ট্রিয়াৰ বিৰুদ্ধে জয়লাভ কৰাৰ পাচত প্রুছিয়া জার্মানীৰ মহাশক্তিত পৰিণত হৈছিল। শ্বলেচ্ৱিগ, হোলষ্টেইন, হেন'ভাৰ, নাচাউ আৰু স্বাধীন ফ্রেংকফুর্ট চহৰখন প্রুছিয়াৰ সৈতে চামিল কৰা হৈছিল। উত্তৰ জার্মানীৰ দিশত প্রুছিয়াৰ সীমা অবিৰতভাৱে বাঢ়ি গৈ আছিল। মাইন নদীৰ উত্তৰপাৰৰ সকলো প্রদেশকে উত্তৰ জার্মান মহাসংঘ নামৰ এক নতুন মহাজোঁটৰ অধীনত একেলগ কৰা হৈছিল। প্রুছিয়াৰ ৰজা আছিল এই মহাসংঘৰ সভাপতি। বিচমার্কে বাভাৰিয়া, বাদেন, ৰাৰটেম বার্গ আৰু দক্ষিণ জার্মানৰ আন বহুতো প্রদেশক নিজাকৈ সিদ্ধান্ত ল'বলৈ দিছিল। অর্থাৎ, অষ্ট্রিয়াক প্রুছিয়াই পৰাজিত

কৰাৰ পাচত জার্মানীৰ একত্রিতকৰণৰ প্রক্রিয়াটো আংশিকভাৱে সম্পুর্ণ হৈছিল।

ফ্রান্স-প্রুছিয়া যুদ্ধ ঃ

জার্মানীৰ একত্রিতকৰণৰ প্রক্রিয়াটো আংশিকভাৱে সম্পূর্ণ হোৱাৰ পাচত বিচমার্কে আধৰুৱা অংশ একত্রিত কৰাৰ কামত মনোনিৱেশ কৰিছিল। সেই সময়ত ফ্রান্স আছিল সবাতোকৈ ক্ষমতাশালী মহাদেশীয় শক্তি। বিচমার্কে জানিছিল যে জার্মানীৰ একত্রিতকৰণক সম্পূর্ণ বাস্তৱ ৰূপ দিবলৈ ফ্রান্সৰ সৈতে যুঁজিবই লাগিব। সেয়েহে তেওঁ ফ্রান্সক কূটনৈতিকভাৱে প্রথমে এঘৰীয়া কৰি লৈছিল। ৰাছিয়া আৰু প্রুছিয়াৰ মাজৰ সম্পর্ক বন্ধুত্বপূর্ণ আছিল। কাৰণ পোলেণ্ডৰ গণ অভ্যুত্থানৰ সময়ত বিচমার্কে ৰাছিয়াৰ প্রতি সহায়ৰ হাত আগবঢাইছিল। ৰাছিয়াই তুৰস্ক সন্দর্ভত লোৱা যুদ্ধ আর্হিৰ প্রতি বিচমার্কে সমর্থন আগবঢ়োৱাৰ ফলত দুয়োখন দেশৰ মাজৰ সম্পর্ক অধিক গাঢ় হৈছিল। প্রছিয়াই চেদ'ৱাৰ যুদ্ধত অষ্ট্রিয়াক পৰাস্ত কৰাৰ পাচতো দেখখনৰ নিয়ন্ত্রণৰ ক্ষেত্রত যথেষ্ট শিথিলতা আৰু নমনীয়তা প্রদর্শন কৰা বাবে অষ্ট্রিয়াইও প্রুছিয়াৰ প্রতি সদিচ্ছামূলক মনোভাৱ পোষণ কৰিছিল। ফৰাছী সৈন্যবাহিনীয়ে সুৰক্ষা প্রদান কৰা পোপৰ নিয়ন্ত্রণৰ পৰা ৰোমক মুকলি কৰি ইটালীক সঁপি দিয়া হ'ব বুলি কৈ প্রুছিয়াই ইটালীৰ সৈতেও বন্ধুত্বপূর্ণ সম্পর্ক বর্তাই ৰাখিছিল। চুবুৰীয়া দেশবোৰৰ সৈতে মিলাপ্রীত বর্তাই ৰাখি বিচমার্কে অনতিপলমে ফ্রান্সৰ সৈতে যুদ্ধ লগাৰ সুযোগ সন্ধান কৰাত নামিল।

১৮৬৮ চনৰ স্পেইনৰ ঘটনাই যুদ্ধ আৰম্ভ কৰাৰ সুযোগ কঢ়িয়াই আনিলে। তৃতীয় নেপোলিয়নে প্রুছিয়াৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। যুদ্ধৰ তাৎক্ষণিক কাৰণ আছিল স্পেইনৰ ৰাজমুকুট সন্দর্ভত প্রুছিয়া ৰজাই নিশ্চিতি প্রদানৰ ক্ষেত্রত দেখুওৱা অপাৰগতা। হিংসাত্মক কার্যকলাপ আৰম্ভ হোৱাৰ আগতে বিচমার্কে তৃতীয় নেপোলিয়নৰ লিখিত প্রস্তাৱবোৰ সকলোৰে জ্ঞাতার্থে প্রকাশ কৰিছিল। প্রকাশিত নথিত তৃতীয় নেপোলিয়নে ক্ষতিপূৰণ বিচাৰি কৰা দাবীবোৰো সন্নিৱিষ্ট কৰা হৈছিল। এই প্রকাশৰ দ্বাৰা বিচমার্কে ইউৰোপক পতিয়ন নিয়াইছিল যে ফৰাছী আগ্রাসনৰ এটা নতুন যুগৰ সূচনা হ'বলৈ গৈ আছে। এনেকৈয়ে বিচমার্কে ফ্রান্সৰ বিৰুদ্ধে ইউৰোপীয় মতামত গঢ়ি তুলিছিল আৰু দক্ষিম জার্মানৰ প্রদেশবোৰক প্রুছিয়াৰ ফলীয়া কৰি লৈছিল। ৰ'র্থ আৰু গ্রেভেল'থৰ যুদ্ধত ফ্রান্সে পৰাজয় বৰণ কৰিছিল। অৱশেষত চেদানত সমগ্র ফৰাছী সেনাই প্রুছিয়াৰ সেনা জেনেৰেল ভ'ন মণ্ট্ কিৰ ওচৰত আত্মসমর্পণ কৰিছিল। তৃতীয় নেপোলিয়নক বন্দী কৰা হৈছিল। ইয়াৰ পাচত বিচমার্কে ফ্রান্সক ফ্রেংকফুর্ট সন্ধিখন মানিবলৈ বাধ্য কৰাইছিল। সন্ধিৰ চর্ত অনুসৰি ফ্রান্সে আলচেচ আৰু লোৰেইঁক জার্মানীৰ হাতত অর্পণ কৰিছিল, বিপুল পৰিমাণৰ ধন যুদ্ধৰ ক্ষতি পূৰণৰূপে আদায় দিবলৈ মান্তি হৈছিল আৰু ক্ষতিপূৰণ আদায় দিব নোৱাৰা পর্যন্ত জার্মান সৈন্যক ফ্রান্সৰ এটা অংশ দখল কৰি থকাৰ অনুমতি দিছিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমুহৰ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ১ ঃ ফ্রেংকফুর্ট সন্ধিত চহী কৰা দেশ দুখনৰ নাম কি ?

.....

প্রশ্ন নং ২ ঃ প্রাগ সন্ধিৰ প্রধান তাৎপর্য কি আছিল ?

.....

প্রশ্ন নং ৩ ঃ বিচমার্কে কিয় ৰজা ৱিলিয়ামক জার্মান যুৱৰাজসকলৰ কংগ্রেছত ভাগ লোৱাৰ পৰা বিৰত থাকিবলৈ কৈছিল ?

.....

৬.৪ ইটালীৰ একত্রিতকৰণ

৬.৪.১ ভিয়েনা কংগ্রেছ আৰু ইটালী

তৃতীয় নেপোলিয়নে এবাৰ অষ্ট্রিয়াৰ প্রদেশ লোম্বার্ডি আৰু ভেনেচিয়াক স্বাধীন কৰাৰ প্রচেষ্টা চলাইছিল। কিন্তু সফলতা লাভৰ মাজমান গৈ পাওঁতে তেওঁ ইটালীয় জাতীয়তাবাদী উদ্দেশ্য পৰিহাৰ কৰিছিল। তৃতীয় নেপোলিয়নৰ বিশ্বাসঘাতকতাই এটা কথাকে প্রমাণ কৰিছিল যে ইটালীৰ নাগৰিকে নিজ প্রচেষ্টাৰ জৰিয়তেহে নিজকে বিদেশী শক্তিৰ কবলৰ পৰা স্বতন্ত্র কৰিব পাৰিব।

ভিয়েনা কংগ্রেছত পোপে ইটালিয়ানসকলৰ প্রতিনিধিত্ব কৰিছিল। ইটালীৰ দেশপ্রেমিকসকলে তেওঁক প্রতিনিধিৰূপে বিচৰা নাছিল। কিন্তু কংগ্রেছক নেতৃত্ব প্রদান কৰা মেটাৰনিকে ইটালিয়ানসকলক দেশৰ জনসমূহ বুলি গণ্য নকৰিছিল। সেয়েহে তেওঁলোকৰ দ্বাৰা এখন ৰাষ্ট্র গঠন কৰাৰ কোনো প্রশ্নই উঠিব নোৱাৰিছিল। ভিয়েনাত হোৱা চুক্তি অনুসৰি অষ্ট্রিয়াই ইটালীত নিজৰ প্রভাৰ সম্প্রসাৰণৰ কাম আৰম্ভ কৰিছিল। লোম্বার্ডি-ভেনেছিয়াত স্থায়ীভাৱে সামৰিক ঘাটি স্থাপন কৰা হৈছিল। ইটালী যাতে ফ্রান্সৰ নিয়ন্ত্রণাধীন হ'ব নোৱাৰে সেয়া নিশ্চিত কৰবলৈ ভিয়েনা কংগ্রেছত সকলো ধৰণৰ ব্যৱস্থা গ্রহণ কৰা হৈছিল। ইটালীত আগৰ ডিউক তথা ৰজাবোৰক পুনৰ নিজ নিজ পদত অধিস্থিত কৰা হৈছিল। তেওঁলোক অষ্ট্রিয়ান সম্রাটৰ নির্দেশাধীন আছিল। এই সকলো কথাই ইটালীৰ একত্রকৰণৰ যিকোনো ধাৰণা-চিন্তাৰ পৰিপন্থীৰূপে কাম কৰিছিল।

৬.৪.২ আধুনিক ইটালীৰ স্রষ্টাসকল

আধুনিক ইটালী গঢ়াত যথেষ্ট সংখ্যক দেশপ্রেমিকে নিজৰ জীৱন আহুতি দিছিল। তেওঁলোকৰ ভিতৰত প্রাতঃস্মৰণীয় দেশপ্রেমিক তিনিগৰাকী হ'ল জোচেফ মাঝিন, গিউচেপ গেৰিবল্ডী আৰু কাউণ্ট কেমিল'ডি কেভ'ৰ। ইটালীৰ একত্রিতকৰণ সন্দর্ভত এই তিনিগৰাকী নেতাৰ দৃষ্টিভংগী বেলেগ বেলেগ আছিল যদিও উমৈহতীয়া লক্ষ্যই তেওঁলোকক একত্রিত কৰি ৰাখিছিল। গণৰাজ্যবাদী (Republicans), সংহতিবাদী (Federalist) আৰু সংবিধানবাদী (Constitutionalists) সকলেৰে দেশখনৰ প্রধান ৰাজনৈতিক দল তিনিটা গঠিত আছিল। তেওঁলোকে ইটালীৰ একত্রিতকৰণৰ বাবে একেলগে কাম কৰিবলৈ লৈছিল। তলত ইটালীৰ একত্রিতকৰণত এই নেতাসকলে আগবঢ়োৱা অৱদানৰ বিষয়ে আলোচনা কৰা হ'ল।

- **যোচেফ মাজ্জিনী** (Joseph Mazzini) ১৮০৫-১৮৭২) ঃ ১৮০৫ চনত জেনোৱাত যোচেফ মাজ্জিনিৰ জন্ম হৈছিল। ইটালীৰ জনসাধাৰণে মাজ্জিনীৰ মাজত তেওঁলোকৰ গভীৰতম প্রত্যাশা প্রতিফলিত কৰিব পৰা স্পষ্ট, সাহসী আৰু ৰোমাঞ্চক কণ্ঠটো বিচাৰি পাইছিল।

  তেওঁ ইটালীত এখন গণৰাজ্যবাদী চৰকাৰ গঠনৰ পোষকতা কৰিছিল। মাঝিনীৰ নেতৃত্বত ৰিপাব্লিকান দলৰ সদস্যসকলে ইটালীৰ জনগণক ক্ষমতাত অধিস্থিত কর্তৃপক্ষৰ বিৰুদ্ধে থিয় কৰাবলৈ বিভিন্ন সাহসী ব্যৱস্থা গ্রহণ কৰিছিল। প্রথমে মাজ্জিনীয়ে কর্ব'নেৰীত যোগদান কৰি নিজ লক্ষ্যত উপনীত হোৱাৰ চেষ্টা চলাইছিল। তেওঁ ১৮৩০ চনত এক বিদ্রোহ সংগঠিত কৰিছিল যদিও তেওঁৰ চেষ্টা ব্যর্থ হৈছিল আৰু তেওঁক কাৰাগাৰলৈ নিক্ষেপ কৰা হৈছিল। ১৮৩১ চনত মাজ্জিনীয়ে ইটালীৰ নাগৰিকৰ মাজত দেশেপ্রেম তথা জাতীয়তাবাদ জগাই তুলিবলৈ দ্য ইয়াং ইটালী চোছাইটী নামৰ এটা সংগঠনৰ জন্ম দিছিল। এই সংগঠনটো নতুন ইটালী গঢ়াত এটা গুৰুত্বপূর্ণ কাৰক হৈ পৰিছিল। সংগঠনটোৰ কার্যসূচী অতি স্পষ্ট আছিল। ই সর্বপ্রথমে অষ্ট্রিয়াক ইটালীৰ পৰা বাদ দিয়াৰ কথা কৈছিল। লগতে ই অনতিপলমে যুদ্ধ শেষ হোৱাটো বিচাৰিছিল। সংগঠনটোৰ মতে কোনো ইটালীয় নাগৰিকে বিদেশী চৰকাৰে আগবঢ়োৱা সাহায্য তথা বিদেশী কূটনীতিৰ ওপৰত নির্ভৰ কৰা অনুচিত। ইয়াৰ সলনি ইটালীয় নাগৰিক বাহিৰা সাহায্যহীন নিজ শক্তিৰ ওপৰত নির্ভৰশীল হোৱা উচিত। মাঝিনীৰ আদর্শবাক্যষাৰি আছিল। 'ঈশ্বৰ আৰু তেওঁৰ মানুহ' (Gold and His People)।
- **গিউচেপে গেৰিব'ল্ডী** (Giuseppe Garibaldi, ১৮০৭-১৮৮২) ঃ ১৮০৭ চনত ইটালীত গিউচেপে গেৰিবল্ডীৰ জন্ম হৈছিল। সৰুৰেপৰা তেওঁ দুঃসাহসিক জীৱনৰ প্রতি আগ্রহী আছিল। মাজ্জিনীয়ে তেওঁক গভীৰভাৱে অনুপ্রাণিত

কৰিছিল। সেয়েহে তেওঁ এসময়ত 'ইয়াং ইটালী' সংগঠনত যোগ দিছিল। তেওঁ অনিয়মীয়া গেৰিলা যুদ্ধত ভাগ লৈ প্রধানকৈ নিজৰ সামৰিক অভিজ্ঞতা সঞ্চয় কৰিছিল। গেৰিবল্ডীয়ে ১৮৩৪ চনত মাজ্জিনীয়ে সংগঠিত কৰা বিদ্রোহতো ভাগ লৈছিল। ইয়াৰ পৰিণতিস্বৰূপে তেওঁ মৃত্যুদণ্ড লাভ কৰিছিল। কিন্তু তেওঁ কিবাকৈ দক্ষিণ আমেৰিকালৈ পলায়ন কৰিবলৈ সক্ষম হৈছিল। গেৰিবল্ডীয়ে দক্ষিণ আমেৰিকাত পৰৱর্তী ১৪ বছৰ নির্বাসিত জীৱন কটাইছিল। দক্ষিণ আমেৰিকাত লগা বহুকেইখন ৰণত তেওঁ ভাগ লৈছিল। তেওঁ আনকি আমেৰিকাত এটা 'ৰেড স্বার্ট পার্টি' গঠন কৰিছিল আৰু দেশখনৰ গৃহযুদ্ধত অংশগ্রহণ কৰিছিল।

ইউৰোপত বিপ্লৱৰ সূচনা হোৱাৰ লগে লগে ১৮৪৮ চনত গেৰিল্ডী ইটালীলৈ উভতি আহিছিল। পীডম'ণ্ট চৰকাৰে গেৰিবল্ডীৰ সেৱা গ্রহণ কৰিবলৈ অমান্তি হোৱাত তেওঁ লোম্বার্ডিৰ দেশপ্রেমিকসকলক সহায় কৰাৰ সিদ্ধান্ত লৈছিল। ঘটনাক্রমত তেওঁ পুনৰ আমেৰিকালৈ পলাই যাবলৈ বাধ্য হৈছিল কিন্তু ইটালীৰ একত্রিতকৰণৰ বাবে কেভ'ৰে আৰম্ভ কৰা কামবোৰ সম্পূর্ণ কৰিবলৈ পুনৰ স্বদেশলৈ উভতি আহিছিল। গেৰিবল্ডী আছিল ফেডাৰেলিষ্ট (সংহতিবাদী) ফেডাৰিলিষ্ট দলৰ সমর্থকসকলে গেৰিবল্ডীৰ নেতৃ ত্বত ইটালীৰ অন্তর্গত ৰাষ্ট্রবোৰৰ এক মহাজোঁট সৃষ্টি কৰিব খুজিছিল। তেওঁলোকে পোপক এই মহাজোঁটৰ সভাপতি হোৱাটো বিচাৰিছিল। অৱশ্যে সংহতিবাদী মনোভাৱৰ হোৱা সত্ত্বেও গেৰিবল্ডীয়ে এসময়ত দেশত এক সাংবিধানিক ৰাজতন্ত্র গঠনৰ ধাৰণটোক সমর্থন জনাবলৈ সন্মত হৈছিল।

- **কাউণ্ট কেভ'ৰ** (Count Cavour, ১৮১০-১৮৬১) ঃ ১৮১০ চনত চার্দিনিয়াত কাউন্ট কেভ'ৰৰ জন্ম হৈছিল। তেওঁ যুৱাৱস্থালৈকে বেছিভাগ সময় পীডমণ্ট নামৰ ঠাইডোখৰত কটাইছিল। কেভ'ৰ আছিল এগৰাকী জাতীয়তাবাদী আৰু মহান দেশপ্রেমিক। মাঝিনীৰ দ্বাৰা সৃষ্ট পৰিস্থিতিৰ সম্পূর্ণ সুযোগ কেভ'ৰে গ্রহণ কৰিছিল। কেভ'ৰ আছিল এগৰাকী প্রথম শ্রেণীৰ কূটনীতিবিদ আৰু দক্ষ ৰাজনীতিক। ইটালীৰ একত্রিতকৰণৰ ক্ষেত্রত কেভ'ৰে গ্রহণ কৰা নীতিৰ ভিত্তি আছিল ইটালীয়ে অকলে নিজৰ মুক্তিৰ বাবে কাম কৰিব নোৱাৰে বুলি থকা সুস্থ আদর্শটো। তেওঁ আছিল উদাৰ ধাৰণাৰ গৰাকী। ১৮৫০ চনত তেওঁ পীড ম'ণ্টৰ মন্ত্রী পৰিষদৰ সদস্য হৈছিল আৰু ১৮৫২ চনত প্রধানমন্ত্রীৰ পদ লাভ কৰিছিল। মাজতে কিছুসময় বাদ দি তেওঁ ১৮৬১ চনলৈকে পীড ম'ণ্টৰ প্রধানমন্ত্রী হৈ আলি। তেওঁ প্রধানমন্ত্রী হৈ থকা কালত ইটালীৰ প্রশ্নটো এক নতুন পর্যায়ত বিকশিত হৈছিল। গেৰিবণ্ডীয়ে আগবঢ়োৱা সশস্ত্র শক্তি আৰু নিজৰ কূটনীতিৰ সহায়ত কেভ'ৰে ইটালীৰ একত্রিতকৰণৰ চেষ্টা চলাইছিল। কেভ'ৰে ভালদৰে

জানিছিল যে এক সুস্থ অর্থনৈতিক আৰু ৰাজনৈতিক সুস্থিৰতাৰ ভেটিতহে দেশৰ সুস্থ বিদেশ নীতি গঢ় লৈ উঠে। এই কথাৰ বাবেই তেওঁ সদায় চার্দিনিয়া-পীডম'ণ্টক এখন আৰ্হি ৰাষ্ট্ৰ আৰু সমস্ত ইটালীয় প্রদেশবোৰৰ বাবে পথিকৃৎ কৰি গঢ়ি তুলিব খুজিছিল।



জানি থোৱা ভাল

ৰিপাব্লিকানসকলে ৰোমত এখন গণৰাজ্য স্থাপন কৰাত সফল হৈছিল। কিন্তু তৃতীয় নেপোলিয়নে এই গণৰাজ্য উৎখাত কৰিছিল। ইয়াৰ লগে লগে ইটালীত গণৰাজ্যবাদৰ সামৰণি পৰিছিল। একেদৰে পোপে অষ্ট্ৰিয়াৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ অমান্তি হোৱাৰ লগে লগে সংহতিবাদৰ ওৰ পৰিছিল বুলি মানুহে ক'ব খোজে। সেয়েহে, চার্দিনিয়া- পীডম'ণ্টৰ ৰজাজন ইটালীৰ নাগৰিকৰ শেষ ভাৰসা হৈ পৰিছিল।

ইটালীৰ একত্রিকৰণ কেইবাটাও পর্যায়ত সম্পন্ন হৈছিল. পর্যায়সমূহ তলত আলোচনা কৰা হ'ল-

ইটালীৰ একত্রিতকৰণৰ প্রথম পর্যায়টো আছিল দেশখনৰ এগৰাকী মহান ৰাজনীতিক আৰু কূটনীতিবিদ কেভ'ৰে প্রধানমন্ত্রীৰ পদ লাভ কৰা দেশখনৰ একত্রিতকৰণৰ বাবে কেভ'ৰে গ্রহণ কৰা নীতিবোৰৰ আধাৰ আছিল এটা স্পষ্ট দর্শন। এই দর্শন অনুসৰি ইটালীয়ে নিজৰ মুক্তিৰ বাবে অকলে কাম কৰিব নোৱাৰে। এই ক্ষেত্রত বিদেশী সহায় বিচৰাটো অতীত প্রয়োজনীয়। অষ্ট্ৰিয়াৰ ঘৰুৱা নীতিৰ মাজত হেৰাই যোৱা ইটালীৰ মুক্তিৰ প্রসংগটো পুনৰ নতুনকৈ সজাই ইউৰোপীয় শক্তিবোৰৰ আগত উপস্থাপন কৰিব লাগিব। তেতিয়াহে ইটালীৰ মুক্তিৰ ক্ষেত্রত তেওঁলোকৰ সমর্থন তালিকাভুক্ত কৰিব পৰা যাব। কেভ'ৰে ভালদৰে বুজিছিল যে অর্থনৈতিক আৰু সংসদীয় বিষয়বোৰত ইটালীৰ একত্রিতকৰণ এক অসম্ভৱ কথা। এই কথা মনত ৰাখি কেভ'ৰে পর্যায়ক্রমে ইটালীৰ একত্রিতকৰণৰ কাম আৰম্ভ কৰিছিল।

প্রথমে কেভ'ৰে পীডম'ণ্টৰ অর্থনৈতিক উন্নতি সাধানৰ পোষকতা আৰু সংসদীয় চৰকাৰখনৰ বিকাশৰ কাম হাতত হৈছিল। তেওঁ ইটালীক হাউচ অৱ্ চেভ'য়ৰ অধীনত একত্রিত কৰিব খুজিছিল। লগতে পীডম'ণ্টক এনে এখন আৰ্হি প্রদেশলৈ সলনি কৰিব খুজিছিল যিখনৰ শক্তি আৰু স্বতন্ত্র প্রকৃতিয়ে অন্য ইটালীয় প্রদেশবোৰক ইয়াৰ নেতৃত্ব মানি ল'বলৈ বাধ্য কৰিব। জেনেৰেল লামাৰম'ৰাথেৰ নেতৃত্বত প্রদেশখনৰ সামৰিক বাহিনীটোক পুনসংগঠিত কৰা হৈছিল আৰু একত্রিকৰণ প্রক্রিয়াত এই বাহিনীটোক এক গুৰুত্বপূর্ণ ভূমিকা পালনৰ দায়িত্ব দিয়া হৈছিল। পীডম'ণ্টক অর্থনৈতিক আৰু ৰাজনৈতিকভাৱে বিকশাই তোলাৰ কামত ব্যস্ত হৈ থাকোতেই কেভ'ৰে এক মিত্রশক্তিৰ বিচাৰ খোজাৰ আৰম্ভ কৰিছিল। কিন্তু সেইখিনি সময়ত তেওঁৰ হাতত ফ্রান্স

নাইবা ইংলেণ্ডৰ ওচৰ চপাত বাদে অন্য বিকল্প নাছিল।

এই সন্ধিক্ষণতে ক্রিমিয়ান যুদ্ধ (১৮৫৪-৫৬) আৰম্ভ হৈছিল আৰু কেভ'ৰে বিচাৰি থকা সুযোগ আহি তেওঁৰ হাতত ধৰা দিছিল। পীডম'ণ্টৰ ৰাছিয়াৰ সৈতে কোনো শত্রুতা নাছিল। কিন্তু তথাপিও কেভ'ৰে ১৮৫৫ চনতফ্রান্স আৰু ইংলেণ্ডৰ সৈতে এক নিঃচর্ত কিন্তু অতি বিপদসংকুল মিত্রতা স্থাপন কৰিছিল। এই মিত্রতা ৰাছিয়াৰ বিপক্ষে আছিল আৰু পীডম'ণ্টে মিত্রৰাষ্ট্র দুখনলৈ সেৱা আগবঢ়াইছিল। ইয়াৰ প্রতিদানস্বৰূপে কেভ'ৰে শান্তি স্থাপনৰ চর্তসমূহ আলোচনা কৰিবলৈ ১৮৫৬ চনত বহা পেৰিচ কংগ্রেছত যোগদান কৰাৰ সুযোগ পাইছিল। এই কংগ্রেছতে তেওঁ সমবেত কূটনীতিবিদসকলৰ আগত অষ্ট্রিয়াই ইটালীত চলাই থকা কুশাসনৰ প্রমাণ দাঙি ধৰি ইটালীত মুক্তিৰ প্রশ্নটো উত্থাপন কৰিছিল। এনেকৈয়ে ইটালীৰ মুক্তিৰ প্রশ্নটো সমগ্র ইউৰোপৰ বাবে চিন্তাৰ বিষয় হৈ পৰিছিল। সেয়েহে 'ক্রিমিয়াৰ বোকাৰ পৰাই এখন নতুন ইটালীৰ জন্ম হৈছিল' বুলি কোৱা হয়।

ফৰাছী সম্রাট তৃতীয় নেপোলিয়নে ১৮৩১ চনত এজন কার্ব'নেৰ' (Carbonaro) ৰূপে যুদ্ধ কৰিছিল বাবে তেওঁক ইটালীৰ স্বাধীনতাৰ প্রতি সহানুভূতিশীল বুলি গণ্য কৰা হৈছিল। ইয়াৰ উপৰি কেভ'ৰেও তেওঁক ইটালীৰ স্বাধীনতাৰ সপক্ষে থিয় কৰোৱাত সফলতা লাভ কৰিছিল। ১৮৫৮ চনত কম্পেক্ট অৱ প্লমবীর্চ (Compact of Plombiers/ প্লমবীর্চৰ সন্ধি) ৰ জৰিয়তে তৃতীয় নেপোলিয়নে অষ্ট্রিয়াৰ বিৰুদ্ধে চলিবলগীয়া যুদ্ধত চার্দিনিয়াক সহায় কৰাৰ লগতে ইটালীক আল্পচ্ৰ পৰা এড্রিয়াটিকৰ সীমালৈ স্বাধীন কৰাৰ কামতো সহায় কৰিব বুলি সন্মতি প্রকাশ কৰিছিল। সন্ধিৰ চর্ত অনুসৰি লোম্বার্ডি আৰু ভেনেচিয়াৰ পৰা অষ্ট্রিয়ানসকলক বিতাড়িত কৰি অঞ্চল দুটা পীডম'ণ্টৰ অনুর্ভুক্ত কৰা হ'ব। নেপল্চ আৰু ৰোমাক এই আক্রমণকালত স্পর্শ কৰা নহ'ব আৰু ইটালীৰ বাকী অংশ লগাই এখন পৃথক ৰাজ্য গঠন কৰা হ'ব। সহায় আগবেঢ়াৰাৰ বিনিময়ত তৃতীয় নেপোলিয়নে নাইচ আৰু চেভ'য় নিয়ন্ত্রণৰ অধিকাৰ লাভ কৰিব। ফ্রেংক'-চার্দিনিয়ান 'মেত্রী শক্তিশালী কৰি তুলিবলৈ চার্দিনিয়া-পীডম'ণ্টৰ ৰজা দ্বিতীয় ভিক্টৰ ইমানুৱেলৰ কন্যাক সম্রাট তৃতীয় নেপোলিয়নৰ সম্পর্কীয় ভ্রাতৃ ৰাজকুমাৰ জেৰ'মি বেনোপার্টলৈ বিয়া দিয়া হৈছিল।

প্লমবীর্চ সন্ধি স্থাপন হোৱাৰ নমাহ পাচত ১৮৫৯ চনত অষ্ট্র'চার্দিনিয়ান যুদ্ধ আৰম্ভ হৈছিল। গেৰিবল্ডীয়ে নেতৃত্ব দিয়া ফ্রান্স আৰু চার্দিনিয়াৰ সংযুক্ত সামৰিক বাহিনীটোৱে মেজেণ্টা আৰু চ'লফেৰিন'ত হোৱা বৃহৎ ৰণ দুখনত বিজয়ী হৈছিল। অষ্ট্রিয়াৰ হাতৰ পৰা লোম্বার্ডি মুক্ত হৈছিল। টাস্কেনী, পার্মা আৰু ম'ডেনাৰ শাসক তিনিজনক প্রজাই নিজে ক্ষমতাৰ পৰা অপসাৰিত কৰিছিল। অষ্ট্রিয়ানসকল লোম্বার্ডিৰ পৰা বিতাৰিত হোৱাৰ খবৰ বিয়পি পৰাৰ পাচতেই এই ঘটনা সংঘটিত হৈছিল। কিন্তু তৃতীয় নেপোলিয়নে হঠাতে নিজৰ বিজয়যাত্রী স্থগিত কৰিছিল। তেওঁ ভিলা ফ্রেংকাত

অষ্ট্রিয়াৰ সম্রাটক লগ ধৰিছিল আৰু মিত্রজোঁটৰ আন সদস্যৰ সৈতে কোনা আলোচনা নকৰাকৈ এক সাময়িক যুদ্ধ বিৰতি চুক্তিত চহী কৰিছিল। চুক্তিৰ চর্ত অনুসৰি অষ্ট্রিয়াই চার্দিনিয়াক লোম্বার্ডিৰ নিয়ন্ত্রণ ক্ষমতা অর্পন কৰিছিল আৰু ভেনেচিয়া নিজৰ হাতত ৰাখিছিল। চুক্তিৰ আন এক চর্ত অনুসৰি টাস্কেনী, পার্মা আৰু ম'ডেনাৰ শাসকসকলক পুনৰ শাসনভাৰ অর্পন কৰাৰ বিষয়ত দুয়োপক্ষ সন্মত হৈছিল তথা পোপৰ সভাপতিত্বত ইটালীৰ প্রদেশবোৰৰ এক সংঘ স্থাপনৰ কথা কোৱা হৈছিল। জুৰিখ্ সন্ধিত এই চর্তবোৰে পুনৰবাৰ অনুমোদন লাভ কৰিছিল। লোম্বার্ডিৰ নিয়ন্ত্রণ পীডম'ণ্টৰ হাতলৈ অহাটো ইটালীৰ একত্রিতকৰণ প্রথম পর্যায় আছিল। পার্মা, ম'ডেনা, টাস্কেনী আৰু ৰোমাগ্ন (পোপৰ নিয়ন্ত্রণাধীন প্রদেশত) ত প্রাদেশিক চৰকাৰ গঠন কৰা হৈছিল। এই প্রদেশকেইখনৰ বাসিন্দাই পীডম'ণ্টৰ সৈতে চামিল হোৱাৰ সপক্ষে ভোট দিছিল। জনগণৰ মনত জাতীয়তাবাদী ভাৱনা শক্তিশালী হৈ পৰা বাবে নির্বাসিত শাসকসকলক পুনৰ ক্ষমতাত অধিস্থিত কৰোৱাটো তৃতীয় নেপোলিয়নৰ পক্ষে কঠিন হৈ পৰিছিল। এই শাসকসকলে ইংলেণ্ডৰ সহানুভূতি লাভ কৰিছিল। এইখিনি সময়তে কেভ'ৰে চেভ'য় আৰু নাইচৰ নিয়ন্ত্রণ ক্ষমতা তৃতীয় নেপোলিয়নক অর্পন কৰি পুনৰবাৰ তেওঁক নিজৰ ফলীয়া কৰি লৈছিল। কেভ'ৰে ডিউকৰ শাসনাধীন মধ্য অঞ্চলৰ ডাচীবোৰ (সৰু ৰাজ্য / Duchies) চার্দিনিয়াৰ সৈতে চামিল কৰাত তৃতীয় নেপোলিয়নৰ সন্মতি আদায় কৰিছিল। ইয়াৰ ফলেত টাস্কেনী, পার্মা, ম'ডেনা আৰু ৰোমাগ্নাত গণভোট (plebiscites) সংগ্রহ প্রক্রিয়া প্রক্রিয়া আৰম্ভ হৈছিল। এই আটাইবোৰ প্রদেশেই পীডম'ণ্ট-চার্দিনিয়া ৰাজ্যত চামিল হোৱাৰ সপক্ষে ভোট দিছিল। ভেনেচীয়াৰ বাহিৰে ইটালীৰ উত্তৰ অংশৰ প্রায় আটাইবোৰ অঞ্চল পীডম'ণ্টৰ নিয়ন্ত্রণাধীন হৈ পৰিছিল। এনেকৈয়ে এই অঞ্চলবোৰ বিদেশী ৰাষ্ট্রৰ নিয়ন্ত্রণৰ পৰা মুক্ত হৈছিল।



জানি থোৱা ভাল

গণভোট (plebiscite) ঃ কোনো গুৰুত্বপূর্ণ বিষয়ত এডোখৰ নির্দিষ্ট স্থানৰ ভোটাধিকাৰ প্রাপ্ত সকলো নাগৰিকে প্রদান কৰা ভোট।

কার্ব'নেৰো' (Carbonaro) ঃ ইটালীৰ বিপ্লৱী সমাজ (দল), ইটালিয়ান কার্বনেৰী সদস্য।

ইটালীৰ উত্তৰ ভাগটো প্রায় সম্পূর্ণৰূপে একত্রিত হোৱাৰ পাচত দক্ষিণ অংশটোত এক সদৃশ আন্দোলনৰ সূত্রপাত হ'ল। ব'ৰব'ন সম্রাটৰ স্বেচ্ছাচাৰী শাসনত দুয়োখন চিচিলিজ (নেপলচ্ আৰু চিচিলি)ৰ জনসাধাৰণ অতীষ্ঠ হৈ পৰিছিল। তেওঁলোকে গেৰিবল্ডীৰ পৰা সহায় ভিক্ষা কৰিছিল। গেৰিবল্ডীয়ে এটা চর্তত তেওঁলোকক সহায় কৰিব বুলি কৈছিল। চর্তটো আছিল ইটালী আৰু ৰজা দ্বিতীয় ভিক্টৰ ইমানুৱেলৰ নামত চিচিলিবাসীয়ে প্রস্তাৱিত বিদ্রোহৰ সূচনা কৰিব লাগিব। এই

কতা মানি লৈ চিচিলিবাসীয়ে বিদ্রোহৰ সূত্রপাত কৰিছিল আৰু বিদ্রোহীসকলক সহায় কৰাৰ বাবে ১৮৬০ চনত গোৰিবল্ডী গৈ চিচিলিত উপস্থিত হৈছিল। নিজে গঠন কৰা বিখ্যাত ৰেডচার্ট নামৰ স্বেচ্ছাসেৱক সৈনিকৰ হেজাৰজনীয় দল এটাৰ নেতৃত্ব দি গেৰিবল্ডী তিনিমাহৰ ভিতৰতে দ্বীপটোৰ শাসকত পৰিণত হৈছিল। তেওঁ দ্বিতীয় ভিক্টৰ ইমানুৱেলৰ নামত নিজকে চিচিলিৰ একনায়কৰূপে ঘোষণা কৰিছিল। তাৰপাচত তেওঁ নেপলচ্ অভিমুখে অগ্রসৰ হৈছিল। আসন্ন বিপদৰ আশংকাত নেপলচ্ ৰজা দ্বিতীয় ফ্রান্সিচে গ্যেটা (Gaeta) লৈ পলায়ন কৰিছিল। গেৰিবল্ডীয়ে বিনা বাধাই নেপলচ্ত প্রৱেশ কৰিছিল আৰু নেপলচ্সীয়ে তেওঁক উষ্ম আদৰণি জনাইছিল।

ইয়াৰ পাচত গেৰিবল্ডীৰ মনত ৰোম দখল কৰাৰ ইচ্ছা উপজিছিল। এই কথাত কেভ'ৰ অসন্তুষ্ট হৈছিল। কাৰণ, তেওঁ ভাবিছিল যে ৰোমক সেই মূহুর্তলৈকে ফ্রান্সৰ দূর্গৰক্ষী সৈন্যদলে সুৰক্ষা প্রদান কৰি আছিল আৰু গোৰিবল্ডীৰ কার্যই ফ্রান্সৰ সৈতে এখন যুদ্ধৰ সূচনা কৰিব। তেওঁ এয়াও ভাবিছিল যে গণৰাজ্যবাদী মতাদর্শত বিশ্বাসী গেৰিবল্ডীয়ে সমগ্র আন্দোলনটোক গণৰাজ্যবাদী প্রকৃতিৰ কৰি তোলাৰো সম্ভাৱনা আছে। এইবোৰ কথাই কেভ'ৰৰ ইটালী একত্রিতকৰণৰ পৰিকল্পনাত নিশ্চিতভাৱে বেমেজালিৰ সৃষ্টি কৰিব। সেয়েহে কেভ'ৰে দ্বিতীয় ভিক্টৰ ইমানুৱেলক পোপ নিয়ন্ত্রণাধীন প্রদেশবোৰত আধিপতা বিস্তাৰৰ প্রয়াস কৰিবলৈ মান্তি কৰালে। ৰোমৰ নিয়ন্ত্রণত হস্তক্ষেপ নকৰা পর্যন্ত তৃতীয় নেপোলিয়নে এই কার্যৰ কোনো বিৰোধিতা নকৰিব বুলি কেভ'ৰ নিশ্চিত আছিল। কেভ'ৰৰ পৰামর্শ অনুসৰি দ্বিতীয় ভিক্টৰ ইমানুৱেলে পোপ নিয়ন্ত্রণাধীন প্রদেশ অভিমুখে সৈন্যদল আগবঢ়াই লৈ গ'ল। ফিডার্ড' দূর্গত হোৱা ৰণত তেওঁ পোপৰ সৈন্যদলক পৰাস্ত কৰি উম্ব্রিয়া আৰু মার্চেচ দখল কৰিছিল।

ইয়াৰ পাচত দ্বিতীয় ভিক্টৰ ইমানুৱেলে ৰেডচার্ট দলৰ সদস্যসকলক লগ ধৰিবলৈ নেপলচ্ অভিমুখে যাত্রা আৰম্ভ কৰিলে। সেই সময়ত গোৰিবল্ডী আৰু তেওঁৰ সৈন্যদল তাতেই আছিল। কাপুৱা নামৰ অঞ্চলটোত নেপোলিয়নৰ সৈন্যদলৰ প্রতিৰোধ যথেষ্ট শক্তিশালী আছিল বাবে গেৰিবল্ডীয়ে নেপলচ্ৰ পৰা আগবাঢ়িব পৰা নাছিল। একেখিনি সময়তে চিচিল, নেপলচ্, উম্ব্রিয়া আৰু মার্চেচত গণভোট সংগ্রহ কৰা হৈছিল. অধিকাংশ লোকেই ঐক্যৱদ্ধভাৱে চার্দিনিয়া- পীডম'ণ্ট ৰাজ্যৰ সৈতে চামিল হ'ব খুজিছিল। গণবোটৰ ফলাফলৰ পাচত গেৰিবল্ডীয়েও নিজৰ সকলো ক্ষমতা ভিক্টৰ ইমানুৱেলক সম্পর্ণ কৰিছিল। এনেকৈয়ে দ্বিতীয় ভিক্টৰ ইমানুৱেলে গেৰিবল্ডীয়ে সম্পূর্ণ কৰিব নোৱাৰা বিজয় অভিযান সমাপ্ত কৰিছিল। কালক্রমত তেওঁলোকে মিলি কাপুৱা দুখন কৰিছিল আৰু নেপলচৰ ৰজ্জ্বছৰ চনত গ্যেটাত আত্মসর্পন কৰিছিল। এই ঘটনাৰ পাচত সামৰিক অভিযানৰ অন্ত পৰিছিল আৰু চার্দিনিয়া- পীডম'ণ্ট ৰাজ্যখন সম্প্রসাৰিত হৈ ইটালী ৰাষ্ট্র গঠিত হৈছিল। ১৮৬১ চনতেই ৰোম আৰু ভেনেচিয়াক বাদ দি তুৰিনত সমগ্র ইটালীৰ পৰা নির্বাচিত প্রতিনিধিৰে গঠিত ইটালীয়

সংসদৰ প্ৰথম অধিৱেশন বহিছিল। এই অধিৱেশনত দ্বিতীয় ভিক্টৰ ইমানুৱেলে নিজকে ইটালীৰ ৰজা বুলি ঘোষণা কৰিছিল।

ভেনেচিয়া তেতিয়াও অষ্ট্ৰিয়াৰ অধীন আৰু ৰোম পোপৰ নিয়ন্ত্ৰণাধীন হৈ আছিল। কিন্তু ভেনেচিয়া আৰু ৰোম অবিহনে ইটালীৰ একত্রিতকৰণ প্ৰক্ৰিয়াটো আধৰুৱা হৈ আছিল। ১৮৬৬ চনত অষ্ট্ৰ'-প্ৰুছিয়ান যুদ্ধ আৰম্ভ হোৱাৰ লগে লগে ইটালী একত্রিতকৰণত জড়িতসকলে এটা সোণালী সুযোগ লাভ কৰিলে প্ৰুছিয়াক অষ্ট্ৰিয়াৰ বিৰুদ্ধে যুঁজাত সহায় কৰি পীডম'ণ্টৰ সৈন্যই ভেনেচিয়া দখল কৰিলে। বাকী থাকিল কেৱল ৰোম।১৮৭০ চনত লগা ফ্ৰেংক'- প্ৰুছিয়ান যুদ্ধত তৃতীয় নেপোলিয়নে ৰোমৰ পৰা ফৰাছী সৈন্য আঁতৰাই নিবলৈ বাধ্য হৈছিল। এই সৈন্যদলক ১৮৪৯ চনতেই পোপক সুৰক্ষা প্ৰদান কৰিবলৈ প্ৰেৰণ কৰা হৈছিল। দ্বিতীয় ভিক্টৰ ইমানুৱেলে পৰিস্থিতিৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰি ৰোমা দখল কৰিছিল। নৱগঠিত সংযুক্ত ইটালীৰ ৰাজধানী ৰোমতেই পতা হৈছিল। এনেকৈয়ে ইটালীৰ একত্রিতকৰণ প্ৰক্ৰিয়া সম্পন্ন হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমুহৰ উত্তৰ দিয়ক -

প্ৰশ্ন নং ৪ ঃ ৰিপাব্লিকান দলৰ নেতা কোন আছিল?

.....

প্ৰশ্ন নং ৫ ঃ ফেডাৰিলিষ্ট দলৰ নেতা কোন আছিল?

.....

প্ৰশ্ন নং ৬ ঃ কোন চনত কেভ'ৰে পীডম'ণ্টৰ মন্ত্ৰীসভাত প্ৰৱেশ কৰিছিল?

.....

প্ৰশ্ন নং ৭ ঃ ইটালীৰ একত্রিতকৰণৰ প্ৰথম পৰ্যায়টো কি আছিল?

.....

প্ৰশ্ন ৮ ঃ গেৰিবল্ডীয়ে কোন চনত চিচিলিত উপস্থিত হৈছিল?

.....



৬.৫ এই অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যায়ন কৰাৰ পাচত আপুনি জানিব পাৰিলে যে—

- ইটালী আৰু জাৰ্মানীয়ে দীৰ্ঘদিনীয়া সংগ্ৰামৰ অন্তত একত্রিতকৰণৰ প্ৰক্ৰিয়া সম্পন্ন কৰিছিল। দুয়োখন দেশৰে একত্রিতকৰণ প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা কূটনীতিবিদ আৰু নেতা কেইজনমান হ'ল মাজ্জিন, গেৰিবল্ডী, কেভ'ৰ, মেটাৰনিচ

আৰু বিচমার্ক।

- ইটালীৰ একত্রিতকৰণৰ সফলতাই ইউৰোপৰ বিভিন্ন অংশৰ লগতে বিশ্বৰ বিভিন্ন স্থানত উদাৰবাদী আৰু গণতান্ত্রিক আন্দোলনৰ সূত্রপাত হোৱাৰ পথ প্রশস্ত কৰি তুলিছিল।
- একেদৰে জার্মানীৰ একত্রিতকৰণকো ইউৰোপৰ ইতিহাসৰ এক গুৰুত্বপূর্ণ বিকাশ বুলি ধৰা হয়। এই একত্রিতকৰণে জাতীয়তাবাদী আৰু স্ব-নির্ণয় নীতিৰ বিজয় নিশ্চিত কৰিছিল।



৬.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1) Ketelbey, C.D.M. (1994). *A History of Modern Times from 1789.* New Delhi, India: OUP

2) Hayes, C.J.H. (1963). *Modern Europe to 1870.* New York, NY: MacMillan

3) Thompson, D. (1990). *Europe Since Napoleon* (2nd edition). New Delhi, India: Surjeet Publications.



৬.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ প্রুছিয়া আৰু ফ্রান্স

২ নং প্রশ্ন উত্তৰ ঃ অষ্ট্রিয়াৰ সৈতে চলা যুদ্ধৰ সামৰণি পৰিছিল আৰু ইয়াৰ দ্বাৰা প্রুছিয়া সবাতোকৈ অধিক লাভৱান হৈছিল।

৩ নং প্রশ্ন উত্তৰ ঃ ৰজা ৱিলিয়ামে জার্মান যুৱৰাজসকলৰ অধিৱেশনত ভাগ নোলোৱাৰ ফলত অষ্ট্রিয়াই কিছুমান সংঘৰাষ্ট্রীয় সংস্কাৰৰ জৰিয়তে পুনৰ জার্মানীৰ নেতৃত্ব নিজৰ হাতলৈ নিবলৈ কৰা প্রয়াস ব্যর্থ হৈছিল।

৪ নং প্রশ্ন উত্তৰ ঃ জোচেফ মাৱিনী

৫ নং প্রশ্ন উত্তৰ ঃ গেৰিবল্ড

৬ নং প্রশ্ন উত্তৰ ঃ ১৮৫০

৭ নং প্রশ্ন উত্তৰ ঃ পীডম'ণ্টৰ দ্বাৰা লোম্বার্ডি দখল

৮ নং প্রশ্ন উত্তৰ ঃ ১৮৬০



৬.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ ইটালীৰ একত্রিতকৰণত মুখ্য ভূমিকা লোৱা ব্যক্তি কেইজনমানৰ নাম লিখক।

প্ৰশ্ন ২ ঃ ১৮৩১ চনত মাজ্জিনীয়ে গঠন কৰা অনুষ্ঠানটোৰ নাম কি আছিল?

প্ৰশ্ন ৩ ঃ কোন চনত ইটালীৰ একত্রিতকৰণৰ প্রক্রিয়াটো সম্পূৰ্ণ সমাপ্ত হৈছিল?

প্ৰশ্ন ৪ ঃ লণ্ডন সন্ধি (১৮৫২)ৰ প্রধান চৰ্তটো কি আছিল?

প্ৰশ্ন ৫ ঃ জার্মানীৰ একত্রিতকৰণৰ আন্দোলনক প্রুছিয়াক কিয় নেতৃত্ব দিবলৈ বাছনি কৰা হৈছিল।

(খ) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মাজ্জিনীৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ ঃ চমু টোকা লিখকঃ

(ক) ফ্রান্স'-প্রুছিয়াৰ যুদ্ধ

(খ) গাষ্টেইনৰ চুক্তি

(গ) কেভ'ৰ

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ইটালীৰ একত্রিতকৰণ প্রক্রিয়াটো আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ইটালীৰ একত্রিতকৰণত প্রধান ভূমিকা লোৱা নেতাসকলৰ কাম-কাজ পৰীক্ষা কৰক।

প্ৰশ্ন ৩ ঃ জার্মানীৰ একত্রিতকৰণত বিচমার্কৰ ভূমিকা আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ জার্মানীৰ একত্রিতকৰণৰ প্রধান ঘটনাসমূহ চমুকৈ বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ ৰাছিয়াৰ সংস্কাৰ আন্দোলন (১৮১৫)

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ ১৮১৫ চনত ৰাছিয়া
৭.৪ আলেক্সজেণ্ডাৰ দ্বিতীয় আৰু তেওঁৰ সংস্কাৰসমূহ
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্রগতিৰ খতিয়ান
৭.৮ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ১৮১৫ চনৰ ৰাছিয়াৰ সামাজিক ৰাজনৈতিক অৱস্থাৰ বিশ্লেষণ কৰিব পাৰিব যিয়ে ৰাছিয়াৰ সংস্কাৰ আন্দোলনৰ এক প্ৰেক্ষাপটৰ ৰূপে কাৰ্য্য কৰিছিল
- আলেক্সজেণ্ডাৰৰ দ্বিতীয় পূৰ্বসুৰীসকলৰ ৰাজত্ব আৰু সময়ক ব্যাখ্যা কৰিব পাৰিব; আৰু
- আলেক্সজেণ্ডাৰ দ্বিতীয়ৰ ৰাজত্বকালত প্ৰৱৰ্ত্তন ঘটোৱা সংস্কাৰসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়নত আমি জার্মানী আৰু ইটালীৰ একত্রীকৰণৰ বিষয়ে আলোচনা কৰিছিলো।

এই অধ্যায়টিত আমি ১৮১৫ চনৰ সময়চোৱাত ৰাছিয়াৰ ইতিহাসৰ বিষয়ে আলোচনা কৰিম। ইয়াত আমি ১৯ শ শতিকাত ৰাছিয়াৰ সামাজিক অর্থনৈতিক অৱস্থাৰ বিষয়ে আলোচনা কৰিম। ৰাছিয়াৰ ৰাজনৈতিক অৱস্থাৰ বিষয়েও ইয়াত আলোচনা কৰা হ'ব। এই অধ্যায়টিত আমি জাৰ আলেক্সজেণ্ডাৰ দ্বিতীয় আৰু ৰাছিয়াত তেওঁৰ দ্বাৰা প্ৰাৰম্ভ কৰা / সংস্কাৰসমূহৰ বিষয়েও অর্ন্তভুক্ত কৰা হৈছিল। আলেক্সজেণ্ডাৰ দ্বিতীয়ৰ দ্বাৰা প্ৰাৰম্ভ কৰা চার্ফ (দাস) সকলৰ মুক্তি আৰু কিছু অন্য সংস্কাৰ বিষয়েও এই অধ্যায়টিত আলোচনা কৰা হ'ব।

৭.৩ ১৮১৫ চনত ৰাছিয়া

মস্কোত নেপলিয়ন' বনাপার্টৰ পৰাজয়ৰ পাছত ইউৰোপৰ এক বৃহৎ শক্তিৰূপে উত্থান ঘটা স্বত্ত্বেও, ৰছিয়া সামাজিক আৰু অর্থনৈতিকবাৰে অনগ্রসৰ পাছপৰা হৈ আছিল। আনকি ৰাছিয়াৰ ৰাজনৈতিক অনুষ্ঠানসমূহো চৰিত্রগতভাৰে মধ্যযুগীয় আছিল।

- **সামাজিক অৱস্থা ঃ**

ৰুছ সমাজ দুটা শ্রেণীৰ দ্বাৰা সংগঠিত আছিল - (i) অভিজাত / উচ্চ বংশীয়সকল (The Nobles) (ii) (The Serfs) চার্ফ বা দাসসকল । ১৭৮৯ চনৰ ফৰাছী বিপ্লৱৰ আগে আগে ফ্রান্সত বর্তি থকা সামাজিক নৈৰাজ্যই ৰাছিয়াতো ১৮১৫ চনৰ সময়ত বিৰাজ কৰিছিল। উচ্চ বংশীয় সকলে চৰকাৰৰ প্রতি কোনো ধৰণৰ কর্তব্য সমাপন কৰিবলগীয়া নহৈছিল কিন্তু তেওঁলোকে এনে কর্তব্যৰ সৈতে জড়িত সুবিধাসমূহ উপভোগ কৰিছিল। তেওঁলোকে চার্ফ বা দাসসকলক কঠোৰ হাতেৰে / ভাৰে শাসন কৰিছিল।

কৃষকসকলৰ অৱস্থা অতি পুতৌজনক আছিল। চার্ফসকল এক অতিশয় দুর্দশাপূর্ণ অৱস্থাত জীৱন নির্বাহ কৰিছিল আৰু উচ্চবংশীয় /অভিজাত শ্রেণীসকলে সংঘটিত কৰা অত্যাচাৰৰ পৰা ৰক্ষা কৰিবলৈ ৰাষ্ট্র চৰকাৰৰ পৰা কোনো ধৰণৰ সুৰক্ষা লাভ কৰা নাছিল। তেওঁলোকক চাবুকেৰে বেত্রাঘাত কৰা হৈছিল, বিক্রী কৰা হৈছিল আৰু ছাইবেৰীয়ালৈ নির্বাসন দিয়া হৈছিল বা আনকি কোনো যুক্তি বা কাৰণ বিহীনভাৰে হত্যা কৰা হৈছিল। জাৰ নিকোলাছ ১ য়ে চার্ফসকলৰ অৱস্থাৰ উন্নতিকৰণৰ বাবে কিছু পদক্ষেপ গ্রহণ কৰিছিল।

- **ৰাজনৈতিক অৱস্থা ঃ**

ৰাছিয়াত সাধাৰণ লোকসকলৰ কোনো ধৰণৰ ৰাজনৈতিক অৱস্থিতি নাছিল। কোনোধৰণৰ প্রতিনিধিত্বমূলক অনুষ্ঠানৰ ব্যৱস্থা নাছিল আৰু ৰাজনৈতিক বিষয়ত কো মাত মতাৰ কোনো অধিকাৰ নাছিল। সর্বসাধাৰণৰ বাক স্বাধীনতা নাছিল। সংবাদপত্রৰ ওপৰত বহুধৰণৰ বাধা-নিষেধ আৰোপ কৰা হৈছিল। আনকি ন্যায়পালিকাও স্বাধীন নাছিল। জাৰে তেঁওৰ দ্বাৰা নিয়োজিত আৰু একমাত্র তেওঁৰ প্রতি দায়বদ্ধ মন্ত্রী পৰিষদৰ সহায়ত দেশ শাসন কৰিছিল আৰু ই মূলতঃ একনায়কত্ববাদ আছিল। জাৰৰ আদেশেই আইনৰূপে পৰিগণিত হৈছিল। এইধৰণৰ আইনসমূহক উকাচেছ (Ukases) বুলি কোৱা হৈছিল। ৰাজকীয় পুলিচবাহিনীৰ সহায়ত জাৰে প্রদেশসমূহ পৰিচালনা কৰিছিল। জাৰৰ দ্বাৰা নিয়োজিত বিষয়ববীয়াৰ অধিকসংখ্যকেই সর্বসাধাৰণক নিষ্ঠুৰভাৰে ব্যৱহাৰ কৰিছিল।

- **আলেক্সজেণ্ডাৰ প্রথম (১৮০১-২৫) ঃ**

জাৰ আলেক্সজেণ্ডাৰ প্রথম, ৰাছিয়াৰ প্রথম শাসক আছিল যাৰ শাসনকালত ইউৰোপত এক বৃহৎ শক্তি হৈ উঠিছিল। তেওঁ ১৮০১ চনত সিংহাসনত আৰোহণ কৰিছিল। তেওঁৰ চৰিত্র একাধিক বৈপৰীত্যৰে পৰিপূর্ণ আছিল। তেওঁ একেৰাহে ৰহস্যময় আৰু খ্যাতি-আকাংক্ষী আছিল। স্বভাৱগতভাৰে তেওঁ এজন নীতিবাদী আছিল। তেওঁ ধর্মীয়

ভাৱে আনুগত্য আছিল যিয়ে তেওঁৰ চৰিত্রক অস্থিৰতা আৰু গোপনীয়তা প্রদান কৰিছিল। অৱশ্যে, এগৰাকী চুইচদেশীয় শিক্ষকৰ পৰা লাভ কৰা শিক্ষাৰ হেতু তেওঁ এজন উদাৰতাবাদীও আছিল। তেওঁৰ উদাৰতাবাদে তেওঁৰ প্রত্যয় নিয়াইছিল যে খ্রীষ্ট্রিয়ধর্ম আদর্শৰ ওপৰত ভিত্তি কৰি ইউৰোপত শান্ত প্রতিষ্ঠা সম্ভৱ। ৰজ্জ্বজ্বাচ্ছ্র-ৰপ্ত ত অনুষ্ঠিত ভিয়েনা কংগ্রেছত উপস্থিত থকা সম্রাট আৰু মন্ত্রীসকলৰ ভিতৰত, ৰাছিয়ান জাৰ আলেক্সজেণ্ডাৰ প্রথমৰ উপস্থিতি উল্লেখনীয় আছিল এই বাবেই যে কংগ্রেছৰ বিৰৰণীত অনুকূল প্রভাৰ পেলাব সক্ষম হোৱা তেঁৰেই একমাত্র উদাৰতাবাদী আছিল। পৰাজিত ফ্রন্সক সৈতে সন্ধিত ফ্রান্সৰ প্রতি সহনশীল চর্ত্তাৱলী আগবঢ়োৱাৰ ক্ষেত্রত তেওঁ জোৰ দিছিল। ফ্রান্সৰ শাসকসকলে এক নিয়মাৱলী অনুসৰি শাসন কৰাৰ ওপৰতো তেওঁ জোৰ দিছিল। তেওঁ জার্মান লোকসকলৰ দেশক ঐক্যবদ্ধ আৰু সংহতিৰ প্রতি থকা স্পৃহাকো উৎসাহিত কৰিছিল। পোলেণ্ডবাসীৰ প্রতি তেওঁ ব্যতিক্রমিকভাৱে উদাৰ আছিল, আৰু তেওঁৰ অধীনত এখন পোলেণ্ডক এখন পৃথক ৰাষ্ট্রৰূপে গঠন কৰি দি স্বায়ত্বশাসন প্রদান কৰিছিল। তেওঁ পোলেণ্ডক সংবিধানো প্রদান কৰিছিল আৰু ৰাছিয়াই নতুনকৈ দখল কৰা ফিললেণ্ডৰ সংবিধানৰ প্রতি শ্রদ্ধাশীল আছিল। কিছুসংখ্যক উত্তৰৰ প্রদেশৰ চার্ফসকলক তেওঁ মুক্তি প্রদান কৰিছিল আৰু দাসপ্রথাৰ বিলুপ্তি ঘটাইছিল। তেওঁৰ ধর্মীয় বিশ্বাসৰ হেতু তেওঁ এক পবিত্র মৈত্রী (Holy Alliance)ৰ সংৰচনা কৰিছিল। কিন্তু পিছলৈ মেট্টাৰনিচ্চ (Metternich)ৰ সম্পূর্ণ প্রভাৱত তেওঁ উদাৰতাবাদ পৰিহাৰ কৰে আৰু এজন গোড়া প্রতিক্রিয়াশীল হৈ উঠে।

- **নিকোলাছ প্রথম (১৮২৫-৫৫) ঃ**

আলেক্সজেণ্ডাৰৰ মৃত্যুৰ পিছত উদাৰতাবাদীসকলে ৰাছিয়াত এখন সাংবিধানিক চৰকাৰ গঠন কৰিবলৈ প্রচেষ্টা চলায়। এওঁলোক "ডিচেম্বৰিষ্ট" বুলি জনাজাত আছিল, কাৰণ তেওঁলোকে তেওঁলোকৰ অভ্যুত্থান ডিচেম্বৰ মাহত সংঘটিত কৰিছিল। কিন্তু, আলেক্সজেণ্ডাৰ প্রথমৰ ভাতৃ নিকোলাছ প্রথম, যি কিছু বেমেজালিৰ পিছত সিংহাসনত অধীনষ্ঠ হৈছিল, এই অভ্যুত্থান কঠোৰ আৰু নিষ্ঠুৰভাৱে দমন কৰিছিল। তেওঁ উদাৰতাবাদৰ ঘোৰ শত্রু হৈ উঠে। তেওঁ বিদেশী পত্রিকা আৰু আলোচনীসমূহ নিষিদ্ধ কৰিছিল, বৈদেশিক ভ্রমণ নিষিদ্ধ কৰিছিল আৰু উদাৰতাবাদী আদর্শসমূহক বিপ্রসাৰক প্রতিহত কৰিব পৰাকৈ এক কার্য্যক্ষম চোৰাংচোৱা / গুপ্তচৰ ব্যৱস্থা গঢ়ি তুলিছিল।

১৪৩০ চনত পোলেণ্ডত সংঘটিত বিপ্ল নিকোলাছে কঠোৰ হাতেৰে দমন কৰে। প্রায় ৪৫,০০০ পোলেণ্ডবাসীক দেশৰ পৰা নির্বাসিত কৰা হয়। নিকোলাছে এক সাম্রাজ্যবাদী নীতিৰ অনুসৰণ কৰিছিল। গ্রীকসকলৰ প্রতি সমর্থন আগবঢ়াই তেওঁ তুর্কীক খণ্ডিত কৰিব বিছাৰিছিল। নভেৰিণত তুর্কীৰ পৰাজয়ৰ সম্পূর্ণ সুযোগ তেওঁ গ্রহণ কৰিছিল। এই সংঘাতৰ পৰা ফ্রান্স আৰু ইংলেণ্ড আঁতৰি অহাৰ সুযোগ লৈ, তেওঁ তুর্কীৰ চুলতানক এড্রিয়ান'পলৰ সন্ধিত মানিলবলৈ বাধ্য কৰাইছিল, যাৰ দ্বাৰা /ফলত গ্রীচক স্বাধীন কৰা হৈছিল।

মেহত আলীৰ পৰাজয়ত পিছত তুৰ্কীৰ সৈতে স্বাক্ষৰিত উনকেইৰ স্কেলেছি (Unkeir Skelesi) সন্ধিৰ দ্বাৰা নিকলাছে কৃষ্ণ সাগৰক (Black Sea) ক এক ৰাছিয়ান হ্ৰদলৈ ৰূপান্তৰ ঘটাই। ১৮৪৮ চনৰ হাংগেৰীয়ান বিপ্লৱক মষিমুৰ কৰি নিকোলাছে অষ্ট্ৰিয়াক সহায় কৰিছিল। কিন্তু তুৰ্কীৰ পবিত্ৰ স্থানসমূহক লৈ উদ্ভৱ হোৱা বিবাদেই নিকোলাছৰ পতন ঘটাই। গ্ৰীক পুৰোহিত সন্যাসীসকলৰ দাবীক সমৰ্থন জনাই, তেওঁ তুৰ্কীক তেওঁৰ অধীনলৈ আনিবৰ প্ৰচেষ্টা চলাইছিল। কিন্তু ইয়াত তেওঁ অসফল হৈছিল। ক্ৰীমিয়াৰ যুদ্ধই তেওঁৰ পতন আৰু মৃত্যু মাতি আনে।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমুহৰ উত্তৰ দিয়ক -

প্ৰশ্ন নং ১ ঃ ৰুছ সমাজত কিমানটা শ্ৰেণী আছিল?

.....

প্ৰশ্ন নং ২ ঃ 'উকাছে'ৰ অৰ্থ কি?

.....

প্ৰশ্ন নং ৩ ঃ আলেক্সজেণ্ডাৰ প্ৰথমই কেতিয়া সিংহাসনত আৰোহন কৰিছিল?

.....

প্ৰশ্ন নং ৪ ঃ 'ডিচেম্বৰিষ্ট' সকল কোন আছিল?

.....

৭.৪ আলেক্সজেণ্ডাৰ দ্বিতীয় আৰু তেওঁৰ সংস্কাৰসমূহ

নিকোলাছ প্ৰথমৰ মৃত্যুৰ পিছত, তেওঁৰ পুত্ৰ আলেক্সজেণ্ডৰ দ্বিতীয় ১৮৫৫ চনত ৰাছিয়াৰ সিংহাসনত আৰোহণ কৰে আৰু ১৮৮১ চনত তেওঁৰ মৃত্যু পৰ্যন্তে শাসনাধীষ্ঠ হৈ থাকে। শাসনাধীষ্ঠ হোৱাৰ সময়ত তেওঁৰ বয়স আছিল ৩৭ বছৰ আৰু তেওঁ চৰিত্ৰত পিতৃৰ নিষ্ঠুৰ গুণসমূহ আহৰিত কৰা নাছিল। ক্ৰিমিয়াৰ যুদ্ধত ব্ৰিটেইন আৰু ফ্ৰান্সৰ হাতত ৰাছিয়াৰ পৰাজয় পিছত তেওঁ চৰম অপমানিত বোধ কৰিছিল। ক্ৰিমিয়াৰ দুৰ্যোগে (১৮৫৬) ৰাছিয়াৰ সামৰিক অদক্ষতা আৰু আৰ্থ-সামৰিক দিশৰ অনগ্ৰসৰতাক উদঙাই দিছিল। দেশৰ এই দুৰ্যোগৰ প্ৰধান দায়ী / দয় বদ্ধতা একমায়কত্ববাদী জাৰৰ কান্ধত আহি পৰিছিল। যাৰবাবে ক্ৰিমিয়াৰ যুদ্ধৰ মাজভাগত সিংহাসনধীষ্ঠ হোৱা নতুন জাৰে দেশত উদাৰতাবাদী সংস্কাৰ আৰম্ভণী কৰাৰ প্ৰয়োজনবোধ কৰিছিল। আগতে উল্লেখ কৰাৰ দৰেই তেওঁ তেওঁৰ শাসনকালৰ প্ৰথম দশকতেই এলানি সংস্কাৰৰ সূচনা কৰিছিল। কিন্তু তেওঁ ৰাজকীয় বিশেষধিকাৰ আৰু সুবিধাৰ ৰক্ষা কৰাৰ প্ৰতি সাৱধান আছিল আৰ জনসাধাৰণক জানিব দিছিল যে সংস্কাৰ হিংসাত্মক বিপ্লৱৰ দ্বাৰা নহয় বৰঞ্চ ওপৰৰ পৰা অৰ্থাৎ ৰজাৰ পৰাহে লাভ কৰিব পাৰিব।

সংস্কাৰসমূহ ঃ

ভ্ৰমণৰ, সংবাদপত্ৰ আৰু ধৰ্মৰ সৈতে জড়িত সকলো দমনমূলক আইন বাতিল কৰা হয়। জাৰৰ অধীনত প্ৰসাৰতা লাভ কৰা ৰেলৰে উদ্যোগে ৰেল নিৰ্মাণ আৰু অস্ত্ৰ উদ্যোগৰ প্ৰতি বিশেষ মনযোগ আগ্ৰহ প্ৰদান কৰিছিল। বিকশিত / ঠন ধৰি অহা উদ্যোগসমূহক মূলধন আৰু বৈদেশিক বিনিয়োগ আগবঢ়াই চৰকাৰে সহায় কৰিছিল। ১৮৬০-৭০ক সময়চোৱাত, ৰপ্তান ১৮১ ৰ পৰা ৩৫০ মিলিয়নলৈকে আৰু আমদানী ১৫৯ ৰ পৰা ৩৩৬ মিলিয়লৈকে বৃদ্ধি ঘটে।

- **চাৰ্ফসকলৰ মুক্তি ঃ**

ৰাছিয়াত ৪৫ মিলিয়ন চাৰ্ফ আছিল, তাৰে অৰ্দ্ধেকে ৰাজকীয় মাটিত কাম কৰিছিল আৰু বাকীসকলে অভিজাত, শ্ৰেণী আৰু গীৰ্জাৰ অধীনষ্ঠ আছিল। তেওঁলোকে তেওঁলোকৰ গৰাকীৰ মাটিত কাম কৰিছিল আৰু বিনিময়ত ন্যূনতম মজুৰি লাভ কৰিছিল। তেওঁলোক যথেষ্ট শোষিত আছিল। কৃষিভূমিৰ উন্নিতকৰণৰ বাবে জমিদাৰ, গীৰ্জা বা সম্ৰাট কোনেও একো ভূমিকা গ্ৰহণ কৰা নাছিল। কিন্তু কৰ পৰিশোধৰ সমস্ত দায়িত্ব কৃষকসকলৰ কান্ধত আহি পৰিছিল। তুলনামূলকভাৰে ৰাজকীয় ভূ-খণ্ডত কাম কৰা চাৰ্ফসকলৰ অৱস্থা ভাল আছিল যিহেতু এনে ক্ষেত্ৰত মাটিৰ গৰাকী 'মিব' বা গ্ৰাম্য সম্প্ৰদায় আছিল। আলেক্সজেণ্ডাৰ প্ৰথমই তেওঁৰ শাসনকালৰ শেষৰপিনে পৰ্য্যায়ক্ৰমে চাৰ্ফসকলৰ মুক্তি বাবে এক আঁচনি হাতত লৈছিল। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ ভাতৃ নিকোলাছে এই বিষয়ত একো কাৰ্যব্যৱস্থা হাতত লোৱা নাছিল।

১৮৬১ চনৰ ৩ মাৰ্চত "মুক্তিৰ হুকুম ৰাজাজ্ঞা" (Edict of emancipation) জাৰী কৰা হৈছিল। ইয়াৰ দ্বাৰা সমগ্ৰ সাম্ৰাজ্যজুৰি চাৰ্ফ প্ৰথাক নিষিদ্ধ কৰা হয়, আৰু ইয়াৰ ফলত আলেক্সজেণ্ডৰে জনপ্ৰিয় 'মুক্তিদাতা জাৰ' উপাধি লাভ কৰিছিল। ইয়াৰদ্বাৰা একমাত্ৰ চাৰ্ফসকলকে মুক্ত স্বাধীন মানৰ বুলি ঘোষণা কৰাই নহয়, লগতে ই মাটিৰ গৰাকীস্বত্বৰ দৰে বহু জটিল সমস্যাকো সমাধান কৰিব বিছাৰিছিল। জাৰে অনুভৱ কৰিছিল যে একমাত্ৰ চাৰ্ফসকলক স্বাধীনতা দি, সকলো ভূমিৰ অধিকাৰ অভিজাত শ্ৰেণীসকলৰ হাতত এৰি দিলে, এক বৃহৎ ভূমিহিন সৰ্বহাৰাৰ শ্ৰেণীৰ সৃষ্টি কৰিব, যি পুনৰায় অৰ্থনৈতিক দিশত অভিজাত শ্ৰেণীটোৰ ওপৰত নিৰ্ভৰশীল হ'ব আৰু যিয়ে সৰ্বশেষত গৈ চাৰ্ফসকলৰ মুক্তি স্বাধীনতাক এক প্ৰহসনত পৰিণত কৰিব। তদুপৰি কৃষকসকল সম্পূৰ্ণৰূপে পতীয়ন গৈছিল যে তেওঁলোকেই হৈছে মটিৰ প্ৰকৃত গৰাকী য'ত তেওঁলোক আৰু পুৰ্বপুৰুষসকলে শতিকাজুৰি বসবাস আৰু কৃষি কৰি আহিছে, আৰু জমিদাৰসকলৰ সেই ভূমিবোৰ আইনগত গৰাকী হোৱা কথাই তেওঁলোকৰ মতবাদক সলনি কৰিব পৰা নাছিল। মাটিৰ অধিকাৰ অবিহনে তেওঁলোকক স্বাধীনতা প্ৰদান কৰা কাৰ্য্যই তেওঁলোকৰ অৱস্থা আগতকৈ শোচনীয়হে কৰি তুলিব। ইয়াৰ বিপৰীতে, মাটিৰ অধিকাৰ সহিতে তেওঁলোকক স্বাধীনতা প্ৰদানৰ অৰ্থ হ'ল এটা শ্ৰেণী হিচাপে অভিজাত শ্ৰেণীটোক ধ্বংস কৰা। যিটো ৰাষ্ট্ৰৰ বাবে

প্রয়োজনীয় বুলি বিবেচিত হৈছিল। এই স্বার্থজনিত সংঘাতৰ পৰিপতি আছিল এক বুজাপৰা, যি কোনো পক্ষৰে বাবে সন্তোষজনক নাছিল, কিন্তু কৃষকসকলতকৈ অভিজাত শ্রেণীৰ পক্ষে তুলনামূলকভাৱে সুবিধাজনক আছিল।

- **ভূমি বিভাজন** (The Division of the Land) ঃ

ভূমিসমূহ দুটা ভাগত বিভাজিত আছিল। জমিদাৰসকলে এটা অংশ লাভ কৰিছিল আৰু আনটো অংশ ব্যক্তিগতভাৱে কৃষকসকলে নাইবা গ্রাম্য সম্প্রদায়ৰ এজন সদস্যৰূপে সামূহিকভাবে লাভ কৰিছিল। কিন্তু এই অধিকাৰ তেওঁলোকক পোনপটীয়াভাৱে দিয়া হোৱা নাছিল, মাটিৰ বাবদ কৃষক আৰু গাঁৱে জমিদাৰসকলক ধন পৰিশোধ কৰিবলগীয়া হৈছিল। যিহেতু তেওঁলোক ধন পৰিশোধকৰিব পৰা অৱস্থাত নাছিল সেইবাবে তেওঁলোকৰ হৈ ৰাষ্ট্রই এই মূল্য / ধন প্রদান কৰিছিল, আৰু কিস্তি হিচাপত এই ধন কৃষকসকলৰ পৰা আদায় কৰিছিল। এই ব্যৱস্থাটো কৃষকসকলৰবাবে চৰম হতাশাজনক আছিল। মাটি বিভাজনৰ এই পদ্ধতিৰ ফলত কৃষকসকলে নতুনকৈ আহৰণ কৰা স্বাধীনতাত এক সন্দেহজনকতা আহি পৰিছিল। প্রকৃতার্থত, পৰিবর্তনৰ ফলত তেওঁলোক লাভান্বিত হোৱাৰ কোনো আশা কৃষকসকলে দেখা নাছিল। জীৱিকাৰ উপায় / পদ্ধতি যেতিয়া সহজ হোৱাৰ বিপৰীতে অধিক কঠিন হৈ উঠিছিল, সেই ক্ষেত্রত ব্যক্তিগত স্বাধীনতাৰ বিশেষ মূল্য নৰয়গৈ। কৃষকসকলে ভূমিক তেওঁলোকৰ নিজা বুলি গণ্য কৰিছিল। কিন্তু, ৰাষ্ট্রই ভূমিৰ এটা অংশত চিৰদিনৰ বাবে জমিদাৰসকলৰ অধিকাৰৰ নিশ্চয়তা প্রদান কৰিছিল আৰু ঘোষণা কৰিছিল যে কৃষকসকলে তেওঁলোকক প্রদান কৰা নির্দিষ্ট ভূমিৰ বিনিময়ত মূল্য পৰিশোধ কৰিবই লাগিব। তদুপৰি, এই বিভাজন সম্পূর্ণ হৈ উঠাৰ পিছত, তেওঁলোকে দেখিবলৈ পাইছিল যে প্রকৃতার্থত তেওঁলোকৰ হাতত আগৰ তুলনাত কম পৰিমাপৰ মাটিহে আহিছে আৰু ইয়াৰ বিপৰীতে বহু বেছি পৰিমাণৰ মূল্য ৰাষ্ট্রৰ জৰিয়তে জমিদাৰসকলক পৰিশোধ কৰিবলগীয়া হয়। এই মুক্তিৰ ৰাজাজ্ঞা দ্বৰা সেয়েহে কৃষকসকলৰ শান্তি বা সমৃদ্ধি আনিব পৰা নাছিল। পিছলৈ ক্রমবর্দ্ধিত জনসংখ্যা আৰু ইয়াৰ ফলত বৃদ্ধি পোৱা চাপৰ ফলত পৰৱর্ত্তী পঞ্চাছ বছৰত মাটিৰ প্রশ্নটো অধিক জটিল হৈ উঠে। ৰাছিয়াৰ কৃষকশ্রেণী দুর্ভিক্ষপ্রায় অৱস্থাত জীৱন নির্বাহ কৰিছিল।

চার্ফসকলৰ মুক্তি সেয়েহে এক সৰল পৰিঘটনা নাছিল। কিন্তু, তথাপি ৰাছিয়াই 'মুক্তিৰ ৰাজাজ্ঞা'ৰ দ্বাৰা এক অক্ষমনীয় ভুলক আনুষ্ঠানিক সমাপ্তি ঘটাই নৈতিকভাৱে অন্য ৰাষ্ট্রৰ সন্মান লভিবলৈ সক্ষম হৈছিল। আইনগতভাবে, প্রত্যেকজন মানুহে মুক্ত / তস্বাধীন আছিল। তদুপৰি, দুৰৱস্থা স্বত্ত্বেও কৃষকসকলৰ অৱস্থা প্রুছিয়া আৰু অষ্ট্রিয়াৰ কৃষকতকৈ উন্নত আছিল।

- **প্রশাসনিক সংস্কাৰ ঃ**

আলেক্সজেণ্ডাৰে জিলা স্থানীয় কাউঞ্চিলসমূহ প্রতিস্থা কৰিছিল, যি সমূহে সর্বসাধাৰণক প্রতিনিধিত্ব কৰিছিল। প্রদেশ কাউঞ্চিলসমূহক এই জিলা কাউঞ্চিলসমূহেই

নির্বাচিত কৰিছিল। এই স্থানীয় সংস্থাসমূহক ন্যস্ত কৰা কর্তব্যসমূহ আন্তঃগাথনিৰ বিকাশ, যেনে ৰাস্তা-ঘাট আৰু দলংৰ মেৰামতি, পৰিস্কাৰ-পৰিচন্নতাৰ আৰু প্রাথমিক শিক্ষাৰ নিৰীক্ষণ চোৰা চিতা আৰু দূর্ভিক্ষৰ প্রতিৰোধ আদি আছিল। এই কাউঞ্চিলসমূহ ক্ষমতাক প্রাদেশিক গৱর্ণৰসকলৰ হাতত থকা প্রতিৰোধ (Veto) ক্ষমতাৰ দ্বাৰা সীমিত কৰা হৈছিল। এই কাউঞ্চিলসমূহ ৰাজহুৱা ব্যৱস্থাৰ শিক্ষণৰ হেতু এক উৎকৃষ্ট স্থালী ৰূপে পৰিগণিত হৈছিল। এইসমূহে ক্ষমতাৰ বিকেন্দ্রীকৰণৰ দিশতো বাটকটীয়া আছিল।

- **ন্যয়িক সংস্কাৰ ঃ**

আলেক্সজেণ্ডাৰে দূর্নীতিগ্রস্ত আৰু অক্ষম হৈ পৰা ন্যায়িক ব্যৱস্থাৰো উন্নতিসাধন কৰিছিল। ন্যায়ীধীশসকলক তেওঁলোকৰ কর্মত স্বাধীনতা প্রদান কৰাৰ উদ্দেশ্য তেওঁ ন্যায়পালিকাক কার্য্যপালিকাৰ পৰা পৃথক কৰিছিল। জুৰীৰ দ্বাৰা বিচাৰ প্রক্রিয়াৰ সূচনা কৰিছিল আৰু ন্যায়ালয়ৰ বিৱৰণী ৰাজহুৱা কৰাৰ ব্যৱস্থা কৰিছিল। তেওঁ এক নতুন ন্যায়িক ধাৰা ব্যৱস্থাৰ ৰচনা কৰাইছিল যাতে সকলো ঘটনা /বিষয়কে সমানভাৱে বিচাৰ কৰিবপৰা যায়। ইয়াৰ ফলত আইনৰ চকুত সকলো সমান বুলি পৰিগণিত হৈছিল। ন্যায়ালয়ক পৰম্পৰাগত আৰু জাতীয় আইনসমূহে সহায় কৰিছিল। উচ্চ ন্যায়ালয়সমূহত প্রশিক্ষণপ্রাপ্ত ন্যায়াধীশ নিযুক্তি দিয়া হৈছিল। ন্যায়ালয়ৰ আদেশৰ বিৰ্দ্ধে আপীল কৰিবপৰা একমাত্র উচ্চতম ন্যায়লয় আছিল ছিনেট। সর্বসাধাৰণ নির্বাচনৰ দ্বাৰা নির্বাচিত 'শান্তিৰ ন্যায়' (Justices of the Peace) প্রতিষ্ঠা কৰা হৈছিল সৰু-সুৰা ঘটনাৰ নিষ্পত্তিৰ হকে। কিন্তু, এই পদ নির্বাচিত কৰাৰ ব্যৱস্থা কৰি আলেক্সজেণ্ডাৰে এটা ভুল কৰি পেলাইছিল। ই কিছুবছৰ পিছত দুর্নীতিৰ উৎপত্তি দিছিল।

- **বিত্তীয় সংস্কাৰ ঃ**

অর্থনৈতিক দিশত, ১৪৬৬ চনত ৰাছিয়াই ৰাষ্ট্রীয় /জাতীয় বেংকৰ (State Bank) ৰ প্রতিষ্ঠা কৰে। যিয়ে জাতীয় মুদ্রাক এক শক্তিশালী ভেটিত প্রতিষ্ঠা কৰিছিল। বিত্তীয় মন্ত্রালয়ে ৰেলপথৰ বিকাশক উদঘণি জনাইছিল, যিয়ে ৰপ্তানি প্রক্রিয়াক সুগম কৰি তুলিছিল। কিন্তু, বৈদিশীক নতুন কার্য্যকলাপৰ প্রতি বিত্ত মন্ত্রালয় সাৱধান আৰু মধ্যমপন্থী আছিল। বিত্ত মন্ত্রালয়ে ১৮৮২ চনত 'কৃষক ভূমি বেংক' ও প্রতিষ্ঠা কৰে যাৰ উদ্দেশ্য আছিল উদ্যোগী কৃষকক অধিক ভূমি আহৰণ কৰাৰ দিশত সহায় কৰা। অন্য এক মুখ্য গুৰুত্বপূর্ণ ব্যৱস্থা আছিল আবকাৰী কৰৰ সুবিধার্থে সুৰা ব্যৱসায়ত ৰেহাই প্রথাৰ বিলুপ্তি ঘটোৱা।

- **মৌলিক অধিকাৰৰ স্বীকৃতি আৰু শৈক্ষিক সংস্কাৰ ঃ**

আলেক্সজেণ্ডাৰ দ্বিতীয় আছিল সর্বসাধাৰণ ৰাইজ জনগণৰ মৌলিক অধিকাৰক স্বীকৃতি প্রদান কৰোতা প্রথম জন জাৰ। তেঁও সংবাদমাধ্যম, সাংবাদিকতা আৰু শৈক্ষিক অনুষ্ঠানসমূহৰ ক্ষেত্রত থকা বাধা নিষেধাজ্ঞা প্রত্যাহাৰ কৰিছিল। দেশজুৰি বহুসংখ্যক নতুন শৈক্ষিক অনুষ্ঠান প্রতিষ্ঠা কৰা হৈছিল। ১৮৫৮ ত, নাৰী শিক্ষাৰ উদ্দেশ্য এখন উচ্চ বিদ্যালয়ৰ আৰম্ভ কৰা হয়। আলেক্সজেণ্ডাৰ দ্বিতীয়ই এক শিক্ষা মন্ত্রালয়ৰ প্রতিষ্ঠা কৰে।

এই মন্ত্রালয়েৰ চহৰসমূহত এক বৃহৎসংখ্যক প্রাথমিক বিদ্যালয়ৰ প্রতিষ্ঠা কৰিছিল, যিসমূহৰ জেম্স্তভ (Zemstov) ৰ অধীনত পৰিচালিত হৈছিল। মাধ্যমিক বিদ্যালয়ৰ অর্থে এক নতুন প্রতিষ্ঠানৰ আৰম্ভণী কৰা হয়। অধ্যাপকসকলক অধিক মুক্তভাৱে নিয়োজিত কৰা হয় আৰু ডীনসকলক নির্বাচিত কৰা হৈছিল। নতুনকৈ প্রৱর্ত্তিত বিশ্ববিদ্যালয় ধাৰাই বিশ্ববিদ্যালয়সমূহক স্বতন্ত্রতা প্রদান কৰিছিল। অধ্যাপকসকলক তেওঁলোকৰ ধাৰণা বা মত শিক্ষার্থীৰি আগত ডাঙিধৰাৰ সম্পূর্ণ স্বাধীনতা প্রদান কৰা হৈছিল। বিদ্যালয়ৰ পাঠ্যক্রমত প্রাকৃতিক বিজ্ঞানৰ লগতে গ্রীক, লেটিন আৰু অংকশাস্ত্রৰো প্রৱর্ত্তন কৰা হৈছিল। মাধ্যমিক বিদ্যালয়ৰ সংখ্যাৰ বৃদ্ধি ঘটিছিল। নাৰী শিক্ষাৰ দিশতো এক উল্লেখযোগ্য প্রগতি লাভ কৰিছিল। ৰাছিয়াত বিশ্ববিদ্যালয়ৰ সংখ্যা ৮ খনলৈকে বৃদ্ধি পাইছিল।

- **সামৰিক সংস্কাৰ ঃ**

আলেক্সজেণ্ডাৰ দ্বিতীয়ৰ শাসনকালত সূচনা হোৱা ১৮৭৪ ত সামৰিক সেৱাৰ সংস্কাৰ আছিল অন্তিম প্রথান সংস্কাৰ। ফ্রান্স-প্রুছিয়াৰ মাজত সংঘটিত যুদ্ধই এক আধুনিক সৈন্যবাহিনী গঢ়ি তোলাৰ প্রয়োজনিতাক প্রদর্শন কৰিছিল। সীমিতসংখ্যক নিয়েজিতৰ বাবে দীর্ঘ ২৫ বছৰ সেৱা আগবঢ়োৱাৰ প্রাচীন প্রথা বাতিল কৰা হৈছিল, যিহেতু ই সর্বসাধাৰণৰ ওপৰত এক বৃহৎবোজা হৈ উঠিছিল আৰু ব্যৱহাৰিক দিশৰ এই প্রথাত কোনো সংৰক্ষিত বাহিনী নাছিল। নতুনকৈ প্রৱর্ত্তিত বাধ্যতামূলক সেৱাত, হ্রস্ব কালীনভাৱে সক্রিয় সেৱা আগবঢ়োৱাৰ আৰু তাৰ পিছত কিছুবছৰ সংৰক্ষিত ভাৱে সেৱা আগবঢ়োৱাৰ সুবিধা আগবঢ়োৱা হৈছিল। এই ব্যৱস্থা ১৮৭৪ চনত ডিমিট্রি মিল্য়ুটিনে প্রৱর্ত্তিত কৰিছিল। এই প্রথা গণতান্ত্রিক পদ্ধতিৰ আছিল, য'ত শ্রেণী নির্বিশেষে ২১ বর্ষৰ সকলো যুৱককে আহ্বান দিয়া হৈছিল। যোগদান কৰোৱা হৈছিল। একমাত্র সেইসকল যুৱককহে ৰেহাই দিয়া হৈছিল যিসকল নিজ পৰিয়ালৰ একমাত্র উপর্জনকাৰী আছিল। এই প্রথাই সৈনিকসকলক বহুতো কৃষকক পঢ়িব শিকাবলৈ আৰু মহিলাৰ বাবে চিকিৎসা শিক্ষাৰ সূচনা কৰাৰ দিশত এক ভূমিকা পালন কৰাৰ সুযোগ দিছিল।

- **সমালোচনা ঃ**

এই সংস্কাৰসমূহ যদিও এক বৌদ্ধিক উদ্যমত গ্রহণ কৰা হৈছিল; কৃষকসকলৰ বাবে ই নিৰাশাজনক পৰিগনিত হৈছিল। কৃষকসকলে নিজকে কৰৰ দ্বাৰা অত্যাধিক বোজাক্রান্ত বুলি গণ্য কৰিছিল আৰু নিজৰ বুলি গণ্য কৰা মাটিৰ বাবেই ক্ষতিপূৰণ দিয়াৰ তীব্র বিৰোধিটা কৰিছিল। অভিজাত শ্রেণীটোৱে বিনামূলীয়া শ্রমিক যোগান হেৰুৱাইছিল আৰু তেওঁলোকৰ ঋণসমূহ শ্রমিকসকলকৰ মুক্তিৰ মাজুলৰ দ্বাৰা আদায়দিয়া হৈছিল। বিনামূলীয়া শ্রমত লাভত অভ্যস্ত হৈ পৰা, অভিজাত শ্রেণীটোৱে এই পৰিবর্তনৰ লগত খাপ খাবলৈ অসুবিধা পাইছল। চার্ফ প্রথাৰ বিলুপ্তিয়ে আশানুৰূপ ফলাফল লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। যদিও, চার্ফসকল কিছুসংখ্যক কষ্ট দুর্ভোগৰ পৰা ৰেহাই পাইছিল, কিন্তু ইয়াৰ বিপৰীতে নতুন বাধ্য বাধকতাৰ বোজা সহিব লগীয়া হৈছিল।

স্থানীয় প্ৰশাসনৰ দিশৰ সংস্কাৰসমূহ সৰ্বসাধাৰণে কোনো ভাৰবিহীনভাৱে গ্ৰহণকৰিছিল, যিহেতু ইয়াৰ প্ৰভাৱ সমাজত ন্যূনতম আছিল। জেমস্তভ (Zemstov) এক ৰাজনৈতিক সংস্থা নাছিল। ই কাৰ্যপালিকাক সমলোচনা আৰু ইয়াৰ নীতিক প্ৰভাৱিত কৰিব পৰা নাছিল। ই কাৰ্য্যপালিকাক সমালোচনা আৰু ইয়াৰ নীতিক প্ৰভাৱিত কৰিব পৰা নাছিল। ই সদানৰ বিকল্প নাছিল। বিষয়াসকলৰ স্বৈৰাচাৰিতাক নিয়ন্ত্ৰণ কৰিব পৰাকৈ ইয়াৰ শক্তি নাছিল। এই সংস্কাৰসমূহে জাৰৰ একনায়কত্ববাদী ক্ষমতাকো কোনো ধৰণে হ্ৰাস কৰিব পৰা নাছিল। নিজৰ পুঁজি টনকিয়াল কৰাৰ বাবে স্বাধীনভাৱে কৰ আৰোপ কৰাৰ অধিকাৰো জেমস্তভৰ নাছিল। ইয়াৰ সলনি ই চৰকাৰৰ ন্যূনতম বৰঙণিৰ ওপৰতহে নিৰ্ভৰশীল আছিল।

আলেক্সজেণ্ডাৰ দ্বিতীয় প্ৰধান সংস্কাৰসমূহৰ ওপৰত উল্লেখ কৰা ধৰণৰ আছিল। তেওঁৰ শাসনৰ প্ৰথম দহ বছৰত বহুতো জনহিতকৰ সংস্কাৰৰ আৰম্ভণী কৰা হৈছিল। যাৰ ফলত উদাৰতাবাদীসকলৰ মাজত উচ্চ আশাই দেখা দিছিল। এক নতুন উদ্যম ৰাছিয়াত প্ৰৱেশ কৰিছিল যাৰ প্ৰতিফলন নতুন সহিত্যত দেখা পোৱা গৈছিল। কিন্তু, সোনকালেই আশাভংগই দেখা দিছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ৫ ঃ ক্ৰিমিয়ৰ যুদ্ধ কিমান চনত সংঘটিত হৈছিল?

.....

প্ৰশ্ন নং ৬ ঃ চাৰ্ফসকলৰ মুক্তিৰ ৰাজাজ্ঞা/ আদেশ (Edict of Emancipation) কেতিয়া জাৰী কৰা হৈছিল?

.....

প্ৰশ্ন নং ৭ ঃ "মুক্তিদাতা জাৰ" বুলি কাক জনা যায়?

.....

প্ৰশ্ন নং ৮ ঃ ৰাছিয়াত ছোৱালীৰ বাবে হাইস্কুল কেতিয়া আৰম্ভ কৰা হয়?

.....

প্ৰশ্ন নং ৯ ঃ ৰাছিয়াত কেতিয়া ৰাষ্ট্ৰীয় বেংক প্ৰতিষ্ঠা কৰা হৈছিল?

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে -

- উনবিংশ শতিকাৰ আৰম্ভণীত ৰাছিয়াৰ ভগ্নপ্ৰায় আৰ্থ-সামাজিক অৱস্থাৰ বিষয়ে।

- আলেক্সজেণ্ডাৰ প্ৰথম আৰু নিকোলাছ প্ৰথমৰ প্ৰতিক্ৰিয়াশীল শাসনকাল আৰু তেওঁলোকৰ শাসনকালত সৰ্বসাধাৰণৰ ক্ৰমবৰ্ধিত প্ৰতিবাদৰ বিষয়ে।
- আলোক্সজেণ্ডাৰ দ্বিতীয়ৰ ৰাজত্বকালত প্ৰশাসনৰ বিভিন্ন দিশত প্ৰৱৰ্ত্তন কৰা উদাৰতাবাদী সংস্কাৰ আৰু এইসমূহৰ ৰাইজৰ জীৱনধাৰাৰ ওপৰত পেলোৱা প্ৰভাৰৰ বিষয়ে।



৭.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Mohajan V.D. (1956) : *Modern Europe since 1789*. Delhi, India: S.Chand & Company Ltd.

2) Rao, B.V. (1985) : *History of Modern Europe 1789-1975*. New Delhi, India: Sterling Publishers Pvt. Ltd.

3) Lipson, E. (1968) : *Europe in the Nineteenth Century, 1815-1914*. London: A and C. Black.



৭.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ দুটা শ্ৰেণী- অভিজাত আৰু চাৰ্ফ

২ নং প্ৰশ্ন উত্তৰ ঃ ৰাজকীয় আদেশ

৩ নং প্ৰশ্ন উত্তৰ ঃ ১৮০১ চন

৪ নং প্ৰশ্ন উত্তৰ ঃ ডিচেম্ব্ৰিষ্টসকল উদাৰতাবাদী আছিল যিয়ে ৰাছিয়াত সংবিধানিক চৰকাৰ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল।

৫ নং প্ৰশ্ন উত্তৰ ঃ ১৮৫৩-১৮৫৬

৬ নং প্ৰশ্ন উত্তৰ ঃ ৩ মাৰ্চ, ১৮৬১

৭ নং প্ৰশ্ন উত্তৰ ঃ আলেক্সজেণ্ডাৰ দ্বিতীয়

৮ নং প্ৰশ্ন উত্তৰ ঃ ১৮৫৮ চন

৯ নং প্ৰশ্ন উত্তৰ ঃ ১৮৬৬ চন।



৭.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

১ নং প্ৰশ্নঃ আলেক্সজেণ্ডাৰ দ্বিতীয়ই লোৱা উদাৰ পদক্ষেপসমূহ কি কি আছিল?

২ নং প্ৰশ্নঃ আলেক্সজেণ্ডাৰ দ্বিতীয়ই ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ সূচনা কি দৰে কৰিছিল?

৩ নং প্ৰশ্নঃ জনগণৰ মৌলিক অধিকাৰৰ বাবে আলেক্সজেণ্ডাৰ দ্বিতীয়ই কি পদক্ষেপ লৈছিল?

৪ নং প্ৰশ্নঃ আলেক্সজেণ্ডাৰ দ্বিতীয়ৰ সামৰিক সংস্কাৰসমূহ কি আছিল?

৫ নং প্ৰশ্নঃ আলেক্সজেণ্ডাৰ দ্বিতীয়ৰ ৰাজত্বকালত প্ৰৱৰ্ত্তিত বিত্তীয় সংস্কাৰসমূহ কি আছিল?

(খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্নঃ ১৮১৫ চনত ৰাছিয়াৰ সামাজিক অৱস্থাৰ বিষয়ে এটি চমু টোকা লিখা?

২ নং প্ৰশ্নঃ ঊনবিংশ শতিকাত ৰাছিয়াৰ ৰাজনৈতিক অৱস্থাৰ বিষয়ে এটি চমু টোকা লিখা?

৩ নং প্ৰশ্নঃ আলেক্সজেণ্ডাৰ দ্বিতীয় প্ৰশাসনিক সংস্কাৰসমূহ কি আছিল।

৪ নং প্ৰশ্নঃ আলেক্সজেণ্ডাৰ দ্বিতীয়ই সূচনা কৰা ন্যায়িক সংস্কাৰসমূহ কি আছিল।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্নঃ নিকোলাচ প্ৰথমৰ বৈদেশিক নীতিসমূহ কি আছিল?

২ নং প্ৰশ্নঃ নিকোলাচ দ্বিতীয়ৰ ৰাজত্বকালৰ আৰম্ভণীৰ বৰ্ষসমূহৰ এক বিৱৰণ লিখক?

৩ নং প্ৰশ্নঃ আলেক্সজেণ্ডাৰ দ্বিতীয়ৰ ৰাজত্বকালত বলবৎ কৰা সংস্কাৰ সমূহৰ বিষয়ে লিখক?

৪ নং প্ৰশ্নঃ "চাৰ্ফসকলৰ মুক্তি"ৰ (Emancipation of Serfs) বিষয়ে এটি টোকা লিখক?

*** ***** ***

অধ্যায় ৮ ঃ অষ্ট্রো-হাংগেৰীয়া সমস্যা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ অসন্তুষ্টিৰ আৰম্ভণি
৮.৪ মার্চ আইন
৮.৫ অক্টোবৰ ডিপ্লমা
৮.৬ (Ausgleich) আউচগ্লেইচ
৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৮.৮ অধিক জানিবলৈ
৮.৯ অগ্রগতিৰ খতিয়ান
৮.১০ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অষ্ট্রো-হাংগেৰীয়াৰ সমস্যা সৃষ্টি কৰা কাৰকসমূহৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- ১৮৪৮ চনৰ হাংগেৰী বিপ্লৱৰ প্রভাৱ সম্পর্কে আলোচনা কৰিব পাৰিব
- অষ্ট্রো-হাংগেৰীয়ান সমস্যাৰ লগত জড়িত মার্চ আইন আৰু অক্টোবৰ ডিপ্লমাৰ আইনীৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব আৰু
- ১৮৬৭ চনৰ আপোচ মীমাংসা সম্পর্কে আলোচনা কৰিব পাৰিব।

৮.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি আলেক্সজেণ্ডাৰ দ্বিতীয়ৰ অধীনত হোৱা ১৮১৫ চনৰ ৰাছিয়াৰ সংস্কাৰ আন্দোলনৰ বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়ত আমি অষ্ট্রো-হাঙ্গেৰীয়া সমস্যাৰ বিষয়ে আলোচনা কৰিম। ই অষ্ট্রিয় সাম্রাজ্যৰ শতবর্ষৰ ৰাজনৈতিক সম্বন্ধ ভাঙি হাংগেৰীক এখন স্বাধীন ৰাষ্ট্র লৈ ৰূপান্তৰিত কৰাৰ হাংগেৰীয় জনসাধাৰণৰ প্রচেষ্টাক বুজায়। ১৫৪৭ চনৰ পৰা হাংগেৰী অষ্ট্রিয় সাম্রাজ্যৰ এখন ৰাজ্য আছিল। হাংগেৰীৰ জনসাধাৰণ মিশ্রিত জাতি আৰু প্রতিটো জাতি নিজস্ব উচ্চাকাঙ্খাত আগ্রহী আছিল। ম্যাগৰ সকল আছিল সর্বাধিক প্রভাৱশালী জাতি আৰু সিহঁতেই হাংগেৰীয় সমাজত ৰাজত্ব কৰিছিল। অষ্ট্রিয়াৰ হোবছবার্গ সম্রাটসকলে মন্ত্রী পৰিষদৰ সহায়ত হাংগেৰী শাসন কৰিছিল। হাংগেৰীক ৰক্ষণাবেক্ষণৰ বাবে ইয়াৰ নিজস্ব সংসদ আছিল যাক (Diet) ডায়েট বুলি জনা যায়। হেৰছবার্গৰ সম্রাটসকলৰ স্বৈৰাচাৰী শাসন

আৰু হাংগেৰীৰ জনসাধৰণৰ মিশ্ৰ স্বাৰ্থত অষ্ট্ৰিয়া আৰু হাংগেৰীৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হৈছিল। ১৮৪৮ চনৰ বিপ্লৱৰ সময়ত এই সমস্যাটো গা কৰি উঠিছিল। অষ্ট্ৰো-হাংগেৰীয় সমস্যাটো ১৮৬৭ চনত (Ausgleich) আউচগ্ৰেইচ অথবা মিমাংসাৰ ৰূপত অন্ত পৰে। সেই সময়ত ৰাজনৈতিক উত্থান-পতন আৰু সমস্যাই বৈদেশিক হস্তক্ষেপ জড়িত হৈ আছিল।

৮.৩ অসন্তুষ্টিৰ আৰম্ভণি

অষ্ট্ৰিয়াৰ হাংগেৰী ৰাজ্যটো কেন্দ্ৰীয়ভাৱে সামন্ততান্ত্ৰিক শাসকসকলৰ জৰিয়তে শাসিত হৈছিল আৰু অষ্ট্ৰিয়াৰ সম্ৰাটে সিহঁতক নিয়োগ কৰিছিল। সিহঁতে সকলো ধৰণৰ কৰমুক্ত আৰু কিছুমান বিশেষ সুবিধা পাইছিল। আনহাতে হাংগেৰীৰ জনসাধাৰণে ৰাজনৈতিক অধিকাৰ, অৰ্থনীতি আৰু সামাজিক সুযোগ সুবিধাৰ পৰা বঞ্চিত আছিল। অষ্ট্ৰিয়াৰ শাসন কালত হাংগেৰীত কোনোধৰণৰ উন্নয়ন হোৱা নাছিল। হাংগেৰীৰ সংসদ (ডায়েট) নামমাত্ৰহে আছিল। ইয়াৰ কোনো ধৰণৰ ৰাজনৈতিক ক্ষমতা নাছিল। ১৮১৫ চনৰ পৰা ১৯৪৮ চনলৈ অষ্ট্ৰিয়াৰ চ্যাঞ্চেলৰ আছিল মেট্টাৰনিচ্চ, তেওঁ হাংগেৰীৰ জাতীয়তাবাদী আন্দোলনক দমন কৰাৰ চেষ্টা কৰিছিল। ফৰাচী বিপ্লৱৰ বিৰুধ হোৱাৰ বাবে মেট্টাৰনিচ্চয়ে স্বাধীনতা, সমতা, ভাতৃত্ববোধৰ ভাৱনাক নুই কৰিছিল। ম্যাগৰসকলে হাংগেৰীত প্ৰশাসনৰ পৰিৱৰ্তন বিচাৰিছিল। সিহঁতে অষ্ট্ৰিয়াৰ পৰা হাংগেৰীক মুক্ত কৰিব বিচাৰিছিল। ফলস্বৰূপে ফ্ৰান্সৰ বিপ্লৱৰ পিছত হাংগেৰীত এখন জাতীয়তাবাদী আৰু সংস্কাৰকামী আন্দোলন ক্ৰমশঃ বৃদ্ধি পাবলৈ ধৰিছিল। হাংগেৰীৰ জনসাধাৰণে স্বৈৰাচাৰী শাসনৰ পৰা মুক্তিৰ বাবে প্ৰস্তুত আছিল। লেখক, কবি, শিল্পী আৰু কিছুমান পৰিষদবৰ্গই জাতীয়তাবাদী আন্দোলনৰ পক্ষে কাম কৰিছিল, যিয়ে ম্যাগাৰসকলক ঐক্যবদ্ধ কৰিছিল। ১৮২৫ চনত হাংগেৰীৰ জনসাধাৰণৰ মাজত অৰ্থনৈতিক দুৰাৱস্থাক লৈ ক্ৰমবদ্ধভাৱে বাঢ়ি অহা আশংকাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ ফলত সংসদ (Diet) ক আমন্ত্ৰণ জনোৱা হল। এইটোৱেই হাংগেৰী সংস্কাৰৰ আৰম্ভণি আছিল। সেয়েহে ডায়েটত এখন উদাৰপন্থী দলৰ প্ৰতিষ্ঠা হয়। উদাৰপন্থীসকলে আধুনিকীকৰণত আগ্ৰহী আৰু তেওঁলোকৰ নেতাসকলে পশ্চিম ইউৰোপীয় দেশবিলাকৰ আৰ্হিত হাংগেৰীৰ বিকাশৰ প্ৰয়োজনীয়তাক প্ৰাধান্য দিছিল। সিহঁতে হাংগেৰী উন্নয়নৰ চেষ্টা কৰিছিল। লুই কছুথ, অথবা লাজেছ কছুথ এখন সংবাদ পত্ৰৰ সম্পাদক আৰু উদাৰপন্থী ভাৱবাদী নিম্ন জনগোষ্ঠীৰ নেতা, হিচাপে ডায়েটত আৰ্ৱিভাৱ হয়। ফ্ৰান্সীচ ডিকৰ সতে কছুথে হাংগেৰীত উদাৰপন্থী ভাৱবাদী মতাদৰ্শ প্ৰচাৰ কৰে। চৰকাৰে কছুথ আৰু তেওঁৰ হাতে লিখা বৈপ্লৱিক সংবাদপত্ৰ নিষিদ্ধ ঘোষণা কৰে। তেওঁৰ প্ৰচাৰ পত্ৰৰ জৰিয়তে হাংগেৰীৰ জনসাধাৰণে তেওঁলোকৰ অধিকাৰৰ বিষয়ে অৱগত হয় আৰু অষ্ট্ৰিয়াৰ স্বৈৰাচাৰী শাসনৰ পৰা মুক্ত হোৱাৰ বাবে উদ্বুদ্ধ হৈছিল। হেবছ্বাৰ্গৰ সম্ৰাটৰ বাধা থকা স্বত্বেও হাংগেৰীৰ জনসাধাৰণে আধুনিকীকৰণক সমৰ্থন কৰিছিল।

উদাৰপন্থীসকলৰ ক্ৰমবৰ্দ্ধমান জনপ্ৰিয়তাৰ কাৰণে অষ্ট্ৰিয়া চৰকাৰ চিন্তিত হৈছিল। অষ্ট্ৰিয়াৰ নতুন সম্ৰাট ফৰ্দিনাণ্ড প্ৰথমে সংস্কাৰকামী আন্দোলনৰ নেতাসকলক বন্দি কৰি

সংস্কাৰকামী আন্দোলনক চূৰ্ণ-বিচূৰ্ণ কৰাৰ চেষ্টা কৰে আৰু জনসাধাৰণৰ ৰাজনৈতিক অধিকাৰ, অৰ্থনৈতিক সংস্কাৰ আদি সকলো গুৰুত্বপূৰ্ণ উদাৰনৈতিক আইনক প্ৰত্যাহ্বান কৰে। কছুথৰ লগতে বহুতো উদাৰপন্থীক বন্দি কৰে। কিন্তু ডায়েটে সংস্কাৰকামী উদাৰপন্থীসকলক আন্দোলনক সমৰ্থন কৰে। ১৮৩৯ চনত সংস্কাৰকামী ৰাজনৈতিক বন্দীসকলৰ মুক্তি নোহোৱা পৰ্যন্ত ডায়েটে কাৰ্য প্ৰক্ৰিয়া বন্ধ কৰে। অষ্ট্ৰিয়াৰ স্বৈৰাচাৰী শাসনৰ বিপৰীতে য্যাগৰসকলে ডায়েটৰ জৰিয়তে ১৮৩৯ চনত লেটিন ভাষাক ৰাজ্যিক ভাষাৰ স্বীকৃতি দিয়ে আৰু কৃষকসকলে সামন্ততন্ত্ৰৰ বাধ্যবাধকতাৰ পৰা পৰিত্ৰাণ পায়। ১৮৪৭ চনত কছুথ আকৌ ডায়েট নিৰ্বাচিত হয় আৰু বৃত্তমন্ত্ৰী পদ পায়।

আইন সভাত কছুথে হাংগেৰীৰ জাতীয় জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে গণতান্ত্ৰিক সংস্কাৰৰ দাবী উত্থাপন কৰে। গণতান্ত্ৰিক সংস্কাৰৰ বাবে প্ৰতিকূল বাতাবৰণ সৃষ্টি কৰিছিল। সেই সময়ৰ প্ৰশাসনিক ব্যৱস্থাৰ ওপৰত জনসাধাৰণৰ অনাস্থাৰ ভাৰ হৈছিল। তেওঁলোকে দ্ৰুত পৰিবৰ্তনৰ বাবে কছুথে কিছুমান দাবী উত্থাপন কৰিছিল। যেনে—

(ক) সম্পত্তিৰ ভিত্তিত কৰ আৰোপ কৰা

(খ) হাঙ্গেৰী আইন সভাত জাতীয় ব্যয় নিয়ন্ত্ৰণ কৰা

(গ) ছপাখানা অথবা প্ৰেছৰ স্বাধীনতা

(ঘ) ৰাজনৈতিক অধিকাৰ আৰু বাক স্বাধীনতা

(ঙ) হাংগেৰীক পৃথক আৰু স্বাধীন ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰিব লাগে।

এই দাবীসমূহ সমগ্ৰ হাঙ্গেৰীত প্ৰচাৰিত হয় আৰু এইদৰেই সংস্কাৰকামী উদাৰপন্থীসকলে এখন গণতান্ত্ৰিক বিদ্ৰোহৰ বাতাবৰণ সৃষ্টি কৰিছিল। একে সময়তে ফ্ৰান্সতো ১৮৪৮ চনত বিপ্লৱৰ সূচনা হৈছিল যিয়ে ফ্ৰান্সৰ ৰজা লুই ফিলিপৰ পতন ঘটাইছিল। এই বিপ্লৱে অষ্ট্ৰিয়া জনসাধৰণক প্ৰভাৱিত কৰিছিল আৰু ম্যাট্টাৰনিচ্চৰ স্বৈৰাচাৰী শাসনৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। ফলস্বৰূপে ম্যাট্টাৰনিচ্চৰ পতন ঘটিছিল। বিপ্লৱৰ সময়ত লুই কছুথ আৰু তেওঁৰ সমৰ্থকসকলে অষ্ট্ৰিয়াসকলৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল। সিহঁতে হাংগেৰীত পৃথক সংসদীয় চৰকাৰৰ দাবী কৰিছিল। ম্যাট্টাৰনিচ্চৰ পতনৰ ফলস্বৰূপে প্ৰথম দুৰ্বল হৈ পৰিছিল অষ্ট্ৰিয়াৰ ফাৰ্দিনাণ্ড তেওঁ ম্যাগাৰসকলৰ দাবী মানি লৈছিল আৰু হাংগেৰীৰ সংসদ (DIET) (ডায়েট) অষ্ট্ৰিয়াৰ পৰা মুক্ত হৈছিল।



জানি থোৱা ভাল

ম্যাট্টাৰনিচ্চ পদ্ধতি ঃ অষ্ট্ৰিয়াৰ কূটনীতিবিদ আৰু ৰাষ্ট্ৰনায়ক ইয়াক ম্যাট্টাৰনিচ্চ অষ্ট্ৰিয়াৰ প্ৰশাসনৰ এটা নতুন ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল আৰু ম্যাট্টাৰনিচ্চ পদ্ধতি বুলি কোৱা হয়। ম্যাট্টাৰনিচ্চ পদ্ধতিত দুটা উপাদান আছিল — (ক) অষ্ট্ৰিয়া সাম্ৰাজ্যৰ বিপ্লৱী চিন্তাধাৰাৰ প্ৰবাহক প্ৰতিৰোধ কৰা (খ) ইউৰোপত স্থিতিশীলতা বজায় ৰখা। ইউৰোপত শান্তি আৰু শৃংখলা বজায় ৰখাৰ উদ্দেশ্যেৰে ম্যাট্টাৰনিচ্চে এখন আন্তঃৰাষ্ট্ৰীয় সংস্থা ডিয়েনাৰ সংসদত প্ৰতিষ্ঠা কৰিছিল।

এই সংস্থাটোক ইউৰোপীয় সংহতি বুলি জনা যায়। ইউৰোপীয় সংহতি ম্যাট্টাৰনিচ্চ পদ্ধতিৰ অবিচ্ছেদ্য অংগ আছিল।



অগ্রগতি নিৰীক্ষণ

নিম্নলিখিত প্রশ্নসমূহৰ উত্তৰ লিখক -----

প্রশ্ন নং ১ ঃ হাংগেৰীৰ উদাৰপন্থী নেতা কোন আছিল?

.....

প্রশ্ন নং ২ ঃ হাংগেৰীয় বিধান সভাৰ নাম কি?

.....

প্রশ্ন নং ৩ ঃ ১৮৪৮ চনৰ বিপ্লৱৰ সময়ত অষ্ট্রিয়াৰ সম্রাট কোন আছিল?

.....

প্রশ্ন নং ৪ ঃ ফ্রান্সৰ ৰজা লুই ফিলিপৰ পতনৰ কাৰণ কি?

.....

৮.৪ মার্চ আইন

হাংগেৰী বিধান সভাৰ উদাৰপন্থী সদস্যসকলে প্রশাসনৰ সামন্ততান্ত্রিক প্রকৃতি বাতিল কৰিব বিচাৰিছিল। ইয়াৰ উপৰি প্রশাসন ব্যৱস্থাৰ আধুনিকীকৰণৰ দাবি উত্থাপণ হৈছিল। কিন্তু তেওঁলোকে সেই সময়ত আমূল পৰিৱর্তন বিচৰা নাছিল, তেওঁলোকে জাতীয় মুক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ১৮৪৮ চনৰ ১৫ মার্চত, কছুথে সিহঁতৰ কার্যক্রম জাতীয় সংসদ ডায়েটত উপস্থাপন কৰে। এইটো সাধাৰণ জনগণৰ শক্তি সংৰক্ষণ আৰু অষ্ট্রিয় সাম্রাজ্যৰ মাজত এখন স্বাধীন ম্যাগাৰ ৰাষ্ট্র সৃষ্টি কৰাৰ উদ্দেশ্য আছিল। এই কার্যক্রমক মার্চ আইন বুলি কোৱা হয়। এই আইন হাংগেৰীৰ ডায়েটৰ দ্বাৰা গৃহীত হয়।

মার্চ আইন অনুসৰি বুদাপেষ্টত এগৰাকী ভাইচৰয় থাকিব যিজনে অষ্ট্রিয় সম্রাটৰ বিশেষ অধিকাৰসমূহ অষ্ট্রিয় চৰকাৰক কোনো কৈফিয়ৎ নিদিয়াকৈ ব্যৱহাৰ কৰিব পাৰিব। হাংগেৰী ৰক্ষা কৰাৰ বাবে এখন ৰাষ্ট্রীয় সুৰক্ষা বাহিনীৰ গঠন কৰা হৈছিল। হাংগেৰী নিজৰ বাজেট আৰু বৈদেশিক নীতি নিয়ন্ত্রণ কৰাৰ ক্ষমতা লাভ কৰিছিল। এখন মন্ত্রালয় গঠিত হৈছিল যিটো হাঙ্গেৰীয় সংসদ ডায়েটৰ ওচৰত দায়বদ্ধ আছিল। ডায়েটে সামন্ততন্ত্র বাতিল কৰে। সম্পত্তি অনুসৰি ভোটাধিকাৰ দিয়া হৈছিল। মার্চ আইন প্রেছৰ বিবেচনা কৰা নাছিল। হাংগেৰীত ভূমিদাসত্ব বাদ দিয়া হৈছিল। সমভ্রান্তসকলো কৰমুক্ত নাছিল। ১৮৪৮ চনৰ ১১ এপ্রিলত, মার্চ আইন সাংবিধানিকভাৱে হাংগেৰীয় জাতীয় পতাকাৰ সৈতে সম্রাট ফার্দিনাণ্ড (প্রথম)ৰ দ্বাৰা স্বীকৃতি প্রদান কৰা হৈছিল। কিন্তু মার্চ আইন অষ্ট্রো-হাংগেৰীয় সমস্যাৰ স্থায়ী সমাধান কৰাত ব্যর্থ হৈছিল। হাংগেৰী এখন গলনশীল পাত্রৰ নিচিনা আছিল। হাংগেৰী আছিল বিভিন্ন জাতিৰ লোকৰ বিভিন্ন পৰিকল্পনাৰ মিশ্রণ। মার্চ আইনৰ জৰিয়তে ম্যাগাৰসকল উপকৃত হৈছিল। অনা-হাংগেৰীয়সকলে

নতুন ৰাজনৈতিক ব্যৱস্থাকলৈ অসন্তুষ্ট হৈছিল। ম্যাগাৰসকলে হাংগেৰীৰ চৰকাৰী ভাষা হিচাপে ম্যাগাৰ ভাষাক প্ৰতিষ্ঠা কৰিছিল। কিন্তু হাংগেৰীত মাগ্যাৰসকল সংখ্যালঘু আছিল। হাংগেৰীয় ডায়েটত এটা দলে হাংগেৰীত ৰাজতন্ত্ৰৰ পোষকতা কৰিছিল। তেওঁলোকে ডায়েটৰ বিৰুদ্ধে বিদ্রোহ কৰিছিল। অষ্ট্ৰিয়া চৰকাৰে এই বিদ্রোহ সমৰ্থন কৰিছিল, যাৰ বাবে ডায়েটে অষ্ট্ৰিয়াৰ লগত সকলো সম্বন্ধ ছিন্ন কৰিছিল। উদাৰপন্থীসকলে হাংগেৰীক এখন স্বাধীন প্ৰজাতন্ত্ৰ ৰাষ্ট্ৰ হিচাপে ১৮৪৯ চনৰ এপ্ৰিল মাহত ঘোষণা কৰে আৰু কছুথ হাংগেৰীৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। ম্যাগৰ বিৰোধী আন্দোলনসমূহ শক্তিশালী হৈ উঠিছিল কাৰণ শ্লোভাকছ, চাৰ্ব, ৰোমানিয়া আৰু জাৰ্মানীসকলে ম্যাগাৰসকলৰ ৰাষ্ট্ৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। অষ্ট্ৰিয়াৰ নতুন সম্ৰাট ফ্ৰান্সিছ জোছেফ অগ্ৰগতিশীল বিপ্লৱৰ বিৰুধী আৰু শক্তিশালী ৰাজতন্ত্ৰত বিশ্বাসী আছিল। তেওঁ হাঙ্গেৰীৰ আভ্যন্তৰীণ বিদ্রোহৰ সুযোগ গ্ৰহণ কৰি উদাৰপন্থীসকলক দমন কৰাৰ বাবে সৈন্য পঠাইছিল হাংগেৰীয়ন প্ৰজাতন্ত্ৰৰ ঘোষণা পত্ৰত ৰাছিয়াৰ বিপ্লৱীসকলে হাংগেৰীৰ নিচিনা সিমান্তত আছিল যেতিয়া অষ্ট্ৰিয়াক সহায় কৰিবৰ বাবে ৰাছিয়াক আহ্বান জনাইছিল তেতিয়া ৰাছিয়াই হাংগেৰীয় বিৰুদ্ধে বিশাল সৈন্যবাহিনীৰ দল পঠিয়াইছিল। যৌথ সেনাবাহিনীয়ে হাঙ্গেৰীৰ আৰু উদাৰপন্থীসকলক পৰাস্ত কৰিছিল। ফলস্বৰূপে কছুথ দেশ এৰি যাবলৈ বাধ্য হৈছিল। অষ্ট্ৰিয়া আকৌ হাংগেৰীৰ ওপৰত স্বৈৰতান্ত্ৰিক শাসন প্ৰতিষ্ঠা কৰিছিল আৰু হাংগেৰীক অষ্ট্ৰিয়াৰ এখন ৰাজ্যত পৰিণত হৈছিল। কেন্দ্ৰীকৰণ আৰু স্বতন্ত্ৰতা নীতি অনুসৰণ কৰা হৈছিল, স্থানীয় চৰকাৰ ব্যৱস্থাক স্থানান্তৰিত কৰা হৈছিল আৰু অষ্ট্ৰিয় কৰ্তৃপক্ষই প্ৰশাসনিক পদসমূহ পূৰণ কৰিছিল, ম্যাগাৰসকলৰ বাবে ৰাষ্ট্ৰভাষা হিচাপে জাৰ্মানক প্ৰতিষ্ঠা কৰা হৈছিল। সেইয়েহে ১৮৪৮ চনৰ হাংগেৰী বিপ্লৱ ব্যৰ্থ আৰু মাৰ্চ আইন বাতিল কৰা হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখক —

প্ৰশ্ন নং ৫ ঃ জাতীয় সংসদ বা ডায়েটত মাৰ্চ আইন কেতিয়া উত্থাপিত হৈছিল?

.....

প্ৰশ্ন নং ৬ ঃ হাংগেৰীৰ বিদ্রোহ দমন কৰাত অষ্ট্ৰিয়াক কোন দেশে সমৰ্থন কৰিছিল?

.....

প্ৰশ্ন নং ৭ ঃ ১৮৪৮ চনৰ পূৰ্বে হাংগেৰীৰ ৰাষ্ট্ৰভাষা কি আছিল?

.....

প্ৰশ্ন নং ৮ ঃ মাৰ্চ আইনৰ জৰিয়তে কোন উপকৃত হৈছিল?

.....

৮.৫ অক্টোবৰ ডিপ্লমা

১৮৪৮ চনৰ বিপ্লৱ দমনে অষ্ট্রো-হাংগেৰীয়ান সমস্যাৰ স্থায়ী সমাধন কৰিব পৰা নাছিল। যদিও ফ্রান্সিছ যোছেফে সম্পূর্ণ ৰাজকীয় ক্ষমতা প্রদর্শন কৰিছিল, তথাপি অষ্ট্রিয়া লাহে লাহে দুর্বল হৈ পৰিছিল। ১৮৫৬ চনৰ ক্রীমিয়াৰ যুদ্ধত ৰাছিয়াক পৰাজিত কৰাৰ পিছত অষ্ট্রিয়া এগৰাকী শক্তিশালী সহযোগী হেৰুৱাইছিল। আনহাতে ১৮৫৯ চনত ইটালি স্বাধীনতাৰ দ্বিতীয় যুদ্ধত অষ্ট্রিয়া পৰাজিত হৈছিল। সেইবাবে অষ্ট্রিয়া লাহে লাহে অর্থনৈতিকভাবে দুর্বল হৈ পৰিছিল আৰু আমোলাতন্ত্রৰ দুর্বলতাত প্রকাশ পাইছিল। বহুতো হাংগেৰীয় জনসাধাৰণে অষ্ট্রিয় শত্রুসকলৰ লগত যোগ দিছিল আৰু এইটোৱেই বিদ্রোহৰ সম্ভাৱনাই দেখা দিছিল। ফলস্বৰূপে সাম্রাজ্যৰ মাজত সংশোধন আৰু হাংগেৰীৰ লগত সু সম্পর্কৰ দাবি উত্থাপিত হৈছিল। এই দাবিৰ জৰিয়তে ফ্রান্সিছ যোছেফ সংস্কাৰৰ বাবে সাম্রাজ্যৰ পৰিষদ Reichsrat পৰামর্শ বিচাৰিছিল। এটা দলে প্রধানতঃ জার্মানভাষী সদস্যসকলে, এখন শক্তিশালী কেন্দ্রীয় চৰকাৰ আৰু দুর্বল ৰাজ্যচৰকাৰ বিচাৰিছিল। আনহাতে অন্য এটা দল হাংগেৰীয়ান, চেক আৰু পোলিশ উচ্চ পদস্থ সকলে সমন্বয়ত গঠিত ৰাজ্যচৰকাৰক অধিক ক্ষমতা প্রদানৰ পোষকতা কৰিছিল। সম্রাটে পিছৰ দলক সমর্থন দিছিল। ১৮৬০ চনৰ ২০ অক্টোবৰত সংসদত এখন সংবিধান গঠিত হয়, ই অক্টোবৰ ডিপ্লমা বা চার্টাৰ হিচাপে পৰিচিত হয়। এই ডিপ্লমা অনুসৰি ১০০ সদস্যৰে এখন কেন্দ্রীয় সংসদ গঠিত হয়। অর্থ, বাণিজ্য আৰু উদ্যোগৰ ক্ষেত্রত ই আছিল পৰামর্শদাতা। অন্যান্য ৰাজসম্পর্কীয় বিষয়সমূহ ৰাজ্যচৰকাৰক ন্যস্থ কৰা হৈছিল। সম্রাটে বৈদেশিক নীতি আৰু সামৰিক বিষয় সম্পূর্ণ নিয়ন্ত্রণ কৰিছিল।

অক্টোবৰ ডিপ্লমাই হাংগেৰীক পূর্বৰ ১৮৪৮ চনৰ অৱস্থাত পুনঃস্থাপন কৰে। প্রশাসনিক জিলাসমূহ বিলুপ্ত কৰা হৈছিল আৰু ডায়েট পুনৰস্থাপন কৰা হৈছিল। হাংগেৰীয় উচ্চপদস্থ বিষয়াত লৈ স্থানীয় চৰকাৰ পুনৰ গঠিত হৈছিল। এই সংস্কাৰেই হাংগেৰীৰ পুনৰ মিলনৰ পথ প্রশস্থ কৰিছিল। কিন্তু ম্যাগৰসকল ডিপ্লমাক লৈ সন্তুষ্ট নাছিল। তেওঁলোকে মার্চ আইন পুনৰ স্থাপন কৰিব বিচাৰিছিল। তেওঁলোকক ফ্রান্সিছ যোছেফে প্রতিৰোধ কৰিছিল, অক্টোবৰ ডিপ্লমা বাতিল কৰিছিল আৰু ১৮৬১ চনৰ ফেব্রুৱাৰী পেটেণ্ট (February Patent) জাৰি কৰিছিল। ই এখন দ্বিদলীয় বিধান সভাৰ সৃষ্টি কৰিছিল আৰু ৰাজ্যসমূহত প্রতিনিধি পঠোৱাৰ ব্যৱস্থা কৰিছিল। হাংগেৰীক এখন নিম্ন ৰাজ্যৰ অৱস্থালৈ অৱনত কৰা হৈছিল। হাংগেৰীয়াৰ ডায়েটে পেটেণ্টক প্রত্যাখ্যান কৰিছিল আৰু অষ্ট্রিয়াৰ সংসদলৈ ডেপুটি পঠাবলৈ অস্বীকাৰ কৰিছিল। ডায়েটে দাবি উত্থাপন কৰিছিল যে হাংগেৰীৰ অনুমোদন নোহোৱাকৈ কোনো পৰিবর্তন কৰিব পৰা নেজাব। ১৮৬৫ চন পর্যন্ত এই অচলাৱস্থা আছিল। ১৮৬৫ চনত আলোচনাৰ সূচনা হৈছিল যদিও অষ্ট্রোপ্রতছিয়ান যুদ্ধৰ বাবে ই ব্যাঘাত ঘটিছিল। যুদ্ধত অষ্ট্রিয়া পৰাজিত হোৱাৰ পিছত আলোচনা পুনৰ আৰম্ভ হৈছিল। ফলস্বৰূপে শেষত ১৮৬৭ চনত (Ausgleich) আউচগ্রেইচ অথবা আপোচ মীমাংসা হৈছিল।

৮.৬ আউচগ্রেইচ্

১৮৬৭ চনত অষ্ট্রো হাংগেৰীয়ে মীমাংসাৰ ফলস্বৰূপে অষ্ট্রিয়া হাংগেৰী দ্বৈত ৰাজতন্ত্ৰৰ প্ৰতিষ্ঠা হৈছিল। ১৮৬৭ চনৰ আপোচ মীমাংসা চুক্তিৰ অধীনত হেবছবৰ্গৰ শাসন দুই ভাগত বিভক্ত - (১) অষ্ট্রিয়া - অষ্ট্রিয়াৰ লগতে বোহেমিয়া, গালিসিয়া, কানওলা আৰু টাইৰল (২) হাংগেৰী - হাংগেৰীৰ লগতে ক্ৰোয়েশিয়া, বানাট আৰু ট্ৰান্সীলভানিয়া। ১৮৬৭ চনৰ আপোচ মীমাংসা অনুসৰি —

- অষ্ট্রিয়া আৰু হাংগেৰীৰ পৃথক পৃথক সংসদ আৰু সংবিধান থাকিব। প্ৰত্যেক খণ্ডতে তেওঁলোকৰ নিজা নিজা চৰকাৰ, মন্ত্রীসকলৰ নেতৃত্বত নিজস্ব প্ৰধান মন্ত্রী থাকিব। সম্ৰাট আৰু মন্ত্রীসকলৰ দ্বাৰা গঠিত দ্বৈত ৰাজতন্ত্ৰ ত সম্ৰাট উপাধি আছিল 'অষ্ট্রিয়াৰ সম্ৰাট আৰু হাংগেৰীৰ ৰজা'। ভিয়েনাত বৈদেশিক বিষয়ৰ বাবে সাধাৰণ মন্ত্রী, প্ৰতিৰক্ষা মন্ত্রী আৰু সেনা বাহিনী, নৌ-বাহিনীৰ ব্যয়ৰ বাবে বৃত্ত মন্ত্রালয়ৰে গঠিত আছিল অষ্ট্রো-হাংগেৰীয় দ্বৈত ৰাজতন্ত্ৰ।
- তেওঁলোকে ঐতিহ্যগতভাৱে স্বাধীন আৰু পৃথক বিচাৰ বা ন্যায়ক ব্যৱস্থা থাকিব চুক্তি অনুসৰি অষ্ট্রিয়া আৰু হাংগেৰী ৰাজ্যই পৃথক আইনী ব্যৱস্থাসমূহৰ দ্বাৰা পৰিচালিত হ'ব।
- এখন বিদেশ মন্ত্রালয় গঠন, যিয়ে অষ্ট্রিয় আৰু হাংগেৰীয় সাম্ৰাজ্যৰ কূটনীতি আৰু বৈদেশিক নীতিৰ বাবে দায়বদ্ধ থাকিব।
- অষ্ট্রিয়া হাংগেৰীত কোনো দ্বৈত নাগৰিকত্ব নাথাকিব।
- এখন সমূহীয়া বৃত্তমন্ত্রালয় যিয়ে সাধাৰণ বাহিনী, নৌবাহিনী আৰু কূটনৈতিক সেৱা ব্যয়ৰ বাবে বেঙ্ক নোটছপোৱাৰ বাবে গঠিত হ'ব। এই মন্ত্রালয় বৃত্ত মন্ত্রীৰ দ্বাৰা পৰিচালিত হ'ব।
- প্ৰত্যেক দহ বছৰৰ অন্তত মীমাংসাৰ বৃত্ত আৰু অৰ্থনৈতিক বিষয় আদিক লৈ আলোচনা কৰা হব ।

অষ্ট্রিয়া আৰু হাংগেৰীৰ নিজস্ব ৰাজকোষ, সাৰ্বভৌম স্বাধীনতা থকা স্বত্বেও সিহঁতে এক সমূহীয়া মুদ্রা ভগাই লৈছিল। অষ্ট্রিয়া সাম্ৰাজ্য আৰু হাংগেৰী ৰাজতন্ত্রই পৰস্পৰে আন্তর্জাতিক চুক্তি কৰিছিল। এখন অষ্ট্রোহাংগেৰীয়া যুদ্ধ মন্ত্রণালয় গঠিত হৈছিল সমূহীয়া সেনাবাহিনীৰ বাবে। কিন্তু এই মন্ত্রালযৰ অষ্ট্রোহাংগেৰীৰ সেনাবাহিনীক নিৰ্দেশ কৰাৰ কোনো অধিকাৰ নাছিল। অষ্ট্রিয়া আৰু হাংগেৰীয় প্ৰতিৰক্ষা মন্ত্রণালয়ৰ মন্ত্রীসকল, সাধাৰণ যুদ্ধ মন্ত্রালয়ৰ আদেশৰ অধিকাৰ দিয়া হোৱা নাছিল। তেওঁলোক নিজস্ব প্ৰধান মন্ত্রী আৰু ভিয়েনা আৰু বুদাপেষ্ট সংসদৰ প্ৰতি দায়বদ্ধ। আপোচ আউচগ্রেইৰে চুক্তি অনুসৰি হাংগেৰী বহুত পৰিমাণৰ অষ্ট্রিয় ৰাষ্ট্রৰ ঋণৰ অংশ ল'ব লগা হৈছিল। ৰজাই ৰাজকীয় অধিকাৰ বজাই ৰাখিছিল আৰু সৰ্বশ্রেষ্ঠ সেনাপতি হোৱাৰ লগে লগে সেনাবাহিনীৰ গাঁথনী সংগঠন আৰু প্ৰশাসনৰ ওপৰত কৰ্তৃত্ব লাভ কৰিছিল। তেওঁৰ যুদ্ধ আৰু ৰাষ্ট্রৰ আপদাকালীন অৱস্থা ঘোষণা কৰাৰ অধিকাৰ আছিল। তেওঁৰ জাতীয় সংসদ

ভংগ কৰি দিয়াৰ অধিকাৰ আছিল। তেওঁৰ মন্ত্ৰীপৰিষদৰ সদস্যৰ নিয়োগ আৰু নিলম্বনৰ অধিকাৰো আছিল। ১৮৪৮ চনৰ প্ৰাক কালৰ তুলনাত হাংগেৰীয় সাৰ্বভৌমত্ব আৰু স্বায়ত্ব শাসনৰ বহুতো অৱনতি ঘটিছিল। হাংগেৰীত বিভিন্ন জাতিগত সংখ্যালঘুসকলে ম্যাগাকৰণ (Magyarization) ৰ চাপৰ সন্মুখীন হৈছিল। দহ বছৰৰ পাচত হোৱা আলোচনাত সাংবিধানিক সংকটে দেখা দিছিল। যদিও মীমাংসাটোই ৰাষ্ট্ৰৰ আভ্যন্তৰীণ সমস্যাৰ সমাধান কৰিব বিচাৰিছিল, তথাপি বৃহৎ ৰাষ্ট্ৰৰ সুবিধাসমূহ বজাই ৰখাৰ বাবে বহুতো অসুবিধাৰ সন্মুখীন হৈছিল। সমস্যাৰ বাস্তৱ সমাধান কৰিব পৰা নাছিল। সাম্ৰাজ্যৰ অন্য সংখ্যালঘুসকলে হাংগেৰীক আউচগ্ৰেইচে দিয়া ৰেহাইৰ বাবে অসন্তুষ্টি আছিল। ১৯৬৭ চনৰ পিছত তেওঁলোকক মিলন ঘটোৱাৰ হোৱাৰ কোনো চেষ্টা কৰা নাছিল। ফলস্বৰূপে তেওঁলোকৰ মাজত অসন্তুষ্টি অব্যাহত আছিল আৰু শেষত অষ্ট্ৰো হাংগেৰীয় সাম্ৰাজ্যৰ বিচ্ছিন্নতাৰ কাৰণ হৈ পৰিছিল। এইদৰে দ্বৈত ৰাজতন্ত্ৰই জাতীয় জাগৰণৰ পথত দেশ স্থিতিশীল কৰাত সফল হ'ব পৰা নাছিল। সেইবাবে ১৯১৮ চনত হাংগেৰীয় চৰকাৰে হাংগেৰী ৰজা চাৰ্লছ চতুৰ্থৰ লগত ১৮৬৭ চনৰ চুক্তি চ্ছেদন কৰিছিল। অষ্ট্ৰো-হাংগেৰীয় সমস্যাটো গণতন্ত্ৰ, উদাৰনীতিৰ ধাৰণাৰ বিকাশৰ বৈশিষ্ট্যৰ পৰিপূৰ্ণ ।



অগ্ৰগতি নিৰীক্ষণ

নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখক -

প্ৰশ্ন নং ৯ ঃ অক্টোবৰ ডিপ্লমা কোন সম্ৰাটে জাৰি কৰিছিল ?

.....

প্ৰশ্ন নং ১০ ঃ (Ausgleich) আউচগ্লেইচ্ কোন চনত স্বাক্ষৰিত হৈছিল ?

.....

প্ৰশ্ন নং ১২ ঃ কোনে ১৮৬১ চনৰ ফেব্ৰুৱাৰী পেটেন্ট (February Patent) জাৰি কৰিছিল ?

.....



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আমি জানিব পাৰিলো যে —

- অষ্ট্ৰিয়ান চৰকাৰৰ স্বৈৰাচাৰী প্ৰকৃতি আৰু প্ৰশাসনৰ আধুনিক চিন্তাধাৰা অনাত ব্যৰ্থতাৰ কাৰণ আছিল অষ্ট্ৰো হাংগেৰীয় সমস্যা।
- হাংগেৰীৰৰ উদাৰপন্থীসকলে চৰকাৰৰ সামন্ততান্ত্ৰিক প্ৰকৃতিৰ অৱসান বিচাৰিছিল। তেওঁলোকে হাংগেৰীৰ নাগৰিকসকলৰ বাবে গণতান্ত্ৰিক অধিকাৰ বিচাৰিছিল।
- ১৮৪৮ চনৰ বিপ্লৱে উদাৰপন্থীসকলে হাংগেৰী স্বশাসনৰ বাবে যুদ্ধ কৰিবলৈ অনুপ্ৰাণিত

হৈছিল।

- মার্চ আইনে হাংগেৰীক বহু সংস্কাৰৰ প্ৰবর্তন আনিছিল। কিন্তু ৰাছিয়াৰ সহায়ত উদাৰপন্থীসকলক পৰাজিত কৰাৰ পিছত অষ্ট্ৰিয়া সম্ৰাটে আইনটো বিলুপ্ত কৰিছিল।
- প্ৰুছিয়াৰ হাতত অষ্ট্ৰিয়া পৰাজয় হোৱাৰ বাবে অষ্ট্ৰিয়া দুৰ্বল হৈ পৰিছিল আৰু হাংগেৰীৰ লগত এখন আপচ মীমাংসা কৰা হৈছিল যাৰ ফলত অষ্ট্ৰিয়া আৰু হাংগেৰীত দ্বৈত ৰাজতন্ত্ৰৰ প্ৰচলন কৰা হৈছিল।



৮.৮ অধিক জানিবলৈ

১) Hayes, C. J. H. (1953). *Modern Europe to 1870*. New Delhi, India: Surjeet Publications.

২) Ketelby, C.D.M. (2000). A Short History of Modern Europe. New Delhi, India: Surjeet Publications.

৩) Mahajan, V. D. (2009). History of Modern Europe since 1789. New Delhi, India: S. Chand & Company Ltd.

৪) Thomson, David.(1962). Europe since Napolean. New Delhi, India:Surjeet Publications.



৮.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ লুইচ /লাজোছ কছুথ

২ নং প্ৰশ্নৰ উত্তৰ ঃ ডায়েট

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ফার্দিনাণ্ড ১

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৪৮ চনৰ বিপ্লৱ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮ মার্চ ১৮৪৮

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাছিয়া

৭ নং প্ৰশ্নৰ উত্তৰ ঃ চলটিন

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ম্যাগৰসকল

৯ নং প্ৰশ্নৰ উত্তৰ ঃ অষ্ট্ৰিয়াৰ সম্ৰাট ফ্ৰান্সিছ যোছেফ

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৬৭

১১ নং প্ৰশ্নৰ উত্তৰ ঃ ফ্ৰান্সিছ যোছেফ প্ৰথম



৮.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ অষ্ট্রো-হাংগেৰীয় সমস্যাটোৰ বাবে অষ্ট্রিয় চৰকাৰৰ সামন্ততান্ত্রিক প্রকৃতি কিমান দায়ী আছিল?

প্ৰশ্ন ২ঃ লুই কছুথ কোন আছিল?

প্ৰশ্ন ৩ঃ অক্টোবৰ ডিপ্লমা সম্পৰ্কে চমুকৈ লিখক।

(খ) ছুটি প্ৰশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ মাৰ্চ আইন সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ঃ মেট্টাৰনিচ্চ পদ্ধতি কি আছিল?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ হাংগেৰীৰ ১৮৪৮ চনৰ বিপ্লৱ সম্পৰ্কে আলোচনা কৰক।

প্ৰশ্ন ২ঃ (Ausgleich) আউচগ্রেইচ্ কি? অষ্ট্রিয়া আৰু হাংগেৰীৰ ইতিহাসত ইয়াৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৯ ঃ ১৮৩০ চনৰ জুলাই বিপ্লৱ

অধ্যায়টিৰ গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ কাৰণ সমূহ
৯.৪ প্ৰকৃতি
৯.৫ তাৎপৰ্য আৰু পৰিণাম
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্ৰগতিৰ খতিয়ান
৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ণ কৰি আপুনি —

- ১৮৩০ চনত সংঘটিত হোৱা জুলাই বিপ্লৱৰ কাৰণ সমূহ আলোচনা কৰিবলৈ
- ১৮৩০ চনৰ জুলাই বিপ্লৱৰ প্ৰকৃতিৰ বিষয়ে অৱগত হ'ব
- ফ্ৰান্সৰ ইতিহাস আৰু বিশ্বত জুলাই বিপ্লৱৰ প্ৰভাৱসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি অষ্ট্ৰীয়া আৰু হাংগেৰীৰ মাজত থকা জটিল সমস্যাৰ বিষয়ে আলোচনা কৰিছিল।

ইউৰোপীয় ইতিহাসত ১৮৩০ চনৰ জুলাই বিপ্লৱৰ এক প্ৰভাৱশালী স্থান আছে বিশেষকৈ ইয়াৰ ৰাজনৈতিক আৰু সামাজিক গুৰুত্বৰ বাবে। ফ্ৰান্সৰ আটাইতকৈ বৃহৎ ৰাজনৈতিক আন্দোলন হিচাপে পৰিগনিত হোৱা জুলাই বিপ্লৱে ফ্ৰান্সৰ লগতে অইন অঞ্চলসমূহ যেনে অষ্ট্ৰিয়া, জাৰ্মানী আৰু ইটালীকো প্ৰভাৱিত কৰিছিল। বৃহৎ নিবনুৱা সমস্যা, খাদ্যাসামগ্ৰীৰ নাটনি, বেপাৰ-বাণিজ্যিৰ অৱনতি, জাতীয়তাবাদী ভাৱধাৰাৰ উত্থান, বিভিন্ন ৰাজনৈতিক মতাদৰ্শৰ উত্থান আদি আছিল বিছুমান জ্বলন্ত দিশ যিবোৰে জুলাই বিপ্লৱ সংঘটিত হোৱাত অৰিহণা যোগাইছিল। ফ্ৰান্সত ১৭৮৯ চনতপৰা ১৮১৫ চনলৈ অৰ্থাৎ ফৰাচী বিপ্লৱ আৰু ভিয়েনা সম্মীলনীৰ মাজৰ সময়ছোৱাত হোৱা পৰিবৰ্তনমূহৰ মাজতে বিপ্লৱৰ বীজ ৰোপিত হৈ আছিল।

এই অধ্যায়ত আমি জুলাই বিপ্লৱৰ পটভূমি, কাৰণসমূহ, প্ৰভাৱসমূহ আৰু ইয়াৰ লগতে এই বিপ্লৱৰ ফ্ৰান্সৰ ৰাজনৈতিক দিশলৈ থকা অৰিহণা আৰু বিশ্বৰ প্ৰেক্ষাপটলৈ থকা ইয়াৰ অবদানৰ

বিষয়ে আলোচনা কৰিম। আলোচনাটোৱে সেই সময়ছোৱাৰ সামাজিক আৰু ৰাজনৈতিক প্ৰেক্ষাপট বুজাত সহায়ক হ'ব।

৯.৩ কাৰণসমূহ

১৮৩০ চনৰ জুলাই বিপ্লৱে ফ্ৰান্সৰ লগতে ইউৰোপৰ অইন ঠাইসমূহকো নাটকীয় ভাৱে প্ৰভাৱিত কৰিছিল। বিপ্লৱটোৰ আঁৰত আছিল সেইসময়ৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক অসমতল। বিভিন্ন ৰাজনৈতিক মতাদৰ্শৰ উত্থানে ৰাজনৈতিক চাপৰ সৃষ্টি কৰিছিল। ইয়াৰ লগতে জাতীয়তাবাদ আৰু গণতন্ত্ৰৰ সহঅৱস্থান আৰু ইয়াৰ বিপৰীতে প্ৰাচীন ৰাজতন্ত্ৰৰ সহমতো ইয়াৰ অন্যতম কাৰণ আছিল। উদ্যোগিক বিপ্লৱে সামাজিক আৰু অৰ্থনৈতিক দিশসমূহ গঢ় দিয়াত সহায় কৰিছিল। আনহাতে ৰাজনৈতিক প্ৰেক্ষাপট উদ্ভাসিত হৈছিল বুৰ্বনসকলৰ পুনৰ প্ৰতিষ্ঠাৰদ্বাৰা। ১৮১৪ চনত, ফ্ৰান্সৰ সিংহাসনৰ পৰা নেপোলিয়ন বোনাপার্টে অব্যাহতি লোৱাৰ পাছত বুৰ্বন বংশৰ পুনৰ প্ৰতিষ্ঠা হৈছিল। জুলাই বিপ্লৱৰ আৰম্ভনি হৈছিল অষ্টাদশ লুইৰ মৃত্যুৰ পাছত আৰু অষ্টাদশ লুইৰ ভাতৃ, দশম চার্লচ্ৰ, উত্থানৰ পাছত। দশম চার্লচ উগ্ৰ ৰাজতন্ত্ৰৰ সমৰ্থক (Ultra Royalist) সকলৰ দলপতি আছিল। ইয়াৰ উপৰিও তেওঁ নমনীয় নাছিল আৰু বৈপ্লৱিক মতাদৰ্শৰ লগত আপোচ কৰিব বিচাৰিছিল। দশম চার্লছে প্ৰাচীন শাসন পদ্ধতি পুনৰ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল আৰু সেয়েহে ১৮৩০ চনৰ ২৫ 'জুলাই বিধি' স্বাক্ষৰ কৰিছিল। এই বিধিখন উদাৰনীতি সমৰ্থক (liberals) সকলৰ বাবে এক চৰম আঘাট আছিল। ইয়াৰ উপৰিও বিধিখন ৰাজতান্ত্ৰিক সংবিধানৰ সপক্ষে আছিল আৰু ভোটদান পদ্ধতি সলনি কৰিছিল। লগতে ভৌটাধিকাৰৰ সংখ্যা হ্ৰাস কৰিছিল। এই দিশসমূহ নাগৰিক সকলক প্ৰলুব্ধ কৰিবলৈ যথেষ্ট আছিল আৰু সেয়েহে ১৮৩০ চনৰ ২৭ জুলাই, মংগলবাৰে, পেৰিচৰ ৰাজপথত প্ৰথম বিপ্লৱৰ ফিৰিঙতিৰ আৰম্ভনি হৈছিল। উগ্ৰ নাগৰিক সকলক উদাৰনীতি সমৰ্থকসকলে আৰু বিপ্লৱী (Radicals) সকলৰদ্বাৰা পৰিচালিত সকলে ৰজাৰ সৈন্যবাহিনীৰ লগত যুদ্ধ কৰিছিল আৰু দমন কৰিছিল। ১৮৩০ চনৰ ২৯ জুলাইত পেৰিচ বিদ্ৰোহী দলৰ হাতলৈ গৈছিল। ২৯ জুলাইৰ, পৰা বিপ্লৱৰ এই তিনিটা দিনক ফ্ৰান্সৰ ইতিহাসত "তিনি গৌৰৱোজ্জ্বল দিন" বুলি জনা যায়।

এতিয়ালৈ আমি জুলাই বিপ্লৱৰ এক চমু আলোচনা আগবঢ়ালো যিয়ে বিপ্লৱৰ প্ৰাৰম্ভিক ধাৰণাসম্পৰ্কে অৱগত কৰাব। ইয়াৰ উপৰিও সেই সময়ত হোৱা আৰ্থসামাজিক আৰু ৰাজনৈতিক পৰিৱৰ্তনসমূহে কেনেদৰে সংঘটিত হৈছিল আৰু এটা গণবিপ্লবলৈ পৰিণত হৈছিল সেয়াও জানিবলগীয়া।



জানি থোৱা ভাল

ফ্ৰান্সৰ "তিনি গৌৰৱোজ্জ্বল দিন" আছিল ঃ

প্ৰথম দিন ঃ ২৭ জুলাই, মংগলবাৰ, ১৮৩০ চন ঃ উদাৰনীতিৰ সমৰ্থকসকল আৰু বিপ্লৱীসকলৰ দ্বাৰা পৰিচালিত উগ্ৰ নাগৰিক সকলৰ সৈন্যবাহিনীৰ সৈতে যুদ্ধ। সৈনিকসকলৰ ওপৰত বিপ্লৱীসকলৰ বোমাবৰ্ষণ।

দ্বিতীয় দিনঃ ২৮ জুলাই, বুধবাৰ, ১৮৩০ চন ঃ পেৰিচৰ উদাৰনীতিৰ সমৰ্থক সকলৰ এটা দলে এখন আবেদন কৰিছিল বিধিখন উঠাই ল'বলৈ । ৰজাই প্ৰত্যুত্তৰত কৈছিল যে বিপ্লবীসকলে যদি অস্ত্ৰ ত্যাগ কৰে তেনেহ'লে তেওঁ আলোচনা কৰিবলৈ সাজু।

তৃতীয় দিন ঃ ২৯ জুলাই, বৃহস্পতিবাৰ, ১৮৩০ চন ঃ বিপ্লৱী সকলে পেৰিচ অধিকাৰ কৰিছিল। বহু ঘৰৰ চালত বিপ্লৱী সকলৰ ৰঙা পতাকা "গন পতাকা' দেখিবলৈ পোৱা গৈছিল।

১৭৮৯-১৮১৫ এই সময়ছোৱাৰ পৰা বিপ্লৱৰ পটভূমি চিহ্নিত কৰিব পাৰি। কাৰণ সেইসময়খিনিত সমগ্ৰ ইউৰোপ মহাদেশতে আৰু প্ৰধানকৈ ফ্ৰান্সত বিভিন্ন উল্লেখযোগ্য পৰিবৰ্তন দেখিবলৈ পোৱা গৈছিল। ১৮১৪ চনত নেপোলিয়ন বোনাপার্টে ফ্ৰান্সৰ সিংহাসন ত্যাগ কৰাৰ ফলশ্ৰুতিত বুৰ্বন বংশৰ পুনৰ সংস্থাপন হৈছিল। ভিয়েনাৰ সন্মিলনৰ বিচাৰৰ দ্বাৰা অষ্টাদশ লুই ক্ষমতাত পূণৰ অধিষ্ঠিত হয় ১৮১৫ চনৰ ভিয়েনা সন্মিলনৰ পাৰ্শক্ৰিয়া হিচাপে ফ্ৰান্সৰ নাগৰিকসকলৰ মতাদৰ্শগত বিভেদৰ বাবে দুটা বিপৰীত দলৰ জন্ম হয়। দল দুটা আছিল অভিজাতশ্ৰেণীৰ দল (Aristocratic) আৰু গনতান্ত্ৰিক (Democratic)দল। অভিজাতশ্ৰেণীয়ে তিনিটা অনুষ্ঠানত বিশ্বাস কৰিছিল ক্ৰমান্বয়ে ৰাজতন্ত্ৰ, অভিজাত শ্ৰেণীসকল আৰু গীৰ্জা। আনহাতে উদাৰনীতি সমৰ্থকসকলে এখন নিৰ্বাচিত সাংসদৰ সৈতে সাংবিধানৰ গণতন্ত্ৰ বিচাৰিছিল। গণতান্ত্ৰিক আদৰ্শবাদীসকলে ফৰাচী বি প্লৱৰ ভূমি নিৰ্দিষ্টকৰণৰ সহমত প্ৰকাশ কৰিছিল। সেইসময়ত সমাজখন বিভিন্ন দলত বিভক্ত হৈছিল আৰু প্ৰতিটো দলে নিজৰ আদৰ্শ আৰু আঁচনি সমূহক ৰক্ষনাবেক্ষন দিব বিচাৰিছিল। বুৰ্জোৱা শ্ৰেণীয়ে, যিয়ে উদাৰনীতিৰ সমৰ্থক আছিল, তেওঁলোকৰ শ্ৰেণীগত আদৰ্শ সমূহৰ সুৰক্ষা আৰু বেহা-বেপাৰ কৰাৰ অধিকাৰ সুৰক্ষিত কৰিবলৈ বদ্ধপৰিকৰ আছিল। সেই সময়ৰ সমাজৰ অৱস্থা যথেষ্ট স্পৰ্শকাতৰ আছিল। নতুন ৰজা অষ্টাদশ লুইয়ে অভিজাতশ্ৰেণী আৰু উদাৰনীতিৰ সমৰ্থক সকলৰ মাজত এক উন্নত আৰু শান্তিপূৰ্ণ সম্পৰ্কৰ বাবে আপোচমূলক নীতিৰ বিষয়ে ভাবিব লগা হৈছিল। সেইসময়ত বৃহৎ সংখ্যক বহিৰাগত ফ্ৰান্সলৈ ঘূৰি আহিছিল। এই বহিৰাগতসকল ফৰাচী বিপ্লৱৰ সময়ত দেশ এৰি যোৱা অভিজাত লোকসকল আছিল। তেওঁলোকে চৰকাৰে পূৰ্বতে দিয়া সা-সুবিধাসমূহ আৰু সম্পত্তিৰ অধিকাৰ পুনৰ পাব বিচাৰিছিল। এই বহিৰাগত সকলে ফৰাচী বিপ্লৱৰ পৰা একো শিকনি লোৱা নাছিল আৰু প্ৰাচীন ক্ষমতা পুনৰ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। ইয়াৰ উপৰিও গীৰ্জা আৰু সমাজৰ এক বিশেষ শ্ৰেণীৰ মাজত ভূমি অধিগ্ৰহণক লৈ সমস্যাই গা কৰি উঠিছিল। ভূমিসমূহ প্ৰকৃততে সম্ভ্ৰান্ত শ্ৰেণী (noble) আৰু

গীর্জাৰ আছিল। এই ভূমিবোৰ ফৰাচী বিপ্লৱৰ সময়ত বাজেয়াপ্ত কৰা হৈছিল আৰু এচাম নতুন সামাজিক শ্রেণীয়ে অধিগ্রহণ কৰিছিল। অষ্টাদশ লুইৰ বাবে এইয়া এক প্রত্যাহ্বান আছিল। তেওঁ এই মাটিবোৰ মুকলি কৰি বহিৰাগত আৰু গীর্জাৰ প্রকৃত ভূমি স্থিতাৱস্থা পুনৰ প্রতিষ্ঠা কৰাটো প্রয়োজনীয় আছিল। উদ্যোগ বিপ্লৱৰ পাছত বুর্জোৱা সকলৰ ক্ষিপ্র উত্থান হৈছিল। ১৮৪৮ চনৰ ফৰাচী বিপ্লৱৰ সময়লৈকে। সেইসময়ত নাগৰিসকলৰ অৱস্থা জন্মগত অধিকাৰৰ বিপৰীতে সম্পত্তিগত অধিকাৰৰ দ্বাৰা পৰিচালিত আছিল। সম্ভৱতঃ এইয়া আছিল ঔদ্যোগিক বিপ্লৱৰ এক পার্শ্বক্রিয়া। সমাজখন সমধর্মীয় (Homogenous) নাছিল। বুর্জোৱা সকলৰ মাজত স্পষ্ট বিভাজন আছিল।

সমাজত নগৰ আৰু গাঁৱৰ মাজত সমতা নাছিল। নগৰৰ শ্রমিকসকল দৈনিক শ্রমিক আছিল। তেওঁলোক মধ্যবিত্তীয় শ্রেণী আছিল আৰু এক নিম্নমানৰ জীৱন যাপন কৰিছিল। সমাজখন বুর্জোৱা শ্রেণীৰদ্বাৰা পৰিচালিত আছিল য'ত শ্রমিকসকলে তেওঁলোকৰ ৰাজনৈতিক আৰু আর্থিক অধিকাৰ পোৱা নাছিল। সমাজত ৰক্ষণশীল আৰু ধর্মনিৰপেক্ষ এই দুইধৰণৰ ধর্মীয় ভাবধাৰাই সহবাস কৰিছিল। গ্রামীন জনসংখ্যা অধিক আছিল। এই জনসংখ্যা ফ্রান্সৰ মুঠ জনসংখ্যাৰ চাৰিভাগৰ তিনিভাগ অধিকাৰ কৰিছিল। দৰিদ্রতা, ঋণ, ভূমিপট্টাহীনতা, নগৰ আৰু গাঁৱৰ মাজৰ অসমতা আৰু বুর্জোৱাসকলৰ দমন, অসুস্থতাজনক অৱস্থা আদিয়ে ফ্রান্সত এক নতুন বিপ্লৱৰ সূচনা কৰিছিল। কপাহ আৰু শনসুতাৰ কাপো�ৰৰ উদ্যোগত যথেষ্ট উন্নতি হোৱা স্বত্তেও সর্বহাৰা সকলৰ অৱস্থা পুতৌজনক আছিল। বুর্জোৱা সকলৰ আকাশলংঘী উন্নতি আৰু সর্বহাৰা সকলৰ পুতৌজনক অৱস্থাই সামাজিক গাঠনি ধ্বংস কৰি পেলাইছিল যিয়ে এটা বি প্লৱৰ প্রয়োজনীয়তাৰ ইংগীত বহন কৰিছিল। ৰাজনৈতিক আঁচনিসমূহৰ ক্ষেত্রত, ফৰাচীলোকসকলে ভিয়েনা সম্মিলনীৰ প্রতি এক বিৰোধী ভাবধাৰাৰ জন্ম দিছিল। ইয়াৰ কাৰণ আছিল তেওঁলোকে ভিয়েনা সম্মিলনীক অসফল বুলি গণ্য কৰিছিল আৰু ফ্রান্সৰ অপমান বুলি গণ্য কৰিছিল।

অষ্টাদশ লুইৰ শাসনকাল ঃ

নেপোলিয়ন বোনাপার্টৰ ৰ সিংহাসন ত্যাগ কৰাৰ পাছত অষ্টাদশ লুই (১৮১৫-১৮২৪) সিংহাসনত আৰোহণ কৰে। তেওঁ বংশগত অধিকাৰ সূত্র আৰু দৈৱ ৰাজতন্ত্রৰ (Divine Right) অধিকাৰ সমর্থন কৰিছিল। কিন্তু ফ্রান্সৰ পৰিৱর্তনশীল অৱস্থাই তেওঁক ৰক্ষণশীল আৰু বৈপ্লৱিক আদর্শৰ মাজত এক মধ্যম পন্থা ল'বলৈ বাধ্য কৰিছিল। সেয়েহে তেওঁ কিছু আপোচমূলক নীতি গ্রহণ কৰিবলৈ আঁচনি কৰিছিল। ৰজাৰ বাবে সম্পূর্ণ ৰাজতন্ত্রৰ পুনৰ সংস্থাপন কৰা সম্ভৱ নাছিল। সেয়েহে তেওঁ চনদ (Charter) এখন জাৰী কৰিছিল ৪ জুন ১৮১৪ চনত। এই চনদৰ জৰিয়তে

- ৰজা সৈন্যবাহিনী আৰু নৌবাহিনীৰ কার্যকৰী প্রধান আছিল।
- চনদে ৰজাক দেশৰ জৰুৰীকালীন অৱস্থাত আইন প্রণয়ন আৰু আইন সলনি কৰিবলৈ ক্ষমতা প্রদান কৰিছিল।
- চনদখনে দুখন সদন স্থাপন কৰিছিল। চেম্বৰ অৱ ডেপুটিজ আৰু চেম্বৰ অৱ পিয়েৰ্চ্ আছিল চনদে স্থাপন কৰা সদন। নিম্ন সদন নির্বাচিত হৈছিল সেইসকল ভোটাৰৰ দ্বাৰা

সিসকলে বছৰেকীয়া আয়কৰ ৩০০ ফ্ৰাংক শোধ কৰিছিল। দুখীয়া সকল এই নিৰ্বাচনত ভাগ লোৱাৰ পৰা বিৰত আছিল।

- বিধান সভাখন সংগঠন কৰা হৈছিল উপদেশমূলক সংস্থা হিচাপে। ৰজাৰ অনুমতি নোহোৱাকৈ তেওঁলোকে আইন প্ৰণয়ন কৰিব নোৱাৰিছিল ।

সাংবিধানিক ৰাজতন্ত্ৰ উন্নীতকৰণৰ ক্ষেত্ৰত ৰজাৰ বাবে এই চনদখন এক আপোচমূলক পদক্ষেপ আছিল। এই চনদখনে ফৰাচী নাগৰীকসকলক সুখী কৰিবলৈ অসফল হৈছিল। এই ধাৰণাটো ৰজাৰ ভাতৃৰ দ্বাৰা গঠিত উগ্ৰ ৰাজতন্ত্ৰৰ সমৰ্থক সকলে সমৰ্থন কৰিছিল। আনহাতে 'স্বতন্ত্ৰ' অৰ্থাৎ উদাৰনীতি সমৰ্থনকাৰীসকল, গনতন্ত্ৰৰ সমৰ্থনকাৰী সকল আৰু বোনাপার্টিচ্ট সকলে এই ধাৰাটো সমৰ্থ কৰা নাছিল। তেওঁলোকে পূৰ্ণ লোকতান্ত্ৰিক মান্যতাৰ সপক্ষে মাত মাতিছিল। ১৮১৫ চনত, উগ্ৰ ৰাজতন্ত্ৰৰ সমৰ্থক সকলে সন্ত্ৰাসমূলক কাৰ্য্য আৰম্ভ কৰিছিল আৰু বিৰোধীসকলক হত্যা কৰিছিল। এই হত্যা ঘাইকৈ মুখ্যমন্ত্ৰীক কেন্দ্ৰ কৰি হোৱা বিবাদৰ বাবে আৰম্ভ হৈছিল। ফলস্বৰূপে উগ্ৰ ৰাজতন্ত্ৰৰ চেম্বৰ অষ্টাদশ লুইয়ে ভংগ কৰি দিছিল। ভিলেলে আছিল উগ্ৰ ৰাজতন্ত্ৰৰ সমৰ্থক আৰু অষ্টাদশ লুইৰ মুখ্যমন্ত্ৰী। তেওঁ কিছুমান মজবুট আৰু দীৰ্ঘম্যাদী আঁচনি লৈছিল যেনে- প্ৰেছৰ ওপৰত নজৰ ৰখা, শৈক্ষিক অনুষ্ঠানৰ ওপৰত গীৰ্জাৰ দমন আদি। ১৮২৪ চনত এই অৱদানবোৰৰ পাছতেই অষ্টাদশ লুইৰ মৃত্যু হৈছিল। **দশম চার্লচ্ৰ শাসনকাল** (১৮২৪-১৮৩০)

অষ্টাদশ লুইৰ মৃত্যুৰ পাছত, তেওঁৰ ভাতৃ দশম চার্লচ ফ্ৰান্সৰ সিংহাসনত অধিষ্ঠিত হৈছিল। নতুন ৰজাজন উগ্ৰ ৰাজতন্ত্ৰৰ সমৰ্থকসকলৰ দলপতি আছিল আৰু তেওঁ তেওঁৰ ভাতৃৰ দৰে আপোচমূলক নীতি অনুসৰণ কৰা নাছিল। 'স্বতন্ত্ৰ' সকলৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ আৰু পূৰ্ণ ৰাজতন্ত্ৰ ঘূৰাই আনিবলৈ চার্লচ বদ্ধপৰিকৰ আছিল। এই উদ্দেশ্য আগত লৈ ১৮৩০ চনৰ ২৫ জুলাই তাৰিখে দশম চার্লচে চাৰিটা বিধি জাৰি কৰিছিল। এই বিধিসমূহে তেওঁক কিছুমান বিশেষ ক্ষমতা প্ৰদান কৰিছিল। বিধিসমূহ গুৰুত্বপূৰ্ণ আছিল কাৰণ সেইবোৰে নিৰ্বাচন পদ্ধতি সলনি কৰিছিল আৰু ভোটাধিকাৰ কৰ্তন কৰিছিল। বিধিসমূহে ছপাশালৰ মতৰ বাধাপ্ৰদান কৰিছিল আৰু চৰকাৰৰ সমালোচনা হ্ৰাস কৰিছিল।

এই বিধিয়ে অস্থিৰতাৰ সৃষ্টি কৰিছিল আৰু জনসাধাৰণ ইয়াৰ চৰ্ত আৰু চৰকাৰৰ কঠোৰ কাৰ্যৰ দ্বাৰা অসুখী হৈ পৰিছিল। বিৰোধীপক্ষ, স্বতন্ত্ৰসকল আৰু সাংবাদিক সকলে জনসাধাৰণক এই বেআইনী বিধিসমূহৰ বিৰোধীতা কৰিব দিছিল। তেওঁলোকে জনসাধাৰণক নিজৰ অধিকাৰৰ বাবে যুজ কৰিবলৈ উৎসাহ দিছিল। জনসাধাৰণে ৰাজপথত যুদ্ধ কৰিবলৈ আৰম্ভ কৰিছিল আৰু বিদ্ৰোহে এনে এক অৱস্থাত উপনীত হৈছিল যে তিনিদিনৰ ভিতৰত বিদ্ৰোহীসকলে পেৰিচ অধিকাৰ কৰি ১৮৩০ চনৰ ৩০ জুলাই তাৰিখে ৰজা দশম চার্লচক সিংহাসন পৰিত্যাগ কৰিবলৈ হেঁচা দিছিল। দশম চার্লচৰ সিংহাসন পৰিত্যাগৰ পাছত উদাৰনীতিৰ সমৰ্থকসকল আৰু গণতন্ত্ৰৰ সমৰ্থকসকলে লুই ফিলিপক ফ্ৰান্সৰ নতুন ৰজা হিচাপে ঘোষণা কৰিছিল।

জুলাই বিপ্লৱৰ কাৰণ সমূহ ঃ

জুলাই বিপ্লৱৰ পটভূমি আৰু বিভিন্ন কাৰণসমূহ যেনে সামাজিক ৰাজনৈতিক আৰু অর্থনৈতিক আদি পূর্বৰ আলোচনাত ব্যাখ্যা কৰা হৈছে। নিম্নলিখিত আলোচনাৰ পৰা আমি কাৰণসমূহ জানিব পাৰিম।

- অষ্টাদশ লুইৰ আপোচমূলক নীতি ৰজা দশম চার্লচৰ দ্বাৰা খর্ব কৰাৰ ফলত জনসাধাৰণৰ মাজত বিদ্রোহ খৰতকীয়া কৰি তুলিছিল।
- পুর্ণ ৰাজতন্ত্র স্থাপন কৰাৰ মানসিকতা, য'ত ৰজা হ'ব চূড়ান্ত সিদ্ধান্তৰ মালিক, জনসাধাৰণৰ নাগৰিকক্ষমতা আৰু ছপাশালৰ ওপৰত বাধা-নিষেধ, এইবোৰ আছিল বাঢ়ি অহা জাতীয়তাবাদী আৰু উদাৰনীতি মানসিকতাৰ পৰিপন্থী।
- দশম চার্লচৰ জুলাই বিধিৰ জৰিয়তে জনসাধাৰণৰ ভোটাধিকাৰ খর্ব কৰা এক সাহসী পদক্ষেপ আছিল যিয়ে জনসাধাৰণক উত্তেজিত কৰি তুলিছিল।
- নগৰ আৰু গাঁৱৰ মাজৰ অসমতা আৰু সামাজিক বৈপৰীত্য আছিল অন্য এক কাৰণ। সমাজৰ শোষিত শ্রেণী অৱদমিত হৈ আছিল আৰু তেওঁলোকৰ ৰাজনৈতিক আৰু অর্থনৈতিক অধিকাৰৰ বাবে মাত মাতিব পৰা নাছিল।
- অষ্টাদশ লুই সাংবিধানিক চৰকাৰ চলোৱাত অসফল হৈছিল। তেওঁ তেওঁৰ সর্বোত্তম ক্ষমতা প্রয়োগ কৰি বহুবাৰ চেম্বাৰ ভংগ কৰিছিল।
- তথাকথিত সাংবিধানিক চৰকাৰখন যথেষ্ট আসোৱাহ পূর্ণ আছিল। সেয়েহে সাংবিধানিক চৰকাৰ এখনে যিধৰণৰ মৌলিক সমস্যা সমাধান কৰিব লাগিছিল, সেইক্ষেত্রত চৰকাৰ ব্যর্থ হৈছিল।
- বিভিন্ন ইতিহাসবিদে মতপোষণ কৰিছে যে বিপ্লৱৰ বীজ ৰোপন হৈছিল ১৭৮৯ চনৰ বিপ্লৱৰ কিছুমান অসমাপ্ত প্রশ্নৰ মাজত। এই সমস্যাবোৰে সমাধানৰ বাবে উপযুক্ত পথৰ সন্ধানত আছিল। জুলাই বিপ্লৱক ১৭৮৯ চনৰ বিপ্লৱৰ পৰিসমাপ্তি বুলি আখ্যা দিয়া হয়।
- আদর্শগত পৰিবর্তন, জাতীয়তাবাদৰ উত্থান আৰু ৰাজনৈতিক মত আছিল অন্য এটা কাৰণ।
- জনসাধাৰণৰ মাজত অষ্টাদশ লুইৰ পুনৰ সংস্থাপিত ৰাজতন্ত্রৰ কুখ্যাতি, উদাৰনীতিৰ সমর্থকসকলে ৰজাৰ বংশগত আৰু দৈৱ অধিকাৰ সম্পর্কে থকা মত মানি ল'ব পৰা নাছিল।
- অষ্টাদশ লুইৰ সেচ্ছাচাৰী নীতি বিশেষকৈ মন্ত্রী সকলৰ নিযুক্তিকৰণ আৰু অপমাৰনৰ ক্ষেত্রত।
- অষ্টাদশ লুইৰ চেম্বাৰ ভংগী কৰাৰ ক্ষেত্রত লোৱা সেস্বাচাৰী নীতি।



অগ্রগতি নিৰীক্ষণ

নিম্নলিখিত প্রশ্নসমূহৰ উত্তৰ লিখক-

প্রশ্ন নং ১ ঃজুলাই বিধিৰ মতে ভোটাৰসকল অর্হতা কি আছিল?

.....

প্রশ্ন নং ২ ঃ বিপ্লৱটোৰ পৰা বোনাপার্টিস্ট সকলে কি বিচাৰিছিল?

.....

প্রশ্ন নং ৩ ঃভিলেলে কোন আছিল?

.....

৯.৪ প্রকৃতি

জুলাই বিপ্লৱ এক ৰাজনৈতিক বিপ্লৱ আছিল। এই বিপ্লৱৰ আগলৈকে ফ্রান্সত যথেষ্ট উন্নতি প্রদর্শন কৰি আছিল। যেতিয়া চৰকাৰে বলপুর্বক ভাৱে ছপাশাঁলৰ স্বাধীনতা খর্ব কৰিব বিচাৰিছিল তেতিয়া সাংবাদিকসকলৰ মাজত কিছু সমস্যাই দেখা দিছিল যিয়ে ছপা মাধ্যমৰ লগত কাম কৰা কর্মী আৰু শিল্পী সকলৰ মাজত ক্ষোভৰ জন্ম দিছিল।

যদিও একে ধৰণৰ বিপ্লৱ ১৮২০ চন আৰু ১৮২৭ চনতো সংঘটিত হৈছিল তথাপি ১৮৩০ চনৰ বিপ্লৱে যথেষ্ট সমর্থন পাবলৈ সক্ষম হৈছিল। বিপ্লৱ সমর্থন কৰা লোকসকল আছিল শিল্পীসকল যিয়ে নিজৰ শিল্প অনুষ্ঠান আৰু সৰু সৰু দোকানবোৰ বন্ধ কৰিছিল, ছাত্র সমাজ, জাতীয় সৈন্যসকল, পেৰিচৰ লিবাৰেল ইলেক্টোৰেল কমিটি (Parisian Liberal electoral committee) আৰু এওঁলোকৰ সমর্থকসকল, আৰু নেপোলিয়নৰ আগৰ বিষয়া সকল।

১৮৩০ চনৰ বিপ্লৱ আছিল আচলতে গণবিপ্লৱ। কাৰণ কর্তৃপক্ষৰ বিৰুদ্ধে এইয়া আছিল সাধাৰণ মানুহৰ দ্বাৰা প্রদর্শন কৰা বিদ্রোহ। ১৮৩০ চনৰ জুলাই বিপ্লৱত কিছু হিংসাত্মক ঘটনা সংঘটিত কৰিছিল। উদাহৰণ স্বৰূপে, ন্যানতেস্ৰ সৈন্যবাহিনীৰ দ্বাৰা এক বৃহৎ সংখ্যক মানুহক জ্বলাই দিয়া হৈছিল।

৯.৫ তাৎপর্য আৰু পৰিণাম

জুলাই বিপ্লৱ গুৰুত্বপূর্ণ আছিল কাৰণ এই বিপ্লৱে ফ্রান্সত এক বিপ্লৱী পৰম্পৰাৰ জন্ম দিছিল। বিপ্লৱটোক ৰক্ষণশীল হিচাপে সমালোচনা কৰা হৈছে। কাৰণ কোনো বিশেষ মহৎ সামাজিক আৰু অর্থনৈতিক পুনৰ নির্মাণ ইয়াৰ লগত জড়িত নাছিল। বাহ্যিকভাৱে বিপ্লৱটোৱে এটা ৰাজতন্ত্রক ওফৰাই অন্য এটা ৰাজতন্ত্র প্রতিষ্ঠিত কৰিছিল। বিপ্লৱৰ পাছত, সংশোধিত চৰকাৰে ধনী মানুহসকলক ভোটাধিকাৰ প্রয়োগ কৰিছিল যিসকলে বছৰেকীয়া হিচাপত ৩০০ ফ্রাংক আয়কৰ পৰিশোধ কৰিছিল। উচ্চ বুর্জোৱাসকল জুলাই বিপ্লৱৰ দ্বাৰা লাভান্বিত হৈছিল যিহেতু চৰকাৰখন

বুর্জোৱাসকলৰ বাবে কেৱলমাত্ৰ পুতলা চৰকাৰহে আছিল। তৎস্বত্তেও বহুসংখ্যক হ্রস্য আৰু দীর্ঘম্যাদী সুফল বিপ্লৱটোৰ সৈতে জড়িত হৈ আছিল।

- লুই ফিলিপৰ চৰকাৰে ৰজাৰ অধিকাৰ নীতিতকৈ দৈৱ অধিকাৰৰ (Divine Right) ওপৰত অধিক গুৰুত্ব প্রদান কৰিছিল। ৰজাজনক ফ্রান্সৰ ৰজা বোলাৰ সলনি 'ফৰাচীলোকৰ ৰজা' বোলা হৈছিল।
- বিপ্লৱটোৱে ফ্রান্সত বংশানুক্রমিকভাৱে ৰজা হোৱা পৰম্পৰা সমাপ্ত কৰিছিল। লুই ফিলিপৰ সিংহাসনৰ লগত কোনো বংশানুক্রমিক অধিকাৰ নাছিল।
- বিপ্লৱটোৱে অভিজাতশ্রেণী আৰু বহিৰাগত সকলৰ অৱকমন সমাপ্ত কৰিছিল।
- বিপ্লৱৰ সুফল হিচাপে ধর্মনিৰপেক্ষতাৰ উদ্ভৱ হৈছিল আৰু ইয়াৰ ফলত দমনমূলক কেথলিচিজম আৰু ক্লেৰিকোলিজিমৰ প্রতি ভাবুকি আহি পৰিছিল।
- ঔদ্যোগিক বিপ্লৱে বুর্জোৱাসকলক সম্পত্তি প্রদান কৰিছিল কিন্তু জুলাই বিপ্লৱে ৰাজনৈতিক আধিকাৰ প্রদান কৰিছিল।
- এই বিপ্লৱে ৰাজনৈতিক আৰু সামাজিক সংস্কাৰৰ সূচনা কৰিছিল আৰু জনসাধাৰণক সজাগ কৰিছিল।
- বিপ্লৱটোৱে ইউৰোপৰ বিভিন্ন দেশক প্রভাৱিত কৰিছিল যেনে- বেলজিয়াম, চুইজাৰলেণ্ড, পোলেণ্ড,স্পেইন, ইটালি আৰু ইংলেণ্ড।

ইউৰোপীয় দেশসমূহৰ ৰাজনৈতিক আৰু সামাজিক গঠনৰ ওপৰত জুলাই বিপ্লৱৰ প্রভাৱ পৰিছিল। জুলাই বিপ্লৱে বেলজিয়ামত এক প্রতিধ্বনিৰ সূচনা কৰিছিল যিয়ে অৱশেষত ১৮৩১ চনত হ'লেণ্ডৰ পৰা বেলজীয়াম স্বাধীনতা হোৱাৰ পথ প্রশস্ত কৰিছিল।

আন এক উল্লেখযোগ্য সফলতা আছিল চুইজাৰলেণ্ডত উদাৰনীতিৰ সংবিধানৰ ঘোষণা। জুলাই বিপ্লৱৰ পথ অনুসৰণ কৰি ১৮৩০ চনত উদাৰণীতিৰ সমর্থকসকলে আৰু ছাত্র সকলে উদাৰনীতিৰ সংবিধান আৰু গণতন্ত্রৰ বাবে জার্মানীত "মেট্টার্নিচ্চ ব্যৱস্থাৰ" বিৰুদ্ধে বিদ্রোহ আৰম্ভ কৰিছিল। পোলেণ্ডত জাতীয়তাবাদৰ উত্থান হৈছিল আৰু জাতীয়তাবাদী সকলে ১৮৩০ চনত পোলেণ্ডত বিদ্রোহ কৰিছিল। কিন্তু এই বিদ্রোহে জনসাধাৰণৰ পূর্ণ সহযোগ পোৱাত ব্যর্থ হৈছিল। ১৮৩১ চনলৈ ৰাছিয়াৰ সৈন্য বাহিনীৰ দ্বাৰা পোলেণ্ডৰ স্বাধীনতা বিদ্রোহ দমন কৰা হৈছিল। ইংলেণ্ডতো জুলাই বিপ্লৱৰ প্রভাৱ পৰিছিল। সেয়েহে জনসাধাৰণে ১৮৩২ চনত ভোটাধিকাৰ বৃদ্ধি কৰিব কৈছিল। লর্ড গ্রে "সংস্কাৰ বিধি" আৰম্ভ কৰিছিল আৰু গৃহিত কৰিছিল। জুলাই বিপ্লৱে স্পেইন আৰু পর্তুগালৰ ৰক্ষণশীল আৰু উদাৰনীতিৰ সমর্থক সকলৰ মাজত হোৱা গৃহযুদ্ধত অৰিহণা যোগাইছিল।



অগ্রগতি নিৰীক্ষণ

নিম্নলিখিত প্রশ্নসমূহৰ উত্তৰ লিখক-

প্রশ্ন নং ৪ ঃচন ১৮৩০ বিপ্লৱ গণবিপ্লৱৰ প্রকৃতি যেন কিয় আছিল ?

.....

প্রশ্ন নং ৫ ঃ ১৮৩০ চনৰ বিপ্লৱৰ এটা ভাল প্রভাৱ উল্লেখ কৰক।

.....

প্রশ্ন নং ৬ ঃ ইংলেণ্ডত ভোটাধিকাৰৰ ওপৰত সংস্কাৰ বিধি কেতিয়া জাৰী কৰা হৈছিল ?

.....



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলো

এই অধ্যায়টিৰ অধ্যয়ণৰদ্বাৰা আপোনালোকে জানিব পাৰিলে যে-

- ১৮৩০ চনৰ জুলাই বিপ্লৱে নাটকীয়ভাৱে ফ্রান্স আৰু ইউৰোপৰ আন ঠাইবোৰক প্রভাৱিত কৰিছিল।
- ১৮৩০ চনৰ বিপ্লৱ আৰম্ভ হৈছিল অষ্টাদশ লুইৰ মৃত্যুৰ আৰু ইয়াৰ পাছত দশম চার্লচ ক্ষমতালৈ অহাৰ পিছত ।
- জুলাই বিপ্লৱে ৰাজনৈতিক আৰু সামাজিক সংস্কাৰ আনিছিল আৰু সাধাৰণ মানুহক জাগ্রত কৰিছিল।
- বিপ্লৱটোৱে ইউৰোপৰ বিভিন্ন দেশক প্রভাৱিত কৰিছিল। যেনে- বেলজিয়াম, চুইজাৰলেণ্ড, পোলেণ্ড, স্পেইন, ইটালি আৰু ইংলেণ্ড। বেলজিয়ামে স্বাধীনতা লাভ কৰিছিল ডাচ্চ সকলৰ পৰা যি আছিল জুলাই বিপ্লৱৰ প্রতিফলন।



৯.৭ অধিক জানিবলৈ

1) Maiti, P. (1997). *A History of Europe.* Kolkata, India: Shreedhar Prakashani.

2) Thompson, David (2007). *Europe Since Napoleon.* New Delhi, India: Surjeet Publications

3) Alexander, Robert. (2003). *Re-writing the french Revolutionary*

Tradition-Liberal Opposition and the Fall of the Bourbon Monarchy.
New York, NY: Cambridge University Press.

৯.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ বছৰেকীয়া আয়কৰ ৩০০ ফ্রাংক পৰিশোধ কৰা ভোটাৰ সকলক ভোট দিয়াৰ অধিকাৰ দিয়া হৈছিল।

২ নং প্রশ্ন উত্তৰ ঃ বোনাপার্টিংত সকলে পূর্ণ গণতান্ত্রিক ক্ষমতা বিচাৰিছিল।

৩ নং প্রশ্ন উত্তৰ ঃ ভিলেলে আছিল অষ্টাদশ লুইৰ এগৰাকী মন্ত্রী। তেওঁ উগ্র ৰাজতন্ত্রৰ সমর্থক আছিল।

৪ নং প্রশ্ন উত্তৰ ঃ ১৮৩০ চনৰ বিপ্লৱ গনবিপ্লৱ আছিল কাৰণ এইয়া আছিল সর্বসাধাৰণ মানুহৰ কর্তৃপক্ষৰ বিৰুদ্ধে প্রকাশ কৰা একক বিদ্রোহ।

৫ নং প্রশ্ন উত্তৰ ঃ চুইজাৰলেণ্ডত উদাৰনীতি সমর্থক সকলৰ সংবিধান গৃহিত হৈছিল আৰু এইয়া আছিল এক উল্লেখযোগ্য সফলতা।

৬ নং প্রশ্ন উত্তৰ ঃ ১৮৩২ চন।

৯.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ ৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ গুইজোটচ্ৰ শিক্ষামূলক নীতি কি আছিল?

প্রশ্ন ২ ঃ দশম চার্লচৰ ২৫ জুলাইৰ বিধিক কিয় বিপ্লৱৰ মূল কাৰণ বুলি অভিহিত কৰা হয়?

(খ) চমু প্রশ্ন (প্রত্যেকটো প্রশ্নৰ ১৫০-৩০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ জুলাই বিপ্লৱৰ প্রাক মুহূর্তত ফ্রান্সৰ সামাজিক অর্থনৈতিক স্থিতি কেনে আছিল?

প্রশ্ন ২ ঃ ১৮৩০ চনৰ বিপ্লৱৰ প্রকৃতি আলোচনা কৰক।

প্রশ্ন ৩ ঃ অষ্টাদস লুইৰ ওপৰত এটা চমুটোকা লিখক।

(গ) চমুভাৱে প্রশ্ন (প্রত্যেকটো প্রশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ফ্রান্সৰ জুলাই বিপ্লৱৰ পূর্বৰ প্রেক্ষাপট আলোচনা কৰক।

প্রশ্ন ২ ঃ ১৮৩০ চনৰ জুলাই বিপ্লৱৰ কাৰণ আৰু ফলাফল চুমভাবে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ ১৮৪৮ চনৰ ফেব্রুৱাৰী বিপ্লৱ

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ পটভূমি
- ফেব্রুৱাৰী বিপ্লৱৰ কাৰণসমূহ

১০.৪ অৰ্থ আৰু পৰিণাম
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্রগতিৰ খতিয়ান
১০.৮ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ১৮৪৮ চনৰ বিপ্লৱৰ পটভূমি সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- ১৮৪৮ চনৰ ফেব্রুৱাৰী বিপ্লৱৰ কাৰণসমূহৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব আৰু
- ফৰাচী ইতিহাসত এই বিপ্লৱৰ প্রভাৱ সমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি ১৮৩০ চনৰ জুলাই বিপ্লৱৰ বিষয়ে আলোচনা কৰিলো। ইয়াৰ লগতে ফ্রান্স আৰু অইন ইউৰোপীয়ান দেশসমূহৰ ওপৰত জুলাই বিপ্লৱে কেনেধৰণৰ প্রভাৱ বিস্তাৰ কৰিছিল সেয়াও আলোচনা কৰিলো। ১৮৩০ চনৰ বিপ্লৱ ৰাজনৈতিক আছিল আৰু ফ্রান্সত উদাৰবাদী পৰিৱর্তন অনাৰ আশাৰে সক্রিয়া হৈছিল।

এই অধ্যায়টোত আমি ফেব্রুৱাৰী বিপ্লৱৰ পটভূমি, কাৰণ, প্রভাৱ আৰু ফ্রান্সৰ ৰাজনীতিত আৰু বিশ্বৰ প্রেক্ষাপটত ইয়াৰ প্রভাৱৰ বিষয়ে আলোচনা কৰিম। আলোচনাটোৱে আমাক সেই সময়ৰ সামাজিক আৰু ৰাজনৈতিক প্রেক্ষাপট বুজাত সহায় কৰিব। ইয়াৰ লগতে বিপ্লৱৰ হ্রস্ব আৰু দীর্ঘম্যাদী প্রভাৱসমূহ বুজাত সহায় কৰিব। ১৮৪৮ চনৰ ফেব্রুৱাৰী বিপ্লৱে ইউৰোপীয় ইতিহাসত এক সবল ভূমিকা পালন কৰি আহিছে, ইয়াৰ ৰাজনৈতিক আৰু সামাজিক প্রভাৱসমূহৰ বাবে। ফৰাচী ইতিহাসত ১৮৪৮ চনৰ ফেব্রুৱাৰী বিপ্লৱক সকলোতকৈ ব্যপক ৰাজনৈতিক বিপ্লৱ হিচাপে গণ্য কৰা হয়, যিয়ে ইৰোপীয় ইতিহাসতো যথেষ্ট প্রভাৱ বিস্তাৰ কৰিছিল।

১০.৩ পটভূমি

বিখ্যাত জুলাই বিপ্লৱৰ পাছত লুই ফিলিপ ফ্ৰান্সৰ সিংহাসনত বিৰাজ কৰিছিল। গণতন্ত্ৰৰৰ সমৰ্থনকাৰীসকলে এখন গনতন্ত্ৰ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল আৰু বিপ্লৱীদলৰ দলপতি, লফায়েটক ইয়াৰ মূৰব্বী বনাব বিচাৰিছিল। উদাৰণীতিৰ সমৰ্থক সকলে লুই ফিলিপক সাংবিধানিক ৰজা বনাব বিচাৰিছিল। আনহাতে ৰক্ষণশীল সকলে ব'ৰবোদে (Bourdeaux) ৰজা পাতিব বিচাৰিছিল। বাকী দুটা দলৰ আপোচমূলক নীতিৰ ফলত উদাৰণীতিৰ সমৰ্থনকাৰী সকলে গৰিষ্ঠসংখ্যক সমৰ্থন লাভ কৰিছিল আৰু ফলস্বৰূপে লুই ফিলিপ সিংহাসনত অধিষ্ঠিত হৈছিল। যদিও দেশখন ফিলিপৰদ্বৰা পৰিচালিত আছিল তথাপি সমাজৰ শিক্ষিত শ্ৰেণীৰদ্বৰা নিয়ন্ত্ৰিত হৈছিল। অৰলেনিষ্টসকলে (Orleanists) ফিলিপক সমৰ্থন কৰিছিল আৰু প্ৰচলিত ৰীতিৰ সমৰ্থনকাৰী সকলে (Legitimists), গণতান্ত্ৰিকসকলে আৰু সমাজবাদী সকলে বিৰোধ কৰিছিল। ফিলিপে সাধাৰণ জীৱন নিৰ্বাহ কৰিছিল আৰু সাধাৰণ ফৰাচী মানুহৰ দৰে হ'ব বিচাৰিছিল। সেয়েহে তেওঁ ৰাজহুৱা ৰেষ্টুৰেণ্ট আৰু ৰাজহুৱা বজাৰলৈ গৈছিল। তেওঁ নিজকে "নাগৰিক ৰজা" (Citizen King) অৰ্থাৎ ফৰাচী জনসাধৰণৰ ৰজা হিচাপে প্ৰতিষ্ঠা কৰিব বিচাৰিছিল।

যেতিয়া আমি ১৮৩০ চনৰ জুলাই বিধি সংশোধন কৰাৰ পাছত দেশখনৰ অৱস্থা সম্পৰ্কে বুজিবলৈ চেষ্টা কৰিম তেতিয়া দেখিবলৈ পাম যে সেইসময়ৰ চৰকাৰখন সৰ্বহাৰা সকলৰ বাবে নাছিল। চৰকাৰখন আছিল সমাজৰ অভিজাত শ্ৰেণীৰ সপক্ষে। যিসকল মানুহে ২০০ ফ্ৰাংক্তকৈ কম বছৰেকীয়া আয়কৰ পৰিশোধ কৰিছিল সেইসকল মানুহক সংশোধনীয়ে ভোটদানৰ পৰা বঞ্চিত কৰিছিল। ফলস্বৰূপে মাত্ৰ ২.৮% নাগৰিকে হে ভোটদানৰ অধিকাৰ লাভ কৰিছিল। অন্য লোকসকলক ভোটদানৰ অধিকাৰ দিয়া হোৱা নাছিল। সমাজৰ শোষিত শ্ৰেণীসকলৰ বাবে ৰাজনৈতিক অধিকাৰ নাছিল। তেওঁৰ শাসনকালত বিভিন্ন ঠাইত বিপ্লৱে মূৰ দাঙি উঠিছিল। উদাহৰণ স্বৰূপে ১৮৩১ চনত ৰেচমৰ শিপিনীসকলে লিয়ন্চ নামৰ চহৰখনত অৰ্থনৈতিক অসমতাৰ বাবে বিদ্ৰোহ কৰিছিল। লুই ফিলিপৰ চৰকাৰখনে শিপিনী সকলৰ সমস্যা সমাধানৰ সলনি দমনমুলক নীতি প্ৰয়োগ কৰিছিল। ইয়াৰ উপৰিও দেশখনৰ আন ঠাইবোৰতো বিপ্লৱী ঘটনা কিছুমান সংঘটিত হৈছিল। উদাহৰণ স্বৰূপে ধৰ্মনিৰপেক্ষ সকলে গীৰ্জাৰ ৰীতি-নীতিৰ বিৰুদ্ধে বিপ্লৱ কৰিছিল।

১৮৩২ চনত গণতান্ত্ৰিকসকলে চৰকাৰৰ বিৰুদ্ধে এক বিপ্লৱৰ সূচনা কৰিছিল আৰু এই বিপ্লৱটো ফিলিপৰ চৰকাৰৰদ্বাৰা দমন কৰা হৈছিল। ফিলিপৰ জীৱনলৈ ভাবুকি আহিছিল **১৮৩৫** চনত।

লুই ফিলিপ আছিল ক্ষমতাৰ প্ৰতি লিপ্সা থকা ব্যক্তি। তেওঁৰ শাসনকালত তেওঁ সাংবিধানিক ৰাজতন্ত্ৰৰ প্ৰতিষ্ঠাৰ বাবে কোনোধৰণৰ চেষ্টা কৰা নাছিল। তেওঁ তেওঁৰ মন্ত্ৰীসভা দমন কৰিব চেষ্টা কৰিছিল আৰু তেওঁৰ ইচ্ছামতে মন্ত্ৰীসভা সালসলনি কৰিছিল। অৱশেষত তেওঁ গিজো (Guizot) নামৰ এগৰাকী যোগ্য ব্যক্তি পাইছিল মুখ্যমন্ত্ৰী হিচাপে (১৮৪০-১৮৪৮)

যাৰ চৰকাৰৰ আৰু ক্ষমতৰ তত্ত্ব ৰজাৰ বাবে যোগ্য আৰু মান্য আছিল। গিজোৰ (Guizot) শিক্ষা আৰু ৰাজনৈতিক আচঁনিবোৰ বিবাদমূলক আছিল। তেওঁ নির্বাচনত কিছুমান চক্রান্তৰদ্বাৰা হেৰফেৰ কৰিব বিচাৰিছিল। সেয়েহে তেওঁ বিধানসভাৰ সদস্যসকলক ঘোচ দিছিল। ১৮৪৮চনত গিজোৱে ঘোষণা কৰিলে যে স্কুলসমূহ চৰকাৰ আৰু গীর্জৰ দ্বাৰা পৰিচালিত হ'ব। তেওঁ নিজেও ধর্মনিৰপেক্ষ শিক্ষাৰ ধাৰণাৰ লগত কোনো ধৰণে জড়িত কৰা নাছিল।

ফ্রান্সৰ জনসাধাৰণে ফিলিপৰ চৰকাৰ সহিবলৈ প্রস্তুত নাছিল। আৰু সেয়েহে দেশৰ বিভিন্ন অঞ্চলত সংস্কাৰৰ বাবে দাবী উঠিছিল। বিভিন্ন সংস্কাৰ যেনে- ভোটাধিকাৰ আইন আৰু ভোটধিকাৰ বিস্তাৰ আদিৰ বাবে দেশত দাবী উঠিছিল। বিভিন্ন বিৰোধী দলে চৰকাৰক বিৰোধীতা কৰিছিল আৰু ৰজাই অমাণ্য কৰা কিছু সংস্কাৰ বিচাৰিছিল। ১৮৪৮ চনৰ ২২ ফেব্রুৱাৰীত উদাৰনীতিৰ সমর্থক সকলে এখন "সংস্কাৰ ভোজ" (Reform Banquet) পাতিছিল। চৰকাৰ এনেধৰণৰ ৰাজহুৱা মেলৰ বিৰোধী আছিল আৰু মেলখন বন্ধ কৰাৰ নিষেধ আজ্ঞা দিছিল। ফলস্বৰূপে জনসাধাৰনে বিপ্লৱ কৰিছিল আৰু ৰাজপথত হেঙাৰ দিছিল। গণতান্ত্রিকসকল আৰু উদাৰনীতিৰ সমর্থকসকল এক লগ হৈছিল আৰু চৰকাৰৰ বিৰুদ্ধে বিদ্রোহ কৰিছিল। নগৰ পালিকাৰ বিষয়া আৰু নাগৰিকসকলৰ মাজত যুদ্ধ লাগিছিল। ২২ ফেব্রুৱাৰীৰ গধূলী ৰজাই নিৰাপত্তাৰক্ষীসকলক বিদ্রোহ দমন কৰিবলৈ কৈছিল কিন্তু নিৰাপত্তাৰক্ষীসকলেও বিদ্রোহ সমর্থন কৰিছিল আৰু বিদ্রোহ দীর্ঘজীৱি হ'বলৈ আহ্বান দিছিল। পিছদিনা গিজোৱে কর্তব্যৰপৰা অব্যাহতি লৈছিল। ২৩ ফেব্রুৱাৰীৰ দিনা, বৈদেশিক মন্ত্রালয়ৰ কার্য্যালয়ৰ সন্মুখত বিৰাশীজন মানুহক সৈন্যবাহিনীৰ দ্বাৰা হত্যা কৰা হৈছিল। উগ্র নাগৰিক সকলে ৰাজহাউলীৰ ফালে অগ্রসৰ হৈছিল। উদাৰনীতি সমর্থনকাৰীসকলৰ দ্বাৰা পৰিচালিত বিপ্লৱটোৱে এটা ব্যাপক বিপ্লৱত পৰিণত হৈছিল আৰু ২৪ ফেব্রুৱাৰীৰ দিনা চৰকাৰখন এক্তিভিষ্ট্ সকলৰ দখললৈ আহিছিল আৰু লুই ফিলিপে সিংহাসন ত্যাগ কৰি ইংলেণ্ডলৈ পলায়ন কৰিছিল।

- **ফেব্রুৱাৰী বিপ্লৱৰ কাৰণসমূহ**

১৮৩০ চনত অৰলেনিষ্ট ৰাজতন্ত্র প্রতিষ্ঠা হৈছিল আৰু ১৮৪৮ চনত প্যোৰিচিয়ান বিপ্লৱৰদ্বাৰা অন্ত হৈছিল। লুই ফিলিপ তেওঁৰ প্রাৰম্ভিক দিনবোৰত জনসাধাৰণৰ মাজত বিখ্যাত আছিল। তেওঁ নিজকে জনসাধাৰণৰ ৰজা আখ্যা দিছিল। তেওঁৰ আৰম্ভণিৰ দিনবোৰত ৰজাই যিমান পাৰে নৰমপন্থা ল'বলৈ চেষ্টা কৰিছিল যাতে কোনো ৰাজনৈতিক দলেই তেওঁৰ বিপক্ষে নাযায়। ফিলিপ সময়ৰ সতে সলনি হ'ব পৰা নাছিল আৰু এই দূর্বলতাৰ বাবেই ৰাজতন্ত্রৰ সমর্থকসকল, গণতান্ত্রিকসকল আৰু বোনাপার্টিষ্ট্ সকলে তেওঁকলৈ অসন্তুষ্ট আছিল। ফিলিপে উচ্চ মধ্যবিত্ত মানুহসকলক যথেষ্ট ৰক্ষণাবেক্ষণ দিছিল। সেয়েহে সমাজৰ অন্য খাপৰ মানুহে তেওঁৰ বিপক্ষে গৈছিল যিয়ে অৱশেষত ফিলিপৰ শাসনৰ অন্ত পেলাইছিল।

বিছুসংখ্যক ইতিহাসবিদৰ মতে ১৮৪৬-৫৭ চনৰ খাদ্যৰ নাটনি, যিটো গম আৰু আলুৰ খেতি অসফল হোৱা বাবে হৈছিল, আছিল ফৰাচীসকলৰ অসন্তুষ্টিৰ কাৰণ। এই

অসন্তুষ্টিয়ে অৱশেষত ফিলিপৰ শাসনৰ অন্ত পেলাইছিল। কিন্তু এই মতৰ বহুতো সমালোচনা আছে। এগৰাকীৰ মতে লুই ফিলিপৰ সামাজিক আৰু আনুষ্ঠানিক আচঁনিবোৰ সংস্কাৰ নকৰাৰ আকোৱগোজ স্বভাৱ আছিল ফিলিপৰ শাসনভাৰ ধ্বংসৰ মূল কাৰণ। তেওঁৰ শ্রমিকবিৰোধী, জনসাধাৰণ বিৰোধী নীতিসমূহৰ বাবে তেওঁ ৰাজনৈতিক সমর্থন পোৱা নাছিল। সেয়েহে তেওঁৰ পতন নিশ্চিত আছিল। কোবেনৰ মতে, যদিহে বিপ্লৱটো ১৮৪৮ চনত নঘটিল হয়, তথাপি ই অইন সময়ত নিশ্চয়কৈ ঘটিলে হয়।

জুলাই বিধিৰ সংশাধনী আৰু সাধাৰণ শ্রেণীৰ মানুহৰ,ভৌটদানৰ অধিকাৰ খর্ব কৰা হৈছিল। এই দুটা কাৰণ আছিল লুই ফিলিপৰ শাসনৰ পতনৰ অন্যতম মূল কাৰণ। কেৱল ২.৮% জনসাধাৰণকহে ভোটদানৰ অধিকাৰ দিয়া হৈছিল। আন মানুহসকলে এই অধিকাৰ পোৱা নাছিল।

শ্রমিক শ্রেণীৰ উত্থান আৰু তেওঁলোকৰ বিদ্রোহ আছিল ফেব্রুৱাৰী বিপ্লৱৰ অন্য এক কাৰণ। জুলাই বিপ্লৱে ফ্রান্সৰ শ্রমিক শ্রেণীক দূর্বল কৰি পেলাইছিল। শ্রমিক শ্রেণীটো আছিল দুখীয়া, কমবেতনভোগী আৰু বেছি শ্রম কৰা। তেওঁলোকৰ জীৱন ধাৰণৰ প্রণালী নিম্নমানৰ আছিল। বেছিসংখ্যকেই বস্তি অঞ্চলত বাস কৰিছিল। ফিলিপৰ মুখ্য আঁচনি আছিল তেওঁলোকক দমন কৰা। তেওঁ প্রতিটো শ্রমিক বিদ্রোহ কঠোৰ ভাবেৰে দমন কৰিছিল। তেওঁ শ্রমিক শ্রেণীৰ উন্নতিৰ বাবে কোনো ধৰণৰ আইন আৰু আঁচনি বনাব নিবিছাৰিছিল। লুই ফিলিপৰ পুজিপতি শ্রেণীৰ পক্ষপাতিত্ব আৰু আঁচনী শ্রমিক শ্রেণীৰ বিৰুদ্ধাচৰণ আছিল ফেব্রুৱাৰী বিপ্লৱৰ উল্লেখযোগ্য কাৰণ।

পেটি বুর্জোৱাসকল আছিল এক শক্তিশালী সামাজিক দল যিয়ে লুই ফিলিপৰ অন্য কিছুমান আচঁনিৰ বাবে অসন্তুষ্ট আছিল। তেওঁলোকে লুই ফিলিপ আৰু তেওঁৰ মন্ত্রি গিজোৰ সংস্কাৰবিৰোধী নীতিৰ বিৰোধিতা কৰিছিল।

ওপৰত আলোচনা কৰা দিশসমূহ ফেব্রুৱাৰী বিপ্লৱৰ কাৰণ যিবোৰে বিপ্লৱটোৰ পূর্ণতাত অৰিহণা যোগাইছিল। এই বিপ্লৱৰ ফলস্বৰূপে বিভিন্ন ঘটনা দেখিবলৈ পোৱা গৈছিল। উদাহৰণ স্বৰূপে ৰজাৰদ্বাৰা সিংহাসন পৰিত্যাগ কৰাৰ পৰা ইউৰোপৰ বিভিন্ন প্রান্তত এই বিপ্লৱৰ প্রতিধ্বনি শুনিবলৈ পোৱা গৈছিল। পৰৱর্তী অংশত আমি বিপ্লৱটোৰ হ্রস্ব আৰু দীর্ঘম্যাদী প্রভাৱসমূহ আলোচনা কৰিম অর্থাৎ বিপ্লৱৰ ফলত ফ্রান্সত হোৱা প্রভাৱ আৰু সমগ্র ইউৰোপত হোৱা প্রভাৱ।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়ক ঃ

প্রশ্ন নং ১ ঃ বিপ্লৱ সংঘটিত হোৱাত অৰিহণা যোগোৱা এটা কাৰণ উল্লেখ কৰক।

.....

প্রশ্ন নং ২ ঃ গিজোৱে কেনেকৈ নির্বাচন সালসলনি কৰিবলৈ চেষ্টা কৰিছিল ?

.....

প্রশ্ন নং ৩ ঃ ফিলিপৰ বিৰোধীতা কোনে কৰিছিল ?

.....

১০.৪ অর্থ আৰু পৰিণাম

ফেব্রুৱাৰী বিপ্লৱে ফৰাচী মানুহৰ বাবে ভোটাধিকাৰ আনিছিল আৰু গণতন্ত্র প্রতিষ্ঠা কৰিছিল। ফেব্রুৱাৰী বিপ্লৱৰ পাছত পৰীক্ষামূলক ৰাজতন্ত্রৰ অৱসান ঘটিছিল। নির্বাচিত সকলৰ বর্ধিত সংখ্যা আছিল বিপ্লৱটোৰ এক যোগাত্মক দিশ। নির্বাচিত সকলৰ সংখ্যা ০.২৫ কৌটি পৰা ৯ কৌটিলৈ বৃদ্ধি হৈছিল। বিপ্লৱৰ লগত জড়িত থকা অন্য এক ভাল কথা হ'ল এই বিপ্লৱটোৱে ফ্রান্সৰ দাস প্রথাৰ বিলুপ্তি ঘটাইছিল। নিবনুৱা সকলে সকাহ পাইছিল, চৰকাৰ প্রতিষ্ঠা কৰা জাতীয় কর্মশালাসমূহৰদ্বাৰা। এই কর্মশালাসমূহে ফৰাচী নাগৰিকক "কর্মৰ অধিকাৰ" (Right to Work) দিছিল। ৰাষ্ট্রখনৰ ৰাজনৈতিক মতাদর্শৰ সলনি হৈছিল- ই গণতান্ত্রিক ভাবধাৰাৰ পৰা সাম্যবাদী ভাবধাৰালৈ গতি কৰিছিল। বুর্জোৱা সকলে এই নতুন গণতান্ত্রিক চৰকাৰৰ বিৰোধীতা কৰিছিল। কাৰণ তেওঁলোকৰ ভোটাধিকাৰৰ সা-সুবিধাসমূহ ধ্বংস কৰা হৈছিল।

ইয়াৰ উপৰিও বিপ্লৱটোৱে এক আন্তঃৰাষ্ট্রীয় প্রেক্ষাপট পাইছিল আৰু প্রভাৱসমূহ অইন ওচৰচুবুৰীয়া দেশলৈ বিস্তাৰিত হৈছিল। ইউৰোপৰ ৰাজনৈতিক প্রেক্ষাপটত এই বিপ্লৱৰ যথেষ্ট প্রভাৱ আছিল আৰু ই মেট্টার্নিচ্চ পদ্ধতিৰ অৱসান ঘটাইছিল। ৰাছিয়াৰ সহায়ৰ দ্বৰা হাংগেৰীৰ বিপ্লৱ দমন কৰা হৈছিল। ফ্রান্সৰ ফ্রেব্রুৱাৰী বিপ্লৱে জার্মানীৰ একত্রিতকৰণতো সহায় কৰিছিল। ইতিহাসবিদ সকলে ফেব্রুৱাৰী বিপ্লৱক ইটালীত উত্থান হোৱা নেপল্চ', পোপৰ ৰাষ্ট্র, টাস্কেনী আৰু ভেনিচৰ লগতো জড়িত বুলি কয়।

যদিও প্রথম অৱস্থাত ফ্রান্সৰ ফেব্রুৱাৰী বিপ্লৱে আর্থ-সামাজিক পৰিবর্তন আনিব বিচাৰিছিল আৰু সাধাৰণ মানুহৰ ভোটাধিকাৰ হকে আছিল কিন্তু শেষৰ পিনে বিপ্লৱটোৱে নিজ্যৰ চৰিত্র সলনি কৰিছিল। বিপ্লৱটোৰ আদর্শসমূহ বাস্তৱায়িত হৈছিল। কিন্তু নতুন গনতান্ত্রিক চৰকাৰখনে সমাজবাদী চৰিত্রসমূহ সোনকালেই এৰি পেলাইছিল। জাতীয় কর্মশালা আৰু শ্রমিক সকলৰ বাবে কৰা কল্যানমুখী আচঁনিসমূহ বন্ধ হৈছিল। চৰকাৰৰ সমাজবাদী ভাবধাৰৰ পৰিবর্তনে শ্রমিক শ্রেণীৰ ক্ষতি কৰিছিল। আৰু ইয়ে ১৮৪৮ চনৰ জুন মাহত এক হিংসাত্মক ঘটনা সংঘটিত কৰিছিল। ১৮৪৮ চনৰ বিদ্রোহ দমন কৰা হৈছিল যথেষ্ট তেজৰ বিনিময়ত। প্রায় দহ হাজাৰ শ্রমিকৰ মৃত্যু হৈছিল। ইয়ে এইটোৱে দেখাই যে যদিও ফেব্রুৱাৰী বিপ্লৱৰ আৰম্ভনী হৈছিল ৰাজ্যকীয় শ্রেণীৰ বিপক্ষে আৰু শ্রমিক শ্রেণীৰ বাবে সমঅধিকাৰ প্রতিষ্ঠা কৰিব বিচাৰিছিল তথাপি ইয়াৰ সমাপ্তি হৈছিল সাধাৰণ বুর্জোৱা বিপ্লৱ হিচাপেহে।

ক্রেনভিলৰ মতে, ফ্রেব্রুৱাৰী বিপ্লৱ আছিল এটা "অর্ধ বিপ্লৱ" আৰু জুলাই বিপ্লৱৰ

যুদ্ধৰ প্রসাৰী ধাৰাবাহিকতা। এই বিপ্লৱে ফ্রান্সত গণতান্ত্রিক আদর্শ, সমাজবাদ আৰু ৰাজনৈতিক সমতা প্রতিষ্ঠা কৰিছিল। বিপ্লৱটোৱে সাধাৰণ শ্রেণীৰ মানুহক বিপ্লৱৰ বাবে উৎসাহিত কৰিছিল আৰু তেওঁলোকক মত প্রকাশ কৰোতে সহায় কৰিছিল।



জানি থোৱা ভাল

"The revolution fo 1848 could find nothing better to do than to parady that of 1789-95".....Karl Marx

In Maiti, P. (A History of Europe), page 318

(History repeats itself) ১৮৩০ আৰু ১৮৪৮ চনৰ বিপ্ল দুটা আচলতে ১৭৮৯ চনৰ বৃহৎ ফৰাচী বিপ্লৱৰ ধাৰাবাহিকতা আছিল। এই বিপ্লৱে বিভিন্ন সময়ত বিভিন্ন উদ্দেশ্য সম্পূর্ণ কৰিছিল। ইতিহাস বিদ কেৰনৰ মতে ১৮৪৮ চনৰ ফেব্রুৱাৰী বিপ্লৱ প্রকৃততে ১৭৮৯ চনৰ বিপ্লৱৰ পুনৰ উত্থান আছিল। যদিও ১৭৮৯ চনৰ ফৰাচী বিপ্লৱ জনসাধাৰণৰ মাজত বিখ্যাত আছিল, পিছৰ বিপ্লৱটোৰ (ফেব্রুৱাৰী বিপ্লৱ) সুদুৰ প্রসাৰী প্রভাৱ আছিল, ফ্রান্সৰ লগতে ইউৰোপৰ বেলেগ অঞ্চলসমূহতো । ১৮৩০ চনৰ জুলাই বিপ্লৱে সামাজিক সমতা আৰু সাংবিধানিক ৰাজতন্ত্রৰ প্রতিষ্ঠাপণ কৰিব বিচাৰিছিল। আনহাতে ফেব্রুৱাৰী বিপ্লৱে সামাজিক আৰু ৰাজনৈতিক সমতা আৰু গণতন্ত্র প্রতিষ্ঠা কৰিব বিচাৰিছিল। বেলজিয়াম আৰু পোলেণ্ডে স্বাধীনতাৰ বাবে যুদ্ধ কৰিছিল। এইয়া আছিল ১৮৩০ চনৰ ফৰাচী বিপ্লৱৰ প্রতিফলন। বেলজিয়ামে ডাচ্চ সকলৰ পৰা স্বাধীনতা পাইছিল। এই দুটা বিপ্লৱে সামাজিক পৰিৱর্তন আনিছিল আৰু ফ্রান্সত দাস প্রথাৰ সমাপ্তি ঘটাইছিল। এই বিপ্লৱটোৱে শ্রমিক শ্রেণীক শিকাইছিল যে তেওঁলোক আছিল সর্ৱোচ্চ ক্ষমতাৰ অধিকাৰী। সেয়েহে তেওঁলোকে ৰাজনৈতিক প্রেক্ষাপট সলনি কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়কঃ

প্রশ্ন নং ৪ ঃ ১৮৪৮ চনৰ বিপ্লৱৰ এটা যোগাত্মক প্রভাৱ উল্লেখ কৰা।

.....

প্রশ্ন নং ৫ ঃ কাৰ মতে ফেব্রুৱাৰী বিপ্লৱ এক "অর্ধ বিপ্লৱ' আছিল?

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে---

- যিসকলে মানুহে বছৰেকীয়া আয়কৰ ২০০ ফ্ৰাংকচ্ পৰিশোধ কৰা নাছিল তেওঁলোকৰ ভোটাধিকাৰ খৰ্ব কৰা হৈছিল। এইয়া আছিল লুই ফিলিপৰ পতনৰ অন্যতম মূল কাৰণ।
- শ্ৰমিক শ্ৰেণীৰ উত্থান আৰু তেওঁলোকৰ বিদ্ৰোহ আছিল অন্য এটা কাৰণ।
- ফেব্ৰুৱাৰী বিপ্লৱে জনসাধাৰণৰ মাজত সাৰ্বজনীক ভোটাধিকাৰ প্ৰতিষ্ঠা কৰিছিল আৰু গণতন্ত্ৰ স্থাপন কৰিছিল। এই বিপ্লৱটোৱে ইউৰোপৰ ৰাজনৈতিক প্ৰেক্ষাপট প্ৰভাৱিত কৰিছিল আৰু অষ্ট্ৰিয়াৰ মেট্টাৰ্নিচ্চ ব্যৱস্থাৰ অৱসান ঘটাইছিল।



১০.৬ অধিক জানিবলৈ

1) Maiti, P. (1997). *A History of Europe.* Kolkata, India: Shreedhar Prakashani.

2) Thompson, David (2007). *Europe Since Napoleon.* New Delhi, India: Surjeet Publications.



১০.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন উত্তৰ ঃ শ্ৰমিক শ্ৰেণীৰ উত্থান আৰু তেওঁলোকৰ বিদ্ৰোহ আছিল ফেব্ৰুৱাৰী বিপ্লৱৰ এক উল্লেখযোগ্য কাৰণ।

২ নং প্ৰশ্ন উত্তৰ ঃ উৎকোচৰ জৰিয়তে

৩ নং প্ৰশ্ন উত্তৰ ঃ অৰলিয়েপিষ্টসকল।

৪ নং প্ৰশ্ন উত্তৰ ঃ নিৰ্বাচিত সকলৰ বৰ্ধিত সংখ্যাৰ পৰা বিপ্লৱৰ যোগাত্মক দিশৰ বিষয়ে জানিব পাৰি।

৫ নং প্ৰশ্ন উত্তৰ ঃ ক্ৰেনভিল।



১০.৮ আৰ্হি প্ৰশ্ন

১) বস্তু ধৰ্মী প্ৰশ্ন (প্ৰায় ৫০ টা শব্দত উত্তৰ দিয়ক)

(i) আলট্ৰা ৰাজ্যতন্ত্ৰৰ সমৰ্থকসকল কোন আছিল আৰু তেওঁলোকে কেনেদৰে ফ্ৰান্সৰ ৰাজনৈতিক পদ্ধতি প্ৰভাৱিত কৰিছিল?

(i i) "লুই ফিলিপে সিংহাসনত অধিষ্ঠিত হ'ব পাৰিছিল আপোচমূলক নীতি গ্ৰহণ কৰাব বাবে"- সেই সময়ৰ পৰিস্থিতি কেনে আছিল যিয়ে আপোচ কৰিবলৈ বাধ্য কৰিছিল?

২) চুটি প্ৰশ্ন (প্ৰায় ১৫০-৩০০ টা শব্দত উত্তৰ দিয়ক)

(i) শ্ৰমিকসকলৰ অৱস্থা কেনে আছিল আৰু লুই ফিলিপৰ বিৰুদ্ধে শ্ৰমিক সকলে কিয় বিদ্ৰোহ কৰিছিল?

(i i) ১৮৩০ চনৰ জুলাই বিপ্লৱ আৰু ১৮৪৮ চনৰ ফেব্ৰুৱাৰী বিপ্লৱৰ তুলনামূলক আলোচনা কৰক।

৩) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ টা শব্দত উত্তৰ দিয়ক)

(i) লুই ফিলিপৰ শাসনৰ ওপৰত এটা টোকা লিখক।

(ii) ১৮৪৮ চনৰ ফেব্ৰুৱাৰী বিপ্লৱৰ কাৰণ আৰু প্ৰভাৱসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ দ্বিতীয় নেপলিয়নীয় সাম্রাজ্য

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ দ্বিতীয় ফৰাচী গণৰাজ্য (১৮৪৮-৫২)
১১.৪ তৃতীয় নেপলিয়ন' আৰু তেওঁৰ সংস্কাৰসমূহ
১১.৫ দ্বিতীয় নেপলিয়নীয় সাম্রাজ্যৰ অৱসান
১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৭ অধিক জানিবলৈ
১১.৮ অগ্রগতিৰ খতিয়ান
১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ফ্ৰান্সত দ্বিতীয় গণৰাজ্যৰ উত্থান আৰু পতনৰ বৰ্ণনা কৰিবলৈ সক্ষম হ'ব
- লুই নেপলিয়ন' আৰু দ্বিতীয় নেপলিয়নীয় সাম্ৰাজ্যৰ উত্থানৰ বিষয়ে আলোচনা কৰিব পাৰিব
- নেপলিয়ন' তৃতীয়ৰ দ্বাৰা ফ্ৰান্সত প্ৰৱৰ্ত্তিত সংস্কাৰসমূহ আৰু ইয়াৰ প্ৰভাৱৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব
- নেপলিয়ন' তৃতীয়ৰ বৈদেশিক নীতি আৰু ফ্ৰান্সৰ প্ৰতি ইউৰোপীয় শক্তিসমূহৰ মনোভাৱক বৰ্ণনা কৰিব
- নেপলিয়ন' তৃতীয় আৰু দ্বিতীয় গণৰাজ্যৰ পতনৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত, ১৮৪৮ চনত ফ্ৰান্সত সংঘটিত ফেব্ৰুৱাৰী বিপ্লৱৰ বিষয়ে আলোচনা কৰিলো। ফ্ৰেব্ৰুৱাৰী বিপ্লৱে ফৰাছী জনগণক সাৰ্বজনীন ভোটাধিকাৰৰ অধিকাৰ আনিছিল আৰু এক গণৰাজ্য প্ৰতিষ্ঠা কৰিছিল। এই বিপ্লৱে ইউৰোপৰ ৰাজনৈতিক চিত্ৰপটত প্ৰভাৱ পেলাইছিল আৰু অষ্ট্ৰিয়াত মেট্টাৰ্নিচ্চ ব্যৱস্থাৰ অৱসান ঘটাইছিল।

এই অধ্যায়টিত আমি, দ্বিতীয় ফৰাচী গণৰাজ্যৰ বিষয়ে আলোচনা কৰিম, যাৰ জীৱনকাল অতি চমু আছিল ১৮৪৮-১৮৫২ চন, আৰু লগতে লুই নেপলিয়'ৰ অধীনত ফ্ৰান্সত সংঘটিত পৰৱৰ্তী সময়ৰ বিকাশৰ বিষয়ে যিগৰাকী ব্যক্তিয়ে গণৰাজ্যখনক এখন সাম্ৰাজ্যলৈ পৰিৱৰ্তিত

কৰি নিজে সম্রাট নেপলিয়ন তৃতীয়ৰ উপাধি গ্রহণ কৰিছিল।

এই সময়চোৱাত ফ্রান্সৰ অৱস্থা আৰু 'বৈদেশিক শক্তিসমূহৰ' লগত ইয়াৰ সম্পর্কৰ বিষয়ে আমি আলোচনা কৰিম।

১১.৩ দ্বিতীয় ফৰাচী গণৰাজ্য (১৮৪৮-১৮৫২)

১৮৪৮ চনৰ ফেব্রুৱাৰী বিপ্লৱৰ তাৎক্ষনিক প্রভাৱ আছিল লুই ফিলিপৰ সিংহাসন ত্যাগ আৰু ফ্রান্সক এখন গণতন্ত্র হিচাপে ঘোষণা কৰাতো। ই দ্বিতীয় ফৰাচী গণৰাজ্য আৰম্ভণি আছিল যাৰ বিষয়ে আমি এই অধ্যাটিত আলোচনা কৰিম।

গণতন্ত্রৰ উদভব আকস্মিক আছিল। যদিও নৰমপন্থী আৰু সমাজবাদী গণৰাজ্যবাদী সকলৰ মাজত মতভেদ আছিল, তথাপি সেই সময়খিনিত উমৈহতীয়া ঐক্যমত বিৰাজ কৰিছিল। নতুন গণৰাজ্যত ৯ গৰাকী গণৰাজ্যবাদীৰ দ্বাৰা পৰিচালিত এক অস্থায়ী প্রশাসন প্রতিস্থা কৰা হৈছিল। এই নতুন চৰকাৰে দাস প্রথাৰ বিলুপ্তি ঘটাইছিল আৰু সার্বজনীন পুৰুষ ভোটাধিকাৰ ঘোষণা কৰিছিল।



জানি থোৱা ভাল

লামার্টিন, মাৰাষ্ট আৰু গার্নিয়াৰ পেজ ইত্যাদিসকল নৰমপন্থী গণৰাজ্যিৰ আদর্শৰ সমর্থক আছিল আৰু Le National (লা ন্যেশ্যনেল) সংবাদ পত্রৰ লগত জড়িত আছিল।

লুই ব্লেংক, এলবার্ট আৰু লা ৰিফর্মে (Le Reforme) সংবাদপত্রৰ সম্পাদক, ফ্রান্সত এক সমাজবাদী গণৰাজ্য স্থাপনৰ সমর্থক আছিল।

সংবিধান সভাৰ নির্বাচনৰ কায চাপি অহাৰ লগে লগে, জনসাধাৰণে ৰাজনীতিত অধিক আগ্রহ দেখুৱাবলৈ আৰম্ভ কৰে। কেৱল পেৰিছতেই ২০০ তকৈ অধিক ৰাজনৈতিক সংঘ আৰু বাতৰিকাকতৰ প্রকাশ আৰু বিতৰণ হৈছিল। এই সংঘসমূহৰ প্রতিনিধিসকলে গাওঁ অঞ্চলসমূহতো প্রচাৰ চলাইছিল আৰু ৰক্ষণশীল প্রথাৰ প্রতি অনুগত ভোটাৰসকলক মন জয় কৰাৰ প্রচেষ্ট চলাইছিল। মহিলাসকলক ভোটাধিকাৰ দিয়াৰ বাবেও দাবী উত্থাপন হৈছিল। The Women's Voice' নাৰীসকলৰ দ্বাৰা প্রকাশিত এক বাতৰিকাকত আছিল যি সংস্কাৰৰ দাবী উত্থাপন কৰিছিল। নির্বাচনৰ পূর্বে, ফ্রান্স এক বৃহৎ অর্থনৈতিক বিপর্যয়ৰ মাজেৰে গতি কৰিছিল। পুজিৰ অভাৱ, নিয়োগৰ অভাৱ আৰু নিবনুৱা শ্রমিকসকলে পেৰিছলৈ আৰু অন্যান্য চহৰলৈ পৱ্রজন কৰিছিল যাৰ বাবে সম্ভ্রান্ত শ্রেণীৰ মাজত এক হাহাকাৰ সৃষ্টি হৈছিল।

কিন্তু এই নির্বাচন গণতন্ত্রীসকলৰ বাবে নিৰাশাজনক আছিল। গৰিষ্ঠ সংখ্যক আসনত ৰক্ষণশীলসকলে জয়লাভ কৰিছিল আৰু সমাজবাদী গণৰাজ্যবাদী সকলে ৯০০ আসনৰ ভিতৰত কেৱল ১০০ খন আসনতেহে জয় লাভ কৰিছিল। নির্বাচনৰ ফলাফলে এক ৰাজনৈতিক বিপর্য্যয়ৰ বাট প্রশস্ত কৰিছিল আৰু নতুন সংবিধান সভাক ভাঙি দিয়াৰ চেষ্টা চলোৱা হৈছিল।

নৱ গঠিত অস্থায়ী চৰকাৰে কিছুমান কঠিন ব্যৱস্থা হাতত লৈছিল। ১৮৪৮ চনৰ ২৩ জুন তাৰিখে চৰকাৰে জাতীয় কৰ্মশালাসমূহ বন্ধ কৰাৰ ঘোষণা কৰে। চৰমপন্থী প্ৰজাতন্ত্ৰীসকলক গ্ৰেপ্তাৰ কৰা হৈছিল। সেই সময়চোৱাত দেখা দিয়া বিদ্ৰোসমূহক 'জুনৰ দিনবোৰ' বুলি জনা গৈছিল।



জানি থোৱা ভাল

জাতীয় কৰ্মশালাঃ এই কৰ্মশালাসমূহ নিবনুৱাসকলক কৰ্মসংস্থান দিয়াৰ এটা উপায় আছিল। ফেব্ৰুৱাৰী বিপ্লৱৰ পিছৰে পৰা, জনগণৰ মাজত নিয়োগৰ ক্ষেত্ৰত এক সংকটে দেখা দিছিল আৰু অভাৱগ্ৰস্ততাৰ মাজত বাস কৰিব বাধ্য হৈছিল। এই সমস্যাৰ অন্ত পেলাবলৈকে, জাতীয় কৰ্মশালাসমূহ প্ৰতিষ্ঠা কৰা হৈছিল। ইয়াত কৰিবলৈ দিয়া কামসমূহ সাধাৰণ প্ৰকৃতিৰ আছিল আৰু এই সমূহ সম্পূৰ্ণৰূপে ৰাজহুৱা পুঁজিৰ ওপৰত নিৰ্ভৰশীল আছিল।

উক্ত বিদ্ৰোহসমূহ নিষ্ঠুৰভাৱে দমন কৰা হৈছিল। বহু সংখ্যকক হত্যা কৰা হৈছিল আৰু তাৰে কিছুসংখ্যকক মৃত্যুদণ্ড দিয়া হৈছিল। শ্ৰমিকসকলক আলজেৰিয়া বা ফ্ৰান্সৰ অন্য উপনিবেশসমূহলৈ নিৰ্বাসন দিয়া হৈছিল। নতুন সাংবিধানিক সভাই দ্ৰুত গতিত ৰাজনৈতিক আন্দোলন, সংবাদপত্ৰৰ স্বাধীনতা হৰণ, সভা সমিতি বন্ধ, নাৰীক ৰাজনৈতিক দলৰ সদস্যভুক্তি বাৰণ, ৰাজনৈতিক সংঘ বন্ধ আদিৰ দিশত দ্ৰুতগতিত আইন নিৰ্মাণ কৰিব লৈছিল।

১৮৪৮ চনৰ নৱেম্বৰ মাহত প্ৰজাতান্ত্ৰিক সংবিধানৰ নিৰ্দেশত অনুষ্ঠিত ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত লুই নেপলিয়' বিজয়ীৰূপে নিৰ্বাচিত হয়। জনমানসত তেতিয়াও নেপলিয়নৰ কিংবদন্তী সজীৱ হে আছিল আৰু তেওঁলোকে আশা কৰিছিল যে লুইয়ে ফ্ৰান্সত ৰাজনৈতিক সুস্থিৰতা আনিবলৈ সক্ষম হব। ১৮৪৮ চনৰ ১০ ডিচেম্বৰত লুই নেপলিয়ন দ্বিতীয় ফৰাচী গণৰাজ্যৰ ৰাষ্ট্ৰপতি ৰূপে নিৰ্বাচিত হৈছিল।



জানি থোৱা ভাল

ৰাষ্ট্ৰপতি নিৰ্বাচনৰ অন্য প্ৰধান প্ৰাৰ্থী আছিল কেভাইগনাক (Cavaignac)।

এক বৃহৎ জয় লাভ কৰাৰ পিছত লুই নেপলিয়'ই তেওঁৰ ক্ষমতা আৰু শক্তি বঢ়োৱাৰ ওপৰত জোৰ দিছিল। তেওঁ ৰোমলৈ এক অভিযান চলাইছিল, যাৰ ফলত ৰোমত লেড্ৰু ৰ'লিনৰ নেতৃত্বত এক বিদ্ৰোহ গা কৰি উঠিছিল। অৱশ্যে এই বিদ্ৰোহ দমন কৰা হৈছিল। সাংবিধানিক সভাত Falloux আইন পাছ কৰায়, নেপলিয়'ই ৰোমান কেথলিক চাৰ্চ (গীৰ্জাক চৰকাৰী স্কুলৰ সম্যন্তৰালকৈ স্কুল চলোৱাৰ অনুমতি দি ধৰ্মনিৰপেক্ষ শিক্ষাৰ ক্ষেত্ৰত এক প্ৰতিবন্ধকতা আনি দিছিল। ১৮৫০ চনৰ নিৰ্বাচনী আইন যাৰ দ্বাৰা দৰিদ্ৰ লোকৰ ভোটাধিকাৰ খৰ্ব কৰা হৈছিল, এই

আইনক বাতিল কৰাৰ প্ৰস্তাৱ তেওঁ দিছিল। ই আছিল জনপ্ৰিয়তা আৰু সাধাৰণ ৰাইজৰ সমৰ্থন লভিবৰ বাবে গ্ৰহণ কৰা এক বৃহৎ পদক্ষেপ।

১৮৫১ চনৰ ডিচেম্বৰ মাহৰ ১ আৰু ২ তাৰিখে সংঘটিত এক অভ্যুত্থানৰ দ্বাৰা ল্যুই নেপলিয়' ১০ বছৰ ৰাষ্ট্ৰপতি হৈ থকাৰ ঘোষণা কৰা হয়। সাংবিধানিক সভা দখল কৰা হয় আৰু ৰাজনৈতিক গ্ৰেপ্তাৰ চলোৱা হয়। দ্বিতীয় গণৰাজ্যখন আৰু এটা বছৰ বৰ্তি থাকে আৰু ২ ডিচেম্বৰ, ১৮৫২ ত গণৰাজ্যই সাম্ৰাজ্যক বাট এৰি দিয়ে আৰু ল্যুই নেপলিয়'ই সম্ৰাট নেপলিয়ন তৃতীয় খিতাপ গ্ৰহণ কৰে।

১৮০৮ জন্মগ্ৰহণ কৰা লু'ই বোনাপার্টৰ (নেপি'লিয় বোনাপার্টৰ ভাতৃ) সন্তান, লু'ই নেপলিয়ই ইয়াৰ আগতে ১৮৩৬ ত ষ্ট্ৰাছবার্গ আৰু ১৮৪০ ত বউলন্ (Boulogne) দখল কৰি অভ্যুত্থানৰ দ্বাৰা দুবাৰ ক্ষমতা দখলৰ প্ৰচেষ্টা চলাইছিল যদিও বিফল হৈছিল।

১৮৪৯ চনৰ অক্টোবৰ মাহত, তেওঁ বেৰট মন্ত্ৰীসভাক বৰ্খাস্ত কৰে আৰু ইয়াৰ সলনি নিজৰ পছন্দৰ মানুহক নিৰ্বাচন কৰে। সৰ্বসাধাৰণৰ সৈতে মত বিনিময় কৰাৰ উদ্দেশ্যৰে তেওঁ ভ্ৰমণ কাৰ্য্যসূচী লৈছিল আৰু একে সময়তে সৈন্যবাহিনীৰ বাবে বিশাল আয়োজন কৰিছিল। সংবিধানৰ সংশোধন ঘটাই নিজকে দ্বিতীয় বাৰৰ বাবে ৰাষ্ট্ৰপতি হোৱাৰ বাবে তেওঁৰ প্ৰস্তাৱ খাৰিজ হৈছিল, আৰু ডিচেম্বৰৰ ২ তাৰিখে ল্যুই নেপলিয়ৰ সতীয়া ভাতৃৰ Duc de Morney ৰ নেতৃত্বত এক সামৰিক অভ্যুত্থান সংঘটিত হৈছিল।

অভ্যুত্থানৰ পিছত অনুষ্ঠিত গণভোটত, গৰিষ্ঠ সংখ্যকেই অভ্যুত্থানক আৰু ল্যুই নেপলিয়'ক যুৱৰাজ ৰাষ্ট্ৰপতি ৰূপে শাসনত বৰ্তি থকাৰ প্ৰতি সমৰ্থন আগবঢ়াই। ১৮৫২ ৰ ১৪ জানুৱাৰীত সংবিধানে সকলো ক্ষমতা যুৱৰাজ ৰাষ্ট্ৰপতিক অৰ্পন কৰে। সকলো মন্ত্ৰী তেওঁৰ প্ৰতি দায়বদ্ধ আছিল। সাৰ্বজনীন ভোটাধিকাৰ ব্যৱস্থা দ্বাৰা ২৬০ জন ডেপুটি নিৰ্বাচিত কৰা হৈছিল, আৰু এই সকলৰ দ্বাৰা বিধানসভা গঠন কৰা হৈছিল যিয়ে বছৰত মাথো ৩ মাহৰ বাবে বহিছিল। এই ডেপুটিসকলৰ প্ৰশ্ন উত্থাপন কৰাৰ কোনো ক্ষমতা, নাছিল, অৰ্থাৎ এই ডেপুটিসকল কেৱলমাত্ৰ নামৰ বাবেহে আছিল। সংবিধান সংশোধনৰ বাবে চিনেট সৃষ্টি কৰা হৈছিল আৰু কাৰ্যপালিকাৰ সময়ৰ অৰ্থে ৰাজ্য পৰিষদ গঠন কৰা হৈছিল।

এইদৰেই, ১৮৫২ ৰ জানুৱাৰীৰ সংবিধানে গঠন কৰা চৰকাৰে ল্যুই নেপলি'য়ক অধিক কৃৰ্তৃত্ব প্ৰদান কৰিছিল। ১৮৫২ ৰ ডিচেম্বৰত সংবিধানৰ সংশোধনী ঘটাই দ্বিতীয় সাম্ৰাজ্যৰ ঘোষণা কৰা হয় আৰ ল্যুই নেপলিয়'ই সম্ৰাট নেপলিয় তৃতীয়ৰ খিতাপ গ্ৰহণ কৰে।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ১ ঃ ল্যুই ফিলিপে কেতিয়া ফৰাচী সিংহাসন পৰিত্যাগ কৰিছিল ?

.....

প্রশ্ন নং ২ ঃ নাৰীসকলৰ হকে সংস্কাৰৰ দাবী উত্থাপন কৰা দৈনিক বাতৰি কাকতখনৰ নাম উল্লেখ কৰক?

.....

প্রশ্ন নং ৩ ঃ "জাতীয় কর্মশালা" বুলিলে কি বুজে লিখক?

.....

প্রশ্ন নং ৪ ঃ 'The Falloux Law' আইন কি আছিল?

.....

প্রশ্ন নং ৫ ঃ ডুৎ- ডে-মর্নে (Duc-de-Morney) কোন আছিল?

.....

১১.৪ তৃতীয় নেপলিয়ন' আৰু তেওঁৰ সংস্কাৰসমূহ

তৃতীয় নেপলিয়নে তেওঁৰ এটা বক্তৃতাত, ঘোষণা কৰিছিল যে "সাম্রাজ্যৰ অর্থ হৈছে শান্তি"। ইয়াৰ দ্বাৰা বিদেশী চৰকাৰসমূহক নিশ্চয়তা প্রদান কৰিছিল যে নৱ-নির্বাচিত সম্রাট নেপলিয়' এজন আগ্রাসী শাসক নহয়। কিন্তু, এই নিশ্চয়তা সময়ত ভ্রান্তি বুলি পৰিগণিত হয়, যিহেতু তেওঁৰ শাসনকালত এলানী যুদ্ধৰ মাজেৰে পাৰ হ'বলগীয়া হয়। দেশৰ আভ্যন্তৰীন দিশতো, নেপলিয়'ই সংবাদপত্রৰ স্বাধীনতাক খর্ব কৰে, আৰক্ষীৰ দ্বাৰা তীক্ষ্ণ নজৰ ৰাখিছিল, তেওঁৰ প্রতিদ্বন্দ্বীসকলক নির্বাসন দিছিল আৰু নির্বাচন কৌশলেৰে নিজৰ বিচৰা মতে কৰিছিল। ৰাজহুৱা কার্যসমূহক পুঁজিৰ যোগান ধৰা হৈছিল, ৰেলৰেৰ বিকাশৰ ফলত উদ্যোগ আৰু বাণিজ্যৰ উন্নিতকৰণ আৰু নিয়োগৰ ক্ষেত্রত বিকাশ সাধন হৈছিল। নতুন অট্টালিকা নির্মাণৰ লগতে শ্রমিক/ শ্রেণীৰ বাবে সুলভ গৃহ -যোজনাও আৰম্ভ কৰা হৈছিল। বেংকৰ আঁওতাৰ বাহিৰত চৰকাৰৰ বাবে ঋণ গ্রহণ কৰা হৈছিল। নগৰীয়া বিকাশৰ বাবে ('Credit Foncier) ক্রেডিট ফনেচই এ ঋণৰ যোগান ধৰিছিল। ফৰাচী বেংক প্রতিষ্ঠান 'Credit Mobilier' (ক্রেডিট মবিলিয়েৰ) সেই সময়চোৱাৰ এক গুৰুত্বপূর্ণ উদ্ভাৱন আছিল, যিয়ে ক্ষুদ্র বিনিয়োগকাৰীসকলক তেওঁলোকৰ জমাৰ ওপৰত ঋণ আগবঢ়াইছিল। ই সোনকালেই সফলতা লাভ কৰিছিল যিহেতু এই নৱ গঠিত বেংকে অংশপত্রৰ সম্ভাৱনা গ্রহণ কৰিছিল, যিটো প্রাচীন পদ্ধতিৰ সম্ভান্ত বেংকসমূহে কৰা নাছিল।

ছুৱেজ মালৰ (Suez Canal) নির্মাণ, বেৰণ হ'ছমান তত্ত্বাৱধানত পেৰিছৰ পুর্ননির্মাণ আদি অভিলাষী যোজনা হাতত লোৱা লৈছিল। চকুত লগা ধৰণৰ পৰিবর্তন হৈছিল যদিও পৰিকল্পিত অর্থনৈতিক নীতিৰ অভাৱত ই গভীৰ হ'ব পৰা নাছিল। আন্তঃগাথনিৰ ক্ষেত্রত হোৱা বিকাশৰ ফল ঔদ্যোগিক আৰু কৃষিখণ্ডত দেখিবলৈ পোৱা নগৈছিল। ব্যৱসায়িক শ্রেণী আৰু প্রস্তুতকর্তা সকলৰ আমদানি মাচুল হ্রাসৰ বিৰোধিতা কৰাৰ স্বত্ত্বেও নেপলিয়ই কবডেন-চেভেলিয়েৰ চুক্তিত স্বাক্ষৰ কৰে। যি এই চুক্তিৰ মুখ্য উদ্দেশ্য আছিল আমদানি শুল্ক হ্রাস কৰি মুক্ত বাণিজ্যিক প্রচলন ঘটোৱা।



জানি থোৱা ভাল

১৮৬০ চনত স্বাক্ষৰিত কবডেন-চেভলিয়েৰ চুক্তি আছিল ফ্ৰান্সৰ অৰ্থনৈতিক ইতিহাসৰ এক পৰিবৰ্ত্তনকাৰী খোজ। ই ফ্ৰান্স আৰু ইংলেণ্ডৰ মাজত স্বাক্ষৰিত হৈছিল। ফ্ৰান্সৰ হৈ মাইকেল চেভেলিয়েৰ আৰু বৃটেইনৰ হৈ ৰিচার্ড কবডেনে এই চুক্তিত স্বাক্ষৰ কৰিছিল। উভয়ে মুক্ত বাণিজ্যৰ ঘোৰ সমর্থক আছিল।

তৃতীয় নেপলিয়ন'ৰ সমর্থকসকলৰ ভিতৰত আছিল অ'র্লেনিষ্টসকল, (Orleanists) ৰাজাৰ সর্মথনকাৰী বাদীসকল, প্ৰাচীন বোনাপার্টিচসকল আৰু কিছু সংখ্যক গণৰাজ্যবাদীসকল। কৃষকসকল তেওঁৰ প্ৰতি অনু গত আছিল এই বাবেই যে ল্যুই নেপলিয়'ৰ নামৰ সৈতে তেওঁলোকৰ 'নেপলিয়ন'ৰ সৈতে জড়িত থকা আৱেগৰ যোগসূত্ৰ, যি কিংদন্তীৰ মাজত তেওঁলোক ডাঙৰ দীঘল হৈছিল, বুর্জোৱাসকলে শান্তি আৰু সুস্থিৰতাৰ বাবে তেওঁক সমর্থন কৰিছিল। নৱ গঠিত দ্বিতীয় সাম্ৰাজ্যৰ প্ৰতি অধিক অনুগত্য আহৰণ কৰিবলৈ, নতুন নতুন বিষয়া নিয়োজিত কৰা হৈছিল। নেপলিয়নই কেথ'লিকৰ আৱেগকো ব্যৱহাৰ কৰি সমর্থন আদায়ৰ চেষ্টা চলাইছিল। পেলেষ্টাইনৰ খ্ৰীষ্টিয়ান প্ৰজাসকলৰ সমর্থন আদায় কৰি তেওঁ তাত ফৰাচী শক্তিৰ আধিপত্য স্থাপনৰ প্ৰচেষ্টা চলাইছিল। ১৯ শ শতিকাৰ অট'মান সাম্ৰাজ্যৰ পতন ঘটিবলৈ আৰম্ভ কৰিছিল আৰু ই অটমান সাম্ৰাজ্যত থকা অঞ্চলসমূহত যিসকল ইউৰোপীয় শক্তিৰ বিভিন্ন স্বার্থ নিহিত হৈ আছিল, সেই শক্তিসমূহৰ মাজত সংঘাতৰ বাট মুকলি কৰিছিল।

নেপলিয়ন'ৰ নেতৃত্বত ফ্ৰান্সে খ্ৰীষ্টিয়ানসকলৰ স্বার্থজনিত বিষয় সমূহত আগভাগ লৈছিল আৰু জেৰুজালেমৰ পর্ট্ত থকা লেটিন চার্চক সুৰক্ষা দিছিল। ইয়াৰ ফলস্বৰূপে ৰাছিয়াই ১৭৫৭ আৰু ১৭৭৪ চনৰ চুক্তি আঙুলিয়াই হস্তক্ষেপ কৰিছিল। ১৮৫৩ চনত ৰাছিয়াই পুনৰবাৰ পেলেষ্টাইনত খ্ৰীষ্টিয়ান গীর্জা প্ৰতিষ্ঠানসমূহ ৰক্ষণাবেক্ষণৰ অধিকাৰ দাবী কৰিছিল। ইয়াৰ ফলত ইউৰোপীয় শক্তিসমূহৰ মাজত এক উত্তেজনাময় পৰিৱেশৰ সৃষ্টি হৈছিল। তেওঁলোকৰ মনত মধ্য-প্ৰাচ্যৰ অট'মান সাম্ৰাজ্যক কেন্দ্ৰ কৰি ৰাছিয়াৰ উত্থানৰ শংকা দেখা দিছিল। এই শংকাৰ ফলত ফ্ৰান্সে ইংলেণ্ড আৰু অষ্ট্ৰিয়াৰ সমর্থন লাভ কৰিছিল। ইয়াৰ লগতে নেপলিয়ন'ৰ নিজা কাৰণ আছিল। যেতিয়া ৰাছিয়ান জাৰে তেওঁক 'ভাতৃ'ৰ স্থানত কেৱল 'ভাল বন্ধু ' বুলি কৈ সম্বোধন কৰি অপমানিত বোধ কৰাইছিল। অট'মান সম্ৰাটৰ দ্বাৰা ৰাছিয়া আৰু ফ্ৰান্সৰ সৈতে এই দিশত এক বুজাপৰালৈ আহাৰ বাবে কৰা বিভিন্ন প্ৰচেষ্টা ব্যর্থ হৈছিল।

ৰাছিয়াৰ দ্বাৰা ৱেলাছিয়া আৰু মলডভিয়া আক্ৰমণ কৰাৰ পিছত, ১৮৫৩ ৰ অক্টোবৰৰ ৪ তাৰিখে অট'মান সাম্ৰাজ্যই যুদ্ধ ঘোষণা কৰে। ১৮৫৪ ত, ইংলেণ্ড আৰু ফ্ৰান্সে যুদ্ধ ঘোষণা কৰে। যদিও যুদ্ধ নীতি পুতৌজনক আছিল, তথাপি ১৮৫৫ চনৰ ছেপ্তেম্বৰ মাহত চেবাষ্টোপলৰ পতনৰ লগে লগে, জাৰ দ্বিতীয় আলেকজেণ্ডাৰৰ অধীনত ৰাছিয়াই যুদ্ধৰ পৰা বিৰতি লয়।

১৮৫৬ ত, পেৰিছ শান্তি সন্মিলনত ফৰাচী জনসাধাৰণৰ মানসত প্ৰাচীন ফৰাচী হৃত গৌৰৰ পুৰ্ণপ্ৰতিষ্ঠা কৰা হয়। এইদৰেই, ক্ৰিমিয়াৰ যুদ্ধ ফ্ৰান্স আৰু তৃতীয় নেপলিয়নৰ বাবে, যি নিজকে সমগ্ৰ ফৰাচী জনসাধাৰণৰ সন্মুখত প্ৰতিষ্ঠা কৰিবলৈ ব্যাকুল হৈ পৰিছিল, এক বৰদান ৰূপে চিহ্নিত হৈছিল। যুদ্ধৰ সমাপ্তিৰ লগে লগে ৰাছিয়াই কৃষ্ণ সাগৰ (Black Sea) নিৰপেক্ষৰ মানি ল ব লগীয়া হৈছিল আৰু বেছাৰাবিয়া (Bessarabia)ৰ অধিকাৰ পৰিত্যাগ কৰিছিল। যুদ্ধত দুই পক্ষৰে যথেষ্ট হতাহত হৈছিল। বিপুলসংখ্যক সৈনিক নিহত হৈছিল আৰু তাৰে যথেষ্ট সংখ্যক কলেৰাৰ দৰে বেমাৰত নিহত হৈছিল। বৃহৎ মানব ক্ষয়ৰ এই সময় চোৱাতে ফ্লোৰেন্স নাইটিংগলে সেৱাৰ দ্বাৰা বহু সংখ্যকলোকৰ জীৱন ৰক্ষা কৰিছিল।



Key Sites in the Crimean War.
1. At Varna, troops were stationed July-August 1854.
2. At Kalamita Bay, troops landed in September 1854.
3. The Battle of Inkermann took place 5 November 1854.
4. At Scutari was the Barrack Hospital, Nightingale's main hospital. Sick and wounded soldiers had to be transported 300 miles from Balaclava to Scutari.

এই যুদ্ধৰ ফলত প্ৰাচীন ক্ষমতাগত সম্বন্ধৰ অৱসান ঘটিছিল। ক্ৰিমিয়াৰ যুদ্ধৰ ফলত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছিল অষ্ট্ৰিয়া। এই যুদ্ধৰ পৰিণতিত অষ্ট্ৰিয়াই সকলো মিত্ৰ দেশ হেৰুৱাইছিল আৰু নিজৰ নিৰপেক্ষ অৱস্থানৰ হেতু ৰাছিয়াৰ তীব্ৰ ক্ৰোধ আৰু শত্ৰুতা সহ্য কৰিবলগীয়া হৈছিল। ইংলেণ্ডৰ আশাভংগ হৈছিল আৰু ৰাছিয়া এই পৰাজয়ৰ দ্বাৰা অপমানিত হৈছিল।

১৮৬০ চনৰ নৱেম্বৰ মাহত তৃতীয় নেপলিয়নে তেওঁৰ প্ৰশাসনত উদাৰতাবাদী সংস্কাৰৰ সূচনা কৰিছিল। ইয়াৰ ফলত তেওঁ বাৰ্ষিক বক্তৃতাৰ ওপৰত আলোচনা, আইনৰ ক্ষেত্ৰত সংশোধনৰ প্ৰস্তাৱ দাখিলৰ অধিকাৰ, সাংসদিয় বিতৰ্কৰ প্ৰকাশ ইত্যাদিৰ অনুমতি দিয়া হৈছিল। ১৮৬১ চনত সংসদে বাজেট বিষয়ক আলোচনা কৰাৰ অধিকাৰ লাভ কৰে আৰু সদনক চৰকাৰী বাজেটৰ ক্ষেত্ৰত অভূতপূৰ্ব কৰ্তৃত্ব আনি দিছিল। এই সময়তে মেক্সিক'ত ফান্সৰ হস্তক্ষেপে জনগণ আৰু সদন উভয়ৰে পৰা তীব্ৰ বিৰোধিতা আৰু সমালোচনাৰ সন্মুখীন হৈছিল। ইয়াৰ আগতে, ফ্ৰান্সে কব্ডেন- চেভেলিয়াৰ (Cobden Chevalier) চুক্তিত স্বাক্ষৰ কৰি উঠিছিল মাত্ৰ আৰু ইংলেণ্ডৰ সৈতে শান্তি প্ৰতিষ্ঠা হৈছিল।

অর্থনৈতিক ইতিহাসবিদসকলে তৃতীয় নেপলিয়নৰ সময়চোৱাক "ঔদ্যোগিকৰণৰ আৰম্ভণী' পর্ব বুলি অভিহিত কৰিব বিচাৰে। ১৮৫৩ আৰু ১৮৬৪ ৰ মাজত, ফ্রান্সৰ ৰপ্তানি দুগুণ পৰিমাণৰ বৃদ্ধি পাইছিল। চৰকাৰে অর্থনীতি আৰু বিনিয়োগক উদগনি দিয়াৰ উদ্দেশ্য পোনপটীয়াভাৱে আগ্রহ প্রদর্শন কৰিছিল। ১৮৫২ চনত পেৰিৰে (Periere) ভাতৃদ্বয়ে (Credit Mobilier) ক্রেডিট মবিলিয়েৰ নামেৰে বিনিয়োগ বেংকৰ প্রতিষ্ঠা কৰিছিল। এই বেংকে মূলধন গোটোৱাৰ উদ্দেশ্যৰে শ্বেয়াৰ বিক্রী কৰিছিল। ক্রেডি ফনচিয়েৰ (Credit Foncier) -এ কৃষি ক্ষেত্রক সহায় কৰিছিল।

দ্বিতীয় নেপলিয়নৰ সাম্রাজ্যৰ সময়চোৱাৰ ঔদ্যোগিক বিকাশৰ হাৰ প্রায় গ্রেট বৃটেইনৰ সৈতে তুলনা কৰিব পৰা বিধৰ আছিল। অৱশ্যে, ফৰাচী উদ্যোগসমূহ সাধাৰণতে ক্ষুদ্র ব্যৱসায়তে সীমাবদ্ধ আছিল। ফৰাচী বিনিয়োগকাৰীসকলে আন্তঃ গাথনি বিকাশৰ উদ্দেশ্য বিদেশলৈ । মূলধনৰ ৰপ্তানি বঢ়াইছিল। পর্তুগাল, অষ্ট্রিয়া- হাংগেৰী আৰু মেক্সিকোক ঋণৰ যোগান ধৰা হৈছিল। ফ্রান্সে নিজৰ ৰেলপথৰো বিকাশ সাধন কৰিছিল আৰু ১৮৬৯ পর্য্যন্ত, ১০,০০০ মাইললৈকে ইয়াৰ প্রসাৰণ ঘটিছিল। "উদাৰবাদী" দিশত সংস্কাৰৰ সূচনা কৰি তৃতীয় নেপলিয়নে শাসনৰ ক্ষেত্রত এক পৰিৱর্তন আনিবলৈ চেষ্টা কৰিছিল। ১৮৫৭ ত পাচগৰাকী ৰিপাব্লিকানক বিধান কর্পচলৈ (Legislative Corps) নির্বাচিত কৰা হৈছিল। ১৮৬৪ চনত ধর্মঘটৰ অধিকাৰ দিয়া হৈছিল।

১১.৫ দ্বিতীয় নেপলিয়নীৰ সাম্রাজ্যৰ অৱসান

১৮২১ চনত স্বাধীনতা লাভৰ পিছৰে পৰা, ইংলেণ্ড, আমেৰিকা যুক্তৰাষ্ট্র আৰু অন্য ইউৰোপীয় শক্তিসমূহৰ বাবে মেক্সিক' এক গুৰুত্বপূর্ণ বিষয় হৈ পৰিছিল। নিজৰ বৈদেশিক নীতিৰ দ্বাৰা নেপলিয়নে তেওঁৰ পতন মাতি আনিছিল। ১৮৫৯ ত, ফৰাচী-প্রুছিয়ান যুদ্ধৰ সূত্রপাত ঘটে। উত্তৰ ইটালীৰ মেজেণ্টা (Magenta) আৰু ছল'ফেৰিন' (Solferino)ত অষ্ট্রিয়া পৰাজয়ৰ সন্মুখীন হৈছিল। ১৮৬০ চনত স্বাক্ষৰিত তুৰিণ চুক্তিৰ দ্বাৰা, ফ্রান্সে চেভয় আৰু নিছ (Nice) নিজৰ অধীনলৈ আনিছিল। চেনেগাল, লেবানন আৰু 'ইণ্ড'- চীন অঞ্চলত ফ্রান্সৰ আধিপত্যৰ প্রসাৰৰ বাবেও নেপলিয়নে সামৰিক বাহিনী প্রেৰণ কৰিছিল।

ফ্রান্সৰ অর্থনৈতিক স্বার্থ ৰক্ষা কৰাৰ অজুহাতত নেপলিয়নে মেক্সিক'ত হস্তক্ষেপ কৰিছিল। ১৮৬৪ চনত, তৃতীয় নেপলিয়নে অষ্ট্রিয়াৰ আর্কডিউক মেক্সিমিলানক মেক্সিক'ৰ সম্রাট ৰূপে ঘোষণা কৰে। আমেৰিকা যুক্তৰাষ্ট্রই ইয়াৰ প্রতিবাদ জনায়। মেক্সিক'বাসীয়ে এজন অষ্ট্রিয়ান সম্রাট বিচৰা নাছিল। ১৮৬৭ চনত মেক্সিমিলানক হত্যা কৰা হয়। মেক্সিক' বাসীৰ মাজত বিদ্রোহে গা কৰি উঠিছিল।

১৮৬৬ চনত অষ্ট্রিয়া -প্রছিয়া যুদ্ধৰ সময়ত ফ্রান্সে অষ্ট্রিয়াৰ পক্ষ গ্রহণ কৰিছিল আৰু ৰাছিয়াৰ পৰা ৰাইনলেণ্ড (Rhineland) দাবী কৰিছিল। ১৮৬৮ চনৰ আৰম্ভণীত বিধানসভাক প্রদান কৰা স্বাধীনতাই সম্রাজ্যৰ বাবে বিৰোধ সৃষ্টি কৰিছিল। ১৮৭০ চনত প্রতিবাদ প্রসাৰিত

হয়। মন্ত্রীসকলক বিধানপালিকাৰ প্ৰতি দায়ৱদ্ধ কৰোৱাৰ উদ্দেশ্য বিৰোধী প্ৰতিপক্ষসকলক এখন উদাৰ সংবিধানৰ খচৰা প্ৰস্তুতৰ বাবে আহ্বান জনোৱা হয়।

সেই সময়ত শূন্য হৈ থকা স্পেনিছ সিংহাসনৰ বাবে প্ৰুছিয়াৰ যুৱৰাজ লিওপল্ডক এজন প্ৰাৰ্থী ৰূপে প্ৰক্ষেপিত কৰা হৈছিল। ইয়াৰ বাবে নেপলিয়নে প্ৰুছিয়াক যুদ্ধৰ ভাবুকি প্ৰদান কৰিছিল আৰু ক্ষমাপ্ৰাৰ্থনা দাবী কৰিছিল। প্ৰুছিয়াক এই ক্ষেত্ৰত ৱুতেমবাৰ্গ, বেভেৰিয়া, বেডেন আৰু হেছে সহায় কৰিছিল। ১৮৭০ চনৰ জুলাই মাহৰ ১৯ তাৰিখে যুদ্ধ ঘোষণা কৰা হয়। ফ্ৰান্সত প্ৰজাতন্ত্ৰ স্থাপনৰ ঘোষণা কৰা হয় আৰু তৃতীয় নেপলিয়নক ইংলেণ্ডলৈ নিৰ্বাসনত যোৱাৰ সুযোগ দিয়া হয়। প্ৰুছিয়াৰ সৈন্যবাহিনীৰ হাতত পেৰিছৰ পতন ঘটে।

এক ৰক্ষণশীল গণৰাজ্য স্থাপনৰ উদ্দেশ্য ১৮৭১ ৰ ২৪ জানুৱাৰীত জাৰ্মানী আৰু ফ্ৰান্সৰ মাজত এক সন্ধি স্বাক্ষৰিত হয়। ফ্ৰান্সৰে কিছু সংখ্যক নেতাই এই সিদ্ধান্তৰ বিৰোধিতা কৰে আৰু ৰাজতন্ত্ৰ সমৰ্থনকাৰীৰ দ্বাৰা প্ৰভাৱিত এক জাতীয় বিধান সভাৰ নিৰ্বাচন কৰে। এই অস্থায়ী চৰকাৰৰ প্ৰধান কাৰ্যকৰ্তা আছিল লুই এডলফ থিয়েৰছ। ১৮৭১ চনৰ ১০ মে'ত স্বাক্ষৰিত ফ্ৰেংকফৰ্ট চুক্তিৰ দ্বাৰা, ফ্ৰান্সে আলছাছ আৰু লৰেইন (Alsace and Lorraine) ৰ অধিকাৰ হেৰুৱাই। যুদ্ধৰ ক্ষতিপুৰণ নিদিয়া পৰ্য্যন্ত প্ৰুছিয়াৰ সৈন্যবাহিনীয়ে পেৰিছ অধিকাৰ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ৬ ঃ বেৰণ হা'ছমেম (Baron Hausman) কোন আছিল ?

.....

প্ৰশ্ন নং ৭ ঃ "ক্ৰেডিট ফ'নিচয়েৰ (Credit Foncier) কি আছিল ?

.....

প্ৰশ্ন নং ৮ ঃ ফ্ৰেংকফৰ্টৰ চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল ?

.....

প্ৰশ্ন নং ৯ ঃ কি চুক্তিৰ দ্বাৰা ফ্ৰান্সে চেভয়' আৰু নিছ লাভ কৰিছিল ?

.....



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে —

- দ্বিতীয় ফৰাচী প্ৰজাতন্ত্ৰ দীৰ্ঘস্থায়ী নাছিল আৰু ইয়াৰ একমাত্ৰ উল্লেখযোগ্য ফলাফল

বুলিবলৈ আছিল দাসপ্রথাৰ বিলুপ্তি আৰু সার্বজনীন পুৰুষ ভোটাধিকাৰৰ অধিকাৰ প্রদান।

- ১৮৫২ চনত সংঘটিত কৰা সামৰিক অভ্যুত্থানৰ দ্বাৰা ল্যুই নেপলিয়নই প্রজাতন্ত্রৰ পতন ঘটাইছিল আৰু সম্রাট তৃতীয় নেপলিয়ন'ৰ খিতাপ গ্রহণ কৰি ফ্রান্সক দ্বিতীয় নেপলিয়নীয় সাম্রাজ্যৰ প্রতিস্থাৰ ঘোষণা কৰিছিল।
- তৃতীয় নেপলিয়নৰ সন্মুখত এক প্রত্যাহ্বানে দেখা দিছিল। প্রথম, তেওঁ তেওঁৰ প্রখ্যাত খুড়াকৰ উত্তৰাধিকাৰী হিচাপে কার্য্য কৰিবলগীয়া হৈছিল, যাৰ বাবে তেওঁ ফৰাচী জণগণৰ সমর্থন লাভ কৰিছিল। দ্বিতীয়তে, তেওঁ অইন বিদেশী শক্তিসমূহক নিশ্চয়তা দিবলগীয়া হৈছিল যে বৈদেশিক ক্ষেত্রত ফ্রান্সে কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি নকৰে।
- নেপলিয়নে উদাৰবাদী ধাৰাৰ সংস্কাৰৰ সূচনা কৰিছিল। তেওঁৰ বৈদেশিক নীতিয়ে ফ্রান্সক কোনো ধৰণৰ বিশেষ সুবিধা প্রদান কৰা নাছিল।



১১.৭ অধিক জানিবলৈ

১) Cunningham, Michele (2001). *Mexico & the Foreign Policy of Napolean III*. New York, NY: Palgrave.

২) Thompson, David. (2007, Reprint). *Europe since Napoleon* (2nd edition). New Delhi, India: Surjeet Publication.

৩) Merriman, John (2010). *A History of Modern Europe: From the Renaissance to the Present* (3rd edition). London, UK: WW Norton & Company.

৪) Simpson, William & Jones, Martin (2009). *Europe 1783-1914* (2nd editon). London, UK: Routledge.



১১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্ন উত্তৰ ঃ ১৮৪৮ চন।

২ নং প্রশ্ন উত্তৰ ঃ The Women's Voice (দ্য ৱমেনচ ভইচ)

৩ নং প্রশ্ন উত্তৰ ঃ "জাতীয় কর্মশালা" আছিল ফ্রান্সৰ জনসাধাৰণক সংস্থান দিয়াৰ এক ক্ষেত্র।

৪ নং প্রশ্ন উত্তৰ ঃ 'The Falloux Law' অইনে কেথলিক চার্চ /গীর্জাক চৰকাৰী বিদ্যালয়ৰ সমান্তৰালকৈ বিদ্যালয় / স্কুল চলোৱাৰ অনুমতি দিছিল।

৫ নং প্রশ্ন উত্তৰ ঃ (Duc- de- Morney) ডাক-দ্যে-মর্ণে লুই নেপলিখৰ সতীয়া ভাতৃ আছিল।

৬ নং প্রশ্ন উত্তৰ ঃ ফৰাছী প্রশাসক যাক পেৰিছক নতুনকৈ সজা /গঢ়াৰ বাবে দায়িত্ব দিয়া হৈছিল।

৭ নং প্রশ্ন উত্তৰ ঃ "ক্রেডিট ফনিচয়েৰ"(Credit Foncier) আছিল এক বিনিয়োগকাৰী বেংক যিয়ে ঋণ আগবঢ়াইছিল।

৮ নং প্রশ্ন উত্তৰ ঃ ১৮৭১

৯ নং প্রশ্ন উত্তৰ ঃ তুৰীন চুক্তি।



১১.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ ৫০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ ৰলিনছ কোন আছিল?

প্রশ্ন ২ ঃ ক্রিমিয়াৰ যুদ্ধৰ সূত্রপাত কেতিয়া ঘটিছিল?

প্রশ্ন ৩ ঃ ফ্রান্স-প্রুছিয়াৰ যুদ্ধৰ কাৰকসমূহ কি আছিল?

(খ) চুটি প্রশ্ন (প্রতিটো প্রশ্নৰ ১৫০-৩০০টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ দ্বিতীয় প্রজাতন্ত্রৰ পৰা ফ্রান্সে কি লাভাঞ্চিত কৰিছিল?

প্রশ্ন ২ ঃ ফ্লোৰেন্স নাইটিংগেলৰ বিষয়ে চমুকৈ লিখক?

প্রশ্ন ৩ ঃ কবডেন-চেভেলিয়াৰ চুক্তিৰ বিশেষত্ব কি আছিল?

প্রশ্ন ৪ ঃ কেথলিক ধর্মীয় আবেগ জয় কৰিবলৈ তৃতীয় নেপলিয়নে কেনেধৰণৰ প্রচেষ্টা চলাইছিল?

প্রশ্ন ৫ ঃ 'জুনৰ দিনবোৰ' (June DaËys) সময়চোৱাত কি সংঘটিত হৈছিল?

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ 'উদাৰবাদী শাসনৰ' সময়চোৱাত তৃতীয় নেপলিয়নে সূচনা কৰা সংস্কাৰসমূহৰ বিষয়ে আলোচনা কৰক? ই কেনেকৈ ফ্রান্সক প্রভাৱন্বিত কৰিছিল?

প্রশ্ন ২ ঃ তৃতীয় নেপলিয়ন'ৰ পতনৰ বাবে কি দায়ী আছিল? বহলাই ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১২ ঃ ইউৰোপ মহাদেশত অষ্ট্ৰিয়াৰ আধিপত্য

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
- মেট্টার্নিচ্চৰ অধিনত অষ্ট্ৰিয়াৰ উত্থান

১২.৩ মেট্টার্নিচ্চ ব্যৱস্থা আৰু ইউৰোপ
১২.৪ পৰিমাণৰ
১২.৫ মেট্টার্নিচ্চ নীতিৰ ফলাফল
১২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্ৰগতিৰ খতিয়ান
১২.৯ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অষ্ট্ৰিয়াৰ সাম্ৰাজ্যৰ প্ৰতিষ্ঠাৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- অষ্ট্ৰিয়াৰ উত্থানত মেটার্নিচ্চৰ ভূমিকা কি আছিল তাক আলোচনা কৰিব পাৰিব
- মেট্টার্নিচ্চ ব্যৱস্থা কি আৰু ইউৰোপৰ ৰাজনৈতিক ইতিহাসত ই কেনেকৈ প্ৰভাৱান্বিত কৰিছিল, সেই বিষয়ে আলোচনা কৰিব পাৰিব আৰু
- মেট্টার্নিচ্চ নীতিৰ বিফলতা কাৰকসমূহ কি আছিল তাক জানিব পাৰিব।

১২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি দ্বিতীয় নেপলিয়নীয় সাম্ৰাজ্যৰ বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়ত আমি অষ্ট্ৰিয়াৰ সাম্ৰাজ্যৰ উত্থান উপৰত গুৰুত্ব দিম। মূলতঃ বহেমিয়া, গালিছিয়া, হাংগেৰী, ইটালীৰ উত্তৰৰ প্ৰদেশ লোম্বার্দি, ইলিৰিয়া আৰু ভেনেচিয়া আছিল অষ্ট্ৰিয়া সাম্ৰাজ্যৰ অন্তৰ্গত। অষ্ট্ৰিয়া সাম্ৰাজ্যত বিভিন্ন ভাষা-ভাষী তথা বিভিন্ন গোষ্ঠীৰ লোক বসবাস কৰিছিল আৰু তাত কোনো ঐক্যবদ্ধ প্ৰশাসনিক ব্যৱস্থা নাছিল। ফলশ্ৰুতিত অষ্ট্ৰিয়াৰ দৰে এক বিশাল ভূ-খণ্ডক শাসন কৰা আৰু প্ৰতিৰক্ষা দিয়াটো এক বৃহৎ সমস্যাৰূপে থিয় দিছিল। সেইসময়ত অষ্ট্ৰিয়াক শাসন কৰিছিল হেব্চবার্গ ৰাজবংশই (Habsburg Dynasty)।

● প্ৰাচীন কালত অষ্ট্ৰিয়া সাম্ৰাজ্য ঃ

সমগ্ৰ ১৭ শতিকাৰ লগতে ত্ৰিশ বছৰীয়া যুদ্ধৰ (Thirty Years War) কালছোৱাত

হেব্চবার্গ ৰাজবংশই পবিত্র ৰোমান সাম্রাজ্যৰ (Holy Roman Empire) নির্বাচন প্রক্রিয়াক নিয়ন্ত্রণ কৰিছল। উল্লেখযোগ্য যে, ৱেষ্টফোলিয়াৰ শান্তি আলোচনাৰ (১৬৪৮) পিছত হেব্চবার্গ ৰাজবংশৰ ফার্ডিনান্দ তৃতীয়ই জার্মান ৰাজ্যসমূহক আত্ম-শাসনৰ বাবে অধিক বিস্তৃতি দিয়াৰ লগতে সেই ৰাজ্যসমূহক স্ব-ইচ্ছাৰে ধর্ম গ্রহণৰ সুবিধা প্রদান কৰিছিল। ১৬৪৮ চনত অষ্ট্রিয়াই চুবুৰীয়া ৰাজ্য যেনে মোৰাভিয়া, বহেমিয়া, টাইৰোল আৰু কোৰিন্থিয়াক নিয়ন্ত্রণ কৰিছিল। ১৭৬৫-১৭৯০ খ্রীষ্টাব্দলৈ পবিত্র ৰোমান সাম্রাজ্যৰ সম্রাট আছিল হেব্চবার্গ ৰাজপৰিয়ালৰে যোছেফ দ্বিতীয় আৰু তেওঁ এগৰাকি জ্ঞানদীপ্ত স্বেচ্ছাচাৰী' (Enlightened Despots) ৰূপে প্রতিষ্ঠা লাভ কৰিছিল। অষ্ট্রিয়া সাম্রাজ্যৰ উন্নয়নৰ ক্ষেত্রত সম্রাট যোছেফ দ্বিতীয়ৰ অৱদান আছিল লেখত ল'বলগীয়া। তেওঁ কেন্দ্রীভূত তথা ঐক্যবদ্ধ প্রশাসন প্রৱর্তনৰ বাবে যথেষ্ট প্রচেষ্টা চলাইছিল। জার্মান ভাষাক তেওঁ চৰকাৰী ভাষাৰ স্বীকৃতি দিয়াৰ পোষকতা কৰিছিল। ১৭৮১ খ্রী.ত যোছেফ দ্বিতীয়ই দাসত্ব প্রথাৰ অৱসান ঘটায় আৰু অষ্ট্রিয়া সাম্রাজ্যৰ আভ্যন্তৰীণ প্রগতিৰ বাবে অধিক মনোনিবেশ কৰে।

যোছেফ দ্বিতীয়ৰ মৃত্যুৰ পিছত হেব্চবার্গ ৰাজবংশৰে লিঅ'পল্ড দ্বিতীয়ই পবিত্র ৰোমান সাম্রাজ্যৰ সিংহাসনত অধিষ্ঠিত হয়। ৰাছিয়াৰ শাসনকর্তা দ্বিতীয়ৰ কেথেৰিণৰ কঠোৰ নীতিবোৰে লিঅ'পল্ড দ্বিতীয়ক ভাবুকি প্রদান কৰিছিল। পৰৱর্তী সময়ত তেওঁ প্রুছিয়াৰ ফ্রেডেৰিক উইলিয়াম দ্বিতীয়ৰ সৈতে এক চুক্তি পত্রত স্বাক্ষৰ কৰে। সেই চুক্তিৰ দফা অনুসৰি লিঅ'পল্ড দ্বিতীয়ই বেলজিয়ামত নিজৰ প্রভুত্ব পুনৰ প্রতিষ্ঠা কৰে আৰু নেডাৰলেণ্ডৰ সৈতে বন্ধুত্ব স্থাপন কৰে। তেওঁ তুর্কীসকলৰ চুক্তি কৰাৰ আগ্রহ প্রকাশ কৰে আৰু ইয়াৰ ফলস্বৰূপে ১৭৯১ খ্রী. ত চিচ্টোভাৰ চুক্তি (Treaty of Sistova) স্বাক্ষৰিত হয়। উল্লেখ কৰা উচিত যে ১৭৮৯ খ্রী.ৰ ফৰাচী বিপ্লৱৰ বৈপ্লৱিক চিন্তা চেতনায়ো অষ্ট্রিয়া সাম্রাজ্যত প্রভাৱ বিস্তাৰ কৰিছিল। সাম্য, সমতা আৰু ভাতৃত্ববোধ (Liberty, Equality and Fraternity) প্রতিষ্ঠাৰ বাণীয়ে অষ্ট্রিয়াৰ সম্রাটলৈ ভাবুকি কঢ়িয়াই আনিছিল। বিশেষকৈ জাতীয়তাবাদীসকলৰ বৈপ্লৱিক চেতনা আৰু সাম্যবাদৰ ধাৰণাই হেব্চবার্গ সম্রাটসকলক কিছু সময়লৈ স্থৰিৰ কৰি তুলিছিল। ১৭৯২ চনৰ মার্চ মাহত লিঅ'পল্ড দ্বিতীয়ৰ হঠাতে দেহাৱসান ঘটে। ইউৰোপত অষ্ট্রিয়াৰ আধিপত্য পুনৰ বিস্তাৰৰ ক্ষেত্রত লিঅ'পল্ড দ্বিতীয়ৰ অৱদান আছিল অপৰিসীম।

লিঅ' দ্বিতীয় পল্ডৰ মৃত্যুৰ পিছত প্রথম ফ্রান্সিছ অষ্ট্রিয়াৰ হেব্চবার্গ ৰাজসিংহাসনত বহে। তেওঁক পৰিত্র ৰোমান সাম্রাজ্যৰ দ্বিতীয় ফ্রান্সিছ বুলিও জনা যায়। দৰাচলতে, দ্বিতীয় ফ্রান্সিছ আছিল পৰিত্র ৰোমান সাম্রাজ্যৰ অন্তিম সম্রাট যি ১৯৯১ ৰ পৰা ১৮০৬ চনলৈ শাসন কৰিছিল। তেওঁ ১৮০৪-১৮৩৫ চনলৈ অষ্ট্রিয়া সাম্রাজ্যৰ সম্রাটৰ সিংহাসনত বহে। তদুপৰি তেওঁ ১৮১৫ চনৰ পৰা জার্মান মিত্রজোঁটৰ (German Confederacy) প্রথম সভাপতি ৰূপেও কার্যনির্বাহ কৰিছিল।

ফ্রান্সৰ নেপ'লিয়ন প্রথমৰ প্রতিপক্ষ হিচাপে পৰিত্র ৰোমান সাম্রাজ্যৰ ফ্রান্সিছ দ্বিতীয়ই এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। নেপ'লিয়ন বোনাপার্ট ওৰফে নেপ'লিয়ন প্রথম (১৭৬৯-

১৮২১) আছিল এজন বিখ্যাত ফৰাচী সম্ৰাট যিয়ে উনবিংশ শতিকাৰ প্ৰথম ভাগত ইউৰোপৰ অধিকাংশ অঞ্চল নিজৰ দখললৈ আনিবলৈ সক্ষম হৈছিল। তেওঁ আছিল এজন সুদক্ষ আৰু বিচক্ষণ যোদ্ধা যিয়ে ইউৰোপৰ বিভিন্ন সন্মিলিত শক্তিক অনায়াসে যুদ্ধত পৰাভূত কৰিছিল। পৱিত্ৰ ৰোমান সাম্ৰাজ্যৰ ফ্ৰান্সিছ দ্বিতীয়ই নেপ'লিয়নৰ সৈতে সংগ্ৰামত অৱতীৰ্ণ হয়। ১৭৯২ চনৰ এপ্ৰিল মাহত বৈপ্লৱিক ফৰাচী শক্তিয়ে ৰোমান সাম্ৰাজ্যৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। ফ্ৰান্সিছ দ্বিতীয় আৰু নেপ'লিয়ন প্ৰথমৰ মাজৰ প্ৰথম যুদ্ধ প্ৰায় পাঁচ বছৰ ধৰি চলে। অৱশেষত অষ্ট্ৰিয়াক আপত্তিজনক শান্তি পূৰ্বক চুক্তিত স্বাক্ষৰ কৰিবলৈ বাধ্য কৰোৱা হয়। অষ্ট্ৰিয়াই ১৭৯৯ আৰু ১৮০৫ চনত পুনৰ নেপ'লিয়ন প্ৰথমৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হয় যদিও পৰাস্ত হয়। তৎসত্ত্বেও অষ্ট্ৰিয়াৰ হেব্চবাৰ্গ ৰাজবংশৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ দুটা পদক্ষেপ লয় ফ্ৰান্সিচ দ্বিতীয়ই। প্ৰথমতে ১৮০৪ চনত তেওঁ এক নতুন ৰাজকীয় পুৰুষানুক্ৰমিক উপাধি, 'অষ্ট্ৰিয়াৰ সম্ৰাট' (Emperor of Austria) গ্ৰহণ কৰে। এতিয়া তেওঁ অষ্ট্ৰিয়াৰ সম্ৰাট ফ্ৰান্সিছ প্ৰথম ৰূপে পৰিগণিত হ'ল। দ্বিতীয়তে, নেপ'লিয়ন বোনাপার্টৰ ৰাজ্য সম্প্ৰসাৰণক বাধা দিবলৈ ফ্ৰান্সিছ প্ৰথমে ১৮০৯ চনত পৱিত্ৰ ৰোমান সাম্ৰাজ্যৰ অৱলুপ্তি ঘটায়। অৱশ্যে দুয়োশক্তিৰ মাজত যুদ্ধ চলি থাকে। ১৮০৯ চনত অষ্ট্ৰিয়াই ফ্ৰান্সৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰি সহজে পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হয়। ফ্ৰান্সৰ বিৰুদ্ধে হোৱা পৰাজয় আৰু সাম্ৰাজ্যৰ এনে জটিল পৰিস্থিতিত ফ্ৰান্সিছ প্ৰথমে ৰাজপুত্ৰ কেমেনচ্ ভন মেট্টার্নিচ্চক বৈদেশিক মন্ত্ৰীৰ পদত নিয়োজিত কৰে। মেট্টার্নিচ্চে ফ্ৰান্সৰ লগত সম্পৰ্ক সুদৃঢ় কৰিবলৈ অনেক প্ৰচেষ্টা হাতত লয়। তেওঁ ফ্ৰান্সিছৰ জীয়ৰী মাৰিয়া লুইছ আৰু ফ্ৰান্সৰ নেপ'লিয়ন প্ৰথমৰ মাজত ১৮১০ চনত বৈবাহিক সম্পৰ্ক স্থাপন কৰোৱায়। পৰৱৰ্তী সময়ত নেপ'লিয়ন প্ৰথম দুৰ্বল হৈ পৰে আৰু সুযোগৰ সদ ব্যৱহাৰ কৰি ফ্ৰান্সিছে প্ৰথমে ফ্ৰান্সৰ সৈতে মিত্ৰতাৰ অন্ত পেলায়। মেট্টার্নিচ্চে আকৌ নেপ'লিয়ন প্ৰথমৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে আৰু এই যুদ্ধত জয়ী হয়। এই যুদ্ধত মেট্টার্নিচ্চে এক কূটনৈতিক ভূমিকা পালন কৰে। অবশেষত, নেপ'লিয়ন প্ৰথমে বিখ্যাত ৱাটাৰলুৰ যুদ্ধত পৰাজয় বৰণ কৰে আৰু তেওঁক ছেইন্ট হেলেনা দ্বীপলৈ নির্বাসন দিয়া হয়। তাতেহ ১৮২১ চনত তেওঁৰ মৃত্যু হয়।

● **মেট্টার্নিচ্চৰ অধীনত অষ্ট্ৰিয়াৰ উত্থান ঃ**

ইউৰোপৰ ইতিহাসত ১৮১৫ খ্ৰী.ৰ পৰ ১৮৪৮ খ্ৰী.লৈ ক্লেমেন্চ ভন মেট্টার্নিচ্চ আছিল নিঃসন্দেহে এগৰাকী প্ৰভাৱশালী ৰাজনীতিজ্ঞ আৰু বিতর্কিত ব্যক্তিত্ব।মেট্টার্নিচ্চে অতি কম বয়সতে অষ্ট্ৰিয়াৰ কূটনৈতিক সেৱাত যোগদান কৰে। ১৮০৬ চনলৈ মেট্টার্নিচ্চক অষ্ট্ৰিয়াৰ ৰাষ্ট্ৰদূত হিচাপে ফ্ৰান্সলৈ পদোন্নতি ঘটে। সেই সময়ত অষ্ট্ৰিয়াৰ হেব্চবাৰ্গ ৰাজবংশই নেপ'লিয়ন প্ৰথমৰ কঠোৰ নীতিৰ ফলত ভাবুকি গ্ৰস্ত হৈছিল। উল্লেখযোগ্য যে অনিচ্ছাস্বত্বেও অষ্ট্ৰিয়াই ফ্ৰান্সৰ নেপ'লিয়ন প্ৰথমৰ বিপক্ষে তৃতীয় সন্মিলিত শক্তিত যোগদান দিছিল যদিও নউটোৰলিট্জৰ যুদ্ধত পৰাভূত হোৱাৰ পিছত এই সন্মিলিত শক্তিক ত্যাগ কৰে। ১৮০৫ চনত অষ্ট্ৰিয়াই লজ্জাজনক ভাৱে প্ৰেছ্বাৰ্গ চুক্তিত (Treaty of Pressburg) স্বাক্ষৰ কৰিবলৈ বাধ্য হয়। তেনে এক পৰিৱেশৰ মাজত অষ্ট্ৰিয়াৰ ফ্ৰান্সিজ প্ৰথমে ১৮০৯ চনত মেট্টার্নিচ্চক অষ্ট্ৰিয়াৰ বৈদেশিক মন্ত্ৰীৰূপে নিযুক্ত

কৰে।

মেট্টার্নিচ্চৰ বৈদেশিক নীতিয়ে নেপ'লিয়নিক যুদ্ধৰ শেষৰ অংশত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছিল। মেটার্নিচ্চৰ প্ৰধান লক্ষ্য আছিল নেপ'লিয়নৰ ৰাজ্য সম্প্ৰসাৰণ নীতিক ব্যাঘাত জন্মাব পৰাকৈ অষ্ট্ৰিয়াক শক্তিশালী কৰা। অৱশ্যে মেট্টার্নিচ্চৰ ফ্ৰান্সৰ সৈতে প্ৰথমে এক সৌহাদ্যপূৰ্ণ সম্পৰ্ক স্থাপনৰ পোষকতা কৰিছিল আৰু সেয়ে তেওঁ ফ্ৰান্সিছ প্ৰথমৰ জীয়ৰী মাৰিয়া লুইছ আৰু নেপ'লিয়ন প্ৰথমৰ মাজত বৈবাহিক সম্পৰ্ক স্থাপনত আগভাগ লৈছিল। এই বিবাহৰ যোগেদি মেট্টার্নিচ্চে অষ্ট্ৰিয়াক ফ্ৰান্সৰ পৰা সুৰক্ষিত কৰিব বিচাৰিছিল। কিন্তু ১৮১২ খ্ৰী.ত তেওঁ নেপ'লিয়ন প্ৰথমৰ আৰশ্যাম্ভী পতনৰ কথা অনুধাৱন কৰিব পাৰিছিল আৰু সেয়ে তেওঁ নেপ'লিয়ন প্ৰথমৰ বিৰুদ্ধে যুদ্ধত অংশ লয়। এই যুদ্ধত বিজয় সাব্যস্তৰ ফলশ্ৰুতিত ১৮১৫ খ্ৰী.ৰ পিছত অষ্ট্ৰিয়া ইউৰোপৰ এক বৃহৎ তথা মুখ্য শক্তিত পৰিণত হয়।

- **মেট্টার্নিচ্চ আৰু ভিয়েনাৰ প্ৰতিনিধি সন্মিলন**

ভিয়েনা অধিবেশনত মেট্টার্নিচ্চে কাৰ্যবিৱৰণীৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লয়। ভিয়েনা কংগ্ৰেছত যিকোনো সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত মেট্টার্নিচ্চ প্ৰধান ভূমিকা লৈছিল। মেট্টার্নিচ্চে বিশ্বাস কিৰিছিল যে ইউৰোপত ৰাজনৈতিক স্থিৰতা আনিবলৈ হ'লে মূল শক্তিসমূহৰ মাজত ক্ষমতাৰ ভাৰসাম্যতা (Balance of Power) থাকিব লাগিব। মেট্টার্নিচ্চৰ উদ্দেশ্য আছিল ইউৰোপত ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষা কৰিবলৈ হ'লে শক্তিশালী ৰাষ্ট্ৰসমূহে স্ব-ইচ্ছাই তেওঁলোকৰ ৰাজ্য সম্প্ৰসাৰণৰ আগ্ৰহ প্ৰদৰ্শন কৰিব লাগিব। ভিয়েনা কংগ্ৰেছত প্ৰদৰ্শন কৰা শক্তিশালী ভূমিকাৰ বাবে অষ্ট্ৰিয়াই লোম্বাৰ্ডি আৰু ইটালীৰ ভেনেচিয়া নগৰ লাভ কৰে। মেট্টার্নিচ্চ মোডেনা, পার্মা আৰু টাছকেনিৰ সিংহাসনটো হোব্চবার্গ ৰাজবংশক অধিষ্ঠিত কৰিবলৈ সক্ষম হৈছিল। সেইবাবেই অষ্ট্ৰিয়া জার্মানীৰ জাতীয় সভাৰ (German Diet) ৰ নিয়ন্ত্ৰক হৈ পৰে আৰু অষ্ট্ৰিয়াৰ সন্মতি অবিহনে কোনো সিদ্ধান্ত লোৱাটো কঠিন হৈ পৰে। মেট্টার্নিচ্চে ভিয়েনাৰ শান্তি আলোচনা স্থায়ীকৰণৰ পোষকতা কৰিছিল। এই উদ্দেশ্য ৰাস্তবায়িত কৰিবলৈ অষ্ট্ৰিয়া, ইংলেণ্ড, প্ৰুছিয়াক লৈ এক চাৰিদেশীয় সন্মিলিত মিত্ৰ শক্তিৰ (Quadruple Alliance) ৰ জন্ম হয়। এই মুখ্য শক্তিসমূহে নির্দিষ্ট বিৰতিৰ অন্তৰে অন্তৰে লগ লাগি সমূহীয়া স্বার্থৰ লগত জড়িত বিষয়সমূহ আলোচনা কৰিব বুলি ভিয়েনা কংগ্ৰেছত সিদ্ধান্ত লোৱা হয়। এইদৰেই ক্লেমেন্চ ভন মেট্টার্নিচ্চে সমগ্ৰ ইউৰোপতে অষ্ট্ৰিয়াৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক–

প্ৰশ্ন নং ১ ঃ চিচ্টোভাৰ চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল?

.....

প্ৰশ্ন নং ২ ঃ ১৮০৯ চনত কোনে পৱিত্ৰ ৰোমান সাম্ৰাজ্যৰ অৱলুপ্তি ঘটাইছিল?

.....

প্ৰশ্ন নং ৩ ঃ অষ্ট্ৰিয়াৰ বৈদেশিক মন্ত্ৰীৰূপে মেট্টার্নিচ্চ কেতিয়া নিযুক্ত হৈছিল?

.....

প্ৰশ্ন নং ৪ ঃ ফৰাচী বিপ্লৱৰ সূচনা কোন চনত হৈছিল?

.....

১২.৩ মেট্টার্নিচ্চ ব্যৱস্থা

১৮১৫ খ্ৰী.ৰ পৰা ১৮৪৮ খ্ৰী. লৈ মেট্টার্নিচ্চ ইউৰোপৰ ৰাজনীতিত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল যাৰ বাবে উক্ত সময়খিনিক ইউৰোপৰ ইতিহাসত মেট্টার্নিচ্চৰ যুগ (The Age of Metternich) আখ্যা দিয়া হয়। ইউৰোপত বৃহৎ শক্তিসমূহৰ মাজত ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষাৰ ক্ষেত্ৰত ক্লেমেন্চ ভন মেট্টার্নিচ্চে মুখ্য ভূমিকা পালন কৰিছিল। পৰৱৰ্তী ত্ৰিশ বছৰত তেওঁ এই ভাৰসাম্যতা অক্ষুন্ন ৰাখিবলৈ নিষ্ঠাপূৰ্ণ চেষ্টা কৰিছিল। ভিয়েনা কংগ্ৰেছৰ পিছত ইউৰোপৰ বৃহৎ শক্তিসমূহে ইউৰোপীয় সংহতি (Concert of Europe) গঠন কৰে। ১৮১৮ খ্ৰীত এই শক্তিসমূহে প্ৰথমখন সভাত মিলিত হয়, যাক এই লা- চেপেল (Aix-la-Chapelle) অধিৱেশন বুলি জনা যায়। ইয়াতেই ফ্ৰান্সৰ স্থিতি, আটলান্টিকৰ দাস ব্যৱস্থা আৰু অন্যান্য বিষয় সম্পৰ্কে আলোচনা হয়। এই লা চেপেলৰ অধিবেশন ৰাছিয়াৰ জাৰ আলেকজেণ্ডাৰ প্ৰথমে আন্তঃ-ৰাষ্ট্ৰীয় সৈন্যবাহিনীৰ সৈতে এক স্থায়ী ইউৰোপীয় সংহতি স্থাপনৰ প্ৰস্তাৱ দিয়ে। কিন্তু ইংলেণ্ডৰ কেচেলৰেয়ে (Castlereagh) এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। ইয়েই ইউৰোপৰ বৃহৎ শক্তিসমূহৰ মাজত প্ৰথমবাৰৰ বাবে ভাঙোনৰ সৃষ্টি কৰে।

১৮২০ খ্ৰী.ৰ প্ৰথম ভাগত উদাৰ বিপ্লৱে স্পেইন আৰু নেপলচত অস্থিৰতা সৃষ্টি কৰে। বৈপ্লৱিক সৈন্যবাহিনীয়ে স্পেইনৰ ফার্ডিনান্দ সপ্তমক ১৮১২ খ্ৰী.ৰ উদাৰ সংবিধান অনুসৰি ৰাজত্ব কৰিবলৈ বাধ্য কৰে। ১৮১২ খ্ৰী.ত অনুষ্ঠিত হোৱা ভেৰ'নাৰ অধিৱেশনত ইউৰোপৰ মুখ্য শক্তিসমূহে বিপ্লৱৰ ফলত স্পেইনত চলি থকা অস্থিৰতাৰ বিষয়ে আলোচনা কৰে। অৱশ্যে ইংলেণ্ডে স্পেইনৰ আভ্যন্তৰীণ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সৈন্যবাহিনীৰ হস্তক্ষেপক অস্বীকাৰ কৰে। অষ্ট্ৰিয়াই ইংলেণ্ডৰ এনে সিদ্ধান্তৰ বিৰোধিতা কৰে আৰু বিপ্লৱিসকলক শাস্তি দিয়াৰ বাবে ফ্ৰান্সক ক্ষমতা অৰ্পণ কৰে। ক্লেমে্চ ভন মেট্টার্নিচ্চে ১৮২০ আৰু ১৮৩০ খ্ৰী.ৰ মাজৰ এই সময়ছোৱাত উদাৰ বৈপ্লৱিক সকলৰ যুদ্ধ অক্ষুন্ন ৰাখে। তেওঁৰ মতে, মধ্যবৃত্ত শ্ৰেণীৰ উদাৰবাদেই হ'ল মুক্ত বিপ্লৱ সূচনাৰ মুখ্য কাৰণ। মেট্টার্নিচ্চৰ নীতিসমূহে বৈপ্লৱিক কার্যসমূহক দমন কৰিবলৈ সক্ষম হৈছিল। ১৮৪৮ খ্ৰী.লৈ ইউৰোপত মেট্টার্নিচ্চ ব্যৱস্থা বৰ্তি থাকে আৰু ই সমগ্ৰ অষ্ট্ৰিয়া তথা জার্মান মিত্ৰজোঁটক পৰিচালনা কৰে।

● মেট্টার্নিচ্চ আৰু জার্মানী

অষ্ট্ৰিয়াৰ সাম্ৰাজ্যৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ মেট্টার্নিচ্চ জার্মান মিত্ৰজোঁট গঠন কৰিছিল। অষ্ট্ৰিয়াৰ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত ই আছিল একমাত্ৰ মিত্ৰজোঁট। কিন্তু ইয়াৰ স্থিতি আছিল দূৰ্বল। অষ্ট্ৰিয়াই প্ৰুছিয়ান সাম্ৰাজ্যৰ বিৰুদ্ধে জার্মান মিত্ৰজোঁট গঠন কৰা উনত্ৰিশখন

ৰাষ্ট্ৰক ব্যৱহাৰ কৰিব পাৰিছিল। সমগ্ৰ জাৰ্মানীতে কিছুমান গোপন সমাজ গঠন হোৱাটো মেট্টাৰ্নিচ্চৰ পৰিলক্ষিত হৈছিল। সেয়েহে তেওঁ এই সমাজসমূহৰ কাৰ্যত বাধা আৰোপ কৰিবলৈ চেষ্টা চলাইছিল। সেয়েহে ১৮১৯ চনত কাৰ্লচবাড জাননীৰ (Carlsbad Dcree) আদেশ দিয়া হয়। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ ৰাজ্যৰ নিয়ন্ত্ৰণত আহিছিল। ফলশ্ৰুতিত জাৰ্মানীত অশান্তি আৰু অস্থিৰতাই দেখা দিয়ে। কিন্তু মেট্টাৰ্নিচ্চইয়াক দমন কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে জাৰ্মান মিত্ৰজোঁটৰ আভ্যন্তৰীণ সম্পৰ্ক ভালদৰে বৰ্তাই ৰাখিবলৈ হ'লে অষ্ট্ৰিয়া আৰু প্ৰুছিয়াৰ মাজত সুন্দৰ বুজাবুজি অক্ষুণ্ণ ৰখাটো অত্যন্ত গুৰুত্বপূৰ্ণ আছিল। কিন্তু ইউৰোপত আধিপত্য বিস্তাৰৰ বাবে দুয়োপক্ষৰ মাজত তুমুল সংঘাতৰ সৃষ্টি হৈছিল। সেয়ে প্ৰফেছাৰ হেইজে কৈছে, "মেট্টাৰ্নিচ্চৰ জাৰ্মানী নিয়ন্ত্ৰণ সম্পূৰ্ণ হৈছিল"।

● মেট্টাৰ্নিচ্চ আৰু ইটালী

ৰাজকুমাৰ ক্লেমেনচ ভন মেট্টাৰ্নিচ্চৰ মতে ইটালী আছিল কেৱল এক ভৌগলিক প্ৰকাশ (Geographical expression)। ভিয়েনা কংগ্ৰেছেও মেট্টাৰ্নিচ্চৰ এই বক্তব্যক সমৰ্থন জনাইছিল। ইটালীৰ ৰাজ্যসমূহৰ মাজত শৃংখলা ৰক্ষাৰ দিশত অষ্ট্ৰিয়াই মুখ্য ভূমিকা লৈছিল। ইয়াৰ পৰিৱৰ্তে অষ্ট্ৰিয়াই লোম্বাৰডী আৰু ভেনিচৰ লেখীয়া চহকী ৰাজ্য লাভ কৰিছিল আৰু পাৰ্মা, মোডেনা আৰু টাছকেনিৰ সিংহাসনত পুনৰ অষ্ট্ৰিয়াৰ ৰাজপৰিয়ালৰ দখললৈ আনিছিল। এইদৰেই মেট্টাৰ্নিচ্চে ইটালীত অষ্ট্ৰিয়াৰ স্থিতি সুদৃঢ় কৰিছিল।

● মেট্টাৰ্নিচ্চ আৰু ফ্ৰান্স

নেপ'লিয়ন প্ৰথমৰ পতনৰ পিছত, মেট্টাৰ্নিচ্চে ফ্ৰান্সক এক 'লোৰ আঙুঠি' (Iron Ring) ৰ ভিতৰত আৱদ্ধ কৰিবলৈ চেষ্টা চলাইছিল। মেট্টাৰ্নিচ্চেৰ মতে ফ্ৰান্স হ'ল বৈপ্লৱিক ধ্যান ধাৰণাৰ উন্মেষণৰ মূল উৎস। সেয়ে ফ্ৰান্সক সাময়িকভাৱে দমন কৰিলেও ভৱিষ্যতে ই পুনৰ চিন্তাৰ কাৰণ হৈ উঠিব পাৰে। মেট্টাৰ্নিচ্চৰ মতে, "যেতিয়া ফ্ৰান্সে হাঁচিয়ায়, ইউৰোপৰ বাকী অংশই জ্বৰত ভোগে" সেয়ে ফ্ৰান্সক চতুদেশীয় সন্মিলনৰ (Quadrample Alliancs) সদস্যৰূপে গ্ৰহণ কৰা হৈছিল। ফ্ৰান্সত ১৮৩০ খ্ৰী.ত বিপ্লৱ সূচনা হোৱাৰ সময়ত মেট্টাৰ্নিচ্চ নিজৰ দেশতো তীব্ৰ ভাবুকিৰ সন্মুখীন হৈছিল।

● মেট্টাৰ্নিচ্চ আৰু প্ৰাচ্যৰ সমস্যা

১৮২১ খ্ৰী. ৰ পৰা ১৮৪১ খ্ৰী. লৈ এই দুই দশক জুৰি মেট্টাৰ্নিচ্চ সন্মুখীন হোৱা এক গুৰুত্বপূৰ্ণ ঘটনা আছিল প্ৰাচ্যৰ প্ৰশ্ন। ইপচিলান্তিচৰ নেতৃত্বত গ্ৰীকসকলে বিদ্ৰোহ ঘোষণা কৰিছিল। গ্ৰীকসকলে ৰাছিয়াৰ পৰা সহায় আশা কৰিছিল কিয়নো তুৰ্কীসকলে প্ৰাচ্যৰ জাতিসমূহৰ প্ৰতি কৰা নীতিক ৰাছিয়াই সমৰ্থন কৰা নাছিল কিন্তু মেট্টাৰ্নিচ্চ তুৰ্কীসকলৰ অ'টমান সাম্ৰাজ্যলৈ সমৰ্থন আগবঢ়াইছিল। তাৰোপৰি গ্ৰীকসকলে মোলডাভিয়াত কৰা বিদ্ৰোহ দমন কৰাত মেট্টাৰ্নিচ্চ বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁ ইপচিলান্তিচে অষ্ট্ৰিয়াত সাত বছৰৰ বাবে কাৰাবন্দী কৰিবলৈ সক্ষম হৈছিল। কিন্তু অৱশেষত এদ্ৰিয়ানপ'লৰ চুক্তিৰদ্বাৰা গ্ৰীচৰ স্বাধনতা প্ৰতিষ্ঠা হয়। গ্ৰীচৰ স্বাধনতাই ইউৰোপৰ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে জাতীয়তাবাদৰ বিজয়ক প্ৰদৰ্শন কৰে। ইয়াৰ ফলতে ইউৰোপৰ ৰাজনীতিত মেট্টাৰ্নিচ্চ ব্যৱস্থাকলৈ প্ৰশ্নৰ উত্থান হয়।

১২.৪ মেট্টার্নিচ্চ ব্যৱস্থাৰ পতন

১৮৪৮ খ্ৰী.ৰ বিদ্ৰোহৰ আৰম্ভণিৰ লগে লগে মেট্টার্নিচ্চ যুগৰো প্ৰায় অৱসান ঘটে। উল্লেখযোগ্য কথা এয়ে যে ১৮৪৮ খ্ৰী.ত ফ্ৰান্সত সূচনা হোৱা ফেব্ৰুৱাৰী বিদ্ৰোহে অষ্ট্ৰিয়াৰ হেব্চবাৰ্গ সাম্ৰাজ্যৰ অসন্তুষ্ট নগৰ সমুহত প্ৰভাব পেলাই। অষ্ট্ৰিয়াত এই বিদ্ৰোহৰ চালিকা শক্তি আছিল প্ৰধানতঃ কৃষকসকলে প্ৰকাশ কৰা অসন্তুষ্টি। কৃষকসকলে নিজকে সামন্ততান্ত্ৰিক ব্যৱস্থাৰ নিয়ন্ত্ৰণৰ পৰা মুক্ত কৰিব বিচাৰিছিল। পৰৱৰ্তী সময়ত অষ্ট্ৰিয়াৰ ৰাজধানী ভিয়েনাত এই সকল লোক একত্ৰিত হয়। ৰাজকুমাৰ ক্লেমে্চ ভন মেট্টার্নিচ্চ এই বিদ্ৰোহ দমনৰ চেষ্টা চলায় যদিও দেশৰ অৱস্থা অৱনতি ঘটিছিল। ফলত মেট্টার্নিচ্চক তেওঁৰ পদবীৰ পৰা সম্ৰাটে আব্যাহতি দিয়ে। মুঠতে, ১৮৪৮ খ্ৰী. ৰ বিদ্ৰোহে মেট্টার্নিচ্চৰ সমস্ত কৰ্মজীৱনৰ যৱনিকা পেলায়। অৱশ্যে মেট্টার্নিচ্চ ইংলেণ্ডলৈ অহাৰ সিদ্ধান্ত লয় আৰু জুন ১৮৫৯ খ্ৰী. লৈ তাতেই বাস কৰে। নিশ্চিতভাৱে, তেওঁ এজন কূটনীতিজ্ঞ আছিল।

● মেট্টার্নিচ্চ ব্যৱস্থাৰ বিফলতা

১৮১৫ খ্ৰী. ৰ পৰা ১৮৪৮ খ্ৰী. লৈ ইউৰোপৰ ৰাজনীতিক নিয়ন্ত্ৰণ কৰা আটাইতকৈ শক্তিশালী ব্যক্তিগৰাকী আছিল ক্লেমেন্চ ভন মেট্টার্নিচ্চ। কিন্তু কিছুসংখ্যক ইতিহাসবিদে তেওঁক সুবিধাবাদী বুলি আখ্যা দিব বিচাৰে। ৰাছিয়াৰ জাৰ আলেকজেণ্ডাৰ প্ৰথমে তেওঁক 'মিছলীয়া' বুলি সমালোচনা কৰিছল। মেট্টার্নিচ্চ ব্যৱস্থাৰ বিফলতাৰ কাৰণসমূহ আছিল—

(১) **অষ্ট্ৰিয়াৰ সাম্ৰাজ্যবাদৰ প্ৰচাৰ ঃ** অষ্ট্ৰিয়াৰ সাম্ৰাজ্যবাদ প্ৰচাৰ আছিল মেট্টার্নিচ্চ ব্যৱস্থাৰ এক চূড়ান্ত বিফলতা যাৰ ফলত ইউৰোপত এই সমগ্ৰ ব্যৱস্থা সম্পৰ্কত এক বিয়োগাত্মক প্ৰভাৱ পৰিছিল। এই জাতীয়াবাদৰ বিৰোধিতা কৰি ইউৰোপত অষ্ট্ৰিয়াৰ প্ৰভুত্ব বিস্তাৰ কৰিছিল। জাতীয়তাবাদৰ বিৰুদ্ধে মেট্টার্নিচ্চে গ্ৰহণ কৰা কঠোৰ নীতিৰ ফলত অষ্ট্ৰিয়াত জাতীয়তাবাদীসকলে ৰাজনৈতিক স্বাধীনতাৰ অভাৱ অনুভৱ কৰিছিল আৰু লগতে কাৰাবাস তথা নিৰ্যাতনৰ সন্মুখীন হৈছিল। সেয়েহে কোৱা হয় যে একনায়কত্ববাদৰ ক্ষেত্ৰত মেট্টার্নিচ্চ নেপ'লিয়ন প্ৰথমবেশ চেৰ পেলাইছিল। তদুপৰি, তেওঁ ইউৰোপত উদাৰতাবাদৰ ওপৰতো হেচাঁ প্ৰয়োগ কৰিছিল।

(২) **মেট্টার্নিচ্চৰ শোষণ আৰু দমন নীতি ঃ** অষ্ট্ৰিয়াৰ হেব্চবাৰ্গ সাম্ৰাজ্যত মেট্টার্নিচ্চে প্ৰজাসকলক অৰ্থনৈতিক ভাবে শোষণ কৰিছিল। ইউৰোপত নিজৰ শোষণৰ ৰাজত্ব সম্প্ৰসাৰণ কৰিবলৈ ক্লেমেনচ ভন মেট্টার্নিচ্চে এক শক্তিশালী সৈন্যবাহিনী গঠন কৰিছিল আৰু সেয়ে তেওঁ বলপূৰ্বকভাৱে সৈন্যবাহিনীৰ সৈন্য নামভুক্ত কৰিছিল। তাৰোপৰি শাসনব্যস্থা নিয়াৰিকৈ চলাবলৈ মেট্টার্নিচ্চে বিভিন্ন কৰ আৰোপ কৰিছিল। ইয়াৰ ফলত সাধাৰণ জনতাৰ অৰ্থনৈতিক সংকট, দাৰিদ্ৰতা তথা নিম্ন মানদণ্ডৰ জীৱনশৈলীৰ সন্মুখীন হৈছিল। অৱশেষত সাধাৰণ জনতাৰ এই শোচনীয় তথা অস্থিৰ অৰ্থনৈতিক অৱস্থাই ১৮৪৮ খ্ৰী.ত বিদ্ৰোহৰ সূচনা হোৱাত অৱদান যোগাইছিল।

(৩) **ইউৰোপত বিদ্রোহৰ বিস্তৃতি** ঃ মেট্টার্নিচ্চৰ নীতিসমূহেই আছিল ইউৰোপত বিদ্রোহ আৰু বিদ্রোহী ধাৰণাৰ জন্ম হোৱাৰ বাবে দায়ী কিন্তু এই বৈপ্লৱিক কার্যসমূহ সম্পূর্ণভাৱে দমন কৰাত মেট্টার্নিচ্চ বিফল হৈছিল। সেয়ে ১৮৪৮ খ্ৰী.ৰ বিদ্রোহে মেট্টার্নিচ্চক বাহিৰ কৰি দিয়া হৈছিল আৰু তেওঁ ইংলেণ্ডলৈ দেশান্তৰ কৰা হৈছিল।

(৪) **মেট্টার্নিচ্চৰ শিক্ষা নীতি** ঃ মেট্টার্নিচ্চৰ শিক্ষা ব্যৱস্থা আছিল মানুহৰ জ্ঞান-বুদ্ধিৰ প্রতি এক অপমানস্বৰূপ। তেওঁৰ শিক্ষানীতি সমূহৰ বাবেই তেওঁ বিদ্বানসমাজত অপ্রিয়জন হৈছিল। মেট্টার্নিচ্চ বৈপ্লৱিক বিষয়সমূহৰ শিক্ষাৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছিল আৰু ছাত্র আৰু শিক্ষকক শিক্ষাৰ স্বাধীনতাৰ পৰা দূৰ কৰিছিল। মেট্টার্নিচ্চ এই পদক্ষেপসমূহে প্রতি বদ্ধকতাৰ সৃষ্টি কৰিছিল আৰু অৱশেষত ১৮৪৮ খ্ৰী.ৰ বিদ্রোহত তেওঁৰ কর্মজীৱনৰ অন্ত পৰিছিল। উল্লেখযোগ্য যে ১৮৪৮ খ্ৰী.ৰ বিদ্রোহৰ মূল চালিকা শক্তি আছিল অষ্ট্রিয়ান বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু ছাত্র-ছাত্রীসকল।

(৫) **ধর্মীয় অসহিষ্ণুতা** ঃ মেট্টার্নিচ্চ প্রাচীন কালৰ লেখীয়াকৈ ধর্মীয় অসহিষ্ণুতাক আকৌ আৰোপ কৰিছিল। তেওঁ কেথলিকসকলৰ আদর্শক পুনৰোদ্ধাৰ কৰি কেথলিক ধর্মক ৰাষ্ট্রীয় ধর্মৰূপে প্রতিষ্ঠা কৰিছিল। যিহেতু অষ্ট্রিয়াৰ সাম্রাজ্যত বিভিন্ন ধর্মাৱলম্বী লোকৰ বাসস্থান আছিল। মেট্টার্নিচ্চ কেথ'লিক ধর্মৰ প্রতি প্রদর্শন কৰা আনুগত্যই অন্য ধর্মীয় লোকসকলক অসন্তুষ্টি কৰিছিল।

(৬) **প্রশাসনিক ব্যৱস্থাৰ দূর্বলতা** ঃ সম্রাট ফ্রান্সিছ প্রথমক উৎসাহিত কৰি প্রশাসনিক ব্যৱস্থালৈ সংস্কাৰ আনাৰ ক্ষেত্রত ৰাজকুমাৰ মেট্টার্নিচ্চ বিফল হৈছিল। অষ্ট্রিয়াত কেন্দ্রীভূত প্রশাসনিক ব্যৱস্থাৰ প্রচলন নাছিল। সেয়েহে, বিপ্লৱ আৰু বৈপ্লৱিক চিন্তা-চেতনাৰ ওপৰত বাধা নিক্ষেপ কৰাটো কঠিন হৈ পৰিছিল আৰু এই বৈপ্লৱিক চিন্তাৰ পোনপটীয়া প্রতিফলন আছিল ১৮৪৮ খ্ৰী.ৰ বিদ্রোহ।

(৭) **কংগ্রেছ ব্যৱস্থাৰ পতন** ঃ মেট্টার্নিচ্চক কংগ্রছ ব্যৱস্থাৰ পিতৃ আখ্যা দিয়া হয়। কিন্তু দুর্ভাগ্যৰ কথা এয়ে যে মেট্টার্নিচ্চৰ হাততেই তেওঁৰ সন্তানৰ মৃত্যু হৈছিল। মেট্টার্নিচ্চ নিজৰ ক্ষুদ্র স্বার্থ পূৰণৰ উদ্দেশ্যে ব্রিটেইন, ফ্রান্স, বেলজিয়ামৰ দৰে উদাৰ ৰাজতন্ত্রক বিদ্বেষী কৰিছিল। তেওঁৰ এই নীতিসমূহ পিছলৈ সমস্যাৰ সৃষ্টি কৰিছিল আৰু অৱশেষত ১৮৪৮ খ্ৰী.ত কংগ্রেছ ব্যৱস্থাৰ পতন হয়।

১২.৫ পৰিণাম

১৮১৫ খ্ৰী. ৰ পৰা ১৮৪৮ খ্ৰী.লৈ ইউৰোপৰ ৰাজনৈতিক ইতিহাসত মেট্টার্নিচ্চ আছিল এগৰাকী শক্তিশালী, ক্ষমতাশালী আৰু সফল ব্যক্তিত্ব। সেয়ে এই সময়ছোৱাক ইউৰোপৰ ইতিহাসত 'মেট্টার্নিচ্চৰ যুগ' আখ্যা দিয়া হয় আৰু মেট্টার্নিচ্চ কোৱা হয় 'ইউৰোপৰ প্রশিক্ষক'। তেওঁৰ ৰাজনৈতিক কার্যসমূহক পর্যবেক্ষণ কৰি নিম্নলিখিত ফলাফলসমূহত উপনীত হ'ব পাৰি।

- ইউৰোপৰ মানচিত্র পুনৰ অংকন আছিল মেট্টার্নিচ্চ যুগৰ অন্যতম ফলাফল। ফ্রান্সৰ

নেপ'লিয়ন প্ৰথমৰ পতনৰ ক্ষেত্ৰত মেট্টার্নিচ্চ উল্লেখযোগ্য অৱদান আগবঢ়াইছিল। নেপ'লিয়নক যুগৰ অৱসানৰ পিছত মেট্টার্নিচ্চে সমগ্ৰ ইউৰোপ মহাদেশকে পুনৰ সংগঠিত কৰিছিল। তেওঁ ফ্ৰান্সৰ সীমাৰ বিস্তৃতি কমাই স্থায়ী সীমা নিষেধাজ্ঞা আৰোপ কৰিছিল।

- ভাৰসাম্যতাৰ পূণৰ স্থাপনৰ হেতু ভিয়না সন্মিলনত মেট্টার্নিচ্চে বিবাদমূলক অঞ্চলসমূহ এনেদৰে বিভাজিত কৰিছিল যাৰ দ্বাৰা কোনো এক ৰাস্ত্ৰ এক শক্তিশালী ৰূপ ল'ব নোৱাৰে।
- মেট্টার্নিচ্চ যুগৰ অন্য এক ফলাফল আছিল ইউৰোপত অষ্ট্ৰিয়াৰ আধিপত্য আৰু সাম্ৰাজ্যবাদৰ বিস্তাৰ। মেট্টার্নিচ্চ ইউৰোপত অষ্ট্ৰিয়াৰ সাম্ৰাজ্যবাদ প্ৰতিষ্ঠা কৰিছিল। অষ্ট্ৰিয়াৰ সাম্ৰাজ্যবাদ বিস্তাৰ কৰিবলৈ তেওঁ ভিয়েনা কংগ্ৰেছক ব্যৱহাৰ কৰিছিল। এইদৰেই মেট্টার্নিচ্চ অষ্ট্ৰিয়াৰ সাম্ৰাজ্য গঠনৰ খ্যাতি লাভ কৰিছিল।
- ইউৰোপত শান্তি স্থাপন আৰু ইউৰোপত ভাৰসাম্যতা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত মেৰ্ট্টার্নিচ্চ ব্যস্ত হৈ পৰিছিল। ইউৰোপত বিদ্ৰোহ দমনত তেওঁ আগভাগ লৈছিল। ১৮৪৮ খ্ৰী. লৈ বিভিন্ন ধৰ্মীয় ভাষিক তথা গোষ্ঠীৰ বাসভূমি অষ্ট্ৰিয়াত ঐক্য প্ৰতিষ্ঠাত মেট্টার্নিচ্চ সফল হৈছিল।

- **মেট্টার্নিচ্চৰ পতনৰ পৰৱৰ্তীসময়ত অষ্ট্ৰিয়াৰ পতন (১৮৪৮-১৮৭৮) ঃ**

মেট্টার্নিচ্চ যুগৰ অৱসানৰ পিছতে অষ্ট্ৰিয়াৰ অৱস্থা যথেষ্ট শোচনীয় হৈ পৰে আৰু সমগ্ৰ দেশতে ৰাজনৈতিক অশান্তি আৰু অস্থিৰতাই গা কৰি উঠে। অষ্ট্ৰিয়াৰ বহুতো জাতিৰ মাজত জাতীয়তাবাদৰ ধাৰণাই প্ৰসাৰতা লাভ কৰে আৰু তেওঁলোকে নিজৰ অধিকাৰ ৰক্ষা আৰু স্বাধীনতা লাভৰ ইচ্ছা প্ৰকাশ কৰে। ১৮৪৮ খ্ৰী. ত হাংগেৰীয়াৰ নেতা লুইচ কোচুথে স্বাধীনতাৰ হকে মোখিক আন্দোলন আৰম্ভ কৰে। কোচুথে সামন্ততান্ত্ৰিক শাসন প্ৰত্যাখ্যান কৰিছিল আৰু সামাজিক সমস্থিতি প্ৰতিষ্ঠাত গুৰুত্ব দিছিল কিন্তু ৰাছিয়াৰ সৈন্যবাহিনীৰ সমৰ্থন লৈ অষ্ট্ৰিয়াই হাংগেৰীয়া স্বাধীনতা আন্দোলন সফলতাৰে দমন কৰিবলৈ সক্ষম হৈছিল। এই বিপ্লৱৰ পিছত কোচুথক নিৰ্বাসন দিয়া হৈছিল। যদিও কোচুথৰ নেতৃত্বত চলা এই বিপ্লৱ বিফল হৈছিল তৎসত্বেও এই বিপ্লৱে অষ্ট্ৰিয়াত এক প্ৰকাৰৰ অস্থিৰতা সৃষ্টিত সফল হৈছিল। হাংঙেগৰীয়া মধ্যম শ্ৰেণীৰ লোকসকলেও এক স্বাধীনতা প্ৰাপ্তিৰ বাবে এক পৰিৱৰ্তনৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। এই সমস্যা সমাধানৰ বাবে তেওঁলোকে শান্তিপূৰ্ণ আলোচনাৰ পোষকতা কৰিছিল। তেওঁলোকে এক বিশেষ ব্যৱস্থাৰ সূচনা কৰিছিল, যাক আউচগ্ৰেইচ (Ausgleich) বুলি কোৱা হয়। আউচগ্ৰেইচ নিষ্পত্তি অথবা 'মীমাংসা'। ১৮৬৭ খ্ৰী. ত হাংগেৰীয়ে পৃথক সংসদ লাভ কৰে আৰু সেয়ে অষ্ট্ৰিয়াৰ সম্ৰাট ফ্ৰান্সিছ যোছেফে অষ্ট্ৰিয়াৰ সম্ৰাট আৰু হাংগেৰীৰ ৰজা হিচাপে দ্বৈত উপাধি লাভ কৰে। তেওঁৰ নতু ৰাজ্যই অষ্ট্ৰিয়া - হাংগেৰীয়া বুলি চিনাকী লাভ কৰে। হাংগেৰীয়া লগত সমস্যাৰ নিষ্পত্তি হোৱাৰ পিছত অষ্ট্ৰিয়াই প্ৰুছিয়াৰ সৈতে সংঘাতত অৱতীৰ্ণ হয়। অৱশ্যে ১৮৬৬ খ্ৰী. ত বিখ্যাত সাত সপ্তাহৰ যুদ্ধত প্ৰুচিয়াই বিজয় সাব্যস্ত কৰে আৰু ইয়াৰ ফলশ্ৰুতিতে জামানীৰ ঐক্য সম্ভৱ হয়। উল্লেখযোগ্য যে ১৮৭১ খ্ৰী.ত সম্ভৱ হোৱা জার্মানীৰ ঐক্যৰ ফলত পশ্চিম ইউৰোপত অষ্ট্ৰিয়াৰ হেব্চবার্গ সাম্ৰাজ্যৰ গুৰুত্ব ক্ৰমাৎ কমি যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ফ্রান্সৰ নেপ'লিয়ন প্রথমৰ সৈতে বিবাহ পাশত আৱদ্ধ হোৱা অষ্ট্রিয়াৰ ৰাজকুমাৰী গৰাকীৰ নাম কি?

.....

প্রশ্ন নং ৬ ঃ প্রেছবার্গ চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল?

.....

প্রশ্ন নং ৭ ঃ ৰাটাৰলুৰ যুদ্ধ কেতিয়া সংঘটিত হৈছিল?

.....

প্রশ্ন নং ৮ ঃ ভিয়েনা কংগ্রেছৰ সভাপতি কোন আছিল?

.....



১২.৬ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

এই অধ্যায়টি অধ্যায়ন কৰি আপুনি জানিব পাৰিলে যে-------

- মেট্টার্নিচ্চ আছিল ইউৰোপীয় ৰাজনীতিত এগাৰকী অন্যতম শক্তিশালী কূটনীতিবিদ। অষ্টিৰয়াৰ বৈদেশিক মন্ত্রীৰূপে তেওঁ ১৮০৯ খ্রী. ৰ পৰা ১৮৪৮ খ্রী.লৈ সেৱা আগবঢ়াইছিল আৰু অষ্ট্রিয়া সাম্রাজ্যৰ অধিকাৰক প্রতিনিধিত্ব কৰিছিল।
- ভিয়েনাত মেট্টার্নিচ্চ ক্ষমতাৰ ভাৰসাম্যতাৰ ওপৰত ভিত্তি কৰি এক বিশেষ ব্যৱস্থাৰ প্রতিষ্ঠা কৰিছিল। অৱশ্যে এই ব্যৱস্থাত ইউৰোপৰ মুখ্য শক্তিসমূহক আগ্রহকে অগ্রাধিকাৰ দিয়া হৈছিল। মেট্টার্নিচ্চ মতে,"ইউৰোপীয় ৰাজনীতিৰ সুস্থিৰতা ক্ষমতাৰ ভাৰসাম্যতাৰ ওপৰত নির্ভৰ কৰে"।
- ১৮৭৮ খ্রী. ৰ আগলৈ ইউৰোপৰ ৰাজনীতিক অষ্ট্রিয়াই নিয়ন্ত্রণ কৰিছিল। ঊনৱিংশ শতিকাত অষ্ট্রিয়াৰ সাম্রাজ্যই ইউৰোপৰ ৰাজনীতিত প্রভাৰ পেলাইছিল। হেবচবার্গ পৰিয়ালৰ সুৰক্ষা আৰু প্রধান্যতা ৰক্ষা কৰিবলৈ সক্ষম হৈছিল মেট্টার্নিচ্চ।



১২.৭ অধিক জানিবলৈ

1) Breunig, Charles and Levinger, Matthew (2002). *The Revolutionary Era* : 1789-1850. New York, NY : WW Norton & Co.

2) Crankshaw, Edward. (1963). *The Fall of the House of Habsburg.* New York, NY : Viking.

3) Sen, S. Nath. (2013). *Europe and the World : From the Renissance to the Second World War.* London, UK : NCBA

১২.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ১৭৯১

২ নং প্ৰশ্নৰ উত্তৰ ঃ অষ্ট্ৰিয়া সাম্ৰাজ্যৰ ফ্ৰান্সিছ প্ৰথম

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮০৯

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১৭৮৯

৫ নং প্ৰশ্নৰ উত্তৰ ঃ মাৰিয়া

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮০৫

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮ জুন, ১৮১৫

৮ নং প্ৰশ্নৰ উত্তৰ ঃ মেট্টাৰ্নিচ্চ

১২.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো উত্তৰ ৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ হেব্চবাৰ্গ ৰাজবংশৰ কোনগৰাকী সম্ৰাটে দাসত্ব প্ৰথাৰ অৱলুপ্তি ঘটাইছিল ?

প্ৰশ্ন ২ ঃ এই-লা-চেপেলৰ অধিৱেশন কেতিয়া অনুষ্ঠিত হৈছিল ?

প্ৰশ্ন ৩ ঃ ফাৰ্ডিনান্দ সপ্তম কোন আছিল ?

প্ৰশ্ন ৪ ঃ ক্লেমেন্চ ভন মেট্টাৰ্নিচ্চৰ কেতিয়া মৃত্যু হৈছিল ?

প্ৰশ্ন ৫ ঃ ভিয়েনা কংগ্ৰেছৰ সময়ত ৰাছিয়াৰ জাৰ কোন আছিল ?

(খ) চমু প্ৰশ্ন (প্ৰতিটো উত্তৰ ১৫০টা শব্দৰ ভিতৰত)

চমুটোকা লিখকঃ

প্ৰশ্ন ১ ঃ মেট্টাৰ্নিচ্চ

প্ৰশ্ন ২ ঃ ভিয়েনা কংগ্ৰেছত ‘পাঁচ বৃহৎ শক্তিৰ’ ভূমিকা

প্ৰশ্ন ৩ ঃ মেট্টার্নিচ্চ ব্যৱস্থা আৰু ইউৰোপ

প্ৰশ্ন ৪ ঃ মেট্টার্নিচ্চ আৰু প্ৰাচ্যৰ সমস্যা

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ১৮৫৭ খ্ৰী. লৈ অষ্ট্ৰিয়াৰ হেব্চবাৰ্গ সাম্ৰাজ্যৰ উত্থান আৰু পতনৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন ২ ঃ ১৭৯০ - ১৮৪৮ খ্ৰী. লৈ অষ্ট্ৰিয়া সাম্ৰাজ্যৰ মুখ্য ঘটনাৱলীৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ মেট্টার্নিচ্চ ব্যৱস্থা সম্পৰ্কে এটি সমালোচনাত্মক টোকা লিখক। অষ্ট্ৰিয়া সাম্ৰাজ্যৰ পতনৰ বাবে আপুনি মেট্টার্নিচ্চ ব্যৱস্থাক দোষী বুলি ভাবেনে?

প্ৰশ্ন ৫ ঃ মেট্টার্নিচ্চ ব্যৱস্থাৰ ফলাফল আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ প্রাচ্যৰ সমস্যা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ বাল্কান সমস্যাৰ উদ্ভৱ
১৩.৪ মধ্য প্রাচ্যৰ প্রতি ইউৰোপীয় দৃষ্টিভংগী
১৩.৫ চান ষ্টিফেনো সন্ধি
১৩.৬ বার্লিন কংগ্রেছ
১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৮ অধিক জানিবলৈ
১৩.৯ অগ্রগতিৰ খতিয়ান
১৩.১০ আৰ্হি প্রশ্ন

১৩.১ শিকনৰ লক্ষ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রাচ্যৰ সমস্যা আৰু ইয়াৰ পটভূমিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- প্রাচ্যৰ সমস্যাৰ প্রতি ইউৰোপীয় শক্তিসমূহৰ মাজত থকা বিবাদৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ইউৰোপীয় শক্তিসমূহৰ প্রাচ্যৰ সমস্যাৰ প্রতি থকা দৃষ্টিভংগীৰ ফলস্বৰূপৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি অষ্ট্রীয়াৰ আধিপত্য আৰু অষ্ট্রীয়াৰ উত্থানত মেট্টার্নিচ্চৰ ভুমিকাৰ বিষয়ে আলোচনা কৰিছিলো।

এই অধ্যায়টোৱে প্রাচ্যৰ সামগ্রিক সমস্যাৱলীৰ সৈতে আপোনাৰ পৰিচয় কৰাব। প্রাচ্যৰ সমস্যাৰ সংজ্ঞা আৰু পটভূমি সম্পর্কে এক সম্যক ধাৰণা আপুনি লাভ কৰিব। পূৰ্বীয় দেশসমূহৰ ব্যাপক উন্নয়ন আৰু তাৰ প্রতি বৃহৎ ইউৰোপীয় শক্তিৰ দৃষ্টিভংগী সম্পর্কে অধ্যায়টি জানিব পাৰিব।

১৩.৩ বাল্কান সমস্যাৰ উদ্ভৱ

ঊনবিংশ শতিকাত ইউৰোপৰ তুৰ্কী সাম্রাজ্যত অন্তর্ভুক্ত আছিল যাক এতিয়া বাল্কান

উপদ্বীপ হিচাপে জনা যায়। বাল্কান শব্দটো তুৰ্কী ভাষাৰ পৰা আহিছে, যাৰ অৰ্থ হ'ল পাহাৰ। এই শব্দটো ৰাজনৈতিক ভূখণ্ডক বুজাবলৈ ব্যৱহাৰ কৰা হয় যি ডানুবে আৰু এজিয়ান সমুদ্ৰৰ মাজৰ পাহাৰীয়া দেশসমূহৰ ক্ষেত্ৰত প্ৰযোজ্য। প্ৰাক্-ঐতিহাসিক সময়ৰ পৰা এই অঞ্চল আছিল বিভিন্ন জাতি- উপজাতিৰ মিলনস্থলী। এই অঞ্চলত বাস কৰা বিভিন্ন জাতি- উপজাতিৰ সমূহ হ'ল- গ্ৰীক, চাৰ্ব, বুলগাৰ আৰু আলবেনীয়সকল। বাল্কানৰ অধিবাসী সকল অধিক সংখ্যক খৃষ্টানধৰ্মী আছিল, সেই সময়ত তুৰ্কীয় সামন্ত প্ৰভুসকলে ইছলামীয় সংখ্যালঘু একাংশ অন্তৰ্ভুক্ত কৰিছিল। বাল্কান অঞ্চলৰ তুৰ্কীসকলে তাত বাস কৰা ভিন্ন জনগোষ্ঠীৰ লোকসকলক একেটা ৰাজনৈতিক দলৰ মাজলৈ আনিবলৈ কেতিয়াও চেষ্টা কৰা নাছিল। সেয়েহে বহু বছৰলৈকে এই অঞ্চলত মুছলমানে খ্ৰীষ্টানৰ ওপৰত ৰাজত্ব চলাইছিল। কিন্তু তুৰ্কীয় শাসন অসমৰ্থ আৰু অৱদমিত আছিল।

ঊনবিংশ শতিকাত জাতীয়তাবাদৰ ধাৰণাই বাল্কান উপদ্বীপক স্পৰ্শ কৰিছিল আৰু তুৰ্কীয় ৰাজত্বত খৃষ্টানধৰ্মী লোকসকল অস্থিৰ হৈ উঠিছিল। তেওঁলোকে তুৰ্কীয় বন্ধনৰ পৰা স্বাধীন হ'বলৈ বিচাৰিছিল। ফলস্বৰূপে বাল্কান অঞ্চলত যুদ্ধ আৰু অত্যাচাৰ চিৰস্থায়ী হৈ পৰিছিল। ইতিমধ্যে কুখ্যাত তুৰ্কী শাসনে বহুতো বৈদেশিক শক্তিক পূৰ্বীয় বিষয়ৰ প্ৰতি আকৰ্ষিত কৰিছিল। ৰাছিয়াই তীব্ৰভাৱে কৃষ্ণসাগৰ (Black Sea)নিয়ন্ত্ৰণ আৰু (Straits) সংকীৰ্ণ জলপথ অতিক্ৰম কৰি ভূমধ্য সাগৰীয় অঞ্চল হস্তগত কৰিব বিচাৰিছিল। যি কি নহওক, ৰাছিয়াৰ অতিৰঞ্জিত কাৰ্যই নিশ্চিতভাৱে ভাৰসাম্যহীন অৱস্থালৈ লৈ যোৱাৰ আশংকাই অন্য ইউৰোপীয় দেশসমূহক বাল্কানৰ প্ৰতি আকৰ্ষিত কৰিছিল। বাল্কান জনসাধাৰণৰ স্বাধীনতাৰ যুদ্ধ ঊনবিংশ শতিকাৰ প্ৰথম দশকত আৰম্ভ হৈছিল আৰু বিংশ শতিকাৰ তৃতীয় দশকলৈ চলিছিল। এনেদৰে ইউৰোপৰ বুৰঞ্জীত এক সুদীৰ্ঘ ৰক্তাক্ত, বিশৃংখল তথা বীৰত্বব্যঞ্জক অধ্যায়ৰ আৰম্ভণি ঘটিছিল।

তুৰ্কী, এচীয় ইছলামীয় প্ৰজাতিয়ে চতুৰ্দশ আৰু পঞ্চদশ শতিকাত দক্ষিণ পূৰ্বী ইউৰোপ জয় কৰিছিল আৰু বিভিন্ন জনগোষ্ঠীক পৰাজিত কৰিছিল। ১৪৫৩ চনত তুৰ্কীয়ে ইস্তানবুল (Constantinople) দখল কৰিছিল আৰু বিস্তাৰ কৰিবলৈ লৈছিল, পৰৱৰ্তী দুটা শতিকাজুৰি তেওঁলোকৰ প্ৰতিপত্তি ইউৰোপৰ দক্ষিণ পশ্চিম অঞ্চল আৰু আফ্ৰিকা মহাদেশৰ উত্তৰ উপকূললৈ বিস্তাৰ হৈছিল। অষ্ট্ৰিয়া আৰু তেওঁলোকৰ মাজত থকা ভূখণ্ড তেওঁলোকে জয় কৰিছিল। ষোড়শ শতিকাৰ মাজভাগত চুলতান চুলেইমানৰ নেতৃত্বত তেওঁলোকে হাংগেৰী আক্ৰমণ কৰিছিল আৰু ভিয়েনাক আক্ৰমন কৰিছিল। পবিত্ৰ ৰোমান সাম্ৰাজ্যই প্ৰুচিয়াৰ সহযোগিতাৰে তুৰ্কীক পৰাস্ত কৰিছিল আৰু ভিয়েনাৰ পৰা তেওঁলোকক খেদি পঠিয়াইছিল। সপ্তদশ শতিকাৰ শেষভাগলৈকে তুৰ্কীয়ে পবিত্ৰ ৰোমান সাম্ৰাজ্যক ভাবুকি দি আছিল। সপ্তদশ শতিকাৰ শেষৰ ফালে তুৰ্কী সাম্ৰাজ্যই বহুবাৰ পৰাজিত হৈছিল যিয়ে তুৰ্কী সাম্ৰাজ্যক পতনমুখী কৰিছিল।

বাল্কান উপদ্বীপ, যিয়ে এটা সময়ত পূৰ্ব ৰোমান সাম্ৰাজ্যৰ একাংশ ভাগ আছিল, তুৰ্কী সাম্ৰাজ্যৰ সম্পূৰ্ণ অংশ হৈ থাকিল। মহম্মদীয় শাসকৰ দ্বাৰা খ্ৰীষ্টানসকল দাৰুণভাৱে নিপীড়িত হৈ আছিল। মহম্মদীয় শাসকৰ তলত বহু বছৰ ধৰি এই খ্ৰীষ্টান লোকসকলে উৎপীড়নৰ ভয়ত কটাইছিল। বিদ্ৰোহ কৰিবলৈ সুৰুঙা বিচাৰি তেওঁলোকে সকলো অত্যাচাৰ সহ্য কৰিছিল। ঊনবিংশ

শতিকাত ইউৰোপৰ পশ্চিম অঞ্চলত ব্যাপক ৰূপ লোৱা জাতীয়তাবাদ আৰু স্বাধীনতাৰ ঢৌৰ লগে লগে তেওঁলোকৰ সন্মুখলৈ আপোনা-আপুনি এই সুযোগে আহি ধৰা দিলে। তুৰ্কী চুলতানসকলৰ একনায়কত্বৰ পৰা নিজকে মুক্ত কৰিবলৈ খ্ৰীষ্টান সকলে হাতত অস্ত্ৰ তুলি লৈছিল।

যিসকল প্ৰতিনিধিয়ে ১৮১৫ চনৰ ভিয়েনাৰ অধিৱেশনত মিলিত হৈছিল, তেওঁলোকে তুৰ্কী সাম্ৰাজ্যৰ খ্ৰীষ্টান লোকসকলৰ আকাংক্ষা বুজিবলৈ ব্যৰ্থ হৈছিল আৰু শান্তি সংস্থাপক সকলে তুৰ্কিৰ ৰাষ্ট্ৰীয় সাৰ্বভৌমত্বক অশান্ত নকৰিবলৈ সিদ্ধান্ত হৈছিল। পৰৱৰ্তী সময়ৰ অন্য এখন অধিৱেশনত সম্ৰাট নিকোলাচে তুৰ্কী সাম্ৰাজ্যক 'ইউৰোপৰ বেমাৰী মানুহ' আখ্যা দিছিল। সম্ৰাট পীটাৰৰ সময়ছোৱাৰ পৰা ৰাছিয়াই তুৰ্কী সাম্ৰাজ্যৰ পতন ঘটাবলৈ বিচাৰিছিল আৰু তাৰ বাবে তেওঁলোকে সুযোগৰ সন্ধান কৰিছিল। তথাপি, অন্য ইউৰোপীয় শক্তি বিশেষকৈ বৃটেইন আৰু ফ্ৰান্সে ৰাছিয়াৰ প্ৰচেষ্টাৰ প্ৰতিৰোধ কৰিছিল। তেওঁলোকে ইউৰোপত শক্তিৰ সু-সামঞ্জস্য বজাই ৰাখিবলৈ বিচাৰিছিল। ৰাছিয়াই দক্ষিণ এচিয়ালৈ আধিপত্য বিস্তাৰ কৰিবলৈ বিচৰা বিষয়টো লৈ বৃটেইন চিন্তিত হৈছিল।

তিনিটা দিশে সেইসময়ত প্ৰভাৱ বিস্তাৰ কৰিছিল, যাক প্ৰাচ্যৰ সমস্যা বুলি কোৱা হয়। সেয়া হ'ল-

- তুৰ্কী (Ottoman) সাম্ৰাজ্যৰ পতন।
- বল্কানত তুৰ্কী সম্ৰাটৰ বিৰুদ্ধে খৃষ্টান জনগোষ্ঠীৰ উত্থান।
- বৃহৎ শক্তিসমূহৰ দ্বন্দ্বাত্মক উচ্চাকাংক্ষা আৰু তেওঁলোকৰ ষড়যন্ত্ৰ।



জানি থোৱা ভাল

ভিয়েনাৰ অধিৱেশন (১৮১৪-১৫) খন এনে এক সভা আছিল, যিখন ১৮১৪ চনত নেপোলিয়নে পৰাজয় বৰণ কৰাৰ পিছত অনতিপলমে ইউৰোপৰ ৰাষ্ট্ৰীয় পুনৰ সমন্বয় সাধনৰ সিদ্ধান্ত লোৱাৰ বাবে অনুষ্ঠিত কৰা হৈছিল। তুৰ্কীৰ বাহিৰে সকলোবোৰ ইউৰোপীয় ৰাজ্যই এই অধিৱেশনত অংশগ্ৰহণ কৰিছিল। কিন্তু ইংলেণ্ড, ৰাছিয়া, অষ্ট্ৰিয়া আৰু প্ৰুছিয়াইহে প্ৰধানভাৱে সিদ্ধান্ত লৈছিল। অষ্ট্ৰিয়াৰ প্ৰধানমন্ত্ৰী মেট্টাৰনিচে এই অধিৱেশনত সভাপতিত্ব কৰিছিল। অধিৱেশনৰ সম্পাদক গেন্টজে ইয়াক "বিজিত লাভৰ বিতৰণৰ বাবে বিজেতাৰ সভা" বুলি অভিহিত কৰিছে। তুৰ্কীৰ শঙ্কাসমূহৰ কোনো ব্যৱস্থা লোৱা হোৱা নাছিল আৰু তেতিয়া ই ৰাছিয়াৰ আভ্যন্তৰীণ বিষয় হিচাপে বিবেচিত হৈছিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ লিখক —

প্রশ্ন নং ১ ঃ তুৰ্কী শব্দ 'বস্কান' বুলিলে কি বুজায়?

.....

প্রশ্ন নং ২ ঃ কোন চনত তুৰ্কীয়ে ইস্তানবল অধিকাৰ কৰিছিল?

.....

১৩.৪ মধ্য প্রাচ্যৰ প্রতি ইউৰোপীয় দৃষ্টিভঙ্গী

ইউৰোপৰ কূটনৈতিক ইতিহাসত প্রাচ্যৰ সমস্যাই এক গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। ইউৰোপৰ প্রতিটো বৃহৎ শক্তিৰেই প্রাচ্যৰ সমস্যাৰ প্রতি এক আকৰ্ষণ আৰু ৰাজনৈতিক উচ্চাকাংক্ষা এটি আছিল। আমি এতিয়া বৃহৎ ইউৰোপীয় শক্তিসমূহৰ প্রাচ্যৰ সমস্যাৰ প্রতি থকা দৃষ্টিভংগী সম্পৰ্কে আলোচনা কৰিম।

● **ৰাছিয়া** -

মহান পিটাৰৰ দিনৰ পৰা ১৯১৪ চনৰ যুদ্ধলৈ ৰাছিয়াৰ উচ্চাভিলাসত তুৰ্কীৰ বিষয়টো প্রাচ্যৰ সমস্যাত নিৰৱচ্ছিন্ন চিন্তাৰ বিষয় হৈ পৰিছিল। সম ধৰ্ম আৰু জাতিৰ সম্পৰ্কৰ মিথ্যাচাৰেৰে তুৰ্কীয়ে যি কু-শাসন চলাইছিল, তাৰ পৰা খ্রাভিক জাতিক সুৰক্ষিত কৰাৰ আধিকাৰ জাৰে দাবী কৰিছিল। শাসকৰ এনেকুৱা সহৃদয় সহানুভূতিৰ অন্তৰালত ভূমধ্যসাগৰীয় অঞ্চল অধিকাৰ কৰাৰ এক সুস্পষ্ট উদ্দেশ্য নিহিত হৈ আছিল। প্রাচ্যত ৰাছিয়াৰ নীতিৰ দুটা লক্ষ্য আছিল, সেয়া হ'ল- তুৰ্কীক বিচ্ছিন্ন কৰা আৰু কন্‌ষ্টেন্টিনপল হস্তগত কৰা, আৰু সেয়া যদি অসম্ভৱ হয়, তেন্তে বিভিন্ন সন্ধিৰ জৰিয়তে তুৰ্কীৰ চুলতানক অৱদমিত কৰিব, যিয়ে তুৰ্কীক ৰাছিয়াৰ শাসকৰ তলতীয়া ভূমি দাস অৱস্থাত ৰাখিব। কেটচুক-কৈনাৰজী (১৭৭৪), বুকাৰেষ্ট (১৮১২) আদি এনেধৰণৰ কিছুমান সন্ধি আছিল।

● **ইংলেণ্ড** -

তুৰ্কীৰ ক্ষেত্রত বৃটিছৰ নীতি আছিল তুৰ্কীৰ ওপৰত থকা ৰাছিয়াৰ অভিসন্ধি প্রতিৰোধ কৰা। ইংলেণ্ডে দেখিছিল যে পূবলৈ থকা আকৰ্ষণৰ বাবে ৰাছিয়াৰ উপদ্রব বৰকৈ বাঢ়িছিল। ৰাছিয়াৰ প্রতিষ্ঠা আৰু কনষ্টেন্টিপল নিয়ন্ত্রণক লৈ ইংলেণ্ডে ভয় কৰিছিল, কিয়নো ভাৰতবৰ্ষক ধৰি ৰখাৰ ক্ষেত্রত ই বৃটিছক বিপদাপন্ন কৰিব। এনেদৰে গ্রেট বৃটেইন আৰু ৰাছিয়াৰ মাজত প্রাচ্যৰ প্রশ্নলৈ এক দীৰ্ঘস্থায়ী শত্রুতাৰ সূত্রপাত হৈছিল। গোটেই উনবিংশ শতিকাজুৰি ৰাছিয়াৰ আক্রমণৰ বিৰুদ্ধে ইংলেণ্ড হৈ পৰিছিল তুৰ্কীৰ যোদ্ধা। তুৰ্কী সাম্রাজ্যৰ অখণ্ডতা অটুট ৰাখি ৰাছিয়াৰ অগ্রগতিক বাধা প্রদান কৰাটোৱেই বৃটিছ নীতিৰ উদ্দেশ্য আছিল। (Palmerstone) পামাৰষ্টন এই নীতিৰ প্রধান সমর্থক আছিল। তেওঁ তুৰ্কীৰ পুনৰগঠনৰ সম্ভাৱনাক বিশ্বাস কৰিছিল।

এইটো লক্ষনীয় আছিল যে ইংলেণ্ডে ৰাছিয়াৰ অগ্ৰগতিক বাধা প্ৰদান কৰিবলৈ সক্ষম হৈছিল কিন্তু তুৰ্কী সাম্ৰাজ্যক খণ্ডিত হোৱাৰ পৰা ৰক্ষা কৰিব নোৱাৰিলে। দেখাত হাস্যকৰ যে, যেতিয়া তুৰ্কীৰ অখণ্ডতা ৰক্ষাৰ বাবে বীৰৰ অভিনয় কৰি আছিল, তেতিয়াই ইংলেণ্ডে তুৰ্কীৰ বহুতো মূল্যবান অংশ নিজৰ কৰি লৈছিল যাতে ৰাছিয়াৰ সফলতাক প্ৰতিহত কৰিব পাৰে আৰু ক্ষমতাৰ ভাৰসাম্য বজাই ৰাখিব পাৰে।

● **অষ্ট্ৰিয়া** -

ৰাছিয়া আৰু গ্ৰেট বৃটেইনতকৈ বাল্কান অঞ্চলৰ প্ৰতি অষ্ট্ৰিয়াৰ আকৰ্ষণ অধিক আছিল। অষ্ট্ৰিয়া আছিল ভূমি পৰিবেষ্টিত দেশ, এড্ৰিয়াটিক সাগৰৰ এক ক্ষুদ্ৰ উপকূলহে ইয়াৰ অন্তৰ্গত আছিল, সেয়েহে অষ্ট্ৰিয়াৰ অৱস্থা নিৰাপদ নাছিল। সেয়েহে সাগৰলৈ যোৱা নৈ এখন থকাটো আৰু বন্দৰলৈ বিস্তৃত কৰাটো অষ্ট্ৰিয়াৰ অৰ্থনীতিৰ বাবে প্ৰয়োজনীয় আছিল। অষ্ট্ৰিয়াৰ বাণিজ্যৰ বৃহৎ অংশ এটা ডানুবে উপত্যকাৰ পৰা আহিছিল, ডানুবেৰ মুখত ৰাছিয়াৰ আধিপত্যক বাধা প্ৰদান কৰাৰ চেষ্টা অষ্ট্ৰিয়াই কৰিছিল। ৰাছিয়াক বল্কানত অষ্ট্ৰিয়াই বিৰোধিতা বৈদ্ধ ৰাজবংশৰ কৰিছিল তত্বৰে। কিন্তু ইটালী আৰু জাৰ্মানীৰ পৰা বহিস্কাৰ হোৱাৰ পিছত অষ্ট্ৰিয়াই তুৰ্কীৰ ব্যয়ৰ ক্ষতিপূৰণ বিচাৰিবলৈ প্ৰাচ্যলৈ গতি কৰিলে। তাৰোপৰি, বাল্কানৰ সদৌ শ্লাভীয় আন্দোলনৰ বিকাশত ৰাছিয়াই উৎসাহ যোগাইছিল আৰু শ্লাভ জনগোষ্ঠীৰ মাজত সজাগতভাৱে আলোড়ন সৃষ্টি কৰিছিল। দক্ষিণৰ শাসনাধীন ৰাজ্যৰ জনসাধাৰণৰ বিশ্বাস হেৰুৱাব বুলি অষ্ট্ৰিয়া শংকিত হৈ পৰিছিল। সেয়েহে শ্লাভ জনসাধাৰণৰ মাজত জাগ্ৰত জাতীয় সজাগতাক নিয়ন্ত্ৰিত কৰাৰ উদ্দেশ্যে অষ্ট্ৰিয়াই বাল্কানৰ অগ্ৰণী শ্ৰাভ ৰাজ্য চাৰ্বিয়াক নিয়ন্ত্ৰিত আৰু অচল কৰাৰ অভিসন্ধি কৰিছিল।

● **ফ্ৰান্স** -

ৰাজনৈতিক কাৰণতকৈ ব্যৱসায়িক আৰু ধৰ্মীয় কাৰণতহে ফ্ৰান্স প্ৰাচ্যৰ সমস্যাৰ সৈতে জড়িত হৈছিল। তুৰ্কীৰ পূৰ্বপৰা মিত্ৰৰাজ্য হোৱা বাবে আৰু বিভিন্ন সময়ত বন্ধুত্ব স্থাপন কৰা বাবে ফ্ৰান্সে বিশেষ বাণিজ্যিক সুবিধা লাভ কৰিছিল আৰু প্ৰধানভাৱে উন্নয়নত গুৰুত্ব দিছিল, বিশেষকৈ চিৰিয়া আৰু ইজিপ্তত ৰোমান কেথলিক খৃষ্টানসকলৰ পূৰ্বাপৰ ৰক্ষকো আছিল ফ্ৰান্স। ইমানবোৰ পূৰ্বাপৰ সম্পৰ্কৰ পিছতো ফ্ৰান্স কেতিয়াও তুৰ্কীৰ বীৰত্বৰ কাৰণ হোৱা নাছিল বা প্ৰাচ্যৰ সমস্যাৰ প্ৰতি আকৰ্ষিত হোৱা নাছিল। ফ্ৰান্সৰ মতে প্ৰাচ্যৰ সমস্যা আছিল প্ৰধানভাৱে সেয়া যিয়ে ভূমধ্যসাগৰত ইয়াৰ নৌ আৰু ব্যৱসায়িক স্থান সম্পৰ্কিত কৰিছিল।

● **জাৰ্মানী** -

ঊনবিংশ শতিকাৰ চতুৰ্থ দশকৰ শেষলৈকে প্ৰাচ্যলৈ জাৰ্মানীৰ কোনো আকৰ্ষণ নাছিল। বিছমাৰ্ক বাল্কানৰ জটিলতাৰ পৰা নিজকে নিলগাই ৰাখিছিল আৰু মন্তব্য কৰিছিল - "গোটেই প্ৰাচ্যৰ সমস্যা পোমেৰিয়ান এজন সশস্ত্ৰ সৈন্যৰ (গ্ৰেনেডিয়া) শৰীৰৰ সমান যোগ্য নহয়।" কিন্তু ১৮৭৮ চনত বাৰ্লিন অধিবেশনত বিছমাৰ্কে অকপট মধ্যস্থৰ ভূমিকা লৈছিল আৰু অষ্ট্ৰিয়াৰ সৈতে বন্ধুত্ব স্থাপন কৰিবলৈ ৰাছিয়াক বাধা প্ৰদান কৰিছিল। পৰৱৰ্তী সময়ত জাৰ্মানীয়ে পূবত নিজৰ কূটকৌশলী কাৰ্য ক্ৰমান্বয়ে বঢ়াইছিল, তুৰ্কীৰ সৈতে মৈত্ৰিপূৰ্ণ ব্যৱহাৰ কৰিছিল, সৈন্য

ড্রিল কৰিছিল আৰু জাৰ্মান পুঁজিপতি সকলৰ বাবে বার্লিন ৰেলপথ নির্মাণত অনুমতি সুদৃঢ় কৰিছিল।

প্রাচ্য সমস্যাৰ প্রতি ইউৰোপীয় শক্তিৰ সংঘাতপূর্ণ আকর্ষণৰ লগতে তেওঁলোকৰ ৰাজনৈতিক উচ্চাকাংক্ষাৰ পৰিণতি কেৱল যুদ্ধহে আছিল। ১৮৫৪-১৮৫৬ চনৰ সময়ছোৱাত ক্রিমিয়াৰ যুদ্ধ হৈছিল ৰাছিয়া আৰু ইংলেণ্ড, ফ্রান্স, তুর্কী, চার্দিনীয়া আদি দেশৰ এক দলৰ সৈতে। কাৰা জর্জৰ নেতৃত্বত তুর্কী সাম্রাজ্যৰ বিপক্ষে থিয় হোৱা চার্বিয়ানসকলেই প্রথম আছিল। চার্বিয়াৰ গণ অভ্যুত্থানৰ সময়ছোৱাক দুটা ভাগত ভাগ কৰিব পাৰি-

১। ১৮০৪ চনৰ পৰা ১৮১৫ সময়ছোৱাত চার্বিয়াই নিজকে তুর্কী সাম্রাজ্যৰ পৰা মুক্ত কৰিবলৈ সক্ষম হৈছিল। ইয়াক চার্বিয়াৰ জনসাধাৰণৰ জাতীয় আৰু সামাজিক অভ্যুত্থান বুলি অভিহিত কৰিব পাৰি। ফলস্বৰূপে চার্বিয়াই সার্বভৌম ইউৰোপীয় দেশ হিচাপে ভুমুকি মাৰিছিল।

২। ১৮১৫ চনৰ পৰা ১৮৩৩ সময়ছোৱাত বেলগ্রেড আৰু তুর্কী সাম্রাজ্যৰ চৰকাৰৰ মাজত ঐকান্তিক আলাপ-আলোচনাৰ সময় হিচাপে পৰিগণিত।

গণ অভ্যুত্থানৰ প্রথমছোৱা সময় (১৮০৪-১৮১৫) প্রকৃততে স্বাধীনতাৰ যুদ্ধ আছিল, দ্বিতীয় সময় ছোৱাৰ (১৮১৫-১৮৩৩) ফলস্বৰূপে তুর্কী শাসকৰ দ্বাৰা চার্বিয়াই সার্বভৌম ৰাষ্ট্রৰ আনুষ্ঠানিক স্বীকৃতি লাভ কৰিলে, এনেদৰে গণঅভ্যুত্থানৰ সমাপ্তি ঘটিছিল। এই ঘটনাবোৰেই আধুনিক চার্বিয়াৰ ভেঁটি হিচাপে পৰিগণিত হৈছিল।



জানি থোৱা ভাল

চার্বিয়ান বিদ্রোহ (Serbian Revolution) শব্দটো বিখ্যাত বুৰঞ্জীবিদ লিওপল্ড ভ'ন ৰেংকেৰ দ্বাৰা আৱিষ্কৃত হৈছিল। 'Die Serbische Revolution' নামৰ ১৮২৯ চনত প্রকাশিত তেওঁৰ গ্রন্থখনত শব্দটো ব্যৱহৃত হৈছিল। লিওপল্ড ভ'ন ৰেংকে জার্মান বুৰঞ্জীবিদ আছিল, আধুনিক উৎস সম্বলিত বুৰঞ্জীৰ প্রতিষ্ঠাপক হিচাপে তেওঁ বিবেচিত।

১৮২১ চনত চুলতানৰ পৰা গ্রীকসকলে স্বাধীনতাৰ ঘোষনা কৰাৰ লগে লগে আকৌ এবাৰ প্রাচ্যৰ সমস্যা ইউৰোপৰ ডাঙৰ বিষয় হৈ পৰিছিল। ১৮২১ চনত গ্রীক বিদ্রোহী হৈ উঠিছিল, কিয়নো তুর্কীৰ দম্ভৰ আগত মূৰ দোওৱাৰ প্রৱণতা তেওঁলোকৰ কম আছিল, কিন্তু তেওঁলোকে কোনো লক্ষণীয় সুবিধা লাভ কৰিবলৈ সক্ষম হোৱা নাছিল।

১৮২৫ চনত শাসক আলেকজেণ্ডাৰ প্রথমৰ মৃত্যুৰ পিছত নিকোলাচ প্রথম ৰাছিয়াৰ শাসক হৈছিল। তেওঁ সিদ্ধান্ত লৈছিল যে তেওঁ আলোচনা বিলোচনা আৰু সন্মিলন অধিৱেশন আদি আৰু সহ্য নকৰে। তেওঁ গ্রীচত মধ্যস্থ কৰাৰ স্থিৰ লৈছিল। সম্পূর্ণৰূপে ৰাছিয়াৰ কৰতলীয়া ৰাজ্য হোৱাৰ পৰা ৰক্ষা কৰি এক নৱগঠিত ৰাজ্য ৰূপে গ্রীক গঢ় দিবলৈ গ্রেট বৃটেইন জড়িত হৈছিল। নৱন্যাসবাদৰ আগ্রহ সেইসময়ৰ পশ্চিমীয়া ইউৰোপীয় সাংস্কৃতিক জীৱনৰ প্রধান আছিল,

পোমেৰানীয়ান পোমেৰীনায়া, মধ্যে ইউৰোপৰ এটা অঞ্চল। গ্রেনডিয়োৰ গ্রেনড ধাৰী সৈনীক।

সিয়েও স্বাধীন গ্ৰীকৰ বাবে সমৰ্থন কৰি ইয়াক ৰাজনৈতিক ভাৱে সুফলপ্ৰসু কৰিছিল। ফ্ৰান্সেও নিজকে গ্ৰীকৰ শাৰীত শ্ৰেণীৱদ্ধ কৰিছিল, কিন্তু অষ্ট্ৰিয়াই (তেতিয়াও ৰাছিয়াৰ বিস্তাৰৰ প্ৰতি ভয়ভীত আছিল) কৰা নাছিল।

১৮২৭ চনত লণ্ডন চুক্তিৰ অৱসানৰ পিছত ইংলেণ্ড, ৰাছিয়া আৰু ফ্ৰান্সে গ্ৰীকৰ বাবে স্ব-শাসিত ৰাষ্ট্ৰৰ দাবী কৰিছিল। কিন্তু সেই দাবীটো তুৰ্কীৰ জৰিয়তে অমান্য কৰা হৈছিল। ফলস্বৰূপে পশ্চিমীয়া শক্তি আৰু তুৰ্কী সাম্ৰাজ্যৰ মাজত এখন নৌযুদ্ধ হৈছিল, যাৰ পৰিণতিত তুৰ্কীৰ নৌশক্তি ধ্বংস হৈছিল। পৰৱৰ্তী বছৰত ৰাছিয়াই তুৰ্কীৰ বিপক্ষে যুদ্ধ ঘোষণা কৰিলে। এই যুদ্ধ এবছৰতকৈ অধিক কাল চলিছিল আৰু শেষত চুলতানে এড্ৰিয়ানোপল চুক্তিত স্বাক্ষৰ কৰিবলৈ বাধ্য হৈছিল। ১৮২৯ চনত ইংলেণ্ড, ফ্ৰান্স আৰু ৰাছিয়াৰ দ্বাৰা গ্ৰীকৰ স্বাধীনতাক স্বীকৃতি দিবলৈ তুৰ্কীৰ চুলতানক বাধ্য কৰোৱা হৈছিল। এই সকলোবোৰ ঘটনাই গ্ৰীকক স্বাধীন কৰিছিল। ফলস্বৰূপে গ্ৰীক জাতীয়তাবাদৰ জয় হৈছিল।

১৮৫৪ ৰ দশকত প্ৰাচ্য সমস্যাৰ পৰৱৰ্তী অংশ আৰম্ভ হৈছিল। তুৰ্কী সাম্ৰাজ্যৰ অৱনতিয়ে শাসক নিকোলাচক আকৰ্ষিত কৰিছিল যিয়ে তুৰ্কীক 'ইউৰোপৰ দুৰ্বল মানুহ' আখ্যা দিছিল। কৃষ্ণ সাগৰ আৰু তুৰ্কীৰ বিশাল প্ৰদেশ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যৰে ৰাছিয়াই তুৰ্কীক আক্ৰমণ কৰিছিল। ১৮৪৪ চনত ৰাছিয়াৰ শাসকে বৃটিছৰ ৰাজনীতিজ্ঞ সকলক তুৰ্কী সাম্ৰাজ্যক তেওঁলোকৰ মাজত বিভাজিত কৰি দিবলৈ প্ৰস্তাৱ দিছিল, কিন্তু তেওঁ কোনো সঁহাৰি পোৱা নাছিল, কাৰণ বৃটেইনে ইউৰোপত ক্ষমতাৰ ভাৰসাম্য বজাই ৰাখিব খুজিছিল আৰু তুৰ্কীক ক্ষতি কৰি ৰাছিয়াক বিকাশ হ'বলৈ দিব বিচৰা নাছিল। সেইকাৰণে, খ্ৰীষ্টানসকলক চুলতানৰ পৰা সুৰক্ষিত কৰি ৰাখিবলৈ ৰাছিয়াই অকলে ওলাই আহিছিল। ৰাছিয়াৰ সামৰিক বাহিনীয়ে ডানুৱেৰ সামন্ত ৰাজ্যসমূহ দখল কৰিছিল।

ফলস্বৰূপে, ১৮৫৩ চনত ৰাছিয়া আৰু তুৰ্কী এই দুই শক্তিৰ মাজত যুদ্ধৰ সূত্ৰপাত হ'ল। ৰাছিয়াই সিহঁতৰ মাজতে যুদ্ধ সীমিত থাকিব বুলি আশা কৰিছিল। কিন্তু ইংলেণ্ড, ফ্ৰান্স আৰু পীডমন্টে তুৰ্কীক সমৰ্থন জনাইছিল। এনেদৰে তুৰ্কীৰ উপৰিও ইংলেণ্ড, ফ্ৰান্স আৰু পীডমন্ট আদি তিনিশক্তিয়ে ৰাছিয়াৰ আক্ৰমণক বাধা দিছিল। ইংলেণ্ডে এই যুদ্ধত যোগদান কৰিছিল কাৰণ ৰাছিয়াই ভাৰত অতিক্ৰম কৰিব বুলি ইংলেণ্ডে ভয় কৰিছিল, সম্ৰাট নেপোলিয়ন তৃতীয়ই ৰাছিয়াৰ ওপৰত প্ৰতিশোধ ল'ব বিচাৰিছিল আৰু পুৰণি হিংসা পূৰণ কৰিবলৈ বিচাৰিছিল বাবে ফ্ৰান্সে যুদ্ধত যোগদান কৰিছিল, পীডমন্টে কেৱল ইটালীৰ স্বাধীনতাৰ বাবে ইংলেণ্ড আৰু ফ্ৰান্সৰ সঁহাৰি পাবলৈ এই যুদ্ধত অৱতীৰ্ণ হৈছিল। ফলস্বৰূপে ১৮৫৪ চনত ক্ৰিমিয়াৰ যুদ্ধৰ আৰম্ভণী হৈছিল।

এই যুদ্ধখন প্ৰধানভাৱে ক্ৰিমিয়াত হৈছিল। ক্ৰিমিয়া দক্ষিণ ৰাছিয়াৰ এক উপদ্বীপ হোৱাৰ বাবে ই প্ৰয়োজনীয় আছিল, আৰু ৰাছিয়াই নিজৰ সৈন্যবাহিনীৰ বাবে সামুদ্ৰিক অস্ত্ৰাগাৰ এটি চেবাস্তপলত নিৰ্মাণ কৰিছিল। ক্ৰিমিয়া উপদ্বীপত হোৱা প্ৰধান যুদ্ধ কেইখন হ'ল- আলমা, বালাক্লাভা আৰু একাৰমেন। ১৮৫৪-৫৫ চনৰ অপ্ৰতিৰোধ্য শীতত ক্ৰিমিয়াৰ যুদ্ধত মৃত্যুসংখ্যা

অত্যধিক বাঢ়িল আৰু আহত সৈন্যসকলক অৱজ্ঞা কৰা বাবে বৃটিছৰ সৈন্যৰ মৃত্যুৰ হাৰ বাঢ়িছিল। সেই পৰিৱেশৰ মাজত ফ্লোৰেন্স নাইটিঙ্গেলে সেৱা আগবঢ়াই সৈন্যৰ মৃত্যুৰ হাৰ ৪৪ শতাংশশৰ পৰা ২ শতাংশলৈ হ্ৰাস কৰিছিল। চেবাস্তপল আক্ৰমণেই ক্ৰিমিয়াৰ যুদ্ধৰ মূল আকৰ্ষণ আছিল। ৩৩৬ দিনৰ আক্ৰমণ আৰু মানৱজীৱনৰ অতিশয় ক্ষতিৰ পিছত অৱশেষত ১৮৫৫ চনৰ ৮ ছেপ্তেম্বৰত চেবাস্তপলৰ অৱসান ঘটিল। ৰাছিয়াই শান্তিৰ বাবে আবেদন কৰিলে।

১৮৫৬ চনৰ ৩০ মাৰ্চত শান্তি চুক্তিৰ লগে লগে অৱশেষত শান্তি স্থাপন হৈছিল। চুক্তিৰ নিয়ম অনুসৰি, ৰাছিয়াই সেই পবিত্রভূমিত খৃষ্টান লোকসকলক সুৰক্ষা প্রদানৰ দাবী ত্যাগ কৰিব লগা হৈছিল। তুৰ্কীৰ চুলতানক প্রতিশ্রুতি দিবলৈ বাধ্য কৰোৱা হৈছিল যে তেওঁ খৃষ্টান লোকসকলক সহানুভূতিৰে চাব আৰু তেওঁলোকৰ উন্নতিৰ বাবে ব্যৱস্থা হাতত ল'ব। কৃষ্ণ সাগৰক নিৰ্লিপ্ত কৰা হৈছিল। ডানুৱেক আন্তৰাষ্ট্রীয়কৰণ কৰা হৈছিল। আটাইতকৈ প্রয়োজনীয় অনুচ্ছেদটো আছিল এইটো যে সকলোবোৰ শক্তিয়ে তুৰ্কীক তেওঁলোকৰ ইউৰোপীয় পৰিয়াল ৰাজ্যৰ সদস্য হিচাপে মানি লৈছিল। এনেদৰে পশ্চিম ইউৰোপৰ খৃষ্টান শক্তিৰ দ্বাৰা তুৰ্কীক সবল কৰি তোলা হৈছিল কাৰণ তেওঁলোকে কনষ্টেন্টিপলত ৰাছিয়াৰ প্রভাৱ বিচৰা নাছিল। প্রাচ্যৰ সমস্যাৰ সমাধান স্বৰূপে যুদ্ধখন এক বৃহৎ বিফলতা আছিল। চুলতানে কেতিয়াও তেওঁৰ প্রতিজ্ঞা ৰক্ষা কৰা নাছিল। খৃষ্টান লোকসকলৰ অৱস্থা পূৰ্বৰ তুলনাত অধিক বেয়া হ'ল।

অতিশীঘ্রে তুৰ্কী ইউৰোপত দুৰ্বল শক্তিত পৰিণত হ'ল। লগতে ওৱালাচিয়া আৰু মল্ডাভিয়াৰ আদি আশ্রিত ৰাজ্যৰ ওপৰত থকা তুৰ্কীৰ কৰ্তৃত্ব ক্রমান্বয়ে নিস্প্রভ হৈ আহিছিল। সেই অৱস্থাৰ সুবিধা লৈ এই দুই আশ্রিত ৰাজ্যই ঐক্যৱদ্ধ হৈ ৰোমানিয়া নামেৰে এখন দেশত পৰিণত হ'বলৈ চেষ্টা কৰিছিল।

ক্রিমিয়াৰ যুদ্ধত ৰাছিয়াৰ পৰাজয়ৰ পিছত তুৰ্কী সাম্রাজ্য আৰু বৃহৎ শক্তিৰ মহাসভাই তুৰ্কীৰ ৰাষ্ট্রীয় অখণ্ডতাক আশ্বাস দিছিল। আনকি এই বৃহৎ শক্তিসমূহে ওৱালাচিয়া আৰু মল্ডাভিয়াৰ ঐক্যৱদ্ধতাক সঁহাৰি দিয়া নাছিল কাৰণ তেওঁলোকে সন্দেহ কৰিছিল যে দুই ৰাজ্যৰ একত্রিকৰণে তুৰ্কীৰ সার্বভৌমত্বক প্রত্যাহ্বান জনাব। কিন্তু ওৱালাচিয়া আৰু মল্ডাভিয়াত জাতীয়তাবাদী মানসিকতা গঢ় লৈ উঠিছিল। সামাজিক-সাংস্কৃতিক প্রভেদ থকা স্বত্বেও দুইখন ৰাজ্যই লেটিনমূলীয় বুলি গৌৰৱবোধ কৰিছিল আৰু তেওঁলোকৰ সংস্কৃতি আৰু ঐতিহ্যৰ সংৰক্ষণ কৰিছিল। তুৰ্কীৰ চুলতানে ওৱালাচিয়া আৰু মল্ডাভিয়াৰ ৰোমানিয়া নামত একত্রীকৰণৰ দাবী নাকচ কৰিছিল। পেৰিচ চুক্তিয়ে দুটা ভিন্ন সমষ্টিৰে সিহঁতক দুখন ভিন্ন ৰাজ্যহে নাম দিছিল, লগতে এই বিশেষ সুবিধা দিয়া হৈছিল যে তেওঁলোকক 'সংযুক্ত সামন্ত ৰাজ্য' হিচাপে জনা যাব আৰু তেওঁলোকৰ বিষয়সমূহ এক যুটীয়া চনদৰ দ্বাৰা চোৱা-চিতা কৰা হ'ব। ইউৰোপৰ অশান্তজর্জৰ ৰাজ্যসমূহৰ সুযোগ লৈ মল্ডাভিয়া আৰু ওৱালাচিয়া সন্মিলিত হ'ল। যেতিয়া দুই সংযুক্ত ৰাজ্যই তেওঁলোকৰ প্রধান বিষয়াক নির্বাচন কৰিব লগা হ'ল, উভয় ৰাজ্যই এজন মানুহক নির্বাচন কৰিলে, তেওঁ হ'ল- আলেকজেন্দ্রু লোন চুজা, ৰোমানিয়াৰ প্রথম সামন্ত ৰজা।

আলেকজেন্দ্রুৰে দুই সংসদক একত্রিত কৰিলে আৰু ৰোমানিয়া নামেৰে এখন দেশ

ঘোষণা কৰিলে। যিহেতু ইউৰোপ সেইসময়ত নিজৰ গৃহকন্দল লৈ ব্যস্ত আছিল, সেয়েহে এই ঘোষণাৰ কোনো বিৰোধিতা নকৰিলে। এনেদৰে ওৰালাচিয়া আৰু মল্ডাভিয়াৰ একত্রীকৰণৰ ফলত ৰোমানিয়া নামৰ এখন দেশৰ সৃষ্টি হ'ল লগতে বুকাৰেষ্ট ইয়াৰ ৰাজধানী হ'ল।

এনেদৰে একত্রিত ওৰালাচিয়া আৰু মল্ডাভিয়া, যি ৰোমানিয়া নামেৰে জনাজাত হ'ল - তাৰ শাসক গৰাকী বৰ বৈশিষ্ট্যপূর্ণ ৰূপত দেখা গ'ল। তেওঁ বিভিন্ন সংস্কাৰকামী পদক্ষেপ লৈছিল। সেইবোৰ হ'ল- গীর্জাৰ ভূ-সম্পত্তিৰ ধর্মনিৰপেক্ষকৰণ, মাটিৰ আধুনিক ৰায়তি স্বত্বৰ প্রচলন; যিয়ে খেতিয়ক সকলক সামন্তবাদী বোজাৰ পৰা মুক্ত কৰিছিল, আৰু জনগোষ্ঠীসমূহৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ প্রচলন কৰিছিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ লিখক —

প্রশ্ন নং ৩ ঃ কোনখন বল্কান প্রদেশে তুর্কীৰ কু-শাসনৰ প্রথম বিৰোধিতা কৰিছিল?

.....

প্রশ্ন নং ৪ ঃ কোন চনত গ্রীকে স্বাধীন ঘোষণা কৰিছিল?

.....

প্রশ্ন নং ৫ ঃ ক্রিমিয়াৰ যুদ্ধ কেতিয়া হৈছিল?

.....

১৩.৫ চান ষ্টিফেনো চুক্তি

চুলতানে পুনৰ খ্রীষ্টান জনসাধাৰণৰ ওপৰত স্বৈৰ শাসন আৰম্ভ কৰিছিল। সেয়েহে ৰাছিয়াই পুনৰ এবাৰ তুর্কীৰ নিষ্ঠুৰ শাসনৰ পৰা খ্রীষ্টানসকলক সুৰক্ষিত কৰাৰ লক্ষ্য মূৰ পাতি লৈছিল। ৰাছিয়াই তুর্কীৰ শাসন উৎখাত কৰিবলৈ বাল্কানবাসীক ৰাষ্ট্রীয় আন্দোলনৰ বাবে উৎসাহিত কৰিছিল, যাক পান-শ্লাভিজিম বুলি জনা যায়। ফলস্বৰূপে, ১৮৭৫ চনত প্রাচ্যৰ সমস্যাই পুনৰ এবাৰ তীব্র অৱস্থা পাইছিল। সেই বর্ষত তুর্কীৰ প্রদেশ হার্জিগভিনাত গণ বিপ্লৱৰ সূচনা হৈছিল। বহুবছৰ ধৰি সেই প্রদেশৰ খেতিয়কসকলে চুলতানৰ কু-শাসনৰ বলি হৈ আহিছিল। অত্যাচাৰ ক্রমান্বয়ে নিষ্ঠুৰ আৰু অমানৱীয় হৈ আহিছিল যাৰ বাবে অৱশেষত খেতিয়কসকল বিদ্রোহী হৈ উঠিল। এই কৃষকসকল শ্লাভ জনগোষ্ঠীৰ আছিল আৰু তেওঁলোকক বচনিয়া, চার্বিয়া আৰু বুলগেৰিয়াৰ শ্লাভ সকলে সহায় কৰিছিল। চুলতানৰ বিৰুদ্ধে বিদ্রোহ কৰিছিল। এই গণ বিপ্লৱ বুলগেৰিয়ালৈ বিয়পি পৰিছিল আৰু তাৰ আবাসীয়ে (চুলতানৰ বিৰুদ্ধে) সেই বিদ্রোহ দমন কৰিবলৈ সৈন্যদল পঠিয়াইছিল আৰু তুর্কীয়ে খৃষ্টানলোকৰ বৃহৎ সংখ্যক গণহত্যা কৰিছিল। বুলগেৰিয়াৰ মাৰিটিজা উপত্যকাত পোন্ধৰখন গাঁও ধ্বংস কৰিছিল। বাটাকত সাতহাজাৰৰ ভিতৰত

পাঁচহাজাৰ বাসিন্দাক নৃশংসভাৱে হত্যা কৰা হৈছিল। এই নৃশংসতাই সম্পূৰ্ণ ইউৰোপক ভয়ভীত কৰিছিল। চুলতানৰ নিষ্ঠুৰতাৰ বিৰুদ্ধে জনমত গঢ়ি উঠিছিল।

১৮৭৬ চনৰ জুলাই মাহত চাৰ্বিয়া আৰু মন্টেনেগ্ৰোই তুৰ্কীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে, আৰু এনেদৰে গণবিপ্লৱৰে ব্যাপক ৰূপ ল'লে। সমধৰ্মী আৰু শ্লাভ জনগোষ্ঠীৰ লোকসকলক ৰাছিয়াৰ জনসাধাৰণে তীব্ৰ সহযোগিতা আগবঢ়ালে। ৰাছিয়াৰ জনসাধাৰণে তুৰ্কীৰ ওপৰত যুদ্ধ ঘোষণা কৰিবলৈ ৰাছিয়াৰ চৰকাৰক জোৰ দিছিল। এনেদৰে ৰাছিয়া আৰু তুৰ্কীৰ মাজত যুদ্ধৰ আৰম্ভ হ'ল আৰু চুলতানৰ পৰাজয়ৰে ইয়াৰ সামৰণী ঘটিছিল। ১৮৭৮ চনৰ ৩ মাৰ্চত ৰাছিয়া তুৰ্কীৰ মাজৰ চান ষ্টিফেনো চুক্তিৰ অৱসান ঘটিল। এই চুক্তি অনুসৰি, চুলতানে তিনিখন বাল্কান দেশ ক্ৰমে মন্টেনেগ্ৰো, চাৰ্বিয়া আৰু ৰোমানিয়াৰ স্বাধীনতাক স্বীকাৰ কৰিছিল। এখন নতুন ৰাজ্য হিচাপে বুলগেৰিয়াৰ উদ্ভৱ হৈছিল যাক ৰাছিয়াৰ সৃষ্টিৰ বাবে ৰাছিয়াই শাসন কৰিব খুজিছিল। ৰাছিয়াই তুৰ্কীৰ পৰা অতিৰিক্ত ভৌগলিক অঞ্চল লাভ কৰিছিল।



জানি থোৱা ভাল

তুৰ্কী আৰু ৰাছিয়াৰ মাজত চান ষ্টিফেনো চুক্তিৰ সামৰণী ঘটিছিল। ৰাছিয়াৰ দ্বাৰা তুৰ্কীৰ চুলতানৰ ওপৰত ইয়াক বলবৎ কৰা হৈছিল। এই চুক্তিৰ দফাসমূহ আছিল এনেধৰণৰ-

- বচনিয়া আৰু হাৰ্জিগোভিনাত সংস্কাৰ সূচনা কৰা হ'ব।
- ৰাছিয়াই এছিয়াত বেটুম আৰু কাৰ্চ আৰু ইউৰোপৰত বেছাৰাবিয়া লাভ কৰিব।
- ৰোমানিয়াক স্বাধীন হিচাপে স্বীকৃতি দিয়া হ'ব আৰু বেছাৰাবিয়াৰ ক্ষতিপূৰণ হিচাপে ৰোমানিয়াই ডবৰুজা লাভ কৰিব।
- ডানুবেৰ পৰা এজিয়ানলৈ আৰু কৃষ্ণ সাগৰৰ পৰা আলবেনিয়ালৈ বুলগেৰিয়া প্ৰদেশক বিস্তাৰিত কৰা হ'ব। 'বিগ বুলগেৰিয়া' তুৰ্কীৰ কৰদ স্বায়ত্তশাসিত ৰাজ্য হ'ব।

এই চুক্তিয়ে ইউৰোপৰ প্ৰধান শক্তিসমূহ যেনে বৃটেইন, অষ্ট্ৰিয়া, ফ্ৰান্স আৰু জাৰ্মানীক আতঙ্কিত কৰিছিল। তেওঁলোকে প্ৰাচ্যৰ সমস্যাৰ সমাধানৰ বিৰোধিতা কৰিছিল। ইংলেণ্ডে দাবী উত্থাপন কৰি কৈছিল যে চান ষ্টিফেনো চুক্তিখন ইউৰোপীয় শক্তিসমূহৰ সাধাৰণ অধিৱেশনত প্ৰদান কৰিব লাগিব। তুৰ্কীৰ ভূ-খণ্ডৰ একাংশ আশা কৰি অষ্ট্ৰিয়াইও এই প্ৰতিবাদত অংশগ্ৰহণ কৰিছিল। চুক্তিখনৰ পুনৰ্বিচাৰ নকৰিলে ৰাছিয়াৰ সৈতে যুদ্ধ কৰিব বুলি বৃটিছ প্ৰধানমন্ত্ৰী ডিজৰাইলিয়ে ৰাছিয়াক ধমকি দিছিল। ৰাছিয়া দ্বিতীয় এখন যুদ্ধৰ বাবে প্ৰস্তুত নাছিল বাবে তেওঁলোকৰ প্ৰস্তাৱ মানি লৈছিল। চান ষ্টিফেনো চুক্তিখন ৰাছিয়াৰ বাবে এক বৃহৎ সাফল্য আছিল। ই ৰাছিয়াৰ ক্ৰিমিয়া যুদ্ধ সম্পৰ্কীয় সকলো অপমান নাইকিয়া কৰিছিল আৰু পুনৰ এবাৰ বাল্কানৰ আধিপত্য প্ৰদান কৰিছিল।

১৩.৬ বার্লিন কংগ্রেছ

১৮৭৮ চনত জার্মানীৰ প্রধানমন্ত্রী বিচমার্কে বালিনত ইউৰোপীয় শক্তিসমূহৰ এখন অধিৱেশনৰ আহ্বান দিছিল। তেওঁ নিজকে এজন 'সৎ মধ্যস্থকাৰী' বুলি ঘোষণা কৰিছিল। ইংলেণ্ড, অষ্ট্রিয়া আৰু জার্মানীৰ পৰা অহা প্রতিনিধিসকলে এই অধিৱেশনত অংশগ্রহণ কৰিছিল। ১৮৭৮ চনৰ ১৩ জুলাইত তেওঁলোকে নথি-পত্রত স্বাক্ষৰ দিছিল। বার্লিন চুক্তিৰ প্রধান দফাসমূহ আছিল এনেধৰণৰ—

- এই চুক্তিৰ জৰিয়তে মণ্টেনেগ্রো, চার্বিয়া আৰু ৰোমানিয়াক স্বাধীন ঘোষণা কৰা হৈছিল আৰু চার্বিয়াক অষ্ট্রিয়াৰ নামমাত্র তত্বাৱধানত ৰখা হ'ব আৰু ডবৰুজাৰ দুই তৃতীয়াংশ ($^{২}/_{৩}$) বেছাৰাবিয়াৰ পৰিৱর্তে ৰোমানিয়াক দিয়া হ'ব।
- বচনিয়া আৰু হার্জিগোভিনাক শাসন কৰাৰ অধিকাৰ অষ্ট্রিয়াক প্রদান কৰা হৈছিল।
- বুলগেৰিয়াক তিনি অংশত বিভাজিত কৰা হ'ল- মেচিডনিয়া, পূব ৰোমানিয়া আৰু বুলগেৰিয়া। প্রথম অংশ মেচিডনিয়াক তুর্কীলৈ ওভটাই দিয়া হৈছিল। এজন খৃষ্টান ৰাজ্যপালক পূব ৰোমেলিয়াত নিযুক্ত কৰা হৈছিল যি তেতিয়াও চুলতানৰ শাসনৰ অধীন আছিল। বুলগেৰিয়াৰ তৃতীয়ংশই তেওঁলোকৰ ৰাজকোঁৱৰ নিযুক্তিৰ অধিকাৰ পাইছিল, কিন্তু চুলতানৰ শাসনৰ পৰা মুক্ত হোৱা নাছিল।
- বেছাৰাবিয়া, বাটুমৰ কিছু অংশ, আর্মেনিয়া আৰু এচিয়া মাইনৰৰ কিছুসংখ্যক প্রদেশ ৰাছিয়াক প্রদান কৰা হৈছিল।
- তুর্কীৰ সৈতে হোৱা অন্য এক চুক্তিমতে ইংলেণ্ডে চাইপ্রাচৰ শাসন লাভ কৰিছিল। তুর্কীৰ চুলতানে এচিয়াত থকা তুর্কীৰ অঞ্চলসমূহ সুৰক্ষিত কৰি ৰাখিবলৈ বৃটিছ সৈন্য বিচাৰিছিল।
- বার্লিন অধিৱেশনত নিষ্পত্তি হোৱা সত্বেও বাল্কান অঞ্চলত জাতীয়তাবাদী সংঘর্ষ চলি থাকিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ লিখক —

প্রশ্ন নং ৬ ঃ ৰুছ-তুর্কীৰ মাজৰ যুদ্ধ কেতিয়া সংঘটিত হৈছিল?

.....

প্রশ্ন নং ৭ ঃ বার্লিন চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল?

.....

প্রশ্ন নং ৮ ঃ বার্লিন চুক্তিৰ দ্বাৰা বুলগেৰিয়াক কিমান ভাগত ভাগ কৰা হৈছিল?

.....

প্রশ্ন নং ৯ ঃ বার্লিন চুক্তিৰ জৰিয়তে স্বাধীনতা লাভ কৰা ৰাজ্যসমূহৰ নাম লিখক।

.....



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়নৰ কৰি আপুনি জানিব পাৰিলে যে —

- বাল্কান অঞ্চলৰ শ্লাভজনগোষ্ঠীৰ মানুহৰ সমস্যাৱলীৰ বিষয়ে। আংশিকভাৱে এয়া আছিল বাল্কান জনসাধাৰণৰ ৰাষ্ট্ৰীয়তাবাদী ভাৱধাৰাৰ উত্থানৰ পৰিণতি আৰু আংশিকভাৱে ই অধপতিত তুৰ্কী সাম্ৰাজ্যৰ এটা সমস্যা আছিল।
- প্ৰাচ্যৰ সমস্যাৰ উন্নীতকৰণৰ বিভিন্ন অৱস্থা আৰু বৃটেইন, ৰাছিয়া, ফ্ৰান্স, ইটালী আৰু অষ্ট্ৰিয়া আদিৰ দৰে বৃহৎ ইউৰোপীয় শক্তিসমূহৰ বাল্কান উপদ্বীপৰ ভূমিভাগত কৰা বিভিন্ন অভিসন্ধি।
- বাৰ্লিন অধিৱেশনে প্ৰাচ্য সমস্যাৱলী সমাধান কৰিবলৈ চেষ্টা কৰিছিল, কিন্তু স্থায়ীভাৱে সফল হ'ব নোৱাৰিলে।



১৩.৮ অধিক জানিবলৈ

১) Hayes, C.J.H. (1963). *Modern Europe to 1870*. New York, NY: MacMillan.

২) Ketelbey, C.D.M. (1994). *A History of Modern Times from 1789.* New Delhi, India: OUP.



১৩.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ পৰ্বত।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ১৪৫৩ ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ চাৰ্বিয়া।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮২৯ ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৫৬।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৭৭-৭৮।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ১৮৭৮ চনৰ জুলাইৰ ১৩ তাৰিখ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ তিনিটা।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ মণ্টেনেগ্ৰো, চাৰ্বিয়া, ৰোমানিয়া।



১৩.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ কৰক)

প্ৰশ্ন ১ ঃ পেৰিচ চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল?

প্ৰশ্ন ২ ঃ লণ্ডন চুক্তি কেতিয়া স্বাক্ষৰিত হৈছিল?

প্ৰশ্ন ৩ ঃ কোন চনত চাৰ্বিয়াৰ গণ বিপ্লৱৰ প্ৰথম পৰ্যায় সংঘটিত হৈছিল?

প্ৰশ্ন ৪ ঃ বাৰ্লিন অধিৱেশনৰ জৰিয়তে স্বাধীনতা লাভ কৰা ৰাজ্য দুখনৰ নাম কওক।

প্ৰশ্ন ৫ ঃ ৰোমানিয়াৰ প্ৰথম শাসক কোন আছিল?

(খ) চমু প্ৰশ্ন (১৫০-৩০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ প্ৰাচ্যৰ সমস্যা বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ 'পান-শ্লাভিজিম' (Pan-Slavism) বুলিলে কি বুজে?

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক-

(ক) পেৰিচ চুক্তি। (খ) ক্ৰিমিয়াৰ যুদ্ধ। (গ) বাৰ্লিন অধিৱেশন।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ প্ৰাচ্যৰ সমস্যাৰ বিকাশ আৰু ইউৰোপীয় শক্তিসমূহৰ দৃষ্টিভংগীৰ ওপৰত এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ চাৰ্বিয়া আৰু গ্ৰীকৰ বিপ্লৱ সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ বাৰ্লিন অধিৱেশন আৰু ইয়াৰ প্ৰভাৱৰ বিষয়ে এটি আলোচনা প্ৰস্তুত কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ স্পেইনৰ বিপ্লৱ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ কাৰণসমূহ
- পটভূমি
- বিপ্লৱৰ কাৰণসমূহ

১৪.৪ সংবিধান
১৪.৫ অসফলতা
১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবলৈ
১৪.৮ অগ্রগতিৰ খতিয়ান
১৪.৯ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ঊনবিংশ শতিকাৰ স্পেইন বিপ্লৱৰ কাৰণসমূহক বর্ণনা কৰিব পাৰিব
- ১৮১২ৰ পৰা ১৮৭৮ লৈকে স্পেইনৰ সাংবিধানিক ইতিহাসৰ আলোচনা কৰিব পাৰিব আৰু
- স্পেইন বিপ্লৱৰ ফলাফলৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি 'প্রাচ্য সমস্যা' (Eastern Question) ৰ উদ্ভব আৰু বলকান অঞ্চলত ক্ষমতাকেন্দ্রিক সংঘাতৰ বিষয়ে আলোচনা কৰিলো। আমি প্রাচ্য সমস্যাৰ প্রতি ইউৰোপিয়া শক্তিসমূহৰ মনোভাৱ আৰু অঞ্চলটোত সংঘটি ক্ষমতাৰ যুঁজৰ ফলাফলৰ বিষয়েও আলোচনা কৰিলো।

এই অধ্যায়টিত আমি চমুকৈ স্পেইনৰ ইতিহাসৰ বিষয়ে আলোচনা কৰিম। এই অধ্যায়টিয়ে স্পেইনৰ বিপ্লৱৰ দিশতো আলোকপাত কৰিব। স্পেইনৰ গৃহযুদ্ধৰ সূত্রপাত ঘটোৱা ঘটনাৱলী আৰু বিপ্লৱৰ ব্যর্থতাৰ বিষয়ে এই অধ্যায়ত আমি আলোচনা কৰিম। এই অধ্যয়টিয়ে স্পেইনৰ ইতিহাসত সাংবিধানিক বিকাশৰ দিশতো আলোকপাত কৰিব।

১৬-১৭শ শতিকাত স্পেইন হেপচবার্গ ৰাজবংশ (১৫১৬-১৭০০)ৰ দ্বাৰা শাসিত

আছিল। হেপচবার্গৰ অধীনত, ১৬শ-১৭শ শতিকাৰ এক দীর্ঘ সময় জুৰি স্পেইনে ইউৰোপক ৰাজনৈতিক আৰু সামৰিক দিশত প্ৰভুত্ব বিস্তাৰ কৰি ৰাখিছিল। ১৭শ শতিকাৰ দ্বিতীয়ার্ধত পিছৰ পর্যায়ৰ হেপচবার্গীয় ৰজাসকলৰ শাসনত ইয়াৰ ক্ৰমান্বয়ে পতন ঘটিবলৈ ধৰে।

১৪.৩ কাৰণসমূহ

● পটভূমি

চার্লচ দ্বিতীয়ৰ মৃত্যুয়ে স্পেইনত হেপচবার্গ বংশৰ অন্ত আৰু ফৰাচী বুর্বন (Bourbon) বংশৰ আগমনক চিহ্নিত কৰে। ফৰাচী সম্ৰাট ল্যুই চর্তুদশে তেওঁৰ নাতিক পঞ্চম ফিলিপৰ নামত স্পেইনৰ চর্তুদশে ৰজাৰূপে ঘোষণা কৰে। পঞ্চম ফিলিপ স্পেইনৰ প্ৰথম বুর্বন বংশীয় ৰজা আছিল। বুর্বন ৰাজশাসনৰ অধীনত, স্পেইন এলানি উত্তৰাধিকাৰী লাভৰ যুদ্ধত অংশগ্ৰহণ কৰিবলগীয়া হৈছিল— প্ৰথম আছিল পোলেণ্ডৰ উত্তৰাধিকাৰ যুদ্ধ, দ্বিতীয়তে অষ্ট্ৰিয়াৰ উত্তৰাধিকাৰ যুদ্ধ আৰু তৃতীয়তে ১৭৩১ চনত সংঘটিত সাত বছৰীয়া ৰণ। ১৭৯৩ চনত, স্পেইনে প্ৰজাতান্ত্ৰিক ফ্ৰান্সৰ বিপক্ষে বিদ্ৰোহৰ এক প্ৰচেষ্টা চলাই যদিও, সফলতা লাভ কৰাত অসমর্থ হয়। ফ্ৰান্সে স্পেইনক নিজৰ অধীনলৈ নিয়ে আৰু নেপনিয়ই তেওঁৰ ভ্ৰাতৃ, জোছেফক স্পেইনৰ সিংহাসনত অধিষ্ঠিত কৰিবলৈ সক্ষম হয়। ১৮১০ চনলৈকে ফৰাচী সৈন্যবাহিনীয়ে স্পেইনৰ মধ্য আৰু উত্তৰৰ অধিকাংশ অঞ্চলতেই কৃতৃত্ব স্থাপন কৰিবলৈ সক্ষম হ'ব।

এই সময়ছোৱাত স্পেইন এক ৰাজনৈতিক উত্থান-পতনৰ মাজত আৱদ্ধ হৈ পৰিছিল। সমসাময়িকভাৱে এই সময়ছোৱাত স্পেইনৰ জাতীয়তাবাদৰো অভ্যুৎত্থান ঘটিছিল। ফার্চিনাণ্ডৰ শাসন কালচোৱাত স্পেইনত এক প্ৰতিক্ৰিয়াশীল শাসন কালৰ সূচনা হৈছিল য'ত উদাৰ মতবাদসমূহ ধ্বংস কৰা হৈছিল আৰু ইয়াৰ ফলত এলানি গৃহযুদ্ধৰ সূচনা হৈছিল। এই সময়খিনিতে কার্লিজিম (Carlism)ৰ মতবাদৰ উত্থান ঘটিছিল।



জানি থোৱা ভাল

কার্লিজিম ঃ প্ৰকৃতিগতভাৱে ৰাজতন্ত্ৰবাদী, কার্লিজিম আছিল উদাৰতাবাদৰ বিপক্ষে এক প্ৰতিক্ৰিয়াশীল আন্দোলন। ই প্ৰাচীন প্ৰচলিত নীতি-নিয়মক সংৰক্ষিত কৰাত গুৰুত্ব আৰোপ কৰিছিল। ১৮২০ত ই ইয়াৰ আঁৰৰ কাৰণসমূহ হেৰুৱাবলৈ আৰম্ভ কৰে আৰু ১৮৭৩ চনত ইয়াৰ সমাপ্তি ঘটে। ফার্দিনাণ্ড সপ্তমৰ ৰাজত্বকালৰ শেষৰপিনে তেওঁৰ সমস্যাজর্জৰিত শাসনকালৰ ফলত কার্লিজিম এক দলৰূপে গঠিত হৈছিল। কার্লিজিম, ৰজা আৰু কেথলিজিমৰ অধীনত এক জাতীয় গোটৰূপে প্ৰতিষ্ঠিত হৈছিল। কার্লিজিমৰ মূল বাণী আছিল 'ভগৱান, দেশ আৰু ৰজা'।

উদাৰতাবাদী টোৰ আঁৰত আছিল ক'ৰ্টেজ কাড্ডিজ (১৮১০-১৮১৪), স্পেইনৰ জাতীয় সভা। স্পেনিছ উদাৰবাদীসকলে সাম্প্ৰতিক ৰাজনৈতিক আৰু সামাজিক-অৰ্থনৈতিক দিশত এক ক্ৰমাগত পৰিৱৰ্তনৰ প্ৰতি আশা পোষণ কৰিছিল, যিয়ে দেশত সাৰ্বভৌমত্ব প্ৰতিষ্ঠা কৰিব। কিন্তু, ১৮২৩ত সম্পূৰ্ণ ৰাজতন্ত্ৰই উদাৰতাবাদীসকলৰ হাতৰ পৰা ক্ষমতা হস্তগত কৰে। কাৰ্লিষ্ট আৰু উদাৰতাবাদীসকলৰ মাজত এক ক্ৰম বিভাজনে গা কৰি উঠিছিল।

১৮৩৩ চনত সম্ৰাট ফাৰ্ডিনাণ্ড সপ্তমৰ মৃত্যুৰ পিছত প্ৰতিনিধি ক্ৰিষ্টিনাই শাসন কাৰ্য চলায়। নতুন শাসকে যথেষ্ট বিৰোধিতাৰ সন্মুখীন হয় আৰু ৰাজতন্ত্ৰৰ বিপক্ষে এক প্ৰতিবাদৰ ঢৌ গা কৰি উঠিছিল। মধ্যবিত্তীয় আৰু নিম্ন বৰ্গীয় শ্ৰেণীৰ উদাৰতাবাদীসকলে ইয়াত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল।

১৮৬৮ চনৰ স্পেইন বিপ্লৱ সম্ৰাজ্ঞী ইজাবেল দ্বিতীয়ক ওফৰোৱা কেৱল মাত্ৰ এক সামৰিক বিদ্ৰোহেই নাছিল। প্ৰথমবাৰৰ বাবে, ই এক ৰাজনৈতিক পৰিৱৰ্তনৰ সূচনা কৰিছিল। যিয়ে স্পেইনৰ ৰাজনৈতিক ব্যৱস্থাটোৰ ৰাজনৈতিক ভেটিৰ পৰিৱৰ্তন ঘটাইছিল। সংসদীয় ৰাজতন্ত্ৰৰ পৰা স্পেইনৰ গণতান্ত্ৰিক ৰাজতন্ত্ৰলৈ পৰিৱৰ্তন ঘটিছিল, যি পাছৰ পৰ্যায়ত ক্ৰমে যুক্তৰাষ্ট্ৰীয় গণৰাজ্যলৈ, আকৌ এক গণৰাজ্যৰ ৰূপত এক সামৰিক একনায়কত্ববাদ প্ৰতিষ্ঠাপিত হৈছিল। বুৰ্বন বংশৰ পুবৰ ক্ষমতাধিষ্ঠ হোৱাৰ দ্বাৰা এই সময়ছোৱাৰ অৱসান ঘটিছিল। যিয়ে পুনৰ গণতন্ত্ৰক মযিমুৰ কৰি ৰাজতন্ত্ৰৰ প্ৰতিষ্ঠাৰ ইংগিত দিছিল।

১৮৬৮ৰ ১৭ ছেপ্টেম্বৰত কাৰ্ডিজ বন্দৰত স্পেনিছ নৌ বাহিনীৰ বিদ্ৰোহ এক বিপ্লৱৰ আৰম্ভণি আছিল যিয়ে স্পেইনৰ ইতিহাসত প্ৰথমবাৰৰ বাবে গণতান্ত্ৰিক ৰাজনৈতিক সম্পৰীক্ষাৰ সূচনা ঘটাইছিল।

● বিপ্লৱৰ কাৰণসমূহ

১৮৩০ ৰ দ্বিতীয়াৰ্ধত, স্পেইন এক অনিশ্চিত অৰ্থনৈতিক অৱস্থা আৰু গভীৰ ৰাজনৈতিক সংকটত আৱদ্ধ হৈ পৰিছিল। নগৰীয়া বিকশৰ ক্ষেত্ৰতো, ১৮৬৮ চনত স্পেইন অন্য ইউৰোপীয় শক্তিসমূহ যেনে ইংলেণ্ড আৰু ফ্ৰান্সৰ তুলনাত এক শতিকা পিছপৰি আছিল। অৰ্থনৈতিকভাৱে ফ্ৰান্স এখন কৃষিপ্ৰধান দেশ আছিল আৰু ইয়াৰ কৃষকৰ অৱস্থা পশ্চিম ইউৰোপৰ কৃষকতকৈ সামান্যতমহে উন্নত আছিল। জমিদাৰসকলৰ অৰ্থনৈতিক প্ৰভুত্বৰ অধীনত আৰু চাৰ্চ/গীৰ্জৰ আধ্যাত্মিক কৃতৃত্বৰ অধীনত, কৃষকসকল ৰাজনৈতিকভাৱে উদাসীন আৰু সামাজিকভাৱে অজ্ঞ আছিল। ১৮৫৪ত আৰম্ভ হোৱা অৰ্থনৈতিক উদাৰীকৰণৰ পিছত, স্পেনিছ পুঁজিবাদীসকলে তেওঁলোকৰ পুঁজি নতুনকৈ বিকশিত হোৱা খণ্ডত বিনিয়োগ কৰিছিল ঃ বেংক আৰু ৰে'লখণ্ডত। কিন্তু, উভয়খণ্ডৰ কোনোটোৱে অংশীদাৰসকলৰ প্ৰতি দায়বদ্ধতা পূৰণ কৰিব পৰা নাছিল।

ৰে'লপথ নিৰ্মাণ কাৰ্য চলি থকা সময়ত ই যথেষ্ট সংখ্যক লোকক নিয়োজিত কৰিছিল।

কিন্তু নির্মাণ কার্যৰ সমাপ্তিৰ লগে লগে, ই বৃহৎ ভিত্তিত নিবনুৱাৰ সৃষ্টি কৰিছিল। এই বিপর্যৰ প্রভাৱ বাণিজ্যৰ ক্ষেত্রখনতো পৰিছিল। অন্যহাতে নিয়োজিত সংখ্যা হ্রাসৰ লগে লগে, উপভোক্তা ক্ষমতাও নিম্নগামী হয়। সাধাৰণ নাগৰিকে পৰোক্ষ কৰৰ বোজা বহন কৰিবলগীয়া হৈছিল। য'ত নাগৰিকৰ দৈনন্দিন ব্যৱহৃত প্রয়োজনীয় সামগ্রীত কৰ আৰোপ কৰা হৈছিল। সেয়েহে, এনেধৰণৰ কৰৰ বিৰোধিতাও চৰকাৰৰ বিৰুদ্ধে নাগৰিকক সংগঠিত কৰাৰ বাবে এক কাৰক হৈ উঠিছিল।

এনে সময়ত, ৰাষ্ট্রই সাধাৰণ নাগৰিকৰ সমস্যাসমূহৰউপশমৰ হেতু কোনো পদক্ষেপ লোৱা নাছিল। বিপৰীতে, ৰাষ্ট্রই ৰাজহৰ ৭০% অ-উৎপাদনশীল কার্যকলাপ যেনে ৰাষ্ট্রৰ ঋণ পৰিশোধ, পেঞ্চন, প্রতিৰক্ষা, পুলিচ বাহিনী ইত্যাদিত ব্যয় কৰিছিল, আৰু দেশৰ প্রধান অর্থনৈতিক কার্যকলাপ কৃষিকার্যৰ বিকাশ আৰু আধুনিকৰণক উপেক্ষা কৰিছিল। ১৯৬৮ত এক শোচনীয় শস্যৰ ফলত ইতিমধ্যে কঠিন পৰিস্থিতিক আৰু অধিক শোচনীয় কৰি তুলিছিল।

গীর্জা, সৈন্যবাহিনী আৰু অভিজাত শ্রেণীৰ হাতত এতিয়াও ক্ষমতা বর্তি আছিল। স্পেনিচ গীর্জা প্রচলিত/ৰীতিগত প্রতিক্রিয়াশীল আদর্শৰ চূড়ান্ত প্রতীক আছিল। ইজাবেল দ্বিতীয়ৰ শাসন কালচোৱাত স্পেনিছ গীর্জাই ৰাজসিংহাসনৰ প্রতি শক্তিশালী সমর্থন আগবঢ়াইছিল। ইজাবেল দ্বিতীয়ৰ ৰূপত, স্পেনিছ যাজকসকলে তেওঁলোকৰ স্বার্থৰ এক ৰক্ষক লাভ কৰিছিল। আগৰ শতিকাসমূহতকৈ গীর্জা ৰজাৰ ওপৰত অধিক পৰিমাণে নির্ভৰশীল আছিল, কাৰণ চার্লচ তৃতীয় (১৭৫৯-১৭৮৮)ৰ শাসনকালত সংঘটিত বাজেয়াপ্তকৰণ আৰু জাতীয়কৰণৰ হেতু গীর্জাই ইয়াৰ যথেষ্ট সম্পত্তি ইতিমধ্যে হেৰুৱাইছিল। অর্থনৈতিক স্বাধীনতা হেৰুৱাই, ১৮৫১ চনৰ (কনকৰডেট) আজ্ঞাপত্রৰ দ্বাৰা চৰকাৰৰ অংশ হৈ উঠিছিল, যি ইয়াক বিত্তীয়ভাৱে সহায় কৰিছিল আৰু ইয়াৰ একাধিপত্য ৰক্ষা কৰি চলিছিল। শিক্ষা ব্যৱস্থাতো গীর্জাৰ এক উল্লেখযোগ্য প্রভাৱ আছিল।

সৈন্য বাহিনীতো নিজৰ কেৰিয়াৰৰ উন্নতি আৰু সামাজিক সমানৰ দিশত উচ্চাকাংক্ষা পোষণ কৰা সামৰিক বিষয়াৰ দ্বাৰা অত্যাধিকভাৱে বোজাযুক্ত হৈ আছিল। ইজাবেল দ্বিতীয় শাসনকালচোৱাত চৰকাৰৰ নেতাসমূহ প্রায় সামৰিক আছিল— ইচপাৰটেৰ', নাৱভেজ, গঞ্জালেজ ব্রেভ', অ'ডনেল ইত্যাদি। ৰাণীক ক্ষমতাচ্যুত কৰা ৪ গৰাকী মুখ্য ব্যক্তিৰ ভিতৰত, প্রিম আৰু ছেৰেন' জেনেৰেল আছিল আৰু অন্য এজন টপেট এগৰাকী এডমিৰেল আছিল। ৰাণী ইজাবেল দ্বিতীয় তেওঁলোকক উচ্চ অসামৰিক আৰু সামৰিক পদত নিয়োগ কৰি তেওঁলোকৰ আনুগত্য ক্রয়ৰ প্রচেষ্টা চলাইছিল। একমাত্র এই কাৰণতেই তেওঁলোকে এক বৃহৎসংখ্যক অসামৰিক পদত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছিল।

১৮৬০ চনৰ দ্বিতীয়ার্ধত এক ৰাজনৈতিক সংকটেও প্রাদুর্ভাৱ ঘটিছিল। বিপ্লৱত

অগ্রণী ভূমিকা গ্রহণ কৰা দুটা প্রধান ৰাজনৈতিক শিবিৰ আছিল। ইয়াৰ ভিতৰত, এটা শিবিৰত নৰমপন্থী ৰাজতন্ত্রবাদীসকল আছিল যিয়ে এক 'নৰম/মধ্যমীয়া বিপ্লৱক' সমর্থন কৰিছিল আৰু অন্যহাতে আছিল গণতান্ত্রিক দল আৰু প্রজাতান্ত্রিকসকল। যিয়ে এক গভীৰ পৰিৱর্তনৰ বাবে কোনো পথেই খোলা নাছিল। 'চৰকাৰৰ পৰিৱর্তনৰ বাবে একমাত্র উপায় আছিল 'সামৰিক অভ্যুত্থান।' অন্য কাৰকসমূহৰ ভিতৰত স্পেনিছ জাতি গঠনৰ মন্থৰ গতিয়ে ইজাবেল দ্বিতীয় শাসনক গভীৰ ক্ষমতালৈ ঠেলি দিছিল আৰু যথেষ্ট পৰিমাণে প্রশ্ন উত্থাপিত হৈছিল।

জাতীয় আঁচনিৰ ক্ষেত্রতো দুটা ভিন্ন আর্হি আছিল, এটা প্রগতিবাদীসকলৰ দ্বাৰা আগবঢ়োৱা আৰু আনটো নৰমপন্থীসকলৰ দ্বাৰা। অন্যহাতে, স্পেইনৰ উদাৰবাদী ৰাষ্ট্র ৰাজনৈতিক আৰু অর্থনৈতিকভাৱে দুর্বল আছিল আৰু ই ব্যাপক হাৰত প্রশাসনিক দুর্বলতা আৰু অঞ্চলগত অসমতাৰ দ্বাৰা আক্রান্ত আছিল।

আনহাতে, ইটালীৰ একত্রীকৰণ আৰু ৰোমৰ প্রশ্নও স্পেইনৰ ৰাজনীতত এক গভীৰ প্রভাৱ পেলাইছিল। ১৮৬৫ চনত স্পেইনে ইটালীক স্বীকৃতি প্রদান কৰাৰ ফলত ৰক্ষণশীল কেথলিকসকল ক্ষুণ্ণ হৈছিল আৰু ইয়াৰ পাছৰ পর্যায়ত কেথলিক পতাকাৰ অধীনত নির্বাচনী প্রার্থী আগবঢ়াইছিল। ইজাবেল দ্বিতীয় পতনৰ লগতে, এই নব্য-কেথলিকসকলে কার্লিটসকলৰ প্রতি তেওঁলোকৰ সমর্থন আগবঢ়াইছিল, যিয়ে মাদ্রিদৰ ডিউকৰ হকে স্পেনিছ সিংহাসন লাভ কৰিব বিচাৰিছিল।

উপৰোক্ত কাৰকসমূহৰ বাদেও, ক্রমান্বয়ে দুর্বল হৈ অহা শাসনৰ প্রতি গঢ় লৈ উঠা বিৰোধিতাই বৈপ্লৱিক ৰাজনৈতিক অভিজাতসকলক একত্রিত কৰিছিল। যিসকলে ইজাবেল দ্বিতীয় শাসনৰ পৰা দূৰত্ব বর্তাই চলিছিল। ১৮১২ চনৰ বিপ্লৱ, ফার্দিনাণ্ড সপ্তমৰ সম্পূর্ণবাদ আৰু ১৮৩৭ৰ সংবিধানে স্পেইনৰ আভিজাত শ্রেণীটোক ৰাজনৈতিকৰ পৰা বঞ্চিত কৰিছিল। ইজাবেল দ্বিতীয় শাসনকালত অধিকাংশ শীর্ষ ৰাজনীতিবিদ নতুনকৈ সৃষ্টি হোৱা অভিজাত শ্রেণীটোৱহে অন্তর্ভুক্ত আছিল। সাধাৰণ নাগৰিকৰো সামৰিক উচ্চ স্থানত অধিষ্ঠিত হোৱাৰ নগণ্য সংখ্যক উদাহৰণ দেখিবলৈ পোৱা গৈছিল।

১৮৬৮ চনত ইজাবেলক ক্ষমতাচ্যুত কৰাৰ উদ্দেশ্য একত্রিত হোৱা দলসমূহৰ ভিতৰৰ প্রগতিশীল আৰু উদাৰতাবাদী গোটসমূহত যথেষ্টসংখ্যক উচ্চ/অভিজাত শ্রেণীৰ লোক আছিল। মাদ্রিদৰ ৰাজনৈতিক নেতাসমূহে, অভিজাত শ্রেণীৰ সদস্যসকলৰ, তেওঁলোকৰ প্রভাৱৰ হেতু, সমর্থনক আদৰণি জনাইছিল।

বুর্জোৱাসকলতকৈ পেছাদাৰী শ্রেণীৰ মাজত অধিক গতিত ৰাজনৈতিক সচেতনতা বৃদ্ধি পাইছিল। পেছাদাৰী/বৃত্তিধাৰী লোকসকলৰ মাজৰ পৰাই প্রচলিত শাসন ব্যৱস্থাৰ অদক্ষতা আৰু নৈৰাজ্যক প্রত্যাহ্বান জনোৱাৰ উদ্দেশ্য নতুন নেতৃত্বৰ সৃষ্টি হৈছিল। আটাইতকৈ সংখ্যাধিক আছিল কৃষকসকল আৰু ক্রমান্বয়ে বৃদ্ধি পাই

অহা শ্ৰমিক শ্ৰেণী। স্পেনিজ জাতিৰ গৰিষ্ঠভাগেই কৃষকৰে গঠিত আছিল। শ্ৰমিক শ্ৰেণীৰ বিষয়ে ক'বলৈ গ'লে, সকলো পশ্চিম ইউৰোপৰ দেশৰ দৰেই শ্ৰমিক শ্ৰেণীৰ মাজত ৰাজনৈতিক সজাগতা যথেষ্ট বিকাশ ঘটিছিল। ১৮৬০ত শ্ৰমিক সংঘৰ আন্দোলন এক উল্লেখযোগ্য কাৰক হৈ উঠিছিল, আংশিকভাৱে ইয়াৰ প্ৰজাতন্ত্ৰৰ প্ৰতি সমৰ্থনৰ হেতু।

১৮৬৮ চনৰ আগলৈকে স্পেইনত কোনোধৰণৰ প্ৰভাৱশালী সমাজবাদী সংগঠন নাছিল, কিন্তু এটা প্ৰজন্ম আগৰ পৰাই আদৰ্শগত মতবাদৰ প্ৰচাৰ চলিছিল। ১৮৫০ চনৰ আগৰপৰাই বুদ্ধিজীৱীসকলৰ মাজত কেবেট, ফুৰিয়ে, ব্লেংক আৰু লাচালেৰ তত্ত্বৰ প্ৰচাৰ ঘটিছিল আৰু ক্ৰমান্বয়ে সমাজৰ তলৰ স্তৰলৈ গতি কৰিছিল। কাড়িজ, মাদ্ৰিদ আৰু বাৰ্চিলোনা আদিত প্ৰাৰম্ভিক পৰ্যায়ত সমাজবাদীসকলৰ প্ৰচাৰধৰ্মী কাম-কাজে শ্ৰমিক আন্দোলন গঢ়ি তোলাত প্ৰত্যক্ষ ৰূপত সহায় কৰিছিল।

ইজাবেল দ্বিতীয় সিংহাসনত থকা পৰ্যন্ত তেওঁৰ ব্যক্তিগত গোড়া কেথলিজিম মতবাদ বিশ্বাস আৰু পৰিষদত যাজক/পুৰোহিতৰ দলৰ প্ৰভুত্বৰ বাবে কেথলিকৰ বিশেষাধিকাৰৰ ওপৰত কোনোধৰণৰ হস্তক্ষেপ কৰাটো অসম্ভৱ হৈ পৰিছিল। তেওঁৰ বিৰোধীসকলে জানিছিল যে ইজাবেল দ্বিতীয়ৰ পতনৰ লগে লগে, স্পেইনত গীৰ্জাৰ আধিপত্যৰো অৱসান ঘটিব। বিসম্বাদ/বিৰোধিতা ধীৰ গতিত কৃষক শ্ৰেণীৰ মাজতো প্ৰৱেশ ঘটিছিল, যি ক্ষেত্ৰত মাটিৰ অধিকাৰৰ পিছতেই এই প্ৰশ্নটিয়ে তেওঁলোকক আকৰ্ষিত কৰিছিল। পুৰোহিত শ্ৰেণীৰ বিৰোধিতাই ঘাইকৈ চহৰসমূহত ঘটিছিল। য'ত ই প্ৰচলিত ব্যৱস্থাৰ বিৰোধিতাৰ/প্ৰতি অসন্তুষ্টিৰ এক অংশ হৈ পৰিছিল আৰু ইয়াৰ লগতে ৰাজনৈতিক আৰু সামাজিক পৰিৱৰ্তনৰ ক্ৰমবৰ্ধমান দাবী উত্থাপন হৈছিল। উত্তেজনা ক্ৰমান্বয়ে বৃদ্ধি পাইছিল আৰু সংকট আসন্ন হৈ পৰিছিল। স্পেনিছ নৰমপন্থীসকলে আৰু উদাৰতাবাদীসকলে বৃটিছ সংসদীয় ব্যৱস্থা আৰু লগতে ফ্ৰান্সৰ বৈপ্লৱিক সাৰ্বভৌমত্বৰ ধাৰণাক তেওঁলোকৰ ৰাজনৈতিক লক্ষ্যৰ আৰ্হি হিচাপে লৈছিল। সৈন্যবাহিনী আৰু নৌ-বাহিনীৰ মাজত এক বিক্ষোভ/অসন্তুষ্টিয়ে দেখা দিছিল যি সবাতোকৈ ভয়ংকৰ কাৰক হৈ উঠিছিল। ১৮৬৬ চনৰ পৰাই চলি অহা চৰকাৰৰ দমনমূলক নীতি, লগতে কঠোৰ কৰ নীতিৰ ফলত উদ্যোগ আৰু বাণিজ্যত এক বিত্তীয় সংকট আৰু গভীৰ অসহজতা বিৰাজ কৰিছিল। উৎপাদনৰ নিম্ন হাৰ, সামগ্ৰীৰ মূল্যবৃদ্ধি, নিবনুৱা সমস্যাৰ বৃদ্ধি আদি সমস্যা ১৮৬৮ চন পৰ্যন্ত এক ব্যাপক ৰূপ গ্ৰহণ কৰে। যিয়ে চৰকাৰৰ অধিক দুৰ্নাম আনিছিল।

১৮৬৮ চনৰ বিপ্লৱ কেৱল মাত্ৰ এখ সামৰিক অভ্যুত্থানত আৱদ্ধ নাথাকি, প্ৰকৃতাৰ্থত ই এক ৰাজবংশ-বিৰোধী ৰূপ ধাৰণ কৰিছিল। ই গণতান্ত্ৰিক চৰিত্ৰৰ দ্বাৰা চিহ্নিত এক উদাৰবাদী আন্দোলন আছিল। হাত প্ৰজাতন্ত্ৰৰ সমৰ্থকসকলে এক মুখ্য ভূমিকা গ্ৰহণ কৰিছিল।

ইজাবেল দ্বিতীয় পতন ঘটোৱা এই বিপ্লৱে এক তীব্ৰ/অনিয়ন্ত্ৰিত ৰাজনৈতিক পৰিৱৰ্তনৰ সূচনা কৰিছিল। বুৰ্বন ৰাজবংশৰ পতনৰ সৈতে এক ক্ষমতা শূণ্য পৰিস্থিতিৰ সৃষ্টি হৈছিল। এই শূণ্যতা বৈপ্লৱিক কমিটী বা বৈপ্লৱিক জুণ্টা সমগ্ৰ পেইন জুৰি গঠনৰ দ্বাৰা পূৰণ কৰা হৈছিল।

একমাত্ৰ উত্তৰ-পূব স্পেইন অংশৰ কিছুসংখ্যক স্থানক বাদ দি য'ত ছেপ্টেম্বৰৰ শেষলৈকে প্ৰতিৰোধ বৰ্তি আছিল, বাকী অংশত অভ্যুত্থানৰ সমাপ্তি ঘটিছিল। ইতিমধ্যে ইজাবেল আৰু পৰিয়ালে ফ্ৰান্সলৈ গৈ নেপলিয়নৰ ওচৰত আশ্ৰয় লৈছিল। ১৮৬৮ চনৰ বিপ্লৱৰ সমৰ্থনত দেখা দিয়া এই সমৰ্থন ১৮৭৩ চনত এক প্ৰজাতান্ত্ৰিক সমৰ্থনলৈ পৰ্যবসিত হৈছিল। ই ৰাজপথৰ প্ৰতিবাদ, সংগঠনৰ প্ৰসাৰতা আৰু প্ৰজাতান্ত্ৰিক সমাজবাদৰ মাধ্যমেৰে প্ৰসাৰতা লাভ কৰিছিল। যিসমূহ উদাৰবাদৰ নতুন আৰ্হিৰ ভিতৰত বিকশিত হৈছিল। বিপ্লৱৰ নেতৃবৰ্গ ইয়াৰ তূৱ্ৰতা আৰু যি সহজভাৱে ই সম্পন্ন হৈছিল তাত আচৰিত হৈছিল। কিন্তু, তেওঁলোকৰ হাতত থকা কঠিন কাম আছিল পতন হোৱা শাসনৰ স্থানত এক নতুন শাসন ব্যৱস্থা/চৰকাৰৰ প্ৰতিষ্ঠা কৰা যি দেশৰ সুস্থিৰতা নিশ্চিত কৰাৰ লগতে একে সময়তে বিপ্লৱক উদগণি জনোৱাসকলৰ আকাংক্ষাসমূহক পূৰণ কৰাটো।

পিছৰ পৰ্যায়ত প্ৰমাণিত হৈছিল যে, পুৰণি শাসন ব্যৱস্থাটোক সলাব যাওঁতে দেশখন এক অৰাজকতা, অৰ্থনৈতিক দুৰ্যোগ আৰু গৃহযুদ্ধৰ পিনে গতি কৰিছিল। যি পিছত ফ্ৰান্স-প্ৰছিয়া যুদ্ধৰ কাৰকৰূপে চিহ্নিত হৈছিল। বিপ্লৱ সংঘটিত কৰা গোটসমূহৰ মাজৰ একমাত্ৰ যোগসূত্ৰ আছিল বুৰ্বন বংশৰ স্বৈৰাচাৰী শাসন বন্ধ কৰাৰ উমৈহতীয়া বাসনা আৰু লগতে সিংহাসনৰ পৰা এনে এগৰাকী মহিলাক আতৰ কৰাতো যাৰ ব্যৱহাৰ আৰু নীতিয়ে গীৰ্জা আৰু একাংশ অভিজাত শ্ৰেণীক বাদ দি সমগ্ৰ ৰাষ্ট্ৰকে এঘৰীয়া কৰিছিল। উল্লেখিত কাৰণৰ বাদে, বিৰোধীৰ মাজত কোনোধৰণৰ চুক্তি নাছিল। বৈপ্লৱিক কমিটিসমূহে অস্থায়ী চৰকাৰৰ প্ৰতি শাসন/ক্ষমতা হস্তান্তৰ কৰিছিল, যিয়ে ৰাণীৰ অনুপস্থিতিত নিজৰ হাতত ক্ষমতা কেন্দ্ৰীভূত কৰিছিল। নতুন চৰকাৰে আন্তৰ্জাতিক পৰ্যায়ত স্বীকৃতি লাভ কৰিছিল। সাংবিধানিক সভাৰ নিৰ্বাচনত প্ৰজাতান্ত্ৰিকসকলে ২৩% দখল কৰি, সংখ্যাগৰিষ্ঠ ৰাজতন্ত্ৰৰ সন্মুখীন হৈছিল।

ৰাজনৈতিক পৰিৱৰ্তনৰ লগতে নাগৰিকসকলক ৰাজনৈতিক অধিকাৰ প্ৰদানৰ প্ৰক্ৰিয়াও আৰম্ভ হৈছিল। ভোটাধিকাৰৰ অধিকাৰৰ সম্প্ৰসাৰণ ঘটোৱা হৈছিল বাধানিষেধ আতৰাই ৰাজনৈতিক অংশগ্ৰহণৰ অধিক স্থান মোকলাই দিয়া হৈছিল।

১৮৬৯ চনৰ সংবিধানে এক নতুন উপাদান, সাৰ্বজনীন পুৰুষ ভোটাধিকাৰৰ সূচনা কৰিছিল। যিয়ে ৰাজতন্ত্ৰক এক গণতন্ত্ৰলৈ পৰিৱৰ্তন ঘটাইছিল। সংবিধানে প্ৰতিষ্ঠা কৰিছিল যে সাৰ্বভৌমত্ব ৰাষ্ট্ৰত নিহিত হৈ থাকে আৰু ৰজাৰ সৈতে ই জড়িত নহয়। ১৮৬৮ চনৰ বিপ্লৱে এই অধিকাৰৰ প্ৰতি স্বীকৃতি প্ৰদান কৰিছিল আৰু সংবাদপত্ৰৰ

স্বাধীনতাকো স্বীকৃতি দিছিল।

সংবিধানৰ সন্মতিৰ সৈতে, স্পেইন এখন ৰজাবিহীন ৰাজতন্ত্ৰলৈ পৰিৱৰ্তিত হয়। নেতৃত্বত দেখা দিয়া শূণ্যস্থান প্ৰতিনিধিৰূপে জেনেৰেল চেৰানৰ দ্বাৰা আৰু জেনেৰেল প্ৰিমক চৰকাৰৰ মূৰব্বীৰূপে পূৰণ কৰা হৈছিল। চেভয়'ৰ আমাতিঅ'ক ১৮৭০ত স্পেইনৰ সম্ৰাটৰূপে নিৰ্বাচন কৰা হৈছিল।

স্পেইনৰ সম্ৰাটৰ প্ৰতি সমৰ্থনৰ অভাৱ আৰু ৰাজনৈতিক অস্থিৰতাৰ হেতু ১৮৭৩ৰ ফেব্ৰুৱাৰীৰ ১১ তাৰিখে আমাতিও ১ মই সিংহাসন পৰিত্যাগ কৰাৰ ফলত এক নতুন সংকটৰ উদ্ভৱ হয়। এই পৰিস্থিতিত কংগ্ৰেছ আৰু ছিনেটৰ জাতীয় সভাৰ বৈঠকত সকলো ক্ষমতা নিজৰ হাতলৈ নি স্পেইনক প্ৰজাতন্ত্ৰ ৰূপে ঘোষণা কৰে। প্ৰজাতান্ত্ৰিক চৰকাৰে দুখলপীয়া পৰিষদক ভংগ কৰি নতুন এখন বিধান পৰিষদৰ বাবে নিৰ্বাচন আহ্বান কৰে। কিন্তু,এই প্ৰজাতন্ত্ৰ মাত্ৰ দুবছৰৰ বাবেহে বৰ্তি আছিল।

প্ৰজাতন্ত্ৰৰ দুৰ্বলতাৰ বাবে বিভিন্ন কাৰক জগৰীয়া আছিল। প্ৰথমতে প্ৰজাতন্ত্ৰৰ সমৰ্থনকাৰীসকলৰ মাজৰ বিভাজনে প্ৰজাতন্ত্ৰক দুৰ্বল কৰি তুলিছিল আৰু অন্যহাতে, ১৮৬৮ত ইজাবেল দ্বিতীয় আৰম্ভ কৰা কিউবাৰ যুদ্ধই এক গুৰুত্বপূৰ্ণ কাৰক আছিল যিয়ে অৰ্থনৈতিক আৰু ৰাজনৈতিকভাৱে চৰকাৰক সমস্যাত ভুগাইছিল।

তদুপৰি সেই সময়ত দেখা দিয়া কেণ্টনলিষ্ট আন্দোলনে চৰম যুক্তৰাষ্ট্ৰ ব্যৱস্থাক প্ৰবৰ্তন কৰিব বিচাৰিছিল, অন্যহাতে পৰম্পৰাগত ৰাজতন্ত্ৰৰ সমৰ্থক কাৰ্লিষ্টসকলে নতুন গণতান্ত্ৰিক ব্যৱস্থাৰ বিৰোধি আছিল।



জানি থোৱা ভাল

কেণ্টনলিজম ঃ ই আছিল স্বাধীন কেণ্টন প্ৰতিষ্ঠা কৰাৰ অৰ্থে প্ৰথম প্ৰজাতন্ত্ৰৰ অধীনত যুক্তৰাষ্ট্ৰীয়সকলে চলোৱা আন্দোলন। চৰকাৰী বিষয়ববীয়াসকলৰ ওপৰত চলা আক্ৰমণ আৰু হত্যাৰ হেতু হতাহতৰ পৰিমাণ/সংখ্যা যথেষ্ট হৈছিল।

ৰাজনৈতিক অস্থিৰতা আৰুঅসামকি আৰু উপনিৱেশিক যুদধসমূহৰমাজতেই, ১৮৭৪ৰ ২ জানুৱাৰীত সংসদে ইয়াৰ অধিৱেশন আৰম্ভ কৰিছিল। কিন্তু ৩ জানুৱাৰীৰ ৰাতিপুৱা যুক্তৰাষ্ট্ৰীয়সকলৰ নেতা ডন এমিলিঅ' কাষ্টেলাৰে সংসদ ভংগ কৰি, আনুষ্ঠানিকভাৱে প্ৰজাতান্ত্ৰিক একনায়কত্ববাদৰ সূচনা ঘটাই। এইদৰেই প্ৰথম প্ৰজাতন্ত্ৰৰ সমাপ্তি ঘটে। নতুন চৰকাৰে সকলো প্ৰজাতান্ত্ৰিক প্ৰতিনিধিত্বমূলক অনুষ্ঠান যেনে — সংসদ আৰু প্ৰাদেশিক আৰু পৌৰ পৰিষদৰ বিলুপ্তি ঘটাই প্ৰজাতন্ত্ৰক দমন কৰিব আৰম্ভ কৰে আৰু প্ৰজাতান্ত্ৰিক ৰাজনীতিবিদসকলক বিদেশৰ উপনিৱেশসমূহ যেনে— কিউবা, ফিলিপাইন আৰু মাৰিয়ানা দ্বীপলৈ নিৰ্বাসন দিয়ে। ১৮৭৪ৰ শেষৰপিনে, স্পেইন পুনৰ বুৰ্বনসকলৰ অধীনত ৰাজতন্ত্ৰৰ অধীনলৈ যায়।



অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ লিখক ——

প্রশ্ন নং ১ ঃ ১৮৭৪ চনৰ অভ্যুত্থানৰ নেতৃত্ব কোনে প্রদান কৰিছিল ?

.....

প্রশ্ন নং ২ ঃ কোন চনত ফ্রান্সত প্রজাতন্ত্রৰূপে ঘোষিত হয় ?

.....

প্রশ্ন নং ৩ ঃ টপেট' কোন আছিল ?

.....

প্রশ্ন নং ৪ ঃ কালির্জমৰ মূলমন্ত্র বা বাণী কি আছিল ?

.....

প্রশ্ন নং ৫ ঃ ১৮৫১ চনৰ কনকৰডেট (চুক্তিপত্র/আজ্ঞাপত্র) কি আছিল ?

.....

১৪.৪ সংবিধান

স্পেইনৰ ইতিহাসৰ মাগনা কার্টা ৰূপে গণ্য কৰা, ১৮১২ চনৰ সংবিধানে সহকাৰী বা ডেপুটিসকলৰ এক গোট সহিষ্ণুতাক সূচীত কৰিছিল যিয়ে নেপলিয়ন আৰু প্রাচীন/পুৰণি শাসন ব্যৱস্থাই তচনচ কৰি পেলোৱা এক ব্যৱস্থাক পুনৰ গঢ় দিব প্রচেষ্টা চলাইছিল। ১৮১২ চনৰ সংবিধান কাডিজৰপৰা সৃষ্টি হৈছিল আৰু ইয়াৰ এক প্রগতিশীল চৰিত্র আছিল। ই এক সাংবিধানিক গাঁথনি সৌধ সৃষ্ঠি কৰিছিল যিয়ে নাগৰিকসকলৰ অধিকাৰ ৰক্ষা কৰিছিল। ১৮১২ চনৰ সংবিধানত বহুসংখ্যক গণতান্ত্রিক অনুচ্ছেদ/দফা সন্নিবিষ্ট আছিল যিসমূহক পিছত ১৮৩৭ চনৰ সংবিধানৰ খচৰা প্রস্তুত কৰা সময়ত ডেপুটিসকলে আতৰাই দিছিল। ৰজাৰ চূড়ান্ত ভেট প্রদানৰ ক্ষমতা কর্তন কৰা হৈছিল আৰু গৰিষ্ঠসংখ্যক ডেপুটিয়ে সন্মিলিতভাৱে তেওঁৰ ভেট প্রদানৰ ক্ষমতাক নাকচ কৰাৰ ক্ষমতা লাভ কৰিছিল। সংবিধানে কেথলিজিম, ৰোমান আৰু এপষ্টলিকক ৰাষ্ট্রীয় ধর্ম বুলি ঘোষণা কৰিছিল। ১৮১২ চনৰ সংবিধানে এক সুষম প্রশাসনিক ব্যৱস্থা, প্রাচীন অর্থনৈতিক প্রণালীৰ সমাপ্তি, সামন্তীয় সুবিধাসমূহৰ অৱসান, ধর্মীয় বাধা নিষেধৰ অবলুপ্তিকৰণ ইত্যাদিৰ সূচনা কৰিব চেষ্টা চলাইছিল।

১৮৩৭ চনৰ সংবিধানখন এজন ডেপুটিৰ দ্বাৰা খচৰা প্রস্তুত কৰা হৈছিল আৰু তেওঁলোক প্রগতিশীল দলৰ নেতা আছিল। ই আছিল ৩১ অনুচ্ছেদ/দফাযুক্ত এক সংক্ষিপ্ত নথি। ১৮৩৭ চনৰ স্পেইনৰ সংবিধানে যি খলপীয়া সদনৰ ব্যৱস্থা প্রবর্তনৰ দ্বাৰা ৰাজতন্ত্রক শক্তিশালী কৰিছিল। আইনসভা/পৰিষদ/বিধান পৰিষদৰ চিনেট আৰু ডেপুটিৰ কংগ্রেছ-এই দুভাগত বিভক্ত আছিল। ১৮৩৭ চনৰ সংবিধানে 'আধুনিকৰণ' আৰু ৰাজনৈতিক দলসমূহৰ মাজত 'শান্তি' প্রতিষ্ঠাৰ ওপৰত

মনোযোগ দিছিল। ১৮৩৭ৰ স্পেইনৰ সংবিধানৰ ৰূপ কিছুদূৰলৈ ফ্ৰান্স আৰু বেলজিয়ামৰ সংবিধানৰ দৰেই আছিল।

১৮৩৭ৰ সংবিধানে ১৮১২ৰ সংবিধানৰ সকলো নীতি নিয়ম আতৰাই প্ৰত্যক্ষ নিৰ্বাচনৰ সূচনা কৰিছিল। সম্পত্তিৰ অধিকাৰী শ্ৰেণীটোৱে নিৰ্বাচনত ভোটদানৰ ক্ষমতা লাভ কৰিছিল। ৰজাৰ ক্ষমতা বৃদ্ধি ঘটোৱা হৈছিল। দ্বিখলপীয়া বিধান পৰিষদৰ সৃষ্টি বিষয়টি চানচ' আৰু গৰ'জ্জাৰিৰ মাজত বিৰ্তকৰ বিষয়বস্তু হৈ উঠিছিল। ভোটৰ সংখ্যাগৰিষ্ঠতাত, সিদ্ধান্ত চানচ'ৰ সমৰ্থকসকলৰ সপক্ষে গৈছিল। বিতৰ্কৰ অন্য এক প্ৰধান বিন্দু আছিল ৰজাৰ চূড়ান্ত ভেট' প্ৰদানৰ ক্ষমতা। ধৰ্মীয় সহনশীলতাৰ বিষয়টিও এক সংঘাতৰ কাৰণ হৈ উঠিছিল, য'ত গৰিষ্ঠসংখ্যক ডেপুটিয়ে ইয়াৰ বিপক্ষে ভোটদান কৰিছিল।

নতুন সংবিধানে চৰমপন্থী নেতাসকলৰ পৰা যথেষ্ট সমালোচনাৰ সন্মুখীন হ'বলগীয়া হৈছিল। ফাৰ্মিন কেবেলাৰ'ৰ নেতৃত্বত, চৰমপন্থীসকলে কৃতৃত্ববাদী আদৰ্শৰ বিৰোধিতা কৰিছিল। কিন্তু তেওঁলোক গৰিষ্ঠসংখ্যক ভোটত পৰাস্ত হৈছিল আৰু নতুন সংবিধান গৃহীত কৰা হৈছিল।

১৮৪৫ চনৰ সংবিধানে কৰ্টেজৰ ওপৰত কাৰ্যপালিকাৰ ক্ষমতাক পুনৰ সাব্যস্ত কৰিছিল আৰু কংগ্ৰেছে ছিনেটৰ হাতত আইন প্ৰণয়নৰ ক্ষমতা হেৰুৱাইছিল। ছিনেট আছিল ৰজাৰ প্ৰতি অনুগত অভিজাত শ্ৰেণীটোৰ দ্বাৰা গঠিত। কেথলিজিমক ৰাষ্ট্ৰীয় ধৰ্মৰূপে ঘোষণা কৰা হৈছিল আৰু ব্যক্তিগত অধিকাৰসমূহক নতুন সংবিধানৰ দ্বাৰা খৰ্ব কৰা হৈছিল।

১৮৫৪ৰ মাজভাগত এখন নতুন সংবিধানৰ খচৰা প্ৰস্তুত কৰা হৈছিল যদিও ই কেতিয়াও বাস্তবায়িত ৰূপ লাভ কৰা নাছিল।

১৮৬৯ৰ বিপ্লৱৰ পিছত এক উদাৰতাবাদী ডৌ গঢ় লৈ উঠিছিল আৰু সেই ধাৰাতেই কৰ্টেজে এক নতুন সংবিধানৰ খচৰা প্ৰস্তুত কৰিছিল। ১৮৭৬ চনত, ৰাজতন্ত্ৰৰ পুনৰ প্ৰতিষ্ঠাৰ লগে লগে এক নতুন সংবিধানৰ খচৰা প্ৰস্তুত কৰা হয়। সাংবিধানিক ৰাজতন্ত্ৰৰ ধাৰণা আৰু ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ ধাৰণাই এই সংবিধানৰ প্ৰেক্ষাপটৰূপে কাৰ্য কৰিছিল। দ্বি-খলপীয়া সংসদৰ ব্যৱস্থা সমানসংখ্যক ডেপুটি আৰু চিনেটৰসহ বৰ্তি আছিল। সংবিধানে নাগৰিকক ভোটদানৰ অধিকাৰ, সংগঠিত হোৱাৰ অধিকাৰ, উপাসনা কৰাৰ অধিকাৰ ইত্যাদি প্ৰদান কৰাৰ এক প্ৰয়াস কৰিছিল। কৰ্টেজ আৰু ৰজাই সাৰ্বভৌম ক্ষমতা ভগাই লৈছিল। প্ৰত্যেক পাঁচ বছৰৰ মূৰে মূৰে কংগ্ৰেছ আৰু ছিনেটৰ নবীকৰণ কৰা হৈছিল। কেথলিজিমক ৰাষ্ট্ৰীয় ধৰ্মৰূপে ঘোষণা কৰা হৈছিল, যদিও সৰ্বসাধাৰণক ধৰ্মীয় সহনশীলতাৰো নিশ্চয়তা দিয়া হৈছিল। ১৮১২ আৰু ১৮৩৭ চনৰ সংবিধানৰ প্ৰগতিশীল ৰূপৰ বিপৰীতে ই অধিক ৰক্ষণশীল আছিল। এই সংবিধান ১৯২৩ চন পৰ্যন্ত বৰ্তি আছিল।

১৪.৫ অসফলতা

অসফলতা ঃ

যি স্থলত স্পেইনে, স্পেইনৰ ভূমিৰ পৰা ফৰাচী ৰাজতন্ত্ৰৰ ছাঁ ওফৰাই ফৰাচী বিপ্লৱৰ

দ্বাৰা প্ৰতিষ্ঠিত উদাহৰণ অনুসৰণ কৰি এক উদাৰবাদী শাসন প্ৰতিষ্ঠাৰ প্ৰয়াস কৰিছিল। কিন্তু চৰকাৰ পৰিৱৰ্তনৰ উদ্দেশ্য কৰা প্ৰতিটো প্ৰয়াস বিফল হৈছিল।

১৮১২ চনৰ সংবিধান আদৰ্শগতভাৱে যথেষ্ট ৰোমাণ্টিচিজিমা ধাৰণাৰে ৰচিত হৈছিল আৰু যাৰ বাবে সম্ৰাট ফাৰ্ডিনাণ্ডে সহজে ইয়াক বিলুপ্তি ঘটাব পাৰিছিল। বিফলতা স্বত্বেও এই সংবিধান এক মাইলৰ খুটি ৰূপে চিহ্নিত হৈছিল। মাৰ্ক্সৰ অনুসৰি ১৮১২ৰ স্পেইনৰ সংবিধান এক নিৰ্ভেজাল প্ৰয়াস আৰু স্পেনিছ বৌদ্ধিক জীৱনৰ এক ফচল আছিল।

১৮৬৯ত বিপ্লৱৰ পিছত কৰ্টেজে প্ৰস্তুত কৰা সংবিধান উদাৰবাদী আছিল যদিও ই হ্ৰস্ব সময়ৰ বাবেহে আছিল আৰু ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ ওপৰত উল্লেখযোগ্য প্ৰভাৱ পেলাব সক্ষম হোৱা নাছিল। ১৮১২ৰ পৰা ১৮৭৩ লৈকে এই সমগ্ৰ সময়ছোৱাত বিভিন্ন সময়ৰ ব্যধানত ৰচিত সংবিধানসমূহৰ ৰাজনৈতিক চৰিত্ৰ ভিন্ন আছিল। কিন্তু তথাপিও এইসমূহে স্পেইনৰ ৰাজনৈতিক গাঁথনিৰ ওপৰত দীৰ্ঘম্যাদি প্ৰভাৱ সৃষ্টি কৰাত অসমৰ্থ হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক—

প্ৰশ্ন নং ৬ ঃ ১৮১২ চনৰ সংবিধানৰ জনপ্ৰিয়ভাৱে কি নামেৰে জনা যায়?

.....

প্ৰশ্ন নং ৭ ঃ দ্বি-খলপীয়া সংসদৰ কোনে বিৰোধিতা কৰিছিল?

.....

প্ৰশ্ন নং ৮ ঃ কি বিষয়ত কেবালেৰ'ই তেওঁৰ বিৰোধিতা উত্থাপন কৰিছিল?

.....



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যায়ন কৰি আমি জানিব পাৰিলো যে -

- প্ৰথম প্ৰজাতন্ত্ৰ স্থাপন হোৱাৰ সময়ছোৱাত স্পেইন যথেষ্ট সমস্যাৰ মাজেৰে গতি কৰিছিল।
- উদাৰতাবাদী আৰু পৰম্পৰাবাদীসকলৰ মাজত সদায় এক বিবাদ বিৰাজ কৰিছিল আৰু যাৰ ফলত আভ্যন্তৰীণ দুৰ্যোগে দেখা দিছিল।
- স্পেইন বিপ্লৱ আছিল গণতান্ত্ৰিক আৰু সাংবিধানিক পৰিৱৰ্তন অনাৰ বাবে কৰা এক প্ৰচেষ্টাৰ আৰম্ভণি।
- স্পেইনৰ সংবিধানৰ ৰচনাৰ ইতিহাস মসৃণ নাছিল, তথাপিও ই পিছৰ সময়ৰ বাবে এক মাইলৰ খুটি সৃষ্টি কৰিছিল।



১৪.৭ অধিক জানিবলৈ

1) Smith, Willard A. (1957) Napoleom III and the Spain Revolution of 1868 in. *The Journal of Modern History*, (25), 211-233

2) Parker, A.A. (1937) History of Carlism in Spain *Studies : An Irish Quarterly Review,* (26)16-25

3) Blind, Karl (1869). The Spanish Revolution in. *The North American Review* (108) 542-578.



১৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ডন' এমিলিয়' কাষ্টেলাৰ আৰু ডন' মেনুৱেল পাভিয়া।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৮৭৩।

৩ নং প্রশ্নৰ উত্তৰ ঃ সামৰিক জেনেৰেল।

৪ নং প্রশ্নৰ উত্তৰ ঃ ১৪৫১ চনৰ কনকৰডাট বা চুক্তিপত্ৰ অনুসৰি। গীৰ্জা চৰকাৰৰ অংশৰ ভূমিকা পালন কৰিছিলষ যিয়ে গীৰ্জাক বিত্তীয়ভাৱে সহায় কৰিছিল আৰু ইয়াৰ একাধিপত্যক ৰক্ষা/মানি চলিছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ লা পেপা।

৬ নং প্রশ্নৰ উত্তৰ ঃ গৰ'জ্জাৰি।

৭ নং প্রশ্নৰ উত্তৰ ঃ কৃতৃত্ববাদী আদর্শৰ শাসনৰ ওপৰত।



১৪.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

প্রশ্ন ১ ঃ কেণ্টনেলিষ্ট আন্দোলন কি আছিল?

প্রশ্ন ২ ঃ ভিগ্নচেণ্ট চেনচ' কোন আছিল?

প্রশ্ন ৩ ঃ ১৮৩৮ চনৰ স্পেনিছ বিদ্রোহৰ সূতপাত ঘটাৰ এটা কাৰণ উল্লেখ কৰা?

প্রশ্ন ৪ ঃ স্পেইনৰ ইতিহাসত কোনখন সংবিধানক মাগনা কার্টা বুলি জনা যায়?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ ১৮১২ৰ সংবিধানৰ বিষয়ে কাৰ্লমাৰ্ক্সৰ মতামত কি আছিল?

প্ৰশ্ন ২ ঃ স্পেইনৰ সাংবিধানিক ইতিহাসৰ এক চমু বিৱৰণ দিয়ক?

প্ৰশ্ন ৩ ঃ ইস্তাবেল দ্বিতীয়ৰ শাসনৰ বিৰুদ্ধে জনসাধাৰণ কিয় থিয় দিছিল?

প্ৰশ্ন ৪ ঃ চমুটোকা লিখা ঃ

(ক) প্ৰথম স্পেনিছ প্ৰজাতন্ত্ৰ।

(খ) কালিষ্টিসকল।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত লিখিব)

প্ৰশ্ন ১ ঃ ১৮৬৮ৰ স্পেইন বিপ্লৱৰ সূত্ৰপাত ঘটাৰ কাৰকসমূহৰ বিষয়ে আলোচনা কৰক?

প্ৰশ্ন ২ ঃ স্পেইনৰ সংবিধান ৰচনাৰ ক্ষেত্ৰত উদাৰবাদীসকলৰ প্ৰভাৱৰ বিষয়ে সমালোচনাত্মক আলোচনা কৰক?

প্ৰশ্ন ৩ ঃ ১৮৬৮-১৮৭৮ ৰ সময়ছোৱাত স্পেইনৰ অৱস্থাৰ বিষয়ে বিশ্লেষণ কৰক।

*** ***** ***

অধ্যায় ১৫ ঃ ইউৰোপত উদাৰতাবাদ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
- উদাৰতাবাদৰ ৰাজনৈতিক দৃষ্টিভঙ্গী
- উদাৰতাবাদৰ অৰ্থনৈতিক দৃষ্টিভঙ্গী
- উদাৰতাবাদৰ সামাজিক দৃষ্টিভঙ্গী

১৫.৩ উদাৰতাবাদৰ ক্ৰিয়া প্ৰভাৱ ঃ স্পেইন, পৰ্তুগাল, ৰাচিয়া, ব্ৰিটেন, ফ্ৰান্স, বেলজিয়াম
১৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৫ অধিক জানিবলৈ
১৫.৬ অগ্ৰগতিৰ খতিয়ান
১৫.৭ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ইউৰোপত উদাৰতাবাদৰ ব্যাখ্যা কৰিব পাৰিব
- উদাৰতাবাদৰ বিভিন্ন দৃষ্টিভঙ্গীৰ বিষয়ে জানিব পাৰিব আৰু
- উদাৰতাবাদৰ মুখ্য বৈশিষ্ট্যসমূহ আৰু ইউৰোপৰ বিভিন্ন দেশত উদাৰতাবাদৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰিব।

১৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি স্পেইন বিদ্ৰোহৰ বিষয়ে আলোচনা কৰিছিলো।

এই অধ্যায়টিত উদাৰতাবাদ ভাবধাৰা আৰু ইউৰোপত ইয়াৰ প্ৰভাৱৰ বিষয়ে বিশ্লেষণ কৰা হ'ব। উদাৰতাবাদ কোনো এক সুসংগত ধাৰণাৰ সমষ্টি নহয়, বৰং উদাৰতাবাদ হ'ল বিস্তৃত দাৰ্শনিক চিন্তাধাৰাৰ এক সমষ্টি যিয়ে অষ্টাদশ আৰু ঊনবিংশ শতিকাৰ ইউৰোপত প্ৰাৰ্দুভাৱ হোৱাৰ লগতে বিভিন্ন চিন্তধাৰা যেনে, 'লেজিজ্ ফেয়ৰি' (মুক্ত বাণিজ্য), সামাজিক সমতা (egalitarianism) পুঁজিবাদ আদিৰ দৰে ধাৰণাবোৰ নিজৰ লগত কঢ়িয়াই আনিছিল। উদাৰতাবাদ শব্দটো লেটিন ভাষাৰ 'লিবাৰ', যাৰ অৰ্থ মুক্ত শব্দটোৰ পৰা উৎপত্তি হৈছে। অৰ্থাৎ উদাৰতাবাদী ধাৰণাই ৰাজনীতি, অৰ্থনীতি বা সমাজ সকলোতে মুক্ত ভাৱধাৰাৰ সমৰ্থন কৰে। মুক্ত চিন্তাধাৰাৰ উপৰিও উদাৰতাবাদে গুৰুত্ব প্ৰদান কৰা আন এক মতবাদ হ'ল সমতা। সপ্তদশ শতিকাত ইংৰাজ দাৰ্শনিক জন ল'ক ক উদাৰতাবাদ ধাৰণাক এক বিশিষ্ট দৰ্শন হিচাপে প্ৰতিষ্ঠা কৰাৰ কৃতিত্ব প্ৰদান

কৰা হয়। ল'কে টু ট্রিটাইছ অফ গভৰমেন্ট (Two treaties of Government) ৰ জৰিয়তে দাবী কৰিছিল যে মানুহ প্রকৃতিগত ভাৱে মুক্ত আৰু ভগৱানে সকলো লোকক প্রকৃতিগতভাৱে কোনো ৰজাৰ প্রজা হিচাপে সৃষ্টি কৰা ধাৰণাটোক তেওঁ নসাৎ কৰিছিল। নিজৰ ধাৰণাৰ সমর্থনত যুক্তি দর্শাই ল'কে কৈছিল যে সকলো লোকৰে কিছুমান প্রাকৃতিক অধিকাৰ আছে যেনে জীৱনৰ অধিকাৰ; স্বতন্ত্রতা আৰু সম্পত্তিৰ অধিকাৰ; যিবোৰ অধিকাৰ কোনো চৰকাৰে বর্খাস্ত কৰিব নোৱাৰে। এই প্রাকৃতিক অধিকাৰ বোৰ স্বতন্ত্র দর্শনৰ লগতে পিছৰ কালৰ আন্দোলনবোৰৰ প্রধান দাবী হৈ পৰিছিল।

● **উদাৰতাবাদৰ ৰাজনৈতিক দৃষ্টিভংগী**

ৰাজনৈতিকভাৱে, উদাৰতাবাদ দার্শনিক মতবাদে ৰাষ্ট্রৰ সামাজিক চুক্তি তত্ত্ব, প্রতিনিধিত্বমূলক গণতন্ত্র আৰু কল্যাণকামী ৰাষ্ট্রৰ ধাৰণাবোৰক সমর্থন কৰে। ৰাষ্ট্রৰ সামাজিক চুক্তি তত্ত্ব জনপ্রিয় কৰি তুলিছিল প্রগতিবাদী দার্শনিক (Enlightment Philosopher) সকলে যাৰ ভিতৰত অন্যতম হ'ল ৰুচো। ৰুচোৰ মতে সার্বভৌম শক্তিৰ প্রকৃত গৰাকী হ'ল জনসাধাৰণ আৰু এক সামাজিক চুক্তিৰে জনসাধাৰণে এই সার্বভৌমত্ব শক্তিৰ কতৃত্ব ৰাষ্ট্র আৰু গীর্জাক প্রদান কৰে। অন্য অর্থত জনসাধাৰণে চুক্তিৰ জৰিয়তে নিজৰ কল্যাণৰ হকে ৰজা আৰু যাযক শ্রেণীৰ সৃষ্টি কৰিছে। সেয়েহে, ৰজা আৰু যাযকৰ দ্বাৰা শ্রেণীত আইন 'সাধাৰণ ইচ্ছা' (General Wiil) ৰ প্রতিফলন হোৱাটো বাঞ্চনীয়। তেওঁ বিপ্লৱ বৈধ বুলি কৈছে যদিহে ৰজা আৰু যাযক শ্রেণীয়ে 'সাধাৰণ ইচ্ছাৰ' ক্পিৰীতে গৈ আইন প্রণয়ন কৰে বা জনসাধাৰণক প্রাকৃতিক অধিকাৰৰ পৰা বঞ্চিত কৰে।



জানি থোৱা ভাল

ৰুছো আছিল ১৮শ শতিকাৰ ফ্রান্সৰ উদাৰতাবাদী দার্শনিকসকলৰ অন্যতম। নেপোলিয়ন বোনাপার্ট কৈছিল 'ৰুছো অবিহনে এটা বিপ্লৱ অসম্ভৱ হ'লহেঁতেন। ৰুছোৰ তত্ত্বৰ তিনিটা যাদুকৰী শব্দ 'স্বতন্ত্রতা সমতা আৰু ভাতৃত্ববোধ' বিপ্লৱৰ সময়ত মূল মন্ত্র হৈ পৰে লগতে তেওঁৰ সামাজিক চুক্তি তত্ত্ব বৈপ্লৱিক কার্যকলাপৰ বৈধতা স্বীকাৰ কৰে আৰু 'জনপ্রিয় সাব'ভৌমত্ব আৰু প্রাকৃতিক অধিকাৰ ধাৰণা প্রচাৰ কৰিছিল।

ৰাষ্ট্রৰ চুক্তি তত্ত্বৰ লগতে প্রতিনিধিত্বমূলক গণতন্ত্রৰ ধাৰণাটোয়েও ১৯শ শতিকাৰ ইউৰোপত জনপ্রিয়তা লাভ কৰিছিল। উদাৰতাবাদে জনসাধাৰণৰ মতদানৰে গঠিত শাসন-ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। প্রকৃততে, ভোটদানৰ অধিকাৰ উদাৰতাবাদ দর্শনৰ দ্বাৰা প্রভাৱিত আন্দোলনবোৰৰ মুখ্য দাবী হৈ পৰিছিল। ইয়াৰ উদাহৰণস্বৰূপে ১৮শ শতিকাৰ মহিলাৰ অধিকাৰ সম্বন্ধীয়আন্দোলন (Gender movements) ক ল'ব পৰা যায়। যাৰ দ্বাৰা মহিলাসকলে ভোটদানৰ অধিকাৰ দাবী কৰিবলৈ ধৰিছিল।

উদাৰতাবাদে আন কিছুমান ৰাজনৈতিক আৰু নাগৰিক সম্বন্ধীয় অধিকাৰ (Civil Rights) ৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছিল যাৰ প্ৰতিৰূপ The Bill of Rights of U.S.A. (১৭৮৯) জৰিয়তে পৰিস্ফুট হয় আৰু Declaration of the Rights of man and of the Citizen of France (১৭৮৯) ও হ'ল উদাৰতাবাদী দাৰ্শনিক চিন্তাধাৰাৰ প্ৰতিচ্ছবি। Declaration of the Rights of man and of the Citizen স্পষ্টকৈ কৈছিল 'স্বতন্ত্ৰতা হ'ল আনৰ অধিকাৰ খাৰ্বস্ত নকৰাকৈ কৰা যিকোনো কাম (অনুচ্ছেদ ৪) আৰু 'আনে অকল সমাজৰ হানিকাৰক কাৰ্যকলাপৰ ওপৰতহে বাধা আৰোপ কৰিব লাগে।' আইনে বাধা আৰোপ নকৰা কোনো কামতে আন কোনোৱে বাধা আৰোপ কৰিব নোৱাৰে আৰু আইনে বাধা দিয়া কোনো কাম কৰিবলৈ কোনো লোকক বাধ্য কৰাব নোৱাৰে। (অনুচ্ছেদ ৫)

ইয়াৰ উপৰিও এইটোও কোৱা হৈছিল যে 'আইন হ'ল ইচ্ছাৰ বৰ্হি প্ৰকাশ। সকলো নাগৰিকৰে আইন প্ৰণয়নৰ বাবে অনুদান আগবঢ়োৱাৰ অধিকাৰ আছে, এই অনুদান কোনো লোকে ব্যক্তিগতভাৱে বা তেওঁলোকৰ প্ৰতিনিধিৰ জৰিয়তে আগবঢ়াব পাৰে। (অনুচ্ছেদ ৬)

উদাৰতাবাদে পৃষ্ঠপোষকতা কৰা আন এক ৰাজনৈতিক তত্ত্ব হৈছে ক্ষমতাৰ বিভাজন। ১৮শ শতিকাত ফ্ৰান্সৰ দাৰ্শনিক মন্টেস্কুয়ে বিধায়িনী ব্যৱস্থা, শাসক তন্ত্ৰ আৰু ন্যায়িক ব্যৱস্থাৰ মাজত ক্ষমতাৰ পৃথকীকৰণ নীতিক সমৰ্থন কৰিছিল আৰু তেওঁৰ দ্বাৰা লিখিত 'The Sprit of laws' নামৰ গ্ৰন্থত এই বিষয়ে উল্লেখ কৰিছে। ক্ষমতাৰ পৃথকীকৰণ নীতি 'The Bill of Rights of U.S.A' আৰু 'Declaration of the Rights of man and of the Citizen of France' অৰ্ন্তভুক্তিয়ে এই নীতিৰ গুৰুত্ব বঢ়াইছিল। উদাৰতাবাদে চৰকাৰ আৰু ৰাষ্ট্ৰক জনসাধাৰণৰ প্ৰীতি উত্তৰদায়ী কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

● উদাৰতাবাদৰ অৰ্থনৈতিক দৃষ্টিভঙ্গী

অৰ্থনৈতিক ক্ষেত্ৰত উদাৰতাবাদে বৃত্তি আৰু অৰ্থনৈতিক কাৰ্যকলাপত মুক্ত চিন্তাধাৰাৰ পৃষ্ঠপোষকতা কৰে। এই ক্ষেত্ৰত ইংৰাজ অৰ্থনীতিবিদ আদাম স্মিটে তেওঁৰ গ্ৰন্থ 'দ্য ৱেলথ অফ নেচন' (The Wealth of Nation)ত উল্লেখ কৰা লেজিজ ফেয়ৰি (মুক্ত বাণিজ্য) ৰ ধাৰণা উদাৰতাবাদৰ প্ৰধান অংশ হৈ পৰে। উদাৰতাবাদে অৰ্থনীতিত ৰাষ্ট্ৰৰ যিকোনো ধৰণৰ হস্তক্ষেপক সমালোচনা কৰে আৰু ৰজাৰ ব্যৱস্থাৰ প্ৰভাৱবোৰ (চাহিদা আৰু যোগান তত্ত্ব) মানি লয়। অন্য কথাত উদাৰতাবাদে সামন্তবাদী আৰু মাৰ্কেন্টালিজম (Marcantalism) ৰ সময়ৰ অৰ্থনৈতিক কাৰ্যকলাপৰ ওপৰত থকা কৃত্ৰিম বাধাবোৰৰ বিৰোধিতা কৰে। এনেদৰে, উদাৰতাবাদে পুঁজিবাদী অৰ্থনৈতিক ব্যৱস্থাটোক বিভিন্ন ধৰণেৰে পৃষ্ঠপোষকতা কৰে।

উদাৰতাবাদে পৃষ্ঠপোষকতা কৰা আন এক অৰ্থনৈতিক ধাৰণা হ'ল সম্পত্তিৰ অধিকাৰ। Declaration of the Rights of Man and of the Citizen ৰ অনুচ্ছেদ ১৭ ত উল্লেখ কৰিছে 'সম্পত্তিৰ অধিকাৰ অলংমনীয় আৰু পৱিত্ৰ অধিকাৰ, কোনো লোককে ব্যক্তিগত সম্পত্তি ব্যৱহাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰে। যদিহে কোনো সম্পত্তি ৰাজহুৱাভাৱে প্ৰয়োজন তেতিয়া সেই সম্পত্তি আগতীয়া জাননীযোগে তথা ক্ষতিপূৰণ দিয়াৰ পিছতহে আইনী জাননীৰ জৰিয়তে

হস্তগত কৰিব পাৰে। অন্য অর্থত, সম্পত্তিৰ অধিকাৰ উপভোগ কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ কৃত্ৰিম বাধাৰ ব্যৱস্থা থকাটো অনুচিত আৰু কোনো লোককে বলপূৰ্বকভাৱে/স্বেচ্চাচাৰীভাৱে সম্পত্তিৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নালাগে।

ইয়াৰ লগতে উদাৰতাবাদে ৰাষ্ট্ৰই নিজৰ ব্যয়ৰ খতিয়ানৰ বাবে জনসাধাৰণৰ ওচৰত দায়ীবদ্ধ হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ৰাজহুৱা ব্যৱস্থাপনা আৰু শাসন ব্যৱস্থাৰ বাবদ হোৱা ব্যয়, লগতে কৰ-কাটলৰ সংগ্ৰহ আদি বিষয়ৰ ওপৰত নিয়ন্ত্ৰণত থাকে যদিও ৰাষ্ট্ৰৰ নাগৰিকসকলৰ ব্যৱস্থাবোৰৰ বিষয়ে জ্ঞাত হোৱাটো নাগৰিকসকলৰ অধিকাৰ হিচাপে উদাৰতাবাদে বিশ্বাস কৰে। নাগৰিকসকলে ব্যক্তিগতভাৱে বা প্ৰতিনিধিসকলৰ দ্বাৰা ৰাষ্ট্ৰৰ ব্যয় আৰু কৰ-কাটল সংগ্ৰহ আৰু ব্যৱহাৰৰ বিষয়ে জনাটো প্ৰয়োজনীয়। কৰ-কাটল সংগ্ৰহ আৰু কি অনুপাতত ইয়াক ব্যয় কৰা হ'ব, কেনেধৰণে আৰু ইয়াৰ দীৰ্ঘম্যাদিতা কিমান হ'ব —এই বিষয়বোৰৰ ওপৰত জনাটো নাগৰিকসকলৰ অধিকাৰ।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক—

প্ৰশ্ন নং ১ ঃ কোনজন ইংৰাজ দাৰ্শনিকক উদাৰতাবাদক এক বিশেষ দৰ্শন ৰূপে প্ৰতিষ্ঠা কৰাৰ বাবে কৃতিত্ব প্ৰদান কৰা হয়?

.....

প্ৰশ্ন নং ২ ঃ লেডিচ ফেয়ৰি (Laizzez Faire) কি?

.....

প্ৰশ্ন নং ৩ ঃ দ্য ৱেলথ্ অব্ নেচ্ন (The Wealth of Nation) গ্ৰন্থখন কোনে লিখিছিল?

.....

● উদাৰতাবাদৰ সামাজিক দৃষ্টিভঙ্গী

উদাৰতবাদে সামাজিক সমতা (egalitarianism) ক সমর্থন কৰে। উদাৰতাবাদ দৰ্শনে বিশ্বাস কৰে যে সকলো লোক জন্মগতভাৱে মুক্ত/স্বাধীন আৰু সম পর্যায়ৰ। সামাজিক বৈষম্য দেখা যায় অকল সামূহিক বস্তুবোৰত। সকলো লোকে বিবেক (reason) আৰু ভালবেয়া বিচাৰ কৰা গুণ (conscience) ৰে পৰিপুষ্ট, সেয়েহে ইজনে সিজনৰ লগত ভাতৃত্ববোধৰ সম্পর্ক স্থাপন কৰাটো উদাৰতাবাদে গুৰুত্ব প্ৰদান কৰে। উদাৰতাবাদে সামাজিক সমতা নীতিৰ ধাৰণাৰে দাসত্ব আৰু দাস ক্ৰেতা-বিক্ৰেতাৰ বিৰুদ্ধে আন্দোলন গঢ়ি তোলাত সহায় কৰিছিল। লগতে উদাৰতাবাদৰ এই নীতিয়ে লিংগ বৈষম্য (Gender inequeality) বিৰুদ্ধেও আন্দোলন গঢ়ি তোলাৰ ক্ষেত্ৰতো ইন্ধন যোগাইছিল।

উদাৰতাবাদে পৃষ্ঠপোষকতা কৰা আন এক দার্শনিক ধাৰণা হ'ল মতপ্ৰকাশৰ অধিকাৰ। Declaration of the Rights of Man and of the Citizen ত কোৱা হৈছে ঃ"ভাৱৰ

প্রকাশৰ মুক্ত বিনিময় আৰু মতদান হ'ল মানৱ অধিকাৰৰ ভিতৰত আটাইতকৈ গুৰুত্বপূর্ণ অধিকাৰ। যিকোনো নাগৰিকে কথা কোৱা, লিখা, চপোৱা আদি মুক্তভাৱে স্বাধীনভাৱে কৰাটো নাগৰিকৰ অধিকাৰ যদিও আইনে নির্ধাৰণ কৰা বাধাবোৰ উলংঘন কৰাটো আবাঞ্চনীয় (অনুচ্ছেদ ১১)। কোনো লোককে নিজৰ মতদানৰ বাবে বাধা দিয়া উচিত নহয় যদিহে তেওঁলোকৰ নীতিয়ে (Masnifestation) আইনে নির্ধাৰণ কৰা ৰাজহুৱা ব্যৱস্থাপনাক উলংঘন নকৰে (অনুচ্ছেদ১০)। ধর্মীয় মতবাদৰ স্বাধীন প্রকাশৰ ধাৰণাই বাকস্বাধীনতাৰ মূল বুলি ক'ব পৰা যায়। ধর্ম নির্বাচন যিকোনো লোকৰে ব্যক্তিগত চিন্তা-চর্চাৰ দ্বাৰা লোৱা সিদ্ধান্ত আৰু এই সিদ্ধান্তৰ বিপৰীতে গৈ আন কোনো ধর্ম অৱলম্বন কৰাৰ বাবে কোনো লোককে বাধ্য কৰোৱাটো উচিত নহয়। এই স্বাধীনতাবোৰক সামৰি Bill of Rights of U.S.A. (১৭৮৯) ৰ পাতনিতে কোৱা হৈছে যে কোনো নির্দিষ্ট ধর্মৰ প্রতিষ্ঠাৰ বাবে চৰকাৰে আইন প্রণয়ন কৰাটো উচিত নহয়, বা কোনো ধর্মচর্চা কৰাৰ পৰা লোকসকলক বঞ্চিত কৰাটো উচিত নহয়, বা বাকস্বাধীনতা, সংবাদ মাধ্যমৰ স্বাধীনতা, শান্দিপূর্ণভাৱে লোকসকল একত্রিত হোৱা আৰু জনসাধাৰণে অন্যায় বা দুখ কষ্টৰ নিবাৰণৰ বাবে চৰকাৰক আবেদন দিয়াৰ বিৰুদ্ধে আইন প্রণয়ন কৰা উচিত নহয়।

উদাৰতাবাদে ন্যায়িক স্বাধীনতাৰ লগতে মানৱ জাতিৰ মৌলিক মর্য্যাদা আৰু সন্মান ৰক্ষাৰ ক্ষেত্রত গুৰুত্ব আৰোপ কৰে। Declaration of the Rights of Man and of the Citizen ৰ অনুচ্ছেদ ৭ কোৱা হৈছে যে আইনৰ দ্বাৰা নির্ধাৰিত আৰু বিধিত নীতি নিয়মৰ বাহিৰে আন কোনো কাৰণতে কোনো লোকৰ বিৰুদ্ধে অভিযোগ আনিব বা গ্রেপ্তাৰ কৰিব বা আটক কৰিব নোৱাৰে। আনকি গ্রেপ্তাৰ হোৱাৰ পিছতো, কোনো যোগ্য কতৃপক্ষৰ দ্বাৰা দোষী সাব্যস্ত নোহোৱলৈকে লোক এজন নির্দোষী হিচাপে ধৰি ল'ব লাগিব। লগতে, উদাৰতাবাদী দর্শনে জীৱন আৰু অংগ-প্রত্যংগৰ ক্ষতি কৰিব পৰা লোককে একেটা অপৰাধৰ কাৰণে দুবাৰ শাস্তি দিয়া উচিত নহয় আৰু সকলো লোকৰে ন্যায় বিচাৰ লাভ কৰাৰ অধিকাৰ আছে।



জানি থোৱা ভাল

ভাৰতবর্ষত স্বাধীনতাৰ পিছত সংবিধান খচৰা প্রস্তুতিৰ বাবে গঠিত সংবিধান খচৰা সমিতিয়ে উদাৰতাবাদৰ কিছুমান প্রাথমিক ধাৰণা Bill of Rights of U.S.A. আৰু Declaration of the Rights of Man and of the Citizen of France ৰ পৰা লৈছিল। তাৰ বেছিসংখ্যকেই ভাৰতীয় সংবিধানৰ মৌলিক অধিকাৰ হিচাপে সন্নিবিষ্ট কৰা হয়। ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১২ ৰ পৰা ৩৫ লৈ মৌলিক অধিকাৰবোৰৰ বিষয়ে উল্লখ আছে। এই অধিকাৰবোৰ হ'ল সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰ, স্বাধীনতাৰ অধিকাৰ আৰু শিক্ষাৰ অধিকাৰ, সাংবিধানিক প্রতিকাৰৰ অধিকাৰ।

১৫.৩ উদাৰতাবাদ

উদাৰতাবাদে ইউৰোপৰ কেইবাটাও আন্দোলন আৰু বিপ্লৱৰ সূচনাৰ ক্ষেত্ৰত উৎসাহ যোগাইছিল। তাৰ ভিতৰৰ কেইটামান গুৰুত্বপূৰ্ণ ঘটনাৰাজি তলত আলোচনা কৰা হ'ল—

- **স্পেইন ঃ** ১৯ শ শতিকাৰ স্পেইনতো উদাৰতাবাদে এক প্ৰভাৱশালী শক্তিৰূপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল। স্পেইনৰ স্বতন্ত্ৰতা গুৰি ধৰোতা সকল আছিল বলড'মেৰো ইচপাৰটোৰো (Baldomero Esparters), চালুচটিয়ানো অল'যোগা (Salustiano Olozopa), জুৱেন প্ৰিম (Juan Prim), প্ৰাগচেদেচ চাগচ্টা আদি তেওঁলোকে বেলেগ বেলেগ কৈ নিজৰ ধাৰণাবোৰ প্ৰচাৰ কৰিছিল যদিও তেওঁলোক উদাৰতাবাদ দৰ্শন বোৰকেই প্ৰতিৰূপ আছিল। অৱশ্যে, পিছলৈ কাচটেইলাৰ (Castelar) আৰু কেনালেজাচ ৰক্ষণশীল মনোভাৱ গ্ৰহণ কৰি ৰাজশাসন ব্যৱস্থাক সমৰ্থন কৰিবলৈ লৈছিল। সেয়েহে ২০ শ শতিকাৰ বহুকেইটা উদাৰতাবাদী দলে নিজকে চৰমপন্থী, গণতান্ত্ৰিক আৰু গণৰাজ্যিক হিচাপে পৰিচয় দিবলৈ লৈছিল যাতে তেওঁলোকে নিজকে ৰক্ষণশীল নেতাসকলৰ পৰা পৃথক হিচাপে প্ৰতিষ্ঠা কৰিব পাৰে।

  উদাৰতাবাদে ১৮২০ ৰ পৰা ১৮২৩ ৰ ভিতৰত স্পেইনত বিজয়ধ্বজা উৰাবলৈ সমৰ্থ হৈছিল যাক 'ট্ৰিয়েনিও লিবাৰেল' বা লিবাৰেল ট্ৰিয়েনিয়াম' (স্বতন্ত্ৰতাৰ তিনিটা বছৰ) বুলি কোৱা হয়। ট্ৰিয়েনিঅ' লিবাৰেল ৰ সময় ছোৱাত একনায়কত্ববাদী ৰজা ফাৰাডিনাল্ড-৭ ৰ ৰাজত্ব কালৰ সমাপ্তিৰ পিছতে এক উদাৰতাবাদী স্পেইনত ৰাজত্ব কৰিবলৈ লৈছিল। ১৮১২ চনৰ উদাৰতাবাদী স্পে্ীয় সংবিধান খন স্পেইনৰ ৰজা ফালডিনাল্ড - ৭ য়ে গ্ৰহণ কৰিবলৈ আমান্তি হোৱাত এক সৈন্য বিপ্লৱে স্পেইন দেশ কঁপাই গৈছিল যাৰ পৰিণতিস্বৰূপে স্পেইনত ৰাজশাসনৰ সমাপ্তি ঘটিছিল।

  এই ঘটনাৰ পিছতে ১৮২০ চনৰ জানুৱাৰী মাজত স্পেইনৰ সৈনিক সকলে অনিয়মীয়া দৰমহা, বেয়া খাদ্য আৰু নিম্নমানৰ কৰ্মচাৰী আবাসৰ বাবে অতিষ্ঠ হৈ কাৰ্ডিজ (Cardiz) নামৰ চহৰখনত এক বিদ্ৰোহ আৰম্ভ কৰিছিল আৰু এই বিদ্ৰোহেঅতি কম সময়ৰ ভিতৰতে সমগ্ৰ স্পেইন দেশতে বিয়পি পৰে যিয়ে স্পেইন জনসাধাৰণৰ অসন্তুষ্টিৰ বহিঃপ্ৰকাশ ঘটাইছিল। এই বিদ্ৰোহে ফাৰডিনাল্ড-৭ ক ১৮২০ চনৰ মাৰ্চত সংবিধান গ্ৰহণ কৰিবলৈ বাধ্য কৰোৱাৰ লগতে উদাৰতাবাদী নেতাসকলক মন্ত্ৰীত্বৰ ক্ষমতা প্ৰদানেৰে উদাৰতাবাদী দৰ্শনক নিজৰ মন্ত্ৰীসভাত স্থান দিয়া দেখা গৈছিল যিয়ে স্পেইনত 'ট্ৰিয়েনিঅ' লিবাৰেল'ৰ আৰম্ভণি ঘটাইছিল। যি কি নহওঁক, ফ্ৰাৰ্ডিনাল্ড-৭ য়ে ইউৰোপীয় চৰম ৰাজতান্ত্ৰিক শাসসকলৰ লগত মৈত্ৰী গঠনেৰে 'কংগ্ৰেছ অৱ্ ভিয়েনা' (Congress of Vienna) যিয়ে ইউৰোপত ফৰাচী বিপ্লৱৰ আগৰ ৰাজনৈতিক অৱস্থানক পুনৰাই প্ৰতিষ্ঠা কৰাৰ ওপৰত কাৰ্যকৰী কৰাৰ চেষ্টা চলাইছিল। ঘটনাক্ৰমে, ফ্ৰান্স,বৃটিছ যুক্তৰাষ্ট্ৰ, ৰাচিয়া, প্ৰুচিয়া আৰু অষ্ট্ৰিয়াই ফার্ডিনাড ক সহায় কৰিবলৈ মান্তি হয় আৰু ফ্ৰান্সৰ এক সৈন্যদল

১৮২৩ চনত ৰজাৰ ক্ষমতা পুনৰ সংস্থাপনৰ উদ্দেশ্য স্পেইন আক্রমণ কৰিছিল যাৰ ফলস্বৰূপে 'ট্রিয়েনাঅ' লিবাৰেল'ৰ অন্ত পৰিছিল। তথাপি, উদাৰতাবাদী শক্তি আৰু নেতাসকলে ১৯ শ আৰু ২০ শ শতিকাত সমগ্র স্পেইনতে সংস্কাৰ সাধনৰ প্রচেষ্টা চলাইছিল।

- **পর্তুগাল ঃ** ১৮২০ চনত পর্তুগালত সংঘটিত হোৱা উদাৰতাবাদী বিপ্লৱে ১৮২২ চনত পর্তুগালত আৰম্ভ হোৱা সাংবিধানিক শাসনব্যৱস্থাৰ পাতনি মেলিছিল। পর্তুগীজ সমাজ আৰু ৰাজনৈতিক সংগঠনত ইয়াৰ এটা দীঘলীয়া প্রভাৱ পৰিছিল। ১৮০৭ চনৰ পৰা ১৮১১ চনৰ ভিতৰত নেপোলিয়নে সমগ্র ইউৰোপ মহাদেশৰ কতৃত্ব নিজৰ অধীনত আনিবলৈ তিনিবাৰ পর্তুগাল আক্রমণ কৰিছিল। ফলস্বৰূপে, পর্তুগীজ ৰজা জ'ন-৬ য়ে পর্তুগীজ সাম্রাজ্যৰ মধ্যম ভাগ পর্তুগালৰ পৰা ব্রাজিললৈ (দক্ষিণ আমেৰিকাত থকা পর্তুগীজ উপনিবেশ) স্থানান্তৰিত কৰে। ১৮১৫ চনত নেপোলিয়নৰ পৰাজয়ৰ পিছত জ'ন-৬ য়ে ব্রাজিলৰ পৰা পর্তুগীজ সাম্রাজ্য শাসন কৰিছিল। নেপোলিয়নৰ পৰাজয়ৰ পিছতে পর্তুগাল ৰজাক উভটাই অনাৰ উদ্দেশ্য পর্তুগালত আন্দোলনৰ সূচনা হৈছিল। তৎসত্বেও, ফৰাচী বিপ্লৱৰ ধাৰণাবোৰে সমগ্র ইউৰোপতে প্রসাৰতা লাভ কৰে আৰু পর্তুগালৰ জনসাধাৰণে স্বৰাজ কৰাৰ বিষয়েও পর্তুগীজ ৰজা সচেতন আছিল। সেয়েহে তেওঁ পর্তুগীজলৈ উভটি যোৱাত আগ্রহ প্রকাশ নাছিল। ইতিমধ্যে সেই সময়ত পর্তুগীজ লোকসকলৰ মাজত অস্থিৰতা বৃদ্ধি পাইছিল আৰু স্পেইন দেশৰ 'ট্রিয়ানিঅ' লিবাৰেল' বিপ্লৱৰ দ্বাৰা উদ্বুদ্ধ জনসাধাৰণে পর্তুগালত এনেধৰণৰ বিপ্লৱ আৰম্ভ কৰিছিল। বিপ্লৱীসকলে ৰাজদৰৱাৰ অতি শীঘ্রে পর্তুগাললৈ উভটি অহাটো বিচাৰিছিল যাতে ইয়াৰ জৰিয়তে মহানগৰীয় সম্বন্ধী সন্মান পুনৰ স্থাপন কৰিব পাৰে। লগতে উদাৰতাবাদী নীতিৰ দ্বাৰা প্রভাৱিত হৈ তেওঁলোকে সাংবিধানিক ৰজা দাবী কৰিছিল। অৱশেষত জ'ন-৪ য়ে ১৮২১ চনত পর্তুগাললৈ ঘূৰি আহিছিল যাৰ পিছতে ১৮২২ চনত ব্রাজিলৰ লগত সম্পর্কৰ ওৰ পৰে আৰু পর্তুগীজ সংবিধানৰ প্রয়োগৰ জৰিয়তে ৰাজনৈতিক আৰু সামাজিক ব্যৱস্থাত উদাৰতাবাদী নীতিৰ প্রয়োগ কৰিছিল।
- **ৰাছিয়া ঃ** ৰাছিয়াত উদাৰতাবাদ ১৯০৫ চনৰ সংবিধান প্রৱর্তনে সূচনা কৰিছিল। তদুপৰি ১৯১৭ চনৰ ৰাজনৈতিক বিপ্লৱ যাক ফ্রেব্রুৱৰীৰী বিপ্লৱ বুলিও কোৱা হয় ৰাছিয়াত উদাৰতা বাদৰ বিকাশ ঘটাইছিল । এই বিপ্লৱে একনায়কত্ববাদী শাসনকৰ ওৰ পেলাই উদাৰতাবাদী নেতা আৰু দলক ক্ষমতা অধিষ্ঠিত কৰিছিল। ডিছেম্বৰিষ্ট বিদ্রোহ, দাসপ্রথাৰ উচ্চেদ আৰু নিকোলাচ প্রথমৰ মৃত্যয়ে ৰাছিয়াৰ উদাৰতাবাদৰ সূত্রপাত ঘটাইছিল।

উদাৰতাবাদী সকলে সাংবিধানিক ৰাজপ্রশাসনৰ প্রতিষ্ঠা কৰিব বিচাৰিছিল যদিও ৰাচিয়াৰ জনপ্রিয় মতবাদে কোনোপধ্যে ৰাচিয়াৰ জাৰ (Tsar)ৰ ব্যৱস্থা পুনৰাৱর্তন হোৱাটো বিচৰা নাছিল। বলছেভিক বা ছোভিয়েট নেতাসকলেও উদাৰতাবাদী নেতাসকলৰ বিপৰীতে চৰমপন্থী দাবীৰ বাবে জনসাধাৰণৰ সমর্থনৰ সৃষ্টি কৰিছল। ঘটনাক্রমে, ৰাচিয়াত

উদাৰতাবাদী বিপ্লৱে বেছিদিন বর্তি থাকিব নোৱাৰিলে কিয়নো ১৯১৭ চনৰ অক্টোৱৰত লেনিনৰ নেতৃত্বত কমিউনিষ্ট বিপ্লৱে উদাৰতাবাদী বিপ্লৱৰ ঠাই দখল কৰিছিল।

- **ব্রিটেন ঃ** উদাৰতাবাদ নীতিৰ দ্বাৰা প্রভাৱিত হোৱা পোনপ্রথম বিপ্লৱৰ সূচনা হৈছিল ইংলেণ্ডত। ১৬৮৮ চনত ইংলেণ্ডত ঘটিত 'গ্লোৰিয়াচ বিদ্রোহ' (Glorious revolution) য়ে সংসদীয় সার্বভৌমত্ব প্রতিষ্ঠা কৰিছিল আৰু বিপ্লৱৰ অধিকাৰক ন্যার্যতা প্রদানেৰে উদাৰতাবাদী দর্শন প্রতিষ্ঠা কৰাত সমর্থ হৈছিল। গ্লোৰিয়াচ বিভোলুচনৰ আঁৰত আছিল প্রভাৱশালী উদাৰতাবাদী ব্যক্তিত্ব জন ল'ক। এই বিপ্লৱে 'হেবিয়াচ কোৰপাচ' (Habeas corpus) আইন প্রণয়নৰ জৰিয়তে অবৈধ ফাতেক/পলম (Detention) নিষিদ্ধ কৰিছিল। ছপাশালৰ স্বাধীনতা, কঠোৰ আৰু অসামান্য শাস্তি ৰোধৰ ব্যৱস্থা কৰাৰ লগতে ধর্মীয় সহনশীলতা স্থাপন কৰিছিল। ১৯শ শতিকাৰ ইংলেণ্ডত চাৰটিচ্‌ট (Chartist) আন্দোলনৰ সূচনা হৈছিল যাৰ মূলতে আছিল উদাৰতাবাদ দর্শন। বনুৱা শ্রেণীৰ দ্বাৰা চলিত চাৰাটিষ্ট আন্দোলনে নির্বাচনী সংস্কাৰ (electoral reforms) সাধন কৰিছিল। এই আনোদালনে সার্বজনীন প্রাপ্তবয়স্ক ভোটদান (সকলো লোকৰে ভোটদানৰ সমান অধিকাৰ)ৰ দাবী জনোৱাৰ লগতে গোপন বেলট্ ৰ জৰিয়তে বোটদান, বছৰেকীয়া সংসদীয় নির্বাচন (৫ বছৰত এবাৰৰ পৰিৱর্তে), সম আকাৰৰ সমষ্টি ভোটদানৰ অধিকাৰৰ বাবে সম্পত্তিৰ মাপকাঠী বাতিল কৰা, পর্য্যাপ্ত পৰিমাণে সংসদীয় সদস্যসকলক বেতন দিয়া (যাতে তেওঁলোকে নিজৰ জীৱিকাৰ বাবে চিন্তা কৰিব লগা নহয় আৰু নিজক জনসাধাৰণৰ কল্যাণৰ নামত উৎসর্গা কৰিব পাৰে)।

  ১৮৫৯ চনত, উদাৰতাবাদী নেতা হেনৰী জ'ন টেম্পল ইংলেণ্ডৰ প্রধানমন্ত্রী হ'বলৈ ওলাইছিল; যদিও ইঁলেণ্ডৰ প্রধানমন্ত্রী উইলিয়াম হৰার্ট গেল্ডষ্টনৰ শাসনকালত ইংলেণ্ড উদাৰতাবাদৰ কিল্লা হিচাপে থিয় দিছিল। উইলিয়াম ইৱার্টে চাৰিবাৰ শাসনত (১৮৬৮, ১৮৮০-৮৬, ১৮৮৬ আৰু ১৮৯২-৯৪) অধিষ্ঠিত হ'বলৈ সক্ষম হৈছিল আৰু সেইসময়ছোৱাত উদাৰতাবাদ আৰু উলিয়াম ইৱার্টে এনেদৰে এক হৈ পৰিছিল যে উদাৰতাবাদ আৰু উইলিয়াম ইবার্টৰ নাম এটা আনটোৰ পৰিপূৰক হৈ পৰে যি 'গেল্ডষ্ট'নিয়ান উদাৰতাবাদ' হিচাপে জনাজাত হ'বলৈ ধৰিছিল। তেওঁ উদাৰতাবাদৰ প্রাথমিক ধাৰণা যেনে ৰাষ্ট্রৰ সীমিত ব্যয়, কম হাৰত কৰ সংগ্রহ, মুক্ত বাণিজ্য চয়ন স্বাধীনতা, সম সুযোগ, আইনৰ শাসন আদিৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছল।
- **ফ্রান্স ঃ** ফৰাচী বিপ্লৱৰ (১৭৮৯) সময়ত উদাৰতাবাদ দর্শনে পৰিস্ফুটভাৱে প্রকাশ পাইছিল আৰু ফৰাচী বিপ্লৱৰ পিছতেই Declaration of the Rights of Man and of the Citizen বিধিত হৈছিল। ফৰাচী বিপ্লৱৰ লেখীয়াকৈ আন কোনো ইউৰোপীয় বিপ্লৱে উদাৰতাবাদক সামাজিক ৰাজনৈতিক আৰু অর্থনৈতিক ক্ষেত্রত আঁকোৱালি ল'বলৈ সক্ষম হোৱা নাছিল। পোষ্ট নিভাইচনিষ্ট ইতিহাসবিদ সকল যেনে ফ্রানকোইজ ফুৰেট, কেইথ এম্ বাকেৰ, ৰ'জাৰ চাৰটিয়াৰ, ৰবার্ট ডাৰটোন্ আদিয়ে মতপোষণ কৰিছিল যে ফৰাচী

বিপ্লৱে মানৱ জাতিৰ চিন্তাধাৰাৰ সমূলি পৰিৱৰ্তন ঘটাই এক নতুন ৰাজনৈতিক দিশৰ পাতনি মেলিছিল; যাৰ মূল ভেঁটি আছিল — স্বতন্ত্ৰতা, সমতা আৰু স্বাধনতা; ইয়াৰ প্ৰভাৱ যে অকল ফ্ৰান্সতে দেখা গৈছিল তেনে নহয়, ইউৰোপীয় আন আন দেশবোৰৰ লগতে পিছলৈ পৃথিৱী বিয়পি এই ধাৰণাবোৰে প্ৰসাৰতা লাভ কৰিছিল। Declaration of the Rights of Man and of the Citizen ৰ পূৰ্বগামী ধাৰাত আলোচিত বিষয়বস্তুয়ে উদাৰতাবাদৰ আস্পষ্ট দৰ্শনক এক সঠিক আকাৰ আৰু অৰ্থ প্ৰদান কৰে। ৰবাৰ্ট ডাৰ্ণ্টনৰ দ্বাৰা লিখিত 'What was Revolutionary about the Franch Revolution' ৰপ্ৰৱন্ধত আলোচনা কৰিছিল যে বিপ্লৱৰ দশকত (১৭৮৯-১৭৯৯) লোকসকল বেছি ধৰ্মনিৰপেক্ষ আৰু গণতান্ত্ৰিক ধাৰণাৰে উদ্বুদ্ধ হৈছিল তাৰ কিছুমান উদাহৰণ দাঙি ধৰা হ'ল—

- ১৭৯২ চনৰ ২২ চেপ্তেম্বৰত ফ্ৰান্সত ৰজাৰ শাসন সম্পূৰ্ণভাৱে ওপ পৰে আৰু এই দিনটোৰ পৰা ফ্ৰান্সত নতুন কেলেণ্ডাৰ ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰা হয়। লগতে পুৰণি বন্ধবোৰ ধ্বংসসূচক আছিল আৰু ৰাজকীয় প্ৰতীকৰ প্ৰভাৱ দেখা গৈছিল। নতুনকৈ প্ৰচলিত হোৱা কেনেণ্ডাৰ য়দিনপঞ্জী নাগৰিকৰ নামবৈশিষ্ট্য যেনে গুণ, প্ৰতিভা, বিচাৰ পুৰস্কাৰৰ ওপৰত ভিত্তি কৰি বন্ধবোৰ নিৰ্ধাৰণ কৰা হৈছিল।
- কিছুমান দিৱসত লোকসকলৰ ধৰ্মনিৰপেক্ষ মনোভাৱ ফুটি উঠিছিল। উদাহৰণস্বৰূপে, ২২ নৱেম্বৰ দিনটো আগতে চেচিলিয়া নামৰ সন্যাসী এজনৰ নামত উৎসৰ্গিত আছিল আৰু এতিয়া সেই দিনটো চালগোম দিৱস হিচাপে পালন কৰা হয়, ঠিক তেনেদৰে ২৫ নৱেম্বৰ দিনটো আগতে কেথৰিন দিৱস হিচাপে পালন কৰিবলৈ লৈছিল। ৰি
- পেৰিচৰ প্ৰায় ১৪০০ পথৰ নাম নৱীকৰণ কৰা হৈছিল কিয়নো পুৰণি নামবোৰ ৰজা, ৰাণী বা সন্ন্যাসীৰ নামত উৎসৰ্গিত আছিল। ঠিক তেনেদৰে, 'কুইন বি' (Queen bee) ক নতুনকৈ 'লেয়ীং বি' (Laying Bee) নামেৰে নামাকৰণ কৰা হৈছিল।
- বিপ্লৱীসকলে নিজক নতুন নামেৰে নামাকৰণ কৰাৰ লগতে নৱজাতক-জাতিকা সকলকো নৱ নামেৰে ভূষিত কৰা হৈছিল। ফ্ৰান্সত নতুনকৈ প্ৰৱাহিত উদাৰতাবাদী ৰাজনৈতিক সংস্কৃতিৰ নতুন ধাৰাৰ অনুসৰণ কৰি ফৰাচী বিপ্লৱৰ সময়ৰ বৈদেশিক মন্ত্ৰী পিয়েৰী লেব্ৰাম নিজৰ কন্যাৰ নাম, ৰাখিছিল 'চিভিলাইজেচন টেমাপিচ্ বিপাৱলিকিউ'। আনকি দবাখেলৰ গুটিবোৰক (chess picees) নতুন নাম প্ৰদান কৰা হৈছিল কিয়নো উদাৰতাবাদী ধৰণাৰ অনুগামী মস্তিষ্কৰ ৰজা, ৰাণী, হাতী (Bishops), ঘোঁৰা (knights) আদি গুটিৰে দবা খেলাটো সম্ভৱ নাছিল। ঠিক তেনেদৰে আচপাতৰ ৰজা-ৰাণী আৰু গোলামক ক্ৰমে স্বতন্ত্ৰতা, সমতা আৰু ভাতৃত্ববোধ নামেৰে নামাকৰণ কৰা হৈছিল।

- লায়ন হান্ট (B) ৰ দ্বাৰা ৰচিত 'Politics, Culture and class in the France Revolution, ১৭৮৯) ৰ মতে নতুনকৈ প্ৰসাৰিত হোৱা ৰাজনৈতিক সচেতনতাই ফ্ৰান্সৰ সমাজত নতুন ভাষা আৰু শব্দকোষৰ সৃষ্টি কৰিছিল। ভাষাবোৰ অধিক চমকপদ হৈ পৰিছিল আৰু নতুন শব্দকোষৰাজিত নাগৰিক, স্বতন্ত্ৰতা, সমতা আদি শব্দবোৰে নতুন মাত্ৰা লাভ কৰিছিল। এনেকৈয়ে ফৰাচী বিপ্লৱে ফ্ৰান্সৰ ৰাজনৈতিক আৰু সামাজিক জীৱন উদাৰতাবাদী দৰ্শনে প্ৰভাৱিত কৰিছিল।

- **বেলজিয়াম ঃ** ১৮৬১ চনত বেলজিয়ামত স্থাপিত হোৱা 'লিবাৰেল পাৰ্টি'ৰ উদ্যোগত উদাৰতাবাদ এক সংগঠিত আন্দোলন হিচাপে গঢ় লৈ উঠিছিল। ইয়ে স্বাধীনতা আৰু প্ৰগতিৰ পৃষ্ঠপোষকতা কৰি ১৮৮৪ চনত নিৰ্বাচন জয়ী হৈ চৰকাৰ গঠন কৰিছিল। উদাৰতাবাদী নীতি অনুকৰণেৰে বেলজিয়ামৰ 'লিবাৰেল পাৰ্টি' য়ে কৰ হ্ৰাস কৰি অৰ্থনৈতিক স্বতন্ত্ৰতা সুনিশ্চিত কৰিছিল। উদাৰতাবাদী নেতা ৰালথেৰে ফ্ৰেৰেতা'বান (Walthère Frère-Orban) ৰ অধীনত ১৮৭৯ চনৰ ১ জুনত স্কুলীয়া শিক্ষা ধৰ্মনিৰপেক্ষ কৰাৰ উদ্দেশ্য এখন শিক্ষা আইন প্ৰৱৰ্তন কৰিছিল। ১৮৪২ চনত প্ৰণীত শিক্ষা আইনে প্ৰাথমিক বিদ্যালয়ত কেথলিক ধৰ্ম আৰু নীতিশিক্ষা অত্যাৱশ্যকীয় বিষয় হিচাপে মানি লৈছিল আৰু নতুনকৈ প্ৰণীত ১৮৭৯ চনৰ এই আইনখনে ধৰ্মীয় শিক্ষাৰ গুৰুত্ব হ্ৰাস কৰিছিল। শিক্ষাক্ষেত্ৰত লোৱা চৰমপন্থী উদাৰতাবাদী আইনে পোন প্ৰথমবাৰৰ বাবে বেলজিয়ামত বিদ্যালয় যুদ্ধৰ আৱন্তণি ঘটাইছিল আৰু যুদ্ধ হৈছিল ৰক্ষণশীল কেথলিক দল আৰু ধৰ্মনিৰপেক্ষ উদাৰতাবাদী নেতাসকলৰ মাজত। ১৮৭৯ চনৰ পৰা ১৮৮৪ চনলৈ চলা এই যুদ্ধৰ পিছতে ঘটনাক্ৰমে উদাৰতাবাদী দলে ১৮৮৪ চনৰ নিৰ্বাচনত পৰাজয় বৰণ কৰে। এই ঘটনাৰ ফলস্বৰূপে উদাৰতাবাদী দলৰ নেতাসকলৰ মাজত বিভেদ আৰম্ভ হোৱাত কিছুমান উদাৰতবাদী নেতাই পল জনচন (Paul Jonson) ৰ সভাপতিত্বত প্ৰগতিশীল দল (Progressive Party) নামেৰে এক নতুন পাৰ্টি জন্ম দিছিল। ১৮৯৪ চনৰ নিৰ্বাচন সাৰ্বজনীন ভোটদান প্ৰক্ৰিয়াৰে অনুষ্ঠিত হৈছিল আৰু উদাৰতাবাদী দলৰ পৰাজয় অব্যাহত আছিল। ১৯ শ শতিকাত উদাৰতাবাদী দলে ক্ষমতা দখল কৰিবলৈ সক্ষম হৈছিল আৰু ১৯ শ শতিকাৰ বেলজিয়ামত এক প্ৰগতিশীল শক্তি ৰূপে প্ৰতিষ্ঠিত হৈছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক —

প্ৰশ্ন নং ৪ ঃ কোনটো বছৰত গ্লোৰিয়াচ বিদ্ৰোহ সংঘটিত হৈছিল ?

.....

প্ৰশ্ন নং ৫ ঃ ৰাছিয়াৰ উদাৰতাবাদী বিপ্লৱ কি নামেৰে জনাজাত ?

.....

প্ৰশ্ন নং ৬ ঃ 'ট্ৰিয়েনিঅ' লিবাৰেল' কি ?

.....



১৫.৪ অধ্যায়টিৰ পৰা আমি কি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ণ কৰি আপুনি জানিব পাৰিলে যে-

- কেনেকৈ উদাৰতাবাদে ১৮শ আৰু ১৯শ শতিকাত ইউৰোপত এক দৰ্শন হিচাপে উত্থান লাভ কৰি বহুকেইটা মতবাদ আৰু আন্দোলনৰ প্ৰসাৰত অৰিহণা যোগাইছিল।
- উদাৰতাবাদৰ লগত জড়িত মূল ধাৰণা আৰু উল্লেখযোগ্য ঘটনাবোৰো বিষয়ে আলোচনা।



১৫.৫ অধিক জানিবলৈ

- Anderson, M.S.(1975). *Europe in the Eighteen Century, 1713-1783*. London, UK: Longman.
- Chartier, Roger (1991). *The Cultural Origins of the French Revolution.* NewYork, NY: Duke University Press.
- Merriman, John (1996). *Modern Europe: From Renaissanse to the age of Napoleon*. New York, NY: W.W.Norton & Co.



১৫.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জ'ন ল'ক

২ নং প্ৰশ্নৰ উত্তৰ ঃ লেইজই ফেয়্যাৰ হ'ল মুক্ত বাণিজ্যৰ এক ধাৰণা যিয়ে অৰ্থনীতিৰ ওপৰত ৰাষ্ট্ৰৰ হস্তক্ষেপৰ বিৰোধিতা কৰে আৰু ৰজাৰ ব্যৱস্থাৰ (চাহিদা আৰু যোগান তত্ত্ব)ৰ সম্পূৰ্ণ স্বাধীনতাৰ ওপৰত বিশ্বাস ৰাখে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ আদাম স্মিথ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ইংলেণ্ড

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ফ্ৰেঞ্চৰাৰী বিপ্লৱ

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ট্ৰিয়ানিঅ' লিবাৰেল মানে তিনিবছৰৰ উদাৰত ৱাদী আমোল।



১৫.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো উত্তৰ ৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ কোন দুটা ঐতিহাসিক নথিপত্ৰ উদাৰতাবাদৰ নমুনা?

প্ৰশ্ন ২ ঃ কাচটেলৰ কোন আছিল?

(খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো উত্তৰ ১৫০-৩০০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰগঠনৰ চুক্তি তত্ত্বটো আলোচনা কৰক।

প্ৰশ্ন ২ ঃ উদাৰতাবাদৰ অন্তৰ্গত সামাজিক সমতাৰ ধাৰণাটো আলোচনা কৰক।

(গ) **ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো উত্তৰ ১৫০-৩০০ টা শব্দৰ ভিতৰত)**

প্ৰশ্ন ১ ঃ উদাৰতাবাদী দৰ্শনৰ লগত জড়িত মূল ৰাজনৈতিক ধাৰণাবোৰ কি কি? আলোচনা কৰক।

প্ৰশ্ন ২ ঃ উদাৰতাবাদৰ অৰ্থনৈতিক দৃষ্টিভঙ্গী বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ উদাৰতাবাদী দৰ্শনৰ প্ৰভাৱ ইউৰোপৰ বিভিন্ন দেশবোৰত কেনেকৈ পৰিছিল আলোচনা কৰক।

*** ***** ***



প্ৰসংগ পুথি

ইংৰাজী গ্ৰন্থ ঃ

1) Hayes, C.J.H. (1963). *Modern Europe to 1870.* New York, NY: MacMillan

2) Ketelby, C.D.M. (1994). *A History of Modern Times from 1789.* New Delhi, India Oxford University Press.

3) Lipson, E.(1968). *Europe in the Nineteenth Century (1815-1914).* London, UK: A. and C .Black

4) Mahajan, V.D. (2009). *History of Modern Europe since 1789.* New Delhi, India S.Chand & Co.

5) Rao, B.V. (1985). *History of Modern Europe (1789-1975).* New Delhi, India: Sterling Publishers Prvt Ltd.

6) Simpsons, William and Jones, Martin (2nd edition). (2009). *Europe (1789-1914).* London, UK: Routledge

7) Thompson, David. (1990). *Europe since Napoleon.* New Delhi, India: Surjeet Publications

Websites and Electronic Sources-

1) Blind, Karl. (1869). The Spanish Revolution in *The North American Review*, Vol. (108), pp. 542-578.

2) Parker, A.A. (1937). History of Carlism in Spain in *Studies: An Irish Quarterly Review,* Vol. (26), pp. 16-25.

3) Smith, Willard A. (1953). Napoleon III and the Spanish Revolution of 1868 in *The Journal of Modern History, Vol . (25), pp. 211-233*

4) Smith, Willard A. (1950). The Background of the Spanish Revolution of 1868 in *The American Historical Review, Vol. (55), pp. 787-810.*